# প্ৰৱাহিনী

PROBAHINI

বাৰ্ষিক মুখপত্ৰ, শিৱসাগৰ ছোৱালী মহাবিদ্যালয়, ২০১৬-১৭ বৰ্ষ



সম্পাদিকা

নিকুমণি দিহিঙ্গীয়া

Scanned with OKEN Scanner

# ছাত্ৰীসকলৰ কেমেৰাত বন্দী আলোকচিত্ৰৰ সমাহাৰ











আলোকচিত্ৰ গ্ৰহণকাৰী - সুকন্যা বৰগোহাঁই আৰু তৃষা দেউৰী, স্নাতক তৃতীয় ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ



# প্ৰৱাহিনী

(ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় আলোচনী প্ৰতিযোগিতাত তৃতীয় স্থান প্ৰাপ্ত)

বাৰ্ষিক মুখপত্ৰ

শিৱসাগৰ ছোৱালী মহাবিদ্যালয়

২০১৬-১৭ বৰ্ষ

তমসো মা জ্যোতির্গময়

শিৱসাগৰ ছোৱালী মহাবিদ্যালয়

অকৃত্ৰিম শ্ৰদ্ধা আৰু আন্তৰিকতাৰে

শ্ৰী/শ্ৰীযুতা ..........................................................................ৰ

হাতত এই বৰ্ষৰ আলোচনীখন তুলি দিলোঁ।

সম্পাদনা সমিতিৰ হৈ

..........................................

সম্পাদিকা

নিকুমণি দিহিঙ্গীয়া



# Annual Magazine

***Sibsagar Girls' College***

***2016-17***

Edited by Nikumoni Dehingia,
Published by Sibsagar Girls' College on behalf of College Students Union

## সম্পাদনা সমিতি

| | |
|---|---|
| ড° ৰীতা বৰকটকী | তত্ত্বাৱধায়িকা |
| ড° কৃতাঞ্জলি কোঁৱৰ | তত্ত্বাৱধায়িকা |
| নিকুমণি দিহিঙ্গীয়া | সম্পাদিকা |
| ৰাখী বৰদলৈ | সদস্যা |
| মৃন্ময়ী দুৱৰা | সদস্যা |
| ৰীতি বৰুৱা | সদস্যা |
| লক্ষীপ্ৰিয়া হাজৰিকা | সদস্যা |
| জিতা শইকীয়া | সদস্যা |
| সুস্মিতা খনিকৰ | সদস্যা |

বেটুপাত ঃ নিকুমণি দিহিঙ্গীয়া

অলংকৰণ ঃ দেৱজিৎ বৰা

প্ৰকাশক ঃ ছাত্ৰী একতা সভা, শিৱসাগৰ ছোৱালী মহাবিদ্যালয়

মুদ্ৰণ ঃ প্ৰিন্ট-টেক্, জীৱন ফুকন নগৰ, ডিব্ৰুগড়
ভ্ৰাম্যভাষ ঃ ৯৮৬৪৭৯৬৪২৪, ৭৫৭৫৯২৬৪২৪

Scanned with OKEN Scanner

# উছৰ্গা

'শিৱসাগৰ ছোৱালী কলেজ'লৈ গৌৰৱ কঢ়িয়াই অনা
সমূহ ছাত্ৰী তথা অসমৰ শৈক্ষিক, সামাজিক,
সাংস্কৃতিক, ক্ৰীড়াৰ দিশত বিশেষ পাৰদৰ্শিতা
দেখুৱাবলৈ সক্ষম হোৱা ব্যক্তিসকলৰ নামত

**'প্ৰৱাহিনী'**ৰ

২০১৬-২০১৭ বৰ্ষৰ সংখ্যাটি
উছৰ্গা কৰিলোঁ।

শিৱসাগৰ ছোৱালী মহাবিদ্যালয়
ছাত্ৰী একতা সভা
২০১৬-১৭ বৰ্ষ

Scanned with OKEN Scanner

# শ্ৰদ্ধাঞ্জলি

বিগত বৰ্ষসমূহত আমাৰ মাজৰপৰা
আঁতৰি যোৱা কলেজৰ ছাত্ৰী, শিক্ষক,
কৰ্মচাৰী তথা অসমৰ বিভিন্ন দিশত
অৱদান আগবঢ়াই পৰলোকগামী হোৱা
বিশিষ্ট ব্যক্তিসকললৈ
'প্ৰৱাহিনী'ৰ
এই সংখ্যাৰ জৰিয়তে
শ্ৰদ্ধাঞ্জলি আগবঢ়াইছোঁ।



Scanned with OKEN Scanner



Sivsagar Girl's college
ৰ সমূহ ছাত্ৰীলৈ মোৰ
আন্তৰিক অভিনন্দন।
আপোনালোকে ভাল হওক তাকেই
কামনা কৰিলোঁ।
অৰমোৰ
/
জুবিন

22/8/17

ড° হিমন্ত বিশ্ব শৰ্মা, এলএলবি
মন্ত্ৰী, অসম

সত্যমেব জয়তে

বিত্ত, শিক্ষা, পৰিকল্পনা আৰু উন্নয়ন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, গুৱাহাটী উন্নয়ন, পৰ্যটন, সমবায়, হস্ততাঁত আৰু বস্ত্ৰ শিল্প (খাদী আৰু গ্ৰামোদ্যোগ), পেঞ্চন আৰু ৰাজহুৱা অভিযোগ



## শুভেচ্ছাবাণী

শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'প্ৰৱাহিনী' প্ৰকাশৰ যো-জা কৰা বুলি জানিবলৈ পাই অতিকৈ আনন্দিত হৈছো আৰু এনে উদ্যোগৰ শলাগ লৈছো।

ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক, সাহিত্যিক আৰু বৌদ্ধিক উত্তৰণত শিক্ষানুষ্ঠান এখনৰ বাৰ্ষিক মুখপত্ৰ অথবা আলোচনী এখনে প্ৰভূত অৰিহণা যোগায়। আশা ৰাখিছো বাৰ্ষিক আলোচনীখনৰ জৰিয়তে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে সৃষ্টিশীল চিন্তাধাৰা আৰু প্ৰতিভা বিকাশৰ সুযোগ লাভ কৰিব। আলোচনীখনিৰ সৌষ্ঠৱ বৃদ্ধিত শিক্ষানুষ্ঠানখনৰ শিক্ষক সমাজেও নিজ নিজ লিখনিৰ দ্বাৰা অৰিহণা আগবঢ়াব বুলি আশা প্ৰকাশ কৰিলোঁ।

সদৌ শেষত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰাৰ লগতে শিক্ষানুষ্ঠানখনৰ শিক্ষক-শিক্ষয়িত্ৰী, শিক্ষাৰ্থী তথা কৰ্মচাৰীবৃন্দলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)

স্বচ্ছ ভারত
एक कदम स्वच्छता की ओर

ই-ব্লক, তৃতীয় মহলা, অসম সচিবালয়, দিছপুৰ, গুৱাহাটী-৭৮১০০৬, অসম
দূৰভাষ নং ঃ (০৩৬১) ২২৩৭৩১৫, ফেক্স ঃ ০৩৬১-২২৩৭০১২
ই-মেইল ঃ himantab@hotmail.com / himantabsarmaoffice@gmail.com

Scanned with OKEN Scanner

OFFICE OF THE PRINCIPAL

# SIBSAGAR GIRLS' COLLEGE

SIVASAGAR :ASSAM

*(Re-Accredited by NAAC)*

*MODEL DEGREE COLLEGE (RUSA)*

Mrs. Anu Sarmah, M.A.
Principal i c & Secretary

Phone No. 03772-232778
e-mail:principalsgc@yahoo.co.in
Fax No. : 03772-222385

Ref. No. Date:-



'শিৱসাগৰ ছোৱালী মহাবিদ্যালয়' শিৱসাগৰ জিলা তথা সমগ্ৰ অসমৰ নাৰী শিক্ষাৰ জয়যাত্ৰাৰ অন্যতম সাক্ষী। জন্মলগ্নৰে পৰা বৰ্ত্তমানলৈকে এক প্ৰৱাহমান গতিত এই কলেজলৈ বছৰি এক নিৰ্দ্দিষ্ট সংখ্যক ছোৱালী জ্ঞান সাগৰত মুকুতা বুটলিবলৈ আহিয়েই আছে পুনৰ নিৰ্দ্দিষ্ট শিক্ষা বৰ্ষৰ শেষত জ্ঞানৰ কলচী ভৰাই, ভৱিষ্যত জীৱনৰ বাবে নিজকে প্ৰস্তুত কৰি ওলাই গৈয়েই আছে – এই গতি নিৰবিচ্ছিন্ন হওক, চিৰ প্ৰৱাহমান হওক, তাৰ কামনা আমাৰ সকলোৰে —।

'যোগ্য ভোগ্যা বসুন্ধৰা' আজিৰ পৃথিৱী, আজিৰ পৃথিৱী, আজিৰ সময় কেৱল যোগ্যজনৰ বাবেহে। গতিকে আজি আমাৰ ছাত্ৰীসকলে নিজকে সকলো দিশৰ পৰা যোগ্য কৰি গঢ়ি তুলিবলৈ সাজু কৰিব লাগিব। এই সকলো বিলাকৰ বাবে প্ৰথমে শিক্ষাৰ্থীসকল অধ্যয়নমুখী হ'ব লাগিব কেৱল অধ্যয়নমুখিতাইহে শিক্ষাৰ্থী সকলৰ জ্ঞানৰ পৰিসীমা বিস্তৃত কৰিব পাৰে। জ্ঞান হ'ল শক্তিৰ আধাৰ, গতিকে উপযুক্ত জ্ঞান আহৰণ ও সময় সাপেক্ষে জ্ঞানৰ সু-ব্যৱহাৰ কৰিহে আমি জীৱন বাটত সুকলমে আগবাঢ়ি যাব পাৰোঁ।

আমাৰ ছাত্ৰীসকল দেশৰ ভৱিষ্যতৰ একোগৰাকী দায়িত্বশীলা নাগৰিক। আমাৰ দেশৰ ৰাজনৈতিক, সামাজিক ও অৰ্থনৈতিক সুৰক্ষা আমাৰ ভৱিষ্যতৰ নাগৰিক সকলৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে পঢ়া-শুনা কৰি জ্ঞান অৰ্জনৰ লগতে আমাৰ ছাত্ৰীসকল সৎ চৰিত্ৰৰ অধিকাৰী হ'বলৈ চেষ্টা কৰিব লাগিব, তেওঁলোক সদায় কিছুমান সু-অভ্যাস গঠনত ব্ৰতী হ'ব লাগিব, তেওঁলোকৰ মাজত থাকিব লাগিব অনুশাসন, সহযোগিতাৰ মনোভাব, সামাজিক চেতনা ও সংযম। এই সকলো বিলাকৰ উৎকৰ্ষ সাধনৰ বাবে তেওঁলোক সদায় যত্নপৰ হ'ব লাগিব।

আমাৰ মহাবিদ্যালয়ৰ আলোচনী 'প্ৰৱাহিনী' হওক আমাৰ ছাত্ৰী সকলৰ ভিন্নমুখী প্ৰতিভাৰ অন্যতম প্ৰকাশ। 'প্ৰৱাহিনী' হওক ছাত্ৰীসকলৰ শৈক্ষিক ও বৌদ্ধিক বিকাশৰ অন্যতম স্বাক্ষৰ। এই প্ৰৱাহিনীত প্ৰতিফলিত হওক অনেক ন ন লেখিকাৰ ভৱিষ্যত, বাস্তৱ হওক তেওঁলোকৰ সোণালী সপোন। এইয়ে কামনা। ২০১৬-১৭ বৰ্ষৰ প্ৰৱাহিনীৰ বাবে মোৰ আন্তৰিক শুভেচ্ছা জনালোঁ।

আলোচনীখনৰ লগত জড়িত হৈ প্ৰকাশৰ পথলৈ আগবঢ়াই লৈ অনা প্ৰতিগৰাকী ছাত্ৰী, শিক্ষক ও কৰ্মকৰ্তালৈ মোৰ শুভেচ্ছা ও ধন্যবাদ যাঁচিলো।

জয়তু শিৱসাগৰ ছোৱালী মহাবিদ্যালয়।

জয়তু প্ৰৱাহিনী।

Anu Sarmah
Principal i/c
Sibsagar Girls' College
SIVASAGAR (Assam

# সম্পাদনা সমিতি



ড° ৰীতা বৰকটকী

তত্বাৱধায়িকা



ড° কৃতাঞ্জলি কোঁৱৰ

তত্বাৱধায়িকা



নিকুমণি দিহিঙ্গীয়া

সম্পাদিকা



ৰাখী বৰদলৈ

সদস্যা



মৃন্ময়ী দুৱৰা

সদস্যা



ৰীতি বৰুৱা

সদস্যা



লক্ষীপ্ৰিয়া হাজৰিকা

সদস্যা



সুস্মিতা খনিকৰ

সদস্যা



জীতা শইকীয়া

সদস্যা

Scanned with OKEN Scanner




# কলেজ সংগীত

**কথা ঃ** অধ্যাপিকা কৰবী ডেকা হাজৰিকা
ডিব্ৰুগড় বিশ্ববিদ্যালয়
**সুৰ ঃ** প্ৰবীণ হাজৰিকা, শিৱসাগৰ

আমি কোমল পুৱাৰ ৰ'দালি
আমি এজাক সপোন সোণালী
পোহৰৰ দিশে উৰা মাৰি যোৱা
যেন এজাক পখীৰ কাকলি
আমি এজাক সপোন সোণালী।।
দূৰৰ আকাশে মাতে আশা ছটিয়াই
জ্ঞান আৰু বিজ্ঞানে মাতে ৰিঙিয়াই
নিত্য নতুন এই মহাবিশ্বত
পোহৰৰ কণিকা লওঁ বুটলি।।
শিক্ষাৰ সাধনাৰ বন্তি জ্বলাওঁ
নিজেও উজ্বলি উঠো দেশকো উজ্জ্বলাওঁ
গৰিমাৰে মহিমাৰে জিলিকি আছে
সোণৰ কলচীৰ কাষতে
শিৱসাগৰ ছোৱালী কলেজ
প্ৰণামো তোমাক
শ্ৰদ্ধাৰে অঞ্জলি জনালো তোমাক
দেশৰ মাটিত তুমি সিঁচি দিলা
জ্ঞানৰ জোনাক
প্ৰণামো তোমাক
শ্ৰদ্ধাৰে অঞ্জলি জনালো তোমাক ।।

Scanned with OKEN Scanner

## অনুক্ৰমণিকা ...

সম্পাদকীয় /৯

### অতিথি শিতান

অৰুণ গোস্বামী | অতি শক্তিশালী নাৰী সমাজ ঃ সাৱধান/১৩
ৰণাল্ডো টাইড | বৰষুণৰ ৰাতি/১৫
নীলাঞ্জন মহন্ত | প্ৰেৰণাৰ অমল উৎস/১৬
গুৰু জোন | আকাশ চুব খোজোঁ/১৮

### শিক্ষক-শিক্ষয়িত্ৰীৰ শিতান

ড° কিশোৰ কুমাৰ দেউৰী | বিষ্ণুপ্ৰসাদ ৰাভাৰ সৃষ্টি আৰু কৰ্মত অসমীয়া জাতীয়তাবাদী চিন্তাৰ পৰা ভাৰতীয় জাতীয়তাবাদী চিন্তালৈ উত্তৰণ/২০
প্ৰবীণ শৰ্মা | আহোম যুগৰ অন্যতম খেমালি 'শেন কনুৱাৰ যুঁজ'/২৪
প্লাৱন ভূঞা | বিপন্ন জাতীয় জীৱন আৰু ৰাজনীতিক গতি ঃ এক ঐতিহাসিক অৱলোকন/২৫
Rajashree Dutta | **Balancing Life** /২৯
সংগীতা দাস বৰুৱা | ফেংছুই আৰু বাস্তুশাস্ত্ৰ/৩১
অখাফৌৰ | ফাগুন/৩৪
জাকিৰ হুছেইন | জীৱনৰ গান/৩৫

### চিন্তা শিল্প (বিষয় ঃ নাৰী)

গীতিমণি বৰুৱা | নাৰীৰ জীৱন সম্পৰ্কে/৩৬
নিবেদিতা দত্ত | আজিৰ সমাজত নাৰী/৩৯
চয়নিকা বুঢ়াগোহাঁই | মহিলা সমন্বয় আৰু দেশৰ উন্নয়ণ/৪১
Dixita Phukan | **Feminism and It's reality : Women's Era**/৪৩

### সংস্কৃতি আৰু ঐতিহ্য

ৰিতুমণি সন্দিকৈ | ঐশ্বৰ্যময় আহোম যুগৰ বৰ্ণময় নাৰী/৪৪
প্ৰস্তুতি ঠেঙাল | ঐতিহ্যময় নুমলীগড়ৰ দেওপাহাৰৰ কথাৰে/৪৭
লক্ষীপ্ৰিয়া হাজৰিকা | সংস্কৃতিৰ অন্যতম প্ৰতীক ঢেঁকী/৪৯
নিকিতা দত্ত | সৌঁৱৰণীৰ সেওঁতাত ৰঙালী বিহুটি আৰু বৰ্তমানৰ অস্তিত্ব/৫১



Scanned with OKEN Scanner

# অনুক্ৰমণিকা


## শিক্ষা

বৰষা গগৈ — শিক্ষাৰ গুৰুত্ব/৫৩
উপাসনা দাস — গৃহ বিজ্ঞান শিক্ষাৰ প্ৰয়োজনীয়তা/৫৪

## সমাজ আৰু সাহিত্য

তৃষ্ণা কুৰ্মী — আধুনিকতা আৰু যান্ত্ৰিকতা/৫৬
নীলাক্ষি চেতিয়া — বৰ্তমানৰ সমাজ ব্যৱস্থা/৫৮
ৰাখী বৰদলৈ — শ্বেক্সপীয়েৰৰ সাহিত্যৰ অৱলোকন/৬০
সুস্মিতা বড়া — দ্বন্দাত্মক বস্তুবাদৰ পৰা কালমাৰ্ক্সৰ শ্ৰেণী সংগ্ৰামলৈকে ঃ এক তাত্বিক আলোকপাত/৬১

## স্বাস্থ্য আৰু বিজ্ঞান

বৰষা বুঢ়াগোহাঁই — বিজ্ঞানৰ আৱিষ্কাৰ পেৰাচ্যুট/৬৩
প্ৰিয়াঙ্কী বুঢ়াগোহাঁই — সাম্প্ৰতিক সময়ৰ পৰিপ্ৰেক্ষিতত উচ্চ ৰক্তচাপৰ প্ৰাসংগিকতা/৬৪

## সাম্প্ৰতিক

মাম্পী বৰদলৈ — বৰ্তমানৰ অৰণ্য ধ্বংসৰ গৰাহত/৬৭
মাম্পী বৰদলৈ — সাম্প্ৰতিক কালত অসমত সৃষ্টি হোৱা বানপানী আৰু ইয়াৰ পৰিণতি/৬৮
Nagma Begum — Save The Planet Earth/৭০

## জীৱনী লেখা

সুস্মিতা খনিকৰ — এলবাৰ্ট আইনষ্টাইন/৭২
ৰাণী হাজৰিকা — সুধাকণ্ঠৰ এটি আলোকপাত /৭৪
Parthana Dutta — Stephen Hawking/৭৬
Bhagyashree Neog — Malala Yousafzai The Girl who stood up for Education/৭৮

## বৰ্ণিল

প্ৰণামী কোঁৱৰ — আমি হাঁহিবলৈ পাহৰিছোঁ/৮১
দিম্পী মিলি — হাঁহি/৮৩
প্ৰিয়াংকী বৰা — বন্ধুত্ব আৰু চ'ছিয়েল নেটৱৰ্কিং চাইট/৮৪
মুনমী চেতিয়া — ধলা-শদিয়া সেঁতু/৮৬

# অনুক্রমণিকা ...


তৃষ্ণা আৰন্ধৰা | পৃথিৱীৰ কেইবিধমান আচৰিত বস্তু/৮৭
Madhusmita Kakoti | GST/৮৯
Namrata Singh | Sikhism/৯০
ডেইজী বড়া | ৰেডিঅ' এক নষ্টালজিয়া/৯১
ৰিচা হাতীমূৰীয়া | নিসংগতা ঃ এক সমস্যা/৯২
পলী দেৱী | ঐতিহ্যমণ্ডিত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়/৯৪


## সাক্ষাৎকাৰ শিতান


ড° অমৰজ্যোতি চৌধুৰীৰ সৈতে | এটি বৰ্ণময় সন্ধিয়াৰ অন্তৰংগ আলাপ/৯৬


## প্ৰাক্তন ছাত্ৰীৰ শিতান


শিল্পীকা ৰাজগুৰু | অসমৰ বলুৱা বনৌষধিসমূহৰ উপকাৰিতা/১০০
হিমাদ্ৰী ফুলকোঁৱৰ | ৰাতিবেলাৰ অৱগুণ্ঠন/১০২
Ranipriya Dutta | My memories of SGC/১০৩
শতাব্দী শিখা কোঁচ | ৯ বজাৰ লগে লগেই ভিৰ হৈ পৰিছে দ'লমুখ চাৰিআলি/১০৫
অন্বেষা ৰাজকুমাৰী | ৰক্তাক্ত অস্তিত্ব/১০৯
ড° লিপি ফুকন | ঘৰ.....হেঁপাহৰ ঘৰ/১১১
মাধুৰীমা ঘৰফলীয়া | যেতিয়া এৰাবাটে কান্দে/১১৪
প্লাৱিতা বৰুৱা | স্মৃতিৰ ৰেঙণি/১১৭


## কথা শিল্প


সংগীতা বৰুৱা | বিস্মৃতিৰ গহ্বৰত কল্লোল/১১৯
লক্ষীপ্ৰিয়া হাজৰিকা | আত্মবিশ্বাস/১২২
Priyam Borgohain | True Love/১২৪
Reeti Borah | In Quest of Happiness/১২৫
এমিলী ফুকন | হেকৰা সুবাস বিচাৰি/১২৬
Karishma Mahanta Dutta | My last question/১২৯
প্ৰতীক্ষা ফুকন | অৰ্ধাংগিনী/১৩০
সবিতা শইকীয়া | প্লট/১৩৩
মিনাক্ষী গগৈ | এটা গল্পৰ প্লট বিচাৰি/১৩৬
কবিতা গোহাঁই | তুমি আহিবা আকৌ এবাৰ/১৩৮


Scanned with OKEN Scanner

## অনুক্রমণিকা ...


সুস্মিতা বৰগোহাঁই — সৰা ফুলৰ পাপৰি/১৪০
প্ৰিন্সী গগৈ — নষ্টচন্দ্ৰিকা/১৪৩
অৰুণোদয় — অন্বেষা ৰাজকুমাৰী/১৪৪
মল্লিকা গগৈ — শোষণৰ অন্য এক সামগ্ৰী ঃ নাৰী/১৪৫


## কাব্য কানন


সুস্মিতা বৰগোহাঁই — প্ৰতিজন বিষাদগ্ৰস্ত মানুহ অসহায়/১৪৭
পৰিস্মিতা মিলি — জীৱনৰ হেঙুলী কিৰণ/১৪৭
সুমন গগৈ — আহ্বান/১৪৮
বিথীকা দত্ত — গতি/১৪৯
জয়শ্ৰী ফুকন — শিক্ষক/১৪৯
Raushni Begum — The power of words/১৫০
পিংকী বসুমতাৰী — শৈশৱ/১৫১
তৃষ্ণা আৰন্ধৰা — অতীত/১৫১
অভিস্পা বৰগোহাঁই — মানুহ/১৫২
ৰিচা হাতীমূৰীয়া — আদৰ্শই মোক আমনি কৰে/১৫৩
চয়নিকা বুঢ়াগোহাঁই — অবাস্তৱ/১৫৪
নিতিশা কলিতা — জীৱনৰ নিৰাশা/১৫৪
Gayatry Borgohain — Child Labour/১৫৫
Prastuti Borah — Hymn to the soul/১৫৬
বুলিমণি কলিতা — সেউজীয়া দোপাট্টাৰ আঁৰৰ ছোৱালীজাক/১৫৭
ৰাখী বৰদলৈ — জীয়াই থাকিবলৈ দিয়ক আমাক/১৫৮


## অনুভৱৰ বকীয়াইদি


নিকুমণী বড়া — এজাক সপোন আৰু অলপ অনুভৱ/১৫৯
গীতাঞ্জলি কলিতা — এমুঠি অনুভৱেৰে/১৬১
পিকুমণি বৰুৱা — শৰতৰ এটি মিঠা অনুভৱ/১৬২
অংকুৰিতা মহন্ত — এক অভিনৱ শব্দ মা/১৬৩
ববিতা ভূমিজ — নাৰীৰ কৰুণাময় জীৱন/১৬৪
গীতামণি বড়া — যান্ত্ৰিকতাৰ গৰাহত আমিবোৰ/১৬৫
সুপ্ৰিয়া গগৈ — সুখ-দুখৰ মাজেৰে জীৱন/১৬৬


Scanned with OKEN Scanner

# অনুক্রমণিকা...

## নীলা খামৰ চিঠি


লুণা বৰুৱা | পৰিচয়বিহীন এখন চিঠি তোমাৰ বাবে/১৬৭
জোনালী হাজৰিকা | এখন চিঠি, সপোন আৰু বাস্তৱৰ মিশ্ৰণেৰে/১৬৮
নিকুমণি দিহিঙ্গীয়া | ঠিকনাবিহীন এখন চিঠি/১৭০
পৰী তামুলী | তোমাক পাইয়ো হেৰুৱালোঁ/১৭২
জেৰিণা দেউৰী | প্ৰবাসী বন্ধুলৈ চিঠি/১৭৩


## অভিজ্ঞতাৰ একলম


দৰদী গোহাঁই | প্ৰকৃতিৰ বুকুত এভুমুকি/১৭৪
পল্লৱী শইকীয়া | অভিজ্ঞতাৰ একলম/১৭৫


## নাট্যশিল্প


শ্ৰুতি ফুকন | জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটক ঃ 'কাৰেঙৰ লিগিৰী'ৰ কিছু অৱলোকন/১৭৬
প্ৰযোজনা ঃ নিকুমণি দিহিঙ্গীয়া | অপৰাজিতা/১৭৯


## পুৰস্কাৰপ্ৰাপ্ত শিতান


অন্বেষা ৰাজকুমাৰী | প্ৰবন্ধ ঃ বৰ্তমান সময়ত গান্ধীবাদৰ প্ৰয়োগ আৰু প্ৰাসংগিকতা/১৮৪
গীতাশ্ৰী ওজা | চিঠি ঃ হৃদয়ৰ পৰা হৃদয়লৈ/১৮৬
ৰাণীমা বৰপাত্ৰগোহাঁই | কবিতা ঃ ভগ্ন ছবিৰ ক্ৰন্দন/১৮৭


## সম্পাদকীয় প্ৰতিবেদন


সুজাতা গগৈ | সভাপতিৰ প্ৰতিবেদন/১৮৮
পৰিস্মিতা দাস | সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন/১৮৯
অভিপ্সা বৰগোহাঁই | সহকাৰী সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন/১৯২
কাশ্মিৰী বৰুৱা | সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন/১৯৪
লাকিমণি বড়া | সহকাৰী সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন/১৯৬
চয়নিকা বুঢ়াগোহাঁই | ছাত্ৰী জিৰণি চ'ৰা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন/১৯৮
নিকুমণি দিহিঙ্গীয়া | আলোচনী সম্পাদিকাৰ প্ৰতিবেদন/২০০
ৰাজলক্ষ্মী ভূঞা | সংগীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন/২০৩
পল্লৱী শইকীয়া | ক্ৰীড়া বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন/২০৫
মৃন্ময়ী দুৱৰা | তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন/২০৭


Scanned with OKEN Scanner





## সম্পাদকীয়

# কোনে কয় নুপুৰায় আঁউসীৰ ৰাতি

*"জ্ঞান এবিধ ধ্বংস ৰোধ কৰিব পৰা অস্ত্ৰ। শত্ৰুৱে ধ্বংস কৰিব নোৱাৰা ই এটা ভিতৰুৱা দুৰ্গ"।*

*—তিৰুক্কুৰল*

এটি আদৰ্শলব্ধ, সু-সংগঠিত সুন্দৰ জীৱন বোধৰ বাবে অনবদ্য উপাদান বিচাৰিয়ে এদিন সাতভনী নাচোনৰ ভৰত ৰংপুৰৰ ৰংঘৰৰ বাকৰি উৎসৱমুখৰ হৈ পৰা ক্ষণত জ্ঞান বৃক্ষৰ বীজৰ পৰা যাতে শত-শত অংকুৰণে ঠন ধৰি উঠি বিজ্ঞান, বাণিজ্য, উদ্যোগ, প্ৰযুক্তিবিদ্যাৰে সমাজৰ মানসিক দিশটোৰ উৎকৰ্ষ সাধন কৰি সমন্বয়ৰ বৰঘৰ সজাৰ সপোন বুকুত বান্ধি বহুকেইজন মহান মণিষীয়ে এই তিমিৰাচ্ছন্ন সমাজখনক জ্ঞানৰ দীপাৱলীৰে আলোকিত কৰাৰ গুৰু দায়িত্ব লৈ অশেষ কষ্ট কৰি নিষ্ঠাৰে ৰংপুৰ নগৰৰ মাজ মজিয়াত গঢ়ি তুলিলে ১৯৬৪ চনত নাৰী শিক্ষাৰ এক অনন্য প্ৰাণকেন্দ্ৰ 'শিৱসাগৰ ছোৱালী কলেজ'।

আজি এই নবন্যাসৰ ৰ'দৰ কাঁচলিত অৱগাহন কৰি এই মহাবিদ্যালয়ৰ বাটচ'ৰাত উন্মুক্ত বিহংগৰ উদুলি - মুদুলি সমাৰেশত উচ্চাৰিত হয়—

"আমি কোমল পুৱাৰ ৰ'দালি<br>আমি এজাক সপোন সোণালী।"

আজি ৫৩ টা বছৰে বহু সমস্যা বহু সংঘাতেৰে জৰ্জৰিত হৈ পাৰস্পৰিক বিশ্বাস স্থাপনেৰে মনৰ সেঁতু বন্ধনৰ জৰিয়তে সামাজিক, ব্যক্তিগত, মানসিক, বৌদ্ধিক, সাংস্কৃতিক আৰু শৈক্ষিক দিশৰ প্ৰগতিৰ বাটলৈ আগবঢ়াই নিয়াৰ প্ৰচেষ্টাৰে মডেল ডিগ্ৰী কলেজ হিচাপে প্ৰতিষ্ঠিত হৈ নাৰী শিক্ষাৰ যি উজ্জ্বল বন্তি জ্বলাই ৰাখিছে সেয়া অদ্বিতীয়।

সম্পাদকীয়

**নাৰীশিক্ষা আৰু কিছু কথা ঃ**

নাৰী হৈছে উৰ্বৰতাৰ প্ৰতীক আৰু সৌন্দৰ্য্যৰ আধাৰ। ভগৱানে নাৰীক ৰূপ আৰু সৌন্দৰ্য্যৰ দ্বাৰা সৃষ্টি কৰিছে। নাৰীয়ে সৃষ্টি, নাৰীয়ে কৃষ্টি, নাৰীয়ে বিনাশিনী। পূৰ্বৰ সমাজত পাতৰ তলত থকা বুলি অভিহিত কৰা নাৰী বৰ্তমান সময়ত সমাজৰ কৰাল গ্ৰাসৰ পৰা মুক্ত হৈ আজিৰ বিজ্ঞান-প্ৰযুক্তি বিদ্যাৰ যুগত

## আমাৰ ভাষা সংস্কৃতি আৰু জাতিসত্বা আজি কোন দিশে ঃ

এটা সময় আছিল, চাওলুং চুকাফাই গঢ়ি যোৱা বৰ অসমৰ প্ৰতিজনেই আছিল অসমীয়া। সামাজিক, সাংস্কৃতিক আৰু ভাষিক পাৰ্থক্য থাকিলেও পৃথক জনগোষ্ঠীৰ বিভেদ নাছিল। সমন্বয়ৰ বৰঘৰ আছিল। বৰ অসমত বৰ্তমান সময়ত গা কৰি উঠা বিচ্ছিন্নতাবাদী মনোভাব আৰু মানসিকতাৰ বাবেই বৃদ্ধি পাইছে অসমীয়া মূল সুঁতিৰ পৰা আঁতৰি যোৱাৰ প্ৰৱণতা। ইয়াৰ প্ৰধান কাৰণ হিচাপে পৰিলক্ষিত হৈছে ৰাজনৈতিক চাতুৰী, সাম্প্ৰদায়িক গোড়ামী, ৰক্ষণশীল মানসিকতা আৰু ভাষাৰ বিসংগতি।

সাম্প্ৰতিক অসমীয়া ভাষাৰ যিটো গতিধাৰা, কথিত আৰু লিখিত ভাষাৰ বাবে যিটো বিশুদ্ধতা, শব্দৰ প্ৰায়োগিক নীতি, ৰচনাশৈলী, অভিধানিক জ্ঞানৰ দুৰ্বলতাই অসমীয়া ভাষাৰ বিপৰ্যয় মাতি আনিছে। অভিধানিক জ্ঞান আমাৰ সীমিত হৈ পৰিছে। অধ্যয়নৰ প্ৰৱণতা আমাৰ কমি আহিছে। অধ্যয়ন নকৰাকৈ আমি আনক বুজাবলৈ বা ক'বলৈ শিকাইছো। যিটো খুবেই লজ্জাজনক। বৌদ্ধিক শূন্যতাই সকলো দিশতে আগুৰি ধৰিছে। যাৰ ফলস্বৰূপে স্বাধীনোত্তৰ কালৰ পৰা অসমীয়া ভাষাটো যিমান নিমজ, সহজ উচ্চাৰণ হ'ব লাগিছিল সেয়া হৈ উঠা নাই। সেয়েহে অসমৰ ছাত্ৰ সমাজে বিভিন্ন বিষয়ৰ জ্ঞান আহৰণৰ ক্ষেত্ৰত বিফল হৈছে।

## শিৱসাগৰ ছোৱালী কলেজ হওঁক সৃষ্টিৰ অমল উৎস ঃ

মানুহ হৈছে উচ্চাকাংক্ষী প্ৰাণী। ৰবাৰ্ট ব্ৰাউনিঙৰ ভাষাত "মানুহৰ আকাংক্ষা ঢুকি পোৱাতকৈ বেছি হ'ব লাগিব। নহ'লেনো সৰগখন কিয়?" উজনি অসমৰ নাৰী উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান 'শিৱসাগৰ ছোৱালী কলেজে' প্ৰতিষ্ঠা কালৰে পৰা বৰ্তমানলৈকে ৫৩ টা উজ্জ্বল বসন্ত গচকিলে। 'শিৱসাগৰ ছোৱালী কলেজ' হৈছে নাৰীশিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ। এইখন হৈছে এখন পুষ্পকানন-জ্ঞানৰ পুষ্পকানন। য'ত সন্মিলিত হয় অনেক উন্মুক্ত বিহংগ, য'ত সন্মিলিত হয় অগণন শিল্পী, সাহিত্যিকৰ দল। সকলোৰে উদ্দেশ্য মাথোন জ্ঞান অৰ্জন কৰা। এই কলেজৰ পৰাই সুখ্যাতিৰে উত্তীৰ্ণ হৈ বিভিন্ন স্তৰত নিজকে মানৱ সম্পদ হিচাপে গঢ় দিবলৈ সক্ষম হৈছে অনেক ছাত্ৰী। 'শিৱসাগৰ ছোৱালী কলেজে' অসমৰ জাতীয় জীৱনলৈ বৰঙণি আগবঢ়াই আহিছে আৰু ভৱিষ্যতেও আগবঢ়াই থাকিব আৰু ইয়াৰ পৰাই প্ৰাণ পাই উঠি উৰি যাব হাজাৰজনী জোনাকী পোহৰৰ দিশে।

## আমাৰ কিছু আশা-নিৰাশাৰ দোমোজাত শেষ অনুভৱ ঃ

আজি প্ৰয়োজন হৈছে এটা সুস্থ দৃষ্টিভংগী আৰু বৈজ্ঞানিক বিশ্লেষণৰ। সূচনাৰ প্ৰয়োজন আহি পৰিছে এটা সেউজ বিপ্লৱৰ। প্ৰয়োজন আহি পৰিছে নিজ ভাষাৰ প্ৰতি শ্ৰদ্ধাশীল হোৱাৰ। আজি আমাৰ খুবেই প্ৰয়োজন হৈ পৰিছে একোজন ভাল অভিভাৱক, অভিজ্ঞ শিক্ষকৰ, বুদ্ধিজীৱি, মানৱতাৰ আদৰ্শৰে সমৃদ্ধ চিকিৎসকৰ, অভিযন্তাৰ, সুন্দৰমৰ প্ৰতি আগ্ৰহী সাহিত্যিকৰ, বৌদ্ধিক নেতৃত্ব দিব পৰা এটা সুস্থ চিন্তাৰ, ভাষাৰ প্ৰতি আগ্ৰহী এজন সঁচা অসমীয়া আৰু এজন সঁচা মানুহৰ।

আমি এনে এখন বৰ অসমৰ দাবী কৰিব লাগে য'ত কোনো ধৰ্ম, সম্প্ৰদায়, জনগোষ্ঠী, বৰ্ণবাদৰ আৰু ৰক্ষণশীলতাৰ গোড়ামি নাথাকিব। সেয়ে এতিয়া প্ৰয়োজন হৈছে এখন দাপোণৰ। য'ত সকলোৰে মানসিক উপলব্ধিৰে নিজকে চাব পাৰিব সঁচা অৰ্থত নিকা হ'বলৈ।

আৰু হয়তো নতুন পুৰুষৰ বাবে, নতুন দিন এটাৰ বাবে, জাতিটোৰ বাবে, অসমৰ বাবে দুৰ্দিনৰ সঁচা



Scanned with OKEN Scanner

উপলব্ধি অনুভৱেৰে সকলোৰে বাবে সূৰ্য স্পৰ্শিত নদীৰ পৰশত গজালি মেলিব সুদিনৰ সেউজীয়া শইচ।

আৰু আকৌ ৰসৰাজৰ উক্তিৰে এদিন অসমে চিঞৰি উঠিবঃ

"কোনে কয় নুপুৰায় আঁউসীৰ ৰাতি।"

**শলাগৰ শৰাই ঃ**

কৃতজ্ঞতা জনামনো কাক? আলোচনীৰ বাবে যেতিয়াই কাৰোবাৰ ওচৰ চাপিছিলোঁ, সকলোৱে মোক সাদৰেৰে সম্ভাষণ জনাইছিল। সন্মুখত এক ডাঙৰ প্ৰত্যাহবান আছিল যে মই আলোচনীখনৰ কামবোৰ সুচাৰুৰূপে সমাধা কৰিব পাৰিমনে? কিন্তু সকলোৰে সহযোগিতাই মোক প্ৰত্যেক সময়তে উৎসাহ জগাইছিল। জয়জয়তে মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ শ্ৰদ্ধাৰ অতিথি লেখকসকল — শ্ৰদ্ধাৰ অৰুণ গোস্বামী, ৰুণান্ডো টাইড, নিলাঞ্জন মহন্ত আৰু গুৰু জোনলৈ। লগতে মই কৃতজ্ঞ হৈ ৰ'ম মহাবিদ্যালয়ৰ মোৰ অগ্ৰজ প্ৰাক্তন শিক্ষাৰ্থীসকলৰ ওচৰত, যি তেওঁলোকৰ লিখনীৰে আমাৰ আলোচনীখন সমৃদ্ধ কৰি তুলিলে। 'প্ৰৱাহিনী'ৰ কামবোৰ চলাই নিয়াৰ ক্ষেত্ৰত মোক অকৃত্ৰিমভাৱে উৎসাহ প্ৰদান কৰা মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা আলোচনী তত্বাৱধায়িকা ড° কৃতাঞ্জলি কোঁৱৰ বাইদেউ আৰু ড° ৰীতা বৰকটকী বাইদেউলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইয়াৰোপৰি শ্ৰদ্ধাৰ ৰঞ্জিত ৰঞ্জন তামুলী ছাৰলৈ মই মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। কলেজৰ যিকেইগৰাকী শিক্ষক শিক্ষয়িত্ৰীয়ে মোক সকলো সময়তে উৎসাহ যোগাইছিল, তেওঁলোকলৈ মই এই আপাহতে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে ২০১৭-১৮ বৰ্ষৰ আলোচনী সম্পাদিকা ৰাখী বৰদলৈ, ২০১৬-২০১৭ বৰ্ষৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা চয়নিকা বুঢ়াগোহাঁই, সভাপতি সুজাতা গগৈ, ক্ৰীড়া সম্পাদিকা পল্লৱী শইকীয়া, সাংস্কৃতিক সম্পাদিকা কাশ্মিৰী বৰুৱা, তৰ্ক আৰু আলোচনা চক্ৰৰ সম্পাদিকা মৃন্ময়ী দুৱৰা, ২০১৭-১৮ বৰ্ষৰ সাধাৰণ সম্পাদিকা প্ৰিয়ম বৰগোহাঁই,২০১৬-২০১৭ বৰ্ষৰ সহকাৰী সাধাৰণ সম্পাদিকা অভিপ্সা বৰগোহাঁইৰ লগতে সম্পাদনা সমিতিৰ ৰীতি বৰুৱা, জীতা শইকীয়া, সুস্মিতা খনিকৰ আৰু লক্ষীপ্ৰিয়া হাজৰিকালৈ অশেষ মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

আলোচনীখনৰ ছপা কৰাৰ ক্ষেত্ৰত সহায় আগবঢ়োৱা প্ৰিন্ট-টেক্; ডিব্ৰুগড়ৰ সকলোলৈকে অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ। ধন্যবাদ মোৰ সমূহ শুভাকাংক্ষী। সদৌশেষত 'প্ৰৱাহিনী'ৰ গতি ব্ৰহ্মপুত্ৰৰ দৰে চিৰ প্ৰৱাহমান হোৱাৰ আশাৰে—

**"জয়তু শিৱসাগৰ ছোৱালী মহাবিদ্যালয়।"**

নিকুমণি দিহিঙীয়া
সম্পাদিকা, প্ৰৱাহিনী
২০১৬-১৭ বৰ্ষ



Scanned with OKEN Scanner

হাতে হাত ধৰি ওলাই আহিছে। জৱাহৰলাল নেহৰুৱে কৈছিল যে, "এজন ল'ৰাক শিক্ষা দিয়া মানে এজন ব্যক্তিক শিক্ষা দিয়া আৰু এগৰাকী নাৰীক শিক্ষা দিয়া মানে সমগ্ৰ পৰিয়ালক শিক্ষিত কৰা।" বৰ্তমান যুগত নাৰী, শিক্ষাৰে শিক্ষিত হৈ বহুদূৰ আগবাঢ়ি যাবলৈ সক্ষম হৈছে। মৌনতাৰ আৱৰণ ফালি অন্যায়ৰ হকে মাত মাতিবলৈ, নেতৃত্ব দিবলৈ পাছ হুঁহকি ৰোৱা নাই আজিৰ যুগৰ নাৰী। ইয়াৰ মূল চাবি - কাঠি হ'ল শিক্ষা। শিক্ষাই অন্ধকাৰ বিনাশি পোহৰৰ মেলা পাতে।

এইখনেই হ'ল মূলাগাভৰুৰ দেশ, এইখনেই জয়মতীৰ দেশ, এইখনেই কনকলতাৰ দেশ। এই মহান নাৰীসকলৰ আদৰ্শৰে জীপাল হৈ উঠিছে বৰ্তমান সকলোৰে জীৱন। এইখন বৰ অসমতে উচ্চ শিক্ষাৰে শিক্ষিত হৈ নাৰীসকলে জীৱনৰ আসোঁৱাহবোৰ হেলাৰঙে নাশ কৰিছে। এগৰাকী সাধাৰণ মহিলা হৈও অসাধাৰণ হৈ পৰিছে বীৰুবালা ৰাভাৰ দৰে সাহসী নাৰী, যি সমাজৰ কু-সংস্কাৰ অন্ধবিশ্বাসৰ বিৰুদ্ধে মাত মাতিবলৈ অলপো কুণ্ঠাবোধ কৰা নাই। এইখন অসমতে এনে বহু নাৰী আছে, যি আজিৰ যুগত শিক্ষাৰে শিক্ষিত হৈ পুৰুষৰ শোষণৰ বিৰুদ্ধে মাত মাতিবলৈ থমকি ৰোৱা নাই। এইখন বৰ অসমৰে জীয়ৰীয়ে শৈক্ষিক, সাংস্কৃতিক, অভিযান্ত্ৰিক, বৈজ্ঞানিক, ক্ৰীড়া, আইন আদি সকলো দিশতে ৰাজ্যিক, ৰাষ্ট্ৰীয় পৰ্যায়ৰ লগতে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো নিজকে জিলিকাই তুলিবলৈ সক্ষম হৈছে। যিহেতু এইখন কেৱল লাচিতৰে নহয়, জয়মতীৰো দেশ।

**শিক্ষা ব্যৱস্থা আৰু আমাৰ যুৱ প্ৰজন্ম আজি কোন বাটে ঃ**

শিক্ষাই মানুহক সচেতন কৰে। কিন্তু আনুষ্ঠানিক পুথিগত শিক্ষা ব্যৱস্থাই মানৱ জীৱনৰ একমাত্ৰ বিকল্প নহয়। ই এক আঁচনিগত প্ৰক্ৰিয়াহে। আজিৰ পাঠ্যক্ৰম আৰু পৰীক্ষা পদ্ধতিয়ে একাংশ ছাত্ৰ - ছাত্ৰীক অধ্যয়নৰ প্ৰতি অমনোযোগী কৰি তুলিছে। বৰ্তমানৰ প্ৰতিযোগিতামূলক শিক্ষা ব্যৱস্থাই ছাত্ৰসকলক এহাতে মেধাৱী কৰি তুলিছে, কিন্তু অন্যহাতেদি ছাত্ৰসকলক হৃদয়হীন, সমাজচেতনাহীন, মানৱতাহীন, যন্ত্ৰৱত কৰি তুলিছে।

অন্যহাতে সাম্প্ৰতিক অসমত দেখা দিছে বৌদ্ধিক সংকট। জাতীয় চৰিত্ৰৰ অভাৱৰ ফলস্বৰূপে আজিৰ অসমত দেখা দিছে প্ৰবল সাংস্কৃতিক তথা নৈতিক গড়াখহনীয়া, মূৰ দাঙি উঠিছে নানাবিধ উশৃংখলতাই। এনে উশৃংখলতাৰ মাজৰ পৰা আমাক কেৱল উদ্ধাৰ কৰিব পাৰিব যুৱসমাজেহে। গতিকে, এনে এক মহাসংকটত যদি আমাৰ যুৱ সমাজে বলিষ্ঠ পদক্ষেপেৰে আগবাঢ়ি নাহে তেন্তে ভৱিষ্যতে অসমখন হেৰাই যাব নানাবিধ উশৃংখলতাৰ, অৰাজকতাৰ কালগ্ৰাসত। এক বলিষ্ঠ যুৱ মানসিকতা আজি সময়ৰ আহবান।

**যুৱপ্ৰজন্ম ঃ**

জীৱনৰ এটা সময় যৌৱন। যেতিয়া আমি কান্ধ পাতি লওঁ আমাৰ নিজৰ দায়িত্ব, নিৰ্ণয় কৰোঁ ভাগ্য, সমাজ ব্যৱস্থা, নিজৰ পৰম্পৰা, নিজৰ সংস্কৃতি আৰু ঐতিহ্য। আমি নিজৰে জাতীয় পৰম্পৰাৰ লগত সমতা স্থাপন কৰি আমাৰ জীৱনক কিছু নিয়ম-নীতিৰ মাজেৰে পৰিচালিত কৰিব লাগে, যি নিয়ম এক সুস্থিৰ পৰিৱেশ গঢ়াৰ নিয়ম। এনে নিয়ম-নীতিৰ কচৰৎ এখন দেশৰ বা এটা জাতিৰ প্ৰগতিৰ বাবে একান্তই প্ৰয়োজনীয়। সাম্প্ৰতিক সময়ত দেখা দিছে এখন কচৰৎহীন যুৱ সমাজ। যাৰ বাবে সমগ্ৰ অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক জীৱন ব্যৱস্থাত দেখা দিছে এক উশৃংখলতাই। যুৱ সমাজৰ নৈতিক স্খলনৰ এক বিভৎস ৰূপ আজি পৰিদৃশ্যমান হৈছে। এই যুগৰ নৱ প্ৰজন্মক এক সুশৃংখল আৰু সুস্থিৰ তথা শাশ্বত জীৱন দৰ্শনৰ জ্যোতিৰে জ্যোতিষ্মান কৰি তুলিব নোৱাৰাৰ বাবেই আজি অসমত সঘনাই পৰিলক্ষিত হৈছে জঘন্য কৰ্মবোৰ। যাৰ বাবে আজি যুৱসমাজ পথভ্ৰষ্ট, দিশহাৰা।



Scanned with OKEN Scanner

## অতিথিসকলৰ শিতান



# অতি শক্তিশালী নাৰী সমাজ ঃ সাৱধান

—অৰুণ গোস্বামী

প্ৰকৃতাৰ্থত চাণক্যই নাৰীক চক্ৰেটিছৰ দৰেই সমাজ গঠন, কু-সংস্কাৰমুক্ত, নিকা আৰু সুস্থ-সবল দেশৰ প্ৰতি দায়িত্ব থকা সন্তান সন্ততিক শিক্ষা দি সমাজখন সজ আৰু বাসোপযোগী কৰিব পৰাৰ শক্তি আছে বুলিহে কৈছিল। চাণক্যৰ নিজৰ জীৱনতে সেই সত্যটো প্ৰতিফলিত কৰি দেখুৱালে।

বিশ্বৰ অন্যতম শ্ৰেষ্ঠ দাৰ্শনিক চিন্তাবিদ ছক্ৰেটিছে প্ৰায় ২৫০০ বছৰৰ আগতে কৈ গৈছে যে সমাজ সংস্কাৰ আৰু নিকা কৰিবলৈ হ'লে নাৰী শক্তিয়েই অতিশয় শক্তিশালী। তাৰ এশ/ডেৰশ বছৰৰ পাছত পৃথিৱীৰ শ্ৰেষ্ঠ প্ৰথম অৰ্থনীতিবিদ, কূটনীতিবিদ আৰু অন্যতম শ্ৰেষ্ঠ ৰাজনীতিবিদ গুপ্ত যুগৰ চাণক্যই তেওঁৰ নীতিশাস্ত্ৰত সেই একেটা কথাকে স্পষ্ট ভাষাত কৈ গৈছে যে 'ৰজা আৰু সমাজে নাৰী শক্তিক অৰ্থাৎ স্ত্ৰী শক্তিক ভয় কৰি চলিব লাগে।' চাণক্যৰ এই কথাষাৰৰ যদি বিশ্লেষণ কৰিবলৈ কোৱা হয় তেতিয়া হ'লে এখন মহাভাৰতৰ সমান ডাঙৰ গ্ৰন্থ হ'ব। বহুতে এইটো বাক্য এই বুলিও ব্যাখ্যা কৰে যে নাৰীৰ সন্মোহনী শক্তি আছে আৰু তাৰ দ্বাৰা ৰজা আৰু সমাজক মোহাচ্ছন্ন কৰি পথভ্ৰষ্ট কৰিব পাৰে। অৱশ্যে গুপ্ত যুগত বেশ্যাক বিশেষকৈ ৰাজ বেশ্যাক অতিশয় উচ্চ সন্মানৰ স্থান দিছিল। যেনে ধৰক ৰাজ বেশ্যা বাটেদি গ'লে বাটৰুৱাই আধো বদনে সন্মান জনাই ৰৈ যাবলগীয়া হৈছিল। এটা উদাহৰণ। আৰু সেইবাবেই বসন্ত সেনা আৰু তাম্ৰপালিৰ নাম খৃষ্টপূৰ্ব সেই যুগৰ পৰা আজিলৈকে মানুহে স্মৰণ কৰে কিম্বা সেই নাম দুটাও চন্দ্ৰগুপ্ত, চাণক্যৰ দৰেই মানুহে সোঁৱৰে, ক'ব পাৰি অমৰ চৰিত্ৰ। মহাকবি কালিদাসো ৰাজবেশ্যাৰ ওচৰলৈ যাবলৈ সম্ৰাটৰ পৰা স্থায়ী অনুমতি লৈ লৈছিল। এই দৃষ্টিৰে অৰ্থাৎ নাৰী সমাজ ধ্বংসৰ মূল বুলি কিছু কিছু পণ্ডিত বিশ্লেষকে আজিলৈকে ইয়াৰ ওপৰত বিতৰ্ক চলাই আছে, গ্ৰন্থৰ উপৰি গ্ৰন্থ ৰচিত হৈছে।

কিন্তু সেই খ্ৰীষ্টপূৰ্ব গুপ্ত যুগৰ পৰা আজিলৈকে সংখ্যাগৰিষ্ঠ আন এচাম পণ্ডিত, দাৰ্শনিক, সঁচা অৰ্থত বুদ্ধিজীৱি ইত্যাদিয়ে চাণক্যৰ এই বিশাল অৰ্থবাহক বাক্যটোৰ পৃথক গঠনমুখী ব্যাখ্যা দি আহিছে। নাৰীৰ সন্মোহনী শক্তিৰ পৃষ্ঠপোষক পণ্ডিতসকলে তেওঁলোকৰ সমৰ্থনত সীতা, দ্ৰৌপদী, হেলেন, ক্লিঅ'পেট্ৰা ইত্যাদিৰ উদাহৰণ আনে। কিন্তু তাৰ বিপৰীত পক্ষই তাক নাকচ কৰি গান্ধাৰী, অহল্যা, তুলসী আদি নাৰীৰ উদাহৰণ দিয়ে। সেই উদাহৰণৰ কথা পিছলৈ থৈ মই মাত্ৰ এই চমু নিবন্ধত (নিবন্ধ এটা তেওঁলোকৰ আলোচনীত নিলিখিলে সম্পাদিকা ৰাখী বৰদলৈয়ে মোক পুলিচত দিম বুলি ভয়াতুৰ কৰিছিল) মই মহামতি চাণক্যৰ এই ভাষাৰ অৰ্থ কেইটামান উদাহৰণৰ সৈতে পিছৰ চামৰ দৰেহে বিশ্বাস কৰি চমুৱাই ক'ব খুজিছো।

প্ৰকৃতাৰ্থত চাণক্যই নাৰীক চক্ৰেটিছ্ৰ দৰেই সমাজ গঠন, কু-সংস্কাৰমুক্ত, নিকা আৰু সুস্থ-সবল দেশৰ প্ৰতি দায়িত্ব থকা সন্তান সন্ততিক শিক্ষা দি সমাজখন সজ আৰু বাসোপযোগী কৰিব পৰাৰ শক্তি আছে বুলিহে কৈছিল। চাণক্যৰ নিজৰ জীৱনতে সেই সত্যটো প্ৰতিফলিত কৰি দেখুৱালে। ৰজাৰ হাতত আক্ৰোশত মৃত্যু হোৱা ৰাজপুৰুষ বংশৰ মুৰাৰ স্বামী হত্যাৰ পিছত তেওঁৰ পুত্ৰ চন্দ্ৰগুপ্তক এনে সুশিক্ষা বল বীৰ্য্যৰে চৰিত্ৰ গঠন কৰিছিল, দেশৰ প্ৰতি প্ৰেম আৰু দায়বদ্ধতাৰে গঢ়িছিল চন্দ্ৰক যে যাৰ দ্বাৰা কুটিল ৰাজনীতিবিদ কৌশলী চাণক্যই মহাপ্ৰতাপী আৰু অত্যাচাৰী নন্দ বংশক ধ্বংস কৰাই গুপ্ত ৰাজ্য গঠন কৰিছিল। আৰু সেই সবল মাতৃৰ নামেৰে চন্দ্ৰগুপ্ত মৌৰ্য্য আৰু মৌৰ্য্য বংশ স্থাপন কৰিছিল।

এতিয়া মই বাস্তৱলৈ আহোঁ। আজিৰ পৃথিৱীৰ কথা নকলেও ভাৰতৰ কথা নকলেও কেৱল আমাৰ অসমৰ সমাজ, ৰাজনীতি, সমাজনীতি, শিক্ষানীতি, অৰ্থনীতি, সংস্কৃতি আদিৰ ফালে যদি সুস্থ চকু মেলি চাওঁ চকু বন্ধ হৈ নাযাবনে? অসমত এতিয়া ঘৰে-পৰে, হোটেলে-ৰেস্তোৰাই, নগৰে-চহৰে, গাঁৱে-ভূঞে বিশেষকৈ সন্ধিয়া ইংৰাজী কোৱা মানুহৰ সৰ্বাধিক হ'ল অৰ্থাৎ শতাংশ বাঢ়িল। ইংৰাজী কোৱা মানে বুজিছেনে বাৰু? এই যে পানী এটুপি মুখত পৰিলেই খাৰা খাৰ ইংৰাজী ওলাই দেখা নাই জানো?

ধৰ্ষণৰ ঘটনা, দুৰ্নীতিৰ ঘটনা, দুৰ্ঘটনাৰ ঘটনা, কাজিয়া-পেছালৰ কথা বাঢ়িছে, ভেদাভেদ বাঢ়ি মুঠতে সেই অসম আৰু এতিয়া জাৱৰণিৰে বাস অনুপযোগী এখন ৰাজ্য হৈ পৰিল। যিহেতু মোক সম্পাদিকাই চমুৱাই দুই /তিনি পৃষ্ঠাত লিখিবলৈহে কৈছে গতিকে মই সমাজৰ বা অসমৰ এই অৱস্থা হোৱাৰ অন্যতম প্ৰধান কাৰণটোৰ বিষয়ে ক'ব খুজিছো মাত্ৰ। পৃথিৱীত আজিলৈকে যিমান মানুহে মদ খাইছে মদে তাতকৈ বেছি মানুহ খাইছে। আকৌ কোৱা হয় যে পৃথিৱীত আজিলৈকে যিমান মানুহ পানীত ডুবি মৰিছে তাৰ দুগুণ মৰিছে মদৰ গিলাচত ডুবি। পুৰুষে মদ খায় নাৰীয়ে কষ্ট পায়। এই আটাইবোৰ ঘটনা দেখি থকা, পাই থকাৰ পাছতো অসমত সোণৰ অসম কৰা সোণাৰী দ'লৰ দিনত মদৰ দোকান, মহল বাঢ়িল লগে লগে বাঢ়িল মদাহীৰ মাত্ৰা ইত্যাদি। চৰকাৰবোৰ হয়তু জনহিতৈষী বাগনহিতৈষী নহয় গতিকে মদৰ দোকানৰ পৰা ৰাজহ বৃদ্ধিৰ বাবে দোকানবোৰ বঢ়াইছে, মদাহীৰ মাত্ৰা বঢ়াইছে, ধৰ্ষণকাৰী, হত্যাকাৰী, চোৰ-ডকাইতৰ মাত্ৰা বঢ়াইছে, হাই-কাজিয়াৰ কথা বঢ়াইছে। এতিয়া অসম জ্বলন্ত পিণ্ড আৰু কেৱল আন্দোলন আৰু উৎসৱৰ দেশ হৈ নিষ্কৰ্মা এলেহুৱা পৰমুখাপেক্ষীৰ সৃষ্টি কৰিছে। ইয়াৰ উপায়?

ইয়াৰ উপায় এটাই যে চাণক্যই কোৱা বা চক্ৰেটিছে কোৱা নাৰী শক্তি। নাগালেণ্ডত এসময়ত পুৱা শুই উঠাৰ পৰা শোৱাৰ পৰলৈকে মদ চলিছিল। জাতিগত প্ৰথা চলি আছিল, ফলত দৰিদ্ৰৰ পৰা দাল দৰিদ্ৰ হৈ পৰিছিল। নাগালেণ্ডত এতিয়া মদ নাই। কিয়? কি যাদু হ'ল? তাৰ নিৰ্যাতিতা নাৰী শক্তি জাগ্ৰত হ'ল একগোট হ'ল। পণ ল'লে নাগালেণ্ডৰ পৰা মদ উঠাই দিবলৈ। আৰু সেইমতে এক নিষ্ঠতাৰে যুদ্ধ কৰি অৱশেষত মদ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰি দিলে। এতিয়া নাগালেণ্ডৰ অৰ্থনৈতিক অৱস্থা, সামাজিক শান্তি আনতকৈ বহুত উন্নত আৰু শিক্ষিতৰ সংখ্যাও বাঢ়িছে, গৃহ শান্তিৰ কথাও বাঢ়িছে। ভাৰতবৰ্ষৰ ভিতৰত মদ নিষিদ্ধ ৰাজ্যখন হ'ল গুজৰাট। কেনেকৈ মদহীন হ'ল সেইখন বৃহৎ ৰাজ্য? তাৰ মূলতেই নাৰী শক্তি আৰু ৰাজ শক্তি। নাৰীয়ে ৰণচণ্ডী মূৰ্ত্তিৰে আন্দোলন কৰা দেখি সদিচ্ছা থকা চৰকাৰে তাত কেতিয়াবাই মদ নিষিদ্ধ কৰিলে আৰু মাত্ৰ এটা উদাহৰণ দিলেই যথেষ্ট হ'ব যে ৰাতি ডেৰ বজাতো মহিলা কৰ্মীয়ে উদ্যোগ কেন্দ্ৰৰ পৰা দায়িত্ব শেষ কৰি অকলে ঘৰলৈ আহিব পাৰে। সম্ভৱনে অসমত বা আন ৰাজ্যত। মিজোৰামত মদ নিষিদ্ধ কৰিলে নাৰীয়ে। চমুৱাই ক'লো যে নাৰী শক্তি জাগ্ৰত হ'লে সমাজৰ চালিকা শক্তি হ'ব পাৰে।

ভগৱান শ্ৰীকৃষ্ণক গান্ধাৰীয়ে শাওঁ দিলে যে মোৰ বংশ নিৰ্মূল হোৱাত মই যি দুখ পালো তুমিও এদিন সেই দুখত মৃত্যু হ'ব লাগিব। যদু বংশ ধ্বংস হ'ল। ইত্যাদি ইত্যাদি বহুত কথা আছে চমু নিবন্ধত বিস্তাৰিতভাৱে ক'বলৈ সম্ভৱ নহয়।

★★★★★★

Scanned with OKEN Scanner





# বৰষুণৰ ৰাতি

— ৰণাল্ডো টাইড

অ' বৰষুণ
তই যে বুকুৰ কুটুম

বৰষুণ তই আহিলে
চম্পাৱতীক হৃদয় খুলি মৰম দিম
দুপৰ ৰাতি প্ৰেমৰ কবিতা লিখিম

বৰষুণৰ ৰাতি ৰুণজুন নুপূৰ বাজে
বৰষুণৰ ৰাতি চম্পাৱতীয়ে
বকুলৰ মালা গুঁঠে
বৰষুণৰ ৰাতি মৌন হৈ পৰে ওঁঠ
বৰষুণৰ ৰাতি নদীত বাঢ়ে বান
বৰষুণত লুকাই থাকে অনেক অঘৰী সপোন
বৰষুণত বাঢ়ি আহে একলা-দুকলাকৈ শইচ

চম্পাৱতী বৰষুণত নিতিতিবি
বৰষুণৰ ৰাতি গাভৰু হৈ পৰে প্ৰেমৰ চহৰ
হৃদয় হৈ পৰে নীলা খামৰ চিঠি
বৰষুণৰ ৰাতি ফুলে নিশিগন্ধা ফুল
অ' চম্পাৱতী হৃদয় খুলি মৰম দিবি।

অ' বৰষুণ
তই মোৰ বুকুৰ কুটুম।



# প্ৰেৰণাৰ অমল উৎস

— নিলাঞ্জন মহন্ত



*সুপ্ৰাচীন চেতনাৰ আলোকেৰে সঞ্জিৱীত ভাৰতীয় মহাজীৱনত প্ৰাগ ঐতিহাসিক কালৰে পৰা মৌখিক লোককথা, কিম্বদন্তী, মহাকাব্যিক কাহিনী সম্ভাৰ প্ৰত্যেকতে নাৰী শক্তিয়ে লাভ কৰিছে এক অদম্য, সুবিমল, অনুকৰণীয় স্থান। ভাৰতীয় লোক জীৱনত নাৰী-পুৰুষৰ তুলনামূলক অধ্যয়নৰ মাপকাঠি হিচাপে শাৰীৰিক শক্তি সামৰ্থ্যৰ বিপৰীতে অগ্ৰাধিকাৰ লাভ কৰিছে সততা, বুদ্ধিদীপ্ত চিন্তন, সাহস, ত্যাগ কৰ্মকুশলতা আৰু মমতাৰ বিৰামহীন আখৰাই। নিবন্ধৰ বিষয়বস্তুও সেয়েহে সমাজ ব্যৱস্থাত নাৰীক সহানুভূতিৰ দৃষ্টিৰে পৰ্যবেক্ষণ কৰা নহয়, বৰং বিক্ষিপ্ত মানসিকতা আৰু কৰ্মৰ প্ৰতিফলনেৰে অশান্ত হৈ পৰা বস্তুবাদী, অশুভ দিনবোৰত শুভ্ৰ-সৌম্য অথচ বজ্ৰ নিনাদিত কণ্ঠেৰে সমোচ্চাৰ হৈ উঠা শুভ শক্তিৰ প্ৰতি অন্তৰ্দৃষ্টি নিক্ষেপৰ বিনম্ৰ প্ৰয়াস।*

অসম তথা উত্তৰ-পূবৰ প্ৰেক্ষাপটত মহীয়সী জয়মতী, মূলাগাভৰু, কনকলতা, আইদেউ সন্দিকৈ, নলিনীবালা দেৱী, সুখলতা দুৱৰা, সুধালতা দুৱৰা, জয়ন্তী চুতীয়া, মেৰী-কম, কৰ্ণম মালেশ্বৰী, মনালিছা বৰুৱা মেহতা, য়ামিন হাজৰিকা, সংযুক্তা পৰাশৰ, সান্ত্বনা বৰদলৈ, ৰীতা চৌধুৰী এইসমূহ কেৱল একোটা ব্যক্তি পৰিচয় নহয়, অমল প্ৰেৰণাৰ নিৰৱধি উৎস। আকৌ এইসমূহ নাম সততে উচ্চাৰিত হৈ থকাৰ বাবে আমাৰ চকুত এইসমূহ ব্যক্তিত্বৰ সুগন্ধি সুৱাসে সহজে স্পৰ্শ কৰি যায়। কিন্তু প্ৰকৃততে মানৱীয় প্ৰমূল্যবোধৰ সংবেদনশীল আলোকেৰে উদীপ্ত প্ৰতিখন ঘৰতে জনা নজনা অমল প্ৰেৰণাৰ এনে নিৰৱধি উৎস নিৰলে বৈ থাকে। উৎসৰ মুখিতাৰ আলোকেৰে দৈনন্দিনৰ চৌকা নজ্বলে, তথাপি প্ৰতিনিয়তক জীপাল কৰিবলৈ ক্ষণিকৰ অনুপ্ৰেৰণাৰ প্ৰয়োজন অনস্বীকাৰ্য। সেই কৃতজ্ঞ আলোক বন্তিৰে জুমি চাব খোজা এই সময়ৰ দুই সংগ্ৰামী শক্তি হৈছে বীৰুবালা ৰাভা আৰু বিশ্ব চেম্পিয়ন অংকুশিতা বড়ো। ভিন্ন কৰ্মক্ষেত্ৰ, ভিন্ন কৰ্মসূচীৰ মাজত ব্যতিক্ৰম উজ্বলতাৰে জিলিকি থকা এই দুই শুভ শক্তিৰ মাজত আছে প্ৰচণ্ড প্ৰত্যাহ্বান নেওচি সময়ক জিনি অহাৰ এক দুৰ্বাৰ সামৰ্থ্য।



বীৰুবালা ৰাভা, অপ্ৰয়োজনীয় ভাৱে বাঢ়ি অহা এচাম মূঢ় আৰু স্বাৰ্থ নিৱিষ্ট লোকৰ বাবে জীৱন দুৰ্বিসহ হৈ পৰা দাৰিদ্ৰ্যপীড়িত, ডাইনী আখ্যাৰে মানৱ অধিকাৰৰ পৰা বঞ্চিত এচাম লোকৰ সন্মুখত জ্বলি থকা এগচি প্ৰত্যয়দীপ্ত বন্তি। গোৱালপাৰা জিলাৰ অসম-মেঘালয় সীমান্তৰ ঠাকুৰভিলা নামৰ এখন প্ৰত্যন্ত গাঁৱৰ পৰা যুঁজি যুঁজি জিকি থকা, আনকো জীয়াই থাকিবলৈ শিকোৱা এক বিশেষ ব্যতিক্ৰমী সত্তা বীৰুবালা ৰাভা। ১৯৮৫ চনত এচাম লোকে নিজৰ জ্যেষ্ঠ পুত্ৰ আৰু স্বামীৰ শাৰিৰীক-মানসিক অৱনতিৰ বাবে



ডাইনী সজাব খোজাৰ পৰা বলিষ্ঠ প্ৰতিবাদেৰে ওলাই অহাৰ লগতে পৰৱৰ্তী সময়ত এই অন্ধবিশ্বাসৰ কবলৰ পৰা অৰ্ধ শতাধিক নিপীড়িত লোকক ৰক্ষা কৰিছে এইগৰাকী নেত্ৰীয়ে। এইগৰাকী প্ৰতিবাদী, সংস্কাৰকামী নেত্ৰীৰ সমৰ্থনত ২০১২ চনৰ পৰা 'মিশ্যন বীৰুবালা'ৰ সপোন সাকাৰ কৰিবলৈ ওলাই আহি প্ৰায় হাজাৰগৰাকী স্বেচ্ছাসেৱকে ৰাজ্যৰ ভিন্ন প্ৰান্তত আৰম্ভ কৰিছে অন্ধবিশ্বাসৰ বিৰুদ্ধে এক সজাগতা আন্দোলন। ২০০৫ চনত 'থাউজেণ্ড উইমেন'ৰ জৰিয়তে শান্তিৰ ন'বেল বঁটাৰ মনোনয়ন, শেহতীয়াকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰাৰ লগতে ভিন্ন সংস্থা, সংগঠনৰ পৰা দ্য ৰিয়েল হিৰো, জয়মতী বঁটা, মূলাগাভৰু বঁটাৰে সন্মানিত এই শক্তি সঁচায়ে প্ৰেৰণাৰ অমল উৎস।

শোণিতপুৰ জিলাৰ ঠেলামৰাৰ মেঘাইজাৰণি গাঁৱৰ পৰা হাজাৰ প্ৰতিকূলতাৰ সীমা ভেদি খোল খোৱা সম্ভাৱনাৰ এখন নতুন দুৱাৰৰ নাম অংকুশিতা বড়ো। দৰিদ্ৰতা, উপযুক্ত আন্তঃগাঁঠনি সকলো অভাৱ কাটি কৰি বিশ্ব মহিলা যুৱ বক্সিংৰ ৬৪ কিলো শাখাত স্বৰ্ণ জয়ৰ লগতে পৰিগণিত হ'ল এই সন্মানীয় প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপেও। লগে লগেই ১৭ বছৰীয়া অংকুশিতাৰ বাবে মুকলি হ'ল ২০২০ চনৰ টকিঅ' অলিম্পিকত পোনপটীয়াভাৱে অংশগ্ৰহণৰ সিংহদ্বাৰ। আমেৰিকাৰ প্ৰখ্যাত পেছাদাৰী বক্সাৰ ৰেইন কেলীৰ ভাষাত "যি দুখন হাতেৰে কেনভাছত বৰ্ণময় সৌন্দৰ্যৰ ফুল আঁকিব পাৰি, একেই দুখন হাতেৰে ৰিঙত প্ৰতিপক্ষক ধৰাশায়ী কৰিবও পাৰি।" ইতিমধ্যে ২০১৩ আৰু ২০১৫ চনত হাতত বক্সিং গ্লভছ পিন্ধিয়েই ক্ৰমে জিলা আৰু ৰাজ্যিক পৰ্যায়ত শ্ৰেষ্ঠ বক্সাৰ, চলিত বৰ্ষত বুলগেৰিয়া আৰু তুৰ্কীত অনুষ্ঠিত আন দুখন আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত ৰূপৰ পদক জয়েৰে দীৰ্ঘদেহী অংকুশিতাই বহন কৰিছে প্ৰতিশ্ৰুতিৰ নতুন স্বাক্ষৰ। পদক জয়ৰ সময়ত অংকুশিতাৰ তগবগ দুচকুত অহংবোধৰ বিপৰীতে দেখা গৈছিল প্ৰতিশ্ৰুতিৰ দুধাৰি তপত অশ্ৰু। এখন কেঁচা মজিয়াৰ পৰা ব্ৰজকঠিন অনুশীলনেৰে বিশ্ব জয়ৰ এই দুৰ্বাৰ আখৰা কিমান পৰিশ্ৰমৰ ফচল সেয়া সহজে অনুমেয়। সফলতাৰ কোনো চমু বাট নাই। কিন্তু উদ্দেশ্যৰ স্পষ্টতা আৰু পৰিশ্ৰমৰ স'তে সততা সংযোজিত হৈ থাকিলে তাক বাৰণ কৰিব পৰা শক্তিও নাই।

প্ৰকৃততে, এই দুয়োগৰাকী এই মাটিৰ সন্তানৰ কৃচ্ছ সাধনাৰে উজ্বলি উঠাৰ অনুকৰণীয় দৃষ্টান্ত আমাৰ বাবে সম্ভাৱনাৰ এটা নতুন বাট। বেদৰ মন্ত্ৰ ৰচনাত অংশগ্ৰহণেৰে উপলা, ঘোষা আদিয়ে আৰম্ভ কৰা প্ৰজ্ঞাৰ বাটটোৰে, সুস্থ জীৱনশৈলীৰে এক সবল আৰু পৰিশীলিত সভ্যতাৰ যাত্ৰাত এনে উদাহৰণেৰে অনুপ্ৰাণিত হৈ আমাৰ প্ৰজন্ম ধাৱমান হওক, বিশ্বৰ বুকুত সমৃদ্ধ ভাৰতীয় মহাজীৱনক অধিকতৰ ৰূপত সমুজ্জ্বল কৰাৰ লক্ষ্যৰে।

★★★★★★







# আকাশ চুব খোজো

— গুৰু জোন

আমি চুব খোজো.......
সুউচ্চ দূৰত্বৰ নীলাৰ গভীৰতাক......
যিখিনি নীলাৰ নামেই হয়তো আকাশ.....
আমাৰ সপোন......
আমি জানো..........
আকাশ মানে ৰিক্ত......
তথাপিও সেই আকাশতেই সৃষ্টি হয়......
ৰিক্তপ্ৰায় নীলাখিনি......

আমিবোৰো মানুহ হয়......
আৱেগ অনুভূতি প্ৰৱণ....
এজন সুস্থ মানুহ......
আমাৰ শিহৰিত হয়....
গাৰ নোম....
কাৰোবাৰ বিভৎস চিএৰত.....

আমিবোৰ অক্ষমতাৰ বন্ধনত আৱদ্ধ......
তথাপিও কিন্তু জীৱশ্ৰেষ্ঠ.......
কাৰণ আমি ঈশ্বৰৰ সন্তান.......

প্ৰতিপল আগুৱাই যাওঁ....
দুনয়নত কঢ়িয়াই........
কিছুমান ৰঙীণ সপোন......
নিৰ্ভীক ভাবে আগুৱাই যাওঁ....
প্ৰাপ্তিৰ উচ্চ শিখৰলৈ .....

আমিবোৰৰ হাবিয়াস নাই......
শূন্যতাৰে ঢকা আকাশক স্পৰ্শ কৰিবলৈ....
আছে মাথো জনতাৰ হৃদয়ত....
সোমাই পৰি কিছু নিজৰা বোৱাব....
য'ত সৃষ্টি নহয় দাবানল......
সৃষ্টি নহয় ফিৰিঙতি.....

মাউণ্ট এভাৰেষ্ট জয় কৰি....
নিবিচাৰো ৰিক্ততাৰ আকাশ চুমিব......
হৃদয়ক জয়ী কৰি চুব খোজো.....
আকাশ.....
য'ত সপোনবোৰ লাহে লাহে ....
প্ৰতিফলিত হয়....
বাস্তৱ অভিমুখে....

কণ্টকময় জীৱন কটায়ো....
নাভাগৰা আমি নিৰ্ভীক যোদ্ধা....
অৱসাদে হেঁচা মাৰি ধৰিছে....
তথাপিও হোৱা নাই ক্লান্ত...
কাৰণ....
আমাৰ চুমিবৰ হেঁপাহ আছে.....
আকাশৰ নীলা ৰঙৰ স্বকীয়তা কিমান???

আমাৰো মন যায়...
আকাশ চুবলৈ....
আপোনালোক তেখেতসকলৰ দৰে...

Scanned with OKEN Scanner

অহংকাৰী বিশ্বাসঘাতক হ'ব আমাৰো মন
যায়......
কেনে হয় অহংকাৰীৰ ৰং ....
বিশ্বাস ঘাতকৰ সাজ....

কিন্তু
না.......না.......না........
নোৱাৰো স্বাৰ্থপৰ হ'ব....
আপোনালোকৰ দৰে....
স্বাৰ্থৰ বাবে কাৰোবাৰ ভৰিত ধৰি....
নিজৰ ব্যক্তিত্বক আনৰ হাতত বিক্ৰী কৰি....
কাপুৰুষ হ'ব নিবিচাৰো আমি....

আমি চুমিব খোজো......
আকাশ......
বিশ্বাস তথা পৰিশ্ৰমৰে....
য'ত নীলাই আমাৰ আশীৰ্বাদ....
নীৰ্ভিকতাই আমাৰ অস্ত্ৰ....

আমি এনেকৈয়ে চুব খোজো....
আকাশ....
চৌদিশ মাথোঁ নীলাৰ আৱেস্তনী....



## শিক্ষক-শিক্ষয়িত্ৰীৰ শিতান

# বিষ্ণুপ্ৰসাদ ৰাভাৰ সৃষ্টি আৰু কৰ্মত অসমীয়া জাতীয়তাবাদী চিন্তাৰ পৰা ভাৰতীয় জাতীয়তাবাদী চিন্তালৈ উত্তৰণ

— ড° কিশোৰ কুমাৰ দেউৰী
প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ

*অসমত বৃহত্তৰ জাতীয়তাবাদৰ বিকাশ আৰু পৰিবৰ্ধনত যিসকল অসমীয়া সাহিত্যিকে বিশেষ বৰঙণি যোগাইছিল তেওঁলোকৰ ভিতৰত বিষ্ণুপ্ৰসাদ ৰাভা অন্যতম। বিষ্ণুপ্ৰসাদ ৰাভা মূলতঃ এজন বামপন্থী চিন্তাধাৰাৰ লেখক যদিও, তেওঁৰ সাহিত্য-চৰ্চা কেৱল সাম্যবাদৰ মাজতে সীমাবদ্ধ নাছিল। তেওঁৰ বিভিন্ন ৰচনাত গভীৰ জাতীয়তাবোধ আৰু দেশপ্ৰেমৰ ভাবৰ সাৰ্থক প্ৰকাশ ঘটিছে। সাম্যবাদী হৈও বিষ্ণুপ্ৰসাদ ৰাভা এজন দেশপ্ৰেমী আৰু জাতীয়তাবাদী লেখক আছিল। মাৰ্ক্সবাদী আদৰ্শৰ লেনিন আৰু মাও জে দঙৰ পথ নিৰ্দেশনাৰ দ্বাৰা দীক্ষিত হ'লেও নিজ ৰাজ্য আৰু ৰাষ্ট্ৰৰ ঐতিহ্য প্ৰীতি বিষ্ণুপ্ৰসাদ ৰাভাৰ লিখনীত স্পষ্ট ভাৱত পৰিলক্ষিত হয়। লীলা গগৈয়ে বিষ্ণুপ্ৰসাদ ৰাভাৰ সম্পৰ্কে এনেদৰে মন্তব্য দাঙি ধৰিছে —*

*বিষ্ণু ৰাভা যথাৰ্থতে এজন বিপ্লৱী আছিল কিন্তু জাতীয় চেতনাৰে উদ্বুদ্ধ বিপ্লৱী।[১]*

ৰাভাৰ ৰচনাত অসমীয়া জাতীয়তাবাদৰ বিভিন্ন উপাদান, যেনে — জাতীয় ঐতিহ্য প্ৰীতি, যুৱ শক্তিৰ জাগৰণ, নাৰী শক্তিৰ উত্থান, সাংস্কৃতিক ঐক্য আৰু জাগৰণ, জনগোষ্ঠীয় সমন্বয় আৰু ৰাজনৈতিক ঐক্য আদি উপাদানৰ প্ৰতিফলন ঘটিছে। জাতীয় চেতনাৰ আধাৰতহে ৰাভাই অসম আৰু ভাৰতত সাম্যবাদী সমাজ গঠনৰ সপোন ৰচিছিল। সেয়েহে ৰাভাৰ গীত আৰু কবিতাসমূহত জাতীয়তাবাদী চেতনা সাৰ্থকভাৱে প্ৰকাশ পাইছে। কিন্তু বিষ্ণুৰাভা উগ্ৰ আঞ্চলিক জাতীয়তাবাদী নাছিল। ৰাভাৰ ৰচনাত জাতীয়তাবাদী চেতনা আঞ্চলিকতাবাদৰ পৰিধি অতিক্ৰমি সৰ্বভাৰতীয় স্তৰলৈ উন্নীত হৈছে। আঞ্চলিক জাতীয়তাবাদক তেওঁ সৰ্বভাৰতীয় জাতীয়তাবাদৰ অংশ বুলি গণ্য কৰিছে। বিষ্ণুপ্ৰসাদ ৰাভাৰ ৰচনাত অসম আৰু মূল ভাৰতৰ উমৈহতীয়া স্বাৰ্থজড়িত বিভিন্ন উপাদানৰ সমাৱেশ ঘটিছে। উমৈহতীয়া স্বাধীনতা সংগ্ৰামৰ ইতিহাস, সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ প্ৰতি আনুগত্য আৰু



১. ললিত চুতীয়া, (সম্পাদক), বিষ্ণু ৰাভাৰ কৃতি আৰু কৃতিত্ব, পৃষ্ঠা ২৬৩।

সমৰ্থন, অসম-ভাৰতৰ উমৈহতীয়া সাংস্কৃতিক ঐতিহ্য ইত্যাদিসমূহ ৰাভাৰ ৰচনাত প্ৰতিফলিত হোৱা দেখা যায়। ৰাভাৰ ৰচনা মাজত অসমৰ আঞ্চলিক জাতীয়তাবাদে কেনেকৈ সৰ্বভাৰতীয় স্তৰলৈ উন্নীত হৈছে সেই বিষয়ে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

বিষ্ণুপ্ৰসাদ ৰাভাই স্বাধীনতা আন্দোলনৰ পটভূমিত ৰচনা কৰা লেখনীসমূহত অসমৰ ঘটনাৱলীৰ লগতে সমান্তৰালভাৱে সৰ্বভাৰতীয় স্তৰৰ ঘটনাপ্ৰৱাহকো গুৰুত্বসহকাৰে উল্লেখ কৰিছে। গীত-নাটকৰ পৰা আৰম্ভ কৰি উপন্যাস-প্ৰবন্ধ সকলোতে তেওঁৰ এই দৃষ্টিভংগী প্ৰতিফলিত হৈছে। ৰাভাই স্বাধীনতা আন্দোলনৰ পটভূমিত যথেষ্ট সংখ্যক গীত লিখিছিল আৰু এই দেশপ্ৰেম গীতসমূহৰ মাজত তেওঁৰ সৰ্বভাৰতীয় চিন্তাধাৰাৰ প্ৰতিফলন ঘটিছে। বিষ্ণু ৰাভাৰ গীতত দেশপ্ৰেম আৰু ইংৰাজ বিৰোধী ভাবধাৰা স্পষ্টভাৱে প্ৰতিফলিত হৈছে। গীতৰ যোগেদি ৰাভাই অসম আৰু ভাৰতীয় জনতাৰ কোলাহল শুনিবলৈ ইংৰাজক আহ্বান জনাইছে। তেওঁ ইংৰাজৰ ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে জনতাৰ ক্ষোভ গীতৰ যোগেদি এনেদৰে প্ৰকাশ কৰিছে —

*জাহাজত বিদেশী ইংৰাজ*
*ভাৰতীৰ কাষতেই জননী অসমী*
*অসম বাসীৰ জন্ম ভূমি*
*স্বৰ্গাদপী গৰিয়সী*
*প্ৰেয়সী প্ৰেয়সী*
*দুয়ো শৃংখলিত।*

(উলাহৰে কোলাহল)

ইয়াত বিষ্ণুপ্ৰসাদ ৰাভাৰ সৰ্বভাৰতীয় চিন্তাধাৰা প্ৰতিফলিত হৈছে। বিষ্ণু ৰাভাই বিশ্বাস কৰিছিল যে অসম আৰু অসমীয়া জাতি বৃহৎ ভাৰতৰ অভিন্ন অংগ। সেইবাবেই ৰাভাই স্পষ্টভাৱে উল্লেখ কৰিছে যে — 'ভাৰতীৰ কাষতেই জননী'। বিষ্ণুপ্ৰসাদ ৰাভাই উপলব্ধি কৰিছিল যে — কোনো আত্মসন্মান থকা দেশ আৰু জাতিয়ে পৰাধীন হৈ থাকিব নিবিচাৰে। অসম আৰু ভাৰতৰ পৰাধীন অৱস্থাৰ কথা সোঁৱৰাবলৈ ৰাভাই লিখিছে —

*আই মোৰ ভাৰতী জননী*
*লখিমী দুখুনী*
*ভাৰতবাসীৰ হৃদয়ৰ বাণী*
*মোৰ পৰাণৰ*
*মোৰ জীৱনৰ*
*চেনেহী গোসাঁনী।"*

(আই মোৰ ভাৰতী জননী)

এই গীতত ৰাভাই ভাৰতক 'ভাৰতী জননী' বুলি উল্লেখ কৰিছে। ভাৰতী জননীক গীতিকাৰে 'মোৰ পৰাণৰ আৰু মোৰ জীৱনৰ চেনেহী গোসাঁনী' বুলি বৰ্ণনা কৰিছে। ইয়াৰ পৰা ৰাভাৰ গভীৰ ভাৰত প্ৰীতি স্পষ্ট হয়। গীতটোৰে ৰাভাৰ সৰ্বভাৰতীয় বিশ্বাসক দৃঢ়তাৰে প্ৰতিফলিত কৰিছে। *জনগণ আজি জাগে* শীৰ্ষক গীতত বিষ্ণু ৰাভাই ব্ৰিটিছৰ বিৰুদ্ধে ভাৰতীয় জনগণৰ মাজত হোৱা জাগৰণক চিত্ৰিত কৰিছে। এই গীতটোৰ যোগেদি ৰাভাই পুৰণিকলীয়া চিন্তাৰ ডাৱৰ আঁতৰাই নতুনক আদৰিবলৈ ভাৰতবাসীক আহ্বান জনাইছে — *"জনগণ আজি জাগে / আজি জাগে ভাৰত মাজে / পুৰণিক সংহাৰি / নতুন চিএৰি / জনতাৰ বিকুল বাজে ঘৰে ঘৰে "* (জনগণ আজি জাগে)। ভাৰতীয় জনগণৰ মাজত মুক্তিৰ আৰু স্বাধীনতাৰ প্ৰতি নতুন জাগৰণ ৰাভাই দেখিছে। জনতা একত্ৰিত হ'লে ভাৰতৰ মুক্তিৰ বাট ৰোধিব নোৱাৰে। শোষণকাৰীক ৰাভাই দৈত্য-দানৱ বুলি উল্লেখ কৰিছে। মুক্তি সংগ্ৰাম আগুৱাই নিয়াৰ স্বাৰ্থত ভাৰতীয় জনগণে দৈত্য দানৱক প্ৰয়োজন হ'লে বধ কৰিব লাগিব বুলিও গীতিকাৰ ৰাভাই উল্লেখ কৰিছে। তেওঁ লিখিছে — *"দৈত্য দানৱ / শোষণকাৰীক / সৌৱা চোৱা / আপোনহাতেৰে বধে"* (জনগণ আজি জাগে)। গীতিকাৰে এফালে জাতীয় মুক্তি সংগ্ৰামৰ ইংগিত দিছে আৰু আনফালে নতুন সমাজ গঢ়ি সাম্যবাদী ভাৰত গঢ়াৰ সপোন দেখিছে। ভাৰতীয় সংগ্ৰামী জনগণক আত্মবিশ্বাসী হ'বলৈ আহ্বান জনাই ৰাভাই লিখিছে — *"কোনে ক'লে তোক শকতি বিহীন বুলি / আই তোৰ পুত্ৰ শক্তিবন্ত / শঙ্খ নকৰা নকৰা ভয় / জয় মহাত্মাৰ জয়"* (কোন আহিছা আইক পুজিবলৈ)। ইয়াত গীতিকাৰ ৰাভাই ভাৰতৰ নব প্ৰজন্মক 'পুত্ৰ শক্তিবন্ত' বুলি উল্লেখ কৰিছে আৰু নিৰ্ভয়ে স্বাধীনতা সংগ্ৰামত যোগ দি মহাত্মা গান্ধী তথা দেশৰ জয় নিশ্চিত কৰিবলৈ আহ্বান জনাইছিল। বিষ্ণু ৰাভাই গীতটোত এফালে নিজকে 'খাটি অসমীয়া' বুলি দাবী কৰিছে আনফালে 'ভাৰতী জননী' আৰু অসম ভাৰতীৰ হৃদয়ৰ পানী বুলি উল্লেখ কৰিছে। এনেদৰে ৰাভাই অসমীয়া জাতীয়তাবাদক সৰ্বভাৰতীয় জাতীয়তাবাদলৈ

উত্তৰণ ঘটাইছে। স্বাধীনতা আন্দোলনৰ পটভূমিত লিখা ৰাভাৰ ৰচনাসমূহে তেওঁৰ সৰ্বভাৰতীয় চিন্তাধাৰাক প্ৰতিফলিত কৰে। ৰাভাৰ এনে ৰচনাত অসমৰ স্বাধীনতা যুঁজাৰু তৰুণৰাম ফুকন, নবীন চন্দ্ৰ বৰদলৈ আৰু পিয়লি ফুকন আদি নেতাৰ সৈতে সৰ্বভাৰতীয় নেতা মহাত্মা গান্ধী আৰু জৱহৰলাল নেহৰুৰ নাম উল্লেখ পোৱা যায়। স্বাধীনতা আন্দোলনত অসম আৰু অসমীয়াৰ অংশগ্ৰহণক ৰাভাই প্ৰতিফলিত কৰা দেখা যায়। ইয়াৰ যোগেদি ৰাভাই অসমীয়া জাতীয়তাবাদক সৰ্বভাৰতীয় জাতীয়তাবাদৰ সৈতে সংযোজিত কৰিছে। *উলাহৰ উখল মাখল* গীতত ৰাভাই অসম আৰু ভাৰতৰ সম্পৰ্ক স্পষ্ট কৰি লিখিছে যে অসম সদায় ভাৰতৰ অংগ। ভাৰতৰ সুখ-দুখত অসম সদায় অংশীদাৰ। ৰাভাই লিখিছে —

*ভাৰতীৰ বক্ষতেই জননী অসম*
*অসম বাসীৰ জনম ভূমি*
*স্বৰ্গদপী গৰিয়সী*
*প্ৰেয়সী প্ৰেয়জয়ী*
*দুয়ো শৃংখলিত।*
(উলাহৰ উখল মাখল)

ভাৰতৰ বুকুতেই ৰাভাৰ 'জননী অসমে' অৱস্থান কৰিছে। অৰ্থাৎ অসম ভাৰতৰ অভিন্ন অংগ। অসম আৰু অসমীয়া ভাৰতীয় জাতীয়তাৰ অংগ। অসমীয়া সংস্কৃতি সৰ্বভাৰতীয় সংস্কৃতিৰ অবিচ্ছেদ্য অংগ। ৰাভাই উল্লেখ কৰিছে যে ভাৰত হ'ল 'অসম বাসীৰ জন্মভূমি' কিন্তু ভাৰত আজি শৃংখলিত। ব্ৰিটিছৰ সাম্ৰাজ্যবাদৰ তলতীয়া সেয়েহে সমগ্ৰ ভাৰতত যি ব্ৰিটিছ বিৰোধী আন্দোলন হৈছিল অসমো এই আন্দোলনৰ অংশীদাৰ। ৰাভাই *ন-পৃথিৱীৰ নতুন যুগ* নামৰ নৃত্য-নাটিকাত সমদন খছাৰী নামৰ এক বিপ্লৱী চৰিত্ৰৰ যোগেদি অসমীয়া যুৱকে দেশৰ বাবে শ্বহীদ হোৱাৰ চিত্ৰ অংকন কৰিছে। অত্যাচাৰী ইংৰাজ বিষয়া এজনৰ বাংলোত গৈ তেওঁ বুঢ়া আঙুলি কাটি সমদন খছাৰীয়ে ইংৰাজৰ দৰ্পক প্ৰত্যাহ্বান জনাইছিল। পিছত ইংৰাজৰ সৈন্যৰ গুলীত খছাৰী নিহত হৈছিল। সমদন খছাৰীৰ এক ত্যাগৰ কথা নাটকৰ সূত্ৰধাৰে ঘোষণা কৰিছে —

*এইদৰে অসমৰ একোজন বীৰে ইংৰাজৰ সাম্ৰাজ্যবাদী শিকলিৰ বান্ধ চিঙি*
*নিজৰ দেশৰ মুক্তি আনিবলৈ গৈ শ্বহীদ হ'ল।*

এইদৰে ৰাভাই তেওঁৰ বিভিন্ন ৰচনা অসম-ভাৰতৰ অভিন্ন সম্পৰ্কৰ কথা দোহৰাইছে। *ন-পৃথিৱীৰ নতুন যুগত* ৰাভাই লিখিছে —

*এটা বিৰাট সৰ্প। শিৰত ইংৰাজৰ পতাকা ইউনিয়ন জ্যোক। ভীষণ ৰূপ*
*তাৰ। নগা আহে মাৰিবলৈ, গিলি থয়। এইদৰে আবৰ, মিচিমি, খামটি,*
*অকা, দফলা, চিংফৌ, গাৰো, খাছিয়া, কুকি, টিপৰা, মিৰি, মিকিৰ, লালুং,*
*লুচাই সকলোৰে এজন এজনকৈ সেই সৰ্পৰ কৱাল গৰাহত পৰা।*

ৰাভাই ইংৰাজৰ সাম্ৰাজ্যক সাপৰ সৈতে তুলনা কৰিছে আৰু বিষাক্ত সাপৰূপী ইংৰাজে সকলো অঞ্চলৰ লোকক নিজৰ পদানত ৰাখিবলৈ চেষ্টা কৰিছে। অসমৰ সকলো জনগোষ্ঠীয়ে ইংৰাজৰ সাম্ৰাজ্যবাদী শাসনৰ বিৰুদ্ধে যুঁজি প্ৰয়োজন হ'লে শ্বহীদ হ'বলৈ সাজু থকাৰ কথা ৰাভা প্ৰতীতি অৰ্থত প্ৰকাশ কৰিছে। অসম তথা সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ ৰাইজে কিদৰে সৰ্বভাৰতীয় জাতীয়তাবাদৰ অংশীদাৰ হৈছিল তাকেই ৰাভাই ইয়াত সুন্দৰকৈ প্ৰতিবিম্বিত কৰিছে। অবিভক্ত অসমৰ সকলো জাতি-জনগোষ্ঠীয়ে ভাৰতবৰ্ষৰ মুক্তি আন্দোলনত যোগদান কৰিছে। বড়ো, কাৰ্বি, টাই আহোম, মিছিং, নিজো, নগা আদি সকলো জনগোষ্ঠীয়ে ৰাষ্ট্ৰীয় চিন্তাধাৰাক আৰু জাতীয় ঐক্যৰ চেতনাৰে দেশৰ স্বাধীনতা সংগ্ৰামত নিজৰ অৰিহণা যোগাইছিল। ভাৰতৰ স্বাধীনতা মানেই অসমৰ স্বাধীনতা। বিষ্ণু ৰাভাই অসমৰ পৃথক স্বাধীনতা বিচৰা নাছিল। *সপোন কুঁৱলীত* দেউটি নামৰ চৰিত্ৰৰ মুখত ৰাভাই দিয়া সংলাপে ৰাভাৰ ৰাষ্ট্ৰীয় চেতনাক প্ৰতিফলিত কৰে।

*এই ইংৰাজহঁত বৰ বেয়া। আমাক শুহিবলৈ জানে, দিবলৈ নাজানে। আমাক*
*মাৰি-ধৰি সকলো বয়বস্তু লুটি-পুটিহে নিয়ে। গান্ধী দেৱতা, জৱহৰলাল*
*পণ্ডিতহঁতে যুঁজি যুঁজি ইংৰাজহঁতক হৰুৱালে। কাইলৈ ১৫ আগষ্ট।*
*ইংৰাজহঁতে বাট নেপাই আমাৰ হাতত স্বৰাজ দিব। কাইলৈৰ পৰা দুখুনী*

Scanned with OKEN Scanner

*আই অসমীৰো শিকলি ছিঙিব। আমিও স্বাধীন হ'ম।*

ৰাভাই ইয়াত স্পষ্ট কৰি দিয়ে যে কংগ্ৰেছৰ সৰ্বভাৰতীয় নেতৃবৃন্দ — মহাত্মা গান্ধী, পণ্ডিত জৱাহৰলাল নেহৰু আৰু আন নেতাসকলৰ নেতৃত্বত চলা জাতীয় মুক্তি সংগ্ৰামে সফলতা লাভ কৰাৰ লগে লগে অসম পৰাধীনতাৰ শিকলিৰ পৰা মুক্তি পায়। ভাৰত স্বাধীন হোৱাৰ লগে লগে অসমো ভাৰতৰ অংগৰাজ্য ৰূপে স্বাধীন হ'ব। ইয়াৰ যোগেদি ৰাভাই অসমীয়া জাতীয়তাবাদৰ সৰ্বভাৰতীয় জাতীয়তাবাদৰ অংগ বুলি ঘোষণা কৰিছে।

বিষ্ণুপ্ৰসাদ ৰাভাৰ ৰচনা আৰু কৰ্মৰাজিত সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ প্ৰতি থকা আনুগত্য আৰু সমৰ্থন প্ৰকাশিত হৈছে। তেওঁ নিজৰ ৰাজনৈতিক পৰিক্ৰমাৰ প্ৰথম পৰ্যায়ত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সৈতে জড়িত আছিল। পিছলৈ তেওঁ আৰ.চি.পি.আই. দলৰ সৈতে জড়িত হৈ পৰে। ইয়াৰ উপৰি ৰাভাই সৰ্বভাৰতীয় সাংস্কৃতিক অনুষ্ঠান ভাৰতীয় গণনাট্য সংঘৰ সৈতেও ওতপ্ৰোতভাৱে জড়িত হৈ পৰিছিল। এজন ৰাজনীতিবিদ হিচাপে সুপৰিচিত হ'লেও বিষ্ণুপ্ৰসাদ ৰাভা কিন্তু নিজৰ জীৱন কালত কোনো আঞ্চলিক দলৰ সৈতে জড়িত হোৱা নাছিল। এই কথাই তেওঁৰ চিন্তা আৰু কৰ্মই যে আঞ্চলিক জাতীয়দাবাদৰ স্তৰ অতিক্ৰম কৰি সৰ্বভাৰতীয় স্তৰলৈ বিস্তৃতি লাভ কৰিছিল তাৰ সাক্ষ্য বহন কৰে।

উল্লেখযোগ্য যে বিষ্ণুপ্ৰসাদ ৰাভাই সৰ্বভাৰতীয় ৰাজনৈতিক দল আৰ.চি.পি.আই.ৰ সাধাৰণ কৰ্মী হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ লগতে দলটোৰ গুৰুত্বপূৰ্ণ বিষয়বাবতো অধিষ্ঠিত হৈছিল। এই কথাৰ পৰা সৰ্বভাৰতীয় ৰাজনৈতিক প্ৰেক্ষাপটত বিষ্ণুপ্ৰসাদ ৰাভাৰ শক্তিশালী স্থিতি প্ৰতীয়মান হয়। তেওঁ ১৯৪৬ চনত আৰ.চি.পি.আই. দলৰ ৰাজ্যিক ছাত্ৰ শাখাৰ কৃষ্টি সভাপতিৰ দায়িত্ব লাভ কৰিছিল। ১৯৫৫ চনত ভাৰতীয় গণনাট্য সংঘৰ অসম শাখাৰ ৰাজ্যিক অধিৱেশনৰ সভাপতিৰ পদতো বিষ্ণুপ্ৰসাদ ৰাভা অধিষ্ঠিত হৈছিল। গণনাট্য সংঘৰ এসময়ৰ সক্ৰিয় সদস্য শৰৎ চন্দ্ৰ নেওগে এই প্ৰসংগত কৈছে —

*"এই অধিৱেশনত ৫৫ জন সদস্যৰ এখন প্ৰাদেশিক কাউন্সিল আৰু ২৮ জনীয়া এখন প্ৰাদেশিক কাৰ্যকৰী সমিতি গঠন কৰা হয়। বিষ্ণু ৰাভাক সভাপতি, গুৰু কামিনী সিং, দেৱেন বসুমতাৰী, মঘাই ওজা, নৰহৰি বুঢ়াভকত, আব্দুল মালিক আৰু ভূপেন হাজৰিকাক উপ-সভাপতি হিচাপে, হেমাংগ বিশ্বাস সাধাৰণ সম্পাদক, দিলীপ শৰ্মা, হেম শৰ্মা, মুকুন্দ ভট্টাচাৰ্য্য আৰু নগেন কাকতিক সহকাৰী সম্পাদক, অনিল দাসক কাৰ্যালয় সম্পাদক আৰু সত্যজীৱন ভট্টাচাৰ্যক ধনভঁৰালী হিচাপে নিৰ্বাচিত কৰা হয়।"* [২]

বিষ্ণুপ্ৰসাদ ৰাভাই আন এক সৰ্বভাৰতীয় ৰাজনৈতিক দল চি.পি.আই.ৰ সৈতেও জড়িত হৈ পৰিছিল। ১৯৫৬ চনত ৰাভাই এই দলত যোগদান কৰে। ১৯৫৭ চনত কোকৰাঝাৰ বিধানসভা সমষ্টিৰ পৰা চি.পি.আই. দলৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। এনেদৰে বিষ্ণুপ্ৰসাদ ৰাভাই সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ সৈতে জড়িত হৈ পৰোক্ষভাৱে ভাৰতীয় জাতীয়তাবাদী চিন্তাৰ প্ৰতি নিজৰ আনুগত্য আৰু সমৰ্থন প্ৰকাশ কৰিছিল। সামগ্ৰিক আলোচনাৰ পৰা ক'ব পাৰি যে অসম আৰু ভাৰতৰ উমৈহতীয়া ৰাজনৈতিক, সাংস্কৃতিক আৰু সামাজিক সম্পৰ্কক বিষ্ণুপ্ৰসাদ ৰাভাই নিজৰ ৰচনাৰ যোগেদি প্ৰকাশ কৰিছে। বিষ্ণুপ্ৰসাদ ৰাভাই অসমীয়া জাতীয়তাবাদক সৰ্বভাৰতীয় জাতীয়তাবাদৰ পৰা পৃথকাই গ্ৰহণ কৰা নাছিল। অসমৰ স্থানীয় আৰু আঞ্চলিক সংস্কৃতিক তেওঁ সন্মান কৰিছিল। কিন্তু অসমীয়া জাতীয়তাবাদক তেওঁ সৰ্বভাৰতীয় জাতীয়তাবাদৰ অংশ বুলি বিবেচনা কৰিছিল। তেওঁৰ এই দৃষ্টিভংগীয়ে ভাৰতবৰ্ষৰ জাতীয় একতা, পৰম্পৰা আৰু ভৌগলিক অখণ্ডতাৰ প্ৰতি থকা আনুগত্যক প্ৰতীয়মান কৰিছে।

২. শৰৎ চন্দ্ৰ সিংহ (অসমত প্ৰগতিশিল সাংস্কৃতিক আন্দোলন, ভাৰতীয় গন নাট্য সংঘ)।

**গ্ৰন্থপঞ্জী ঃ**

১। যোগেশ দাস (সম্পা) বিষ্ণুপ্ৰসাদ ৰাভাৰ ৰচনা সম্ভাৰ, ১ম খণ্ড, আৰু ২য় খণ্ড
২। ললিত চুতীয়া, বিষ্ণু ৰাভাৰ কৃতি আৰু কৃতিত্ব।
৩। শৰৎ চন্দ্ৰ সিংহ (অসমত প্ৰগতিশিল সাংস্কৃতিক আন্দোলন, ভাৰতীয় গন নাট্য সংঘ)।

Scanned with OKEN Scanner



# আহোম যুগৰ অন্যতম ধেমালি
# শেন কনুৱাৰ যুঁজ

—প্ৰবীন শৰ্মা
প্ৰবক্তা, বুৰঞ্জী বিভাগ

আহোম যুগৰ অন্যতম খেল ধেমালী সমূহৰ ভিতৰত শেন কনুৱাৰ যুঁজ আছিল অন্যতম। কাশীনাথ তামুলী ফুকনৰ বুৰঞ্জীত পোৱা যায় যে "ঐ সন্দিকৈ বৰফুকনেই ঐ হৈছে চৰাতে দুইমূৰে মগৰ লগাই বাবলৈ নাও বৈঠা, লাৰচাব স্বৰ্গদেৱক ৰঙ্গ দেখাই মগৰি চৰা ও বহৰি শেন দুইৰো খেল উলিয়ালে"।

ৰজাৰ নিৰ্দেশ অনুসৰি শেনচোৱা বৰুৱাই শেনচোৱাবিলাকক শেন পুহিবলৈ আৰু খেলিবলৈ শিকায়। কাতি আঘোন মাহৰ ৰংপুৰৰ জলাশয়বোৰত অগণন বগলুৱা চৰাই মাছ খাবলৈ আহে।

দেওধাই অসম বুৰঞ্জীৰ "চৰাই চোঙত কনুৱা ক্ৰমে আহি যিমান সৰহ হ'ব সিমান সৰহকৈ সৰু মাছ দিবলৈ ধৰে। সেইদৰে ক্ৰমে বনৰীয়া কনুৱা আহি একহাজাৰ বাৰশ গোট খাই থাকেহি। গধূলি উৰি যায়, ৰাতিপুৱা গোট খায়হি। এই দৰে ৬-৭ চৰাই চোঙ পাতে"।

পুহ আৰু মাঘ মাহত শেনচোৱা বৰুৱাই পৰীক্ষা পাতে। প্ৰথম এটা পাৰ চৰাই এৰি দিয়ে আৰু ভৰিত ডোল লগাই থকা শেন এটাক পাৰ চৰাইটো ধৰিবলৈ পঠিয়ায়। যদি এই কাৰ্যত শেনটো কৃতকাৰ্য হয়, তেতিয়া ভৰিৰ ডোল দাল গোচাই, আকৌ পৰীক্ষাৰ পাছত যদি শেনে পাৰ মাৰিব পাৰে আৰু শেনচোৱা বৰুৱাৰ হাতত পাৰ দিবগৈ পাৰে, তাকে "বাউলি দিয়া" বোলে।

সম্পূৰ্ণ পৰীক্ষা নিৰীক্ষা হোৱাৰ পাছত এদিন স্বৰ্গদেৱে শেনচোৱা বৰুৱাক শেনমেলা পাতিবলৈ দিয়ে। ৰজা আৰু ৰাইজৰ উপস্থিতিত শেনচোৱা বৰুৱাই কনুৱাবোৰ হুৰাই দিয়ে। কনুৱাবোৰ আকাশত উৰি যোৱাৰ লগে লগে শেনচোৱাই শেনৰ চকুৰ পটিবোৰ খুলি এৰি দিয়ে। শেনবোৰ উৰি গৈ কনুৱাবোৰ ধৰি আনি শেনচোৱা বৰুৱাৰ হাতত দিয়েহি। কেতিয়াবা একোটা শেনে কনুৱা চৰাইৰ বুকুতে বহি তল পায়হি। কেতিয়াবা আকৌ শেন কনুৱা মাৰি পলাই যায়। সেয়েহে শেনচোৱা বৰুৱাই শেনে কনুৱা চৰাই মাৰিব নে নাই স্পষ্ট নোহোৱাৰ বাবে ৰজাৰ কাণত কৈ থাকে "স্বৰ্গদেও এইবাৰ শেনৰ এজাত" শেনে কনুৱা মাৰি অহাৰ পাছত শেনক তপত পানীৰে মুখ ধুৱাই জালুক পিপলি ইত্যাদি বোৰ খুৱায়। ইফালে পলাই যোৱা শেনক বিচাৰি শেনচোৱা বৰুৱাই "শেন ঐ শেন ঐ" বুলি বিচাৰি ফুৰে। শেনচোৱা বৰুৱা কৃতাকাৰ্য হ'লে বঁটা বাহন আৰু ব্যৰ্থ হ'লে "বাঘঢকা" পুৰস্কাৰ হিচাপে পায়।

ছশ বছৰীয়া আহোম ৰাজত্ব কালৰ এই খেলবিধ বিশ্বৰ অন্য প্ৰান্তত আছিল নে নাই নাজানো কিন্তু এইকথা ঠিক যে এই আকৰ্ষণীয় খেলবিধক লৈ অসমীয়াই এতিয়াও গৌৰৱ কৰিব পাৰে।

# বিপন্ন জাতীয় জীৱন আৰু ৰাজনীতিক গতি
## এক ঐতিহাসিক অৱলোকন

—প্লাৱন ভূঞা
প্ৰবক্তা, বুৰঞ্জী বিভাগ

অসম তথা অসমীয়াই নানান অনুকূল প্ৰতিকূল অৱস্থা তথা বহু উত্থান পতনৰ মাজেৰে আহি একবিংশ শতিকাৰ বাটচৰাত অৱস্থান কৰিছেহি। প্ৰাচীন কালত কামৰূপ তথা প্ৰাগ্‌জ্যোতিষপুৰত গঢ়ি উঠা ৰাজনৈতিক আন্দোলনে অসমক এক নতুন আৰ্থ-সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক পৰিচয় প্ৰদান কৰিছিল। চুকাফাই লাইখুঁটা পুতা এই ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভূখণ্ডতেই সূচনা হ'ল বাৰেৰহনীয়া কৃষ্টি-সংস্কৃতিৰ বৰভেঁটি গঢ়াৰ বৰ আখৰা। সংস্কৃতকৰণ প্ৰক্ৰিয়াৰে আৰম্ভ হ'ল অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া। ৬০০ বছৰীয়া আহোম ৰাজত্বই অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াক আৰু অধিক ত্বৰান্বিত কৰিলে আৰু বৰ অসমৰ ভেঁটি মজবুত হ'ল। সুদীৰ্ঘ আহোম ৰাজত্বৰ অৱসানৰ পৰৱৰ্তী কালছোৱাত অসমত সূচনা হোৱা পুঁজিবাদী উপনিৱেশিক শাসনে অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ কাঠামোক কুঠাৰাঘাট কৰিলে। নমাই আনিলে এক বেমেজালি আৰু স্থবিৰতাৰ পৰিবেশ আৰু অনাকাংশিতভাৱে আৰম্ভ এটাৰ পিছত আন এটা অৱস্থিতি আৰু অস্তিত্ব ৰক্ষাৰ বিতৰ্ক তথা সংগ্ৰাম। আৰম্ভ হ'ল খিলঞ্জীয়া আৰু বহিৰাগত প্ৰব্ৰজনকাৰীৰ মাজত ৰাজনৈতিক সামাজিক আৰু ভাষিক বিতৰ্ক, যাৰ তিক্ত অভিজ্ঞতা হয়তো আজি প্ৰতিজন অসমীয়াই মৰ্মে মৰ্মে উপলব্ধি কৰিব পাৰিছে, তাক হয়তো নকৈ কোৱাৰ প্ৰয়োজন নাই।

বিতৰ্ক অসমৰ ইতিহাসত কোনো নতুন কথা নহয়, বৰঞ্চ এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি বুলি ক'লে হয়তো অত্যুক্তি কৰা নহব সেয়া লাগে প্ৰাক্ স্বাধীনোত্তৰ কালৰেই হওঁক বা স্বাধীনোত্তৰ কালৰেই হওঁক। মুঠৰ ওপৰত বহু বিতৰ্ক হোৱা দেখা গ'ল, ইতিহাস তাৰ জ্বলন্ত সাক্ষী হৈ ৰ'ল। ঐতিহাসিক দৃষ্টিকোণৰ পৰা লক্ষ্য কৰিলে দেখা যায় যে 'দুই মহ'ৰ যুঁজত বিৰিণাৰ মৰণ' হোৱাৰ দৰে, প্ৰথম ইংগ-বাৰ্মী যুদ্ধৰ ফলশ্ৰুতিত স্বাক্ষৰিত হোৱা ইয়াণ্ডাবু সন্ধিৰ বিষয়ে অসমৰ সাধাৰণ জনতাই ভূ-টোকে নাপালে। আহোমৰ দিনত বঙালৰ (মোগল) বিৰুদ্ধে মাৰ বান্ধি থিয় হৈ তেওঁলোকক জোলোকা জোলোকে পানী খুওৱা অসমৰ জনসাধাৰণ কিন্তু পোনচাটেই বগা বঙালৰ (ইংৰাজৰ) বিৰুদ্ধে মূৰ দাঙি উঠিব নোৱাৰিলে; অৱশ্যে তাৰ বাবে সমসাময়িক অসমৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতিও জগৰীয়া। ব্যৱসায়িক স্বাৰ্থক অগ্ৰাধিকাৰ দিয়া পুঁজিপুতি ইংৰাজসকলে ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিকভাৱে অসম তথা অসমীয়া জনসাধাৰণক পংগু কৰি পেলালে। চৰকাৰী ছত্ৰছায়াত প্ৰব্ৰজনে চুড়ান্ত ৰূপ ধাৰণ কৰিলে আৰু তাৰ

সুদীৰ্ঘ আহোম ৰাজত্বৰ অৱসানৰ পৰৱৰ্তী কালছোৱাত অসমত সূচনা হোৱা পুঁজিবাদী উপনিৱেশিক শাসনে অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ কাঠামোক কুঠাৰাঘাট কৰিলে। নমাই আনিলে এক বেমেজালি আৰু স্থবিৰতাৰ পৰিবেশ আৰু অনাকাংশিতভাৱে আৰম্ভ এটাৰ পিছত আন এটা অৱস্থিতি আৰু অস্তিত্ব ৰক্ষাৰ বিতৰ্ক তথা সংগ্ৰাম।

Scanned with OKEN Scanner

সমান্তৰালকৈ বঙলা ভাষাৰ গুৰুত্ব বৃদ্ধি পালে আৰু চৰকাৰীভাৱে তাক প্ৰচলন কৰিলে। চৰকাৰী পোষকতাত প্ৰচলন হোৱা কানিৰ অপপ্ৰয়োগৰ ফলত অসমৰ খাটিখোৱা জনতাৰ লাওলোৱা অৱস্থা হ'ল। কিন্তু সেই সন্ধিক্ষণত অসমৰ যুৱশক্তি তথা অসম তথা অসমীয়াক দেহে - মনে ভালপোৱা মহীয়ান ব্যক্তিসকলৰ নিৰবচ্ছিন্ন প্ৰচেষ্টাৰ ফলশ্ৰুতিত কঁকাল বেঁকা হোৱা সত্বেও অসমৰ জনসাধাৰণে নিজৰ ওপৰত চলা উৎপীড়ন, প্ৰসহণ, অন্যায়, অবিচাৰ আদিৰ বিৰুদ্ধে মাত মাতিবলৈ এৰা নাছিল। এটা সময়ত কানিকেই সৰ্বস্ব বুলি গণ্য কৰা নিৰক্ষৰ 'কানিখোৱা অসমীয়া জনসাধাৰণেই কিন্তু পলমকৈ হলেও ইয়াৰ নেতিবাচক দিশ উপলব্ধি কৰি তাৰ বিৰুদ্ধে থিয় দিছিল যি অসম আৰু অসমীয়াৰ কাৰণে এক নৈতিক বিজয় আছিল।

স্বাধীনোত্তৰ কালছোৱাত অসমত গণতান্ত্ৰিক শাসনৰ সূচনা হ'ল আৰু অসমীয়া মানুহে এখন নিজৰ চৰকাৰ পালে মানুহৰ আশা- আকাংক্ষা আৰু প্ৰত্যাশাও তাৰ সমান্তৰালকৈ বৃদ্ধি পালে। কিন্তু দুই একক বাদ দি স্বাধীনোত্তৰ কালৰ সমগ্ৰ ৰাজনৈতিক পৰিক্ৰমাত চকু ফুৰালে দেখা যায় যে নতুন চৰকাৰবোৰেও উপনিৱেশিক শোষণ আৰু শাসনৰ চৰিত্ৰকে আখৰে আখৰে অনুকৰণ কৰিবলৈ ধৰিলে। ভাষিক বিৰ্তকবোৰ একেই থাকি গ'ল বৰং তাৰ গভীৰতা আৰু বেছি জটিলহে হ'ল। খিলঞ্জীয়াৰ অস্তিত্ব ৰক্ষাৰ কাৰণে আন্দোলন আৰু অধিক বৃদ্ধিহে পালে, ছাত্ৰ সন্থা, সংযুক্ত মুক্তি বাহিনী অসম আদিৰ দৰে প্ৰভাৱগোষ্ঠী আৰু সংগঠনৰো জন্ম হ'ল। তাৰ সমান্তৰালকৈ জনজাতীয় স্বায়ত্ব শাসনৰ দৰে কিছুমান আন্দোলনৰ সূচনা হ'ল, লগতে বানপানী আৰু গৰাখহনীয়াৰ দৰে সমস্যা আছেই। মুঠৰ ওপৰত এশ একুৰি সমস্যা, সকলোকে লাগে নিজৰ প্ৰাপ্য। সোণৰ অসম গঢ়াৰ দিবাস্বপ্ন দেখা নেতা-পালিনেতাসকলে অসমীয়া জনতাক আভুৱা ভাৰি নিজৰ সোণৰ ঘৰ গঢ়িলে। শেহতীয়াভাৱে ৰাজ্যখনত এনে কিছুমান বিষয়ে চৰ্চা লাভ কৰিছে যাৰ ওপৰত ৰাজ্যখনত ইলেক্ট্ৰনিক মিডিয়াত বহু বিতৰ্কই স্থান পোৱা পৰিলক্ষিত হৈছে। পোনপ্ৰথমে ৰাজনীতিৰ ক্ষেত্ৰখনত চকু ফুৰালে দৃষ্টিগোচৰ হৈছে যে ৰাজ্যখনত এক সুস্থ ৰাজনৈতিক বাতাৱৰণৰ বাৰুকৈয়ে অভাৱ। আদৰ্শ আৰু মূল্যবোধৰ ৰাজনীতিয়ে ৰাজ্যখনত ঠাই নোপোৱা হৈছে। কংগ্ৰেছৰ দৰে অসমৰ নতুন বিজেপিৰ নেতৃত্বত গঠিত হোৱা চৰকাৰখনৰ বহু পক্ষপাতিতাই সকলোৰে চকু কপালত তুলিছে। জাতি-মাটি আৰু ভেঁটিৰ কথা কোৱা চৰকাৰখনে আপোন পাহৰা হৈ নিজৰ নীতিৰ কথা হয়তো পাহৰি পেলাইছে। নিৰ্বাচনৰ বৈতৰণী পাৰ হ'বলৈ দুৰ্নীতিৰ লগত আপোচ নকৰোঁ বুলি কোৱা চৰকাৰখনে জনসাধাৰণৰ আস্থাভাজন হ'বলৈ দুই এক পুঠি খলিহনাক জালত পেলাই বাহ বাহ লোৱা পৰিলক্ষিত হৈছে। "সাগৰলৈ বহুদূৰ" হোৱাৰ দৰে এই ক্ষেত্ৰত চৰকাৰখনৰ কৰণীয় বহুখিনি আছে বুলি আমাৰ অনুভৱ হয়।

গণতান্ত্ৰিক চৰকাৰ তথা শাসন ব্যৱস্থাত ব্যক্তি স্বাধীনতা আৰু বাক্ স্বাধীনতাৰ গুৰুত্ব অপৰিসীম। গণতান্ত্ৰিক পদ্ধতিৰ চৰকাৰত জনসাধাৰণে নিজৰ প্ৰাপ্য আৰু ন্যাৰ্যতাৰ দাবী তোলাটো কোনো এক নোহোৱা - নোপজা কথা নহয়। কিন্তু বৰ্তমান প্ৰেক্ষাপটত অসমৰ ৰাজনীতিত এনে কিছুমান গণতান্ত্ৰিক নীতি বিৰুদ্ধ কাম চলিছে; যিয়ে চৰকাৰৰ প্ৰতি জনসাধাৰণৰ আস্থা সীমিত কৰি তোলা যেন পৰিলক্ষিত হৈছে। সমালোচনা সেইসকলকহে কৰা যায় বা কৰা হয় যাক আপোন বুলি ভবা হয়; নিজৰ বুলি ধৰা হয়। শেহতীয়াভাৱে অসমৰ নমস্য সাহিত্যিক, চিন্তাবিদ ড°হীৰেন গোঁহাইদেৱ অসমৰ শাসনাধিষ্ঠিত চৰকাৰখনৰ বিৰুদ্ধে কিছু কিছু ক্ষেত্ৰত সৰৱ হৈ উঠা দেখা গ'ল; অৱশ্যে তাৰ যুক্তিযুক্ততা নথকা নহয়। কিন্তু আমাৰ দিল্লীভাজনেষু চৰকাৰখনে তেখেতক এক চৰকাৰ বিৰোধী শক্তি বুলি অৰ্থাৎ "বাওঁপন্থী" বুলি অভিহিত কৰিলে। কিন্তু এই ক্ষেত্ৰত আমাৰ ক'ব লগা হ'ল যে যদি কোনো ব্যক্তিয়ে চৰকাৰৰ নীতি আদৰ্শ বা কাম কাজৰ বিৰোধিতা কৰে; তেন্তে তেওঁ কেনে দৃষ্টিভংগীৰপৰা চৰকাৰ বিৰোধী শক্তিত পৰিণত হৈ পৰে। ড° হীৰেন গোঁহাই চাৰৰ এক নিজস্ব মতাদৰ্শ আছে সঁচা কথা; তাত তিলমানো সন্দেহ নাই; কিন্তু চৰকাৰে সেই আদৰ্শৰ যুক্তিযুক্ততা বিবেচনা কৰি চাই কামত আগবাঢ়িব লাগিছিল। হয়তো তেতিয়া "তুলসীৰ লগত কলপতুৱাৰ মুক্তি" পোৱাৰ দৰে চৰকাৰে এটা পিছত আনটো জনস্বাৰ্থ পৰিপন্থী কাম নকৰিলহেঁতেন। কিন্তু অদূৰদৰ্শী চিন্তা আৰু সিদ্ধান্তৰ ফলশ্ৰুতিত সেই সুযোগো হেৰুৱালে। কৃষক নেতা অখিল গগৈৰ গ্ৰেপ্তাৰো বৰ্তমানে ৰাজ্য তোলপাৰ লগোৱা এক চৰ্চিত বিষয়। ব্যক্তিগত ভাৱে অখিল গগৈৰ আদৰ্শৰ লগত মোৰ আদৰ্শৰ পাৰ্থক্যও থাকিব পাৰে; কিন্তু জনস্বাৰ্থৰ খাতিৰত, এজন থলুৱা অসমীয়া ভূমিপুত্ৰ হিচাপে তেওঁৰ লগত মোৰেই নহয়; হয়তো কোনো এজন অসমীয়াৰে মতপাৰ্থক্য নাই। কিন্তু চৰকাৰক অহৰহ সমালোচনা কৰি থকাৰ কাৰণেই হওঁক বা কাৰোবাৰ ব্যক্তিগত আক্ৰোশ পূৰ কৰিবলৈকে হওঁক কৃষক

Scanned with OKEN Scanner

পদ্ধতিৰ সৃষ্টি কৰিছিল আৰু তেওঁলোকক সন্তুষ্ট কৰি ৰাখিছিল। কিন্তু স্বাধীনোত্তৰ কালত পৃথক ৰাজ্য গঠন হোৱাৰ পিছতো সীমা সমস্যাৰ অন্ত নপৰিল, শাম নাকাটিল সেই উত্তেজনা। অসম চৰকাৰ, নাগালেণ্ড চৰকাৰ আৰু কেন্দ্ৰত শাসনাধিষ্ঠিত বিজেপি চৰকাৰলৈ আমাৰ এক ডাঙৰ প্ৰশ্ন যে - অসমৰ ভূমি নোহোৱাকৈ কি বৃহত্তৰ নাগালিম গঠন সম্ভৱ নহয় নেকি? নে হাজাৰ বিজাৰ সমস্যাৰে ভাৰাক্ৰান্ত হৈ থকা অসমক নিঃশেষ কৰাৰ ই এক কুটিল ষড়যন্ত্ৰ? সকলোৰে উত্তৰ আছে মাথো সময়ৰ ওচৰত।

সদ্যহতে বিতৰ্কৰ আওঁতালৈ অহা আন এক বিষয় হৈছে ৰাজ্যখনত দীনদয়াল উপাধ্যায়ৰ নামত কলেজ প্ৰতিষ্ঠা। চৰকাৰী পোষকতাত দীনদয়ালৰ গুণ বখনা হৈছে আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰত এক যুগান্তকাৰী পৰিৱৰ্তন অনাৰ চেষ্টা কৰা হৈছে বুলি কোৱা হৈছে। এতিয়া আমাৰ মনত খুদুৱনিৰ সৃষ্টি কৰা প্ৰশ্ন এটা হৈছে যে অসমৰ জাতীয় জীৱন তথা সমাজ জীৱনলৈ দীনদয়াল উপাধ্যায়ৰ অৱিহণা কি? যাৰ বাবে আমি তেখেতৰ প্ৰতি আকস্মিকতে কৃতজ্ঞাৰ শৰাই নিৱেদন কৰিছোঁ। দীনদয়াল উপাধ্যায়ক অসমৰ আগত চিনাকী কৰাই দিয়াৰ সিদ্ধান্ত ভুল নহয়। কিন্তু তাৰ আগতে অসমৰ উঠি অহা নৱপ্ৰজন্মক জাতীয় জীৱনৰ সিংহপুৰুষ লাচিত বৰফুকন, চুকাফা, ৰুদ্ৰসিংহ, শংকৰদেৱ আদিসকলক চৰকাৰী উদ্যোগত চিনাকী কৰাই দিয়াৰ দৰে মহান পদক্ষেপ ল'ব পাৰিলে হেঁতেন। অসমৰ উঠি অহা প্ৰজন্মৰ মাজত ঐতিহাসিক চিন্তা তথা চেতনা জগাই তুলিবলৈ হ'লে সৰ্বপ্ৰথমে নিজৰ সোণালী ইতিহাসৰ পৃষ্ঠা লুটিয়াই চাব লাগিব। প্ৰাচীন কালৰ পৰা বৰ্তমান সময়লৈকে বহু স্বনামধন্য ব্যক্তিয়ে অসমৰ জাতীয় জীৱনলৈ নিজৰ অনৱদ্য বৰঙণি যোগাই থৈ গৈছে। অসমৰ থলুৱা উপজীব্য চেতনাক এক নতুন মাত্ৰা দিবলৈ আমি ভাবো দীনদয়াল উপাধ্যায়ৰ বিশেষ প্ৰয়োজন নাই। চৰকাৰে আজিৰ দিনত লক্ষ্মীনাথ বেজবৰুৱা, শংকৰদেৱ, জ্যোতিপ্ৰসাদ আগৰৱালা, বিযুৎৰাভা আদিসকল নমস্য ব্যক্তিক সৰ্বভাৰতীয় প্ৰেক্ষাপটত তুলি ধৰিবৰ কাৰণে যথাযোগ্য প্ৰচেষ্টা হাতত লোৱা উচিত আছিল; কিন্তু অতি পৰিতাপৰ কথা যে সেয়া অদ্যপিও হৈ উঠা নাই। তাৰ কাৰণে সদ্ইচ্ছাৰ অভাৱ নে আনকিবা কাৰণ সেয়া বুজিব পৰা নাই।

ইতিমধ্যে বহুকেইটা সমস্যাৰ ওপৰত এক চমু আলোকপাতৰ প্ৰয়াস কৰা হ'ল। অসমৰ যিদৰে অভাৱৰ অন্ত নাই, ঠিক সেইদৰে হয়তো সমস্যাৰো কোনো কালেই অন্ত নহ'ব। চৰকাৰ তথা অসমৰ জনসাধাৰণৰ যুগ্ম প্ৰচেষ্টা অবিহনে এই সমস্যাৰাজি চিৰদিনৰ কাৰণে সমস্যাই হৈ থাকিব, বৰঞ্চ আৰু অধিক গুৰুতৰহে হৈ পৰিব। আমাৰ অন্তৰিক আশা যে নিৰ্বাচনৰ প্ৰাক্ ক্ষণত জাতীয়তাবাদী আৱেগৰ ঢল উঠা সেই নেতাসকলে নিজকে অসমৰ জাতীয় জীৱনত সাঙুৰি লওঁক; কাম কৰক অসমখন নিজৰ মাতৃবুলি। জাতিৰ অস্তিত্বৰ সংগ্ৰামত সন্মুখৰ পৰা তাৰ নেতৃত্ব প্ৰদান কৰক। খাটিখোৱা দৰিদ্ৰজনৰ কান্ধত কান্ধ মিলাই অসমত খিলঞ্জীয়াৰ অস্তিত্ব প্ৰতিপন্ন কৰাওঁক। হেমবৰুৱা, দেৱকান্ত বৰুৱা, পৰাগধৰ চলিহা তথা শৰৎচন্দ্ৰ সিংহৰ দৰে সিংহৰ ৰাজনীতি কৰি নিজৰ জাতীয় সত্বাৰ পৰিচয় দি অসমীয়াৰ হেৰুৱা আস্থা আৰু আত্ম প্ৰত্যয় ঘূৰাই আনক। নহ'লে সেই দিন দূৰত নাই, যিদিনা অসমৰ থলুৱা লোকসকলে অসমতে ভাৰাতীয়াত পৰিণত হ'ব। গতিকে আমি ভাবো যে একবিংশ শতিকাত অসম তথা অসমীয়া জাতিৰ ভাষা, সংস্কৃতি আৰু জনজীৱনৰ উন্নতিৰ কাৰণে এক "বৰ আখৰা'ৰ প্ৰয়োজন হৈছে, তেহে জাতি, মাটি আৰু ভেঁটি বৰ্তি থাকিবগৈ।

★★★★★★

"এটা যুগৰ পৰা আন এটা যুগলৈ, এটা পুৰুষৰ পৰা আন পুৰুষলৈ পৰম্পৰা কঢ়িয়াই নিবলৈ আটাইতকৈ গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হ'ল বিদ্যালয় আৰু ইয়াৰ বাহক শিক্ষকসকল"

—আইনষ্টাইন।

# BALANCING LIFE...

**Rajashree Dutta**
Lecturer, Dept. of English



To start with, 'balancing' is the quintessential term that we willingly or unwillingly try to accommodate ourselves with in the present generation. This century has leveled us with so much to do and not to do that we cannot somehow come out from the clutches of heaviness and overloads that our lives have put down on us. A journey to untold truths of life and uncertainty is something we are heading towards. Unaware of the actual end, we tend to move forward and unfold the creased pages of life. Between these, come the unending perks and jerks of our life. Some are offered with beautiful memories to cherish forever and some are lessons for future, whereas some gives us only pain and henceforth. Nevertheless, we tend to move on in this road of untold and unknown destiny. Every step of ours is in actuality is a way of balancing our needs, wishes and duties.

Balancing work with home is a crucial and tenuous sort of demand that one face in this life. In the present day society we are bound to fix ourselves with the heavy loads of outdoor duties and the homely needs. Love, care, nurturance to our family and pendant attitude to our work is untold and demanding. To achieve this harmony in life we run after every facet of life and want to excel in every field. Some tend to show their expertise in their respective work field, some in their creative sections, whereas some in their own way of being a homemaker. Human life is so unsorted that we need to sort it for ourselves as to what job we are going to choose for our self. We weigh the pros and cons of the matter and then decide to which factor we are going to give more importance.

We need to counterbalance and equalize the problems of our life. Destiny picks the hardest of toil for each one of us to run after. Instead of being panic-stricken one should rather be ready to face whatever the consequences are. Though at time heart rending thoughts fills our body and soul and we are in no way capable of getting up and move on, nevertheless we should garner the little left over speck of positivity left and gear ourselves up.

On weighing our life with other's we feel that ours is the worse and the hardest one to live. But, remember there are many untold stories to horrid truths in this world, whose pain is unfathomable. Only if the body and the soul merge and achieve some balance, we can expect something good. But this calls for a life with direction. Again this direction is not something which is set by our parents since our birth. We live in a directionless, directed world where the only sole direction is that of the Almighty. Here, that is why we need to focus on the centrality of things. An unsaid demand of attention is required to maintain work-home balance alongside maintaining the balance between the heart and mind. This inner-outer dichotomy needs to be settled in every human being. An individual undergoes extreme level of confusion and pressure if one fails to maintain that balance and thus juggles between the duos. Sometimes we run so much after our aims and goals that we fail to have that balance.

Prioritizing our essentials is very important. It helps us to examine ourselves and the needs and basics of our life. Also having a positive attitude to life can help one smoother the rough edges of life. Though initially difficult but, gradually a deeper and focused angle to life can settle every mess, that we create or others create for us. At last, one can run and win and play one's part in this battle of life only if one loves oneself and others as we are two sides of the same coin.




Scanned with OKEN Scanner



# ফেংছুই আৰু বাস্তুশাস্ত্ৰ

— সঙ্গীতা দাস বৰুৱা
সহঃ গ্ৰন্থাগাৰিকা

শিৱসাগৰ ছোৱালী কলেজৰ বাৰ্ষিক আলোচনী “প্ৰৱাহিনী ( ২০০৯-২০১০) ” ৰ্বৰ্তত মোৰ উপৰোক্ত বিষয়ত এটি লেখা প্ৰকাশ পাইছিল। সহজ ভাষাত কবলৈ হ'লে Fengshui হৈছে চীনদেশৰ পাঁচ হেজাৰ পুৰণি পৰম্পৰাগত বিশ্বাস আৰু গৃহসজ্জাৰ কলা আৰু আনহাতে Vastu Sastra হৈছে - প্ৰাচীন ভাৰতীয় গৃহ নিৰ্ম্মাণ বিষয়ক বিদ্যা। Feng Shui কলা হল - জীৱন-যাপন মানে উন্নত জীৱন ধাৰণ কৰা, সু-স্বাস্থ্য, সম্পদ আৰু সুখৰ সন্ধান আৰু প্ৰাপ্তিৰ পথ। Vastu Sastra কলা হৈছে সুচিন্তিত আৰু সঠিক পদ্ধতিৰে গৃহ নিৰ্ম্মাণৰ পৰিকল্পনা কৰা। মানুহে জীৱন-জোৰা কষ্ট তথা বহুত পৰিশ্ৰমৰ অন্তত উপাৰ্জ্জিত ধনেৰে নিৰ্ম্মাণ কৰিবলগা সপোনৰ ঘৰটোৰ পৰিকল্পনা কৰোতে যথেষ্ট সাৱধানতা অৱলম্বন কৰা উচিত।

এই দুয়োবিধ কলাৰ ব্যৱহাৰৰ দ্বাৰা ঘৰৰ বাসিন্দাসকলৰ শ্ৰীবৃদ্ধি ঘটায়, মানসিকতাৰ উত্তৰণ ঘটায় যাতে ই ঘৰৰ বাসিন্দাসকলক উন্নত জীৱনৰ ফালে লৈ যাব পাৰে। কিন্তু যিমানেই যি কোৱা নাযাওক লাগিলে Fengshui বা Vastu Sastra কোনো Magic বা যাদু বিদ্যা নহয় যে ই আপোনাক এদিনতে আচৰিত অভিজ্ঞতাৰ মূখা-মূখি কৰাই দিব। সঠিক চিন্তাধাৰা আৰু সঠিক সিদ্ধান্তৰ দ্বাৰা দুয়োবিধ কলা মানি চলিলে আপুনি এদিন নহয় এদিন সফলতা পাব বুলি মোৰ বিশ্বাস। উদাহৰণ স্বৰূপে Vastu Sastra ৰ মতে

১) উত্তৰ-পূব (North-East) “জলৰ বাবে নিৰ্দ্ধাৰিত গতিকে দমকল, কুঁৱা, পুখুৰীৰ বাবে সেই ঠাই উপযুক্ত। ঘৰৰ নলাৰ, বৰষুণৰ পানীও উত্তৰ-পূব দিশেৰে বৈ যোৱা উচিত। উপযুক্ত ভাৱে বৈ যোৱা পানীৰ সোঁতে টকা পইচাৰ আগমণ ঘটায়।

২) দক্ষিণ-পূব (South-East) দিশটো “অগ্নিৰ” বাবে নিৰ্দ্ধাৰিত গতিকে এই ঠাই পাকঘৰ, গেছ থোৱা ঠাই, চুলাৰ বাবে উপযুক্ত।

৩) উত্তৰ-পশ্চিম (North-West) দিশটো “বায়ু”ৰ বাবে নিৰ্ধাৰিত। এই ঠাই ঘৰৰ আলহী কোঠা, কোনো নিৰ্মাণ সামগ্ৰী সংৰক্ষণৰ বাবে উপযুক্ত।

৪) দক্ষিণ-পশ্চিম (South -West) দিশটো “ভূমি”ৰ বাবে নিৰ্দ্ধাৰিত। এই স্থান সৰ্ব্বাধিক কাৰ্য্যৰ বাবে ব্যৱহাৰ কৰিব পাৰি। ঘৰৰ মূল শোৱনি কোঠা ইয়াত হোৱা উচিত।

৫) মধ্যস্থল (Centre Place) দিশটো বা ঠাইডোখৰ “আকাশ”ৰ বাবে নিৰ্দ্ধাৰিত। এই ঠাই ঘৰৰ ভিতৰত বা বাহিৰত সদায় খালী ৰখা উচিত।

Vastu Sastra ৰ লগত জ্যোতিষ শাস্ত্ৰৰ প্ৰত্যক্ষ সম্পৰ্ক আছে। গ্ৰহৰ অৱস্থানৰ ওপৰত নিৰ্ভৰ কৰি জ্যোতিৰ্বিদ সকলে গৃহাৰম্ভ, ঘৰৰ দিশ আদিৰ ওপৰত বিভিন্ন গণনা কৰিব পাৰে। ঠিক সেইদৰেই Vastu Sastra ইও Vastu অনুযায়ী কৰ্ম কৰাৰ নিৰ্দ্দেৰ্শনা দিছে। Vastu Sastra নাইবা জ্যোতিষ শাস্ত্ৰৰ যোগেদি কাৰোবাৰ ভাগ্য সলাব নোৱাৰি মাথো অপশক্তিৰ প্ৰভাৱক ৰোধ কৰিব পাৰি। Vastu Sastra শুদ্ধ ভাৱে প্ৰয়োগ কৰিলে মানৱ জীৱন নিশ্চয় সমৃদ্ধিশালী হ'ব।

Scanned with OKEN Scanner

আজিৰ দিনত বহু সংখ্যক মানুহে নিজৰ ঘৰ-দুৱাৰ বনাবলৈ লওঁতে Vastu Specialist ৰ পৰামৰ্শ লৈহে নিৰ্মাণ কৰা দেখা যায়। ঠিক সেইদৰে তেখেতসকলৰ পৰামৰ্শ লৈহে মাটি দৰা ক্ৰয় কৰে।

Vastu ৰ সংস্কাৰ অনুযায়ী সকলো ক্ষেত্ৰতে পদক্ষেপ ললে মানুহৰ জীৱনত সন্মুখীন হোৱা বহু বাধা হ্ৰাস / কম হয়। Vastu Sastra ৰ কিছুমান নিয়মাৱলী Feng shui ৰ সৈতে মিল আছে। তলত তাৰে কেইটামান নিয়মাৱলী দিয়া হৈছে।

১) ঘৰটোৰ দক্ষিন-পূব দিশত (South East) Gas টো স্থাপন কৰক যাতে ৰান্ধনী গৰাকীয়ে পূব (East) ফালে মুখ কৰি ৰন্ধা-বঢ়া কৰিব পাৰে। ৰান্ধনী-ঘৰটো যথেষ্ট পোহৰ আৰু বতাহ চলাচল হব লাগে।

২) প্ৰাৰ্থনা গৃহ বা গোসাঁই ঘৰটো উত্তৰ-পূব (North-East) দিশত ৰাখক আৰু ঈষ্ট দেৱতাক পূব (East) ফালে মুখ কৰি প্ৰাৰ্থনা কৰক।

৩) মূল শোৱা ঘৰটো দক্ষিণ-পশ্চিমত (South-West) ত ৰাখক। দক্ষিণ ফালে মূৰৰ শিতান আৰু উত্তৰ ফালে ভৰি দি শোৱক।

৪) চাব যাতে, মুখ চোৱা আইনা আপোনাৰ বিচনাখন পোনপটীয়াকৈ দেখা নাপায়। ই বৰ অমঙ্গল মাতে।

৫) লাফিং বুদ্ধ এজনা তিনিফুট ওখ স্থানৰ ঘৰৰ আলহী বহা কোঠাৰ দুৱাৰৰ ফালে মুখ কৰি ৰাখক। মুখখন সামান্য বেৰৰ ফালে বেকাকৈ ৰাখক। ইয়াক শোৱনী কোঠা, পাকঘৰ, শৌচাগাৰ বা অইন ঠাইত নাৰাখিব। ই অপশক্তি ৰোধ কৰে।

৬) ডবল হেপিনেছ চিম্বল প্ৰতীকটো চীনা ভাষাত “সুখ”ক বুজায়। এই প্ৰতীক চিহ্নৰ দৰ্শনে দেখোতাৰ সুখ দুগুণে বৃদ্ধি কৰে বুলি বিশ্বাস কৰা হয়।



৭) ঘৰৰ বাহিৰৰ দুৱাৰত স্বাস্তিক, ওঁ, আদি চিহ্ন লগাওক। ই ৰঙা হোৱা উচিত। ই অপশক্তি ৰোধ কৰে।

৮) চীনা হাত বিচনী এখন সম্পূৰ্ণকৈ মেলা অৱস্থাত ৰখাটো শুভ শক্তিৰ প্ৰতীক। ঘৰৰ জোঙা কোন নাইবা দীঘলীয়া কৰিড'ৰত এই বিচনী আঁৰি থব লাগে। ই ঘৰখনত শান্তিৰ পৰিবেশ বজাই ৰাখে।

৯) ক্ৰিষ্টেল গ্লোব এটা এজন ছাত্ৰ/ছাত্ৰীৰ বাবে পঢ়া কোঠাত থকাটো জৰুৰী। ইয়াক পঢ়া টেবুলত উত্তৰ-পূব (North-East) কোণত ৰাখক। ইয়াৰ নিয়মিত ব্যৱহাৰে যিকোনো ছাত্ৰ/ছাত্ৰীক সফলতাৰ দিশত আগুৱাই নিব। ছাত্ৰ ছাত্ৰীৰ পঢ়া টেবুলখন যিকোনো কোঠাৰ উত্তৰ-পূব কোণত স্থাপন কৰক। সিহঁতক পূব (East) নাইবা উত্তৰ (North) দিশত মুখ কৰি পঢ়িবলৈ দিয়ক। সফলতা নিশ্চয় পাব।

১০) আপোনাৰ ঘৰ বা কাৰ্যালয় পৰিপাটিকৈ ৰাখক। ঘৰৰ বা কাৰ্যালয়ৰ দুৱাৰ খিৰিকী সম্পূৰ্ণকৈ মেল খোৱা হব লাগে। আইনা সমূহ চকচকীয়াকৈ ৰাখক। আইনা সমূহ লেতেৰা হলে ই হেনো টকা- পইচাৰ গতিত বাধা দিয়ে।

১১) আপোনাৰ ঘৰৰ ধন-ঐশ্বৰ্য্যৰ দিশত অৰ্থাৎ দক্ষিণ-পূব (South-East) দিশত শৌচাগাৰ বা বাথৰুম আদি কেতিয়াও স্থাপন নকৰিব।

১২) যিকোনো প্ৰতিষ্ঠানত থকা কনফাৰেন্স ৰুমটোৰ বাবে উৎকৃষ্ট স্থান হৈছে উত্তৰ-পশ্চিম (North-West) Feng Shui মতে উত্তৰ-পশ্চিম দিশটো গতিশীলতাৰ লগত জড়িত। গতিকে এই দিশত থকা কনফাৰেন্স ৰুমটোত হোৱা কথা-বাৰ্তাৰ মাজেৰে নতুন প্ৰকল্প, নতুন কামৰ সৃষ্টি হয়।

১৩) পূব দিশটো আৰু দক্ষিণ দিশটো (East & South) হৈছে কাঠ তত্ব। অৰ্থাৎ এই দিশত অকল কাঠৰ দ্বাৰা নিৰ্মিত বস্তুহে ৰাখিব পাৰি। আপোনাৰ গাড়ীখন আৰু গেৰেজটো এই দিশত স্থাপন নকৰিব আৰু নাৰাখিব। এই দিশত গাড়ীখন ৰাখিলে ই স্বাস্থ্য হানি কৰে। কাৰণ গাড়ীখন ধাতুৰে নিৰ্মিত। অন্যদিশত যেনে-উত্তৰ নীল বা কলা, দক্ষিণ দিশত ৰঙা বা সেউজীয়া, পশ্চিম দিশত ৰূপালী ৰঙৰ গাড়ী ৰাখক। সদায় গাড়ীখন পূব বা উত্তৰ মুখকৈ ৰাখক।

১৪) আইনী কাগজ-পত্ৰ, মোকৰ্দ্দমাৰ কাগজ-পত্ৰ, বেংকৰ

লোণ আদি, ঋণ সম্বন্ধীয় কাগজ-পত্ৰ কেতিয়াও আপোনাৰ কেচ-বক্সৰ লগত নাৰাখিব। এইধৰণৰ কাগজ-পত্ৰ আপোনাৰ পাছবুক, চেকবহী আদিৰ লগতো নাৰাখিব। এইধৰণৰ কাগজ-পত্ৰ পশ্চিম (West) দিশত ৰখাৰ ব্যৱস্থা কৰক। আনঠাইত এনে কাগজ পত্ৰ ৰাখিলে মোকৰ্দ্দমা আদি দীৰ্ঘকালৰ বাবে চলিব। যিটোৱে আপোনাৰ বিপৰীত পক্ষ বা শত্ৰু পক্ষক (উপকৃত কৰিব)।

১৫) ৰাতিপুৱা - গধূলি নিজৰ ঈষ্ট দেৱতাক স্মৰণ কৰক। ঘৰত নিয়মিত ধূপ-ধূনা জ্বলাওক। ই মানুহৰ মনলৈ স্থিৰতা আৰু শান্তিৰ প্ৰভাৱ আনে। ঘৰখনো পবিত্ৰ হয়।

১৬) ঘৰৰ কাৰোবাৰ বেমাৰ-আজাৰ হলে খাই থাকিবলগা দৰৱবোৰ চকুত পৰাকৈ নাৰাখিব। এইবোৰ উত্তৰ-পূব (North - East) দিশৰ ফালে ড্ৰয়াৰত ভৰাই ৰাখক।

১৭) পূব (East) ফালে সেউজীয়া গছ বা বাঁহগছ ৰোৱক। ই দীৰ্ঘজীৱনৰ আৰু সু-স্বাস্থ্যৰ প্ৰতীক

১৮) সদায় হাঁহি মুখে থাকক আৰু ইতিবাচক (Positive) চিন্তা কৰক।

১৯) ঘৰৰ গেছ বা চুলাটোৰ মুখামুখিকৈ হাত ধোৱা, বাচনধোৱা বেচিন স্থাপন নকৰিব। কাৰণ জুই আৰু পানী দুটা বিপৰীত বস্তু। গেছটো চিলিণ্ডত থকা পকী বীমৰ তলত বা পাকঘৰৰ একেবাৰে চুকত হ'ব নালাগে।

২০) এটি সুভাংকৰ কাছ বহা বা শোৱনী কোঠাত উত্তৰ (North) দিশত স্থাপন কৰক। ই দীৰ্ঘজীৱনৰ প্ৰতীক।

Vastu Sastra আৰু Feng Shui ৰ কেইটামান মাত্ৰ নিয়মাৱলীহে ইয়াত উল্লেখ কৰা হৈছে। কাৰণ সকলোবোৰ নিয়মাৱলী মানি চলাটো সম্ভৱ নহয়। সকলো মানুহে সুখ-শান্তিত থাকিব বিচাৰে। উপৰোক্ত কথাবিলাক হৃদয়ংগম কৰিব পাৰিলেহে, উপলব্ধি কৰিব পাৰিলেহে, সকলোৰে প্ৰচেষ্টাত ঘৰৰ শান্তি প্ৰতিষ্ঠা সম্ভৱ হ'ব। শেষত, এইটো কৈ থোৱা ভাল হ'ব যে বিভিন্ন কিতাপ পত্ৰ, প্ৰবন্ধ-পাতি পঢ়ি এই লেখা যুগুত কৰা হৈছে। গতিকে ভুল হ'লে ত্ৰুটি মাৰ্জনা কৰিব।

★★★★★★





# জীৱনৰ গান

—জাকিৰ হুছেইন
প্ৰবক্তা, প্ৰাণী বিজ্ঞান বিভাগ

পথ কিয়?
পথিক প্ৰিয় মোৰ।
হাজাৰ হুমুনিয়াহৰ ইপিটাফ্‌ত
লিখোঁ জীৱনৰ গান।
বিষাদৰ সাগৰ মঠি
তুলি আনো সুখৰ মুকুতা

বাংময় নীৰৱতাত
খায়ামৰ ৰুবায়ৎ

মদিৰ মদিৰ সময়,
আকলুৱা সুহৃদ বতাহ,
উন্মিলিত ভালপোৱাৰ জোৱাৰ।
তোৰো যে কথা....
আহ, খোজ দিওঁ হাঁহি হাঁহি
সেউজৰ দিশত।

## চিন্তাশিল্প (বিষয় ঃ নাৰী)



# নাৰীৰ জীৱন সম্পৰ্কে

—গীতিমণি বৰুৱা
বি.এ. প্ৰথম বৰ্ষ
ভূগোল বিভাগ

আগৰ দিনত পুৰুষসকলে নাৰীক দমন কৰি ৰাখিছিল যদিও বৰ্তমান যুগত নাৰীক এক উচ্চ মৰ্যাদা প্ৰদান কৰা হয়। নাৰীসকল হৈছে আমাৰ সমাজৰ প্ৰতীক। সেয়েহে আমাৰ সমাজৰ প্ৰত্যেকগৰাকী মহিলাই নিজকে এনেদৰে শিক্ষিত কৰি তুলিব লাগে যাতে সকলোৱে নিজৰ নিজৰ দায়িত্ব পালন কৰি সমাজৰ আগত পুৰুষৰ স'তে খোজত খোজ মিলাই আগুৱাই যাব পাৰে। পুৰুষতকৈ নাৰী কোনোগুণে কম নহয়। নাৰীক কেতিয়াও অবলা বুলি ভাবিব নালাগে। কাৰণ আমাৰ সমাজত নাৰীৰ অৱদান আৰু নাৰীৰ প্ৰয়োজনীয়তা অধিক। নাৰীৰ অবিহনে কোনো এটা পৰিয়াল বৰ্তি থাকিব নোৱাৰে। এগৰাকী ভাল শিক্ষিত নাৰীয়েহে এটা জাতি বা এখন সুস্থ-সবল দেশ গঢ়ি তোলাত সহায় কৰে। এজন পুৰুষে এটা জাতি বা এখন সুস্থ-সবল দেশ কেতিয়াও গঢ়ি তুলিব নোৱাৰে। এজন পুৰুষ শিক্ষিত হ'লে কেৱল সেই ব্যক্তিজনহে শিক্ষিত হ'ব, কিন্তু এগৰাকী নাৰী শিক্ষিত হ'লে এটা জাতি বা এখন সমাজ শিক্ষিত হব আৰু এখন সমাজ শিক্ষিত হৈ উঠিলে এখন দেশে উন্নতিৰ পথত আগুৱাই যাবলৈ সক্ষম হ'ব। গতিকে আমাৰ সমাজত নাৰীৰ স্থান অতি উচ্চ।

তথাপিও আজি দেখিবলৈ পোৱা যায় যে, নাৰী সম্পূৰ্ণৰূপে স্বাধীন নহয়। বিশেষকৈ গাঁও অঞ্চলৰ কিছুমান পিছপৰা ঠাইৰ নাৰীসকল আজিও সম্পূৰ্ণৰূপে স্বাধীন নহয়। নাৰীক সম্পূৰ্ণৰূপে স্বাধীন আৰু শক্তিশালী কৰি তুলিবলৈ চৰকাৰে যি আঁচনি বা নীতি প্ৰস্তুত কৰি উলিয়াইছিল, সেই আঁচনিসমূহ আজিৰ সমাজে সহজভাৱে গ্ৰহণ কৰা নাই। চৰকাৰে ২০০১ চনত নাৰী সৱলীকৰণ আঁচনি, ১৯৬১ চনত যৌতুক প্ৰথা আঁচনি আৰু ১৯৫৬ চনত বিধৱা লোকসকলৰ সুৰক্ষাৰ অৰ্থে আঁচনি প্ৰস্তুত কৰি উলিয়াইছিল। এই আঁচনি বিলাকৰ প্ৰভাৱ সমাজত সম্পূৰ্ণৰূপে পৰা নাই। ২০০১ চনত নাৰী সৱলীকৰণ আঁচনি প্ৰস্তুত কৰি উলিয়াইছিল যদিও নাৰী সম্পূৰ্ণৰূপে সুস্থ সবল হোৱা দেখিবলৈ পোৱা নাযায়। বৰ্তমানেও সকলো নাৰী সুশিক্ষিত নহয়। আজিও কিছুমান নাৰীয়ে নিজৰ দায়িত্ব নিজে ল'বলৈ সক্ষম নহয়। আৰু দেখিবলৈ পোৱা মতে পুৰুষসকলৰ হাতত পৰি নাৰীসকল বেছি দুৰ্বল হৈ পৰে। কাৰণ পুৰুষসকলে নাৰীক প্ৰায়ে দমন কৰি ৰাখিবলৈ চেষ্টা কৰে। সেয়েহে ক'ব বিছাৰিছোঁ যে ২০০১ চনৰ নাৰী সৱলীকৰণ আঁচনিয়ে সমাজত সম্পূৰ্ণভাৱে প্ৰভাৱ পেলাব

বোৱাৰী হ'লেই যে
ওৰণি তলৰ গৰাকী
হ'ব লাগিব এনে
কোনো কথা নাই।
বোৱাৰী স্থান গ্ৰহণ
কৰিলে কি নিজ
স্বাধীনতা ত্যাগ কৰি
আনৰ স্বাধীনতা
মতে নিজৰ
বৈবাহিক জীৱন
যাপন কৰিব লাগে
নেকি ?

পৰা নাই। দ্বিতীয়তে, ক'ব বিছাৰিছোঁ যৌতুক প্ৰথা প্ৰতিৰোধ আঁচনি বিষয়ে যৌতুক প্ৰথা প্ৰতিৰোধ আঁচনি প্ৰস্তুত কৰি উলিয়াইছিল যদিও আজি আমাৰ সমাজত যৌতুক দাবী কৰা দেখিবলৈ পোৱা যায় এই যৌতুক দাবীৰ পৰাই বহুতো ন-কইনাই মাহ-হালধিৰ গোন্ধ নৌ-যাওঁতেই আত্মহত্যাৰ পথ বাছি ল'ব লগীয়াত পৰে। ফলত তেওঁলোকৰ জীৱনটো আৰম্ভ কৰিব লওঁতেই শেষ হৈ যায়। আৰু ১৯৫৬ চনত বিধৱাসকলৰ বাবে প্ৰস্তুত কৰি উলিওৱা আঁচনি আজিৰ সমাজত সম্পূৰ্ণৰূপে গ্ৰহণযোগ্য নহয়। আজিও এনে কিছুমান অঞ্চল আছে যিবোৰ অঞ্চলৰ মানুহে নাৰীক অতি দুৰ্বল বুলি ভাবে। এজন পুৰুষে পত্নীৰ মৃত্যুৰ পাছত আন এগৰাকীক বিয়া পাতি আনিলে সেই পুৰুষজনৰ বিৰুদ্ধে সমাজে কোনো ধৰণৰ মাত মাতিবলৈ নাযায়, কিন্তু তেনে স্থলত এগৰাকী মহিলাই স্বামীৰ মৃত্যুৰ পিছত আন এজন পুৰুষৰ লগত বিয়া হৈ নিজৰ জীৱনটো আগুৱাই নিবলৈ চেষ্টা কৰিলে, সেই মহিলাগৰাকীক সমাজে ভাল চকুৰে নাচায়। বিভিন্ন ধৰণৰ গালি-গালাজ পাৰি সেই মহিলাগৰাকীক অপমানিত কৰে আৰু শহুৰ-শাহুসকলেও এই কথা স্বীকাৰ নকৰে।

ইয়াৰ পৰা দেখিবলৈ পোৱা গৈছে যে, চৰকাৰে ইটোৰ পিছত সিটো আঁচনি নাৰীসকলৰ সুৰক্ষাৰ কাৰণে উলিয়াই আছে যদিও সমাজৰ মানুহে এই আঁচনিসমূহক অৰ্থহীন কৰি তুলিছে আৰু এই ক্ষেত্ৰত কেৱল পুৰুষে যে দায়ী এনে নহয়।

নাৰীয়ে নাৰীৰ ওপৰত চলোৱা অত্যাচাৰৰ বাবেহে এনে ঘটনা সমাজত ঘটিবলৈ ধৰিছে। উদাহৰণস্বৰূপে ক'ব পাৰি যৌতুক দাবী পুৰুষতকৈয়ো বেছি নাৰী অৰ্থাৎ শাহুসকলেহে কৰে। সকলো পৰিয়ালৰ বাবে ছোৱালীবিলাক অতি মৰমৰ হয়। কিন্তু কিছুমান পৰিয়ালত অত্যন্ত মৰম চেনেহ থকাৰ পাছতো আৰ্থিক দুৰ্বলতাৰ বাবে তেওঁলোকে ছোৱালীজনী বিয়া দিয়াৰ সময়ত যৌতুক হিচাপে একো দিব নোৱাৰে। কিন্তু এই কথা বৰ্তমান শাহুসকলে বুজি নুঠে। ইয়াৰ ফলত ন-কইনা ৰূপী ছোৱালীজনীক মানসিক কষ্ট দিয়া দেখা যায় আৰু কোনো কোনোৱে এই কষ্ট সহ্য কৰিব নোৱাৰি মৃত্যু মুখত পৰাও দেখা গৈছে। মই দেখিবলৈ পোৱা মতে এনে কাৰ্য বিশেষকৈ শাহুসকলেহে সৃষ্টি কৰে।

মই ক'ব বিচাৰিছোঁ যে কেৱল পুৰুষসকলে নাৰীক নিম্ন স্তৰত ৰখা নাই মহিলাসকল অৰ্থাৎ আমাৰ সমাজৰ শাহুসকলৰ বাবেও নাৰী জাতিটোৱে আগবাঢ়ি যাবলৈ সক্ষম হোৱা নাই। মই এনেকুৱা কিছুমান অঞ্চল দেখিবলৈ পাইছো য'ত মহিলা অৰ্থাৎ বোৱাৰীসকলক শাহুসকলে বোৱাৰী হ'ল বুলিয়ে ওৰণি তলত বা ঘৰৰ চাৰিবেৰৰ মাজত কেৱল ঘৰুৱা কাম কাজৰ মাজতেই আবদ্ধ কৰি ৰাখিব বিচাৰে। হয়তো বহুতো বোৱাৰী এনে বন্দীশালত বন্দী হৈ আছে। বোৱাৰী হ'লেই যে ওৰণি তলৰ গৰাকী হ'ব লাগিব এনে কোনো কথা নাই। বোৱাৰীৰ স্থান গ্ৰহণ কৰিলে কি নিজ স্বাধীনতা ত্যাগ কৰি আনৰ স্বাধীনতা মতে নিজৰ বৈবাহিক জীৱন যাপন কৰিব লাগে নেকি? এনেকুৱা কোনো আইন নাই। গতিকে এনেকৈয়ে নাৰীয়ে নাৰীক দমন কৰি ৰাখিছে। কিন্তু সেই শাহুসকলে কেতিয়াও ভাবি নাচায় যে ইয়াৰ ফলত নাৰী জাতিটোৱে পিছ পৰি গৈছে। তেওঁলোকে বৰ্তমান উঠি অহা প্ৰজন্মক আগুৱাই নিয়াৰ পৰিৱৰ্তে দমন কৰিহে ৰাখিছে। সেয়েহে মই ক'ব বিচাৰোঁ যে কেৱল পুৰুষ নহয় নাৰীয়েও নাৰীক দমন কৰি ৰাখিছে।

জন্ম, মৃত্যু, বিবাহ — মানৱ জীৱন গ্ৰহণ কৰিছোঁ যেতিয়া আমি সকলোৱে এই তিনিটাক আকোঁৱালি ল'বই লাগিব আজি নহয় কাইলৈ!! এচাম এৰি এচাম নতুন প্ৰজন্ম এই পৃথিৱীলৈ আহিয়েই থাকিব। যদিও আমি সকলোৱে মৃত্যুক ভয় কৰোঁ এদিন আমি এই মৃত্যুক আকোঁৱালি ল'বই লাগিব। ঠিক তেনেকৈ বিবাহ মানুহৰ জীৱনত কেতিয়া হ'ব কোনেও আগতীয়াকৈ ক'ব নোৱাৰে। ছোৱালী জনম ল'লে এখন নতুন ঘৰলৈ যাবই লাগিব। বুকুত এবুকু সপোন লৈ এগৰাকী নাৰীয়ে সুখ শান্তি কামনা

*নাৰীয়ে নাৰীৰ ওপৰত চলোৱা অত্যাচাৰৰ বাবেহে এনে ঘটনা সমাজত ঘটিবলৈ ধৰিছে। উদাহৰণস্বৰূপে ক'ব পাৰি যৌতুক দাবী পুৰুষতকৈয়ো বেছি নাৰী অৰ্থাৎ শাহুসকলেহে এই ঘৃণনীয় কাৰ্য কৰে। সকলো পৰিয়ালৰ বাবে ছোৱালীবিলাক অতি মৰমৰ হয়। কিন্তু কিছুমান পৰিয়ালত অত্যন্ত মৰম চেনেহ থকাৰ পাছতো আৰ্থিক দুৰ্বলতাৰ বাবে তেওঁলোকে ছোৱালীজনী বিয়া দিয়াৰ সময়ত যৌতুক হিচাপে একো দিব নোৱাৰে। কিন্তু এই কথা বৰ্তমান শাহুসকলে বুজি নুঠে। ইয়াৰ ফলত ন-কইনা ৰূপী ছোৱালীজনীক মানসিক কষ্ট দিয়া দেখা যায় আৰু কোনো কোনোৱে এই কষ্ট সহ্য কৰিব নোৱাৰি মৃত্যু মুখত পৰাও দেখা গৈছে। মই দেখিবলৈ পোৱা মতে এনে কাৰ্য বিশেষকৈ শাহুসকলেহে সৃষ্টি কৰে।*



কৰি যুগ্ম জীৱনৰ পাতনি মেলে। এখন ঘৰ আৰু মৰম চেনেহৰ আপোন মানুহবোৰ এৰি থৈ আহি অন্য এখন ঘৰক আকোঁৱালি ল'বলৈ চেষ্টা কৰে। এনে স্থলত এগৰাকী শাহুৱে কেতিয়াও বুজি নুঠে সেই ছোৱালীজনীৰ মনৰ বেদনাবোৰ। আৰু বুজিবলৈয়ো চেষ্টা নকৰে। বৰঞ্চ ছোৱালীজনীৰ ওপৰত তিলতিলকৈ শাৰীৰিক আৰু মানসিক যন্ত্ৰণা দিবলৈ সেই শাহুসকলে অকণমানো কুণ্ঠাবোধ নকৰে। কোন দিনা বুজি উঠিব এই শাহুসকলে যে তেওঁলোকো এদিন ছোৱালীৰ পৰাই বোৱাৰী আৰু বোৱাৰীৰ পৰাই মাতৃ হৈছিল।

নাৰীয়ে যদি নাৰীৰ মূল্য বুজি নাপায় তেনেহ'লে পুৰুষেনো ক'ত বুজি পাব! নাৰীয়ে যদি নাৰীৰ ওপৰত নিৰ্যাতন চলাব পাৰে তেনেহলে পুৰুষে চলোৱাটো স্বাভাৱিক। মই বিচাৰোঁ যে পুৰুষে নাৰীৰ ওপৰত চলোৱা নিৰ্যাতন আৰু নাৰীয়ে নাৰীৰ ওপৰত চলোৱা নিৰ্যাতন অৰ্থাৎ শাহুসকলে বোৱাৰীসকলৰ ওপৰত চলোৱা নিৰ্যাতনৰ ওপৰত সমানে গুৰুত্ব দিব লাগে। তেতিয়াহে ওৰণিৰ তলত সোমাই থকা নাৰীসকলে নিজকে আগুৱাই নিব পাৰিব। এই নিম্ন চিন্তাধাৰাৰ শাহুসকলৰ বাবেই আজি বহুতো নাৰী ঘৰবন্দী হৈ থাকিবলগীয়া হৈছে আৰু বহুতো নাৰীয়ে বিভিন্ন ধৰণৰ অত্যাচাৰত ভুক্ত ভুগী হৈ থাকিবলগীয়া হৈছে আৰু কোনো কোনোৱে আত্মহত্যাৰ বলি হ'ব লগা হৈছে। প্ৰকৃততে এই সমস্যা তেতিয়াহে নিৰ্মূল হ'ব যেতিয়া সকলো নাৰী শিক্ষিত হ'ব। এই শাহুসকল সম্পূৰ্ণৰূপে শিক্ষিত নহয় বাবে হয়তো মনত এনে চিন্তা-ধাৰা আছে। সেয়েহে কওঁ সকলো নাৰীয়ে নিজকে এনেদৰে গঢ়ি তোলক যাতে এনে শাহুসকলৰ কবলৰ পৰা নিজকে বচাই ৰাখিব পাৰে। চৰকাৰে সকলো নাৰীকে সম অধিকাৰ আৰু সমমৰ্যাদা প্ৰদান কৰিছে। কোনো নাৰীকে নিজৰ অধিকাৰৰ পৰা কোনেও আঁতৰাই ৰাখিব নোৱাৰে।

মই দেখিবলৈ পাইছোঁ যে কিছুমান শাহুৱে বোৱাৰীৰ স্থান গ্ৰহণ কৰাৰ পাছত সেই ছোৱালীজনীক কথা কোৱাৰ অধিকাৰৰ পৰাও বঞ্চিত কৰে। অৰ্থাৎ তেওঁলোকে জন্মগত অধিকাৰৰ পৰাও বঞ্চিত হব লগা হয়। এনে শাহুসকলক সমাজে কি আখ্যা দিব? কেতিয়াকৈ বুজি উঠিব এই শাহুসকলে। এই শাহুসকলৰ প্ৰতি আঙুলি উঠাব পৰাকৈ সকলো নাৰী সুশিক্ষিত হৈ উঠিবনে? শিক্ষাৰ অভাৱৰ বাবে আজি সমাজৰ বহুতো নাৰীয়ে এনে শাহুসকলৰ কঠোৰ অত্যাচাৰৰ বলি হৈ দিন পাৰ কৰিছে। সিহঁতে ভয় কৰে শাহুসকলৰ ওপৰত মাত মাতিবলৈ। তেওঁলোকৰ অন্যায়ৰ বিৰুদ্ধে যুঁজ দিবলৈ সিহঁতে সাহস কৰিব নোৱাৰে। সেয়েহে নীৰৱে সহ্য কৰি যায়। কিন্তু অন্যায় সহ্য কৰি থকাটোও এটা তাতোতকৈ ডাঙৰ অন্যায়। সেয়েহে আমাৰ সমাজত সকলো নাৰীয়ে নিজকে সুশিক্ষিত কৰি গঢ়ি তুলিব লাগে। যাতে সকলোৱে নিজ নিজ অধিকাৰ সাব্যস্ত কৰিব পাৰে। অন্যায়ৰ বিৰুদ্ধে মাত মাতিব পৰাকৈ সকলোৱে নিজকে সুস্থ সৱল কৰি এগৰাকী সুশিক্ষিত নাৰী হিচাপে গঢ়ি তুলিব লাগে।

ইয়াৰ জৰিয়তে ইয়াকো ক'ব বিচাৰিছো যে, এগৰাকী নাৰী শিক্ষিত হ'লে এখন সমাজ শিক্ষিত হ'ব আৰু এখন সমাজ শিক্ষিত হ'লে এখন দেশ শিক্ষিত হ'ব।

★★★★★★

*এগৰাকী নাৰী শিক্ষিত হ'লে এখন ঘৰ, সমাজ তথা দেশখন শিক্ষিত হ'ব। কিন্তু স্বাধীনতাৰ ইমান বছৰ পাছতো আজিও আমি এগৰাকী নাৰীক তেওঁৰ অধিকাৰসমূহ দিবলৈ সক্ষম হোৱা নাই। আমাৰ সমাজখনে আজিও পুৰুষকেই সৰ্বেসৰ্বা জ্ঞান কৰি আহিছে। এই পুৰুষতান্ত্ৰিক সমাজ ........................ নাৰীক অৱহেলা কৰি অহা হৈছে। কন্যা সন্তানৰ জন্মত পিতৃয়ে সন্তানক হত্যা কৰা, মাতৃক হত্যা কৰা, ঘৰৰ পৰা খেদি দিয়া ইত্যাদি অনেক ঘটনা আমাৰ সমাজত প্ৰায়ে সংঘটিত হৈ থকা আজিৰ সময়তো দেখা যায়।*

# আজিৰ সমাজত নাৰী

—নিবেদিতা দত্ত
শিক্ষাতত্ত্ব বিভাগ
পঞ্চম ষাণ্মাসিক

জীৱন জীৱন সঁচাই অনুপম। জীৱনৰ কোনো কোনো পৰিস্থিতিয়ে সঁচাই বৰ আচৰিত কৰি তোলে আমাক। জীৱনটো উদ্‌যাপন কৰিবলৈ হ'লে কিছুমান সপোন দেখা প্ৰয়োজন। কিন্তু এগৰাকী নাৰী হিচাপে কেতিয়াবা মনলৈ ভাব আহে আমি বাৰু সপোন দেখা উচিন নে?

কোৱা হয় যে, এগৰাকী নাৰী শিক্ষিত হ'লে এখন ঘৰ, সমাজ তথা দেশখন শিক্ষিত হ'ব। কিন্তু স্বাধীনতাৰ ইমান বছৰ পাছতো আজিও আমি এগৰাকী নাৰীক তেওঁৰ অধিকাৰসমূহ দিবলৈ সক্ষম হোৱা নাই। আমাৰ সমাজখনে আজিও পুৰুষকেই সৰ্বেসৰ্বা জ্ঞান কৰি আহিছে। এই পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত প্ৰায় প্ৰত্যেকজন ব্যক্তিৰ মনত-মগজুত কুৰুকি-কুৰুকি সোমাই থকা ৰক্ষণশীল মনোভাৱে নাৰীক অৱহেলা কৰি আহিছে। কন্যা সন্তানৰ জন্মত পিতৃয়ে সন্তানক হত্যা কৰা, মাতৃক হত্যা কৰা, ঘৰৰ পৰা খেদি দিয়া ইত্যাদি অনেক ঘটনা আমাৰ সমাজত প্ৰায়ে সংঘটিত হৈ থকা আজিৰ সময়তো দেখা যায়। ঘৰখনত এটি ল'ৰা সন্তান নহ'লে যেন ঘৰখনৰ অস্তিত্ব সিমানতে শেষ হৈ যাব।

আমাৰ সংবিধানে নাৰীৰ শিক্ষা, সুৰক্ষা আৰু অধিকাৰৰ বাবে বহুতো পদক্ষেপ লৈছে যদিও আজিও সমাজৰ পৰা নাৰী শোষণ কৰ্ম শেষ হোৱা নাই। প্ৰতিদিনে বাতৰি কাকতৰ হেডলাইন হিচাপে কন্যা সন্তানৰ হত্যা, ধৰ্ষণ, বলাৎকাৰ আদিৰ বাতৰিয়ে অন্তৰাত্মা কপাঁই তোলে। দেশত প্ৰায়ে সংঘটিত হৈ থকা ধৰ্ষণ-বলাৎকাৰৰ ঘটনাবোৰে বাৰু দেশৰ প্ৰতিনিধিসকলৰ তথা সমাজৰ ব্যক্তিসকলৰ অন্তৰৰ কোনো অংশই চুই যাব নোৱাৰেনে? এই ঘটনাবোৰে সমাজৰ

ব্যক্তিসকলৰ মনত জাগৰণৰ সৃষ্টি কৰিব নোৱাৰেনে? কেনেকৈ বাৰু এই ঘটনাবোৰৰ বাবে ছোৱালী গৰাকীকে দোষী বুলি ক'ব পাৰে। সমাজৰ সেই চাম মানুহে কিয় নাভাৱে যে ল'ৰাটোৰ দৰে ছোৱালীজনীয়েওটো ৰাতি ফুৰাৰ অধিকাৰ থাকিব পাৰে। কিয় বাৰু দলবদ্ধ ধৰ্ষণৰ সেই পাষণ্ড কেইটাই ভাবিব নোৱাৰে যে তেওঁলোকোতো এগৰাকী নাৰী তথা মাতৃৰ গৰ্ভৰ পৰা গৰ্ভস্থ হোৱা, তেওঁলোকৰ ঘৰখনতো এগৰাকী ভাতৃ-ভগ্নী বা মাতৃ থাকিব পাৰে। সকলোকে তেওঁলোকে কিয় সেই দৃষ্টিৰে গ্ৰহণ কৰিব নোৱাৰে। ঘৰৰ পৰা ওলাই অহা এগৰাকী ছোৱালী ঘৰ গৈ পুনৰ নোপোৱালৈকে কিয় ঘৰৰ অন্য সদস্যসকলে নিশ্চিন্ত মনে থাকিব নোৱাৰে। ক'ত আছে আমাৰ সমাজৰ এই দুৰ্বলতাবোৰ? এই দিশবোৰৰ সূক্ষ্মাতিসূক্ষ্ম বিশ্লেষণ আজিৰ সময়ত সঁচায়ে যথেষ্ট গুৰুত্বপূৰ্ণ।

বৰ্তমানৰ আধুনিকতাৰ এই পৃথিৱীত কোনো এগৰাকী মহিলাই যদি মহাকাশত ভৰি থৈছে তেনে সময়তে আন এগৰাকী মহিলাই সমাজৰ শোষণৰ বলি হ'ব লগা হৈছে। এগৰাকী বিধৱা মহিলাক মাংগলিক কোনো কাৰ্যত অংশগ্ৰহণক অশুভ বুলি গণ্য কৰা এচাম মানুহো আমাৰ সমাজত দেখিবলৈ পোৱা যায়। পত্নীৰ মৃত্যুত এজন পুৰুষে দ্বিতীয় বিবাহ কৰাতো সমাজৰ বাবে দোষণীয় কাম নহয়, কিন্তু যদি এগৰাকী বিধৱা মহিলাই তেওঁৰ বগা কাপোৰযোৰ এৰি এযোৰ ৰঙীণ কাপোৰ পৰিধান কৰে, তেন্তে তেওঁ সমাজৰ চকুত কেনে এগৰাকী মহিলাৰ স্বীকৃতি পাব সেয়া ভাবিবলৈও কঠিন লাগে। বগা কাপোৰযোৰ ত্যাগ কৰি এযোৰ ৰঙীণ কাপোৰ পিন্ধি তেওঁৰ জীৱনটো ৰঙীন কৰাৰ প্ৰচেষ্টাক সমাজে উৎসাহিত কৰাৰ পৰিবৰ্তে তেওঁৰ চৰিত্ৰৰ চাৰ্টিফিকেট দিবলৈ চেষ্টা কৰা আমাৰ সমাজৰ এইচাম লোকৰ ফলতে আমাৰ দেশে উন্নতিৰ শিখৰত আৰোহণ কৰাৰ পৰা সদায় দুখোজ পাছত থাকি যায়।

এগৰাকী বিধৱা মহিলাক মাংগলিক কোনো কাৰ্যত অংশগ্ৰহণক অশুভ বুলি গণ্য কৰা এচাম মানুহো আমাৰ সমাজত দেখিবলৈ পোৱা যায়। পত্নীৰ মৃত্যুত এজন পুৰুষে দ্বিতীয় বিবাহ কৰাতো সমাজৰ বাবে দোষণীয় কাম নহয়, কিন্তু যদি এগৰাকী বিধৱা মহিলাই তেওঁৰ বগা কাপোৰযোৰ এৰি এযোৰ ৰঙীণ কাপোৰ পৰিধান কৰে, তেন্তে তেওঁ সমাজৰ চকুত কেনে এগৰাকী মহিলাৰ স্বীকৃতি পাব সেয়া ভাবিবলৈও কঠিন লাগে।

সমাজৰ প্ৰত্যেকজন ব্যক্তিয়ে এই দিশবোৰ ভাবি চোৱা উচিত। সকলোৱে ভাবি চোৱা উচিত সমাজত এই কলুষতা বিয়পোৱা বিষয়বোৰৰ অন্তৰালৰ কাহিনী, প্ৰত্যেকজন অভিভাৱকে নিজ সন্তানক সমাজৰ এই বিষবাষ্পবোৰ আঁতৰ কৰাৰ বাবে জ্ঞান দিয়া উচিত।



# মহিলা সমন্বয় আৰু দেশৰ উন্নয়ণ

— চয়নিকা বুঢ়াগোঁহাই
স্নাতক ষষ্ঠ ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

**প্ৰাচীন কালৰ পৰা ঘৰখনকেই সকলো মহিলাই নিজৰ কৰ্মক্ষেত্ৰ হিচাপে স্বীকৃতি দি আহিছে। সময়, পৰিৱেশ, পৰিস্থিতি পৰিবৰ্ত্তনৰ লগে লগে জীৱন শৈলীৰ ওপৰত প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে। এতিয়াৰ এগৰাকী গৃহিনী কেৱল গৃহিনীয়েই নহয় বৰঞ্চ আৰ্থিক উৰ্পাজনকে ধৰি ৰাজনৈতিক, সামাজিক ক্ষেত্ৰত পুৰুষৰ সমানে ওলাই আহি কাম কৰাত সফলতা লাভ কৰিছে। শিশু অপহৰণ, কন্যা ভ্ৰূণ হত্যা, নাবালিকা ধৰ্ষণ, নাৰী নিৰ্যাতন, নাৰী ব্যৱসায় আদি ঘটনা সামান্য ঘটনা হিচাপে পৰিণত হৈছে। এনে ঘটনাবোৰ লক্ষ্য কৰিলে মহিলাৰ প্ৰতি দৃষ্টিভংগী সমাজৰ অধিকাংশ লোকৰে সলনি হোৱা নাই।**

স্বতন্ত্ৰ ভাৰতবৰ্ষৰ সংবিধানত সকলো পুৰুষ-মহিলাকে সম অধিকাৰ প্ৰদান কৰিছে। সাংবিধানিক সুৰক্ষাৰ পিছতো মহিলাৰ ওপৰত সমতা প্ৰয়োগ কৰা নহয়। সাংবিধানত মহিলাৰ আৰ্থিক সামাজিক, পাৰম্পৰিক, শাৰীৰিক , মানসিক সুৰক্ষাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা ৰাখিছে যদিও সৰহভাগ মহিলাৰ এইক্ষেত্ৰত ব্যৱহাৰিক জ্ঞানৰ অভাৱ। বিভিন্ন মহিলা সমন্বয় সংগঠন, NGO-য়ে মহিলা সকলক অধিকাৰ, সুৰক্ষা, স্বাস্থ্য সম্পৰ্কে সৱলীকৰণত গুৰুত্ব আৰোপ কৰে।

ভাৰতীয় সমাজ ব্যৱস্থাত শূদ্ৰসকলৰ সমানেই মহিলাসকলকো পিছপৰা নিষ্পেষিত শ্ৰেণী বুলি জ্ঞান কৰা হৈছিল। পুৰুষৰ লগত সম-মৰ্যদাৰ পৰা মহিলাসকলক শিক্ষা আৰু জ্ঞান লাভৰ পৰা বিৰত থাকিবলৈ বাধ্য কৰা হৈছিল। জ্যোতিবা ফুলে নামৰ এজন সমাজ সংস্কাৰকে উচ্চ-নীচ, ভেদা-ভেদ ভাৱৰ বিৰুদ্ধে সংগ্ৰাম আৰম্ভ কৰিছিল। জ্যোতিবা ফুলে বাল্য বিবাহ , বৃদ্ধৰ লগত গাভৰুৰ বিবাহ, বেশ্যাবৃত্তি, বিধৱা নিৰ্যাতন আদিৰ বিৰোধিতা কৰি ইয়াৰ পৰিবৰ্তে বিধৱাৰ পুনঃবিবাহ, অনাথ আশ্ৰম, মহিলাৰ শিক্ষা গ্ৰহণৰ ওপৰত গুৰুত্ব দিছিল। মহিলা শিক্ষাৰ বাবে ১৮৫১ চনত জ্যোতি বা ফুলে মহিলা বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল। তেওঁ আৰু পত্নী সাবিত্ৰীবাঈ অগ্ৰনী ভূমিকা লৈছিল। জ্যোতি বা ফুলেক 'মহিলাৰ অধিকাৰৰ' কাৰণে বিপ্লৱ কৰা প্ৰথম ভাৰতীয় বিপ্লৱী বুলি কোৱা হয়।

গৌতম বুদ্ধই বৰ্ণনা কৰিছিল যে নাৰী এক ঐশ্বৰ্য্যৰ প্ৰতীক, মহামূল্যবান। নাৰীৰ প্ৰতি বৌদ্ধ ধৰ্মৰ নীতি আৰ্দশই ভীমৰাও ৰামজী আম্বেদকাৰক প্ৰভাৱান্বিত কৰিছিল। এটা পৰিয়ালৰ গঠন আৰু নিৰাপত্তা প্ৰদানত

নাৰীৰ ভূমিকা অসীম। ১৯৪২ চনত আম্বেদকাৰে অমৰাৱতীৰ ডি.চি. মহিলা মহাবিদ্যালয়ত বক্তৃতা প্ৰদান কৰি কয় যে মহিলাৰ সবলীকৰণ, সম অধিকাৰ, ৰাজনৈতিক অধিকাৰ, সামাজিক মৰ্যাদা প্ৰদান কৰি পুৰুষৰ লগতে সমানে আগবঢ়াই নিলেহে প্ৰকৃত স্বাধীনতা লাভ কৰিব। আম্বেদকাৰে হিন্দু কড' বিলৰ দ্বাৰা নাৰীক সম্পত্তিৰ অধিকাৰ প্ৰদান কৰিবলৈ প্ৰস্তাৱ আগবঢ়াইছিল।

এখন দেশৰ উন্নয়ন সাধন কৰিবলৈ হ'লে নাৰী শক্তিৰ বিকাশ ঘটোৱাতো অতিকৈ প্ৰয়োজন। নাৰী হৈছে দেশৰ প্ৰগতিৰ মূল সম্পদ। মহিলা সকলৰ সৰ্বাঙ্গীন বিকাশ সাধন হ'লে দেশৰ উন্নয়ন সম্ভৱ হ'ব। মহিলা সকল এখন ঘৰৰ শিক্ষাৰ মূল কেন্দ্ৰস্বৰূপ। মহিলা সকল শিক্ষিত হ'লে এটা পৰিয়াল, তাৰ পিছত এখন সমাজ আৰু এনে দৰে এটা চুবুৰীৰ পৰা এখন দেশৰ বিকাশত অগ্ৰণী ভূমিকা লাভ কৰিব।

মহিলা সকলক স্বাবলম্বী কৰিবলৈ বিভিন্ন অৰ্থনৈতিক উন্নয়নমূলক কাৰ্য্য কুটীৰ শিল্প, ক্ষুদ্ৰ উদ্যোগ প্ৰতিষ্ঠা কৰা হৈছে। বয়ন শিল্পৰ যোগেদি মহিলা সকলক আত্মনিৰ্ভৰশীল কৰাৰ প্ৰয়াসো কৰা হৈছে।

বৰ্ত্তমানৰ গোলকীকৰণ আৰু বিশ্বায়নৰ সন্ধিক্ষণত ভাৰতৰ মহিলাসকলক সুৰক্ষা প্ৰদান আৰু অধিকাৰ প্ৰদান কৰিবৰ বাবে ৰাষ্ট্ৰীয় মহিলা আয়োগ গঠন কৰা হৈছে। সংবিধানৰ ৩৯ নং অনুচ্ছেদত ল'ৰা ছোৱালীক শোষণৰ পৰা মুক্ত কৰিবলৈ মৰ্যাদা আৰু অধিকাৰ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। ভাৰতবৰ্যত নাৰীক সম- অধিকাৰ প্ৰদানৰ বাবে ৭৩ আৰু ৭৪ নং সংবিধান সংশোধনৰ দ্বাৰা স্থানীয় প্ৰশাসনত মহিলাৰ বাবে ৩৩% আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰি মহিলা আৰু ছোৱালীৰ ওপৰত অনৈতিক ব্যৱসায় নিষিদ্ধ আইন, মাতৃ কল্যাণ আইন (১৯৬১) যৌতুক নিষিদ্ধ আইন (১৯৬১), মাতৃ কল্যাণ আইনৰ দ্বাৰা, বিপদজনক আৰু স্বাস্থ্যহানিকৰ কামত মহিলাক নিয়োগ কৰাটো নিষিদ্ধ কৰা হৈছে।

বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমতো মহিলা শিক্ষাৰ ওপৰত বহুতো পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হৈছে। এই পাঠ্যক্ৰম সমূহৰ যোগেদি মহিলা সকলক স্বাধীনতাৰ অধিকাৰ, শোষণৰ বিৰুদ্ধে, সমতাৰ পাঠ্যক্ৰম প্ৰদান কৰা হৈছে। মহিলা শিক্ষাৰ যোগেদি এক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত মহিলাৰ বিকাশৰ বাবে বিভিন্ন আলোচনাৰ যোগেদি সিদ্ধান্তত উপনীত হৈছে। আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত মহিলাৰ সমস্যা সমূহৰ বিশ্লেষণ আগবঢ়োৱা হয়। ইয়াতে ক'ব পাৰি মহিলাৰ সমন্বয় আৰু উন্নয়ন সাধনে দেশ এখনক প্ৰগতিৰ দিশত আগুৱাই নিয়াত সহায়ক হৈছে।

★★★★★★





# FEMINISM AND ITS REALITY – WOMEN'S ERA

*– Dixita Phukan*
6th Sem, Zoology Dept.

This is the era of women where women are no less than men in any field. Starting from sports, film industry, women are able to achieve their goals. They don't lie behind any more. There are varied examples where women has been able to show their empowerment . Indira Gandhi, Mary kom, Sania Mirza, Sarojini Naidu etc have worked well in their respective fields and have been able to bring name and fame to the country. Our very own Kanaklata, a freedom fighter of Assam has shown utmost courage and fought for freedom with great bravery and has been an inspiration for every women.

Although in this country we talk about giving equal rights and freedom to girls, meanwhile crimes like molesting, abusing, female foeticide, dowry etc has been increasing day by day and what we simply do is to provide condolence to the victim's family or go on a candle light march I really wonder if this is what we are meant to do to punish the criminals? No effective steps are taken right away after the incidents. We can see that very well in the case of Nirvaya, from Delhi an innocent girl who was abused so brutally that they made her take her last breath and leave this world but the criminals were punished long after she was dead.

A wife works equally with her husband to make a good living then why is the husband considered as the head as the family? We have to start to provide equal rights and freedom to a woman right from our family if we aim to bring women empowerment all over.

We should try to improve our surroundings in such a way, where a girl is not restricted any more to go for night shifts in her office, where she is free to go for night classes in her college, where she is allowed to live her dreams and fulfil her desires and aspirations. Various girls have brought name and fame to our country in many fields then why does a question arise on her safety every single minute. We are meant to work unitedly and give equal freedom to girls so that evry single girl can show their talents and come out with flying colours

A husband is meant to provide equal respect to his wife, a brother is meant to provide equal freedom to his sister, a father is meant to provide equal love to both his sons and daughters and in this way we can make a wonderland where people can enjoy their right and bring glory to it. We call our country as mother India and everytime we abuse a girl, we abuse our mother India.

Scanned with OKEN Scanner

## চিন্তাশিল্প ঃ সংস্কৃতি আৰু ঐতিহ্য

*এখন সমাজ বা এটা জাতিৰ উন্নতিৰ আঁৰত সেই সমাজ বা জাতিৰ নাৰীসকলৰ অতি গুৰুত্বপূৰ্ণ ভূমিকা থাকে। অসমৰ জাতীয় জীৱনৰ ইতিহাসত নাৰীৰ ভূমিকা সম্পৰ্কে এটা স্পষ্ট ধাৰণা দিয়াটো সহজ নহয়। প্ৰাচীন কালৰ ভাৰতীয় সমাজ ব্যৱস্থাৰ প্ৰতি লক্ষ্য কৰিলে দেখা যায় যে সেই সমাজ ব্যৱস্থাত পুৰুষসকলৰ প্ৰাধান্য অধিক আছিল আৰু নাৰীসকলৰ জীৱন গৃহস্থী কাৰ্য কলাপৰ মাজতেই সীমাবদ্ধ আছিল। তদুপৰি বুৰঞ্জী প্ৰণেতাসকলৰ মন আৰু মানসিকতাও পুৰুষ প্ৰধান হোৱাৰ বাবে বুৰঞ্জী প্ৰণয়ন কৰাৰ সময়তো নাৰীক উপেক্ষা কৰা হয়। এনেবোৰ কাৰণতে অতীতৰ নাৰীৰ বিষয়ে বৰ বেছি জনাৰ সুবিধা নাই। অসমৰ জাতীয় জীৱনৰ বুৰঞ্জীৰ প্ৰতি লক্ষ্য কৰিলে দেখা যায় যে অসমৰ প্ৰাচীন বা ঐতিহাসিক যুগত নাৰীৰ সামাজিক জীৱনত বিশেষ ভূমিকা নাছিল। কিন্তু মধ্যযুগৰ অসমৰ সমাজ ব্যৱস্থাত নাৰীসকলে বিশেষ ভূমিকা পালন কৰা দেখা যায়।*

# ঐশ্বৰ্যময় আহোম যুগৰ বৰ্ণময় নাৰী

— ৰিতুমণি সন্দিকৈ
স্নাতক তৃতীয় ষান্মাষিক
বুৰঞ্জী বিভাগ

১২২৮ খ্ৰীষ্টাব্দত আহোমসকলে পাটকাই পৰ্বত পাৰ হৈ ব্ৰহ্মদেশৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰাৰ পাছত ৰাজ্য প্ৰতিষ্ঠা কৰি ১৮২৬ খ্ৰীষ্টাব্দ পৰ্যন্ত সুদীৰ্ঘ প্ৰায় ৬০০ বছৰ কাল অসমত ৰাজত্ব কৰিছিল। 'বিশ্ব ইতিহাসত সম্ভৱত ঃ আহোমসকলৰ ৰাজবংশটোৱেই একমাত্ৰ আছিল যিটো ৰাজবংশই সুদীৰ্ঘ ছশ বছৰ কাল একেৰাহে ৰাজত্ব কৰিছিল। আহোমসকলৰ সুদীৰ্ঘ ছশ বছৰীয়া ৰাজত্বকালত আহোম নাৰীসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

মধ্যযুগ অৰ্থাৎ আহোম যুগত নাৰীসকলে যথেষ্ট সামাজিক মৰ্যাদা লাভ কৰিছিল। আহোম যুগত নাৰীসকলক যথেষ্ট স্বাধীনতা দিয়া হৈছিল যাৰ বাবে আহোম নাৰীসকলে সকলো দিশতে তেওঁলোকৰ অৱদান আগবঢ়াই থৈ যাবলৈ সক্ষম হৈছিল। ছাৰ এড্‌বাৰ্ড গেইটে তেওঁৰ অসম বুৰঞ্জীত আহোম যুগত নাৰীয়ে কোনো দিশতে নিজক দুৰ্বল আৰু অযোগ্য বুলি পৰিচয় দিয়া নাছিল বুলি উল্লেখ কৰিছে। তেওঁ লগতে এই কথাও উল্লেখ কৰিছে যে আহোম যুগৰ নাৰীয়ে খেতি-পথাৰ, বোৱা-কটাৰ পৰা আৰম্ভ কৰি নৃত্য-গীতত পাৰদৰ্শিতা দেখুওৱাৰ উপৰিও ৰাজনীতিত সক্ৰিয় অংশগ্ৰহণ কৰা আৰু প্ৰয়োজন সাপেক্ষে যুদ্ধভূমিতো বীৰত্ব প্ৰদৰ্শন কৰিছিল।

আহোম যুগত সামাজিক তথা জাতীয় জীৱনৰ উন্নতিত নাৰীৰ ভূমিকা বিচাৰ কৰিলে দেখা যায় যে, আহোম নাৰীসকলে ৰাজনীতি, যুদ্ধক্ষেত্ৰ, সংস্কৃতি আদি সকলো দিশতে নিজৰ যোগ্যতা, সাহস আৰু আত্মবিশ্বাসৰ পৰিচয় দি থৈ গৈছে।

Scanned with OKEN Scanner



*আহোম যুগত জাতীয় সভ্যতা-সংস্কৃতিৰ বিকাশত নাৰীসকলৰ আন এটা দিশ হ'ল আহোম ৰমণীৰ অসাধাৰণ ত্যাগৰ মহত্ব। গদাধৰ সিংহৰ পত্নী জয়মতী কুঁৱৰীয়ে ত্যাগৰ যি মহত্ব দেখুৱালে সেয়া সঁচাকৈয়ে বিৰল। জয়মতী কুঁৱৰীয়ে ল'ৰাৰজাৰ অপৰিপক্ক প্ৰশাসনিক জ্ঞান আৰু অসাধু বিষয়াসকলৰ বাবেই আহোম ৰাজ্য ধ্বংসৰ দিশে গতি কৰিব বুলি বুজিছিল আৰু জাতিৰ এনে সংকটৰ মুহূৰ্তত স্বামীক জাতিৰ ৰক্ষাৰ বাবে উপযুক্ত একমাত্ৰ ব্যক্তি বুলি জানিব পাৰি তেওঁ স্বামীৰ প্ৰাণ ৰক্ষাৰ বাবে নিজৰ জীৱন দান দিছিল।*

আহোম যুগত ৰজা, ডা-ডাঙৰীয়া আৰু বিষয়াবৰ্গৰ লগতে নাৰীসকলেও ৰাজনীতিত সক্ৰিয় অংশগ্ৰহণ কৰিছিল। কোনোৱা ৰজা যদি ৰাজনৈতিক দিশত দুৰ্বল হয়, তেতিয়া ৰাজমাতৃয়ে ৰজাৰ ৰাজনৈতিক মন্ত্ৰণাদাত্ৰীৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। উদাহৰণস্বৰূপে চন্দ্ৰকান্ত সিংহৰ মাতৃৰ কথা ক'ব পাৰি। কম বয়সীয়া চন্দ্ৰকান্ত সিংহৰ ৰাজকাৰ্য চলোৱাত দক্ষতা নথকাৰ বাবে তেওঁৰ মাতৃয়ে ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ লগত আলোচনা কৰি গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহ গ্ৰহণ কৰিছিল। গতিকে দেখা যায় যে প্ৰয়োজন সাপেক্ষে আহোম ৰমণীয়ে পুৰুষৰ দৰেই ৰাজনৈতিক আৰু প্ৰশাসনিক কাৰ্যত ভাগ লৈ দক্ষতা প্ৰদৰ্শন কৰিব পাৰিছিল।

ৰাজনীতিত অভাৱনীয় বিচক্ষণতাৰ পৰিচয় দিয়া আন এগৰাকী আছিল স্বৰ্গদেউ চুক্লেংমুং, গড়গঞা ৰজাৰ ৰাণী চাও চিং কুঁৱৰী। এইগৰাকী ৰাণীৰ পৰামৰ্শ মতে গড়গাঁৱত চাৰিওফালে গড় খাৰে খান্দি তাৰ মাজতে ৰাজকাৰেং সজোৱা হ'ল আৰু আহোমৰ ৰাজধানী স্থানান্তৰ কৰি গড়গাঁৱত পাতিলে। মধ্যযুগৰ সামন্ত সমাজত নাৰীৰ এনে ৰাজনৈতিক বিচক্ষণতা সঁচাকৈয়ে বিৰল।

ৰাজনৈতিক দিশত আহোম যুগত বুদ্ধিমতী নাৰী হিচাপে ৰমণী গাভৰুৰ নাম উল্লেখযোগ্য। ৰাজনৈতিক ঘটনাৰ পৰিপ্ৰেক্ষিতত ৰমণী গাভৰুক পিতৃ জয়ধ্বজ সিংহই মোগলৰ হেৰেমলৈ পঠাইছিল। যদিও ৰমণী গাভৰুৰ মনৰ পৰা দেশপ্ৰেমৰ ভাব অলপো কমি যোৱা নাছিল। শৰাইঘাটৰ যুদ্ধত লালুকসোলা বৰফুকনে বিনাযুদ্ধে গুৱাহাটীখন মোগলক এৰি দিবলৈ ঠিৰাং কৰিছিল। কিন্তু ৰমণী গাভৰুৱে এই কথা জানিব পাৰি মোমায়েক লালুকসোলা বৰফুকনলৈ চিঠি লিখি তেনে কাম নকৰিবৰ বাবে অনুৰোধ কৰিছিল আৰু এনে কৰ্মৰ ফলত আহোম ৰাজ্যৰ বৃহৎ ক্ষতি হ'ব বুলি সতৰ্ক কৰি দিছিল। স্বদেশ প্ৰেমৰ তাড়নাত বিদেশত থাকিও ৰাজনৈতিক ঘটনাত সক্ৰিয় ভূমিকা ল'ব পৰা এনে নাৰী নিঃসন্দেহে আহোম যুগৰ ঐশ্বৰ্য।

ৰাজনৈতিক কাৰ্যত পোনপটীয়াকৈ ভূমিকা গ্ৰহণ কৰা ফুলেশ্বৰী কুঁৱৰীয়ে ৰাজদণ্ড হাতত লৈ ৰাজ্য শাসন কৰাৰ দৃষ্টান্তও অসম বুৰঞ্জীৰ এক উল্লেখযোগ্য ঘটনা। ৰাজনৈতিক বিচক্ষণতা আৰু পুৰুষসুলভ সাহসেৰে মহিমাময়ী নাৰী হিচাপে স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ পত্নী কুৰঙ্গনয়নীৰ নাম উল্লেখযোগ্য। আহোম ৰাজ্য মৰাণসকলৰ অধীনলৈ যাওঁতে মৰাণসকলৰ হাতত বন্দী হোৱা স্বৰ্গদেউ লক্ষ্মী সিংহক এইগৰাকী সাহসী আহোম ৰমণীয়ে অতি কৌশলেৰে বন্দীশালৰ পৰা মুক্ত কৰিছিল।

ৰাজনৈতিক ক্ষেত্ৰত সক্ৰিয় ভূমিকা গ্ৰহণ কৰাৰ উপৰিও আহোম যুগৰ নাৰীয়ে বীৰাঙ্গনা নাৰী হিচাপেও পৰিচয় দিছিল। এনে নাৰীৰ ভিতৰত প্ৰথমেই নাম ল'ব লাগিব ফ্ৰাচেং মুং বৰগোঁহাইৰ পত্নী মূলা গাভৰুৰ। কচোৱাত মোগল আৰু আহোমৰ মাজত হোৱা যুদ্ধত ফ্ৰাংচেংমুং বৰগোঁহাইৰ মৃত্যু হয়। তেনে পৰিস্থিতিত পুৰুষ আৰু নাৰী উভয়েৰে গঠিত এটা বাহিনীৰ নেতৃত্ব দি মূলা গাভৰুৱে মোগল সেনাপতি তুৰ্বকৰ সৈতে ৰণত লিপ্ত হয়। যুদ্ধত মূলা গাভৰুৰ মৃত্যু হ'ল যদিও তেওঁ সাহসেৰে ৰণক্ষেত্ৰত জঁপিয়াই পৰি আহোম নাৰীৰ সাহসী ৰূপটো প্ৰতিফলিত কৰি থৈ গ'ল।

অসমৰ ইতিহাসত সাহসৰ পৰিচয় দিয়া আন এগৰাকী ৰমণী হ'ল নাংবক গাভৰু। স্বৰ্গদেউ চুখামফাই কোঁচৰ সৈতে হোৱা ৰণত হাৰি অন্যান্য বিষয়াসকলৰ লগতে নাংবক গাভৰুৰ পুত্ৰকো কোচ ৰজালৈ দিবলৈ ঠিক কৰিছিল। এই কথাত নাংবক গাভৰুৱে ৰজাৰ ওচৰত তীব্ৰ প্ৰতিবাদ জনাই আহোম ৰমণীৰ সাহস আৰু দৃঢ়তা প্ৰতিফলিত কৰি ৰাজসভাৰ পৰা নিজ পুত্ৰক লৈ আনিছিল।

আহোম যুগত জাতীয় সভ্যতা-সংস্কৃতিৰ বিকাশত নাৰীসকলৰ আন এটা দিশ হ'ল আহোম ৰমণীৰ অসাধাৰণ ত্যাগৰ মহত্ব। গদাধৰ সিংহৰ পত্নী জয়মতী কুঁৱৰীয়ে ত্যাগৰ যি মহত্ব দেখুৱালে সেয়া সঁচাকৈয়ে বিৰল। জয়মতী কুঁৱৰীয়ে ল'ৰাৰজাৰ অপৰিপক্ক প্ৰশাসনিক জ্ঞান আৰু অসাধু বিষয়াসকলৰ বাবেই আহোম ৰাজ্য ধ্বংসৰ দিশে গতি কৰিব

বুলি বুজিছিল আৰু জাতিৰ এনে সংকটৰ মুহূৰ্তত স্বামীক জাতিৰ ৰক্ষাৰ বাবে উপযুক্ত একমাত্ৰ ব্যক্তি বুলি জানিব পাৰি তেওঁ স্বামীৰ প্ৰাণ ৰক্ষাৰ বাবে নিজৰ জীৱন দান দিছিল। দেশ আৰু জাতিৰ স্বাৰ্থত নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰা এনে মহীয়সী নাৰীৰ নাম ইতিহাসত সদায় সোণালী আখৰেৰে লিখা থাকিব।

আহোম যুগৰ নাৰীসকলৰ শিল্পপ্ৰীতিও আছিল অসাধাৰণ। সুকুমাৰ ক'লাপ্ৰীতিৰ দিশত প্ৰথমে ফুলেশ্বৰী কুঁৱৰীৰ নাম ল'ব লাগিব। এইগৰাকী নাৰীৰ অহং ভাবৰ বাবে বৈষ্ণৱ আৰু শাক্তসকলৰ মাজত সংঘাত হৈছিল যদিও তেওঁ এগৰাকী বিদ্যোৎসাহী আৰু সাহিত্যনুৰাগী নাৰী আছিল। বিদ্যা-শিক্ষাৰ প্ৰতি থকা আগ্ৰহৰ বাবেই ৰাজ হাউলিৰ ভিতৰত শিক্ষানুষ্ঠান পাতি স্ত্ৰী-পুৰুষ উভয়কে শিক্ষিত কৰি তুলিবলৈ প্ৰয়াস কৰিছিল। তদুপৰি তেওঁ কবিৰাজ চক্ৰৱৰ্তীৰ দৰে পণ্ডিতক ৰাজ-পৃষ্ঠাপোষকতা দি সাহিত্য চৰ্চা কৰোৱাইছিল। এইগৰাকী ৰাণীৰ আদেশ আৰু অনুপ্ৰেৰণাতে কবিৰাজ চক্ৰৱৰ্তীয়ে 'শকুন্তলা কাব্য'ৰ দৰে কাব্য ৰচনা কৰিব পাৰিছিল।

সুকুমাৰ ক'লাৰ প্ৰতি আগ্ৰহী আন এগৰাকী আহোম নাৰী আছিল শিৱসিংহৰ দ্বিতীয়া পত্নী অম্বিকা। এইগৰাকী ৰাণীয়ে ৰাজক্ষমতা নিজৰ হাতত পায়ো ভোগ-বিলাসত মত্ত নহৈ স্থাপত্য আৰু চিত্ৰ শিল্পৰ চৰ্চা আৰু বিকাশত আত্মনিয়োগ কৰিছিল। আনকি এইগৰাকী নাৰীয়ে শিৱসাগৰ পুখুৰী খন্দোৱাই তাৰ চাৰিওফালে চাৰিটা পাৰ বন্ধোৱাইছিল। তদুপৰি পুখুৰীৰ পাৰত শিৱ দ'ল, বিষ্ণু দ'ল আৰু দেৱী দ'ল নিৰ্মাণ কৰি অসমৰ স্থাপত্য শিল্পক অনন্য মাত্ৰা প্ৰদান কৰাৰ উপৰিও ফুলেশ্বৰী কুঁৱৰীয়ে সৃষ্টি কৰা শাক্ত আৰু বৈষ্ণৱৰ মাজত বিভেদক, অম্বিকাই শিৱ, বিষ্ণু আৰু দেৱীৰ নামত তিনিটা দ'ল নিৰ্মাণ কৰি ধৰ্মীয় বিভেদৰ বিপৰীতে ধৰ্মীয় ঐক্য গঢ়ি তোলাতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিলে।

এই চমু লেখাটিৰ জৰিয়তে আহোম যুগৰ ঐশ্বৰ্যময় নাৰীসকলৰ গুণ-গৰিমা, সাহস, ৰাজনৈতিক দিশত তেওঁলোকে গ্ৰহণ কৰা ভূমিকাৰ সকলো কথা লিখাটো সম্ভৱ নহয়। আহোম যুগ স্বৰ্ণ যুগ হিচাপে চিহ্নিত হোৱাত আহোম নাৰীসকলৰ ভূমিকা অতুলনীয়। আচলতে এখন সমাজ বা এটা জাতিৰ উন্নতিৰ অন্তৰালত নাৰীসকলৰ ভূমিকা অনন্য। আহোম যুগৰ সাহসী, আত্মত্যাগী আৰু ৰাজনৈতিক দিশত শক্তিশালী ৰমণীসকল ইতিহাসৰ পাতত চিৰদিনৰ বাবে জিলিকি ৰ'ব।

★★★★★★



# ঐতিহ্যময় নুমলীগড়ৰ দেওপাহাৰৰ কথাৰে

—প্ৰস্তুতি ঠেঙাল
বুৰঞ্জী বিভাগ
তৃতীয় ষান্মাসিক

ভাৰতবৰ্ষৰ উত্তৰ-পূব সীমান্তৰ এক বুৰঞ্জীপ্ৰসিদ্ধ ৰাজ্য হৈছে অসম। ভাৰতৰ বিভিন্ন প্ৰান্তত পোৱাৰ দৰে আমাৰ অসমতো বহু ঐতিহাসিক বা ইতিহাসে গৰকা ঠাই আছে। মই নিজে যিহেতু গোলাঘাট জিলাৰ বাসিন্দা সেইবাবে মই মোৰ দাঁতি কাষৰীয়া অঞ্চল নুমলীগড়ৰ বিষয়ে লিখিবলৈ ওলাইছো।

নুমলীগড় গোলাঘাট চহৰৰ পৰা ৩২ কিলোমিটাৰ দূৰত্বত অৱস্থিত। বুৰঞ্জীৰ মত অনুসৰি নুমলীগড় কছাৰী আৰু আহোম ৰাজত্বৰ অধীন আছিল। আহোম স্বৰ্গদেউ চুহুংমুঙে নুমলীগড় বন্ধাইছিল। তেওঁ কছাৰী ৰাজকুমাৰী নুমলীক বিয়া কৰাই এই ঠাইত বাস কৰিবলৈ লৈছিল। তেওঁ এই ঠাইখনৰ চাৰিওফালে এটা গড় নিৰ্মাণ কৰাইছিল। সেইবাবে এই ঠাইৰ নাম পাছলৈ নুমলীগড় হয়। এই গড় এতিয়াও অক্ষত অৱস্থাত আছে।

নুমলীগড়ৰ ঐতিহ্যসমূহৰ ভিতৰত দেওপাহাৰ অন্যতম। দেওপাহাৰ নুমলীগড় তিনিআলিৰ পৰা ৩৯ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত অৱস্থিত। সম্ভৱতঃ এটা সময়ত এই অঞ্চলত বাস কৰা কাৰ্বি জনজাতিসকলে পাহাৰটোৰ নাম 'দেওপাহাৰ' দিছিল। তেওঁলোকে দেও মানে আৰাধ্য দেৱতা শিৱক বুজাইছিল। আন এক শ্ৰুতিৰ মতে ল'ৰাৰজাৰ অত্যাচাৰৰ পৰা ৰক্ষা পাবলৈ পলাই ফুৰোতে গদাপানিয়ে ইয়াত অপৰূপ, সুশ্ৰী অপেশ্বৰীৰ নৃত্য উপভোগ কৰিছিল আৰু সেই নাচি থকা অপেশ্বৰীসকল নাচি নাচি শূন্যত নাইকিয়া হৈ পৰে বাবে এই পাহাৰটোক 'দেওলগা' বা 'দেও থকা' পাহাৰ বুলি কৈছিল যদিও পিছলৈ ই দেওপাহাৰ হিচাপে জনাজাত হয়। আন এক কিংবদন্তি মতে এই পাহাৰক 'জৰাসন্ধ' পাহাৰ বুলিও কোৱা হয়। কাৰণ জৰাসন্ধাই শ্ৰীকৃষ্ণৰ লগত যুদ্ধ কৰোঁতে ইয়াতে হেনো বাহৰ পাতি আছিল। সমতলৰ পৰা প্ৰায় ৩০০ মিটাৰ উচ্চতাৰ পাহাৰটোত এটা প্ৰাচীন মন্দিৰৰ ভগ্নাৱশেষ আছে। দেও পাহাৰত প্ৰাক্ আহোম যুগৰ বহুতো ভাস্কৰ্য আছে। এই ভাস্কৰ্যখিনি প্ৰথমতে এজন চাহ খেতিয়ক থমাছ গাৰ্ডথই আৱিষ্কাৰ কৰিছিল। প্ৰথমতে এই পাহাৰটোত ভাস্কৰ্যসমূহ বিশৃংখলভাৱে পৰি আছিল যদিও বৰ্তমান চৰকাৰে পাহাৰটো সজাই-পৰাই 'দেওপৰ্বত প্ৰত্নতাত্ত্বিক উদ্যান' হিচাপে সংৰক্ষণ কৰিছে। এই পাহাৰটোলৈ দুটা পথেৰে যাব



পাৰি। দুয়োটা পথৰ মিলন স্থলীতেই এটি 'মিউজিয়াম' (সংগ্ৰহালয়) আছে য'ত দেও পাহাৰৰ খনন কাৰ্যত উদ্ধাৰ হোৱা শিলৰ মূৰ্তিসমূহ সংৰক্ষণ কৰি থোৱা আছে। পথটোৰ দুয়োকাষতে বিভিন্ন ভাস্কৰ্য খোদিত কৰা আছে।

মন্দিৰৰ চাৰিওফালে ভাস্কৰ্য আৰু শিলাখণ্ড সিঁচৰতি হৈ আছে। এই মন্দিৰটোক 'পুৰণি বাবাথান' নামেৰে জনা যায়। মন্দিৰৰ পশ্চিম দিশত থকা এচটা ডাঙৰ শিলত পদুমৰ চক্ৰ খোদিত কৰা আছে। এই শিলচটাক 'বিশ্ব পদ্ম' জনা যায়। মন্দিৰৰ আশে-পাশে থকা শিলাখণ্ডত বহুতো মূৰ্তি খোদিত কৰা আছে। এই দেও পাহাৰৰ ভাস্কৰ্যত সামাজিক, সাংস্কৃতিক জীৱনৰ চিত্ৰ, গছ-লতা, জীৱ-জন্তু আদি দৃশ্যসমূহ জীৱন্ত ৰূপত প্ৰকাশ পাইছে। মন্দিৰৰ কাষত সিঁচৰতি হৈ থকা শিলসমূহৰ পৰা জানিব পাৰি যে গোটেই মন্দিৰটো শিলেৰে নিৰ্মাণ কৰিছিল।

এই দেও পাহাৰৰ দৃশ্য অতি মনোৰম। দেও পাহাৰলৈ যোৱা ৩৯ নং পথটোৰ কাষে কাষে তাহানি বৃটিছসকলে স্থাপন কৰা চাহ বাগানসমূহ আৰু চাহ উদ্যোগ আছে। এই বাগানসমূহৰ মাজৰ কিছু কিছু ঠাইত সৰু সৰু মন্দিৰ দেখা যায়। মই শুনামতে এই মন্দিৰসমূহ হেনো বৃটিছ শাসন কালত কাৰোবাৰ মৈদামেই আছিল। যদিও ইয়াক এতিয়া সজাই-পৰাই তাত পূজা-পাতল আদি কৰা হয়। দেও পাহাৰৰ বনাঞ্চলত বহুতো বনজ সম্পদ পোৱা যায় আৰু ইয়াত বিভিন্ন বন্যপ্ৰাণীয়ে মুক্ত মনে বিচৰণ কৰি ফুৰে। যেনে — হলৌ বান্দৰ, লাজুকী বান্দৰ, বনৰৌ, জহামাল, বাঘ (লতা মেকুৰী, নাহৰফুটুকী, টেঁকীয়াপতীয়া), কেটেলা পহু, শহা পহু, ছাগলী, গুঁই, হুদু, বিভিন্ন প্ৰজাতিৰ সাপৰ লগতে কেঁকো সাপ, হাতী আদি। দেও পাহাৰৰ ওপৰলৈ যোৱা পথত থকা দুজোপা ভেলৌ গছত বহুতো পৰিভ্ৰমী বৰমৌয়ে বাহ পাতেহি। এই বৰমৌৰ ওপৰতেই ৰাছিয়াৰ মস্কো বিশ্ববিদ্যালয়ৰ উদ্ভিদবিদ ড° মাৰ্জিল ভল্ডমিৰ চাগিবিকে গৱেষণা কৰিছিল আৰু জাৰ্মানীত ইয়াৰ ওপৰত এখন তথ্যচিত্ৰও নিৰ্মাণ হৈছিল। এইবোৰ থকাৰ উপৰিও ইয়াত এখন 'পখিলা উদ্যান' আছে। এই উদ্যানখন নুমলীগড় তেল-শোধনাগাৰৰ পৃষ্ঠপোষকতাত নিৰ্মিত এছিয়াৰ ভিতৰতে বৃহত্তম পখিলা কেন্দ্ৰ বুলি জনা যায়। এতিয়া এই উদ্যানখন 'টাউনশ্বিপ' নামেৰে ঠাইত সযতনে সংৰক্ষণ কৰি ৰখা হৈছে।

এই দেও পাহাৰৰ কাষতে নতুনকৈ নিৰ্মাণ কৰা 'বাবাথান' নামৰ এটি শিৱ মন্দিৰ আছে। এই মন্দিৰটো বচা পথাৰ নামৰ গাঁওখনৰ নাৰায়ণ কন্দলি নামৰ ব্ৰাহ্মণ এজনে প্ৰতিষ্ঠা কৰিছিল। এই থানখনত থকা শিৱ লিংগটো দেওপাহাৰৰ পৰা অনা হৈছিল। কোনো কোনোৰ মতে এই থানখন নাৰায়ণ কন্দলিয়ে সপোনত দেখিছিল যে সেই ঠাইত এটি শিৱ লিংগ মাটি ফাটি ওলাই আছে আৰু তেওঁ তাত এটা মন্দিৰ স্থাপন কৰিব লাগিব। সেইবাবেই তেওঁ এই থান প্ৰতিষ্ঠা কৰিছিল। (মই বেলেগৰ মুখেৰে শুনা মতে)। এতিয়া এই মন্দিৰটোৰ কাষতে এটি গণেশ মন্দিৰো স্থাপন কৰা হৈছে। এই থানৰ সন্মুখতে এটি নন্দীৰ মূৰ্তি আছে। এই নন্দীৰ কাণৰ কাষত যিবোৰ কথা কোৱা হয় সেইবোৰ শিৱৰ কাণত পৰে আৰু যি কোৱা হয় তাক ফলিয়াই বুলি বিশ্বাস কৰে। এই থানত নিতৌ শিৱ পূজা হোৱাৰ উপৰিও বছৰি শিৱৰাত্ৰি আৰু দুৰ্গা পূজা উদ্‌যাপন কৰা হয়। শিৱৰাত্ৰিৰ সময়ত এই থানলৈ বিভিন্ন প্ৰান্তৰ ভক্তৰ সমাগম ঘটে। নুমলীগড় তেল শোধনাগাৰ (NRL) হৈছে এই দেও পাহাৰৰ ওচৰতে লাগি থকা এটা উদ্যোগিক প্ৰতিষ্ঠান।

সঁচাকৈ মোৰ দৃষ্টিত নুমলীগড় দেও পাহাৰৰ দৃশ্য অতি মনোৰম। য'ৰ পৰা ওচৰৰ কাৰ্বি পাহাৰৰ সৌন্দৰ্য দেখা পোৱা যায়।



# সংস্কৃতিৰ অন্যতম প্ৰতীক ঢেঁকী

— লক্ষীপ্ৰিয়া হাজৰিকা
স্নাতক পঞ্চম ষান্মাষিক
অসমীয়া বিভাগ

"তোমাৰ পদূলিত ঢেঁকীৰ গুমগুমনি
জুঁইশালত কিহৰে খোলা;
টেকেলি কলহে যতনাই সযত্নে
কালৈনো সামৰি থ'লা।"

- এই বিহুনাম ফাঁকিতেই স্পষ্ট হয় যে, অসমীয়া সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ হ'ল ঢেঁকী। এই ঢেঁকী অসমীয়া জাতীয় জীৱনৰ লগত ইমান গভীৰভাৱে অন্তৰ্নিৰ্হিত হৈ আছে যে ঢেঁকীক উলাই কৰিলে অসমীয়া সংস্কৃতি হৈ পৰিব অসম্পূৰ্ণ।

অসমীয়া সংস্কৃতিৰ অপৰিহাৰ্য সম্পদ, এই ঢেঁকীৰ লগত অতীতৰ অসমীয়া গ্ৰাম্য সমাজৰ জীয়ৰী-বোৱাৰীৰ এক ওতঃপ্ৰোত সম্পৰ্ক আছিল। গাঁৱৰ প্ৰতিঘৰ মানুহৰ ঘৰতেই একো একোটা ঢেঁকী থকাটো প্ৰায় পৰম্পৰাগত নিয়মেই আছিল। ঢেঁকীৰ মাততেই পুৱাৰ সংকেত পোৱা গাঁৱৰ জীয়ৰী-বোৱাৰীয়ে পুৱাৰ প্ৰথম কাম হিচাপে এই ঢেঁকীতেই ধান বানিছিল, কিয়নো ঢেঁকীতেই দুবেলা দুসাঁজৰ ভাতৰ বাবে ধান বানি চাউল উলিয়াব লাগিছিল। পুৱাতেই গাঁৱৰ ওচৰৰ এঘৰত যদি ঢেঁকীৰ মাত শুনা যায় আন এঘৰৰ মাক-জীয়েক বা শাহুৱেক-বোৱাৰীয়েকৰ মাজত থাকৌ কথন-মথন আৰম্ভ হয়, "ৰীতাৰ ঘৰত ধান বানি শেষ হ'বৰে হ'ল, আমাৰ আকৌ পাটমাদৈসকলৰ ঢাৰি-পাটি এৰিবৰে হোৱা নাই।" এনেদৰে পুৱাৰ কিছুসময়ৰ পিছতেই গোটেই গাঁওখনত ঢেঁকীৰ শব্দই এটা শুভ দিনৰ আৰম্ভণি কৰে। অৱশ্যে খেতিৰ বতৰত গাঁৱৰ জীয়ৰী-বোৱাৰীয়ে ৰাতিপুৱা ঢেঁকীত ধান বানিবৰ বাবে বাট চাই নাথাকে, আগদিনাই নাইবা কাহিলি পুৱাতেই ঢেঁকীত ধান বানি চাউল উলিয়াই ভাত ৰান্ধি পুৱা পথাৰত ভূঁই ৰুবৰ বাবে ঢাপলি মেলে। বিহুৰ বতৰতো কথাই নাই দিনৰ দিনটো ৰাতিৰ ৰাতিটো ঢেঁকীৰ শব্দই আকাশ-বতাহ মুখৰিত কৰি তুলিছিল। সেই দিনবোৰত গ্ৰাম্য সমাজৰ মহিলাসকলে সুস্থ-সবল স্বাস্থ্য আৰু উদ্যমী মনেৰে দিনটো কৰ্মব্যস্ততাৰ মাজত সুন্দৰকৈ অতিবাহিত কৰিছিল।



কিন্তু সমাজ পৰিৱৰ্তনশীল। পৰিৱৰ্তনশীল সমাজৰ দ্ৰুত পৰিৱৰ্তনত অতীতৰ গ্ৰাম্য সমাজৰ অপৰিহাৰ্য্য ঢেঁকী সাম্প্ৰতিক যুগত অচল। বৰ্তমান গ্ৰাম্য সমাজত ঢেঁকীৰ পৰিৱৰ্তে ধানকলৰ প্ৰচলন হৈছে, যাৰ জৰিয়তে মানুহে অতি কম সময়ৰ ভিতৰতে শৰীৰৰ সামান্য শক্তিও প্ৰয়োগ নকৰাকৈ অধিক চাউল উলিয়াব পাৰে। বৰ্তমান গ্ৰাম্য সমাজত ঢেঁকী প্ৰায় লুপ্তই হৈছে। অৱশ্যে সমাজৰ কিছুমান সচেতন মানুহৰ ঘৰত এতিয়াও ঢেঁকী দেখিবলৈ পোৱা যায়। আনকি কিছুমান চহৰীয়া মানুহৰ ঘৰতো ঢেঁকী প্ৰত্যক্ষ হয় আৰু বিহুৰ বতৰত এই ঢেঁকীবোৰৰ মাত এতিয়াও বাজি উঠে।

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিয়ে মানুহৰ জীৱনটো সহজ আৰু সুগম কৰাৰ ফলস্বৰূপে অতীতৰ গাঁৱৰ জীয়ৰী বোৱাৰীয়ে অলপমান আজৰি সময়ৰ বাবে হাহাঁকাৰ কৰাৰ পৰিৱৰ্তে বৰ্তমান সময়ত আজৰি যথেষ্ট পোৱা গৈছে। এই সময়খিনি সদ্ব্যৱহাৰ কৰি নিজৰ জীৱনটোলৈ সুখ, আনন্দ কঢ়িয়াই অনাৰ পৰিৱৰ্তে কিছুমান জীয়ৰী-বোৱাৰীয়ে এই সময়খিনি অবাবত নষ্ট কৰি নিজৰ জীৱনটোলৈ বিপদ তথা দুৰ্যোগ নমাই আনিছে। আজিকালি গাঁৱৰ কিছুসংখ্যাক জীয়ৰী-বোৱাৰীয়ে দিনৰ দিনটো টেলিভিচনৰ সন্মুখত বহি হাঁহিৰ খোৱাকেৰে মন মানসিকতা পৰিৱৰ্তন কৰি আদৰ্শ গ্ৰহণ কৰিবলৈ বিভিন্ন চিনেমা, ধাৰাবাহিক আলোচনা আদি উপভোগ কৰে। এইবোৰৰ জৰিয়তে প্ৰদৰ্শন কৰা হত্যা, ধৰ্ষণ, পৰস্পৰৰ সংঘাত, গৃহ কন্দল, বিবাহ বিচ্ছেদ আদি ঘটনাৰ মাধ্যমেদি সৰহ সংখ্যক নাৰীয়ে ইতিবাচক চিন্তাধাৰাৰ পৰিৱৰ্তে নেতিবাচক চিন্তাধাৰাক অগ্ৰাধিকাৰ দি নিজৰ জীৱনটো দুৰ্বিসহ কৰি তুলিছে।

অৱশ্যে সমাজৰ লোকসকলে প্ৰাচীন ধ্যান-ধাৰণাক পৰিৱৰ্তন কৰি আধুনিকতা গ্ৰহণ কৰি খোজ কাঢ়ি যাবই লাগিব অন্যথা আমাৰ সমাজখন বহু দূৰ পিছপৰি ৰ'ব। কিন্তু এই পৰিবৰ্তন অধিক সুখময় নে বিষময় সেই কথা সমাজৰ প্ৰত্যেকজনলোকে সুস্থ মন মানসিকতাৰে ভবাৰ প্ৰয়োজনীয়তা আহি পৰিছে।

কিন্তু আমি পৰিৱৰ্তনৰ দিশে ধাৱমান হ'লেও আমাৰ সংস্কৃতিক সম্পূৰ্ণৰূপে বৰ্জন কৰি সমাজৰ পৰা একেবাৰে নিঃচ্ছিন্ন কৰিব নোৱাৰোঁ। কিয়নো আমি ভৱিষ্যত প্ৰজন্মক অসমীয়া সংস্কৃতিৰ পৰিপূৰ্ণ ভঁৰালৰ প্ৰত্যেকটো সম্পদকে চিনাকীৰ যোগেদি সেই সংস্কৃতিৰ ৰক্ষাৰ প্ৰতি তেওঁলোকক আগ্ৰহী কৰি তুলিব লাগিব, উৎসাহ যোগাব লাগিব। ইয়াকে নকৰি যদি আমি আধুনিকতাৰ ঢৌত নিজকে উটুৱাই দিওঁ; তেন্তে অসমীয়া সংস্কৃতিৰ ভঁৰালটোৰ এপদ এপদকৈ সম্পদ পৰিৱৰ্তনৰ সোঁতত হেৰাই গৈ এসময়ত এই ভঁৰালটো উদং হৈ পৰিব।

গতিকে আহঁক আমি সকলোৱে অসমীয়া সংস্কৃতিৰ প্ৰত্যেকটো সম্পদকে সংৰক্ষণ কৰোঁ আৰু ভৱিষ্যত প্ৰজন্মকো অনুপ্ৰাণিত কৰোঁ।

★★★★★★



"ব'হাগ মাথো এটি ঋতু নহয়, নহয় ব'হাগ এটি মাহ, অসমীয়া জাতিৰ ই আয়ুসৰেখা, গণজীৱনৰ ই সাহ।" ব'হাগ মানেই ৰঙালী। এই ৰং হৈছে প্ৰেম ভালপোৱাৰ। ব'হাগৰ লগত জড়িত হৈ আছে এক অমায়িক ৰোমান্টিকতা।

# সোঁৱৰণীৰ সেওঁতাত ৰঙালী বিহুটি আৰু বৰ্তমানৰ অস্তিত্ব

— নিকিতা দত্ত
প্ৰথম ষান্মাসিক
ভূগোল বিভাগ

"হে মূৰ্ত সোঁৱৰণী মেলি দিয়া স্মৃতিৰ দুৱাৰ, প্ৰাণভৰি চাওঁ মই অতীতৰ সোণালী দিনৰ বিহুৰ সময়ত প্ৰতিজন অসমীয়াৰ মানসপটত থিতাপি লোৱা সেই মধুময় স্মৃতিবোৰ।"

সৃষ্টিৰ সফলতাত চিৰপ্ৰৱাহমান কক্ষপথেৰে আগবাঢ়ি অহা ছয় ঋতুৰ ভিতৰত উল্লেখনীয় বসন্তই জানে বহাগৰ বতৰা। শীতৰ হাড় কঁপোৱা জাৰৰ উৰুঙাখিনি মাৰ যোৱাই জাৰৰ অন্তত আহে উতনুৱা ফাগুন। ৰিব ৰিব মলয়াৰ বা ছাটিয়ে প্ৰকৃতিক লঠঙা কৰি নতুনত্বৰ আহ্বান জনাই এজাক অনাকাংক্ষিত বৰষুণে ধূলিৰ আচ্ছাদন উৰুৱাই পৰিস্কাৰ কৰি চৌপাশ চাৰিওফালে সেউজীয়াৰ নৱপ্ৰকাশ ঘটি অপেক্ষাৰত হয় ঋতুৰাজ বসন্তলৈ। লগে লগে আগমন ঘটে কুলিৰ সুৱদী কণ্ঠৰ, তাৰ ধ্বনিত চৌপাশ ৰজনজনাই উঠে আৰু প্ৰতিজন অসমীয়াৰ গা সাতখন, আঠখন কৰি তোলে। ব্যস্ত হৈ পৰে ৰঙালীক আদৰিবলৈ। হেঁপাহৰ বিহুটিক লৈ সংগীতসূৰ্য ড০ ভূপেন হাজৰিকাই লিখিছিল – "ব'হাগ মাথো এটি ঋতু নহয়, নহয় ব'হাগ এটি মাহ, অসমীয়া জাতিৰ ই আয়ুসৰেখা, গণজীৱনৰ ই সাহ।" ব'হাগ মানেই ৰঙালী। এই ৰং হৈছে প্ৰেম ভালপোৱাৰ। ব'হাগৰ লগত জড়িত হৈ আছে এক অমায়িক ৰোমান্টিকতা। যাৰ পূৰ্ণ প্ৰতিফলন ঘটে বিহুনামৰ শাৰীত নিজৰ অস্তিত্বক উদঙাই ডাল ভৰি ফুলা কপৌপাহি আৰু কুলিৰ মৌ-সনা মাতে প্ৰেমৰ ৰাগিত মতলীয়া কৰি তোলে অসমীয়া ডেকা-গাভৰুৰ মন প্ৰাণ। ঢোল-পেঁপা, গগনাৰ চাপৰত মতলীয়া হৈ প্ৰকাশ কৰে প্ৰতিজন অসমীয়াই ব'হাগৰ



লগত থকা নিবিড় সম্পৰ্কক, মূল-মূলকে এয়াই অসমীয়া গণজীৱনৰ আয়ুস ৰখা।

কিন্তু...... কিন্তু বুলি আজি কিছুপৰ থমকিব লগা হৈছে। হাতৰ কলমটিয়ে অবাধ্য হৈও বাধ্য হৈ পৰিছে আজিৰ দিনত ৰঙালী বিহুটিৰ অস্তিত্বক ব্যক্ত কৰিবলৈ। সময়ৰ পাকচক্ৰত পৰি আজি অসমীয়াৰ বাপতীসাহোন ৰঙালী বিহুটি অসমীয়াৰ হেঁপাহৰ হৈ থকা নাই। ইয়াৰ লগত আবেগ জড়িত হৈ থকা নাই। বৰঞ্চ আজিৰ দিনত ব'হাগ মানেই সংবাদ মাধ্যমবোৰৰপ্ৰচাৰৰ মূল বিষয়। বিতৰ্কৰ মূল পৰিচালিকা শক্তিত পৰিণত হৈ গৈছে। গৈছে নহয় গ'ল বুলি ক'লেহে সঠিক হ'ব। ইয়াৰ মূল কাৰণ হ'ল আজি অসমীয়াৰ বাপতীসাহোন বিহুটিক ব্যৱসায়ৰ উত্তম আহিলাৰূপে অসমীয়াই গ্ৰহণ কৰিবলৈ এক মূহুৰ্তও থমকিব লগা নহ'ল। আজি একাংশ সজাগ জনতাই বিহুপাতি ব্যৱসায় কৰিবলৈ ল'লে। একাংশই বিহু দেখুৱাই ব্যৱসায় কৰিবলৈ ল'লে আৰু একাংশই ধনৰ লালসাত পৰিবলৈ ল'লে। যেন ব'হাগ মানেই তেওঁলোকৰ ব্যৱসায়ৰ অত্যাধিক লাভৰ দিন। কিয় জানো সময়বোৰ ইমান নিষ্ঠুৰ হৈ পৰি। আজিৰ দিনত ব'হাগ মানে ৰঙালীৰ উলাহ নে উন্মাদন পৰিবেশৰ ধামখুমীয়া একোকে গমকে নোপোৱা হৈ গৈছে ক্ৰমশ......। বৰ্তমান সময়ত বিহু মানেই যে বিহু সন্মিলন। একোখন মঞ্চত একোজন সংগীত শিল্পীৰ সুললিত কণ্ঠত গীতৰ সমাহাৰ তাৰ মাজত আকৌ নানা কথাত বাক বিতণ্ডাৰ অন্ত নাই। সেইবোৰকে আকৌ বিষয় হিচাপে লৈ সংবাদ মাধ্যমত বিশাল প্ৰচাৰ আয়োজন। টেলিভিচনৰ প্ৰতিটো নিউজ চেনেলত বিহুক লৈ নানা প্ৰতিযোগিতাৰ আয়োজন। আজিৰ দিনত গাওঁসমূহত হুঁচৰি দল, জেং বিহুৰ দল চাবলৈ নোপোৱা হ'ল, চাবলৈ পোৱা গৈছে টেলিভিচনৰ পৰ্দাত, সন্মিলনী মঞ্চত। আগতে সেই গছৰ তলত মন-প্ৰাণ ঢালি, হিয়া উজাৰি বিহুগীত



জোৰা অসময়ী আৰু আজি নাই। আজিৰ জটিলতাময়, যান্ত্ৰিকতাময় সমাজ ব্যৱস্থাত মানুহৰ মনোবোৰো যান্ত্ৰিক হৈ পৰিছে। অত্যাধিক বিলাসিতাপূৰ্ণ জীৱন যাত্ৰাত আজি অসমীয়া জন জীৱনৰ মাজত নতুনত্বৰ উন্মেষ ঘটিছে।

এটা কথা ঠিক সময় পৰিৱৰ্তনশীল। গছৰ ছাল পৰিধান কৰাৰ পৰা অগ্ৰসৰ হৈ আহি মানৱ সমাজে যেতিয়া জাক-জমকৰে তৈয়াৰী নানা সাজ পৰিধান কৰিব পাৰিলে তেনে ক্ষেত্ৰত নানা পৰিৱৰ্তনবোৰ আজি স্বাভাৱিক পৰিঘটনা। তথাপিও কিন্তু এইটো নহয় যে সকলোতে পৰিৱৰ্তনৰ ঢল বৈ অস্তিত্বহীন হৈ যাব। বিশেষতঃ বাপতিসাহোন ৰঙালী বিহুটি যেন পৰিৱৰ্তনৰ কোবাল সোঁতেৰে আৰু আগুৱাই নাযায়। ৰঙালী বিহুটিৰ অস্তিত্ব হেৰাই যোৱা মানে অসমীয়া জাতিৰ অস্তিত্ব হেৰুওৱা। সজাগ হোৱা উচিত অসমীয়া সমাজ ব্যৱস্থা, বেছি বিলাসভৰা জীৱন গঢ়াৰ সপোন বাদ দি নিজ অস্তিত্বক জীয়াই ৰখাৰ চেষ্টা কৰা উচিত। এটা কথা প্ৰতিধ্বনিত হোৱা উচিত যে বিহু আমাৰ প্ৰাণ, আমাৰ মান। সেয়েহে কওঁ সোঁৱৰণীৰ সেওঁতাৰ সেই ৰঙালী বিহুটি যেনে আছিল তেনে দৰেই থকা উচিত।

★★★★★★

> শিক্ষকসকল জীৱনদাতা পিতৃ-মাতৃতকৈও বেছি শ্ৰদ্ধাৰ পাত্ৰ কাৰণ পিতৃ-মাতৃয়ে সন্তান জন্মহে দিয়ে, জীৱনৰ যাত্ৰাৰ প্ৰণালী শিক্ষকেহে নিৰূপণ কৰে।
>
> — এৰিষ্টটল

চিন্তাশিল্প ঃ শিক্ষা

# শিক্ষাৰ গুৰুত্ব

শিক্ষা হৈছে এনে এক প্ৰক্ৰিয়া, যাৰ দ্বাৰা ব্যক্তিয়ে পৰিৱেশৰ লগত সুস্থ সমযোজনা স্থাপন কৰিব পাৰে। অহৰহভাৱে কৰা প্ৰচেষ্টাৰ বলত ই মানৱ জীৱনত গোটেই জীৱন ব্যাপি চলি থাকে আৰু মনুষ্যত্বৰ আচৰণ সংশোধন কৰে।

— বৰষা গগৈ
পঞ্চম ষান্মাসিক, বুৰঞ্জী বিভাগ

শিক্ষাৰ মূল উদ্দেশ্য হৈছে ব্যক্তিত্বৰ দ্বাৰা ব্যক্তিৰ বিকাশ ঘটোৱা। শিক্ষাই মানসিক প্ৰশান্তি আৰু আনন্দ দিয়ে। শিক্ষা কাৰ্যক সাৰ্থক কৰি তোলে আত্মবিশ্বাস আৰু উৎসাহ শিক্ষাই জগতত জ্ঞানৰ পোহৰ বিলায়। মানুহে যি অন্তৰ্নিহিত শক্তিৰ দ্বাৰা বিকাশ লাভ কৰে তাৰ দ্বাৰাহি এই ধৰাৰ মানৱ সমাজৰ প্ৰগতিৰ পথ সুচল হয়।

শিক্ষাই বিচাৰ বিবেচনা তুলনা কৰাত, সৃজনীমূলক কল্পনাৰ সম্বন্ধে মনত শুদ্ধ ধাৰণা প্ৰক্ৰিয়াৰে বুদ্ধিৰ বিকাশত অৰিহণা যোগায়। মনত শুদ্ধতাৰ বাবে আধ্যাত্মিক জ্ঞান যেনেকৈ অতি প্ৰয়োজন তেনেকৈ মনৰ সংকীৰ্ণতা, কু-সংস্কাৰ আদি দূৰ কৰিবলৈ শিক্ষা অতি প্ৰয়োজন। গুণগত শিক্ষাৰ দ্বাৰা প্ৰত্যেক স্তৰতে শিশুৱে এটি পবিত্ৰ স্বাস্থ্যৱান সংস্কৃতি সম্পন্ন জীৱন-যাত্ৰা নিৰ্বাহিৰ বাবে, এটি আত্মনিৰ্ভৰশীল নৈতিক আৰু সামাজিক সমল ৰক্ষা কৰি চলিব পাৰে।

শিক্ষা হৈছে এনে এক প্ৰক্ৰিয়া, যাৰ দ্বাৰা ব্যক্তিয়ে পৰিৱেশৰ লগত সুস্থ সমযোজনা স্থাপন কৰিব পাৰে। অহৰহভাৱে কৰা প্ৰচেষ্টাৰ বলত ই মানৱ জীৱনত গোটেই জীৱন ব্যাপি চলি থাকে আৰু মনুষ্যত্বৰ আচৰণ সংশোধন কৰে।

জীৱনৰ প্ৰস্তুতি আৰু আচৰণ সংশোধন স্বৰূপে শিক্ষাই জীৱনব্যাপি প্ৰক্ৰিয়া কৰে। ই নতুন পৰিস্থিতিত লাভ কৰা অভিজ্ঞতাৰ যোগেদি পুৰণি অভিজ্ঞতাবোৰ পুনৰাই নিৰ্মাণ কৰে। সমাজ বিকাশৰ গতি কেতিয়াও স্থবিৰ নহবলৈ সমাজৰ বিকাশশীল পৰিৱৰ্তন সাধিবলৈ মূল আহিলা হৈছে শিক্ষা। প্ৰতিখন সু-সংগঠিত সমাজৰেই সামাজিক ঐতিহ্য থাকে। শিক্ষা দৰ্শনৰ এক প্ৰক্ৰিয়া স্বৰূপ। দৰ্শন আৰু শিক্ষাৰ এনে ওতঃপ্ৰোত সম্বন্ধ থকাৰ বাবেই প্ৰতিজন মহান শিক্ষাবিদ হৈছে দাৰ্শনিক। কলাত্মক যোগ্যতাৰ প্ৰতিভাৰে এজন শিক্ষক জন্মে। এই শিক্ষকসকলেই শিশুসকলক বা ছাত্ৰ-ছাত্ৰীসকলক আত্মনিৰ্ভৰশীল হ'বলৈ, নিজ আচৰণ আৰু ভাৱ-চিন্তা আদিত এক সুন্দৰতা গঢ়িবলৈ শিকায়। ক্ৰমবৰ্ধমান শিশুসকলৰ কাৰণে বিভিন্ন স্তৰৰ শিক্ষা ব্যৱস্থাৰ প্ৰয়োজন। আনুষ্ঠানিক শিক্ষা অনানুষ্ঠানিক শিক্ষা আৰু অগতানুগতিক শিক্ষা।

বৰ্তমান যুগ হৈছে মানৱ সমাজৰ সকলোবোৰ ভিন্নমুখী চিন্তা-ভাৱনা আৰু ক্ৰিয়াৰ সমন্বয় সাধনৰ যুগ। আজিৰ একবিংশ শতিকাত সমগ্ৰ বিশ্বতে নৱ-প্ৰজন্মৰ একাংশ যুৱক-যুৱতীয়েই বেছি সমালোচিত হোৱা পৰিলক্ষিত হৈছে। সুস্থ মানসিকতাই এখন সুন্দৰ আটক ধুনীয়া সমাজ গঢ়ে। এই সুস্থ মানসিকতাৰ বাবে প্ৰয়োজন শিক্ষা। শিক্ষাৰ দ্বাৰা সৎ জ্ঞান লাভ কৰি, সৎ চিন্তাত চিত্ত অৰ্পন কৰিবলৈ অভিভাৱক সকলো সচেতন হ'ব লাগিব। যেনেকৈ ধৰ্মহীন জীৱন, জীৱন হ'ব নোৱাৰে। ঠিক সেইদৰে শিক্ষাহীন বা জ্ঞানবিহীন জীৱনো জীৱন হ'ব নোৱাৰে। পুৰণিকালত পুৰুষৰ শিক্ষাৰ প্ৰতিহে মানুহ আকৰ্ষিত আছিল। নাৰীক শিক্ষাদানৰ কথা ভবাই নাছিল। কিন্তু বৰ্তমানৰ জ্ঞানৰ প্ৰসাৰে মানুহক বুজাই তুলিব পাৰিলে যে বৰ্তমান পৃথিৱীত নাৰী শিক্ষাৰ কিমান প্ৰয়োজন আছিল। আজিকালি শিক্ষা ক্ষেত্ৰখনত নাৰী শিক্ষাইও গুৰুত্ব লাভ কৰিছে। নাৰী আৰু পুৰুষ যদি সমানে শিক্ষিত আৰু স্বাৱলম্বী নহয় তেনেহ'লে আমাৰ সমাজখন কেতিয়াও আগবাঢ়ি যাব নোৱাৰিব। সেয়েহে আমেৰিকাৰ ধৰ্মগুৰু বিঘ্রাম ইয়ঙে কৈছিল যে – "এজন পুৰুষক শিক্ষাদান কৰাৰ মানে তেওঁক শিক্ষিত কৰা, কিন্তু এগৰাকী নাৰীক শিক্ষাদান কৰা মানে এটা প্ৰজন্মক শিক্ষিত কৰাত অবদান যোগোৱা।"

# গৃহ বিজ্ঞান শিক্ষাৰ প্ৰয়োজনীয়তা

—উপাসনা দাস
স্নাতক পঞ্চম ষান্মাষিক

গৃহ বিজ্ঞান হৈছে ক'লা আৰু বিজ্ঞানৰ সমন্বয়ত গঢ় লৈ উঠা এক শিক্ষা, যি শিক্ষা গ্ৰহণ কৰি বৰ্তমান যুগৰ প্ৰত্যেকগৰাকী ছাত্ৰী, নাৰীয়ে বিজ্ঞানৰ বিভিন্ন উদ্ভাৱনৰ লগত পৰিচিত হোৱাৰ লগতে এইবোৰৰ সু ব্যৱহাৰৰ দ্বাৰা এখন ঘৰ সুপৰিকল্পিতভাৱে পৰিচালনা কৰিব পাৰে। তাৰোপৰি প্ৰত্যেকজন লোকৰ মাজত ভাতৃত্ববোধ, মৰম চেনেহৰ ভাব গঢ়ি তোলাৰ লগতে সুখ দুখৰ ভাগ বতৰাৰে অৰ্থনৈতিক অৱস্থা আৰু নৈতিক মানদণ্ড উন্নত কৰি এক সুখী জীৱন যাপন কৰাতো সহায় কৰে।

গৃহ বিজ্ঞান শিক্ষাই পৰিৱৰ্তিত সমাজত, পৰিয়ালৰ সকলোৰে সামগ্ৰীক কল্যাণ সাধন কৰাত সহায় কৰে। গৃহ পৰিচালনাত কৌশলগত আৰু বিজ্ঞান সন্মত জ্ঞানৰ আৱশ্যক। এনেধৰণৰ জ্ঞানে এগৰাকী গৃহিণীক যিকোনো প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ সাহস যোগায়। এগৰাকী মহিলাই পৰিয়াল গঠন কৰাৰ পিছত পত্নী, মাতৃ, ৰান্ধনী, শুশ্ৰূষাকাৰিণী, শিশু মনোবিজ্ঞানী, জনসংযোগ ৰক্ষাকাৰিণী ইত্যাদি বিভিন্ন ভূমিকা পালন কৰিবলগীয়া হয়।

গৃহ বিজ্ঞান বিষয়টো মহিলাৰ বাবে আগবঢ়োৱা এটা বিষয়। এই শিক্ষা লাভ কৰিলেই যে এগৰাকী ছোৱালী সু-গৃহিনী হ'ব তেনে নহয়। এই শিক্ষাই মহিলাক পাৰিবাৰিক আৰু সামাজিক ক্ষেত্ৰত এগৰাকী পৰিচালক তথা উপদেষ্টা হিচাবে গঢ়ি তুলিব পাৰে। গৃহ বিজ্ঞান বিষয়টোৰ অন্তৰ্গত শাখাসমূহ হ'ল এনেধৰণৰ –

(১) খাদ্য আৰু পৰিপুষ্টি
(২) মানৱ বিকাশ
(৩) বস্ত্ৰ আৰু সাজপাৰ
(৪) মানৱ সম্পদ পৰিচালনা
(৫) সম্প্ৰসাৰণ শিক্ষা

**শিক্ষানুষ্ঠানত গৃহ বিজ্ঞান স্নাতক ডিগ্ৰীধাৰীসকলৰ কৰ্মসংস্থাপনৰ সুবিধা ঃ**

গৃহ বিজ্ঞান বিষয়ৰ স্নাতক ডিগ্ৰীধাৰী ছাত্ৰীসকলে বিভিন্ন চৰকাৰী বা বেচৰকাৰী মহাবিদ্যালয়ত প্ৰৱক্তা হিচাপে সেৱা আগবঢ়াব পাৰে। তাৰোপৰি হাইস্কুল পৰ্যায়ত নিয়োগৰ সুবিধা লাভ কৰিব পাৰে।





খাদ্য আৰু পুষ্টি বিভাগত স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰীধাৰী ছাত্ৰ-ছাত্ৰীসকলে খাদ্য আৰু পুষ্টি বিভাগত থকা কাফেটেৰীয়াত পৰিচালিকা হিচাপে, 'পুষ্টি পৰামৰ্শ কেন্দ্ৰ'ত পৰামৰ্শদাতা হিচাবে নিয়োজিত হ'ব পাৰে। ইয়াৰ বাহিৰেও বস্ত্ৰ আৰু সাজপাৰ পৰিয়ালৰ সম্পদ পৰিচালনা আৰু সম্প্ৰসাৰণ শিক্ষা শাখাত স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰীধাৰী ছাত্ৰ-ছাত্ৰীয়ে ক্ৰমে বিভাগত শিক্ষক হিচাবে আৰু লেবৰেটৰী বা প্ৰকল্পৰ কামত নিয়োগ লাভ কৰিব পাৰে।

শিক্ষানুষ্ঠানৰ উপৰিও বাহিৰা অনুষ্ঠানতো বহুতো কৰ্মসংস্থাপনৰ সুবিধা থকা দেখা যায় -

(১) উৎপাদন মূলক বৃত্তিত পোছাক তৈয়াৰ, খাদ্য সংৰক্ষণ আৰু বিশেষভাৱে ৰন্ধা খাদ্য ইত্যাদিৰে উপাৰ্জন কৰিব পাৰি। বহুতো ডিগ্ৰীধাৰী ছাত্ৰীয়ে টেক্সটাইল ডিজাইনিং, ফেশ্বন ডিজাইনিং, পোছাক উৎপাদন অথবা খাদ্য উদ্যোগ/ হোটেল আদিত কাম কৰিব পাৰে।

(২) কাৰিকৰীমূলক বৃত্তিত খাদ্য উদ্যোগসমূহত সহকাৰী গৱেষক, খাদ্য, বিশ্লেষক, প্ৰশিক্ষক, খাদ্য বিজ্ঞানী হিচাবে নিয়োজিত হ'ব পাৰে।

(৩) বিক্ৰয়মূলক বৃত্তিত বৰ্তমান বিশ্বায়নৰ যুগত বিশেষ ধৰণে ৰন্ধা খাদ্য, থিতাতে ৰান্ধি খাব পৰা খাদ্য, প্ৰাকসিদ্ধ খাদ্য, টিফিন আদি বিক্ৰয়ৰ ক্ষেত্ৰত পুষ্টি সম্বন্ধীয় জ্ঞানেৰে পুষ্টি গৃহ বিজ্ঞানৰ স্নাতক বা স্নাতকোত্তৰ ডিগ্ৰীধাৰী ছাত্ৰীক নিয়োগ কৰা হয়। সাজে পোছাকৰ ক্ষেত্ৰতো এই ডিগ্ৰীধাৰীসকলে নিয়োগৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ পায়।

(৪) সেৱা বৃত্তিত হোটেল, পৰ্যটক নিবাস, খাদ্য যোগান ধৰা গোট, দ্ৰুতখাদ্য প্ৰস্তুত কৰা গোট আদিত গৃহবিজ্ঞানীসকলে সেৱা ভিত্তিক বৃত্তিত নিয়োগ লাভ কৰিব পাৰে। ইয়াৰ উপৰি শিশুৰ বিকাশত বিশেষ পাৰদৰ্শিতা লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলে শিশু আৰু মহিলাৰ কল্যাণৰ বাবে স্থাপন কৰা প্ৰকল্প সমূহত প্ৰশাসনিক পদৱী আৰু অধীক্ষক আদি পদবীত নিয়োগ লাভ কৰাৰ উপৰি পৰামৰ্শ সেৱা, শিশুৰ পুতলাৰ ডিজাইন প্ৰস্তুত কাৰক হিচাপে নিয়োজিত হ'ব পাৰে। বৰ্তমান সময়ত গৃহ বিজ্ঞান বিষয়টোৱে উচ্চ শিক্ষাৰ প্ৰযুক্তিৰ অনুষ্ঠান সমূহতো স্থান অধিকাৰ কৰিব পাৰিছে। মহিলাৰ পলিটেকনিকসমূহত গৃহ বিজ্ঞান, কলা শাখাত গৃহ সজ্জাৰ শিক্ষাত স্নাতক ডিগ্ৰী আৰু স্নাতকোত্তৰ ডিগ্ৰী, বিজ্ঞান শাখাত স্নাতক ডিগ্ৰী আৰু স্নাতকোত্তৰ ডিগ্ৰী, গৃহবিজ্ঞানসহ বি.এড. ডিগ্ৰী, গৃহ বিজ্ঞানত এম.ফিল. আৰু পি.এইচ.ডি. ডিগ্ৰী, Early Childhood Education ত স্নাতক ডিগ্ৰী, গৃহবিজ্ঞানত সন্মানসহ স্নাতক ডিগ্ৰী, গৃহবিজ্ঞানত ডিপ্লোমা, প্ৰাক প্ৰাথমিক শিক্ষা Dietetics, Institutional Management আভ্যন্তৰীণ গৃহসজ্জা, সম্প্ৰসাৰণ শিক্ষা আদিত ডিপ্লোমা আদিৰে ইয়াৰ বহুত প্ৰসাৰ হোৱা পৰিলক্ষিত হৈছে।

বহুতো মানুহৰ এটা ধাৰণা যে বিজ্ঞান বিভাগত খোৱা বস্তু বনাবলৈ শিকায়। কিন্তু এই বিষয়টোৰ ওপৰত বহুতো ভাল ভাল ধাৰণাৰ বিষয়ে আমি ইতিমধ্যে গম পালো। এই বিষয়টোৰ জৰিয়তেই বৰ্তমান যুগৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ লগত জড়িত এগৰাকী মহিলাই স্ব-উপাৰ্জনেৰে পৰিয়ালক সহায় কৰাৰ লগতে নিজৰ শাৰীৰিক, মানসিক আৰু সামাজিক দিশত উৎকৰ্ষ সাধন কৰিবৰ বাবে এই গৃহ বিজ্ঞান শিক্ষাই যথেষ্ট সহায় কৰা পৰিলক্ষিত হয়। তাৰোপৰি এই শিক্ষাৰ দ্বাৰা এগৰাকী ছোৱালীক ঘৰ এখনৰ প্ৰতিটো দিশত যথেষ্ট পাৰদৰ্শিতাৰে পৰিচালনা কৰিব পৰা দক্ষতা লাভ কৰাত সহায় কৰে।

## চিন্তাশিল্প ঃ সমাজ আৰু সাহিত্য

# আধুনিকতা আৰু যান্ত্ৰিকতা

— তৃষ্ণা কুৰ্মী
স্নাতক পঞ্চম যান্মাসিক
শিক্ষা বিভাগ



যদিও যান্ত্ৰিকতা এটা তেনেই সৰু শব্দ। তথাপিও সমগ্ৰ পৃথিৱীকে যান্ত্ৰিকতাই গ্ৰাস কৰি পেলাইছে। জীৱনত যান্ত্ৰিকতাই গ্ৰাস কৰিলে হৃদয়খনো হৈ পৰিব পাৰে শেলুৱৈয়ে ধৰা শিলটোৰ দৰেই, যাৰ প্ৰকৃত সৌন্দৰ্য কেতিয়াও ফুটি নুঠে। য'ত বান্ধিবও নোৱাৰি বিশ্বাসৰ মথাউৰি। অসমখন অতীজৰে পৰা ভাৰতবৰ্ষৰ এখন ঐতিহ্যপূৰ্ণ ৰাজ্য হিচাপে পৰিগণিত হৈ আহিছে। অসমখন পৰম্পৰাগতভাৱে সংস্কাৰ আৰু বিভিন্ন বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতিৰে ভৰপূৰ। অসমৰ মানুহৰ সৰলতাই সকলোকে আকৰ্ষিত কৰি আহিছে। সেয়েহে আমি এনে এখন অসম মাতৃৰ সন্তান হিচাপে নিজকে গৌৰৱবোধ কৰোঁ। অসমৰ এই আদৰ্শক শুৱনি কৰি ৰাখিবলৈ আমি আমাৰ মনত যান্ত্ৰিকতাক কেতিয়াও ঠাই দিব নালাগিব। আধুনিকতা আমাৰ কাম্য হোৱা উচিত কিন্তু যান্ত্ৰিকতাক দূৰ কৰাটো আমাৰ প্ৰয়াস হোৱা উচিত। অন্যথা বিখ্যাত মানৱপ্ৰেমী গায়ক ভূপেন হাজৰিকাৰ বিখ্যাত আৰু জনপ্ৰিয় গীতটো - ("মানুহে মানুহৰ বাবে, যদিহে অকণো নাভাবে, অকণি সহানুভূতিৰে... ভাবিব কোনেনো কোৱা......., সমনীয়া.........") মূল্যহীন হৈ পৰিব।

এসময়ত আমাৰ সমাজত মুষলধাৰে নামি অহা বিষাদৰ বৰষুণৰ কাহিনী আজিও বুৰঞ্জীত খোদিত হৈ আছে। এসময়ত সময়ৰ বলুকাৰাশিত ভয়ংকৰ ধুমুহাৰ মাজেৰে উটি-ভাঁহি গ'ল ক'তনা ভাল-লগা, বেয়া লগা স্মৃতি। তথাপিও পৰিৱৰ্তিত সময়ত আমাৰ সমাজখন সফলতাৰে চাৰিওদিশে বিস্তৃত হৈ গৈ থাকিল। আৰু ক্ৰমান্বয়ে উন্নতিৰ জখলাত বগাবলৈ সক্ষম হৈছে। শিশুৰ পৰা বৃদ্ধলৈকে বহুতো প্ৰতিভাৱান লোকে বহুতো ছাত্ৰ-ছাত্ৰীয়ে অশেষ কষ্ট, অনেক অভাৱ নানান বাধাক নেওচি নিজৰ অন্তৰ্নিহিত প্ৰতিভাক আন্তঃ ৰাষ্ট্ৰীয় পৰ্যায়তো প্ৰদৰ্শন কৰি নিজস্ব এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে। এনেকৈয়ে বহুতো

Scanned with OKEN Scanner

প্ৰতিভাই আমাৰ মাজতে থাকি সমাজখনক চহকী কৰি আমাক গৌৰৱান্বিত হোৱাৰ অধিকাৰী কৰি তুলিছে। ক্ৰমশ সমাজখন আধুনিকতাৰ দিশত অগ্ৰসৰ হৈ গৈ থাকিল। ইয়াতকৈ সুখৰ কথা কি হ'ব পাৰে? কিন্তু এনে এখন সমাজত বাস কৰি আধুনিকতাৰ দৈনিকতাত নিজৰ বাস্তৱক পাহৰাৰ কচৰৎ কৰাৰ প্ৰয়োজনেই বা কি? সাম্প্ৰতিক সময়ৰ সমস্যাৰূপে যুৱ উশৃংখলতাই সমাজত এটা বিৰূপ প্ৰভাৱ পেলাইছে। যিহেতু, বিশ্বৰ দৰবাৰত সমাদৰ লাভ কৰা এনে এখন অসমীয়া সমাজক ভৱিষ্যতে ধৰি ৰখাৰ দায়িত্ব আৰু যি কৰ্তব্য সেয়া পালন কৰিব লাগিব আমাৰ যুৱ-চামেই। গতিকে উশৃংখলপূৰ্ণ যুৱ-সমাজ এখন লৈ আধুনিক হ'বলৈ গৈ যান্ত্ৰিক হবলৈ ধৰিলে হয়তো সেয়া সম্ভৱ নহ'ব। কিয়নো যান্ত্ৰিকতাত স্বাৰ্থহীন সূক্ষ্ম অনুভূতিৰ অভাৱ। যান্ত্ৰিকতাৰ মেৰপাকত মানুহবোৰ ব্যক্তিকেন্দ্ৰিক হৈ পৰে দিনক দিনে। উদাহৰণস্বৰূপে - ল'ৰা-ছোৱালীৰ ব্যস্ততাৰে ভৰা দিনটোৰ অন্তত মাকে অতি মৰমেৰে বাঢ়ি দিয়া ভাত কেইটা খাবৰ সময়তো মোবাইল ইন্টাৰনেটত ব্যস্ত হৈ থকা দেখা যায়। আগৰ দৰে এতিয়া আৰু মা-দেউতাৰ সপোনবোৰক বাস্তৱায়িত কৰাৰ হেপাঁহ বুকুত বান্ধি লৈ নুফুৰে। বৰঞ্চ ভাল কথা ক'লেও, কথা-শুনা ল'ৰা-ছোৱালীৰ অভাৱ পৰিলক্ষিত হয়। তাৰ পৰিবৰ্তে দিনটো অতি হেপাঁহেৰে ছোৱালীজনী বা ল'ৰাটোলৈ বাট চাই থকা ঘৰৰ সদস্যসকলৰ খবৰ এটা ল'বলৈয়ো সময়ৰ অভাৱ। মোটামোটি কথাকেইটা পাতি নিজৰ ৰুমত নিজৰ সৈতে আকৌ ব্যস্ত হৈ পৰে। এয়া আছিল যান্ত্ৰিকতাই গ্ৰাস কৰা এটি সৰু প্ৰতিচ্ছবিহে মাথোন। আচঁলতে আমি কথাবোৰক গভীৰ উপলব্ধিৰে হৃদয়ংগম কৰিবলৈ শিকাই নাই। তাৰ মূলতে হৈছে যান্ত্ৰিকতা। যান্ত্ৰিকতাৰ পথত আমি অগ্ৰসৰ হৈছো সঁচা। কিন্তু জীৱনৰ সত্যক যে অৱমাননাও কৰিছোঁ সেই কথা নুই কৰিব নোৱাৰি। আমাৰ জ্ঞাতে-অজ্ঞাতে আমি পথভ্ৰষ্ট হৈ দিশহাৰা হৈ গৈ আছোঁ। এনেকৈ আমি সুস্থ সমাজ এখন গঢ় দিমেই বা কিদৰে? অনায়াসে দ্ৰুতগতিত বাঢ়ি অহা যান্ত্ৰিক সমাজত প্ৰায়ে পৰিলক্ষিত হোৱা দেখা যায় যে পৰস্পৰৰ মাজতেই আন্তৰিকতাৰ অভাৱ। সুখ-দুখৰ সমভাগী হোৱাৰ ক্ষেত্ৰতো হেঙাৰ ৰূপে থিয় দিছে অনাকাংক্ষিত যান্ত্ৰিকতাই। হয়। পৰ্যায়ক্ৰমে আমাৰ মাজৰেই একাংশ যুৱক-যুৱতী যান্ত্ৰিকতাৰ দিশত। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্বাৰা আৱিষ্কৃত নতুন নতুন ইলেক্ট্ৰনিক মাধ্যমসমূহক ব্যৱহাৰ কৰিছোঁ। কিন্তু কিমান সদ্ব্যৱহাৰ কৰিছোঁ সেয়াহে এটা ডাঙৰ প্ৰশ্ন। পশ্চিমীয়া সংস্কৃতিক অনুসৰণ কৰি আমি আমাৰ জীৱন-ধাৰণৰ পদ্ধতিয়ে সলনি কৰি পেলাইছোঁ। আৰু কিছুমানে সমাজৰ পৰম্পৰাক উলংঘা কৰি নীতি-নিয়মক আওকাণ কৰি, উদ্ভগুলি আচৰণো প্ৰকাশ কৰে। আমাৰ সমাজত অতি আদৰৰ পৰম্পৰা - "জ্যেষ্ঠজনৰ ভৰিত ধৰি সেৱা কৰা।" ইয়াকে কৰিবলৈ লাজ লগা হ'ল। আৰু আমি আধুনিক যুগৰ শিক্ষিত যুৱক-যুৱতী বুলি নিজকে পৰিচয় দিছোঁ;এয়ানো কিমান যুক্তিসংগত কথা। এয়া কৰিলেতো আমাৰ শিক্ষাগত অৰ্হতা ম্লান পৰি নাযায়। বৰঞ্চ সেই শিক্ষাৰ সৌন্দৰ্যতা বৃদ্ধি পাই ফুলৰ সুবাসৰ দৰে সকলোতে বিয়পিহে পৰিব। আমি বাৰু চেষ্টা কৰিলে যান্ত্ৰিকতাহীন নিকা সমাজ এখন গঢ় দিব নোৱাৰিমনে? নিশ্চয় পাৰিম। এইক্ষেত্ৰত সকলোৰে সহযোগৰ অতি প্ৰয়োজন।

আন আন সমাজৰ সৈতে খোজৰ লগত খোজ মিলাই আগবাঢ়ি যাবলৈ হ'লে আমি আধুনিকতো হ'বই লাগিব। কিন্তু যাতে যান্ত্ৰিক হৈ নপৰোঁ তাৰ বাবে অভিভাৱকে; সমাজখনে আৰু নিজেই নিজৰ ওপৰত সচেতন হোৱাৰ মানসিকতাক গঢ় দিবই লাগিব। আধুনিক মানে এইটো কেতিয়াও নহয় যে পুৰণা দৃষ্টিভংগীক সম্পূৰ্ণৰূপে বৰ্জন কৰি নতুনক আকোঁৱালি লোৱা। সেয়েহে এইখিনিতেই আমি আমাৰ মানসিক বিকাশক আগস্থান দিয়াৰ প্ৰয়োজন। নতুনত্বৰ মাজত সেইখিনিকহে আহৰণ কৰিব লাগে, যিখিনি সমাজত সকলোৰে আদৰণীয়। অন্যথা সমাজধৰোঁতা আমিবোৰেই হৈ পৰিম একো একোজন অনাদৰণীয় আৰু সমাজৰ বৰ্জনীয়স্বৰূপ ব্যক্তি। সেয়েহে আমি সদায় এইটো দিশৰ প্ৰতি লক্ষ্য ৰাখিব লাগে যাতে শাৰীৰিক, মানসিক, সামাজিক, আধ্যাত্মিক আদি সকলোধৰণৰ সৰ্বতোমুখী বিকাশ সাধনৰ ব্ৰতত ব্ৰতী হওঁ। য'ত যান্ত্ৰিকতাই ক'তো গ্ৰাস কৰিব নোৱাৰে। গতিকে, আমি আধুনিক মনৰ গৰাকী হ'ম আভ্যন্তৰীণভাৱে আৰু বাহ্যিকভাৱেও। আমাৰ মনত আধুনিক দৃষ্টিভংগী গঢ়ি তুলিম, সৃষ্টিশীল আধুনিক সুস্থ মন এটাৰ সৃষ্টি কৰিম এই প্ৰতিশ্ৰুতিৰে সচেতন আৰু দায়বদ্ধ হোৱা উচিত। 'কিয়নো সমাজৰ উন্নতি আৰু বিকাশ সাধন কৰিব পাৰে সেইজন ব্যক্তিয়েহে, যিজনে প্ৰাচীনতাক ৰক্ষা কৰি আধুনিকতাক গ্ৰহণ কৰে আৰু যান্ত্ৰিকতাবিহীনভাৱে জীয়াই থাকে।'



# বৰ্তমানৰ সমাজব্যৱস্থা

—নীলাক্ষী চেতিয়া
স্নাতক পঞ্চম যান্মাষিক
ৰসায়ন বিজ্ঞান বিভাগ

প্ৰত্যেকটো শিশু আজিকালি ব্যস্ত বিভিন্ন ধৰণৰ মোবাইল ফোন তথা লেপটপ, ৱাটছ্ আপ, ফেচবুক আদিৰ লগত। স্কুলৰ পৰা অহাৰ পাছত লগে লগেই বিভিন্ন ধৰণৰ ক্লাছ থাকে, টিউচন, নৃত্য, সংগীত ইত্যাদি ইত্যাদি। মুকলি পথাৰত সমনীয়াৰ লগত ধূলিয়ে-মাটিয়ে খেলাৰ আমেজ বৰ্তমান সমাজৰ ল'ৰা-ছোৱালীয়ে বুজি নাপায়। ক'ৰ পৰা বুজিব? সিহঁতক যি আদৰ্শ দেখুওৱা হৈছে সিহঁতে তাকে অনুকৰণ কৰিব, সেইটো স্বাভাৱিক।

সঁচাকৈয়ে পৃথিৱীখন দ্ৰুতগতিত সলনি হ'ব ধৰিছে। চকুৰ পচাৰতে মাহ, বছৰ কেনেকৈ পাৰ হৈছে ধৰিবই নোৱাৰ হৈছোঁ। ব্যস্তময় জীৱন। কোনেও কাৰোলৈকে এপলক চোৱাৰ যেন অৱকাশ নাই। কেৱল সকলো ব্যস্ত নিজ নিজ কৰ্মত।

বাৰু, আমাৰ সকলোৰে অৱগত যে সময় গতিশীল। কিন্তু, এই সময়ে বাৰু ক'লৈ আমাক লৈ গৈ আছে, ইয়াৰ অন্ত ক'ত পৰিব? মাজে সময়ে এনেকুৱা সৰু-সুৰা প্ৰশ্নই আমনি কৰে মোক। যেতিয়া আমি সৰু হৈ আছিলো, মই ঠিক ২০০৫ চনৰ সময়ছোৱাৰ কথা কৈছোঁ, আমাৰ সমাজখনৰ ৰেহ-ৰূপ অলপ সুকীয়া আছিল। গাঁওখনত আজিকালি ল'ৰা-ছোৱালীবোৰে খেলা-ধূলা নকৰে, সকলোবোৰ যেন একোটা মেচিনলৈহে ৰূপান্তৰ হৈছে। প্ৰত্যেকটো শিশু আজিকালি ব্যস্ত বিভিন্ন ধৰণৰ মোবাইল ফোন তথা লেপটপ, ৱাটছ্ আপ, ফেচবুক আদিৰ লগত। স্কুলৰ পৰা অহাৰ পাছত লগে লগেই বিভিন্ন ধৰণৰ ক্লাছ থাকে, টিউচন, নৃত্য, সংগীত ইত্যাদি ইত্যাদি। মুকলি পথাৰত সমনীয়াৰ লগত ধূলিয়ে-মাটিয়ে খেলাৰ আমেজ বৰ্তমান সমাজৰ ল'ৰা-ছোৱালীয়ে বুজি নাপায়। ক'ৰ পৰা বুজিব সিহঁতক যি আদৰ্শ দেখুওৱা হৈছে সিহঁতে তাকে অনুকৰণ কৰিব, সেইটো স্বাভাৱিক। শিশুৰ প্ৰধান জ্ঞান আহৰণ কৰা ঠাই হৈছে তেওঁলোকৰ নিজা ঘৰুৱা পৰিৱেশ। গতিকে আমিবোৰ তথা অভিভাৱকবোৰে প্ৰত্যেক ঘৰতে একোটা ডাক্তৰ-ইঞ্জিনীয়াৰ গঢ়ি তোলাৰ চিন্তা পৰিহাৰ কৰি তেওঁলোক যি দিশত আগ্ৰহী, তাতে সমৰ্থন জনোৱা উচিত বুলি মই ভাবো। কিয়নো জীৱনটো তেওঁলোকৰ, তাক কেনেদৰে আগবঢ়াই নিব সম্পূৰ্ণ তেওঁলোকৰ ওপৰত নিৰ্ভৰ কৰে। বৰ্তমান সমাজত "আত্মহত্যা" এটা নিতৌ ঘটি থকা ঘটনালৈ ৰূপান্তৰিত হৈছে, বাতৰি কাকতখন মেলিলেই ভাল খবৰ খুউব কমহে পোৱা যায়। সৰহ সংখ্যক ছাত্ৰ তথা ছাত্ৰী পৰীক্ষাত ভবা মতে ৰিজাল্ট কৰিব নোৱাৰা বাবেই এনে পৰিস্থিতিৰ সন্মুখীন হয়, তেওঁলোকৰ হত্যাৰ কাৰণ আন কোনো নহয়, কেৱল তেওঁলোকৰ আত্মীয়-কুটুম, পিতৃ-মাতৃ। বৰ্তমান সমাজত নিজ সন্তানৰ হত্যাকাৰী নিজ পিতৃ-মাতৃ।

সময় গতিশীল সঁচা, সময়ৰ লগত আগবাঢ়িবও লাগিব। কিন্তু তথাপি মানুহে মানুহক চিনি নোপোৱাকৈ, আনৰ সুবিধা-অসুবিধা চিন্তা নকৰি, যিমানেই আগবাঢ়োঁ আমি পাছলৈ ঘূৰি চালে হয়তো এদিন অনুভৱ কৰিম আমাৰ কাযত আপোন বুলিবলৈ কোনো নাই। মানৱীয়তা হেৰাই গৈছে ক্ৰমশঃ। কোন ডাঙৰ কোন সৰু কোনো চিন-চাব নোহোৱা হৈছে। সকলো ফালে বাঢ়িব ধৰিছে অপৰাধ, হত্যা, ধৰ্ষণ, কটা-কটি, চোৰ-ডকাইতি, অপহৰণ ইত্যাদি ইত্যাদি। মুঠৰ ওপৰত বৰ্তমান পৃথিৱীত মানুহ ৰূপী কিছুমান পশুৱে বসবাস কৰিবলৈ লৈছে। কাকো বিশ্বাস কৰিব নোৱাৰি। হয়তো এইবিলাক আগৰ সমাজতো আছিল, কিন্তু বৰ্তমান সময়ত ইয়াৰ প্ৰকোপ ইমান সঘনে বাঢ়িবলৈ ধৰিছে, যে পৃথিৱীখনে কি ৰূপ ল'ব ভাবিবই নোৱাৰি। মই জানো, এইবোৰ এনেকৈ চলি আহিছে চলি থাকিবই। যিমানে এই বিষয়ক লৈ ভাল ভাল চিনেমা বনাওক, ধাৰাবাহিক, অথবা বিভিন্ন ধৰণৰ লেখা প্ৰকাশ কৰি উলিওৱা হওঁক ইয়াৰ পৰিণামৰ কোনোধৰণৰ সালসলনি হোৱা পৰিলক্ষিত নহয়। তথাপি মাজে সময়ে আমনি কৰে বৰ্তমানৰ সমাজ ব্যৱস্থাই।

বৰ্তমান সময়ত ভাল ভাল চাকৰিৰ স্বাৰ্থত অথবা পইচা ঘটি ধনী হোৱাৰ স্বাৰ্থত মই আমিবোৰে পাহৰি পেলাইছোঁ হয়তো পৃথিৱীৰ প্ৰকৃত সৌন্দৰ্য। প্ৰকৃতিৰ করুণ সৃষ্টিৰ ওপৰত নিষ্ঠুৰভাৱে নিৰ্যাতন চলাই আহি থকা হৈছে। কেতিয়াবা ভাবোঁ সঁচাকৈয়ে পৃথিৱীখন ইমান সৌন্দৰ্য্যময়, ইমান ধুনীয়া ইয়াত বসবাস কৰা সকলো জীৱ-জন্তু, নদ-নদী, জান-জুৰি। সঁচাকৈয়ে কবিৰ দৃষ্টিৰে চালে পৃথিৱীখনৰ প্ৰত্যেকটো বস্তুৰ অন্য এটা ৰূপ চকুত ভাঁহি উঠে।

মোৰ অনুৰোধ বৰ্তমানৰ যুৱপ্ৰজন্মলৈ যাতে দৈনন্দিন জীৱনৰ ব্যস্ততাখিনিৰ পৰা মাত্ৰ অলপ সময় উলিয়াই আমি প্ৰত্যেকেই আমাৰ চৌপাশে থকা সকলো বস্তুৰ আমেজ লওঁ, লাগে সি প্ৰায়ে নামি অহা বৰষুণ জাকেই হওঁক, চেঁচা বতাহ জাকেই অথবা নদ-নদী, জান-জুৰিয়েই হওঁক। আহকচোন আমি সকলোবোৰ প্ৰেমত পৰো এবাৰলৈ এই পৃথিৱীৰ প্ৰেমত, এই প্ৰকৃতিৰ প্ৰেমত।।

★★★★★★

বৰ্তমান সময়ত ভাল ভাল চাকৰিৰ স্বাৰ্থত অথবা পইচা ঘটি ধনী হোৱাৰ স্বাৰ্থত মই আমিবোৰে পাহৰি পেলাইছোঁ হয়তো পৃথিৱীৰ প্ৰকৃত সৌন্দৰ্য। প্ৰকৃতিৰ করুণ সৃষ্টিৰ ওপৰত নিষ্ঠুৰভাৱে নিৰ্যাতন চলাই আহি থকা হৈছে। কেতিয়াবা ভাবোঁ সঁচাকৈয়ে পৃথিৱীখন ইমান সৌন্দৰ্য্যময়, ইমান ধুনীয়া ইয়াত বসবাস কৰা সকলো জীৱ-জন্তু, নদ-নদী, জান-জুৰি।



# শ্বেক্সপীয়েৰৰ সাহিত্যৰ অৱলোকন




**ৰাখী বৰদলৈ**
*স্নাতক তৃতীয় ষান্মাসিক*
*বুৰঞ্জী বিভাগ*

শ্বেক্সপীয়েৰ সম্পৰ্কে আমাৰ পৰম্পৰাগত ধাৰণাটো এনেকুৱা যে, তেওঁ আছিল এগৰাকী অসাধাৰণ ধীৰ শক্তি সম্পন্ন ৰেনেছাঁ কবি তথা প্ৰতিভাশালী নাট্যকাৰ। কোৱা হয় যে, ডেৰ শতাধিক চনেটৰ ৰচক কবি শ্বেক্সপীয়েৰে তেওঁৰ চনেটসমূহত ব্যক্তিগত ভাবানুভূতি, আৱেগ-অনুযোগ, হেঁপাহ-হুতাহ, প্ৰেম তথা হৃদ্যতা উজাৰি দিবলৈ কুণ্ঠাবোধ কৰা নাছিল, যদিও তেওঁৰ অনন্য সাধাৰণ শিল্প প্ৰতিভাৰ পৰিচায়ক নাটকসমূহত কিন্তু তেওঁ এক আদৰ্শ সচেতন নিৰাপদ দূৰত্বত অৱস্থান কৰিবলৈ কেতিয়াও ব্যৰ্থ হোৱা নাছিল। তেওঁৰ নাটকসমূহত শ্ৰেষ্ঠত্ব আৰু বিশেষত্বও হেনো এইখিনিতে যে কোনাধৰণৰ মতাভিমত ব্যক্ত কৰাৰ অৱকাশ নৰখাকৈও সিবোৰক তেওঁ সৰ্বকালৰ বাবে আবেদনক্ষম, চিৰায়ত সাহিত্য হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। ওঠৰ শতিকাৰ মাজভাগতেই শ্বেক্সপীয়েৰৰ ৰচনাৱলী সম্পৰ্কে সমালোচক ড° জনচনে তেওঁৰ মন্তব্য প্ৰকাশ কৰিছিল এনেদৰে, শ্বেক্সপীয়েৰৰ ৰচনাসমূহত কোনো অভিমত কিম্বা যুক্তি বিচাৰি পোৱা নাযাব, সেইবোৰ পঢ়িব লাগিব মাথো আনন্দৰ লাভৰ নিমিত্তে।

আমোদজনকভাৱে, আনকি তেওঁৰ চনেটসমূহৰ বিষয়েও উনবিংশ শতাব্দীৰ বৰেণ্য কবিসমালোচক ৱৰ্ডছৱৰ্থে কৰা উক্তি, এই সঁচাৰ কাঠিৰে শ্বেক্সপীয়েৰে তেওঁৰ হৃদয়দ্বাৰ উন্মুক্ত কৰিছিল। দুঃসহ যেন অনুভৱ কৰি আন এগৰাকী কবি সমালোচকে তেওঁৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছিল এই বুলি -

কৰিছিলেনে তেওঁ? যদিহে কৰিছিল, তেন্তে তেওঁ নহয় সিমান (মহৎ) শ্বেক্সপীয়েৰ (যিমান বুলি তেওঁক ভবা হয়)। পিছে, ডেৰ শতাধিক চনেট আৰু সাতত্ৰিছখন নাটকৰ ৰচক শ্বেক্সপিয়েৰৰ ৰচনাৱলীত লেখকজনৰ স্বাভিমত কতো এবাৰলৈকো ধ্বনিত হোৱা নাই - কথাষাৰ কেৱল অপ্ৰত্যাশিতই নহয়, বিভ্ৰান্তিজনকো। শ শ চৰিত্ৰৰ সংলাপবোৰতো স্ৰষ্টাৰ ব্যক্তি-সত্তা অথবা মানসিকতাৰ প্ৰতিবিম্বন ঘটিবই নোৱাৰে, সেয়া কেতিয়াও বিশ্বাসযোগ্য নহয়। বন্ধুত্ব, প্ৰেম, পৰিচয়, সময়, মৃত্যু, বিশ্বাসঘাতকতা, পৃষ্ঠপোষকতা, ধৰ্ম তথা ৰাজনীতি আদি সকলো বিষয়তে শ্বেক্সপীয়েৰৰ দৰে সংবেদনশীল আৰু অন্তদৃষ্টিসম্পন্ন শিল্পী এজনে গভীৰ আত্মচিন্তাৰ প্ৰতিফলন নঘটোৱাকৈ মাথোন প্ৰথাগত সাহিত্য-ৰীতি আৰু নৈব্যক্তিক জীৱনদৰ্শন আগবঢ়োৱা বুলি ভবাটো যুক্তি বিৰুদ্ধ কল্পনাহে।

কোনো প্ৰেক্ষাপট নোহোৱাকৈ সাহিত্য কৰ্মৰ বিকাশত কথা ভাবিব নোৱাৰি। ৰবীন্দ্ৰনাথৰ ভাষাত, সাহিত্য কৃতি থাকে কেৱল নিজ গুণতেই নহয়, চৌদিশৰ গুণৰ বলতহে ই তাৰ সঠিক ৰূপত বিৰাজ কৰে। সাহিত্যক সাহিত্যিকৰ চেতনা আৰু পৰিৱেশৰ পৰা সম্পৰ্কচ্যুত কৰি মূল্যায়ন কৰাটো অসমীচিন।

ইতিহাসৰ প্ৰতিটো পৰ্যায়তে উৎপাদিকা শক্তি আৰু উৎপাদন সম্পৰ্কৰ মাজত যি পাৰস্পৰিক প্ৰতিক্ৰিয়া ঘটি থাকে তাৰেই প্ৰতিফলন হয় সেই যুগৰ সকলো সাহিত্য, বিজ্ঞান, আইন, দৰ্শন, ধৰ্ম, লোকাচাৰ, ৰাষ্ট্ৰ তথা ৰাজনীতিত। (কাৰ্লমাৰ্ক্স) যিখন সমাজত শ্বেক্সপীয়েৰে বাস কৰিছিল, ইতিহাসৰ যি মূহুৰ্তত তেওঁ লেখনী হাতত তুলি লৈছিল - সেইখন সমাজ ইতিহাসৰ সেই বিশেষ পৰ্যায় আৰু তৎকালীন সমাজৰ বিভিন্ন শ্ৰেণীৰ মূল্যবোধসমূহ তেওঁ চিন্তা চেতনা আৰু সাহিত্য-কৃতিত অহৰহ ক্ৰিয়াশীল হ'বলৈ বাধ্য।

# দ্বন্দাত্মক বস্তুবাদৰ পৰা কাৰ্লমাৰ্ক্সৰ শ্ৰেণীসংগ্ৰামলৈকে ঃ এক তাত্বিক আলোকপাত

— সুস্মিতা বড়া
ৰাজনীতি বিজ্ঞান বিভাগ
পঞ্চম ষান্মাসিক

বিশ্বৰ সমাজ দৰ্শনৰ স্বৰ্ণিল ইতিহাসত অনবদ্য স্থান দখল কৰা কাৰ্ল মাৰ্ক্সৰ দন্দ্বাত্মক বস্তুবাদ তথা শ্ৰেণী সংগ্ৰাম তত্ত্বই সুদীৰ্ঘ শতিকাজুৰি বৌদ্ধিক মহলক আলোড়িত কৰি আহিছে। লেনিন, মাও চে টুং, ফিডেল কেষ্ট্ৰো, চেগুৱেভাৰা আদি বৰেণ্য সংগ্ৰামীক সমাজ বিপ্লৱৰ বাবে অনুপ্ৰাণিত কৰা মাৰ্ক্সৰ প্ৰগতিশীল দৰ্শনক মুক্তিকামী মানুহৰ বুকুৰ সংবাদৰূপে অভিহিত কৰিব পাৰি। বৈজ্ঞানিক সমাজবাদৰ প্ৰবাদপুৰুষ মাৰ্ক্সে জীৱন, জগত আৰু সমাজক ইতিহাসৰ দন্দ্বাত্মক দৃষ্টিভংগীৰে অবলোকন কৰিছে। অৱশ্যে, দন্দ্বাত্মক পদ্ধতিটো (Dialectical Method) পোনপ্ৰথমে প্ৰাচীন গ্ৰীকসকলৰ মাজতহে প্ৰচলিত আছিল। গ্ৰীক দাৰ্শনিকসকলে কোনো এটা বিবাদমান বিষয়ৰ সত্য উদ্‌ঘাটনৰ বাবে দন্দ্বাত্মক পদ্ধতি প্ৰয়োগ কৰিছিল। এই পদ্ধতি তিনিটা প্ৰক্ৰিয়াৰ মাজেদি আগবাঢ়ে। সেই কেইটা হৈছে - থিছিছ (Thesis), এন্টিথিছিছ (Anti-thesis) আৰু চিনথিচিচ্ (Synthesis)। থিচিচে কোনো এটা বিষয়ক সমৰ্থন কৰে। এন্টিথিচিচে তাক বিৰোধিতা কৰে আৰু চিনথিছিছ আৰু এন্টিথিছিছৰ মাজত হোৱা সংঘাতৰ ফলত নতুন সত্যটো আৱিস্কৃত হয়। চিন্তা আৰু দৰ্শনৰ সংঘাতৰ ফলত নতুন বিষয় বা ধাৰণাৰ সৃষ্টি হয়। সেই নতুন চিন্তাই সমকালীন সময় চালিকা শক্তিৰূপে সমাজৰ ক্ৰিয়া কৰে। গ্ৰীকসকলৰ পিছত জাৰ্মান দাৰ্শনিক ফ্ৰেডেৰিক হেমেলে দন্দাত্মক দৃষ্টিভংগীৰ প্ৰসাৰ আৰু প্ৰচাৰ কৰে। কিন্তু তেওঁৰ দন্দ্বাত্মক পদ্ধতি ভাৱবাদী দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত। হেগেলৰ দৃষ্টিত ইতিহাসৰ চালিকা শক্তি হৈছে ভাব বা ধাৰণা (Idea)। বাহ্যিক জগতখনৰ পৰিৱৰ্তন বা ঘটনাসমূহ মানুহৰ মন বা চিন্তাৰ প্ৰতিফলন বুলি হেগেলে মত আগবঢ়াইছে। কিন্তু, মাৰ্ক্সে হেগেলৰ মতামত অস্বীকাৰ কৰিছিল। মাৰ্ক্সে কৈছিল, ইতিহাসৰ চালিকা শক্তি হৈছে বস্তু বা পদাৰ্থ (Matter)। তেওঁ দৃষ্টিত বাহ্যিক জগতৰ বস্তু বা পদাৰ্থইহে আমাক ভাবিবলৈ বাধ্য কৰে। সেয়েহে তেওঁৰ ইতিহাসৰ বস্তুবাদী ব্যাখ্যাক (Materialistic interpretation of History) দন্দ্বাত্মক বস্তুবাদ বুলি



অভিহিত কৰা হয়।

মাৰ্ক্সে দন্দ্বাত্মক বস্তুবাদৰ সূত্ৰটো সমাজৰ ইতিহাসৰ অপ্ৰতিৰোধ গতি পৰ্য্যালোচনা কৰাত প্ৰয়োগ কৰিছে। তেওঁৰ মতে, সকলো পদাৰ্থ বা বস্তুৰ মাজত দন্দ্ব হোৱাৰ ফলত যিদৰে নতুনৰ সৃষ্টি হয়, ঠিক তেনেদৰে দান্দ্বিক গতিত আগবাঢ়ি গৈ থকা সমাজত অন্তৰ্নিহিত দুটা বিপৰীত শক্তিৰ মাজত হোৱা সংঘৰ্ষৰ ফলত নতুন সমাজৰ সৃষ্টি হয়। তেওঁৰ দৃষ্টিত 'মানুহৰ ইতিহাস শ্ৰেণী সংগ্ৰাম ইতিহাস।' আদিম অৱস্থাৰ পিছৰ পৰ্যায়ৰ পৰা আধুনিক যুগলৈকে মানুহৰ ইতিহাস দুটা শ্ৰেণীৰ সংগ্ৰামৰ মাজেদি আগবাঢ়ি আহিছে। এই অন্তহীন শ্ৰেণী সংগ্ৰামৰ মূল কাৰণটো হৈছে অৰ্থনৈতিক ব্যৱস্থা। আদিম সাম্যবাদী স্তৰৰ পিছৰে পৰা প্ৰতিটো ব্যৱস্থাত সম্পত্তিবান আৰু সম্পত্তিহীন - দুটা শ্ৰেণীৰ উদ্ভৱ হোৱা দেখিবলৈ পোৱা যায়। পৰিবৰ্তনশীল অৰ্থনৈতিক পদ্ধতিৰ লগত মানুহৰ সামাজিক সম্বন্ধৰ সলনি হয়। প্ৰাচীন যুগত দাস আৰু মালিক (Slave and Master), সামন্তযুগ বা মধ্যযুগত ভূ-স্বামী আৰু ভূমিহীন শ্ৰমিক (Landlord and Lanless) আৰু আধুনিক যুগত পুঁজিবাদী উদ্যোগপতি আৰু শ্ৰমিক। সমাজ ইতিহাসৰ এই অবৰুদ্ধ গতিত সম্পদশালী শ্ৰেণীটোৱে প্ৰতিটো স্তৰতে সম্পদহীন শ্ৰেণীৰ শ্ৰমক আহিলাৰূপে লৈ স্বচ্ছল জীৱন উদ্যাপন কৰি আহিছে। সমাজৰ উৎপাদন ব্যৱস্থা নিজৰ নিয়ন্ত্ৰণত ৰখা বুৰ্জোৱা শ্ৰেণীটোৱে বৃহত্তৰ সমাজ জীৱনৰ সাংস্কৃতিক, ঐতিহ্য, কৃষ্টি, ৰাজনৈতিক, নন্দনতাত্ত্বিক আদি সকলো দিশ শ্ৰেণী স্বাৰ্থৰ খাতিৰত প্ৰচাৰ আৰু প্ৰসাৰ কৰে। অৰ্থনৈতিক মুনাফা আদায় কৰিবলৈ পুঁজিপতি শ্ৰেণীটোৱে শাসক শ্ৰেণীৰ ধ্যান-ধাৰণা আৰু ভাবাদৰ্শক যুক্তিসংগত আৰু সাৰ্বজনীন বুলি প্ৰচাৰ কৰে। ধনী আৰু শাসক শ্ৰেণীৰ ৰংচঙীয়া প্ৰচাৰত অৱহেলিত হৈ থাকি যায় সম্পত্তিহীন নিস্পেষিত শ্ৰেণী।

> *মাৰ্ক্সে দন্দ্বাত্মক বস্তুবাদৰ সূত্ৰটো সমাজৰ ইতিহাসৰ অপ্ৰতিৰোধ গতি পৰ্য্যালোচনা কৰাত প্ৰয়োগ কৰিছে। তেওঁৰ মতে, সকলো পদাৰ্থ বা বস্তুৰ মাজত দন্দ্ব হোৱাৰ ফলত যিদৰে নতুনৰ সৃষ্টি হয়, ঠিক তেনেদৰে দান্দ্বিক গতিত আগবাঢ়ি গৈ থকা সমাজত অন্তৰ্নিহিত দুটা বিপৰীত শক্তিৰ মাজত হোৱা সংঘৰ্ষৰ ফলত নতুন সমাজৰ সৃষ্টি হয়। তেওঁৰ দৃষ্টিত 'মানুহৰ ইতিহাস শ্ৰেণী সংগ্ৰাম ইতিহাস।'*

সমাজ বিপ্লৱৰ অন্তত সৰ্বহাৰাৰ শাসন প্ৰতিষ্ঠা হ'ব বুলি মাৰ্ক্সে কোৱা অমৰ বাণী আপেক্ষিকভাৱেহে সত্যত পৰিণত হ'ল। বিপ্লৱ আৰু সংগ্ৰামৰ জৰিয়তে যিবোৰ দেশত সমাজবাদ হ'ল তাত গণতন্ত্ৰৰ সমাধি হ'ল। য'ত সাম্যবাদৰ পতাকা উৰিল তাত সৰ্বহাৰাৰ শাসন গঢ় লৈ নুঠিল। লেনিনে প্ৰতিষ্ঠা কৰা সমাজবাদী ৰাছিয়াত ষ্টেলিনৰ একনায়কত্ববাদত শ্ৰেণী সংগ্ৰামৰ সপোন চাৰখাৰ হৈছিল। উত্তৰ কোৰিয়াৰ যুদ্ধবাজী নৃপতি কিম জংনৰ সাম্যবাদী শ্লোগানত গণতন্ত্ৰ আৰু ব্যক্তি স্বতন্ত্ৰতাৰ স্থান যে নাই, নতুনকৈ কোৱাৰ অৱকাশ নাই।

★★★★★★

> *পুৰণিক নৱ জীৱন দি নতুন জ্ঞান আহৰণ কৰাৰ সামৰ্থ আছে যাৰ তেওঁৰেই শিক্ষক হ'বৰ উপযুক্ত*
>
> *— কনফুছিয়াছ*

## চিন্তাশিল্প ঃ স্বাস্থ্য আৰু বিজ্ঞান

# বিজ্ঞানৰ আৱিস্কাৰ পেৰাচ্যুট

—ৰৰষা বুঢ়াগোহাঁই
*প্ৰথম ষান্মাসিক*
*গাৰ্হস্থ্য বিজ্ঞান*

উৰাজাহাজৰ পৰা যিকোনো প্ৰয়োজনত বা বিপদৰ সময়ত শূণ্যত অৱতৰণ কৰাৰ বাবে কাপোৰেৰে নিৰ্মিত ছাতিৰ দৰে এবিধ আহিলা হ'ল পেৰাচ্যুট। মানুহৰ আকাশত উৰাৰ বাসনাৰ পৰাই জন্ম হৈছিল পেৰাচ্যুটৰ। বহু বছৰ আগেয়ে চীনৰ সৈনিকসকলে তেওঁলোকৰ সম্ৰাটক সন্তুষ্ট কৰিবলৈ পেন্টৰ বেল্টৰ লগত বিয়াগোম ছাটি একোটা বান্ধি পাহাৰৰ ওপৰৰ পৰা জাপ দিয়াৰ কথা জনা যায়। বিজ্ঞানসন্মত চিন্তাৰে প্ৰথম পেৰাচ্যুট নিমাৰ্ণৰ কল্পনা কৰিছিল বিজ্ঞানী লিঅ'নাৰ্ড দা ভিন্সিয়ে ১৪৮৫ চনত। ইয়াৰ পিছত লুই ছিবাষ্টিন লেনৰমাণ্ড নামৰ ফৰাচী শিক্ষক এজনে লিঅ'নাৰ্ড দি ভিন্সিৰ কল্পিত উৰণ ছাতি বা পেৰাচ্যুতৰ বাস্তৱ ৰূপ দিয়ে। ১৭৮৩ চনৰ ২৬ ডিচেম্বৰৰ দিনা তেওঁ এটা ওখ অট্টালিকাৰ পৰা পেৰাচ্যুটৰ সহায়ত তললৈ জাঁপ দিয়ে। শূন্যৰ পৰা পেৰাচ্যুটেৰে প্ৰথমে জপিওৱা মানুহজনৰ নাম আন্দ্ৰে জেকুইছ গাৰনেৰিণ। ১৭৯৭ চনৰ ২২ অক্টোবৰত তেওঁ বহুসংখ্যক লোকৰ উপস্থিতিত ৬৮০ মিটাৰ উচ্চতাৰ পৰা নিৰাপদেৰে পেৰাচ্যুটেৰে অৱতৰণ কৰিছিল। পেৰাচ্যুটটো যিমানে বেছি আহল - বহল হয়, সিমানে বেছি লাহে লাহে তললৈ নামে। প্ৰথম মহাসমৰৰ পেৰাচ্যুটক যুদ্ধৰ কামত আৰু মানুহৰ উপকাৰৰ কামত ব্যৱহাৰ কৰা হয়। যেনে দুৰ্ঘটনাৰ সময়ত আকাশীযানৰ পৰা পাইলট তললৈ নমা, দুৰ্গম স্থানত প্ৰয়োজনীয় বস্তু যোগান ধৰা আদি।



পেৰাচ্যুটবোৰ সাধাৰণতে বিশুদ্ধ ৰেচম বা নাইলনৰ কাপোৰত টান ৰচিৰে তৈয়াৰ কৰা হয়। ইয়াৰ ছাতিটোৰ কাপোৰখনৰ ব্যাস প্ৰায় ৮ মিটাৰ, ৰছী থাকে প্ৰায় ৩৬ ডাল।

Scanned with OKEN Scanner



# “সাম্প্ৰতিক সময়ৰ পৰিপ্ৰেক্ষিতত উচ্চ ৰক্তচাপৰ প্ৰাসংগিকতা”

— প্ৰিয়াক্ষী বুঢ়াগোঁহাই
স্নাতক প্ৰথম ষাণ্মাষিক
উদ্ভিদ বিজ্ঞান বিভাগ

“জীৱন জীৱন বৰ অনুপম” - সঁচাকৈ কবিয়ে কোৱাৰ দৰেই আমাৰ বাবে এই অনুপম জীৱনেই ঈশ্বৰপ্ৰদত্ত সবাতোকৈ দুৰ্লভ প্ৰাপ্তি। কিন্তু জীৱনৰ এই অদম্য সৌন্দৰ্যক কেৱল সুস্বাস্থ্যইহে অক্ষুন্ন ৰাখিব পাৰে। স্বাস্থ্য পৰম সম্পদ। কথাতে কয় যে ৰাজপ্ৰসাদৰ ৰুগীয়া গৰাকী এজনতকৈ ভগা পঁজাৰ সুস্বাস্থ্যৰ গৰাকী এজন বহুত সুখী হয়। ঠিক কবিয়ে কোৱাৰ দৰে -

“সুখ নাই সুখ নাই ক'তো ধৰুৱাৰ।
অনু মাত্ৰ সুখ নাই চিৰ ৰুগীয়াৰ।।”

কিন্তু মানুহক সুস্বাস্থ্যৰ গৰাকী হোৱাত বাধাৰ সৃষ্টি কৰা প্ৰধান কাৰকেই হৈছে বিভিন্ন ৰোগ ব্যাধিসমূহ। এইবোৰ শাৰীৰিকো হ'ব পাৰে অথবা মানসিকো হ'ব পাৰে। দুয়োবিধ ৰোগেই এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি বুলি ক'লেও হয়তো অত্যুক্তি কোৱা নহ'ব। ইয়াৰে শাৰীৰিক ৰোগসমূহৰ ভিতৰত সাম্প্ৰতিক সময়ত গোটেই বিশ্বতে অধিক সংখ্যক লোকৰে প্ৰাণবায়ু কাঢ়ি নি বিভীষিকাৰ সৃষ্টি কৰা ৰোগবিধেই হৈছে সামগ্ৰিকভাৱে হৃদৰোগ। চিকিৎসা বিজ্ঞানত মৃত্যুদূত আখ্যা পোৱা ৰোগবিলাকৰ ভিতৰত আজিৰ তাৰিখত এই ৰোগেই একেবাৰে শীৰ্ষস্থান অধিকাৰ কৰিছে। এই হৃদৰোগ হোৱাৰ অন্যতম প্ৰধান কাৰক হিচাপে চিহ্নিত হৈছে উচ্চ ৰক্তচাপ নামৰ ব্যাধিটো - যাক ইংৰাজী ভাষাত হাই ব্লাড প্ৰেছাৰ বুলি কোৱা হয়।

সমীক্ষাৰ পৰা দেখা গৈছে যে - বৰ্তমান বিশ্বৰ প্ৰায় এক বিলিয়ন লোকেই এই মাৰাত্মক কাৰকৰ কবলত পৰিছে। সেয়েহে হাতত সময় থাকোঁতেই যদি নিবাময়ৰ সঠিক ফলপ্ৰসু উপায় অৱলম্বনৰ দ্বাৰা ইয়াক প্ৰতিহত কৰিব পৰা নাযায়, তেনেহ'লে অতি সোনকালেই ই এক মহামাৰী ৰূপ লৈ গোটেই বিশ্বতেই যে ত্ৰাসৰ সৃষ্টি কৰিব সেইটো ধ্ৰুৱ।

সেয়েহে, এই মাৰাত্মক কাৰকটোৰ বিষয় বিভিন্ন প্ৰবন্ধ ইত্যাদিৰ পৰা সংগ্ৰহ কৰি ঠিক ভুৰুকাত হাতী ভৰোৱাৰ দৰে এক সামগ্ৰিক আৰু সংগৃহীত ৰূপ দিয়াৰ মোৰ এক ক্ষুদ্ৰ প্ৰয়াস তলত কলমৰ মাজেৰে প্ৰকাশ কৰা হ'ল -

**ৰক্তচাপ কি ?**

প্ৰত্যেক জীৱৰে শৰীৰৰ প্ৰতিটো অংগ-প্ৰত্যংগই সুচাৰুৰূপে পৰিচালনাৰ দ্বাৰা কাৰ্যক্ষম হৈ দেহটোক সুস্থ সবলভাৱে জীয়াই ৰাখিবলৈ হ'লে এক স্বাভাৱিক ৰক্তচাপ অহৰহ ক্ৰিয়া কৰি থকাটো অতি প্ৰয়োজন। দৰাচলতে, ই হৈছে আমাৰ

Scanned with OKEN Scanner

দেহৰ ৰক্তবাহী নলীসমূহৰ মাজেদি প্ৰবাহিত হওঁতে স্বতঃস্ফূৰ্তভাৱে সৃষ্টি হোৱা তেজৰ এক পাৰ্শ্বীয় চাপ বা হেঁচা, যি স্বাভাৱিক অৱস্থাত থাকিলে আমাৰ শৰীৰৰ সংবেদনশীল অংগসমূহে নিজৰ অপৰিহাৰ্য লাগতিয়াল পুষ্টি পৰিবাহী নলীৰ পৰা আহৰণ কৰি ল'ব পাৰে।

ৰক্তচাপ নোহোৱাকৈ কোনো ব্যক্তি জীয়াই থাকিব নোৱাৰে। মানুহৰ ৰক্তচাপৰ দুটা অংশ থাকে - মানুহৰ বাওঁ নিলয় সংকুচিত হোৱা সময়ত তেজৰ ধমনীত যি চাপ দিয়ে, তাক ছিষ্টোলিক (ওপৰৰ মাপ) চাপ আৰু প্ৰশমিত হোৱাৰ সময়ত যি চাপ দিয়ে, তাক ডায়েষ্টলিক (তলৰ মাপ) চাপ বুলি কোৱা হয়। ইয়াৰে দুয়োটা বা যিকোনো এটা বাঢ়িলেই মানুহজন উচ্চ ৰক্তচাপত আক্ৰান্ত হোৱা বুলি কোৱা হয়। উল্লেখনীয় যে, উচ্চ ৰক্তচাপ কোনো নিৰ্দিষ্ট ৰোগ নহয়। ই এক অৱস্থাৰ বিসংগতিহে মাথোন।

**ৰক্তচাপৰ মাপ**

এজন ব্যক্তিৰ ৰক্তচাপ সাধাৰণতে ১২০/৮০ থাকিব লাগে। কিন্তু যেতিয়া উৎকৃষ্ট মানৰ ৰক্তচাপ জোখা মেচিনৰ দ্বাৰা বিজ্ঞানসন্মত পদ্ধতিৰে অভিজ্ঞ মাপকে উপযুক্ত পৰিৱেশ আৰু সময় সাপেক্ষে দুই বা ততোধিকবাৰ ৰক্তচাপ জোখাৰ পিছত উক্ত মেচিনৰ পাৰাস্তম্ভৰ মাপ ১৪০ আৰু তলৰ পাৰাস্তম্ভৰ মাপ ৯০ মি.মি. মাৰ্কৰীৰ ওপৰতে একাধিকবাৰ অপৰিৱৰ্তিত হৈ থাকে, তেতিয়া সেই মাপক উচ্চ ৰক্তচাপ বা হাইপাৰটেনছন হিচাপে গণ্য কৰা হয়। আন কিছুমান বিশেষ ৰোগ যেন - বহুমূত্ৰ ৰোগীৰ ক্ষেত্ৰত এই মাপ ১৩০/৮০ মি.মি. মাৰ্কৰীৰ ওপৰ হ'লেই উচ্চ ৰক্তচাপ হিচাপে ধৰা হয়।

**উচ্চ ৰক্তচাপৰ লক্ষণসমূহ**

উচ্চ ৰক্তচাপক এক উদ্‌গিৰণ নোহোৱা আগ্নেয়গিৰিৰ লগত তুলনা কৰিব পাৰি। যিদৰে উদ্‌গীৰণ নোহোৱাৰ আগলৈকে জ্বালামুখীটো কিমান বিধ্বংসী হ'ব তাক জনাৰ উপায় নাথাকে, সেইদৰে বহু সময়ত ৰক্তচাপৰ মাত্ৰা বাঢ়ি গৈ ই অতিমাত্ৰা স্পৰ্শ কৰি দেহৰ প্ৰধান লক্ষণীয় অংগসমূহত মোক্ষম আঘাত নসনালৈকে ইয়াৰ কোনো উমান পোৱা নাযায়। সেয়েহে ইয়াক "ছাইলেন্ট কিলাৰ" অৰ্থাৎ "নীৰৱ ঘাতক" বুলি আখ্যা দিয়া হয়। অৱশ্যে কেতিয়াবা তীব্ৰ মূৰৰ বিষ, বুকুৰ ধপধপনি, বুকুৰ বিষ, অতিপাত ভাগৰ ভাগৰ লগা, মূৰ আচন্দ্ৰাই কৰা, ডিঙিৰ পিষ্ঠ ভাগৰ বিষ আৰু কেতিয়াবা হঠাৎ সংজ্ঞা হেৰুওৱাৰ দৰে লক্ষণ পৰিস্ফুট হয়।

**উচ্চ ৰক্তচাপৰ ফলত হ'ব পৰা জটিলতা**

উচ্চ ৰক্তচাপ বৃদ্ধিৰ ফলত বিভিন্ন শাৰীৰিক জটিলতাই দেখা দিয়ে। হৃদযন্ত্ৰৰ বিভিন্ন ৰোগৰ লগতে মগজুৰ ৰক্তক্ষৰণ আৰু বৃক্ক বিকলৰ দৰে মাৰাত্মক ৰোগো দেখা দিব পাৰে। কিছুমানৰ নাকেৰে তেজ ওলোৱা, শৰীৰৰ ধমনী ফাটি যোৱা, ভৰিৰ ধমনীত তেজ চলাচলত বাধা পোৱা, স্মৰণ শক্তি হ্ৰাস পোৱা, প্ৰস্ৰাৱৰ সমস্যা ইত্যাদি নানান সমস্যাই গা কৰি উঠে। অপৰিৱৰ্তিতভাৱে ৰক্তচাপ বাঢ়ি গৈ থাকিলে কেতিয়াবা আকস্মিকভাৱে চকুৰ ভিতৰৰ সৰু নলিচাৰ ৰক্তক্ষৰণ হৈ চিৰদিনৰ কাৰণে দৃষ্টিশক্তি লোপ পোৱাৰ দৰে ঘটনাও ঘটিব পাৰে। মুঠতে ৰক্তচাপৰ মাপ যিমানেই উৰ্ধগামী হৈ গৈ থাকিব, সিমানেই ৰোগসমূহৰ জটিলতাও বৃদ্ধি পাই গৈ থাকিব।

**উচ্চ ৰক্তচাপ বৃদ্ধিৰ কাৰণ**

বৰ্তমান সময়ত আধুনিকতাৰ ধামখুমীয়াই অন্ধ কৰি তোলা মানুহৰ বাবে শাৰীৰিক পৰিশ্ৰমৰ অভাৱ, মেদবহুলতা, খাদ্যৰ ক্ষেত্ৰত অনিয়মীয়া, চিগাৰেট খোৱা, মদ্যপান কৰা, ডায়েবেটিছ আদিয়েই উচ্চ ৰক্তচাপ বৃদ্ধিৰ প্ৰধান কাৰণ। অত্যাধিক মানসিক চাপেও ৰক্তচাপ বৃদ্ধি কৰে। কিছুমান মানুহৰ আকৌ বংশগত কাৰণত বা এড্ৰিনেল বা থাইৰয়ডজনিত হৰমনৰ বিভিন্ন বিসংগতিৰ বাবেও ৰক্তচাপ বাঢ়ে।

**চিকিৎসা -**

প্ৰাৰম্ভিক অৱস্থাত উচ্চ ৰক্তচাপত আক্ৰান্ত ৰোগীয়ে খোৱা খাদ্য মানি চলিলে, নিয়মীয়া ব্যায়াম কৰিলে, তীব্ৰ মানসিক চাপ হ্ৰাস ইত্যাদি কৰিলে ৰক্তচাপ নিয়ন্ত্ৰণলৈ আহে। যোগাসন কৰা, খেলা-ধূলা কৰা বা মৃদু সংগীত উপভোগ কৰিলেও বহু পৰিমাণে ৰক্তচাপ কমি আহে। ইয়াৰ পাছতো যদি ৰক্তচাপ বাঢ়ি গৈ থাকে, তেনেহ'লে চিকিৎসকৰ পৰামৰ্শ অনুসৰি দৰৱ ব্যৱহাৰ কৰিব লাগে, বেছিভাগ ক্ষেত্ৰতে যদি উচ্চ ৰক্তচাপৰ বাবে ডাক্তৰে ঔষধ দিয়ে, সেই দৰৱটো খাই থকাই উচিত। কিয়নো ইয়াক বন্ধ কৰি দিয়াৰ লগে লগে ৰক্তচাপ আকৌ বাঢ়ি যায় আৰু ই বৃক্ক, হৃদযন্ত্ৰ আৰু মগজুত ক্ষতি কৰে। অথচ কোনোবা দৰৱৰ পাৰ্শ্বক্ৰিয়া হ'লে চিকিৎসকৰ পৰামৰ্শ ল'ব লাগে।

চিকিৎসকৰ মতে, উচ্চ ৰক্তচাপত আক্ৰান্ত ৰোগীয়ে তেজত ছুগাৰ অৰ্থাৎ শৰ্কৰা, ক্ৰিয়েটিনিন (বৃক্কৰ বাবে), ছ'ডিয়াম, পটাছিয়াম, হিম'গ্লবিন, লিপিড প্ৰফাইল অৰ্থাৎ তেজত শৰ্ককাৰ পৰিমাণ, প্ৰস্ৰাৱৰ এলবুমিন আৰু এখন ই চি জি কৰাব লাগে। অৱশ্যে ব্যক্তিবিশেষে বেলেগ বেলেগ পৰীক্ষাৰ প্ৰয়োজন হ'ব পাৰে। বিশেষকৈ কোনো ব্যক্তি

যদি খুব কম বয়সতে উচ্চ ৰক্তচাপত ভোগে, তেন্তে তেওঁক তন্ন তন্নকৈ পৰীক্ষা কৰিব লগা হয়।

**উচ্চ ৰক্তচাপ নিয়ন্ত্ৰণৰ বাবে আমি সততে ল'ব পৰা সাৱধানতা –**

ইংৰাজীত এষাৰ কথা আছে যে - Prevention is better than cure. অৰ্থাৎ আমি বেমাৰ হোৱাৰ পাছত তাৰ চিকিৎসা কৰাতকৈ বেমাৰ হোৱাৰ আগতেই নিজৰ স্বাস্থ্যৰ প্ৰতি সচেতন হোৱাটো হে শ্ৰেয়। উচ্চ ৰক্তচাপ বৃদ্ধিকো আমি সাৱধানতাৰে নিজৰ নিয়ন্ত্ৰণত ৰাখিব পাৰোঁ।

চিকিৎসকে সততে পৰামৰ্শ দিয়া বিভিন্ন সাৱধানতাসমূহ তলত উল্লেখ হ'ল -

(১) বিলাসিতাপিয়াসী মানুহে কেৱল খাই শুই থকাতকৈ দৈনিক যিকোনো ধৰণৰ শাৰীৰিক ব্যায়ামৰ দ্বাৰা উচ্চ ৰক্তচাপৰ ওপৰত ধনাত্মক প্ৰভাৱ পেলাব পাৰে। সাধাৰণতে যিবিলাক ব্যায়াম বা কাৰ্যত আমাৰ শৰীৰৰ ডাঙৰ মাংসপেশীৰ ব্যৱহাৰ আটাইতকৈ বেছিকৈ হয়, যেনে - খৰকৈ খোজকঢ়া, চাইকেল চলোৱা, সাঁতোৰা ইত্যাদি। সেই বিলাকত উচ্চ ৰক্তচাপৰ মাপ বেছি পৰিমাণে হ্ৰাস পায়। নিয়মীয়া হিচাপত দৈনিক অতিকমেও ৩০ মিনিট বা সপ্তাহটো বেছিভাগ দিনতেই যদি এনে ব্যায়াম কৰা হয়, তেনেহ'লে প্ৰায় ৪ ৰ পৰা ৯ মি.মি. পৰ্যন্ত ৰক্তচাপ কমাব পাৰি।

(২) ওজন স্বাভাৱিক কৰি ৰাখিলে ৰক্তচাপ কমে। এজন মানুহে যদি স্থিতাৱস্থাৰ পৰা দহ কেজি ওজন কম কৰে, তেন্তে ৫ ৰ পৰা ২০ মি.মি. পৰ্যন্ত ৰক্তচাপ কমে।

(৩) আহাৰৰ ক্ষেত্ৰতো সাৱধানতা অৱলম্বন কৰিলে ৰক্তচাপ কমে। খাদ্যত ঘিঁউ, মাখন, মাংস (বিশেষকৈ পঠা, খাহী, গৰু বা গাহৰিৰ মাংস), কণী, পিয়াঁজ, বিস্কুট, চিপছ্ পাপড়, চানা, ফাষ্টফুড ইত্যাদি গৰম ক্ৰিয়াদায়ক বস্তুৰ লগতে চৰ্বিদায়ক বস্তু আৰু নিমখৰ দৰে ছ'ডিয়ামযুক্ত আহাৰ কমাই খাব লাগে। পাৰিলে নিয়মিত সৰহকৈ সতেজ ফলাহাৰ আৰু পটাছিয়ামযুক্ত সেউজীয়া শাক-পাচলি খাব লাগে। উল্লেখযোগ্য যে তিতাকেৰেলাৰ দৰে যিকোনো তিতা-পাচলি, পালেং শাক, বন্ধাকবি, বেঙেনা, মটৰ মাহ ইত্যাদিও উচ্চ ৰক্তচাপত আক্ৰান্ত ব্যক্তিৰ বাবে ক্ষতিকাৰক।

এইখিনিতে উল্লেখ কৰা উচিত হ'ব যে উচ্চৰক্তচাপত আক্ৰান্ত ব্যক্তিয়ে যিকোনো ধৰণৰ মাছ খাব পাৰে। ইয়াত কোনো বাধা নাই। বৰঞ্চ কিছুমান মাছৰ তেলত ওমেগা ফেটি এচিদ থাকে। যাৰ ফলত তেজত থকা শৰীৰত কলেষ্টেৰলৰ পৰিমাণ কমি থাকে। এনে ব্যক্তিয়ে মাংস খাবলৈ হ'লে মুৰ্গীৰ মাংসহে খাব লাগে।

(৪) সুৰাপান আৰু ধূমপান কৰা ব্যক্তিসকলে পাৰিলে সম্পূৰ্ণৰূপে ইয়াক নিবাৰণ কৰিব লাগে। এইবিলাক নিষিদ্ধকৰণ অথবা সীমাবদ্ধকৰণৰ দ্বাৰা উচ্চ ৰক্তচাপ বহু পৰিমাণে হ্ৰাস কৰিব পাৰি।

(৫) বৰ্তমান বিশ্বৰ প্ৰতিযোগিতামূলক জীৱন-যাত্ৰাৰ বজাৰখনে সৃষ্টি কৰা তীব্ৰ মানসিক হেঁচাই মানুহৰ জীৱনলৈ উচ্চ ৰক্তচাপৰ জোৱাৰ নমাই অনাৰ লগতে ই মগজুৰ অন্যান্য ব্যাধিৰো এক অন্যতম কাৰণ হৈ পৰিছে। সেয়েহে ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ, উপযুক্ত বিশ্ৰামৰ দ্বাৰা জিনৰ দেহ-মনক সংযত কৰি ৰাখিবলৈ ব্যস্ততাৰ মাজতে নিজৰ কাৰণে অলপ আচুতীয়া সময় উলিয়াই লোৱাটো অতিকৈ বাঞ্ছনীয়।

মানুহৰ জীৱনটো কেতিয়াও মসৃণ নহয়। জীৱনৰ পথটো কাঁইটীয়া বুলি সকলোৱে জানে আৰু এই ৰোগ ব্যাধিসমূহ মাথোঁ কিছুমান সৰু-ডাঙৰ কাঁইট (উচ্চ ৰক্তচাপে তাৰ মাজৰে এটা। কিন্তু কাঁইটে বিন্ধাৰ ভয়ত আমি জানো জীৱনটোক স্থবিৰ কৰি ৰাখিব পাৰোঁ? নিশ্চয় নোৱাৰোঁ। অৱশ্যে কেতিয়াবা কিছুমান কাঁইটে মানুহৰ জীৱনটোক যন্ত্ৰণাৰে ভৰাই তুলি মৃত্যুৰ কোলালৈও ঠেলি পঠিয়ায়। তথাপি সাৱধানতাৰে খোজ পেলালে তেনে কাঁইটৰ মাজেৰেও আমি সুকলমে আগবাঢ়িব পাৰিম। উচ্চ ৰক্তচাপকো ঠিক সেইদৰে এক ইতিবাচক দৃষ্টিভংগীৰে লৈ আমি যদি নিজৰ স্বাস্থ্যৰ প্ৰতি সজাগ হওঁ, তেতিয়া নিশ্চিত ৰূপে বহুতো আসন্ন মৃত্যুমুখী জীৱন ৰক্ষা পৰিব। ঠিক কথাত কোৱাৰ দৰে - "সাৱধানীৰ মৰণ নাই।"

**নেপথ্যৰ প্ৰবন্ধৰাজিৰ লেখক -**

(১) ডাঃ নৰোত্তম সোণোৱাল, যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ মেডিচিন বিভাগৰ সহযোগী অধ্যাপক।

(২) ডাঃ বিপ্লৱ পাল, হৃদৰোগ বিশেষজ্ঞ, জি.এন.আৰ.ছি, দিছপুৰ।

(৩) গুণাৰাম খনিকৰ, লেখক - "সহজলভ্য বনৌষধিৰ গুণ"

Scanned with OKEN Scanner

## চিন্তাশিল্প ঃ সাম্প্ৰতিক




# বৰ্তমানৰ অৰণ্য ধ্বংসৰ গৰাহত

— মাম্পী বৰদলৈ
প্ৰথম ষান্মাষিক
শিক্ষাতত্ত্ব বিভাগ

এখন আন্ধাৰ পৃথিৱী
প্ৰকৃতিৰ সেউজীয়া ৰঙৰ
তুলিকাই পোহৰাই তুলিছে।
সকলোতে কেৱল সেউজীয়া
প্ৰতি কোণে কোণে
প্ৰতি ৰন্ধ্ৰে ৰন্ধ্ৰে সেউজীয়া
চিৰ সেউজীয়া
কেৱল মাত্ৰ চিৰ সেউজীয়া

সৃষ্টিৰ আদিম পুৰাৱে পৰা এই বিশ্বৰ বুকুত জীৱ-জগত আৰু সৰীসৃপৰ পৰা আৰম্ভ কৰি নিচেই সৰু কীট-পতংগ প্ৰাণীবো জন্ম হ'ল। আনহাতে অলেখ-অপাৰ জীৱ-কালৰ বুকুত বিলীন হৈ গ'ল। প্ৰাকৃতিক দুৰ্যোগ, ভূঁইকপৰ ফলত বহুতো মূল্যৱান গছ-গছনি, পাহাৰ-পৰ্বত কালৰ বুকুত নাইকীয়া হৈ গ'ল। আজিৰ সু-সভ্য মানুহে এই কথা প্ৰতিটো সময়তে অনুভৱ কৰিছে যে সৃষ্টিৰ আনন্দ যিদৰে অসীম, হেৰুৱাৰ বেদনাও সেইদৰে বিপুল। বিশ্বৰ বুকুত সৃষ্টিৰ বহুতো মনোৰম, মূল্যৱান গছ, জীৱ-জন্তু অতীতত যিদৰে হেৰাই গ'ল, সেইদৰে আজিৰ যুগত হেৰাই যাবলৈ দিব নোৱাৰি। অৰণ্যৰ গছ-গছনিৰ লগত জন-জীৱনৰ এক ওতঃপ্ৰোত সম্বন্ধ আছে। আদিম মানৱে অৰণ্যত থকা গছৰ ফলমূল, আলু-কচুকে খাই জীৱন-নিবাৰ্হ কৰিছিল। হাবি-জংঘলৰ বুকুতে কৃষি কৰ্মৰ পাতনি মেলিছিল, শস্য উৎপাদন কৰিছিল। গছে এৰি দিয়া অক্সিজেন লৈ জীৱ জীয়াই আছে আৰু জীৱই এৰি দিয়া গেছ লৈ অৰণ্য বৰ্তি আছে। গছেই বৰষুণৰ জলধাৰা পৃথিৱীলৈ বোৱাই আনি শস্য শ্যামলা কৰিছে।

গছে মানুহৰ দৈনন্দিন জীৱনৰ বাবে আৱশ্যকীয় খৰি-কাঠ যোগান ধৰি জগতৰ কল্যাণ সাধন কৰিছে। কিন্তু এই মূল্যৱান গছবোৰক বৰ্তমানৰ মানুহে ধ্বংস কৰিব ধৰিছে। বৰ্তমান এই গছ-গছনি পৃথিৱীত কমি অহাৰ ফলতেই প্ৰকৃতিৰ নীতি-নিয়মত ব্যাঘাত জন্মিছে আৰু পৃথিৱীত ভূমিস্খলন, প্ৰবল বৃষ্টিপাত, খৰাং বতৰৰ সৃষ্টি হৈছে। ফলত কৃষিৰ উপযোগী মাটি-পানীৰ অভাৱত মৰুভূমিত পৰিণত হৈছে। বৰ্তমান গছ-গছনি কমি অহাৰ ফলত পৃথিৱীত অক্সিজেনৰ পৰিমাণ কমি গৈছে আৰু কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বাঢ়ি গৈছে। অৰণ্য ধ্বংসৰ এনে ভয়াবহ পৰিণতিৰ কথা চিন্তা কৰি বিজ্ঞানীসকলে উপলব্ধি কৰিছে যে, অৰণ্য অবিহনে জীৱৰ জীৱন সম্ভৱ নহয়। গতিকে অৰণ্যই জন-জীৱনৰ প্ৰাণ। আমি সকলোৱে মিলি অৰণ্যক ৰক্ষা কৰিব লাগে আৰু আমি গছ-গছনিৰ ৰক্ষণা-বেক্ষণৰ বাবে দৃঢ় প্ৰতিজ্ঞ হ'ব লাগে। সমাজৰ প্ৰতিজন ব্যক্তিয়ে গছ-গছনি ৰক্ষাৰ ক্ষেত্ৰত সজাগ হোৱা উচিত। "প্ৰকৃতিৰ সৃষ্টি; সৃষ্টিৰ বাবেহে, ধ্বংসৰ বাবে নহয়।" গতিকে আমি এই প্ৰকৃতিৰ সৃষ্টি ৰক্ষা কৰি পৃথিৱীলৈ সুখৰ জোৱাৰ নমাই আনিব পৰাটোৱে আমাৰ একমাত্ৰ লক্ষ্য হ'ব লাগে। এজনেই এই গছ-গছনি ৰক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি আহিলে নহ'ব। আমি সকলোৱে একগোট হৈ প্ৰতিজন মানুহৰ জীৱনৰ কাৰণে আৰু প্ৰাণীকূল ৰক্ষাৰ কাৰণে গছ-গছনি ৰক্ষা কৰিবলৈ মই সকলোকে কৰযোৰে অনুৰোধ কৰিছোঁ।

"আহক আমি সকলোৱে গছক সুৰক্ষা দিওঁ।"



# সাম্প্ৰতিক কালত অসমত সৃষ্টি হোৱা বানপানী আৰু ইয়াৰ পৰিণতি

—মাম্পী বৰদলৈ
প্ৰথম ষান্মাসিক
শিক্ষাতত্ত্ব বিভাগ

চৌদিশে কেৱল পানী। এতিয়া মাথো বন্যাৰ্তৰ হাহাঁকাৰ। কোনোবাই আকৌ সকলো সৰ্বস্বান্ত হৈ পথৰ দাঁতিত, গছৰ ওপৰত নাইবা বিদ্যালয়ৰ গৃহত আশ্ৰয় গ্ৰহণ কৰিছে কেৱল প্ৰলয়ংকাৰী বানপানীৰ বাবে। এয়াই স্বাধীন অসমৰ প্ৰতিচ্ছবি। অতীতৰ সেই সুজলা-সুফলা, শস্য-শ্যামলা অসমৰ প্ৰতিচ্ছবি ক'ৰবাত হেৰাই গ'ল। এতিয়া চাৰিওফালে শুনা যায় বানপীড়িত জনসাধাৰণৰ আৰ্তনাদ। আজিৰ অসমত এজাক বৰষুণ দিলেই সৃষ্টি হয় ৰাইজৰ মাজত হাঁহাকাৰ। কাৰোবাৰ হেঁপাহৰ, সপোনৰ ঘৰখন নিমিষতে কাঢ়ি পেলায় বলিয়া বানে। এবাৰ বানৰ কবলত নিঠৰুৱা হোৱা পৰিয়াল এটা থানথিত নোহোৱাকৈয়ে পুনৰ সৃষ্টি হয় অসমত বানৰ তাণ্ডৱ।

অসমৰ চুবুৰীয়া ৰাষ্ট্ৰ চীন আৰু অৰুণাচল প্ৰদেশত সৃষ্টি হোৱা ধাৰাষাৰ বৰষুণৰ ফলতেই অসমৰ ব্ৰহ্মপুত্ৰকে ধৰি সকলো সৰু বৰ নদী উপনদীৰ পানী ফেনে-ফুটোকাৰে বাঢ়ি আহে। ফলত সৃষ্টি হয় ধ্বংসলীলা। তদুপৰি এইবছৰৰ বানপানীক অধিক প্ৰলয়ংকাৰী আৰু ধ্বংসাত্মক ৰূপ দিয়াত একপ্ৰকাৰ মূখ্য ভূমিকা লয় অৰুণাচলৰ ৰঙানদী জলবিদ্যুৎ প্ৰকল্পৰ পানীয়ে। ৰঙানদী প্ৰকল্পৰ পানী এৰি দিয়াৰ ফলতে লক্ষীমপুৰৰ পৰা মাজুলীলৈকে মৰুভূমি সদৃশ পৰিস্থিতি হয়। অসমত এইবছৰ বলিয়া বানে উজনি নামনি সকলোতে বিস্তৰ ক্ষতি সাধন কৰিলে। ৩৩ খন জিলাৰ ভিতৰত ৩১ খনেই বানৰ কবলত পৰে। শেহতীয়া বানে বিশেষকৈ মাধমাৰ শোধালে কৃষকসকলক। অসমৰ দৰিদ্ৰ কৃষকসকলে কপালৰ ঘাম মাটিত পেলাই শ শ বিঘাকৈ কৰা খেতি মাটি নিমিষতে বুৰাই পেলালে বলিয়া বানে।

মাত্ৰ এমাহৰ ভিতৰতে হোৱা দুটাকৈ প্ৰলয়ংকাৰী বানে ৰাজ্যৰ প্ৰায় ৩১ লাখ লোকক ক্ষতিগ্ৰস্ত কৰাৰ সমান্তৰালকৈ বিস্তৰ ক্ষতি সাধন কৰে ৰাজ্যৰ বৃহৎ সংখ্যক ৰাস্তা-ঘাট, দলং, কালভাৰ্ট ইত্যাদি। প্ৰলয়ংকাৰী বানে ক্ষতিসাধন কৰা ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ কবলত এতিয়া ৰাজ্যখনৰ সামগ্ৰিক যাতায়ত ব্যৱস্থা যমৰ যাতনা সদৃশ হৈ পৰিছে। শেহতীয়া বানৰ হোৱা ক্ষয়-ক্ষতিৰ পৰিমাণ প্ৰথমটো বানতকৈ কেইবাগুণে বেছি।

সত্ৰীয়া সংস্কৃতিৰ পীঠস্বৰূপ নদীদ্বীপ মাজুলী আৰু তথা ঐতিহাসিক শদিয়াও ৰক্ষা নপৰিল এই প্ৰলয়ংকাৰী বানত কবলৰ পৰা। অসমৰ দুখনকৈ চিহ্নিত ৰাষ্ট্ৰীয় উদ্যান তথা বিশ্বঐতিহ্যক্ষেত্ৰ কাজিৰঙা আৰু ডিব্ৰু-চৈখোৱাতো আনকি বানে চলালে তাণ্ডৱ লীলা। এইবাৰো প্ৰতিবছৰৰ দৰে দুই শতাধিক বন্যপ্ৰাণীৰ প্ৰাণহানি হ'ল।

পাহাৰীয়া অঞ্চলত বৰষুণৰ ফলত পাহাৰীয়া নৈসমূহৰ বুকুৰেদি বাগৰি আহে শিল, বালি, বোকা মাটি। এইবোৰেও অসমৰ নদ-নদীসমূহৰ বুকু দিনে দিনে তৰাং কৰি আহিছে। প্ৰবল বানপানীৰ ফলত হাজাৰ হাজাৰ হেক্টৰ কৃষিভূমি আৰু মীন পালনৰ ক্ষেত্ৰসমূহো প্লাৱিত হ'ল। কোনো কোনো অঞ্চলত বহুকেইটা মঠ-মন্দিৰ বানৰ কৰাল গ্ৰাসত পৰিল।

বানে কঢ়িওৱা দুৰ্গতিৰ পৰিণামস্বৰূপে ৰাজ্যৰ শিক্ষাৰ ক্ষেত্ৰখনতো বাৰুকৈয়ে ব্যাঘাত জন্মিল। বলিয়া বানে বিদ্যালয়, মহাবিদ্যালয়সমূহৰ চকী-মেজ, আচবাব পত্ৰৰ লগতে গুৰুত্বপূৰ্ণ নথি পত্ৰও উটুৱাই লৈ যায়। ইয়াৰে ফলত বহু কেইখন বিদ্যালয়, মহাবিদ্যালয়ত বানে কঢ়িওৱা দুৰ্গতিৰ পিছত পানী শুকোৱাৰ পিছতো পাঠদান আৰম্ভ কৰাত সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। তদুপৰি বানাক্ৰান্ত শিক্ষাৰ্থীসকলৰ সকলোবোৰ প্ৰয়োজনীয় কিতাপ-পত্ৰ বানে উটুৱাই নিয়াৰ ফলত তেওঁলোকৰ ভৱিষ্যত অন্ধকাৰে ছানি ধৰিছে। অসমত এইবাৰৰ বান পৰিস্থিতিয়ে ৰাইজক বাৰুকৈয়ে নিঠৰুৱা কৰিলে। ভয়াৱহ বানত বিধস্ত হ'ল ৰাজ্যৰ আন্তঃগাঠনি। এতিয়ালৈকে প্ৰায় ১৫০০০ কোটি টকাৰ লোকচান হৈছে। অসমৰ কোনো কোনো ঠাইত আকৌ কৃত্ৰিম বানৰ ফলত জনসাধাৰণৰ অৱস্থা পানীত হাঁহ নচৰাৰ দৰে হৈছেগৈ।

বানত আক্ৰান্ত জনসাধাৰণলৈ চৰকাৰে হেলিকপ্টাৰেদি আগবঢ়োৱা চাউল, দাইল, নিমখ, কাপোৰ আদিয়ে জনসাধাৰণৰ দুৰ্দশাত কিছু পৰিমাণে সকাহ পালে যদিও ইয়াৰ পৰিমাণ এপাচি শাকত এটা জালুকৰ নিচিনা। সপ্তাহ ধৰি পানী নুশুকোৱাত জনসাধাৰণ আশ্ৰয় শিবিৰত থাকিব লগীয়া হ'ল। চৰকাৰী সাহাৰ্য্যৰ দ্বাৰা বঞ্চিতসকলে আকৌ এমুঠি অন্নৰ কাৰণে হাঁহাকাৰ কৰিবলগীয়া হ'ল। মুঠতে, বানপীড়িত লোকসকলৰ হৃদয়বিদাৰক দৃশ্যসমূহ নেদেখিলে নেজানিলে কোনেও কল্পনা কৰিব নোৱাৰে।

জলসিঞ্চন আৰু জলসম্পদ বিভাগে পাকোপাইন ব্যৱস্থা ল'লেও সেই সকলোবোৰ বিশেষ কামত নাহিল। বানে সৃষ্টি কৰি থৈ যোৱা ধ্বংসলীলাৰ পিছত বানাক্ৰান্ত ৰাইজক চৰকাৰে আৰ্থিক সাহাৰ্য্য প্ৰদান কৰি মাথো সান্ত্বনা দিলে এখন্তেক সময়ৰ কাৰণে, চৰকাৰে তেওঁলোকক পুনৰ এনে ভয়াবহ সমস্যাৰ সৃষ্টি নহ'ব বুলি আশ্বাস দিব নোৱাৰিলে। কাৰণ বানপানীৰ দৰে ভয়াবহ সমস্যা নিৰ্মূল কৰিবলৈ ব্যৰ্থ হৈছে অসম চৰকাৰ।

সমস্যাৰে জৰ্জৰিত অসমৰ বানপানী সমস্যা সমূলি নিৰ্মূল কৰিবলৈ হ'লে প্ৰথমে জনসাধাৰণ সজাগ হ'ব লাগিব। জনসাধাৰণে সৃষ্টি কৰা পানী প্ৰদূষণৰ কাৰণে নদ-নদীসমূহৰ বুকুত আবৰ্জনা জমা হৈ বুকু তৰাং হৈ পৰিছে। দিনে দিনে আৰু ফলত বাৰিষাৰ এজাক বৰষুণকে নদীসমূহে ইয়াৰ বুকুৰেদি কঢ়িয়াই নিবলৈ অপাৰগ হৈ পৰিছে। জনসাধাৰণে নদীৰ সুৰক্ষা বান্ধত নিজ স্বাৰ্থ সিদ্ধিৰ কাৰণে ঘৰ, হোটেল নিৰ্মাণ কৰিলত এই সুৰক্ষা বান্ধবোৰ দুৰ্বল হৈ পৰিছে। চৰকাৰেও নদীবান্ধ আৰু সুৰক্ষাবান্ধবোৰৰ সবলীকৰণৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা হাতত লোৱা নাই। ব্ৰহ্মপুত্ৰ বৰ্ড আৰু জলসিঞ্চন বিভাগৰ নীতিবৰ্হিভূত কামৰ ফলতে অসমৰ এই বৃহৎ সমস্যা নিৰাময় কৰিব পৰা নাই। ক্ষমতালোভী বিভাগীয় জলসম্পদৰ কৰ্তৃপক্ষ তথা জিলা প্ৰশাসনে এই বানসমস্যা নিবাৰণ কৰিব নোৱাৰাটো লজ্জাজনক বিষয়। তদুপৰি বিগত ছটা দশক ধৰি অসমৰ ৰাইজে সন্মুখীন হোৱা বানপানী সমস্যাক কেন্দ্ৰীয় চৰকাৰে আজিও ৰাষ্ট্ৰীয় সমস্যা ৰূপে ঘোষণা কৰা নাই। উল্লেখনীয় যে মাত্ৰ ৪০৬ মেগাৱাট সম্পন্ন ৰঙানদী প্ৰকল্পই অসমত যি সংহাৰী ৰূপ লৈছে আৰু নিৰ্মীয়মান ১৬৮ টা জল বিদ্যুত প্ৰকল্পই অসমৰ প্ৰায় প্ৰতিখন নদীৰ প্ৰতিয়েই ভাবুকিৰ সৃষ্টি কৰিছে আৰু চৰকাৰে এইক্ষেত্ৰত দৃষ্টিনিক্ষেপ কৰাটো নিতান্তই প্ৰয়োজনীয় হৈ পৰিছে। শেষত আশা ৰাখিছোঁ আমেৰিকাৰ মিছিছিপি, চীনৰ হোৱাংহোৰ দৰে বৃহৎ নদীক সেই দেশৰ চৰকাৰে নিয়ন্ত্ৰণ কৰাৰ দৰে অসমৰ ব্ৰহ্মপুত্ৰ নদীকো কেন্দ্ৰীয় চৰকাৰে ভৱিষ্যতে নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হ'ব।

Scanned with OKEN Scanner



# SAVE THE PLANET EARTH

– *Nagma Begum*
Department of home Science
B.A. 3rd Semester

Our planet is indeed gasping for breath right now, our harmful pollutions is indeed chaking her slowly and continues to stripped her with her ozone layer. I think it is about time to give our timely response to this alarming state of the only planet we live in, by doing our share of protecting her with doing simple things that will surely stir big difference. For if not, we might be harming ourselves in the years ahead as well, for nature has its own destructive way of getting back at us humans, the signs of earth's displeasure with inappropriate and harmful activities of humans are now seen and felt all across the globe like the global warming, climate change, acid rain, drought, flash floods and other forms of natural catastrophes. Here is an effort for making people interested by teaching some practical and small ways that could help our planet get a sigh of relief.

## STOP CUTTING TREES

Trees acts as filter of Carbon dioxide also prevent us from soil erosion, flood and droughts. Deforestation is a major course of global warming and climate change.



## PLANT MORE TREES

A single tree will absorb one ton of carbon dioxide over its lifetime Shade provided by trees can also reduce your air conditioning bill by 10to 15%

**SAVE FUEL**

Regular maintenance helps improve fuel efficiency and reduces emissions when just 1% of car owners properly maintain their cars, nearly a billion pounds of carbon dioxide are kept out of the atmosphere.

**POLLUTE LESS**

Keep your tyres inflated to improve gas mileage by 3 percent. Every gallon you save also saves 20 pounds of Co2 emissions.

**SAY NO TO PLASTIC**

Of those 100 trillion plastic bags 1% are recycled. It takes 1000 years for polyethylene bags to break down.

**SAVE WATER**

Turn off the water while brushing your teeth and save 25 gallons of water a month. Take shorter showers to reduce water use.

**GLOBAL WARMING**

Global warming is caused by green house gases, which trap in the Sun's infrared rays in the earth atmosphere, which in turn heat up the earth's atmosphere.

**NO SMOKING**

Smoking harms not just the smoker but also family members, co-workers and others who breathe the smoker's cigarette smoke.

'Confidence and hardwork
is the best medicine to kill
the Diseose colled failure
If will make you
Sucessful person ......'

**We never noticed the beauty of nature because we were too busy trying to re-create it.**



Scanned with OKEN Scanner

## চিন্তাশিল্প ঃ জীৱনী লেখা




# এলবাৰ্ট আইনষ্টাইন

— সুস্মিতা খনিকৰ
পঞ্চম ষান্মাষিক
পদাৰ্থ বিজ্ঞান বিভাগ

১৮৭৯ চনৰ মাৰ্চ মাহৰ ১৪ তাৰিখে জাৰ্মানি দেশৰ বৰ ভিতৰুৱা অঞ্চলত থকা উল্ম নামৰ চহৰ এখনত বিশ্ব বিখ্যাত পদাৰ্থ বিজ্ঞানী এলবাৰ্ট আইনষ্টাইনৰ জন্ম হয়। তেওঁৰ দেউতাকৰ নাম আছিল হাৰ্মানি আইনষ্টাইন, তেওঁ ব্যৱসায় কৰিছিল। সেই সময়ত বিজুলী চাকিৰ আৱিস্কাৰ হৈছিল। হাৰ্মানি আইনষ্টাইনৰ ব্যৱসায়িক প্ৰতিষ্ঠানটোৱে বিজুলী চাকি জ্বলাবৰ কাৰণে প্ৰয়োজন হোৱা বৈদ্যুতিক সৰঞ্জামবোৰ ঘৰে ঘৰে যোগান ধৰিছিল। এলবাৰ্টৰ মাকৰ নাম আছিল পলিন। তেওঁ এগৰাকী নিপুণ বেহেলাবাদক আছিল। প্ৰতি পুৱাই মাকে বজোৱা সংগীতৰ সুৰ শুনিহে এলবাৰ্টৰ টোপনি ভাগিছিল। এলবাৰ্টৰ ৫ বছৰীয়া জন্মদিনত তেওঁৰ মাক দেউতাকে তেওঁক এটি কম্পাছ উপহাৰ দিছিল। তেওঁ লক্ষ্য কৰিলে যে তেওঁ কম্পাচটো যি পিনেই মুখ কৰি নথওক, তাৰ কাঁটাডাল উত্তৰ দিশলৈ মুখ কৰিবই কৰিব। ঘটনাটো দেখি তেওঁ অতি আচৰিত হ'ল আৰু সেই কম্পাছডালেই তেওঁক বিজ্ঞান জগতৰ প্ৰতি আকৰ্ষণ বঢ়ালে।

এলবাৰ্টে দহ বছৰ বয়সৰ পৰাহে গণিতক ভাল পাবলৈ ধৰে। ইয়াৰ কাৰণ হ'ল তেওঁৰ জেকব নামৰ এজন খুৰাক। জেকব খুৰা এজন সুদক্ষ অভিযন্তা বা ইঞ্জিনীয়াৰ আছিল। এলবাৰ্টৰ এলজেব্ৰাৰ প্ৰতি আকৰ্ষণ বঢ়াবৰ কাৰণে জেকব খুৰাকে কৈছিল যে এলজেব্ৰাৰ অংকবোৰৰ ভিতৰত বহুত নজনানুশুনা জীৱ জন্তু সোমাই আছে। মানুহে সেই জীৱ-জন্তবোৰক বিচাৰি উলিয়াই চিকাৰ কৰিব লাগে। দহ বছৰীয়া এলবাৰ্টে খুড়াকৰ কথাবোৰ শুনি আচৰিত হৈ খুড়াকক সুধিলে - 'কেনেকৈ?' খুড়াকে




উত্তৰ দিলে যে যিটো জন্তু চিকাৰ কৰিও ধৰিব পৰা নাযায়, তাৰ নাম দিব লাগিব এক্স এতিয়া এক্সক ধৰিব নোৱাৰালৈকে জেকব খুড়া আৰু এলবাৰ্টে তাক খেদিয়েই ফুৰিব লাগিব।

এলবাৰ্ট সৰুতে একেবাৰে লেখত লবলগীয়া ল'ৰা নাছিল, স্কুলীয়া জীৱনত মুঠেই মেধাৱী নাছিল। পঢ়া-শুনাত ভাল ফল দেখুৱাব নোৱাৰা ল'ৰাটোৱে চুইজাৰলেণ্ডৰ জুৰিম চহৰত থকা বিখ্যাত পলিটেকনিক একাডেমি নামৰ শিক্ষানুষ্ঠানৰ প্ৰৱেশ পৰীক্ষাত সফল হ'ল। সেই পলিটেকনিক একাডেমি কলেজখনে এলবাৰ্টৰ জীৱনৰ গতি একেবাৰে সলনি কৰি দিলে, তাহানিৰ লাজকুৰীয়া, কথা কম কোৱা ল'ৰাটিয়ে সেই কলেজখনত চাৰিবছৰ পঢ়ি পদাৰ্থ বিজ্ঞান আৰু গণিত বিজ্ঞানত চূড়ান্ত বা ফাইনেল পৰীক্ষাত বেছ ভাল ফল দেখুৱাই তেওঁ স্নাতক হ'ল।

স্নাতক হোৱাৰ পাছত এলবাৰ্টে চুইজাৰলেণ্ডৰ চুইচ পেটেন্ট অফিচৰ এটা চাকৰিত যোগ দিলে। এই চুইচ পেটেন্ট অফিচৰ বিষয়াজনেই বিশ্ববিখ্যাত 'আপেক্ষিকতাবাদ' সূত্ৰৰ আৱিষ্কাৰ কৰিছিল। এই অফিচটো চাকৰিৰ মাজতে এলবাৰ্টে ডক্টৰেট ডিগ্ৰীৰ বাবে গৱেষণা চলাই থাকিল। অৱশেষত ১৯০৫ চনত তেওঁ 'অণুৰ আকাৰৰ নতুন সন্ধান' নামৰ গৱেষণা পত্ৰৰ বাবে ডক্টৰেট ডিগ্ৰী লাভ কৰিলে। তাৰ পাছত তেওঁ কেইবাটাও মূল্যবান গৱেষণা মূলক 'পেপাৰ' বা 'প্ৰবন্ধ' লিখিলে য'ত তেওঁ আপেক্ষিকতাবাদ সূত্ৰটোৰ বিষয়ে পৃথিৱীক প্ৰথমবাৰৰ বাবে ধাৰণা দিলে। তেওঁ কৈছিল যে পোহৰৰ গতিবেগ সদায় সকলো সময়তে একেদৰে থাকে। বিশ্বজগতখনৰ প্ৰতিটো বস্তুকেই ইটোৰ লগত সিটোৰ তুলনা কৰিব পাৰি নতুবা সিহঁতৰ মাজত সম্পৰ্ক আছে। বৈ থকা মানুহ এজনৰ বাবে ঘন্টাত নব্বৈ মাইল গতিৰে গৈ থকা ৰেল এখনক বৰ বেগী যেন লাগিব। কিন্তু যদি ঘন্টাত এশ বিছ মাইল গতিৰে গৈ থকা ৰেল এখনত বহি সেই একেজন মানুহেই গৈ থাকে তেওঁৰ বাবে প্ৰথম ৰেলখনক বৰ লাহে লাহে গৈ থকা যেন লাগিব। আইনষ্টাইনে আৱিষ্কাৰ কৰা 'থিয়ৰী অব ৰিলেটিভিটি' বা আপেক্ষিকতাবাদ সূত্ৰটোৱে বিজ্ঞানীসকলক এক নতুন দিশ খুলি দিলে। এলবাৰ্ট আইনষ্টাইনৰ নাম সমগ্ৰ পৃথিৱীতে বিখ্যাত হৈ পৰিল। তেওঁৰ এই সূত্ৰৰ পৰাই তেওঁ এটা নতুন সমীকৰণ আৱিষ্কাৰ কৰে যাৰ ফলত পৰমাণু বোমা তৈয়াৰ কৰিব পৰা হ'ল। ১৯২১ চনত তেওঁ আলোক বৈদ্যুতিক নীতি আৰু তাত্ত্বিক পদাৰ্থ বিজ্ঞানৰ বিষয়ত তেওঁৰ গৱেষণাৰ বাবে ন'বেল বঁটা লাভ কৰে।

আইনষ্টাইনে আৱিষ্কাৰ কৰা আপেক্ষিকতাবাদ সূত্ৰৰ ওপৰত ভিত্তি কৰি $E = mc^2$ উত্তৰ হৈছিল আৰু তাৰ ফলতেই পৰমাণু বোমা প্ৰস্তুত কৰি আমেৰিকাই জাপানৰ হিৰোশ্বিমা আৰু নাগাছাকি নামৰ চহৰ দুখন পৰমাণু বোমা পেলাই ধ্বংস কৰিছিল। এই ঘটনাত আইনষ্টাইনে মনত বৰ দুখ পাইছিল। সেয়ে পিছৰ জীৱনত তেওঁ বেছি ভাগ সময় শান্তি আৰু ভ্ৰাতৃত্বৰ হ'কে কাম কৰিছিল।

★★★★★★

**তুমি আনক ক্ষমা কৰিলে ঈশ্বৰেও তোমাক ক্ষমা কৰিব — *যীশুখ্ৰীষ্ট***



# সুধাকণ্ঠৰ
## এটি আলোক পাত

— ৰাণী হাজৰিকা
তৃতীয় ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

মহাসাগৰৰ ইপাৰ সিপাৰ জানো জুখিব পাৰি? পৃথিৱী আৰু আকাশৰ দূৰত্ব জানো ঢুকি পাব পাৰি, নোৱাৰি? যেনেকৈ নোৱাৰি যেনেকৈ ভূপেন হাজৰিকাৰ মহাসাগৰ সদৃশ জীৱনক জুখিব নোৱাৰি পাৰাপাৰহীন এখন বিশাল মহাসাগৰৰ দৰে ভূপেনদাৰ জীৱন। আদিও নাই অন্তও নাই। সৃষ্টি কলাৰ সুৰ-সংগীত আৰু মৰ্মস্পৰ্শী কণ্ঠৰ লগত সকলোৰে পৰিচিত ভূপেন হাজৰিকাৰ জন্ম ১৯২৬ ৰ আঠ ছেপ্টেম্বৰত শদিয়াৰ পিতৃ নীলকান্ত হাজৰিকাৰ ঔৰসত আৰু মাতৃ শান্তিপ্ৰিয়া হাজৰিকাৰ গৰ্ভত। চৈধ্য বছৰ বয়সতে ভূপেন হাজৰিকাই 'অগ্নিসুগৰ ফিৰিঙটি মই' গীতটি প্ৰথমে ৰচনা আৰু সুৰ সঞ্চাৰ কৰিছিল। ১৯৩০ ৰ ৩০ অক্টোবৰত কটন কলেজিয়েট হাইস্কুলত অনুষ্ঠিত ৰাজহুৱা সভাত প্ৰথম গীত গাই আনুষ্ঠানিকতা মুকলি কৰিছিল। তেতিয়া বয়স আছিল মাত্ৰ চাৰি বছৰ। পাছত ১৯৩৩ ত গুৱাহাটীৰ সোণাৰাম প্ৰাথমিক বিদ্যালয়ত তৃতীয় শ্ৰেণীত নামভৰ্ত্তি কৰি শিক্ষা জীৱনৰ পাতনি মেলি ১৯৩৫ ত ধুবুৰী প্ৰাথমিক বিদ্যালয়ত নামভৰ্তি কৰিব লগা হৈছিল। পাছত কটন কলেজিয়েট স্কুললৈ ঘুৰি আহে যদিও ১৯৩৬ ত তেজপুৰ উচ্চ ইংৰাজী বিদ্যালয়ত ষষ্ঠ শ্ৰেণীত নামভৰ্তি কৰি জ্যোতি প্ৰসাদ আগৰৱালা আৰু বিষ্ণু প্ৰসাদ ৰাভাৰ লগত কলিকতালৈ গৈ প্ৰথমবাৰৰ বাবে 'চেনোলামিউজিকেল প্ৰ'ডাক্টছ' কোম্পানীত বিষ্ণু ৰাভা ৰচিত গীত ৰেকৰ্ডিং কৰিছিল। সেই একেটা বছৰতে ভূপেন হিচাপে ও পৰিচিত আছিল। ১৯৪৯ ত আমেৰিকালৈ গৈ ভাৰতীয় ছাত্ৰ সংস্থাৰ মুখ পত্ৰ 'নিউ ইণ্ডিয়াৰ সম্পাদক হিচাপে দায়িত্ব লৈছিল আৰু হাজৰিকাই জ্যোতিপ্ৰসাদ আৰু বিষ্ণু ৰাভাৰ যৌথ প্ৰযোজিত নাটকত কণ্ঠদান কৰিছিল। পঢ়া শুনাৰ মাজেৰে তেওঁ ১৯৩৯ ত জ্যোতি প্ৰসাদৰ 'ইন্দ্ৰমালতী' কথাছবিত 'অ' মইনা কেতিয়া আহিলি তই' গীতৰে প্ৰথম কণ্ঠশিল্পী হিচাপে আত্ম প্ৰতিষ্ঠা কৰি অভিনয়ো কৰিছিল। আনকি ১৯৩৯ তে তেওঁ প্ৰথমবাৰ কলিকতা অনাতাঁৰ কেন্দ্ৰত গীত গাবলৈ সক্ষম হৈছিল ১৯৫২ ত ড° ভূপেন হাজৰিকাই Role of mass Communication in India's Adult Education' বিষয়ত ডক্টৰেত ডিগ্ৰী লাভ কৰি স্বদেশলৈ উভতি আহিছিল। ড° ভূপেন হাজৰিকা যে এগৰাকী গীতিকাৰ, সুৰকাৰ, কণ্ঠশিল্পীয়েই আছিল এনে নহয়। তেওঁ একেধাৰে কথাছবি প্ৰযোজক পৰিচালক, সংগীত পৰিচালক আৰু অভিনেতাও আছিল। ড° ভূপেন হাজৰিকা এজন মানৱতাবাদী। তেওঁৰ গীতত তেওঁৰ মানৱতাবাদী দৃষ্টিভংগী স্পষ্ট। তেওঁৰ মানৱ প্ৰেমৰ দৰে ভগৱৎ প্ৰেমৰ সম্পূৰ্ণ পৰিপন্থী, তেওঁ গীতত তেওঁৰ কোমল মানৱ হৃদয়ৰ মানৱী স্পন্দন সুন্দৰ ভাৱে শুনিবলৈ পোৱা যায়, তেওঁ বহু গীতৰ উদেশ্যই মানুহৰ অন্তৰত মানুহৰ প্ৰতি প্ৰেম ওপজোৱাটোৱেই, মানুহে মানুহৰ প্ৰতি যাতে আন্তৰিক মৰমৰ চেনেহ আৰু সহানুভূতি প্ৰদৰ্শন কৰে তাৰ কাৰণে ড°

হাজৰিকাই সদায় খাটি আহিছে। মানুহৰ দুখ-কষ্ট, দাৰিদ্ৰ্য বা শোকলগা পৰিস্থিতিৰ কৰুণ চিত্ৰ দাঙি ধৰাত হাজৰিকা এজন অদ্বিতীয় শিল্পী। 'কাৰ কপালৰ সেন্দুৰও মচা গ'ল, 'কোন মাতৃৰ বুকু শুদা হ'ল, 'ৰুগীয়া আইয়ে ছাগে, ৰখি আছে বাঢ়িলৈ দাইল-ভাত দুয়োৰে আমাৰ' 'এইবাৰ বিহুতে মোৰহে ল'ৰাটিক নিদিলো সূতাৰে চোলা,' 'তোৰ ঘাম ভৰা নঙঠা পিঠি তপত ৰ'দত যায় ফাটি তথাপি নাই তাৰ গুণ গাওঁতা', আদিৰ নিচিনা সজীৱ প্ৰকাশে সহজেই মানৱ মনত সমবেদনা জগাব পাৰে। ড° ভূপেন হাজৰিকা আধ্যাত্মিকতাৰ কাৰণে তেওঁৰ গীত কেৱল গোটেই ভাৰততে নালাগে পৃথিৱীৰ আন আন ঠাইতো সমাদৃত হৈছে। তেওঁ মানৱ প্ৰেমৰ বিশ্বজনীন ভাবেৰে লুইত পাৰত অসমীয়া জাতীয় জীৱনক এনেভাৱে চহকী কৰিছে যে ইতিহাসত প্ৰথমবাৰৰ কাৰণে এজন অসমীয়া সমাজখনক আন্তৰ্জাতিক সাঁচত ৰূপ দিবলৈ চেষ্টা কৰা যেন অনুমান হয়। হাজৰিকাদেৱৰ মানুহে মানুহৰ বাবে গীতটোত প্ৰকাশ পোৱা আন্তৰিকতা আৰু মতবাদৰ স্পষ্ট প্ৰকাশ নথকাকৈ কেৱল মানৱীয় বা মানৱতাবাদী চিন্তাধাৰা প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়।

**মানুহে মানুহৰ বাবে**

(এই গীতটি ১৯৬০-৬১ ৰ ভাষা আন্দোলনৰ সময়ত ৰচা)

মানুহে মানুহৰ বাবে
যদিহে অকণো নাভাবে
অকণি সহানুভূতিৰে
ভাবিব কোনেনো কোৱা? সমনীয়া
মানুহে মানুহক বেচিব খুজি
মানুহে মানুহক কিনিব খুজি
পুৰণি ইতিহাস দোহাৰিলে
ভুল জানো নহ'ব কোৱা? সমনীয়া?
দুৰ্বল মানুহে যদি
জীৱনৰ কোবাল নদী
পাৰ হয় তোমাৰে সাহত
তুমি হেৰুৱাবানো কি ?
মানুহ যদি হে নহয় মানুহ
দানৱ কাহানিও নহয় মানুহ।
যদি দানৱ কাহানিবা হয় মানুহ
লাজ পাব কোনেনো কোৱা? সমনীয়া

গংগা মোৰ মা
পদ্মা মোৰ মা
মোৰ চকুলোৰে দুটি ধাৰা মেঘনা, যমুনা
একেই আকাশ একে বতাহ
দুই কলিজাত একে উশাহ
দুটি চৰাইৰ দুটি মাতৰ একে মূৰ্চ্ছনা
অ' মোৰ চকুলোৰে দুটি ধাৰা মেঘনা যমুনা।

ড° ভূপেন হাজৰিকাই মুম্বাইৰ কোকিলাবেন ধীৰুভাই অম্বানী হাস্পতালত ২০১১ চনৰ পাঁচ নৱেম্বৰৰ শনিবাৰৰ আবেলি ৪-৩৭ মিনিটত শেষ নিশ্বাস ত্যাগ কৰে। এই গৰাকী ব্যক্তিৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে অসমজুৰি এক হাহাঁকাৰ অৱস্থাৰ সৃষ্টি হয়। গুৱাহাটীৰ এগৰাকী প্ৰবীণ নাগৰিক তথা সমাজকৰ্মী ধীৰেন বৰুৱাই দীঘলী পুখুৰীৰ পাৰত দুখেৰে মন্তব্য কৰিছিলযে ১৯৫০ ৰ বৰঁভূইঁকপতো অসমত যিটো জোঁকাৰণি অনুভূত হোৱা নাছিল, ভূপেন হাজৰিকাৰ মৃত্যুৰ বাতৰিয়ে তাতকৈ বহু বেছিকৈ অসম জোঁকাৰিলে।

ভূপেন হাজৰিকা মোৰ বাবে এজন ব্যক্তি নহয়, তেওঁ আছিল ভগৱান। ঈশ্বৰৰ কথা লিখা নাযায়, তেওঁক মাথো স্মৰণ কৰিব পাৰি। জীৱনৰ প্ৰতিটো মুহূৰ্তত মানৱ জাতিয়ে ঈশ্বৰকে স্মৰণ কৰে। মোৰ দৃষ্টিত ভূপেন হাজৰিকা ঈশ্বৰ কাৰণ এজন প্ৰকৃত শিল্পী হ'বলৈ সাধনাৰ লগতে ভগৱানৰ আশীৰ্বাদৰো প্ৰয়োজন। অসমৰ আপুৰুগীয়া সংস্কৃতিৰ প্ৰতি ভূপেনদাৰ অন্তৰত কি আছিল, আজিৰ প্ৰজন্মই প্ৰতিটো মুহূৰ্ততে উপলব্ধি কৰিবলৈ বাধ্য। ভূপেনদাৰ বিষয়ে ক'বলৈ গ'লে গোটেই জীৱন টোৰে শেষ নহ'ব। ভূপেনদা নিজে এখন কিতাপ, এটা অনুষ্ঠান, এটি ইতিহাস, এটা প্ৰজন্ম, এখন বুৰঞ্জী। এনে এজন বিৰল ব্যক্তিত্ব, এগৰাকী আন্তৰ্জাতিক সংগীতজ্ঞক আমি অসমীয়া মানুহে পাইছিলো। অসমৰ মানুহে ঈশ্বৰৰ দান হিচাপে পাইছে। গতিকে ঈশ্বৰৰ দানক সুন্দৰকৈ ৰখাটোৱেই আমাৰ কৰ্তব্য। মৃত্যুৰ পাছতো যুগ যুগ জীয়াই থাকক ভূপেনদা আমাৰ মাজত। ভূপেনদাৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক— তাকেই কামনা কৰিলো।

Scanned with OKEN Scanner



# STEPHEN HAWKING

*– Parthana Dutta*
B.Sc. 1st sem
Department of Mathematics

Stephen William hawking is an English theoretical physicist, cosmologist, author and director of research at the centre for theoretical cosmology within the university of Cambridge. Stephen Hawking the greatest scientist is my favorite scientist.

Stephen William Hawking was born on 8 january 1942 (300 years after the death of Galileo) in oxford, England. His father, a well known researcher in tropical medicine, urged his son to seek a career in medicine, but Stephen found biology, and were not exect enough. Therefore, he turned to the study of mathematics and physics.

Hawking was not an outstanding student at St. Alban's school, nor later at oxford university, which he entered in 1959. He was a social young man who did little school work because he was able to grasp the essentials of a mathematics or physics problem quickly.

The onset of hawking's graduate education at cambridge marked a turning point in his life. It was than that he embarked upon the formal study of cosmology which paused his study. At cambridge his talents were recognised, and he was encouraged to carry on his studies despite his growing physical disabilities. His marriage in 1965 was an important step in his emotional life. Marriage gave him, he called, the determination to live and make professional progress in the world of science. Hawking recieved his doctorate degree in 1966. He then began his life long research and teaching association with canbridge university.

1973- In this year hawking joins the department of applied mathematics and theoretical physics at cambridge, he discovers that black holes could leak energy and

particles into space and could leak energy even explode. It is published in the journal Nature, a year later. The theory is known as hawking radiation in 1993 hawking wrote Black Holes and baby universes and other essays, which in addition to his scientific thoughts, contains chapters about hawking's personal life. He co-authored a book in 1996 with sir Roger Penrose titled The Nature of Space and Time" In the 1980 Stephen onward one of Ainstein's unanswered theories, the famous unified field theory. A complete unified theory includes the four main interactions known to modern physics. The unified theory explains the conditions that were presented the beginning of the universe as well as the features of the physical laws of nature. When humans develop the unified field theory, said Stephen hawking, they will 'know the mind of God.'

Hawking work in modern cosmology and in theoretical astronomy and physics is widely recognised He became a fellow of the Royal Society of London in 1974 and five years later was once held by Sir Issac Newton ( 1642-1727) Beyond these honors he has earned a last of honorary degrees, awards, prizes and lectureships from the major university and scientific societies of Europe and America. By the end of the twentieth century Stephen Hawking had become one of the best known scientist in the world. His popularity includes endorsing a wireless and internet connection and speaking to wheellchair bound youth

Stephen hawking is really an exceptional scientist in our generation He still trying to solve the mystery of our universe inspite of his physical disabilities.



# *MALALA YOUSAFZAI*
# THE GIRL WHO STOOD UP FOR EDUCATION

***– Bhagyeshree Neog***
B.A. 5th Semester
Education Deptt



Malala Yousufzai was born on july 12,1997, in Mingora, the largest city in the Swat valley in what is now the khyber Pakhtunkhwa province of Pakistan. She is the daughter of Ziauddin and Tor Pekai Yousufzai and has two younger brothers.

At a very young age, Malala developed a thirst for knowledge. For years her father, a passionate education advocate himself, ran a learning institution in the city and school was a big part of Malala's family.

In 2007, when Malala was ten years old, the situation in the Swat valley rapidly changed for her family and community. The Taliban began to control the Swat valley and quickly became dominant Socio-political force throughout much of north western Pakistan. Girls were banned from attending school, and cultural activities like dancing and watching television were prohibited. Suicide attacks were widespread, and the group made its opposition to a proper education for girls a cornerstone of oits terror campaign. By the end of 2008, the Taliban had destroyed some 400 schools.

Determined to go to school and with a firm belief in her right to education, Malala stood up to the Taliban. Alongside her father, Malala quickly became a critic of their tactics. "How dare the Taliban take away my basic rights to education." She once said on Pakistan TV.

In early 2009, Malala started to blog anonymously on the urdu language site of the British Broadcasting Corporation (BBC). She wrote about life in the Swat Valley under Taliban rule, and about her desire to go to school. Using the name "Gul Makai", she described being forced to stay at home, and she questioned the motives of the Taliban.

Malala was 11 years old when she wrote her first BBC diary entry. Under the blog heading " I

Scanned with OKEN Scanner

am afraid", She described her fear of a full-blown war in her beautiful Swat valley, and her nightmares about beimg afraid to go to school because of the Taliban.

Pakistan's war with the Taliban was fast approaching, and on May 5, 2009 Malala became an internally displaced person (IDP), after having been forced to leave her home and seek safety hundreds of miles away.

In her return, after being away from Swat, Malala once again used the media and continued her public campaign for her right to go to school. Her voice grew louder and over the course of the next three years, she and her father became known throughout Pakistan for their determination to give Pakistan girls access to free quality education. Her activism resulted in a nomination for the International Childrens Peace Prize in 2011. That same year, she was awarded Pakistans's National Youth Peace Prize. But, not everyone supported and welcomed her campaign to bring about change in Swat. On the morning of October 9, 2012, 15 year old Malala Yousufzai was shot by the taliban.




Seated on a bus heading home from school, Malala was talking with her friends about school work. Two members of the Taliban stopped the bus. A young bearded Talib asked for Malala by name, and fired three shots at her. One of the bullets entered and existed her head and lodged in her shoulder. Malala was serously wounded. That same day, she was airlifted to a Pakistani military hospital in Peshawar and four days later to an intensive care unit in Birmingham, England.

Once she was in the United Kingdom, Malala was taken out of a medically induced coma. Though she would require multiple surgeries, including repair of a facial nerve to fix the paralyzed left side of her face, she had suffered no major brain damage. In March 2013, after weeks of treatment and therapy, Malala was able to begin attending school in Birmingham.

After the shooting, her incredible recovery and return to school resulted in a global outpouring of support for Malala. On July 12, 2013, her 16th birthday, Malala visited New York and spoke at the United Nations. Later that year, she published her first book, an autobigraphy entitled " I am Malala : The girl who stood up for education and was shot by Taliban". On october 10, 2013 in acknowledgement of her work, the european parliament awarded Malala the prestigious Sakhrov Prize for Freedom of Thought.

In 2014, through the Malala Fund, the organization she co-founded with her father, Malala traveled to Jordan to meet Syrian refugees to kenya to meet young female students, and finally to northern Nigeria for her 17th birthday. In Nigeria, she spoke out in support of the abducted girls who were kidnapped earlier that year by Boko Haram, a terrorist group which, like the Taliban, tries to stop girls from going to school.

In october 2014, Malala, along with Indian

children's rights activist Kailash Satyarathi, was named a Nobel Peace Prize winner. At age 17, she became the youngest person to receive this prize. Accepting the award, Malala reaffirmed that "This award in not just for me. It is for those forgotten children who want education. It is for those voiceless children who want change".

Today, the Malala Fund has become an organization that, through education, empowers girls to achieve their potential and become confident and strong leader in their own countries. Funding education projects in six countries and working with international leaders, the Malala Fund joins with local partners to invest in innovative solutions on the ground and advocates globally for quality secondary education for all girls.

Currently residing in Birmingham, Malala is an active proponent of education as a fundamental social and economic right. Through the Malala Fund and with her own voice, Malala Yousufzai remains a straunch advocate for the power of education and for girls to become agents of change in their communities.

★★★★★★



## চিন্তাশিল্প ঃ বৰ্ণিল

*সৰু ল'ৰাই যেতিয়া বয়সীমা মানুহৰ দৰে কথা কয় আমি তেতিয়া হাঁহো, চুৰিয়াৰ লগত যেতিয়া কোনোবাই নেক্‌টাই মাৰে, আমি তেতিয়া হাঁহো, বিলাতী কায়দাৰে খাবলৈ বহি কোনোবাই যেতিয়া কাটা-চামুচৰ ভুল ব্যৱহাৰ কৰে, আমি তেতিয়া হাঁহো, অৰ্থাৎ হাঁহি মানেই এক প্ৰচ্ছন্ন সমালোচনা।*

# আমি হাঁহিবলৈ পাহৰিছোঁ

—প্ৰণামী কোঁৱৰ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ
কলা শাখা



"জগতৰ বৰ্তমান পৰিস্থিতিত 'লেম্পুন' অৰ্থাৎ ব্যক্তিগত বিদ্ৰূপাত্মক ৰচনা নিলিখাকৈ থকাটো একেবাৰে অসম্ভৱ হৈ উঠিছে।" কথাষাৰ কৈছিল ৰোমান কবি জুভেনালে, প্ৰায় দুহেজাৰ বছৰ আগতে। ৰোম সাম্ৰাজ্যৰ কি বিশেষ পৰিস্থিতিলৈ লক্ষ্য কৰি জুভেনালে এই কথাষাৰ কৈছিল সেই কথা ইতিহাসৰ ছাত্ৰসকলেহে ভালকৈ জানিব, কিন্তু সাহিত্যৰ ইতিহাস মেলি চালে দেখা যায় যে দেশে দেশে যুগে যুগে সদায় এনে একোটা পৰিস্থিতিৰ উদ্ভৱ হৈ আহিছে- সেই পৰিস্থিতিত সমাজৰ পাপ, অনাচাৰ, দুৰ্নীতি আৰু ভণ্ডামিৰ বিৰুদ্ধে তীব্ৰ ব্যঙ্গ বান নিক্ষেপ কৰাৰ প্ৰয়োজন অপৰিহাৰ্য বুলি অনুভৱ কৰা হৈছে। প্ৰাচীন গ্ৰীচত আৰ্চিলোকাচৰ পৰা আৰম্ভ কৰি আৰিষ্টফানিচলৈকে, ৰোমত গেয়াচ্ লুচিয়াচৰ পৰা জুভেনাল আৰু লুচিয়ানলৈকে, নৱ-জাগৃতিৰ যুগত ৰে'ণাৰ্ড ডি ফক্স'ৰ সম্ৰাটসকলৰ পৰা আৰম্ভ কৰি উলৰিখ ভন, হাটনলৈকে, তাৰ পিছৰ যুগবোৰত স্পেইনৰ চাভেন্টিচ, ইংলেণ্ডৰ চুইফ্‌ট, জাৰ্মানীৰ হাইনে, ফ্ৰান্সৰ ভলটেয়াৰ আৰু মালিয়াৰ আদিৰ পৰা বৰ্তমান যুগৰ জৰ্জ বাৰ্ণাড শ্ব'লৈকে এনে কিছুমানলোকে তীব্ৰ ব্যঙ্গ বাণেৰে সমাজৰ অনাচাৰ আৰু ভণ্ডামিক আক্ৰমণ কৰাৰ পথ বাছি লৈছে - যি সকল লোকক বিশ্ব সাহিত্যৰ অবিনাশী কীৰ্তি স্তম্ভ বুলি গণ্য কৰা হয়।

মানুহৰ বহুতো সংজ্ঞাৰ ভিতৰত এটা তাৎপৰ্যপূণ সংজ্ঞা হ'ল এয়েই যে মানুহ এটা হাঁহিব পৰা প্ৰাণী (man is a laughing animal)। হায়েনায়ো হাঁহে বুলি বহুতে কয়, কিন্তু মানৱীয় অৰ্থত হাঁহি বুলিলে যি ব্যতিক্ৰম ধাৰণা মনলৈ আহে - হায়েনাৰ হাঁহি সেই ধৰণৰ হাঁহি নিশ্চয় নহয়। যি কোনো অসংগতিপূৰ্ণ পৰিস্থিতিয়েই আমাৰ মনত হাঁহিৰ উদ্ৰেক কৰে। অৱশ্যে আনন্দ অনুভৱ কৰিলেও আমি স্বতঃস্ফূৰ্তভাৱেই হাহোঁ, কিন্তু

বয়সীয়া মানুহে জীৱনত যিমানবাৰ হাঁহে তাৰ কাৰণ বিশ্লেষণ কৰিলে দেখা যাব যে স্বাভাৱিক অৱস্থাৰ লগত বাস্তৱ ঘটনাৰ যেতিয়াই সংঘৰ্ষ হয় বা অসংগতিপূৰ্ণ পৰিস্থিতিৰ উদ্ভৱ হয়, তেতিয়াই আমি হাঁহো, বিদ্ৰুপ কৰোঁ, কৌতুক অনুভৱ কৰোঁ। সৰু ল'ৰাই যেতিয়া বয়সীয়া মানুহৰ দৰে কথা কয় আমি তেতিয়া হাঁহো, চুৰিয়াৰ লগত যেতিয়া কোনোবাই নেকটাই মাৰে, আমি তেতিয়া হাঁহো, বিলাতী কায়দাৰে খাবলৈ বহি কোনোবাই যেতিয়া কাটা-চামুচৰ ভুল ব্যৱহাৰ কৰে, আমি তেতিয়া হাঁহো, অৰ্থাৎ হাঁহি মানেই এক প্ৰচ্ছন্ন সমালোচনা।

কোনো অৱস্থাতেই সমাজ বা ব্যক্তি নিখুঁত আৰু সম্পূৰ্ণ হ'ব নোৱাৰে। গতিকে সমালোচনাৰ প্ৰয়োজন সদায় থাকে। কিন্তু আন সকলো প্ৰকাৰৰ সমালোচনাতকৈ ব্যঙ্গ সমালোচনা কেইবাটাও কাৰণত অধিক ফলপ্ৰসু আৰু বাঞ্ছনীয়। প্ৰথমতে - অধিক মানৱীয়। দ্বিতীয়তে - ই আঘাত কৰাৰ লগে লগে আনন্দও দিয়ে। অন্ততঃ দ্ৰষ্টা বা শ্ৰোতা বা পাঠকসকলক। তৃতীয়তে - ই অধিক মৰ্মঘাতী। ৰাবেলা বা ভলটেয়াৰৰ একোটা ব্যঙ্গ-বাণে হাঁহিত মানুহৰ পেটু-নাড়ী ছিঙিও সমাজৰ যিমানখিনি জঞ্জাল একে কোবতে চাফ কৰি দিব পাৰে, গেমোৰোমখীয়া বিশ্বকোষ প্ৰণেতাসকলৰ বা পণ্ডিতসকলৰ লাখ লাখ নীতি বাক্যয়ো সিমানখিনি কাম কৰিব নোৱাৰে ইত্যাদি কাৰণতে প্ৰতিভাৱান সংস্কাৰসকলে সমাজক নিৰ্মল কৰিবলৈ যুগে যুগে ব্যঙ্গ সমালোচনাৰ আশ্ৰয় লৈ আহিছে।

অসমীয়া সাহিত্যও ব্যঙ্গ-সমালোচনাত একেবাৰে দুখীয়া নহয়। অসমীয়া সাহিত্যৰ আধুনিক যুগৰ সূচনাৰ সময়তে হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাই ব্যঙ্গবাণ হাতত তুলি লৈছিল, সত্যনাথ বৰাইও সেই কাৰ্যপূৰ্ণ কৰাত কিছু বৰঙণি আগবঢ়াইছিল; অৱশেষত লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত পৰি সেই অস্ত্ৰই লাভ কৰিছিল শানিত ক্ষুৰধাৰ। জেফ্ৰে নামৰ এজন চিন্তাশীল লোকে কৈ গৈছে যে ব্যঙ্গ সমালোচনা হোৱা উচিত চোকা তৰোৱালৰ দৰে - যাতে সি একে ঘাপতে কাটিব পাৰে কৰতৰ নিচিনাকৈ, সি মঙহ ৰেপি ৰেপি কটা উচিত নহয়। লক্ষ্মীনাথ বেজবৰুৱাৰ কিছুমান ব্যঙ্গাস্ত্ৰ অৱশ্যে কৰত হৈয়েই ৰৈছিল; কিন্তু এটা বিষয়ে কোনো সন্দেহ নাই যে তেওঁৰ কথাৰ কোবত, হাঁহিৰ জোকাৰণিত মানুহৰ সৰ্বশৰীৰ যেনেকৈ কঁপি উঠিছিল, সেই কঁপনিত সমাজতো এটা সৰুসুৰা ভূমিকম্পৰ সৃষ্টি হৈছিল। বেজবৰুৱাৰ পিছতো খাইকৈ মহীচন্দ্ৰ বৰাৰ ৰচনাত আৰু কিছু পৰিমাণে হলিৰাম ডেকাৰ ৰচনাত অসমীয়া ব্যঙ্গবাণ ব্যৱহাৰযোগ্য অৱস্থাত মামৰে নধৰাকৈ আছিল। কিন্তু যোৱা বছৰছৰ ধৰি আমি এটা কথা অতি দুখেৰে সৈতে লক্ষ্য কৰিছোঁ যে আমি অসমীয়া মানুহবোৰে হাঁহিবলৈ, ঠাট্টা-তামাছা কৰিবলৈ একেবাৰে পাহৰি গৈছোঁ। সমাজৰ অন্যায়, অনাচাৰ বা অসংগতি যে আমাৰ চকুত নপৰে এনে নহয়, সেইবোৰ যে আমি সমালোচনা নকৰোঁ এনেও নহয়, কিন্তু আমি সমালোচনা কৰোঁ খঙত জ্বলি-পকি বা মুখ ক'লা কৰি, হাস্যৰসৰ অমোঘ অস্ত্ৰ প্ৰয়োগ কৰাৰ কথা আমি প্ৰায় পাহৰিয়েই গৈছো। কুমাৰ শ্ৰীমধুসূদন বা ভলভলীয়াৰ দৰে দুই এজনে এৰাধৰাকৈ এই চেষ্টা কৰি আছে, কিন্তু তেওঁলোকৰ কৌতুক সৃষ্টিৰ চেষ্টা সাহিত্যতকৈ সাংবাদিকতাৰ প্ৰয়োজনতহে বেছিকৈ হোৱাত সি আমাৰ ৰসতৃষ্ণা নিবাৰিত কৰিব পৰা নাই আৰু সামাজিক সমালোচনাৰো অমোঘ অস্ত্ৰত পৰিণত হৈ উঠা নাই। দুই-এজন ডেকা লিখকৰ ৰচনাত মাজে মাজে তীব্ৰ বিদ্ৰূপ বা বক্ৰোক্তি দেখা যায়, আকাশবাণীৰ দেওবৰীয়া নাট্যানুষ্ঠানতো শ্ৰোতাক হঁহুৱাবৰ কাৰণে প্ৰাণান্তিক চেষ্টা কৰা হয়; কিন্তু হিউমাৰ অভাৱত প্ৰথম বিধ ৰচনা কেৱল কটুক্তি বা ভৎসনা হৈয়েই থাকে আৰু প্ৰকৃত কলাৰূপ বা সাহিত্যিক সৌন্দৰ্যৰ অভাৱত দ্বিতীয় বিধ ৰচনাৰ বেছি ভাগেই হয় কেৱল বহুৱালি। দেশৰ বৰ্তমান পৰিস্থিতিত - বিশেষকৈ সমাজৰ সৰ্বক্ষেত্ৰৰে নেতৃস্থানীয় লোকসকলৰ বান্দৰামি আৰু ভণ্ডামি দেখি দেখি জুভেনালৰ দৰে আমিও অনুভৱ কৰিছোঁ যে এই সময়ত লেম্পুন নিলিখাকৈ থকা অসম্ভৱ। অথচ আচৰিত কথা এই যে অসমীয়া ভাষাত ব্যঙ্গ সাহিত্যৰ অস্তিত্ব নোহোৱাহে হৈ আহিছে। ই ভালৰ লক্ষণ নহয়। জাতি হিচাপে ই আমাৰ কিবা এটা মানসিক ব্যাধি বা দৈন্যৰ কথাহে প্ৰকাশ কৰিছে। আমাৰ সমাজৰ প্ৰতিভাশালী জনদিয়েক লিখকৰ ব্যঙ্গবাণ হাতত তুলি ল'বলৈ আমি আহ্বান জানালোঁ।

চাৰ্চিলে কোৱাৰ দৰে - To lash the vices of a guilty age - এই অপৰাধী যুগটোৰ অনাচাৰ, অনীতিক তীব্ৰভাৱে আঘাত কৰিবলৈ ব্যঙ্গবাণৰ অতিশয় প্ৰয়োজন হৈ পৰিছে।

★★★★★★



# হাঁহি

—দিম্পী মিলি
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

হাঁহি হ'ল মানুহৰ জীৱনৰ সংগী। যিয়ে হাঁহিব নাজানে তেওঁৰ জীৱন দুখ যন্ত্ৰণাৰে ভৰা। তেওঁ জন্তুৰ সমতুল্য। চয়তানে অট্টহাস্য মাৰে। কৌতুক গোষ্ঠী, অভিনেতাসকলে মানুহক হাঁহিৰ খোৰাক যোগায়। হাঁহিক ভিক্ষা কৰি পোৱা নাযায়। হাঁহি পাবলৈ হ'লে মানুহে আৰ্থিক সম্পত্তিৰ প্ৰতি মোহ এৰিব লাগিব। নিজৰ আৰু পৰৰ সকলো সন্তানৰ প্ৰতি সমভাৱ ৰাখিব লাগিব। সুখ-দুখ সমভাৱে গ্ৰহণ কৰিব লাগিব। আনক উপকাৰ কৰাৰ প্ৰৱণতা অৰ্থাৎ উপকাৰ কৰি আনন্দ পাব লাগিব। তেনে লোকেই হাঁহি হাঁহি জীৱন কটাব পাৰে।

হাঁহি হ'ল বন্ধুত্বৰ চিন। শত্ৰুৰ আগত হাঁহিব নোৱাৰি। হাঁহি দুখ-যন্ত্ৰণা লঘু কৰাৰ মহৌষধ। হাঁহিত থাকে আশাৰ পোহৰ। ভাগৰুৱা যাত্ৰাৰ অন্তত এক বিশ্ৰাম। জীৱনক সুস্থ সৱল কৰিবলৈ হাঁহিৰ প্ৰয়োজন। হাঁহি আনক বিলাই দিব নোৱাৰিলে জীৱনটোৰ একো মূল্য নাই। মহাত্মা গান্ধীয়ে কৈছিল - "হাঁহি হাঁহি কৰ্ম কৰা, কৰ্মই ধৰ্ম, কৰ্মত এক আনন্দ থাকে।"

মৃত মানুহৰ মুখত হাঁহি প্ৰতিফলিত নহয়। হাঁহি নাথাকিলে জীৱনটো নিৰস। শুকান মৰুময় হয়। হাঁহি হ'ল জয়ৰ প্ৰতীক বা আনন্দৰ প্ৰতীক।

মানুহৰ জীৱনৰ পথ দুটা। সুগম আৰু দুৰ্গম। সুগম পথ বহল। এই পথত কোনো প্ৰতিবন্ধক নাই। প্ৰতিবন্ধকতা অতিক্ৰম কৰিব নোৱাৰিলে কৃতকাৰ্য হ'ব নোৱাৰি। আনন্দ উপলব্ধি কৰিব নোৱাৰিলে হাঁহিয়ে লগ নিদিয়ে।

কিন্তু দুৰ্গম পথেৰে যাত্ৰা কৰিলে সাৱধানে যাবলৈ শিকিব লাগিব। মানুহৰ জীৱনৰ বাবে প্ৰকৃত পথ সংকীৰ্ণ। যি পথ বিশাল; সি ধ্বংসমূখী কিন্তু সেই পথলৈহে বেছি ভাগ মানুহ ঢাপলি মেলে। জীৱনৰ বাবে প্ৰয়োজনীয় পথ কম সংখ্যক মানুহে বিচাৰি পায়। তাৰ মাজতো মানুহৰ মনত পোৱা নোপোৱা, পায় হেৰুৱাৰ পথত হাঁহি মাৰি থকাটো লক্ষণীয়।

লক্ষ্মীনাথ বেজবৰুৱাদেৱে কৈছিল - মানুহে হাঁহিব নাজানে। হাঁহিৰে শত্ৰুকো জয় কৰিব পাৰে। তাৰ কাৰণে বেজবৰুৱাই সকলোকে হাঁহি মাৰি থাকিবলৈ উপদেশ দি গৈছে।




# বন্ধুত্ব আৰু ছ'চিয়েল নেটৱৰ্কিং ছাইট

—প্ৰিয়াংকী বৰা
স্নাতক পঞ্চম যান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

"Life is nothing without friendship" - বন্ধুত্ব অবিহনে কোনো ব্যক্তিয়ে এটা সফল জীৱন অতিবাহিত কৰিব নোৱাৰে। সেয়েহে বন্ধুত্ব বোলা শব্দটোৰ এক সুকীয়া মৰ্যদা আছে। পৃথিৱী সৃষ্টি হোৱা দিনৰে পৰাই সকলো জীৱৰ মাজতে বন্ধুত্ব বৰ্তি আহিছে। আগৰ দিনত এযোৰি গুৱা-পাণেৰে সন্মানেৰে 'সখী' পতা হৈছিল। সেই গুৱা-পাণ আৰু জেষ্ঠ ব্যক্তিক সাক্ষী কৰি পতা 'বন্ধুত্ব' কোনো দিনেই নিছিঙে। আজীৱন বন্ধুত্বৰ এডাল এনাজৰীৰে বান্ধ খাই পৰে দুজন ব্যক্তি। কিন্তু, বৰ্তমানৰ গোলকীকৰণৰ দিনত সেই প্ৰক্ৰিয়া আৰু নোহোৱা হৈ পৰিল। কম্পিউটাৰৰ মাউচৰ এটা ক্লিকতে আপোনাৰ বন্ধুৰ সংখ্যাই লাখৰ ঘৰ চুবগৈ। কাৰণ, বৰ্তমানৰ যুগটোৱেই হ'ল ইন্টাৰনেটৰ যুগ। নগৰ-মহানগৰতো বাদেই অতি দুৰ্গম যেন লগা গ্ৰামাঞ্চলতো আজিকালি ইন্টাৰনেটৰ প্ৰভাৱ। ফেচবুক, টুইটাৰ, হুৱাটছ আপ আদিৰ দ্বাৰা গ্ৰামাঞ্চলৰ এজন ব্যক্তিয়ে বিদেশৰ এজন ব্যক্তিৰ লগতো বন্ধুত্বৰ সম্পৰ্ক স্থাপন কৰিব পাৰে। তদুপৰি এনে নেটৱৰ্কিং ছাইটবোৰে পুৰণা বন্ধু বিচাৰি পোৱাতো বহু সহায় কৰে। সেইবাবে এই ছ'ছিয়েল নেটৱকিং ছাইটবোৰ নিশ্চয় ধন্যবাদৰ পাত্ৰ।

বিভিন্ন ধৰণৰ ছ'ছিয়েল নেটৱকিং ছাইটবোৰে এক চেইন চিষ্টেমেৰে পুৰণা বন্ধু বিচৰাত আৰু নতুন বন্ধু গঢ়াত যিদৰে সহায় কৰিছে, ঠিক সেইদৰে এই ছাইটসমূহ সফলভাৱে আগবঢ়াই নিয়াত আমাৰ সমাজখনে সঠিক ব্যৱহাৰ কৰিছেনে? আজি কিছুদিনৰ আগতে ফেচবুক পেজত পোৱা টাইমলাইনৰ আপডেট্‌ছ এটা দেখি হঠাৎ চঁক খাই উঠিলো। আপডেটটো লিখা হৈছিল এনেদৰে - "আপাৰ আসামৰ বোৰে ভাৱে সিহঁত অসমৰ বৰপুত্ৰ। চালা বানপানীত উটি-ভঁাহি আহি উমানন্দত খুন্দা খাই ফেক্সি ঘাটত উঠি বৰ ডায়লগ মাৰে।" এই আপডেটছটোৰ লাইক কৰাৰ ব্যক্তিৰ সংখ্যাও বহুত আৰু তাক লৈ কৰা মতামতবোৰে আছিল লক্ষণীয়। তাৰ উপৰিও আন এটা কথা লক্ষণীয় যে আপাৰ আসাম বুলি কৈ বিভেদ স্পষ্ট



কৰিব খোজা উক্ত ব্যক্তিজনৰ বন্ধুৰ তালিকাত কিন্তু আপাৰ আসামৰ ব্যক্তিৰ ঠিকনাও দেখা গ'ল। তেওঁ হয়তো ধেমালীতে এনে মন্তব্য দিছে নে কাৰোবাৰ প্ৰতি ক্ষোভ উজাৰী সেই মন্তব্য কৰিলে নাজানো। কিন্তু, এনেদৰে নেট্ৱৰ্কিং ছাইটত ক্ষোভ প্ৰকাশৰ মাধ্যম বা বিভেদকামী মন্তব্য প্ৰকাশৰ মাধ্যম কৰি লোৱাটো জানো উচিত? তেওঁ হয়তো বুজা নাই যে কোনো এজন ব্যক্তিৰ পৰিচয়, তেওঁৰ স্বভাৱ-চৰিত্ৰ আদিৰ পৰিচয় কোনো ঠাই বিশেষে বা জাতি বিশেষে নহয়। হয় মাত্ৰ মানসিকতাৰ জৰিয়তেহে। ভাৱ প্ৰকাশৰ স্বাধীনতা সকলোৰে আছে। কিন্তু, সেইবুলি এনেদৰে ৰাজহুৱাকৈ মানুহৰ আৱেগক আঘাত সনা মন্তব্যাই নিশ্চয় কাকো একো উপকাৰ নকৰে। ঠিক তেনেদৰে দেখা যায় কাৰোবাৰ আত্মীয়ৰ বিয়োগৰ খবৰ, দুৰ্ঘটনাৰ খবৰ টাইম লাইনত আপডেট্ কৰে। সুখ-দুখৰ প্ৰতিটো খবৰ বন্ধুক জনোৱাটো বা বন্ধুৰ লগত শ্বেয়াৰ কৰাটো এজন বন্ধুৰ দায়িত্ব। কিন্তু, এনেধৰণৰ খবৰবোৰ 'লাইক' কৰাটো বাৰু কেনেধৰণৰ বন্ধুত্বৰ ভিতৰত পৰে। আনকি, কেতিয়াবা কাৰোবাৰ আত্মীয়ৰ বিয়োগৰ পাছত হোৱা অন্ত্যেষ্টিক্ৰিয়াৰো ফটো কিছুমানে ফেচবুকৰ পেজত আপল'ড হয় আৰু তাৰো লাইক কৰাৰ সংখ্যাও অনেক থাকে।

বন্ধুত্বৰ দৰে এটা পবিত্ৰ সম্পকৰ্ক জানো কোনো প্ৰকৃত বন্ধুৱে আবেগক আঘাত সানিব পাৰে। কেতিয়াবা নতুন বন্ধুৱেও পুৰণা বন্ধুত্বক চেৰাই যাবলৈ সক্ষম হয় আৰু এনে বন্ধুত্ব গঢ়িবলৈ সুবিধা দিয়া ফেচবুকৰ পেজবোৰ অপব্যৱহাৰ কৰি "বন্ধুত্ব" ৰ দৰে এটি পবিত্ৰ সম্পৰ্ক বিভেদকামী আৰু ভাঙোনমুখী কৰি তোলাটো মই ব্যক্তিগতভাৱে উচিত বুলি নাভাবো। সকলোৰে মতামতবোৰ ভাঙোনমুখী নহৈ হ'ব লাগে গঠনমুখী। এই ছ'ছিয়েল নেটৱৰ্কিং ছাইটসমূহৰ সঠিক ব্যৱহাৰ হ'ব লাগে।

অৱশ্যে, তাৰ মাজতে বহুজনে এই ছাইটবোৰ সঠিকভাৱে ব্যৱহাৰ কৰি বহু গঠনমূলক আৰু সৃষ্টিমূলক কাম কৰাৰ উদাহৰণো অলেখ। আমি সকলোৱে তেনে আদৰ্শৰে অনুপ্ৰাণিত হোৱা উচিত। তেতিয়া, বন্ধুত্বৰ দৰে এটা পবিত্ৰ সম্পৰ্ক গঢ়া এই নেটৱৰ্কিং ছাইট্‌বোৰ কেতিয়াও মানুহৰ অন্তৰ দহনকাৰী আৰু বিভেদ সৃষ্টিকাৰী পেজলৈ পৰিণত নহ'ব।

★★★★★★



# ধলা-শদিয়া সেঁতু

— মুনমী চেতিয়া
স্নাতক প্ৰথম ষান্মাসিক
ভূগোল বিভাগ

২০১৭ চন ২৬ মে' সমগ্ৰ অসম আৰু অসমবাসীৰ কাৰণে এক গৌৰৱৰ দিন। সেইদিনটোত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰে ৯.১৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ দেশৰ ভিতৰত দীৰ্ঘতম ধলা-শদিয়া সেঁতু। ধলা-শদিয়া সেতু উদ্‌ঘাটন কৰাৰ লগে লগে শদিয়াবাসী তথা দাঁতি-কাষৰীয়া অৰুণাচলৰ ৰাইজৰো এক দীৰ্ঘদিনীয়া সপোন বাস্তৱায়িত হ'ল। লুইতকে নিজৰ ঘৰ কৈ বহ্মপুত্ৰক মহামিলনৰ তীৰ্থ বুলি অভিহিত কৰা সেই মহান ব্যক্তি ড০ ভূপেন হাজৰিকাৰ নামত উৎসৰ্গিত হ'ল দেশৰ দীৰ্ঘতম দলং। নৱ নিৰ্মিত দলংখন সুধাকণ্ঠ 'ড° ভূপেন হাজৰিকা সেঁতু' নামেৰে উৎসৰ্গিত কৰি প্ৰকৃততে তেওঁ অসমবাসীৰ হৃদয় জিনিবলৈ সক্ষম হ'ল। উদ্বোধনী ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ড° ভূপেন হাজৰিকাক 'মহাপুৰুষ' বুলি অভিহিত কৰি নৱ প্ৰজন্মৰ বাবে প্ৰেৰণাদায়ক বুলি ব্যক্ত কৰে।

২০০১ চনত অৰুণাচল প্ৰদেশৰ মূখ্যমন্ত্ৰী মুকুট মিথিয়ে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত এই দলংখনৰ দাবী উত্থাপন কৰা প্ৰথম জন ৰাজনৈতিক ব্যক্তি আছিল। পৰৱৰ্তী পদক্ষেপ ৰূপে চপাখোৱাত শদিয়া উচ্চতম মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিত্ব মূলক এখন ৰাজহুৱা সভাত ব্ৰহ্মপুত্ৰৰ ওপৰত পঞ্চমখন দলং নিৰ্মাণৰ সজোৰে দাবী উত্থাপন কৰাৰ উপৰি ছপাখোৱাৰ লগতে অৰুণাচলৰ লোহিত, আপাৰ দিবং ভেলী, লৱাৰ দিবং ভেলী জিলা কেইখনৰ ৰাইজক সাঙুৰী এক যুটীয়া দাবী সমিতি গঠনৰ প্ৰস্তাৱ গ্ৰহণ কৰে। কিন্তু অসমৰ কোনো এজন ৰাজনৈতিক নেতাই উপৰোক্ত দাবী উত্থাপনৰ বাবে মুকুট মিথিৰ শলাগ নোলোৱাত প্ৰকাশ্যে আক্ষেপ কৰিছিল। ভাৰত চৰকাৰে উত্তৰ-পূবৰ ৰাজ্য কেইখনৰ উন্নয়নৰ অৰ্থে ২০০১ চনৰ ছেপ্তেম্বৰ মাহত উত্তৰ-পূব উন্নয়ণ দপ্তৰ নামেৰে এটা সুকীয়া মন্ত্ৰণালয় আৰম্ভ কৰে। মণি শংকৰ আয়াৰে এই মন্ত্ৰণালয়ৰ মন্ত্ৰীৰূপে কাৰ্যনিবাহ কৰাৰ সময়তে ব্ৰহ্মপুত্ৰৰ ওপৰত পঞ্চমখন দলং নিৰ্মাণৰ দাবীটো গৃহীত হয়। দলংখনৰ জৰীপৰ দায়িত্ব শ্বিলঙৰ উত্তৰ-পূব পৰিষদক দিয়া হয়। ২০১১ চনত ইয়াৰ অনুমোদন দিয়া হয় আৰু পাব্লিক পাইভেট পাটনাৰশ্বিপ ব্যৱস্থা মতে ইয়াৰ নিৰ্মাণৰ দায়িত্ব পথ পৰিবহণ তথা ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰণালয়ৰ লগতে হায়দৰাবাদৰ নৱযুগ ইঞ্জিনিয়াৰিং কোম্পানীৰ ওপৰত ন্যস্ত কৰা হয়।

# পৃথিৱীৰ কেইবিধমান আচৰিত বস্তু

—তৃষ্ণা আৰক্ষৰা
স্নাতক পঞ্চম যান্মাসিক
ৰাজনৈতিক বিজ্ঞান বিভাগ

**চীনৰ প্ৰাচীৰ**

খ্ৰীষ্টাপূৰ্ব তৃতীয় শতিকাত সম্ৰাট শ্বি-হুৱাংতিৰ শাসন কালৰ পৰা একেলেথাৰিয়ে ১,৭০০ বছৰ ধৰি নিৰ্মিত হোৱা এই প্ৰাচীৰ সমগ্ৰ পৃথিৱীৰ দৈৰ্ঘ্যৰ বিশ ভাগৰ এভাগ আৰু এই প্ৰাচীৰত মুঠ ২৪,০০০ তোৰণ আৰু স্তম্ভ আছে। এই প্ৰাচীৰৰ গড় উচ্চতা ২৫ ফুট আৰু ইয়াৰ ভেঁটি বহলে ২০ ৰ পৰা ৩০ ফুট পৰ্যন্ত আৰু ওপৰফালে ৩০ ফুট বহল। এই প্ৰাচীৰৰ ওপৰেদি একেলগে অনেক অশ্বাৰোহীয়ে হেলাৰঙে ঘোঁৰা চেঁকুৰাই যাব পাৰে।

মহাকাশৰ পৰা মহাকাশচাৰীসকলে পৃথিৱীৰ পৰ্বত-পাহাৰ, নদী-নিজৰা একো দেখা নাপায়, আটাইবোৰেই অদৃশ্য হৈ যায়। অথচ এই মহাপ্ৰাচীৰ হোনো মহাকাশৰ পৰা মহাকাশচাৰীৰ চকুত ভালদৰেই ধৰা পৰে।

**বেবিলনৰ শূন্যোদ্যান ঃ**

খ্ৰীঃ পূঃ ৬০০ ত আছীৰিয়াৰ চুলতান নেবুচাদনেজাৰে বেবিলনৰ শূন্যোদ্যান নিমাৰ্ণ কৰিছিল। কথিত আছে, পাৰ্বত্য অঞ্চলৰ পৰা অহা তেওঁৰ ৰাণী এগৰাকীয়ে মৰুভূমিৰ দৰে শুকান ৰাজ্যখনত সেউজীয়া সমাৰোহৰ অভাৱ অনুভৱ কৰাত চুলতান নেবুচাদনেজাৰে তেওঁক তুষ্ট কৰিবলৈ এই শূন্যোদ্যান নিৰ্মাণ কৰাইছিল। কিন্তু আন এক আখ্যানমতে, আছীৰিয় ৰাজকুমাৰী ছেমিৰামিছেহে বেবিলনৰ শূন্যোদান নিমাৰ্ণ কৰাইছিল। পৃথিৱীৰ আচৰিত বস্তুবোৰৰ ভিতৰত ইও এক। এই উদ্যানসমূহ প্ৰতি দিশত ৭০০ ফুটকৈ চাৰি চুকীয়া বা সমচতুৰ্ভূজৰূপে সজোৱা হৈছিল আৰু অসংখ্য স্তম্ভৰ ওপৰত ইয়াক প্ৰতিষ্ঠা কৰা হৈছিল।

**ডায়ানাৰ মন্দিৰ ঃ**

অতি পুৰণি কালত এছিয়া মাইনৰৰ পশ্চিম তীৰত ইকেছাছ নামৰ সু-সমৃদ্ধ নগৰী এখন অৱস্থিত আছিল। এই নগৰতে বিখ্যাত ডায়ানাৰ মন্দিৰ নিমাৰ্ণ কৰা হৈছিল। কথিত আছে যে ইকেছাছ নগৰৰ অধিবাসীসকলে পুৰুষানুক্ৰমে একেলেথাৰিয়ে ২২০ বছৰ ধৰি শ্ৰম কৰি এই মন্দিৰ নিৰ্মাণ কৰি উলিয়াইছিল। ৰোম সম্ৰাট নিৰোই এই মন্দিৰ লুট কৰি অনেক ধন সোণ লৈ গৈছিল। ইয়াৰ পিছত ২৬২ খ্ৰীষ্টাব্দত গথ নামৰ এক দুধৰ্ষ জাতিয়ে এই মন্দিৰ ধ্বংস কৰিছিল।

**অলিম্পিয়াৰ জিউছৰ প্ৰতিমূৰ্তি ঃ**



খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাত গ্ৰীচৰ অলিম্পিয়াত জিউছৰ মূৰ্তি নিৰ্মাণ কৰা হৈছিল। জিউছৰ এই মূৰ্তিক প্ৰাচীনকালত জগতৰ সপ্তমাশ্চৰ্যৰ অন্যতম আশ্চৰ্য তথা মহৎ শিল্পকৰ্ম বুলি অভিহিত কৰা হৈছিল।

গ্ৰীচ দেশৰ সৰ্বশ্ৰেষ্ঠ ভাস্কৰ ফিদিয়াছ খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাৰ মানুহ। ভাস্কৰ ফিদিয়াছেই হাতীৰ দাঁত সোণ আৰু অনেক বহুমূলীয়া ধাতুৰে জিউছৰ মূতি নিৰ্মাণ কৰিছিল। এই মূৰ্তি গ্ৰীচৰ বিখ্যাত অলিম্পিয়াৰ মন্দিৰত স্থাপন কৰা হৈছিল।

**আগ্ৰাৰ তাজমহল ঃ**

মোগল সম্ৰাট ছাহজাহানে তেওঁৰ পত্নী মমতাজৰ নাম চিৰস্মৰণীয় কৰি ৰাখিবৰ বাবে বিখ্যাত তাজমহল নিৰ্মাণ কৰিছিল। এই তাজমহল আৰবৰ পৰা অনা মাৰ্বল পাথৰেৰে অতি নিখুঁত আৰু মনোমোহা কৰি নিমাৰ্ণ কৰা হৈছিল। ইয়াক নিৰ্মাণ কৰোঁতে ২০ বছৰ সময় লৈছিল আৰু এক লাখ বনুৱাই কাম কৰিছিল। ই যমুনা নৈৰ পাৰত অৱস্থিত।

**মিছৰৰ পিৰামিড ঃ**

পাঁচ হাজাৰতকৈ অধিক বছৰৰ পূৰ্বে ফাৰাও নামৰ শক্তিশালী সম্ৰাটসকল মিছৰৰ শাসনত আছিল। যেতিয়া কোনোবা এজন ফাৰাওৰ মৃত্যু হয়, তেওঁৰ মৃতদেহ পচন নিবাৰক সুগন্ধিৰ দ্ৰব্য সানি শৰাধাৰত সংৰক্ষিত কৰি থৈছিল। তাৰ পিছত এই শৰাধাৰক এক বৃহৎ আকৃতিৰ ওখ আয়তাকাৰ প্ৰস্তৰ নিৰ্মিত সমাধিক্ষেত্ৰৰ মাজত থৈ দিছিল। এই বিৰাট ওখ আয়াতাকাৰ প্ৰস্তৰ নিৰ্মিত সমাধিক্ষেত্ৰত পৰ্বতৰ চূড়াৰ দৰে ওপৰলৈ ক্ৰমাৎ জোঙা আওগৰীয়া তিনিশিৰীয়া স্তম্ভ। কালক্ৰমত অনেক পিৰামিড ধ্বংসপ্ৰাপ্ত হৈছে। যিকেইটা আজিও অটুট আছে, সেইকেইটাৰ ভিতৰত কাইৰো চহৰৰ পৰা কিছু আঁতৰত থকা মৰুভূমিৰ মাজত তিনিটা পিৰামিড অতি বিস্ময়কৰ। এই কেইটা পিৰামিডৰ ভিতৰত আটাইতকৈ ডাঙৰ আৰু প্ৰাচীন হ'ল সম্ৰাট খফু বা কিয়ফৰ পিৰামিড।

এই বিশাল পিৰামিডটো নিৰ্মাণ কৰোঁতে ২০০,০০০ মানুহে ২০ বছৰ ধৰি কাম কৰিবলগীয়া হৈছিল। এয়া ৪,৭০০ বছৰ আগৰ কথা।

★★★★★★






– *Madhusmita Kakoti*
B.Sc 5th Sem
Chemistry Department

The goods and Service tax (GST) is described as the biggest taxation reform in India post 1991. It was unanimously passed by the Rajya Sabha in August. This year being passed by the Lok Shaba in may, 2016. It has alredy been ratified by over 15 States and has to be approved by the president next. It has been implemented by over 140 countries across the world.

**What is GST?**

GST is a comprehensive tax on goods and services. Presently, the Indian indirect tax structure, the Indian indirect tax structure is very complex. There are large number of taxes imposed by the centre and States. These taxes include Central VAT/Sales tax, Purchase tax, Luxury tax, State cesses, Entertainment tax. and many more. After the implementation of GST, all these taxes will subsume in GST. The GST will be levied by center (CGST) and states (SGST).

**PROS OF GST :**

* GST simplifies indirect tax structure by subsuming a plethora of taxs levied by the centre and the states.
* A common market is created for the entire economy.
* Since GST avoids the cascading effects of double taxation, the ultimate consumer gets the benefit of lower prices.
* GST can contribute to making Indian products competitive in the international market.
* GST is a business friendly tax which can increase GDP growth by 1%

**CONS OF GST :**

* On the flip side, it is feared that the GST would negatively impact the real estate section.
* GST would add up to 8% to the cost of making new homes.
* A tax rate of over 18% would lead to inflation. The GST is obviously not a panacea for all ills of India's economy, it is nevertheless a revolutionary and long pending reform. It promises economic growth and jobs, better efficiency. We hope that its imperfections and potential pitfalls will be sorted out as we roll it out.

Scanned with OKEN Scanner

# SIKHISM

– *Namrata Singh*
Dept of English
5th Semester



Sikhism was established by ten Gurus, divine spiritual messengers or masters, over the period from 1469 to 1708 that is over a period of 239 years. These teachers were enlightened souls whose main purpose in life was the spiritual and moral well-being of the masses. The Gurus taught the people of India and beyond, to live spiritually fulfilling lives with dignity, freedom and honour.

Guru Nanak Dev Ji, was the first Guru in the fifteen century in the Punjab region of the Indian subcontinent. The religious practices were formalised by Guru Gobind singh Ji on 13 April 1699. The first five " Pure Ones" (Khalsa), they baptised Gobind Sing into the Khalsa fold. This gives the order of Khalsa, a history of around 300 years.

Khalsa, "the Pure" refers to the both a special group of initiated Sikh warriors, as well as the community that considers Sikhism as its faith. The founding of Khasla is celebrated by the Sikhs during the festival of Vaisakhi, the Sikh new year.

A Khalsa Sikh was given the titles of Singh (male) and Kaur (female). The rule of life, included behavioural code (Rahit, such as no tobacco, no alcohol, no halal meat), and a dress code (Five Ks)

In Sikhism, the Five Ks (Panj Kakar) are five items that Guru Gobind Singh Ji commanded Khalsa Sikhs to wear at all times in 1699. They are : Kesh (uncut hair), Kangha (a wooden comb for the hair), Kara (an iron bracelet), Kachera (100% cotton tieable undergarments not elastic one) and Kirpan ( an iron dragger large enough to defend yourself).

The five K are not just symbols, but "Sikh way of life". A Sikh who has taken Amrit and keeps all five Ks is known as Khalsa (pure) or Amritdhari Sikh(Amrit Sanskar participant). while a sikh who has not taken Amrit but follows the teachings of the Sri Guru Granth Sahib is called a Sahajdhari Sikh.

'এয়া আকাশবাণী। বাতৰি পঢ়িছো....' - এক অভূতপূৰ্ব শিহৰণ। সকলোৰে গা উত্তেজিত হৈ উঠে। সকলো যেন বৈ থাকে ইয়ালৈকে। এয়া আন একো নহয়, ৰেডিঅ'ত পৰিৱেশন কৰা আঞ্চলিক বাতৰিৰ আৰম্ভণিহে। দেশৰ বিভিন্ন খবৰ পুৱা-গধূলি-দুপৰীয়া ৰেডিঅ'টোৱে যোগান ধৰে। কোনোবাই হয়তো বাতৰিৰ বাবেই ৰেডিঅ'টো লগাই থয় আৰু অন্য কোনোবাই সময়ৰ খবৰ ৰাখিবলৈ ৰেডিঅ' লগাই থয়। ল'ৰা-ছোৱালীৰ স্কুল-কলেজৰ সময়, অন্যসকলৰ অফিচ-কাছাৰীৰ সময়, গৃহিণীৰ কাম-বনৰ সময় এই ৰেডিঅ'টোৱে সোঁৱৰাই থাকে। এচাম লোকৰ কাৰণে ৰেডিঅ' কেৱল আংশিক মনোৰঞ্জন আৰু আন এচামৰ বাবে ৰেডিঅ' এক ৰাগিৰ দৰে। ৰেডিঅ'ৰ অনুষ্ঠানসমূহ শুনিবলৈ নাপালে তেওঁলোকে মনত শান্তি নাপায়। তেওঁলোকে নিজৰ গতানুগতিক কৰ্মধাৰাত মন বহুৱাব নোৱাৰে। বহু এনেকুৱা লোকে আছে যি নেকি ৰাতিপুৱা ৰেডিঅ'ত বন্দে মাতৰম দিয়াৰ আগৰে পৰা অৰ্থাৎ ৰেডিঅ' চেন্টাৰ খোলাৰ বহু আগৰে পৰাই ৰেডিঅ'টো লগাই থয়। ৰেডিঅ'ত অনুষ্ঠানসমূহৰ আৰম্ভ হোৱাৰ লগে লগে হয়। তেওঁলোকে কাম এৰি ৰেডিঅ'ৰ ওচৰলৈ আহিব নহয় ৰেডিঅ'ৰ মাতটো বঢ়াই দিবলৈ ক'ব নাইবা ৰেডিঅ'টোক তেওঁ নিজেই ওচৰলৈ আনি ল'ব। ভক্তিমূলক গীত, সুৰৰ পানচৈ, ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰচাৰিত বিদ্যাৰ্থী, হিন্দী বাতৰি, ইংৰাজী বাতৰি, ৭ বজাৰ বাতৰি ইত্যাদি সকলোৰে শেষত হাৰ্দিক স্বৰেৰে ঘোষণা কৰে।



# ৰেডিঅ'
## এক নষ্টালজিয়া

— ডেইজী বড়া
দ্বাদশ শ্ৰেণী
ক'লা শাখা

'এয়া আকাশবাণী গুৱাহাটী। বাতৰি পঢ়িছো মই........ আজিৰ ঘাই ঘাই বাতৰিসমূহ হ'ল.......... ।বাতৰি শেষ হোৱাৰ পিছত সকলোৰে মনৰ আশা তৃপ্ত হয়। ইয়াৰ পাছত সকলো দিহা-দিহি যায় যদিও ৰেডিঅ' বন্ধ নহয়। ন-পুৰণি হিন্দী গীতেৰে সমৃদ্ধ অনুষ্ঠান 'আপোনাৰ গান' (অৱশ্যে অনুষ্ঠানটোৰ নাম সলনি হৈ থাকে) শেষ হোৱাৰ পাছতহে কোনোবাই ৰেডিঅ'টো বন্ধ কৰি থয়।

এয়া সকলো বৰ্তমান নষ্টালজিয়া। এনে এক পৰিৱেশ আমাৰ মাজৰ পৰা প্ৰায় হেৰাই যোৱাৰ দৰে হৈছে। আধুনিক যান্ত্ৰিক সভ্যতাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা যুগৰ আমূল পৰিৱৰ্তনৰ গৰ্ভত ৰেডিঅ' আমাৰ মাজৰ পৰা প্ৰায় নাইকিয়া হ'ল। তাৰ ঠাইত বাঁহ ল'লে নামী দামী টেলিভিশ্বন, ডিচ এন্টেনা, ভিডিঅ' প্লেয়াৰ ইত্যাদিয়ে। টেলিভিশ্বনৰ দ্বাৰা মানুহ আজিকালি যথেষ্ট উপকৃত হৈছে। বিশেষকৈ বাতৰিৰ ক্ষেত্ৰত। প্ৰতিযোগিতাত নামি পৰা বাতৰি চেনেলবোৰ মূহুৰ্তৰ খবৰ মুহূৰ্ত্ততে আনি দিয়ে।

কিন্তু হাজাৰ হ'লেও ৰেডিঅ'ৰ সমান মাদকতা টেলিভিশ্যন বা অন্য কোনোৱে দিব নোৱাৰে। আগৰ দিনত প্ৰতিজন মানুহৰ প্ৰাণৰ লগৰী আছিল ৰেডিঅ'টো। যিকোনা সময়তে যিকোনা ঠাইতে মনোৰঞ্জন প্ৰদান কৰিব পৰা একমাত্ৰ উৎস হ'ল ৰেডিঅ'টো। পথাৰত ৰেডিঅ'ত দিয়া দুপৰীয়াৰ অনুষ্ঠান শুনি দাৱনীয়ে পাহৰিছিল সময়ৰ কথা, ভোক-পিয়াহৰ কথা, ডাঙৰি নিয়াই পাহৰিছিল ভাগৰ, ঘামে ধুই নিয়া শৰীৰটোৰ কথা। দোকানত ফুটবল খেলৰ চলন্ত বিৱৰণী শুনি ঘৰ-দুৱাৰ পাহৰিছিল একাংশ লোকে মুঠতে ৰেডিঅ'ৰ মাদকতা আছিল সম্পূৰ্ণৰূপে পৃথক।

এতিয়া আমাৰ মাজৰ পৰা ৰেডিঅ' সম্পূৰ্ণ ৰূপে হেৰাই যোৱা নাই। বিশেষকৈ গাওঁ-ভূঁইবোৰত কেতিয়াবা ৰেডিঅ'ৰ মাত শুনা যায়। ৰেডিঅ' চেন্টাৰসমূহৰ উন্নতি সাধন কৰি নানা মূল্যবান আৰু মনোগ্ৰাহী অনুষ্ঠান প্ৰচাৰ কৰিলে ৰেডিঅ'ৰ ব্যৱহাৰ পুনৰ আগৰ অৱস্থালৈ ঘূৰি আহিবপাৰে। এইক্ষেত্ৰত চৰকাৰে হাত উজান দিলে এনে দুৰ্দশা নহৈ ফলৱৰ্তী আশাৰূপে গণ্য কৰিব পাৰি। ৰেডিঅ'ৰ দৰে এনে এক আপুৰুগীয়া সম্পদ সংৰক্ষণ কৰাত আমাৰো যথেষ্ট দায়িত্ব আছে। আমি যদি এই সম্পদটিৰ উচিত ব্যৱহাৰ কৰোঁ, তেন্তে আমাৰ মাজলৈ পুনৰ ঘূৰ আহিব - ৰেডিঅ'।

# নিসংগতা ঃ এক সমস্যা

— ৰিচা হাতীমূৰীয়া
স্নাতক পঞ্চম যান্মাসিক
ভূগোল বিভাগ

বিশাল জনসমুদ্ৰৰ মাজত থাকিও মানুহে নিসংগতা অনুভৱ কৰে কিয়? এটা সময়ত সুখ-দুখৰ বোজা সকলোৱে মাজত ভাগ হৈ পৰিছিল। কিন্তু সমাজৰ পৰিৱৰ্তনৰ লগে লগে এই যৌথ পৰিয়ালবোৰ ভাগি সৰু সৰু পৰিয়ালত পৰিণত হ'ল। সেই আনন্দ বেদনাৰ বোজা নিজৰ নিজৰ হোৱাত মানসিক হেঁচা বেছি গধুৰ হৈছে। এই মানসিক হেঁচাৰ বাবে মানুহে অসহায় অনুভৱ কৰি নিজকে মুক্ত কৰাৰ প্ৰচেষ্টাৰে নিসংগতাকে সাৱতি লৈছে।



যিমানেই মানুহে সভ্যতাৰ জখলাত আগুৱাই গৈছে সিমানে মানুহে এজন আনজনৰ পৰা আঁতৰি গৈছে। পৰিয়ালৰ ভিতৰত এজনৰ পৰা আনজনৰ দূৰত্ব বাঢ়ি গৈছে। প্ৰত্যেকেই নিজৰ জঞ্জাল চম্ভালাত ব্যস্ত হৈছে। এনে পৰিৱেশেও মানুহক অকলশৰীয়া হোৱাত ইন্ধন যোগাইছে।

বৰ্তমান সমাজৰ যি দিশতে লক্ষ্য কৰা যায় সকলোতে প্ৰতিযোগিতা মাথোন। মানুহে পোৱা-নোপোৱাৰ প্ৰতি সদায় সচেতন। যিমানেই নাথাকক লাগে তাতকৈ বেছি পাবলৈ হেঁপাহ বাঢ়ি গৈছে। পালেও যেন নোপোৱাৰ ভাৱে আমনি কৰে। আনহাতেদি কিবা এটা পাই হেৰুওৱাৰ যি বেদনা ই বৰ নিষ্ঠুৰ। এই নিষ্ঠুৰতাত জৰ্জৰিত ব্যক্তিয়ে পাহৰি যায় যে পাবলৈ হ'লে কিছু দিবও লাগিব। ভাৱ-চিন্তাৰ আদান-প্ৰদানৰ মূহুৰ্ত বুজাবুজিৰ অভাৱে মনোমালিন্য কঢ়িয়াই আনে। ফলত আহি পৰে নিসংগতা। নিসংগতাক বহু ক্ষেত্ৰত মানুহে সৃষ্টি কৰি লোৱা দেখা যায়। ধন-দৌলত, উচ্চ-নীচ, পাণ্ডিত্য আদিৰ পৰা মানুহৰ গৌৰৱৰ সূত্ৰপাত হয়। এই গৌৰৱৰ পৰাই মিছা ভেমৰ সৃষ্টি কৰি এজন আন এজনৰ পৰা আঁতৰি আহে। কিছু সংখ্যক লোকৰ মাজত দেখা যায় উচ্চ পদবীত চাকৰি কৰা ব্যক্তিৰ পৰিয়ালটোৱে নিম্ন পদবীত চাকৰি কৰা লোকৰ পৰিয়ালৰ লগত মিলা-মিছা কৰিবলৈ সংকোচ কৰে। এনে ঠেক মনোবৃত্তিৰ মানুহেই নিজকে সমাজৰ পৰা আঁতৰাই ৰখাৰ ফলত সফলতাৰ সকলো গৰ্ব শিৰত লৈ এক শূণ্য জগতত বিচৰণ কৰিব লগা হয়।

নানা কামত ব্যস্ততাৰ পাছত মানুহে কিছু সময় নিসংগ হৈ থাকিব বিচাৰে। কিছু সংখ্যক লোক আছে যি

হতাশা কম-বেছি পৰিমাণে সকলোৰে আছে। কোনোজনৰ নোপোৱাৰ বেদনাত হতাশা আহিছে, কোনোৰে আকৌ পাই হেৰুৱাৰ বেদনাত। কোনোজনে তাৰ বিৰুদ্ধে যুঁজ দিয়ে, কোনোৱা পিছুৱাই আহি নিসংগতালৈ ঢাল খায়। সকলো কামতে সাৰ্থকতা লাভ কৰা ব্যক্তিৰ জীৱনলৈ হঠাৎ যদি ব্যৰ্থতা আহি পৰে তেনে ব্যক্তিয়ে মনৰ ভাৰসাম্য হেৰুৱাই পেলায়। ভৱিষ্যত জীৱনটোত শূণ্যতা অনুভৱ কৰে।

মানুহৰ সংস্পৰ্শলৈ আহিব নোৱাৰে। তেনেলোকে নিসংগ হৈয়ে থাকিব বিচাৰে। এনে ব্যক্তিয়ে নিজকে বিভিন্ন কামত ব্যস্ত কৰিব বিচাৰে। নিসংগতাৰ মাজতে সাহিত্য, ক'লা, বিজ্ঞানৰ সৃষ্টি হৈছে। এনে নিসংগতা মানুহৰ বাবে আশীৰ্বাদস্বৰূপ। কিন্তুতেনে নিসংগতাই যেতিয়া সীমা চেৰাই যায়, তেতিয়া ই এক মানসিক ৰোগ হিচাপে পৰিণত হয়।

হতাশা কম-বেছি পৰিমাণে সকলোৰে আছে। কোনোজনৰ নোপোৱাৰ বেদনাত হতাশা আহিছে, কোনোৰে আকৌ পাই হেৰুৱাৰ বেদনাত। কোনোজনে তাৰ বিৰুদ্ধে যুঁজ দিয়ে, কোনোৰে পিছুৱাই আহি নিসংগতালৈ ঢাল খায়। সকলো কামতে সাৰ্থকতা লাভ কৰা ব্যক্তিৰ জীৱনলৈ হঠাৎ যদি ব্যৰ্থতা আহি পৰে তেনে ব্যক্তিয়ে মনৰ ভাৰসাম্য হেৰুৱাই পেলায়। ভৱিষ্যত জীৱনটোত শূণ্যতা অনুভৱ কৰে। এনে অৱস্থাত হয়তো কোনোৰে আত্মহত্যাও কৰে।

শৈশৱত পোৱা তৃপ্তিহীন মৰমে ল'ৰা-ছোৱালীৰ মনত যি তীব্ৰ আঘাত হানে, ইয়ে ভৱিষ্যত জীৱনৰ নিসংগতাৰ অন্য এক উৎস। এনে ল'ৰা-ছোৱালীৰ মাজত খং, আক্ৰোশ আৰু বিষন্নতা এই গুণবোৰ দেখা যায়। বয়সস্থ, ৰোগীয়া, নিৰনুৱা আদিৰ মাজত অভাৱ-অনাটন, অসহায়তা আদি পৰিলক্ষিত হয়। ধৰ্ম, অৰ্থনৈতিক পাৰ্থক্য, সামাজিক জটিলতা এইবিলাকৰ প্ৰভাৱত মানুহ নিসংগ হৈ পৰিছে। সমস্যা আছে যেতিয়া সমাধানো আছে। কিন্তু কিছু ব্যক্তিয়ে নিজ সমস্যা সমাধান কৰিব নোৱাৰি নিজৰ অস্তিত্বকে অৰ্থহীন জ্ঞান কৰে। কেনেকৈ কি কৰিব চিন্তা কৰি পাৰ নাপায়। অথচ জ্ঞানৰ কাষ চাপিবলৈও ইচ্ছা নকৰে। নীৰৱে সকলো সহ্য কৰিবলৈ গৈ নিসংগ হৈ পৰে। অতীতৰ কিছুমান ঘটনা ভাৱি-চিন্তিও মানুহ নিসংগ হৈ পৰিব পাৰে।

বয়সস্থ লোকৰ মাজত নিসংগতা বেছি পৰিলক্ষিত হয়। চাকৰিৰ পৰা অৱসৰ লোৱাৰ পাছতে হঠাতে অহা পৰিবৰ্তনে মানুহক যথেষ্ট নিসংগ কৰি তোলে। বয়স অনুযায়ী নিসংগতাৰ বহুতো কাৰণ হ'ব পাৰে। ছাত্ৰাবস্থাত ল'ৰা-ছোৱালীৰ বহুতো সপোন থাকে। তাক হাতে-কামে ৰূপায়িত কৰিবলৈ চেষ্টা নকৰি আকাশতে চাং পাতি থাকি সময় অপব্যয় কৰে। এনে সময়ত ল'ৰা-ছোৱালীবোৰ অকলশৰীয়া হৈ থাকি সপোন সাগৰত উটি বুৰি ফুৰি তৃপ্তি পায়। এনে বহু অভ্যাসৰ পৰা নানান সমস্যাৰ সৃষ্টি হ'ব পাৰে।

নিসংগতা কাৰোবাৰ বাবে অভিশাপ আৰু কাৰোবাৰ বাবে আশীৰ্বাদ হ'ব পাৰে। যদিহে অভিশাপ হয় তেন্তে সেই মুহূৰ্তত ইয়াৰ পৰা মুক্ত হোৱাৰ কেইটামান কৌশল হ'ল -

(১) শৈশৱৰ পৰাই ভাল চৰ্চা কৰিব লাগে।

(২) নিজ পচন্দ অনুযায়ী বিভিন্ন কামত নিজকে ব্যস্ত কৰি ৰাখিব লাগে আৰু অভিভাৱকেও এই বিষয়ত গুৰুত্ব আৰোপ কৰাটো জৰুৰী।

(৩) সামাজিক কামত ব্যস্ত থাকিব লাগে। ইয়াৰ ফলত সময়ৰ সদ্ব্যৱহাৰ হোৱাৰ উপৰিও নিজৰ অভিজ্ঞতা বৃদ্ধি পায়।

(৪) সৰু সৰু সমস্যাবোৰ চিন্তা কৰি অশান্তিৰ সৃষ্টি কৰিব নালাগে।

(৫) ব্যক্তিগত সমস্যা হ'লেও আনৰ পৰা সমাধানৰ উপায় বিচৰাটো কোনো পৰিতাপৰ কথা নহয়। ই চিন্তাৰ বোজা পাতল কৰে আৰু মনক শান্তি দিয়ে।

(৬) যি কাম বাস্তৱত হোৱাটো অসম্ভৱ তেনে চিন্তাৰ পৰা মুক্ত থাকিব লাগে।

নিসংগতাই মানুহৰ জীৱনত কেনে প্ৰভাৱ পেলায় তাক বুজিবলৈ চেষ্টা কৰিব লাগে। ই মানুহক মানসিক ভাৱেই নহয় শাৰীৰিক ভাৱেও অসুস্থ কৰিব পাৰে। এনে ব্যক্তিক আৰোগ্য কৰিবলৈ পৰিয়ালৰ সমস্যা তথা প্ৰতিবেশীয়ে মুখ্য ভূমিকা গ্ৰহণ কৰা বাঞ্চনীয়।




# ঐতিহ্যমণ্ডিত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়

— পলি দেৱী
স্নাতক পঞ্চম ষান্মাসিক
বুৰঞ্জী বিভাগ

পুৰাতন পৃথিৱীৰ এখন দেশ
হাতত হেংডান লৈ
সোণৰ জখলাৰে স্বৰ্গৰ পৰা নামি আহিছিল
এই দেশৰ ৰজা।
বুকুত অসীম সাহস কপালত অজেয় তিলক লৈ
বাহুত শক্তি বান্ধি, প্ৰৱেশিলা সৌমাৰ পীঠত পাটকাই পাৰ হৈ
প্ৰজাৰ বাবে আছিল ৰজা;
আটোম টোকাৰিকৈ কঁকালৰ টঙালিত
বান্ধি লৈছিল নিজৰ মানুহবোৰৰ
সুখ-দুখ।
ৰংঘৰ, কাৰেংঘৰ, শিৱদৌল, জয়দৌল
আহোম স্বৰ্গদেউৰ অম্লান সৃষ্টি
এয়াই টাই আহোমৰ শিল্পকলা কৃষ্টি
আজিও জিলিকি আছে যুগজয়ী স্মৃতি।
তুমি দিলা তোমাৰ জাতিক ক'ত অৱদান
হে পৰম দেৱতা, পুনিল পুথাও চুকাফা
তোমাক জনাওঁ শতবাৰ প্ৰণাম।

এই ঐতিহ্যমণ্ডিত শিৱসাগৰ কৃষ্টি সংস্কৃতি তথা ভাষা সাহিত্যৰো কঠিয়াতলি। এই শিৱসাগৰৰ পৰাই স্বৰ্গদেউ চাওলুং চ্যুকাফাই বৃহত্তৰ আজি গঠন প্ৰক্ৰিয়াৰ পাতনি মেলিছিল। পূৱা গধূলি, সৰুবৰ সাতোৰঙী আভাত জিকমিকাই থকা সোণৰ কলচিযুক্ত শিৱদ'লে জাতি, ধৰ্ম বৰ্ণ নিৰ্বিশেষে সকলো লোকক একত্ৰিত কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন

কৰি আহিছে।

ইতিহাসে গৰকা ঐতিহ্যমণ্ডিত বৰপুখুৰী পাৰত অৱস্থিত শিৱ, বিষ্ণু আৰু দেৱী দ'লৰ এই পবিত্ৰ ভূমি স্পৰ্শ কৰি সোণৰ কলচিৰ ছাঁত সগৌৰৱে জিলিকি আছে এই ঐতিহ্যমণ্ডিত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়। এসময়ত ভাৰতত স্ত্ৰী শিক্ষাৰ কোনো গুৰুত্বই নাছিল। মহিলাসকলক স্কুল কলেজলৈ পঠোৱাৰ পৰিবৰ্তে ঘৰুৱা কাম-কাজত সীমাবদ্ধ কৰি ৰখা হৈছিল। কিন্তু তেনে সময়ত কেইজনমান বুদ্ধিজীৱি আৰু সহজ-সৰল সমাজ হিতৈষী ব্যক্তিৰ আপ্ৰাণ চেষ্টাৰ ফলত শিৱসাগৰত স্ত্ৰী শিক্ষাৰ উত্তৰণ ঘটিল। নাৰী শিক্ষাৰ প্ৰতি সমাজৰ দৃষ্টিভংগী যোগাত্মক হ'বলৈ ধৰিলে।

স্বামী বিবেকানন্দই কৈছিল, "যদিহে আমি শিক্ষা দিব লাগে তেনেহ'লে সেই শিক্ষা আমি স্ত্ৰীসকলকহে দিয়া উচিত। এজন পুৰুষক শিক্ষিত কৰা মানে কেৱল এজন ব্যক্তিকহে শিক্ষিত কৰা বুজায়। কিন্তু এগৰাকী নাৰীক শিক্ষিত কৰিলে এটা জাতিক শিক্ষিত কৰাটো বুজায়।" নাৰী শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ১৯১৫ চনত প্ৰতিষ্ঠিত হোৱা ঐতিহ্যমণ্ডিত শিৱসাগৰ ফুলেশ্বৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ পাছতেই ১৯৬৪ চনত ইতিহাসে গৰকা এই পবিত্ৰ ভূমিত প্ৰতিষ্ঠিত হ'ল শিৱসাগৰ ছোৱালী মহাবিদ্যালয়। এনেদৰে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ে জন্ম দিলে হাজাৰ হাজাৰ শিক্ষিত নাৰীৰ আৰু এই নাৰীসকলেও দুচকুত স্বপ্ন বান্ধি গুৰু শিষ্যৰ মধুৰ সম্পৰ্কৰে জীৱনত সোণালী মুকুতা বিচাৰি আগুৱাই যাবলৈ চেষ্টা কৰিলে।

এই ঐতিহ্যমণ্ডিত 'শিৱসাগৰ ছোৱালী মহাবিদ্যালয়'ৰ কাষতে আছে স্বৰ্গদেউ শিৱসিংহ আৰু তেওঁৰ দ্বিতীয় পত্নী অম্বিকা কুঁৱৰীয়ে খন্দোৱা সাগৰ সদৃশ বৰপুখুৰী আৰু তাৰ পাৰত তেওঁলোকে তিনিটা দ'ল নিৰ্মাণ কৰিছিল। ঐতিহাসিক শিৱসাগৰ পুখুৰীৰ পাৰত থকা এই শিৱদ'ল বিশেষভাৱে উল্লেখযোগ্য। হিন্দুসকলৰ পৰম আৰাধ্য দেৱতা শিৱৰ নামত উৎসৰ্গিত এই মন্দিৰ। চাৰে তিৰাশী হাত ওখ এই মন্দিৰতো চাৰে চাৰি একৰ মাটিৰ ওপৰত অৱস্থিত বুলি বুৰঞ্জীয়ে কয়। অতীজৰে পৰা এই মন্দিৰত শিৱ চতুদৰ্শীৰ দিনা মহা আড়ম্বৰে শিৱৰাত্ৰি উদ্‌যাপন কৰি অহা হৈছে। শিৱসাগৰ চহৰৰ মাজ মাজিয়াত অৱস্থিত এই শিৱদ'ল হৈছে অসমৰ ভিতৰত ওখ ৰজাদিনীয়া মন্দিৰ। এই শিৱদ'লত প্ৰতিবছৰে অনুষ্ঠিত হোৱা শিৱৰাত্ৰিত ভিন্ন প্ৰান্তৰ হাজাৰ হাজাৰ লোকৰ সমাগম হয় আৰু ফকীৰৰ সমাগম হয় ভাং খাই তেওঁলোকে শিৱৰ স্তুতি কৰে। আহোম স্বৰ্গদেউসকল যে শিৱভক্ত আছিল তাৰ প্ৰমাণ দ'লৰ ওপৰত থকা ত্ৰিশূল ডালৰ পৰাই ঠাৱৰ কৰি পাৰি। শিৱদ'লৰ ওচৰতে আৰু দুটা দ'ল আছে - বিষ্ণুদ'ল আৰু দেৱীদ'ল। শিৱদ'ললৈ উঠি যাওঁতে বিষ্ণুদলটো সোঁহাতে আৰু দেৱীদ'লটো বাওঁহাতে অৱস্থিত। শিৱসিংহৰ দিনত নিৰ্মাণ কৰা বিষ্ণুদ'লৰ মূল উৎসৱ হৈছে ৰথযাত্ৰা। এই ৰথযাত্ৰাত অগণন ভক্তৰ সমাগম হয়। পবিত্ৰ গোটেই ভাদ মাহ জুৰি এই বিষ্ণুদ'লত নাম-কীৰ্ত্তন হয়।

শিৱসাগৰ বৰপুখুৰীৰ সাগৰ সদৃশ জলৰাশিয়ে সময়ে সময়ে বতাহৰ কোবত ঢৌ লহৰ তুলি দৰ্শকৰ মন জুৰ পেলায়। ভাগৰুৱা দৰ্শক মণ্ডলী আৰু পৰ্যটকসকলে অৱসৰ বিনোদনৰ কাৰণে আহি ইয়াৰ পাৰত খন্তেক জিৰণি লৈ শৰীৰ মন শাত পেলাই মনত দুগুণ প্ৰেৰণা লাভ কৰে। এইখিনিতে কবি নৱকান্ত বৰুৱাদেৱৰ কবিতাফাঁকি মনলৈ আহে -

"সাগৰ দেখিছা?
দেখা নাই কেতিয়াও
ময়ো দেখা নাই......।"

বুৰঞ্জীপ্ৰসিদ্ধ শিৱসাগৰৰ সন্তান হিচাপে জন্ম লভি মই নিজকে গৌৰৱ অনুভৱ কৰোঁ আৰু বুৰঞ্জী বিষয়টোক সন্মানীয় বিষয় হিচাপে পঢ়িবলৈ পাই মই সঁচাকৈয়ে বহুত সুখী। এই কীৰ্তিচিহ্নবোৰ হৈছে আমাৰ আপুৰুগীয়া সম্পদ। এই ৰজাদিনীয়া পুৰণি কীৰ্তিচিহ্নবোৰ যেনে - শিৱদ'ল, বিষ্ণুদ'ল, দেৱীদ'ল, কাৰেংঘৰ, ৰংঘৰ, তলাতল ঘৰ আদি এই সকলোবোৰ পৰ্যটনৰ এক আকৰ্ষণৰ কেন্দ্ৰবিন্দু। এই সোণৰ কলচীযুক্ত শিৱদ'ল চাবলৈ আজিও বহুতো দেশী-বিদেশী পৰ্যটকৰ আগমন হয়। এই কীৰ্তিচিহ্নবোৰ সংৰক্ষিত কৰাতো আৰু ইয়াৰ চাৰিওফালৰ পৰিৱেশ নিকা কৰি ৰখাতো আমাৰ নৱপ্ৰজন্মৰেই কৰ্তব্য আৰু দায়িত্ব।

★★★★★★

**বন্দুকৰ গুলীয়ে আদৰ্শক হত্যা কৰিব নোৱাৰে —** *জ্যোতিপ্ৰসাদ*

Scanned with OKEN Scanner

## সাক্ষাৎকাৰ



## এটি বৰ্ণময় সন্ধিয়াৰ অন্তৰংগ আলাপ

# ড° অমৰজ্যোতি চৌধুৰীৰ সৈতে

অসমৰ এগৰাকী বিশিষ্ট শিক্ষাবিদ, গৱেষক, কবি, আবৃত্তিকাৰ, সুবক্তা, উপন্যাসিক, অভিনেতা, নাট্যকাৰ ড° অমৰজ্যোতি চৌধুৰীক নিচেই ওচৰৰ পৰা অন্তৰংগভাৱে লগ পোৱাৰ সৌভাগ্য হৈছিল যোৱা ২৪ অক্টোবৰ, ২০১৭ , মঙ্গলবাৰে সন্ধিয়া। ড° অমৰজ্যোতি চৌধুৰীৰ সৈতে হোৱা আমাৰ অন্তৰংগ আলাপ যদিও উদ্দেশ্যধৰ্মী আছিল, তেখেতৰ বিনয়ী প্ৰকৃতি আৰু সহজ-সৰলতাই আমাক দুগুণ উৎসাহ দিছিল।

'শিৱসাগৰ ছোৱালী কলেজ'ত যোৱা ২৪ অক্টোবৰ, ২০১৭, মঙ্গলবাৰে মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা বিশিষ্ট সাহিত্যিক প্ৰয়াত শিক্ষাবিদ বীৰেণ বৰকটকীদেৱৰ সোঁৱৰণত অনুষ্ঠিত কৰা 'কৃষ্টিঃ দীঘ আৰু বাণী' শীৰ্ষক বক্তৃতানুষ্ঠানখনিত নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ দিয়াৰ উদ্দেশ্যে ড° অমৰজ্যোতি চৌধুৰী দেৱ শিৱসাগৰলৈ আহিছিল। 'শিৱসাগৰ ছোৱালী কলেজ'ৰ আলোচনী 'প্ৰৱাহিনী'ৰ বাবে এটি সাক্ষাৎকাৰ লোৱাৰ উদ্দেশ্যেৰে শিৱসাগৰৰ চাৰ্কিট হাউছত তেখেতক দেখা কৰিছিলোঁ। তেখেতৰ সৈতে হোৱা অন্তৰংগ আলাপক অসম্পাদিত ৰূপত পাঠকৰ বাবে আগবঢ়োৱা হ'ল—

**প্ৰৱাহিনী ঃ** আজি আপুনি যি পৰিচয়ৰে সকলোৰে আগত পৰিচিত হৈছে এই অৱস্থা পোৱাৰ ক্ষেত্ৰত আপুনি ক'ৰ পৰা অনুপ্ৰেৰণা লাভ কৰিছিল? আপোনাৰ ঘৰুৱা পৰিৱেশে আপোনাক কি দৰে সহায় কৰিছিল?

**ড° চৌধুৰী ঃ** মানুহৰ জীৱনত বহুত ব্যক্তি থাকে, যি সদায় প্ৰেৰণাৰ উৎস হৈ ৰয়। মোৰ জীৱনত মই মাৰ পৰাই বেছি প্ৰেৰণা পাইছিলোঁ। মোৰ দেউতা প্ৰয়াত লক্ষ্যধৰ চৌধুৰী একাধাৰে সাহিত্য, নাট্যজগতৰ লগতে ৰাজনীতিৰ মানুহ আছিল। দেউতাই বিভিন্ন সভাই - সমিতিয়ে ঘূৰি ফুৰিব লগীয়া হোৱাৰ বাবে প্ৰায়ে ঘৰৰ বাহিৰত আছিল। দেউতাক আমি খুউব কম সময়ৰ বাবে ঘৰত লগ পাইছিলোঁ। বানপানী হ'লে আমি বহুত ভাল পাইছিলোঁ। কাৰণ বানপানী হ'লে দেউতা ঘৰলৈ আহে। সাহিত্যৰ ক্ষেত্ৰত মই অৱশ্যে দেউতাৰ পৰা অনুপ্ৰেৰণা পাইছিলোঁ। কিন্তু জীৱনত মই মাৰ পৰাই বেছি অনুপ্ৰেৰণা লাভ কৰিছিলোঁ।

**প্ৰৱাহিনী ঃ** আপোনাৰ স্কুলীয়া শিক্ষা জীৱন কেনেধৰণৰ আছিল?

**ড° চৌধুৰী ঃ** প্ৰথম কথা, মই পঢ়ি বেয়া পাইছিলোঁ। প্ৰথমতে আমাৰ ঘৰ ব্ৰহ্মপুত্ৰ নৈৰ পাৰত হোৱাৰ বাবে নৈ পাৰ হৈ স্কুল যাবলগীয়া হৈছিল। সেইবাবে মই বহুত আমনি পাইছিলোঁ। স্কুলত ছাৰসকলে মোক বহুত মৰম কৰিছিল। কিন্তু তেওঁলোকক মোৰ দৈত্যৰ দৰে লাগিছিল। পঢ়াত মনোযোগ কম আছিল। একো কথা মনত নোৰোৱাৰ বাবে ছাৰে আমাক গছ তলত নেওঁতা মাতিবলৈ দিছিল। ছন্দ থকাৰ বাবে নেওঁতাখন সোনকালে মনত ৰৈছিল। তেতিয়া ছাৰে আমাক ছন্দ থকা কবিতা লিখিবলৈ কৈছিল। মোৰ দেউতাই মোৰ ৫ বছৰীয়া জন্মদিনত 'মোৰ লক্ষ্য' কবিতাটি মোক উপহাৰ দি গাবলৈ দিছিল।

Scanned with OKEN Scanner

সৰুতে মই অভিনয় জগততো ভুমুকি মৰাৰ সুবিধা পাইছিলোঁ। মই 'মাক আৰু মৰম' নামৰ এখন চিনেমাত অভিনয় কৰিছিলোঁ। সেই সময়ত চিনেমা কৰা ল'ৰা - ছোৱালীবোৰক আনে ভাল চকুৰে নাচায়, তাতে মই পঢ়াত ভাল নহয়। মোৰ লগৰ ল'ৰা-ছোৱালীবোৰক সিহঁতৰ মাকে - দেউতাকে মোৰ পৰা আঁতৰাই ৰাখিছিল। লগৰবোৰে ফুটবল খেলিলে মোক কেৱল চাবলৈহে দিছিল। এদিন মই ফুটবল খেল পথাৰলৈ আজিৰ পৰা নাযাওঁ বুলি ঘৰলৈ গুচি আহিলোঁ আৰু ঘৰলৈ আহি কীৰ্ত্তন ঘোষাখন আৰু কেইখনমান বাতৰি কাকত মেলি ল'লোঁ। তেতিয়াৰে পৰা মই ভালদৰে পঢ়িবলৈ আৰম্ভ কৰিলোঁ আৰু দ্বিতীয় শ্ৰেণীত প্ৰথমবাৰৰ বাবে মই তৃতীয় স্থান পাবলৈ সক্ষম হৈছিলোঁ। আগতে যিটো ল'ৰাই তৃতীয় স্থান পাইছিল, সি সেইবাৰ চতুৰ্থ স্থান পোৱাৰ বাবে কান্দি আছিল আৰু ময়ো সি কান্দি থকাৰ বাবে দুখত কান্দি আছিলোঁ। তেনেতে আমাৰ প্ৰধান শিক্ষক ছাৰে আমি দুয়োটাই কান্দি থকাৰ কাৰণ সোধাত মই ছাৰক সকলো ক'লো। মোৰ কথাবোৰ শুনাৰ পাছত ছাৰে মোক অফিচলৈ মাতি সতীশ চন্দ্ৰ কাকতিৰ 'জীৱনী মালা' নামৰ এখন কিতাপ উপহাৰ দি কৈছিল— "ইয়াত বিভিন্ন সাহিত্যিকৰ জীৱনী আছে, ভালকৈ পঢ়িবি।" আৰু কিতাপখনৰ সন্মুখৰ পৃষ্ঠাত ছাৰে লিখি দিছিল—"আনৰ কাৰণে কন্দাৰ বাবে তোক এই উপহাৰটো দিছোঁ"।

**প্ৰৱাহিনী ঃ** আপুনি জীৱনত এতিয়ালৈকে যিহেতু বিভিন্ন ক্ষেত্ৰত বহুতো কাম কৰিলে, জীৱনত কৰা সকলো কামৰ পৰা আপুনি সুখীনে?

**ড° চৌধুৰী ঃ** মই সুখী নহয়। মই হৈছোঁ সাহিত্য, গৱেষণা, শিক্ষাজগতৰ মানুহ। মই যেতিয়া ছাত্ৰ-ছাত্ৰীসকলক ক্লাছত পঢ়াওঁ, তেতিয়া কিছুমান ছাত্ৰ-ছাত্ৰীয়ে বুজি নাপায়, কেতিয়াবা কিছুমানে বুজিবৰ চেষ্টা নকৰে। তেতিয়া দুখ লাগে।

**প্ৰৱাহিনী ঃ** আপোনাৰ জীৱনত প্ৰভাৱ পেলোৱা বিশিষ্ট ব্যক্তিসকল কোন - কোন আৰু তেওঁলোকৰ কি কথাই আপোনাক অনুপ্ৰাণিত কৰে?

**ড° চৌধুৰী ঃ** কেইজনমান শিক্ষক আছিল; যিসকলে মোৰ জীৱনত ডাঙৰ প্ৰভাৱ পেলাইছিল। তেতিয়া মই চেনীকুঠী বুনিয়াদী স্কুলত আছিলোঁ। সেইসময়ত আমাৰ স্কুলত চন্দ্ৰী শৰ্মা নামৰ এজন শিক্ষক আছিল। এবাৰ স্বাধীনতা দিৱসত পতাকা উত্তোলন কৰি থকাৰ সময়ত ডাঙৰ ধুমুহা আহিল, তাৰপাছতে কলহৰ কাণে ঢলা বৰষুণ। ছাৰে ছাত্ৰ-ছাত্ৰীসকলৰ লগতে সহঃ শিক্ষক - শিক্ষয়িত্ৰী সকলকো বাৰান্দালৈ উঠিবলৈ দি ৪৫ মিনিট সময় বৰষুণত তিতি - তিতি বাঁহডাল সাবটি ধৰি আছিল। আমি যেতিয়া ছাৰক সহায় কৰিবলৈ আগবাঢ়ি আহিছিলো, তেতিয়া ছাৰে আমাক অসুখ হ'ব বুলি গালি পাৰি পঠিয়াই দি নিজে কষ্টত আছিল।

সেইসময়ত অসমত কংগ্ৰেছৰ অধিৱেশন অনুষ্ঠিত হৈছিল আৰু মহাত্মা গান্ধী সেই অধিৱেশনলৈ আহিছিল। তেখেতে অসমীয়া ভজন শুনিবলৈ ইচ্ছা প্ৰকাশ কৰি বিষ্ণু প্ৰসাদ ৰাভাক এই সন্দৰ্ভত জনালে। তেতিয়া ভূপেন হাজৰিকাৰ ভগ্নী সুদক্ষিণা শৰ্মাই 'হে জয় ৰঘুনন্দন' ভজনটি পৰিৱেশন কৰি মহাত্মা গান্ধীক মুগ্ধ কৰিছিল। মহাত্মা গান্ধীয়ে সুদক্ষিণা শৰ্মাৰ গান ভাল পাই তেখেতৰ হাতখন বহুতসময় স্পৰ্শ কৰি থাকিল। এদিন ছাৰে আমাক ক'লে যে, "আজি তহঁতক মই গান্ধীৰ স্পৰ্শ দিম" আৰু সেইবুলি কৈ আমাক সুদক্ষিণা শৰ্মাৰ ঘৰলৈকে শাৰী পতাই লৈ গ'ল আৰু বাইদেউৰ হাতখন স্পৰ্শ কৰিবলৈ দি আমাক কৈছিল, "এইখন হাততেই গান্ধীজীৰ স্পৰ্শ আছে"। তেনেদৰে ছাৰে আমাক অনুপ্ৰাণিত কৰিছিল।

মই যেতিয়া 'মাণিক চন্দ্ৰ মধ্য ইংৰাজী' বিদ্যালয়ত পঢ়ি আছিলোঁ, তেতিয়া আমাৰ স্কুলত কামেশ্বৰ শৰ্মা নামৰ এজন শিক্ষক আছিল। ছাৰে আমাক ভূগোল পঢ়াইছিল। আমাক ভূগোল পঢ়াওঁতে ছাৰে মেপখন তেখেতৰ পাছফালে দেৱালত আঁৰি থৈছিল। ছাৰ ইমানেই পাৰ্গত আছিল, যিবোৰ ঠাই বা প্ৰতিষ্ঠান আমি মেপ চাই উলিয়াব পৰা নাছিলোঁ, ছাৰে মেপখন নোচোৱাকৈয়ে হাতত লৈ থকা বেতডালেৰে ওলোটাফালৰপৰা সেই স্থানবোৰ দেখুৱাইছিল।

মই মোৰ জীৱনত প্ৰায়বিলাক বিশ্ববিদ্যালয় গৈছোঁ। বহুত শিক্ষক দেখিলোঁ, তাৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ শিক্ষক হ'ল কামেশ্বৰ শৰ্মা।

**প্ৰৱাহিনী ঃ** অসমৰ বৌদ্ধিক আৰু সাহিত্যিক দিশত বিশেষ পাঁচজন ব্যক্তিৰ অৱদান সম্পৰ্কে আপোনাক নিৰ্বাচন কৰিবলৈ দিলে আপুনি কাক কাক নিৰ্বাচন কৰিব?

**ড° চৌধুৰী ঃ** এইটো বৰ জটিল প্ৰশ্ন। আচলতে বিশেষ পাঁচজন বুলি ক'বলৈ হ'লে মই পোনপ্ৰথমতেই নাম ল'ব লাগিব ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ, তেখেতৰ সাহিত্য আৰু ব্যক্তিগত অনুভূতিয়ে মোক বাৰুকৈয়ে আকৃষ্ট কৰিছিল। ইয়াৰোপৰি মোৰ দেউতা প্ৰয়াত লক্ষ্যধৰ চৌধুৰীৰ সহজ-সৰল, গুণ, ভূপেন হাজৰিকাৰ গান, মামণি ৰয়চম গোস্বামীৰ উপন্যাস আৰু হীৰেন ভট্টাচাৰ্য্যৰ কবিতাই মোক আকৃষ্ট কৰিছিল।

**প্ৰৱাহিনী ঃ** অসম সাহিত্য সভা সম্পৰ্কে আপোনাৰ ব্যক্তিগত ধাৰণা কি?

**ড° চৌধুৰী ঃ** মই ভাবোঁ, জাতি এটা বাচি থাকিবলৈ হ'লে সাংস্কৃতিক শিপাডাল ধৰি ৰাখিব লাগিব। ঠিক সেইদৰে ভাষাই এটা জাতিৰ ঐতিহ্য বহন কৰে। 'অসম সাহিত্য সভা'ৰ দৰে অন্যান্য অনুষ্ঠানবোৰেও ভাষাৰ সেৱা কৰে। সকলোৱে বিনয়েৰে আৰু কোনো অহংকাৰ, কোনো পদবীৰ প্ৰতি লালসা নকৰাকৈ কাম কৰিব লাগে। 'অসম সাহিত্য সভা'ৰ জৰিয়তে সকলোৱে ভাষাৰ ঐতিহ্য, সংস্কৃতিৰ ঐতিহ্য বৰ্ত্তাই ৰাখিবলৈ চেষ্টা কৰিব লাগে।

**প্ৰৱাহিনী ঃ** বৰ্তমান অসমৰ পৰিস্থিতি সম্পৰ্কে আপোনাৰ ব্যক্তিগত অভিমত কি?

**ড° চৌধুৰী ঃ** নিজৰ ঠাইখন আমি নিজে নিজে ভাল কৰিব লাগিব। মানুহে পোনপ্ৰথমতে নিজে দক্ষতা আহৰণ কৰিবলৈ চেষ্টা কৰিব লাগে। নিজে দক্ষ হোৱাৰ পাছত আনক সহায় কৰিব লাগে। পঢ়া-শুনাৰ লগতে বিভিন্ন সংক্ৰান্তত বহুসংখ্যকেই বিদেশলৈ গুচি যায়। কিন্তু এটা সময়ত উভতি আহি নিজ ঠাইৰ সেৱা কৰিব লাগে। আমাৰ অসমৰ মানুহৰ মাজত দেশপ্ৰেম ক'ম আছে। সেয়েহে অসমখন উন্নতি হোৱাৰ ক্ষেত্ৰত কিছু পিছ পৰি আছে। দেশপ্ৰেমৰ ভাৱ মনত পুহি সেৱা কৰিলেহে অসমৰ অৱস্থা ভাল হ'ব।

মোৰ দেউতা প্ৰয়াত লক্ষ্যধৰ চৌধুৰীয়ে কৈছিল যে অসমখন এঠা দৈ। কাৰণ ইয়াত মৰম-চেনেহ বহুত বেছি। কিন্তু বৰ্তমান সময়ত এই মৰম-চেনেহৰ অভাৱ হোৱা দেখা যায়।

**প্ৰৱাহিনী ঃ** আপোনাক যদি এখন চলচ্চিত্ৰ নিৰ্মাণ কৰিবলৈ দিয়া হয়, তেন্তে আপুনি কাহিনী হিচাপে কি বিষয়বস্তু বাচি ল'ব?

**ড° চৌধুৰী ঃ** এখন ভাল কাহিনীৰ চলচ্চিত্ৰ কৰিবলৈ পালে ভাল পাম। আমাৰ বৰ্তমানৰ চলচ্চিত্ৰ জগতখনক ওপৰৰ স্তৰলৈ নিয়াৰ চেষ্টা কৰিম। বিশ্বখন ইমান আগবাঢ়ি গৈছে যে বিদেশৰ চলচ্চিত্ৰৰ তুলনাত অসমীয়া চলচ্চিত্ৰ অত্যন্ত সাধাৰণ যেন লাগে। অসমৰ সামগ্ৰিক পৰিৱেশৰ সলনি ঘটিছে। গাঁওবোৰ চহৰ হৈছে আৰু চহৰবোৰ মহানগৰ হৈছে। যাৰ ফলস্বৰূপে, মানুহৰ মাজত আন্তৰিকতাৰ অভাৱ ঘটিছে। মোক যদি চলচ্চিত্ৰ নিৰ্মাণ কৰিবলৈ দিয়া হয়, তেন্তে আগৰ দিনত বুঢ়ী আইতাই ঘৰৰ লগতে চুবুৰীৰ আন দহজনকো নিজৰ নাতিৰ দৰে মৰম কৰাৰ দৰে আৰু উজান বজাৰৰ পেহীয়ে নিজে ফটা কাপোৰ পিন্ধিও অসমৰ ল'ৰা - ছোৱালীৰ ভৱিষ্যত উজ্জ্বল হওঁক বুলি ভাবি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পুনঃনিৰ্মাণৰ বাবে যিদৰে নিজৰ সাঁচতীয়া ধন দিছিল, ঠিক তেনেকুৱা মৰম - চেনেহ আৰু আন্তৰিকতাক মই কাহিনীৰ বিষয়বস্তু হিচাপে বাচি ল'ম।

**প্ৰৱাহিনী ঃ** বিদেশৰ মধুৰ স্মৃতিয়ে আপোনাৰ মনত গভীৰভাৱে প্ৰভাৱ পেলাইছে নেকি?

**ড° চৌধুৰী ঃ** হয়, পেলাইছে। মই অক্সফ'ৰ্ডত তিনি বছৰ সময় আছিলোঁ। অক্সফ'ৰ্ডখন এনেকুৱা এখন ঠাই, য'ত ল'ৰা-ছোৱালীয়ে অন্য একো কথা চিন্তা নকৰি মাত্ৰ পঢ়িব লাগে। মই অক্সফ'ৰ্ডত পি. এইচ. ডি. কৰি থাকোঁতে এদিন মোৰ চুপাৰভাইজৰজনক মই এখন কিতাপ বিচাৰি পোৱা নাই বুলি ক'লো আৰু সেইদিনাৰ পাছত প্ৰসংগ নোলোৱাত কিতাপৰ কথাটো গাপ খাই থাকিল। এদিন ৰাতি

ধুমুহা-বৰষুণ। ৰাতি দুৱাৰত কোনোবাই টুকুৰিওৱা শুনি দুৱাৰখন খুলি দেখিলোঁ মোৰ চুপাৰ ভাইজৰ ছাৰে এখন হাতত এটি ছাতি আনখন হাতত মই বিচাৰি ফুৰা কিতাপখন লৈ দিবলৈ আহিছে। এইদৰেই তেখেতে মোক পঢ়িবৰ বাবে অনুপ্ৰাণিত কৰিছিল। বিদেশৰ এই দুখৰীয়া স্মৃতিবোৰে মোৰ মনত গভীৰভাৱে সাঁচ বহুৱাৰ লগতে মোৰ জীৱনতো প্ৰভাৱ পেলাইছিল।

**প্ৰৱাহিনী ঃ** অসম বা ভাৰতৰ শিক্ষা ব্যৱস্থাৰ লগত বিদেশৰ শিক্ষা ব্যৱস্থাৰ কি মূলগত পাৰ্থক্য আছে বুলি আপুনি উপলব্ধি কৰে?

**ড° চৌধুৰী ঃ** আমাৰ দেশত প্ৰশ্ন সুধিবলৈ নিশিকায়। এয়া আচলতে সমূহীয়া ভুল বুলি ক'ব লাগিব। কম সময়ৰ ভিতৰতে SYLLABUS শেষ কৰিব লাগে। আচলতে চেমিষ্টাৰ পদ্ধতিটো আমাৰ দেশত ভালদৰে চলা নাই। ভাৰত বা অসমৰ তুলনাত বিদেশত এই পদ্ধতিটো বেছি ফলপ্ৰসূ হৈছে। আমাৰ দেশত ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন সুধিবলৈ উৎসাহ দিয়া নহয়। আমাৰ দেশৰ ল'ৰা-ছোৱালীয়ে বিদ্যায়তনিক দিশত, বিদেশত গৈ সুনাম কৰে। কাৰণ - তাত প্ৰশ্ন সোধাৰ পৰিৱেশ আছে। মোৰ বোধেৰে আমেৰিকা, ইংলেণ্ডতকৈ ভাৰতৰ ল'ৰা-ছোৱালী পঢ়াত চোকা; কেৱল ইয়াত নতুনকৈ চিন্তা কৰাৰ সুবিধা কমকৈ পায়।

**প্ৰৱাহিনী ঃ** সাম্প্ৰতিক সময়ত উত্তৰ পুৰুষসকলৰ অধ্যয়ন স্পৃহা কমি গৈছে বুলি আপুনি ভাৱে নেকি?

**ড° চৌধুৰী ঃ** উত্তৰ পুৰুষসকলৰ দুটা অংশ আছে। এটা অংশই ভালদৰে পঢ়া - শুনা কৰে আৰু আনটো অংশই নকৰে। এই পঢ়া-শুনা কৰা অংশৰ পৰিমাণটো যদি বিজাই চাওঁ, অৰ্থাৎ কিমানে ভালকৈ পঢ়ে আৰু কিমানে ভালকৈ নপঢ়ে, মই স্বীকাৰ কৰিবলৈ বাধ্য যে এতিয়াৰ সকলে ভালকৈ পঢ়ে।

**প্ৰৱাহিনী ঃ** অসমৰ নৱ প্ৰজন্মৰ কোনটো দিশে আপোনাক আটাইতকৈ সুখী আৰু কোনটো দিশে সুখী অনুভৱ কৰোৱা নাই ?

**ড° চৌধুৰী ঃ** সকলো প্ৰজন্মৰে দায়িত্ব নিজৰ কামবোৰ নিয়াৰিকৈ কৰাটো। যি ক্ষেত্ৰতেই নহওঁক কিয়, গোনপ্ৰথমতে সকলো কৰিব লাগে। খেলা-ধূলা, সাহিত্য, সংস্কৃতি, অভিযান্ত্ৰিক, কাৰিকৰী দিশত আজিৰ প্ৰজন্মৰ বহুতেই নিজে শিকাৰ লগতে আনকো শিকাবলৈ চেষ্টা কৰা আৰু আনক সহায় কৰা কথাটোৱে মোক সুখী কৰে আৰু যিসকলে কোনোদিনেই শিকিবলৈ বা আনক শিকাবলৈ অথবা সহায় কৰিবলৈ চেষ্টা কৰা নাই, এই কথাটোৱে মোক দুখী কৰে।

**প্ৰৱাহিনী ঃ** আপোনাৰ ভৱিষ্যত পৰিকল্পনা কি?

**ড° চৌধুৰী ঃ** মই শিক্ষা জগতত কিছু হ'লেও অৰিহণা যোগাই থকাৰ লগতে লিখা-মেলা অব্যাহত ৰাখিম। এইবছৰৰ শেষৰ ফালে নহ'লে অহাবছৰত বিভিন্ন কবিসকলৰ সৈতে এটি একক কবিতাৰ সন্ধিয়া উদ্‌যাপন কৰিম বুলি ভাবিছোঁ।

**প্ৰৱাহিনী ঃ** প্ৰৱাহিনীৰ জৰিয়তে 'শিৱসাগৰ ছোৱালী কলেজ'ৰ ছাত্ৰীসকলৰ লগতে নৱপ্ৰজন্মৰ প্ৰতি কিবা বাৰ্ত্তা আগবঢ়াব বিচাৰে নেকি?

**ড° চৌধুৰী ঃ** মই বাৰ্ত্তা দিব নিবিচাৰোঁ, কাৰণ ইয়াৰ মূল্য মই নাজানো। বৰ্তমান সময়ত অসমখনত জাতিৰ সংকট, ভাষাৰ সংকট হৈছে। অসমীয়া গানত বিশৃংখলতা আহি পৰিছে। আমাৰ অসমীয়া কৃষ্টি-সংস্কৃতি বিপন্ন হোৱাৰ লগতে মানুহৰ মাজত মৰম-চেনেহৰ ভাৱ, আন্তৰিকতা কমি গৈছে। পশ্চিমৰ সকলো অনুকৰণ ভাল নহয়। পশ্চিমত মানসিক সমস্যা বহুত বেছি। আজিৰ প্ৰজন্মই কঁকালত টঙালি বান্ধি ওলাই আহিব লাগিব। এই লাচিত, জয়াৰ দেশক সংকটৰ গৰাহৰ পৰা মুক্ত কৰি সোণৰ অসম গঢ়িব লাগিব।

**সাক্ষাৎ গ্ৰহণ কৰোঁতা ঃ** নিকুমণি দিহিঙ্গীয়া
আলোচনী বিভাগৰ সম্পাদিকা
ছাত্ৰী একতা সভা ২০১৬-১৭ বৰ্ষ
আৰু ৰাখী বৰদলৈ
আলোচনী বিভাগৰ সম্পাদিকা
ছাত্ৰী একতা সভা ২০১৭-১৮ বৰ্ষ

Scanned with OKEN Scanner

# প্ৰাক্তন ছাত্ৰীৰ শিতান

## অসমৰ থলুৱা বনৌষধিসমূহৰ উপকাৰিতা

— শিল্পীকা ৰাজগুৰু



*আমাৰ অসমখনি প্ৰকৃতিৰ ৰম্যভূমি। অসমভূমিৰ বুকু নীলাভ পাহাৰ আৰু সেউজীয়া গছ-গছনিৰে ভৰা। এই গছ-গছনিসমূহৰ কিছুমান গছ-লতাৰ গুণাৱলী অপৰিসীম। সেইবাবেই মানৱ শৰীৰৰ বাবে সঞ্জীৱনীস্বৰূপ এনে ধৰণৰ সৰু বৰ উদ্ভিদবোৰকে বনৌষধি বোলা হয়। বিভিন্ন ধৰণৰ অসুখত বনৌষধিসমূহে ক্ৰিয়া কৰি বেমাৰৰ উপশম ঘটায়। বনৌষধি হেজাৰ হেজাৰ প্ৰকাৰৰ আছে আৰু ইয়াৰ গুণাগুণো ভিন্ন। উক্ত লেখাটিত সাময়িকভাৱে মই কিছুমান বনৌষধি আৰু সিহঁতৰ গুণাগুণসমূহ উল্লেখ কৰিলোঁ।*

আমাৰ চাৰিওফালে গছ লতাৰে পৰিবেষ্টিত পৰিৱেশ টৌলৈ মন কৰিলে দেখিবলৈ পাওঁ যে সচৰাচৰ মাণিমুণি, ঢেঁকীয়া, ভেদাইলতা, মচন্দৰী, টেঙেচী, খুতৰা, কচু, ঝিলমিল, মৰিছা, কেঁহৰাজ, ব্ৰাহ্মী, দুপৰটেঙা পাত, মধুৰীৰ পাত, শেৱালী ফুলৰ পাত, দোৰোণবন, তুলসী, মহানিম, মহাভৃংগৰাজ, শুকলতি আদিৰে আমাৰ চৌপাশ আবৰি আছে। এই পাত-লতাৰে আমাৰ বহুখিনি ৰোগৰ উপশম ঘটায় আমি নিৰোগী হৈ থাকিব পাৰো। বৰ মাণিমুণি আৰু সৰু মাণিমুনি সিজাই বা কেঁচাকৈ থেতেলিয়াই ৰস খালে পেটৰ কামোৰণি, পেট বিষোৱা আদিৰ উপশম পোৱা যায়। ঢেঁকীয়াত প্ৰচুৰ আয়ডিন থাকে, ই তেজৰ বাবে আৱশ্যক। ভেদাইলতা আৰু মচন্দৰী খালে পেটৰ গেছ, শৌচ নোহোৱা, বিষ আদিৰ উপশম হয়। টেঙেচীয়ে পিত্তৰ বেমাৰ নোহোৱা কৰে। ঝিলমিল আৰু খুতৰাত প্ৰচুৰ পৰিমাণে ভিটামিন থাকে। মৰিচাও তেজৰ বাবে উপকাৰী। তেনেদৰে দুপৰটেঙাৰ পাত খুন্দি ৰসটো এমাহমান ৰাতিপুৱা খালিপেটতে খালে প্ৰস্ৰাৱৰ জ্বলা-পুৰা, খোলোচা নোহোৱা আদিবোৰ নিৰাময় হয়। মধুৰীৰ কুমলীয়া পাত আৰু শেৱালীফুলৰ কুমলীয়া পাত ভাজি খালে জ্বৰ ভাল হয়। মহানিমৰ গুণো অপৰিসীম। মহানিমৰ পাতেৰে গা ধুলে ছালৰ বেমাৰ ভাল হয়। মহানিমৰ গছ চৌপাশে ঘৰৰ চৌহদত ৰুলে বায়ু বিশুদ্ধ হয়। জ্বৰ, কাঁহ, পানীলগা, পেটৰ অসুখ আদিত মহানিম অপৰিহাৰ্য। তুলসীৰ পাত ১০/১২ খন ভালদৰে ধুই চোবাই খালে মুখৰ দুৰ্গন্ধ নাইকিয়া হয়। তুলসীৰ পাত কীটনাশক হয়। এই পাত চোবাই খোৱাৰ ফলত মুখৰ ভিতৰৰ বীজাণু মৰে ফলত মুখৰ দুৰ্গন্ধ নাইকিয়া হয়। তুলসী পাতৰ লগত অলপ মৌ মিহলাই খালে কাঁহ-কফৰ নিৰাময় হয়। তেজ পাতৰো গুণ যথেষ্ট। হৃদৰোগীসকলে তেজপাতৰ গুড়া পানীৰ সৈতে বা মৌৰ সৈতে দিনে একচামুচকৈ খালে হৃদযন্ত্ৰ শক্তিশালী হয় আৰু এই ৰোগৰ আনুসংগিক সমস্যা বিশেষকৈ বুকুৰ ঢপঢপনি আদি সুস্থ হয়। বিছাই ডাকিলে তিনি চাৰি ফুটামান নহৰু খুন্দি নাৰিকল তেলৰ সৈতে মিলাই ডকা ঠাইখিনিত লগালে শীঘ্ৰে আৰাম পায়। দহ-বাৰটা মহানিমৰ পাত খুন্দি এগিলাছ পানীৰ সৈতে সিজাই পানীখিনি ঠাণ্ডা হ'বলৈ দিব। সেই মহানিমৰ পানীৰে মুখ কুলকুলিয়ালে



দাঁতৰ বিষৰ পৰা পৰিত্ৰাণ পায়। এটা অমিতা গছৰ পাতৰ ৰসে ডেংগু ৰোগীক এদিনতে সুস্থ কৰিব পাৰে। চিকিৎসা বিজ্ঞানেও ইয়াৰ সত্যতা প্ৰমাণ কৰিছে। ১৫ টামান মধুৰী আমৰ কোমল পাত ২ গিলাচ পানীত উতলাই পানী একাপমান থাকিলে সেইখিনি মূৰত লগাই মালিচ কৰি এঘণ্টাৰ পাছত মূৰ ধুই দিব লাগে। এমাহমান এনেদৰে কৰিলে চুলিসৰা বন্ধ হয়, চুলি ঘন, কলা আৰু ২ ইঞ্চি দীঘল হয় এমাহতে। কলেৰা আৰু ডায়েৰিয়াৰ বাবে আদাৰ ৰস ৩-৪ চামুচ আৰু ডালচেনীৰ গুড়ি আধা চামুচ গৰম পানী এগিলাচত মিহলাই দিনে দুবাৰকৈ খাব লাগে। ১ চামুচ গৰম গাখীৰৰ সৰত ৫ টোপাল গোল নেমুৰ ৰস মিহলাই হাতত লৈ ভালদৰে গালত ঘঁহক। ২-৩ মিনিট ঘঁহাৰ পাছত আধা ঘণ্টা ৰাখি গৰমপানীৰে ধোৱক। এনেকৈ নিয়মিত ৩০ দিন কৰিলে মুখমণ্ডলত পৰা বয়সৰ চাপ নোহোৱা হয়। ৫০ টা কৰবি পাত ১ লিটাৰ খাটি সৰিয়হৰ তেল কাঁচৰ বটলত ভৰাই নিয়মিত লগালে বহুত সোনকালে চুলি সৰা বন্ধ নতুন চুলি গজিবলৈ আৰম্ভ কৰিব। পুনৌনৌৱা নামৰ এবিধ শাক কিডনী বিকল হোৱা, লিভাৰ বিকল হোৱা আদিত অমৃতসম কাম কৰে। জবা ফুলৰো ঔষধী গুণ অপৰিসীম। ৰঙা, বগা, হালধীয়া বিভিন্ন বৰণৰ জবা আছে আৰু সকলোৰে ঔষধী। ঘৰৰ সৌন্দৰ্য বঢ়োৱাৰ ওপৰিও ইয়াৰ কেইটামান ডাঙৰ ঔষধী গুণ আছে।

১। **চুলিসৰা ঃ** ৮-১০ টা কোমল পাত আৰু ৪-৫ টা ফুল লৈ ১০০ গ্ৰাম নাৰিকল তেলত গৰম কৰিব। ফুল আৰু পাত কলা পৰিলে নমাই ঠাণ্ডা কৰিব। পাছত চেকি লৈ বটলত ভৰাই থ'ব। দৈনিক এই তেল মূৰত ঘঁহক। অতি সোনকালে চুলিসৰা বন্ধ হ'ব।

২। **বগাস্ৰাৱ ঃ** যিসকল মহিলাৰ বগা শ্ৰাৱ যোৱা ৰোগ আছে, তেওঁলোকে দৈনিক ৰাতিপুৱা ২-৩ টা পাত চোবাই খাওক আৰু তাৰ পাছত গৰম পানী এগিলাচ খাওক।

৩। পুৰুষসকলৰ যৌন দুৰ্বলতাৰ বাবে ইয়াৰ ফুল আৰু পাত সমান মিলাই আধাকাপ ৰস উলিয়াই নিয়মিত খালে সুফল পাব।

৪। পেটৰ সমস্যাত ৪-৫ টা ফুলৰ চৰ্বত বনাই খাব।

৫। মুখৰ ঘাঁ হ'লে ৩-৪ টা পাত চোবাই চোবাই উলিয়াই দিয়ক। কমেও ৪০ বাৰ চোবাই ল'ব আৰু মুখৰ চাৰিওফালে ঘূৰাব।

৬। ৰক্তহীনতাত দৈনিক ৮-১০ টা পাত আধা লিটাৰ পানীত উতলাই পানী কমি যেতিয়া ২৫০ মি.লি. মান হ'ব তেতিয়া চাহৰ দৰে খাব। লগতে দুৰ্বলতাও নোহোৱা হ'ল শৰীৰৰ।

৭। কাঁহত ১০ গ্ৰাম গা-গছ লৈ ৪০০ গ্ৰাম পানীত গৰম কৰিব। পানী শুকাই ১৫০ গ্ৰাম হ'লে বটলত থ'ব। দৈনিক ২ চামুচ খাব।

গতিকে বনৌষধি সমূহৰ গুণ গৰিমাৰ আদি অন্ত নাই। বনৌষধি ব্যৱহাৰে আমাক সুন্দৰ, নিৰোগী, সুস্থ-সৱল শৰীৰৰ অধিকাৰী কৰি তুলিব পাৰে।

★★★★★★



*Ayurveda is a God send Medicinal Delight*



# ৰাতিবেলাৰ অৱগুণ্ঠন

— হিমাদ্ৰী ফুলকোঁৱৰ

সম্মোহন
আকুলতা নে আতুৰতা
দুৰত্বইও ঢুকি নোপোৱা এক অস্থিৰতা
যাৰ অৱশিষ্ট মাথো মৌনতা...

লহৰত নাচিব মাথো ভাৱনাৰ তানপুৰা
সুৰবোৰ যে মোৰ পথৰ সহচৰী
যেন, বিচিন্নতাৰ জয়গান গোৱা এজাক ছুনামী।

প্ৰশ্নবান নিজস্বতাৰ প্ৰতি,
চলকা সপোনৰ পৰিনতি কি?
জাগ্ৰত ৰাতিৰ বাসনা নে দুচকুৰ ভিজা অভিমান!
আশা মাথোঁ জোনৰ বোকোচাত ওলমি ৰওঁক....
সত্বাবিহীন মোৰ সত্বাৰ কাহিনী।
নামি আহক যেন থৰক বৰক এধানমানি...
পুঁৱতিৰ কাঁচিয়লী জীয়া ধল,
ধুৱাই নিয়ক যেন হিয়া ধোৱা সেই কোলাহল....



# My memories of SIVASAGAR GIRLS' COLLEGE

— Ranipriya Dutta

Reminis........is one of the significant chapter in the life of every human being. This term has influenced me too. So I thought to share some of my pleasent memorable time with you.

Sibsagar Girls College, where I took admission for B.A. Course with English as a major subject. In the first semester. I could not make a good relationship with my classmates and teachers. But after the first semester I started to develop friendship with my classmates and also started to enjoy some pleasent moment with them. In those days I also developed a good relationship with my class, teachers also. Those time with my teacher and with friends are now memorable for me and never forgetable for me. Those memories are remained heartwarming and vivid for me.

Now I want to express an incident what was taken place in my third semester something funny but actually a foolish was committed by me. I had English major and sociology or passcourse. Our sessional exam was going on. My major exam was over and sociology was to be held on the next day. Next day I reached the college at around 10:20 am to sit in the exam at 10:45 am. But surprisingly no students were there in the classroom. I started to fear and shocked, what is the matter! Then my sociology teacher saw me and asked me very eagerly,

"What happened with you ;

Why are you so late Rani?

You have not appeared in the text exam!"

Then I told my sociology mam that I have come to sit in the exam at 10:45 according to my timetable and asked her,

"Why are you saying that I have not appeared in the exam?"

Madam replied me,

"No Rani, your exam is over, other students have appeared in the exam from 9.30 to 10:15."

Later I understood that fault is mine. I should had to come at 9:30. But following my time table I

came at 10:30. My time table which was with me was wrong. The actual time was 9.30. I felt too ashamed myself. Why was I so careless that I didnot write the time correctly? Being ashamed I could not speak anything to my madam and suddenly came out tears in my eyes. Understanding my mental condition my madam had shown sympathy to me and said, "Donot cry Rani, it's ok, I can help you, stop crying, I can help you. But you have to go through my advice. If you will submit an assignment with good standard. Then I can safe you from the loss, you would bear for absent in the exam."

Without wasting my time I requested her, "Please Madam I am ready to do whatever assignment you are going to give me." Then she assured me to give a simple assignment and told me to submit it within three days.

Having assurance from my madam I felt relax and expressed my gratitude to her. Though she had shown sympathy to me, she also warned, "If it is your final exam and you came late than what happened to you." She also adviced me to be carefull in future." That day I have learned a good lesson for my future life. Since then I never did any such mistake again till today.

Really, I miss my college days, my teachers as well as my friends and espicially the college library where I usually went to read the books, novels, newspaper, magazine etc and gained everyday some good knowledge from it. I just wish to get it back, my friends, bunking class, going for reading some novels which are out of my syllabus. Really, I am missing those days very much....

Thanks to all of you who gave me an opportunity to share my college memories with you. And also my teachers who trained me to develop my abilities as well as my career.

★★★★★★



# ৯ বজাৰ লগে লগেই ভিৰ হৈ পৰিছে দ'লমুখ চাৰিআলি

—শতাব্দী শিখা কোঁচ

৯ টা বজাৰ লগে - লগেই ভিৰ হৈ পৰিছে দ'লমুখ চাৰিআলি...
ৰঙীন ছাতিৰ তলত ৰঙীন সপোনবোৰে পাৰ ভাঙি ভৰি দিছে
গাৰ্লছ কলেজৰ গেটৰ সন্মুখত........
কোনোবা কেইজনী ১৫ নং ৰুমত আৰু
কোনোবা কেইজনী ৭ নং ৰুমত....আৰু
কোনোবা কেইজনী দুখোজ আগুৱাই আহি
১৫ নং ৰুমৰ কাষৰ চিৰিৰে ওপৰলৈ যাব,
১৮ নং ৰুমলৈ.......
হয় মই সিহঁতৰ কথাকে ক'ব খুজিছো....অহ্....
সেইকেইজনী ..........সেইকেইজনী সেউজী পখিলীয়ে আওৱায়
সমস্ত বিশ্বৰ কথা.......
Terestial Celestial ৰ পৰা আৰম্ভ কৰি
Toposheet Transact Chart,
Hyspomatric Bathymatric আৰু
অৱশেষত Cartography ৰ Cos tan sin map
Projection ৰে শেষ কৰে তিনিটা বসন্ত...।
সিহঁতৰ মস্তকী ভূগোল
পৃথিৱীৰ ভূগোলেৰে আবৃত্ত.......
সিহঁত বোৰেই Junior Geographer
Girls' College ৰ ছোৱালী.......।।
মাউত ছাৰৰ নানাটা নীতি কথা,
কেতিয়াও জানি শেষ নোহোৱা,
কৈ শেষ নোহোৱা কথাৰে আৰম্ভ হয়।



তিনিবছৰীয়া দিনবোৰে......
সঞ্চয় ছাৰৰ কেতিয়াও শেষ নোহোৱা
চেষ্টাৰৰ শেষ চেষ্টাৰবোৰ....
আৰু মেম... মেম চোন ৰূপে গুণে ভৰা,
ডিপাৰ্টমেন্টৰ অন্য এক Extra ভূগোল....
এয়াই গাৰ্লচ কলেজৰ ভূগোল বিভাগৰ
Toposheet গোলক আৰু মানচিত্ৰ.....
In simply properties of the department.

এতিয়া আহিছোঁ
department ত উৰি ফুৰা
পখিলাবোৰৰ কথালৈ...
ক্ষন্তেক সময় নিৰৱ..."ক্লাছ চলি আছে।"
সমুখত মেম / ছাৰ বহি আছে....।
এটা বেল পৰিছেচোন.....
নাই...মেম/ ছাৰে লিখায়েই আছে, বুজায়ে আছে...
শেষ হ'ব এতিয়া মেম/ছাৰৰ
লিখনি/ বুজনি
আৰম্ভ হ'ব পখিলাৰ কাহিনী....
পখিলাবোৰৰ কাহিনী আৰম্ভ হৈছে
জুৰিটিৰ দৰে....
ভিতৰত এবুকু জলন্ত কবিতাৰ স্ফুলিংগ.
মুখত চিৰাচৰিত হাঁহিটি
আৰম্ভ হৈছে কেতিয়াও শেষ
নোহোৱা কাহিনী...।
কেতিয়াও শেষ নোহোৱা ধেমালি...।
2nd gate ৰ কৃষ্ণচূড়া জোপাৰ
তলতো হাঁহি....।।
হাঁহিবোৰে উৰি ফুৰিছে ডিপাৰ্টমেন্টত।
আজি কোনোবাজনীয়ে টিফিন আনিছে....
Sheare কৰাটো কৰিব সেইটো চেন্ট % চিঅ'ৰ...
কিন্তু কোনে পায় কোনে নাপায়,
ঠিক নাই....
কাৰণ যিয়ে বেছি জোৰেৰে
দৌৰি আহি থপিয়াই খাব,

সিয়েই বেছি পাব...।
ভোক - ভাগৰ অলপ পাতলিছে,
প্ৰেকটিকেল বোৰ চোন
এতিয়াও বাকী...
উৰি গ'ল ৰুমটোৰ শেষত থকা
টেবুলখনৰ দিশে....
দিনটোৰ নিৰ্ধাৰিত সময় শেষ
হৈ আহিছে...
অথচ শেষ হোৱা নাই,
প্ৰেকটিকেল আৰু কথা....,
প্ৰেকটিকেলো শেষ হৈ আহিছে,
কথাবোৰ এতিয়াও শেষ হোৱা নাই...
বৰপুখুৰীৰ পাৰৰ বতাহজাক চোন
এবাৰ নোৱাৰা হৈ পৰিছে....
অথচ সময়বোৰ শেষ নিশাৰ
দৰেই ঘন, চুটি, আৰু গহীন....
বৰপুখুৰীৰ পাৰত Department ৰ
নিৰ্লজ্জ আড্ডাবোৰ শেষ হৈ
যাব এতিয়া....
আৰু এবাৰ নোৱাৰা
সম্পৰ্কবোৰ...?? এটা এটা
ডাঙৰ প্ৰশ্নবোধক
সম্পৰ্কবোৰৰ কাৰণে।
একেলগে পঢ়া, একেলগে থকা
একেলগে খোৱাৰ সপোন দেখিয়েই
শেষ হ'বচোন
সিহঁতৰ বৰপুখুৰী পাৰৰ
সেউজীয়া কাহিনীবোৰ...
সপোন সন্ধানী কাজলসনা
সেউজী গাভৰুবোৰ যে
সেউজীয়া সপোনৰ পম খেদি
গুচি যাব কোনোবা সেউজী
বাটৰ দিশে,
থাকি যাব ১৮ নং ৰুমত হাঁহিৰ
টুকুৰাবোৰ...

আধা লিখা কাহিনীবোৰ...
আধা লিখা সপোনবোৰ...
জীয়া স্মৃতিবোৰ...
হুমমম.........
এতিয়া তিনিবছৰীয়া অলপীয়া কাহিনী কৈ ভাগৰ লগাৰ পৰত...
অৱশেষত ডায়েৰীত
নীলা কলমৰ চিঞাহীৰে লেখা..
"তোমাক আজীৱন নাপাহৰাৰ প্ৰতিশ্ৰুতিৰে...।।"
"আকৌ লগ পাম"
প্ৰান্তত Girls College ৰ
কোনোবা এজনী সেউজী পখিলা।
হয়, আমিবোৰেই Girls' College ৰ
সেউজী পখিলা

Junior Geographer
১৮ নং ৰুমৰ আধৰুৱা কাহিনীকাৰ
"ভূগোলৰ ছাত্ৰী"

★★★★★★



# ৰক্তাক্ত অস্তিত্ব

— অন্বেষা ৰাজকুমাৰী

"ৰঙা বৰ সুন্দৰ.... পৃথিৱীৰ সকলো সুন্দৰ বস্তুৰ স্পৰ্শ আমি পৃথিৱীত থকা প্ৰাণীবোৰে পোৱা উচিত। পুৱাৰ বেলিটো ৰঙা, ৰঙা ফাগুন, পলাশ ৰঙা, কৃষ্ণচূড়া ৰঙা, মেহেন্দী ৰঙা আমাৰ তেজ ৰঙা। ৰঙাৰ বৈচিত্ৰ্য অন্তহীন, ৰঙা উষ্ণ। ৰঙা তীব্ৰ উত্তেজক বৰ্ণ। শীতল ৰংতকৈ উষ্ণ ৰং মধুৰ। ৰঙা সদায় বাঢ়ি আহে।" অৰুণাভে মোক অনৰ্গল 'ৰঙাৰ কথা কোৱাবোৰ আজি মনত পৰিছে। সঁচাকৈ 'ৰঙা'। সাধাৰণভাৱে চাবলৈ গ'লে এটা ৰং হৈয়ে বহন কৰিছে বহু অস্তিত্ব। তথাপি সি বাৰু জানেনে এগৰাকী নাৰীৰ বাবে এই 'ৰঙা'ৰ অস্তিত্ব কিমান? হয়তো ময়ো নাজানো এতিয়া ভাবিছো ...... 'ৰঙা'ৰ অস্তিত্বৰ কথা, ৰঙাৰ শক্তিৰ কথা নৱনীতা বাইদেউৱে মোৰ চকুৰ আগত দাঙি ধৰিছিল। 'ৰঙা'ৰ অস্তিত্ব, শক্তিৰ সেই ডাঠ আৱৰণখন ...... সেয়ে ক'ব নোৱাৰাকৈ ময়ো গাত সানি লৈছিলো ...... তাকেই ......



বহু বছৰ ধৰি তেওঁক একেটা ৰূপতেই দেখি আহিছিলো .... একেই কোমল ৰাতিপুৱাত দীঘল ওৰণিৰে তুলসীৰ তলত এমুঠি ধূপ জ্বলিছিল তেওঁৰ হাতেৰে.......তাৰ চিনাকি গোন্ধেৰে আমাৰ ঘৰখনো আমোলমোলাই তুলিছিল ....... তেতিয়াৰ পৰাই তেওঁ একোডাল দীঘল সৰলৰেখা টানি লৈছিল ..... 'ৰঙা' কৰি উকা কপালখন। সৰুৰে পৰাই তেওঁ মোক মৰম কৰিছিল ..... ধেমালি কৰিছিল .... হাঁহিছিল.... পিছে লাহে লাহে মন কৰিছিলো ..... তেওঁৰ হাঁহিৰ শুষ্কতা...... পানীৰ অভাৱত মৰহি যোৱা শুকান গছৰ দৰে। তেওঁৰ আছিল এখন নিয়াৰিকৈ সজোৱা ঘৰ, কাপোৰ-কানি সকলো ... পিছে তাৰ মাজতো আৰু এটি উকা উকা ভাব, নিৰস এখন হৃদয়........ মই ডাঙৰ হৈ আহিছিলো .... বহু কথা লাহে লাহে বুজিবলৈ, শিকিবলৈ লৈছিলো..... সেয়ে আনে নাভাবিলেও অনবৰতে খুন্দা মাৰিবলৈ ধৰিছিল .... মোৰ মনলৈ অগা-দেৱা কৰা বহু প্ৰশ্ন ...... তাৰেই উত্তৰ বিচাৰি এদিন বাধ্য হৈ সুধিছিলো ...... উকা ঘৰখনত কাৰ নামৰ সেই সেন্দুৰ, কাৰ সেই অস্তিত্ব ....... উত্তৰত তেওঁ মোক উভতাই দিছিল, নিৰৱতা আৰু চকুৰ পানীৰ সংমিশ্ৰণ .... মোৰ খঙে চুলিৰ আগ পাইছিলগৈ। কিয় সেন্দুৰৰ দৰে পৱিত্ৰ বস্তুৰ লগত এই ল'ৰা ধেমালি? সেইদিনটো হয়তু মোৰ জীৱনৰ আটাইতকৈ কষ্টদায়ক দিন আছিল। অনুতপ্ত আছিলো

আৰু আজিও আছে। তাৰ প্ৰতিটো মুহূৰ্ত্তই আজিও মোক শূল হৈ বিন্ধে। সমাজৰ প্ৰতি বেথা জন্মে। কিছুমান মানুহৰ প্ৰতি ঘৃণা জন্মে, উহ! সেই দিনটো যিদিনা বাইদেউৱে বুকুৰ সমস্ত বিষাদেৰে চিঞৰি কান্দিছিল। তেওঁৰ চকুত স্পষ্ট হৈ চকুৰ পানীৰ স'তে মিহলি হৈ আছিল সমাজৰ প্ৰতি সমস্ত ক্ষোভ আৰু ইমান দিনৰ মোৰ সাথঁৰৰ সমাধান ওলাইছিল।

"তই অ'ত দিনৰ পৰা জানিব বিচাৰিছিলি নহয়, এই সেন্দুৰৰ অস্তিত্ব কি? কোন এই সেন্দুৰৰ গৰাকী, ক'ত তেওঁ? গতিকে শুন .....

"মোৰ এই সেন্দুৰৰ গৰাকী কেতিয়াবাই এই পৃথিৱীৰ পৰা আতঁৰি গৈছে। প্ৰকৃততে মই এগৰাকী বিধৱা....তথাপি মই জীয়াই আছো আৰু মই জীয়াই থাকিব বিচাৰো। এই মিছা সেন্দুৰৰ বলতে। কাৰণ এই সমাজে এগৰাকী বিধৱাক যিটো দুৰ্বলতাৰে চাই আন কাকো সেই হীনতাৰে নাচায় ......লাগিলে, তেওঁ ডিৰ্ভচীয়েই কিয় নহওক ...... তথাপিও তেওঁৰ শিৰত সেন্দুৰ থাকে, তেওঁৰ স্বামী জীয়াই থাকে, এই সমাজত বিধবা হৈ জীয়াই থকাৰ সমান কঠিন কাম নাই, গতিকে এই সেন্দুৰে অ'ত বছৰে মোক সুস্থ সবল ৰূপত জীয়াই ৰাখিছে... এগৰাকী বিধৱাই যিমানবোৰ প্ৰশ্নৰ প্ৰত্যাহ্বানৰ সন্মুখীন হয় মোৰ স্বামী নাথাকিলেও এই মিছা সেন্দুৰৰ বলত মই এতিয়ালৈকে তাৰ সন্মুখীন হ'ব লগা হোৱা নাই। সমাজৰ চকুত মই 'ডিৰ্ভচী' তথাপি মই বিধবা নহয়। তথাপি আজিও মই বিচাৰো, ভগৱানক সদায় তেওঁ যেন হঠাতে এটা চমৎকাৰ কৰক, মোৰ স্বামীক মোক ঘূৰাই দিয়ক আৰু এসোঁতা সেন্দুৰ মোৰ কপালত আঁকি দিয়ক সকলোৰে দেখাকৈ।"



মোৰ বুকুখন ইতিমধ্যে বিষাই উঠিছিল। তাৰ পিছত কথাবোৰ মোৰ কাণত নুসুমাইছিল। কেতিয়া ঘৰত সোমাইছিলো গমেই নাপালো। কেৱল মোৰ চকুত লাগি ধৰিছিল ৰঙা ৰঙটো। ক'ব নোৱাৰাকৈ মই গৈ আয়নাৰ ওচৰত পালোগৈ, মাৰ মাতত উচ্প খাই উঠিলো। দেখিলো মোৰ দুয়োখন হাত সেন্দুৰেৰে ৰাঙলী হৈ উঠিল।

******



# ঘৰ... হেঁপাহৰ ঘৰ...

— ড° লিপি ফুকন

(১)

The ache for home lives in all of us. The safe place where we can go as we are and not to be questioned. - Maya Angelou.

ঘৰ এখনৰ বাবেই কাতৰ হৈ ঘূৰি ফুৰে সকলো। সপোন দেখে নিৰাপত্তাৰে পৰিবেষ্টিত হোৱাৰ; নিজৰ সকলো শংকা, সংশয় ক'ৰবাত এৰি থৈ সেই নিৰাপদ আশ্ৰয়ত নিজক সংৰোপিত কৰাৰ। জীৱনে যিমানেই সমস্যাৰে উপচাই নিদিয়ক মানুহক, ঘূৰি ঘূৰি মানুহ কিন্তু আপোন ঘৰখনলৈকে আহে। সকলো কামৰে মূল যে ঘৰখনেই। আত্মাৰ বান্ধোন জড়িত হৈ থাকে ঘৰখনৰ লগত। স্মৃতি থাকে অনেক। আশাৰ দুৱাৰ মুকলি হয় ঘৰখনতে। নিজক এটা বিশেষ পৰিচয় প্ৰদান কৰাৰ; নিজক এটা বিশেষ মানসিকতাৰে গঢ় দিয়াৰ সুবিধা দিয়ে ঘৰখনেই। চকু মেলিলেই চৌপাশে দেখা যায় কিছু আপোন মানুহ, কিছু চিনাকি আচবাব। এই সকলোবোৰে মানুহক প্ৰদান কৰে জীয়াই থকাৰ আগ্ৰহ। ঘৰ এখন থাকে বাবেই মানুহবোৰ আশ্বস্ত হয় ধুমুহাৰ সময়ত। ঘৰ এখন থাকে বাবেই নিজক নিৰাপদে সামৰি ৰাখিব পাৰে দুৰ্যোগৰ সময়ত। ঘৰ এখন থাকে বাবেই মনৰ হাঁহাকাৰ সামৰি, পৰাজয়ৰ গ্লানি সামৰি মানুহবোৰ সাহসী হয়। মুখামুখি হয় নিজানত নিজৰ স'তে, সেই ঘৰৰ ভিতৰত। আচলতে ঘৰ এখন থাকে বাবেই মানুহবোৰ নিজৰ স'তে বান্ধ খাই থাকে অহৰহ।



(২)

কিমান ঘৰ উটি গ'ল বিগত বছৰবোৰত, প্ৰতিটো প্ৰাকৃতিক দুৰ্যোগৰ সময়ত; প্ৰলংয়কাৰী বানে কিমানৰ পৰা কাঢ়ি নিলে আপোন ঘৰখন- তাৰ কোনো হিচাপ নাই। কোনেও সঠিককৈ নাজানে, পৃথিৱীৰ কিমান প্ৰান্তত কিমান ঘৰ উটি গ'ল বানত; ভাগি গ'ল ধুমুহাত! ভূমিকম্প, ছুনামি, টাইফুন, হাৰিকেন যি নামেৰেই কোৱা নহওঁক কিয়, সকলোবোৰে কিন্তু মানুহৰ পৰা কাঢ়ি নিলে তেওঁলোকৰ ঘৰ। ঠিক একেধৰণৰ এটা ভেঁটি লৈ, একেধৰণৰ এটা বিল্ডিং সাজিলেই পুৰণি ঘৰখন বাৰু ঘূৰাই পায়নে মানুহবোৰে? জীৱনৰ এটা এটা মুহূৰ্তৰ স্মৃতি সামৰি ৰখা ঘৰখন সলনি হৈ যোৱাৰ পাছত কি লৈ জীয়াই থাকে মানুহ? মৰমৰ কুকুৰটো, গৰু-ছাগলীকেইটা চকুৰ আগতে উটি যোৱাৰ পাছত সেই জীৱকেইটাৰ মায়াসনা চকুকেইটাই খেদি নুফুৰেনে মানুহবোৰক? নতুন ঘৰখন আকৌ আগৰ দৰে হৈ উঠেনে সঁচাকৈয়ে? ক'ৰবাত পঢ়িছিলো- "The house is not a home". অসমীয়াত House আৰু Home দুয়োটা শব্দৰে প্ৰতিশব্দ যদিও 'ঘৰ'— তথাপি ইংৰাজীৰ শব্দ দুটাৰ তাৎপৰ্য বুজি ভাবিবলৈ মন যায়- ধুমুহাত হেৰাই যোৱা ঘৰখন, বানপানীত উটি যোৱা ঘৰখন আকৌ 'ঘৰ' হৈ উঠেনে বাৰু? আৰু কেতিয়াবা যে 'ঘৰ' এখন থকাৰ পাছতো মানুহে হেৰুৱায় সুখ আৰু শান্তি- তেতিয়াই চাগে প্ৰকৃত ঘৰখন হেৰায়। পৰিয়ালৰ মানুহবোৰৰ মাজত আত্মীয়তা, আন্তৰিকতা নাথাকিলে অট্টালিকাত থাকিও 'ঘৰ' এখনৰ বাবে আকুল হয় মানুহ।

'ঘৰ'ৰ আঁত ধৰি অনেক চিন্তাই খুন্দিয়াই থাকে মনত। আচলতে ঘৰৰ নামত এটা দালানৰ বাবে কোনো কাতৰ নহয়। কাতৰ হয় 'ঘৰ' নামৰ সেই ধাৰণাটোৰ প্ৰতিহে— য'ত নিৰাপত্তা থাকে, ভালপোৱা থাকে, থাকে আশ্বাস আৰু সমমমিতা। ঘৰ এখনতহে আচলতে এজনৰ দুখৰ স'তে আন বহুজন একাত্ম হ'ব পাৰে। এজনৰ অসুখত শিতানত সাৰে থাকিব পাৰে আন বহুজন। আচলতে বিশ্বাসেৰে যি ঠাইত খুলি থ'ব পাৰি নিজৰ মনৰ পৰা সকলো সংশয়ৰ আৱৰণ, যি ঠাইত নিজকে নিজৰ প্ৰকৃত সত্তাটোৰ স'তে আৱিষ্কাৰ কৰিব পাৰি, সেয়াই চাগে ঘৰ। সেইবাবেই কোৱা হয় চাগে- Home is where your heart is. হৃদয় য'ত আছে সেয়াই 'ঘৰ'। য'ত হৃদয় আশ্বস্ত হয়, সেয়াই 'ঘৰ'।

ৰীতা চৌধুৰীৰ 'মহাজীৱনৰ আধাৰশিলা'ত মণিময়ে যে কৈছিল- 'ঘৰ তেজত নাই, ঘৰ সোণত নাই, ঘৰ চাবুকত নাই। ঘৰ ইয়াত- বুকুৰ ভিতৰত।' সঁচাকৈয়ে ঘৰ চাগে বুকুৰ ভিতৰতে থাকে। ঘৰ চাগে এক 'ধাৰণা'। 'ঘৰ' কেতিয়াও এটা দালান নহয়, নহয় ইকৰাৰ পঁজাটিও। 'ঘৰ' আচলতে মূৰ্ত কিবা এটা কেতিয়াও নহয়, ই Abstract কিবা এটাহে। ই Concrete একো নহয়। 'ঘৰ'ৰ ধাৰণাটো চাগে এক মানসিক অৱস্থা। মানুহৰ বাবে ঘৰখন চাগে বুকুৰ মাজৰ প্ৰিয়তম এক ধাৰণা, এক আৱেগ- যাৰ আঁত ধৰি আৰম্ভ হয় সকলো। মৰম, আন্তৰিকতা, ভালপোৱা অথবা বিশ্বাস।

(৩)

Perhaps, home is not a place. But simply an irrevocable condition. -- James Baldwin

'খামখা' নামৰ হিন্দী চুটি ছবিখনৰ নায়িকাই এটা শব্দৰ স'তে পৰিচয় কৰাই দিয়ে দৰ্শকক। ৱেলছ (Welsh) ভাষাৰ এটা শব্দ- হিৰেদ (Hiraeth)। যাৰ অৰ্থ- 'সেইখন ঘৰলৈ মনত পৰা, যিখন ঘৰ কেতিয়াও নাছিলেই।' এক মুহূৰ্তৰ বাবে ভাৱত উটি যাব পাৰি শব্দটোৰ অৰ্থ অনুধাৱন কৰি। হয়তো এনেকুৱাও হয়। কেতিয়াবা চাগে মানুহে এনে এখন ঘৰৰ বাবে আগ্ৰহ পুহি ৰাখে মনত, যিখন ঘৰ বাস্তৱত ক'তোৱেই নাই। অথচ সেইখন ঘৰলৈ যোৱাৰ কথা ভাবি মানুহ আস্বস্ত হয়। অনুভৱ কৰে এক প্ৰকাৰৰ সুখ।

Wordsworth ৰ The Lake Isle of Innisfree ৰ যিখন ঘৰৰ বাবে বক্তা ব্যাকুল হয়, সেইখন ঘৰ তেওঁৰ অতি হেঁপাহৰ। নিজ ইচ্ছাৰে, নিজৰ পছন্দমতে ঘৰ এখন সাজি ল'ব বিচাৰে তেওঁ তাত। বুকুৰ মাজত শুনি থাকে Innisfree ৰ হ্ৰদটোৰ পানীৰ শব্দ। এই স্মৃতিকাতৰতায়ো বক্তাৰ হেঁপাহৰ ঘৰ এখনলৈ থকা দুৰ্বাৰ আগ্ৰহকেই স্পষ্ট কৰি দেখুৱায়। ভাললগা ধৰণে সজাই লোৱা হেঁপাহৰ ঘৰ এখনৰ ছবি মানুহে অহৰহ কঢ়িয়াই ফুৰে মনৰ মাজত। আৰু তাৰ ঠিক সমান্তৰালভাৱে মানুহে কেতিয়াবা অস্থায়ী ঠিকনা এটাতো সাজি লয় এখন ঘৰ। কিছুদিন থাকিবলৈ লোৱা কোঠা এটাকো আন্তৰিকতাৰে সজাই লয়। সেয়ে চাগে শিক্ষা সামৰি হোষ্টেল এৰি আপোন ঘৰখনলৈ ঘূৰি অহাৰ সময়তো মানুহবোৰ সুখী হ'ব নোৱাৰে। অস্থায়ীভাৱে হোষ্টেলৰ কোঠাত গঢ়ি লোৱা ঘৰখনে ঘূৰি আহোঁতে সেমেকাই দিয়ে সকলোৰে চকু। এটা কোঠাৰ আঁত ধৰি মানুহবোৰ যে আত্মীয় হৈ উঠে কাষৰ কোঠাৰ বাসিন্দাসকল; হোষ্টেলৰ পাকঘৰৰ ষ্টাফটো, আগে পিছে দৌৰি ফুৰা কুকুৰ কেইটা- ঘৰ এখন তেতিয়াই গঢ় লয় তেওঁলোকৰ বাবে। সময় যোৱাৰ লগে লগে এনে বহু ঘৰে বুকুৰ মাজত স্থান অধিকাৰ কৰে। বাঢ়ি যায় স্মৃতিকাতৰতা। আৰু



তেতিয়াই চাগে ক'তো কেতিয়াও নথকা কল্পনাৰ ঘৰ এখনৰ ছবিয়ে ঠাই পায় মানুহৰ মনত। Welsh ভাষাৰ সেই শব্দটোৰ তাৎপৰ্য বাঢ়ে। বাস্তৱত অস্তিত্ব নথকা ঘৰ এখনৰ বাবে স্মৃতিকাতৰতা বাঢ়ে।

(৪)

Home is the place, where when you have to go there, they have to take you in.-- Robert Forst.

'ঘৰ' ধাৰণাটো মনলৈ আহিলে একান্তই ব্যক্তিগত কথা কিছুমানে দোলা দি যায় মনৰ মাজত। শৈশৱ কৈশোৰৰ স্মৃতি থকা জয়ানগৰৰ ঘৰখনৰ পৰা, হোষ্টেল, ভাড়াঘৰৰ বুকুলৈকে বিয়পি যায় এই 'ঘৰ'ৰ ধাৰণা। নপামৰ বুকুত ধনশিৰী উইমেনচ হোষ্টেলৰ ১০২ নং কোঠাত থকা ঘৰখন; পাচেৰী বড়ীৰ Flavor P.G ৰ বুকুত এৰি অহা ঘৰখন, বৈশালীৰ খাটিপুৰাৰ 'শিৱম পেৰেডাইজ'ৰ ঘৰখন; সোণাৰিৰ ঘৰখন, মগলৌৰ ঘৰখন, মাত্ৰ কিছুদিন পাৰ কৰা 'প্ৰগতি মেনৰ'ৰ ঘৰখন। সকলোবোৰ দেখোন ঘৰেই। কাৰোবাৰ হেঁপাহ আন্তৰিকতাৰ বাবে; আমি বিচাৰি পোৱা নিৰাপত্তাৰ বাবেই ঘৰবোৰ ঘৰ। দূৰৈৰ ঠাই এখনতো যেতিয়া মৰমৰ এষাৰ মাত শুনা যায়, যেতিয়া বেলেগ ভাষাত কথা পতা মানুহবোৰেও তেওঁলোকৰ ভাষাৰ আটাইতকৈ মৰমৰ মাতষাৰেৰে মাতিবলৈ আৰম্ভ কৰে; যেতিয়া মা-দেউতাৰ দৰে, ভাইহঁতৰ দৰে কোনোবাই মৰম, নিৰাপত্তাৰে আবৰি ৰাখে, তেতিয়াই ঘৰ এখন গঢ় লৈ উঠে চাগে সেই ঠাইত। মাজনী, জানজনী, বিটিয়া, গুৰিয়া, বা, দিদি সকলো শব্দকে সামৰি লৈ ঘৰ একোখন স্থায়ী হয় বুকুৰ মাজত। যদিও অস্থায়ী ঘৰবোৰ এৰিবলৈ মানুহ বাধ্য; যদিও চিৰদিন থাকি যাব নোৱাৰি কিছুমান ঘৰত— অথচ সেই ঘৰবোৰলৈ ঘূৰি যোৱাৰ এক বাসনা নিৰন্তৰ জাগি থাকে মনৰ মাজত। কায়িকভাৱে ঘৰবোৰৰ পৰা আঁতৰি থাকিলেও হৃদয় সংপৃক্ত হৈ থাকে সেই ঘৰবোৰৰ সৈতে। আৰু কেতিয়াবা ক'ৰবাত থাকি 'ঘৰ' এখনৰ অভাৱ অনুভৱ কৰিলেই প্ৰিয় সেই ঘৰবোৰলৈ গুচি যাব খোজে মানুহ। নিৰাপত্তাহীনতা অথবা প্ৰেমহীনতাত ভুগি, ঘৰৰ অভাৱ হ'লে মানুহ যলৈ গুচি যাব খোজে সেয়াই যে ঘৰ (Home's where you go when you run out of homes- John le Carré)। 'ঘৰ' চিৰকাল বুকুৰ মাজৰ এক বিমূৰ্ত ধাৰণা।

★★★★★★





ন-পানীত জাক পাতি ঘুৰি ফুৰা ডৰিকনা মাছৰ এটাত দলি চপৰা এটা পেলাই দিলে সমদলটো আৰু পানীখিনিত যেনেকুৱাকৈ খলকনি এটাৰ সৃষ্টি হয়, ঠিক তেনেকুৱাকৈয়ে নিজৰ মাজতে মচগুল হৈ থকা গাঁওখনত খলকনি এটাৰ সৃষ্টি হ'ল। গাঁৱত তেল খাদ বহিব। গাঁৱৰ পাছফালে থকা পথাৰখনতে তেল খাদ বহিব। তাত বোলে তেলৰ পুং আছে। সঁচাকৈয়ে ছমাহমানৰ পাছত গাঁৱৰ প্ৰধান বাটটো তেল কোম্পানীৰ গাড়ীৰে গিজগিজাই উঠিল। প্ৰধান বাট মানে বাৰিষাৰ দিনত ঠায়ে ঠায়ে একাঁঠু বোকা হয়। তেল কোম্পানীৰ কাম-কাজ আৰম্ভ হোৱাৰ লগে লগে আলিটোৱে শিলগুটিৰ মুখ দেখিলে। প্ৰথমবাৰৰ বাবে আলিটোৱে বাৰিষালৈ বুকু ফিন্দাই বাট চাই ৰ'ল। আলিৰ মেৰামতিৰ নামত প্ৰতিবছৰেই দ হৈ গৈ থকা কাযৰ খালবোৰ পুতি পেলোৱাৰ ফলত আলিটো বহলো হ'ল। একেলগে দুখন ঠেলা পাৰ হ'ব নোৱাৰা বাটটোত এতিয়া দুখন ট্ৰাক পাৰ হ'ব পৰা হ'ল। তেল খাদৰ বাবে মাটি প্ৰয়োজন হোৱাৰ বাবে বাটটোৰ লগতে মানুহ দুঘৰমানৰো উন্নতি হ'ল। সৰু সৰু দোকান দুখনমানো গঢ় লৈ উঠিল। মুঠতে গোটেই গাঁওখন চঞ্চল হৈ উঠিল।

# যেতিয়া এৰাবাটে কান্দে

—মাধুৰীমা ঘৰফলীয়া

লগতে চঞ্চল হৈ উঠিল আন এগৰাকীও! সময়ৰ লগে লগে জঠৰ হৈ পৰা বেঙীপেহী। বেঙী পেহীৰ পোছাকী নাম এটাও আছিল; কিন্তু মানুহজনীৰ কাম-কাজ আৰু কথা বতৰাই যিটো চিনাকী দিয়ে সেই চিনাকীটোৱেই এসময়ত পোছাকী নামটো গিলি পেলালে। তাই ভালপাই নে বেয়া পাই সেইটো কোনেও গুৰুত্ব নিদিলে।

মাকজনী জীয়াই থকালৈকে বেঙীপেহীৰ অলপমান গুৰুত্ব আছিল। মাকে আক-তাক খাটনিও ধৰিছিল তাইৰ বাবে দৰা এটা চাবলৈ। কোনোবাই কোনোবাই দেখুৱাইছিললোঁ হেনো; কিন্তু ছোৱালী চাবলৈ অহা মানুহৰ আগত যদি এলাণ্ডুকলীয়া কঁথা এখন মুৰে-কাণে লৈ ছোৱালীয়ে দেখা দিয়ে কোনেনো পচন্দ কৰিব। বেঙীপেহীৰ লগৰীয়াবোৰৰ ল'ৰা-ছোৱালীয়েই যেতিয়া হাইস্কুল পালেগৈ মাকেও তাইৰ বাবে দৰা বিচাৰিবলৈ এৰি দিলে। মাক ঢুকাল। লগে লগে বেঙীপেহীৰ খবৰ লোৱা একমাত্ৰ প্ৰাণীটো শেষ হৈ গ'ল।

এনে নহয় যে ঘৰৰ বাকীবোৰ মানুহ বা গাঁৱৰ মানুহে বেঙীপেহীৰ খবৰ-খাতি নলয়। লয়, যেতিয়াই কাৰোবাৰ ঘৰত বিয়া-সকাম পাতে, তেতিয়াই বেঙীপেহীৰ আদৰ বাঢ়ে । তাই মানুহজনী বেঙী হ'লে কি হ'ব কাম- বনত বিৰাট পাকৈত। পিছে বেঙীপেহীও জানো কম, তাইৰ মন গলে এখন বিয়াৰ কাম অকলেই কৰিব মন নগ'লে

কুটা এগজো ইফাল - সিফাল কৰি নিদিয়ে। মুখ ফুলাই ঘৰতে বহি থাকিব। বেঙীপেহীক জোকাই লোৱাৰ সাহসো কাৰো নাই, কাৰণ মুখন তেনেই জুই দিলেও নোপোৰা মুখ। সেইখন মুখৰে কাৰোবাৰ বাবে গালি - শপনি ওলালে হৈছে আৰু ত্ৰিভুৱন দেখি যায়।

তেল খাদ বহিল। অচিনাকী মানুহেৰে গাঁওখন ভৰি পৰিল। তাঁত-শালত মাকো চলাই বেঙীপেহীয়ে বাটেদি অহা-যোৱা কৰা মানুহবোৰো চাই থাকে। চিনাকী কাৰোবাক দেখিলে কথা পাতে। কেতিয়াবা গাড়ীৰ চিঞৰ-বাখৰ শুনি অতিষ্ঠ হ'লে গোৱাল গালিও পাৰে। তেনেতে এদিন বেঙীপেহীহঁতৰ পদুলিৰ নঙলা খুলি ডেকা এজন সোমাই আহিল।

পানী এগিলাচ খুৱাব নেকি?

ফুলৰ কাঠীৰ সৈতে ব্যস্ত হৈ থকা বেঙীপেহীয়ে মূৰ তুলি চালে। ডেকাজনে মিচিকিয়াই হাঁহি এটা মাৰিলে। পেহীয়ে হাঁহো-নাহাঁহোকৈ হাঁহি এটা মাৰি পানী এগিলাচ আনি দিলে। পুনৰ হাঁহি এটা মাৰি ডেকাজন গুছি গ'ল। পিছদিনা আকৌ ডেকাজন আহিল। তেওঁ কিবা এটা কোৱাৰ আগতেই পেহীয়ে পানীৰ ঘটী এটা আনি দিলে। তাৰ পিছদিনাও! এটা সময়ত পেহীয়ে পানীৰ ঘটী এটা তাঁতশালৰ কাষতে থৈ দিবলৈ ধৰিলে।

-কি অ'ভনী আজিকালি বৰকৈ পিয়াহ লাগে নেকি?

তাঁতশালৰ কাষত থৈ দিয়া ঘটীটো দেখি সৰুবৌয়েকে এদিন সুধিলে।

-নাই বৌ, পিয়াহ মোৰ নালাগে নহয়, বেলেগৰহে লাগে।

- বেলেগৰ মানে?

বেঙীপেহীয়ে পানী বিচৰা ডেকাজনৰ কথা বৌয়েকৰ আগত ক'লে। বৌয়েকে মন দি কথাবোৰ শুনিলে।

-মই কিন্তু কথাবোৰত বেলেগ গোন্ধ পাইছোঁ ভনী! সি কিজানি তোক পচন্দ কৰিছে! নহ'লেনো সদায় সদায় পানী বিচাৰি আহেনে।

ঘটং!!

মামৰে ধৰি অস্তিত্বহীন কৰি পেলোৱা বুকুৰ দুৱাৰ এখন যেন খোল খাই গ'ল। বৌয়েকৰ ধেমেলীয়া কথাষাৰ বেঙীহেপীৰ বুকুখন ধুমুহা এজাকৰ দৰে এফালৰ ধাহি-মুহি খান্দি গ'ল। সেইদিনা শোৱাপাটিত তাইৰ মেলা চকু মেল খায়েই থাকিল। গোটেই ৰাতিটো কাণত সেই এষাৰ কথাই বাজি থাকিল, সি তোক পচন্দ কৰিছে!

পিছদিনা দুপৰীয়া বেঙী পেহীয়ে জুহালৰ আঙঠাৰ ওপৰত চাহৰ কেটলীটো বহাই থ'লে। সময়ত ডেকাজন পানী বিচাৰী আহিল। তেওঁ কিবা ক'বলৈ পোৱাৰ আগতেই কওঁ নকওঁকৈ বেঙীপেহীয়ে সুধিলে

-চাহ খাবা নেকি?

-চাহ একাপ পালে কিয়নো বেয়া পাম।

ডেকাজনে মিচিকিয়াই উত্তৰ দিলে। হাঁহিটোৱে বেঙীপেহীৰ মনটো আৰু চঞ্চল কৰি তুলিলে। খপজপকৈ তাই তাঁত-শালৰ পৰা উঠি আহিল। আঁতৰৰ পৰা সিহঁতক লক্ষ্য কৰি থকা সৰুবৌয়েকে ভিতৰলৈ সোমাই গৈ বেঙীপেহীক ডবিয়াই উঠিল

-ভনী, এনেকৈ জাধলী হৈ ল'ৰা এটাক চাহ দিবি নে? অলপটো নিজকে সজাই পৰাই ৰাখিব পাৰ।



বৌয়েকৰ ডাবিৰ বেঙীপেহীয়ে নিজলৈ চালে, তাৰপাছত কেটলিৰ তলত জুই কুৰা জ্বলাই দি লৰালৰিকৈ ৰুমত সোমালগৈ। বহুদিনৰ মূৰত নিজকে আইনাত চালে। হয়তোন, তাই ইমান জাধলী হৈ আছে। চুলিখিনি দেখিলে এনে লাগে যেন কোনোবা চৰায়ে অকণমান সুবিধা পোৱা

হ'লেই বাহ সাজিলেহেঁতেন। আৰু মুখখন তেনেই খহুৰা ভেকুলীৰ দৰে হৈ আছে। ইছ ইছ। ভাগ্যই বৌয়েকে সোঁৰৰাই দিলে। তাই এনেই বৌয়েকহঁতে তাইৰ কথা নাভাবে বুলি ভাবে। তাইক বেয়া পাই বুলি ভাবে তাই যে কিমান মূৰ্খ।

দুইমিনিটমানৰ পাছত বেঙীপেহী ৰুমৰ পৰা ওলাল। তাইৰ ৰূপ দেখি বৌয়েকে কোনোমতেহে মুখৰ হাঁহিটো লুকুৱালে।

-ঠিকে আছেনে বৌ?

বেঙীপেহীয়ে মুৰটো ইফালে সিফালে ঘুৰাই সুধিলে। বৌয়েকে মাথো মূৰ জোকালিৰে। সন্তুষ্ট মনেৰে চাহ একাপ বাকি লৈ বেঙীপেহী বাহিৰলৈ আহিল। চাহকাপ ডেকাজনৰ হাতত দি লাজকুৰীয়া হাঁহি মাৰিলে। ডেকাজনে তাইলৈ চালে। তেল ঘঁহি টেপটেপীয়া কৰি পেলোৱা চুলি আৰু ঘামে ধোৱা গালৰ ওপৰতে এসোপা পাউদাৰ ঘঁহি ভাওৰীয়াৰ দৰে হৈ পৰা বেঙীপেহীৰ মুখখনে যেন তাক বহুত কিবা-কিবি বুজাই দিলে। চাহকাপ খাই সি তলমুৰকৈয়ে গুছি গ'ল। এনে লাগিছিল সি যেন আকৌ নাহিব। ঘৰৰ ভিতৰৰ পৰা সিহঁতৰ আলেখ-লেখ চাই থকা বৌয়েকৰ মতে এশ শতাংশই সি নাহে। কিন্তু সি আহিল। পিছদিনা সি আকৌ আহিল। চাহো খালে। বেঙীপেহীৰ তেলৰ বটল আৰু পাউদাৰ টেমাবোৰ সোনকালে শেষ হ'বলৈ ধৰিলে।

হঠাতে এদিন খবৰ ওলাল খাদত তেল পোৱা নাই, সেইবাবেই খাদটো উঠি যাব। বিজুলীৰ দৰে খবৰটো বিয়পি পৰিল। বেঙীপেহীৰ মনটো উচপিচ লাগিল। বৌয়েকক কেইবাদিনো ডেকাজনক বিয়াৰ কথা সুধিবলৈ কৈছিল যদিও বৌয়েকে আজি-সুধিম কালি সুধিম বুলিকৈ কথাষাৰ নি আছে। নিজে সুধিবলৈ লাজ লাগে নহয়, তথাপি এইবাৰ নিজেই সুধিম বুলি দৃঢ় হৈ ৰ'ল। পিছে ডেকাজন দেখোন নহাই হ'ল। তাৰ ঘৰো আকৌ কেইবাখনো জিলা পাৰ হৈহে পায়। ঘৰলৈ যোৱাৰ আগত সি বেঙীপেহীৰ ঘৰলৈ আহিছিল। বেঙীপেহীয়ে ঘৰলৈ নিবলৈ বুলি দিয়া বান্ধি দিয়া পকামিঠৈৰ টোপোলাটো চাই কৈছিল এইবাৰ বিয়াখন পাতিয়েই পেলাম বুলি ভাবিছোঁ। কিমান আৰু এই ডঙৰাৰ জীৱন কটাম।

বেঙীপেহীৰ শুকান গাল দুখন ৰঙা পৰি উঠিছিল। সেইয়া শেষ দেখা। তাৰপাছৰ পৰা সি কামলৈ নহাই হ'ল। তাই যাকে পাৰে তাকে ডেকাজনৰ কথা সুধিবলৈ ধৰিলে। কোনোবাই কয় তাক এটা খাদত দেখাৰ কথা, আনকোনোবাই আক কয় সি কাম এৰিলে। বেঙীপেহীয়ে মন ভাঙি নেপেলায়। সি কৈছিল এইবাৰ বিয়া পাতিব। তাইৰ কথাই ভাবিছে, নহ'লেনো তাইৰ আগত বিয়া পতাৰ কথা কয় নে।

-সি হয়তো ঘৰতে আছে বৌ, তাৰ মাকজনী বোলে বৰ বেমাৰী।

-মই চাহকাপ দিলে সি যেনেকৈহে চাই, মোৰ বিৰাট লাজ লাগি যায় জানে।

-এইবাৰ আহিলেই বিয়াৰ কথা পাতিম।

কোনোবাই শুনিব বিচাৰক বা নিবিচাৰক বেঙীপেহীয়ে বৌয়েক, ভনীয়েক জাতীয় কাৰাবোক লগ পালেই কথা ক'বলৈ আৰম্ভ কৰি দিলে। এটা সময়ত গাঁৱৰ সকলোৰে বাবে সেয়া ৰসাল আড্ডাৰ বিষয় হৈ পৰিল। কিন্তু কিমান দিন।

লাহে লাহে খাদটোৰ পৰা বেলেগলৈ বয়বস্তু কঢ়িয়াবলৈ ধৰিলে। ব্যস্ততাবোৰো কমি আহিল। আৰু এদিন একেবাৰেই সকলোবোৰ বন্ধ হৈ গ'ল। গাঁওখন আকৌ ঠাণ্ডা হৈ পৰিল। যান-বাহনৰে ব্যস্ত হৈ পৰা বাটটো আগৰ দৰেই নিস্তেজ হৈ পৰি থাকিল। নতুনত্ব হিচাপে বুকুত কেৱল শিলগুটিকেইটা লৈ।

আলিটোৰ দৰে বেঙীপেহীও পৰি ৰ'ল। আগতকৈ বেছি নিমাত, নিজান হৈ। শেষ হোৱাৰ বাবে পেলাই দিয়া বেঙীপেহীৰ পাউদাৰ আৰু তেলৰ টেমাকেইটাই মাথো বাৰী চুকৰ পৰা বিনাই থাকিল।

# স্মৃতিৰ ৰেঙনি

—প্লাৱিতা বৰুৱা
ৰসায়ন বিভাগ



ধীৰে ধীৰে
হেৰাই যায়
আবেলিৰ ৰ'দালি

২৬ নৱেম্বৰ সময় তেতিয়া ১.৩০ আলোচনীৰ সম্পাদিকা নিকুমণিৰ ফোন, প্ৰাক্তন ছাত্ৰী হিচাপে এটা লেখা লাগে। অতি সোনকালে আলোচনীৰ কাম ইতিমধ্যে আৰম্ভণি কৰিছেই। মই এনেবোৰ লিখা-মেলা কৰাত পাকৈত নহলেও নিকুমণিৰ অনুৰোধত হাতত কলমটো তুলি ল'লো। ঐতিহ্যমণ্ডিত শিৱসাগৰ নগৰৰ মাজমজিয়াত অৱস্থিত নাৰী শিক্ষাৰে অগ্ৰণী শিক্ষানুষ্ঠান শিৱসাগৰ ছোৱালী কলেজৰ প্ৰাক্তন ছাত্ৰী হৈ দুআষাৰ লিখিবলৈ।

এইখনেই চোতাল
সহপাঠী সকলৰ লগত
উমলি জামলি
জীৱন গঢ়াৰ পথ
পাইছিলো বন্ধু-বান্ধৱী
আৰু শিক্ষাগুৰুসকলৰ পৰা
অশেষ জ্ঞান আৰু
সুকোমল স্নেহ
কেনেকৈ পাহৰো
অনুভৱত সোণ হোৱা
জীৱনৰ এই তিনিটা বছৰ।

শিৱসাগৰ ছোৱালী কলেজত পঢ়াৰ আশাৰে এই মহাবিদ্যালয়ৰ ৰংপুৰ ছাত্ৰী নিৱাসৰ আৱাসী হৈ ২০১৪ চনৰ জুলাই মাহৰ কোনোবা এটা দিনৰ পৰা স্নাতক মহলাত নামভৰ্ত্তি কৰি কলেজীয়া জীৱনৰ পাতনি মেলিছিলো, 'ৰসায়ন বিজ্ঞান' বিষয়টো সন্মানীয় বিষয় হিচাপে লৈ।

জীৱন নামৰ দ্ৰুত গতিৰ
ৰেলখনত
ক্ৰমে আগবাঢ়ি গৈ আছো
নিজেই গৰাকী নিজেই চলাও
অথচ...........
ৰওঁ বুলি ভাবিলেও
ৰৈ থাকিব নোৱাৰো

চিৰদিন...........

চকুৰ পলকতে তিনিটা বছৰ পাৰ হৈ গ'ল। ষান্মাসিক প্ৰক্ৰিয়া হোৱাৰ বাবে এদিন দুদিনকৈ ব্যস্ততাবোৰো বাঢ়িল। কলেজীয়া জীৱন আৰম্ভ হৈছিলহে মাথোঁ, লাহে লাহে কলেজীয়া জীৱন সমাপ্তিৰ পথত আগবাঢ়িল।

দৰদী হৃদয়ৰ খবৰ অনা
বৰদৈচিলাই আজি
উৰুৱাই নিনিয়ে
মোৰ
সেউজীয়া দোপাট্টা।

মই বিজ্ঞান শাখাৰ ছাত্ৰী হোৱাৰ বাবে মূল শাখালৈ

বিশেষ কাৰণতহে অহা-যোৱা হৈছিল। সেয়ে কলা শাখাৰ শিক্ষাগুৰুসকলক চিনাত অসুবিধা হৈছিল। সময় যোৱাৰ লগে লগে মহাবিদ্যালয়ৰ কোনো কোনো সভা-সমিতিত বান্ধৱীসকলৰ পৰা পৰিচয় হৈছিলো। অতি দুখৰ বিষয় যে আজিও সকলোৰে লগত চিনা পৰিচয় নোহোৱাকৈয়ে থাকি গ'ল।

প্ৰথম দিনৰে পৰা ক্লাছ কৰিবলৈ গৈ ভাল লাগিছিল। কলেজৰ চৌদিশে মাথোঁ সেউজৰ সমাহাৰ। ভাল লাগিছিল পঢ়াৰ ভাল পৰিৱেশ দেখি। শিক্ষাগুৰু সকলৰ ব্যক্তিত্ব দেখি। পিছে এতিয়া নতুন অট্টালিকা বনোৱাত, বৰষুণ দিলে বোকা নহ'বলৈ কৰাৰ প্ৰচেষ্টাত আমাৰ বিজ্ঞান শাখাত ডাঙৰ ওখ গছ কেইজোপা কটা গ'ল। প্ৰথম দিনা ক্লাছত ৰাজখোৱা ছাৰৰ Serious Mood দেখি বিৰাট ভয় লাগিছিল। পঢ়াৰ ক্ষেত্ৰত আজিও ছাৰলৈ ভয় একেই থাকিল, অলপো নকমিল। ষষ্ঠ ষান্মাসিক ব্যৱহাৰিক পৰীক্ষাৰ শেষৰ দিনা ছাৰৰ লগত কিছু ফটো উঠিলো Selfi stick ৰে। সেইদিনা ভয় লগা নাছিল ছাৰলৈ। আমাৰ বিভাগৰ ভৰালী ছাৰ, মাৰ্জিয়ানা মেম, চবনম মেম, পৰিণীতা মেমৰ লগত মুক্তভাৱে আছিলোঁ।

আমাৰ laboratory দুটা আছিল এটা ওপৰত, এটা তলত। Practical ৰ সময়ত জোখ ল'বলৈ, বস্তু পাবলৈ ওপৰৰ পৰা তললৈ দৌৰ মাৰিছিলোঁ। কেতিয়াবা বেছি গৰমৰ বাবে এটা laboratory ৰ পৰা আনটো laboratory যাবলৈ ছাতি মেলি লৈছিলোঁ। ছাতি মেলিও ঠেলাঠেলি লাগিছিলোঁ। বেছ উপভোগ কৰিছিলোঁ কলেজীয়া দিনবোৰ। তেনেবোৰ সময়ত ৰাজখোৱা ছাৰ, নহ'লে আমাৰ মহাবিদ্যালয়ৰ আৱাসৰ তেতিয়াৰ অধীক্ষিকা নিবেদিতা বাইদেউক দেখো কাঁহ পৰি জীন যোৱা অৱস্থা হৈছিল।

এবাৰ Practical ৰ সময়ত চোৰ-পুলিচ খেলিছিলো। ইমানেই হুলস্থূল কৰিছিলো। কাষৰ ৰুমত যে ক্লাছ হৈ আছিল পাহৰি গৈছিলো। ৰঞ্জন ছাৰে আহি মনে মনে থাকিব কোৱাত বৰ লাজ পাইছিলো। সেইবাৰ আমি পঞ্চম ষান্মাসিকৰ ছাত্ৰী। দিনবোৰ যোৱাৰ লগে লগে আমাৰ উৎপাতবোৰ বাঢ়িছিলহে।

সময়ে আনি দিয়াবোৰ
সময়েই কাঢ়ি লৈ যায়

আমাৰ মহাবিদ্যালয়ত ৰেগিঙৰ দৰে কোনো ব্যাধি নাই। সকলোৰে মাজত মিলাপ্ৰীতিৰ ভাবে বিৰাজ কৰি থাকে। আমাৰ মহাবিদ্যালয়ত মাজে-সময়ে বহুতো সভা-সমিতি আয়োজন কৰা হয়।

আমাৰ শাখা বেলেগ হোৱাৰ বাবে আমি খবৰ পোৱাত পলম হয় আৰু কেতিয়াবা খবৰ পালেও আহি পোৱা পলম হয়। আমাৰ বিজ্ঞান শাখাৰ ছাত্ৰীবোৰ বিশেষভাৱে আয়োজন কৰা সভা-সমিতিত উপস্থিত থাকিব নোৱাৰি দুখ পাইছিলো।

মহাবিদ্যালয়ত এই তিনিটা বছৰত শিক্ষাগুৰু সকলৰপৰা জীৱনটোক গঢ়ি তোলাৰ বহু পৰামৰ্শ লাভ কৰিলোঁ। সেয়ে 'ৰসায়ন বিজ্ঞান' বিভাগৰ লগতে প্ৰতিটো বিভাগৰ প্ৰতিজন শিক্ষাগুৰু, মাননীয় অধ্যক্ষ মহোদয়লৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়খনিলৈ মোৰ সদায় এক আন্তৰিকতা থাকিব।

হে জ্ঞানৰ আলয়
এতিয়া
অনুভৱ মোৰ,
তোমালৈ
দিগন্ত প্ৰয়াসী হওক
তোমাৰ
সৃষ্টিৰ সুঁতিত
জ্বলি থাকক
চিৰজীৱন .........
জ্ঞানৰ বন্তি
তাৰে কামনাৰে
জয়তু 'শিৱসাগৰ ছোৱালী কলেজ'।

# কথা শিল্প

আজি দেওবাৰ, অৰ্থাৎ কাইলৈ অনন্যাৰ জন্মদিন। পুৱাতেই উঠি স্মিতাই অনন্যাৰ কথাকেই ভাবিলে। মৰমৰ অনন্যাজনীৰ কিযে হৈ গ'ল। বহুত চেষ্টা কৰিও সিহঁতে তাইক ভাল কৰিব নোৱাৰিলে। অনন্যা, স্মিতা আৰু গাৰ্গী এইবাৰ একাদশ শ্ৰেণীৰ ছাত্ৰী। তিনিওজনী পঢ়াৰ লগতে সকলো দিশতে আগবঢ়া। সেইবাবে সিহঁতক, সকলোৱে বৰ মৰম কৰে। কিন্তু সিহঁতৰ প্ৰধান বিশেষত্বটো হৈছে বন্ধুত্ব। এই বন্ধুত্বৰ বাবে সকলোৱে সিহঁতক 'ত্ৰিমূৰ্তি' বুলি কয়। সদায় সিহঁত একেলগে থাকে আৰু ক'ৰবালৈ গ'লে একেলগে যায়। জীৱনত যে সিহঁতি আঁতৰি নাযাওঁ বুলি প্ৰতিশ্ৰুতিবদ্ধহে হৈ আছিল। কিন্তু হঠাতে যে কি হৈ গ'ল। শ্ৰেণীত সদায় প্ৰথম হোৱা অনন্যাজনী যেন সিহঁতৰ মাজৰ পৰা হেৰাই গ'ল। অনন্যা যদিও সিহঁতৰ মাজত আছে তথাপি এই অনন্যাৰ বাবে সিহঁত একেবাৰে অচিনাকি। অনন্যাৰ কথা ভাবি থাকোঁতেই স্মিতাৰ মনত পৰিল তিনিমাহ আগৰ সেই অভিশপ্ত দিনটোলৈ।

## বিস্মৃতিৰ গহ্বৰত কল্লোল



—সংগীতা বৰুৱা
স্নাতক তৃতীয় ষান্মাসিক
ৰসায়ন বিজ্ঞান বিভাগ

সেইদিনা আছিল শনিবাৰ। সিহঁত সেইদিনা স্কুলৰ পৰা শ্বিলঙলৈ গৈছিল। সকলো ল'ৰা-ছোৱালী আৰু শিক্ষক-শিক্ষয়িত্ৰী সন্ধ্যাতে গাড়ীত উঠি শ্বিলং অভিমুখে যাত্ৰা আৰম্ভ কৰিছিল। আনন্দ-উল্লাসৰ মাজেৰে ৰাতিটো গাড়ীতে কটাই পিছদিনা শ্বিলং পাইছিলগৈ। শ্বিলঙৰ মনোমোহা দৃশ্য আৰু ঠাইবোৰ চাই অৱশেষত আবেলি সিহঁত উভতি অহাৰ সময় হৈছিলগৈ। কিন্তু নিষ্ঠুৰ নিয়তিয়ে হয়তো সিহঁতৰ আনন্দ সহ্য কৰিব নোৱাৰি সেই সময়লৈ বাট চাই আছিল। সিহঁত গাড়ীত উঠিবলৈ দৌৰি ৰাস্তাটো পাৰ হ'বলৈ লওঁতেই হঠাৎ তীব্ৰবেগী এখন গাড়ী বিপৰীত ফালৰ পৰা আহি থকা দেখি স্মিতা আৰু গাৰ্গীয়ে দৌৰি ৰাস্তাটো পাৰ হৈছিল। কিন্তু অনন্যা ৰাস্তাৰ মাজতেই থাকি গৈছিল। কেনেকৈ দুৰ্ঘটনাটো ঘটিছিল কোনেও টলকিবই নোৱাৰিলে। সকলোৰে মাজত হুৱাদুৱা লাগিল। অনন্যাৰ

অৱস্থা একেবাৰে বেয়া আছিল যদিও সকলোৱে তাইক শ্বিলঙৰ নাৰ্চিংহোম এখনলৈ লৈ গৈছিল। স্মিতা আৰু গাৰ্গীয়ে পাগলৰ দৰে কান্দিছিল। সকলোৱে ভগৱানক প্ৰাৰ্থনা জনাইছিল যাতে মৰমৰ অনন্যাজনী ভাল হৈ উঠে। ঘৰলৈ খবৰ দিয়াত অনন্যাৰ মাক কান্দোনত ভাগি পৰিছিল।

অপাৰেচন থিয়েটাৰৰ পৰা ওলায়েই ডাক্তৰজনে সিহঁতক কৈছিল, "Congratulation, she is better now, but she has lost her memory" ডাক্তৰৰ কথাত সকলো স্থবিৰ হৈ পৰিছিল। তাৰমানে অনন্যাই চিৰদিনৰ বাবে নিজৰ স্মৃতিশক্তি হেৰুৱাই পেলাব। সিহঁতে তেতিয়া ভাবিছিল অনন্যাই সিহঁতক সঁচাকৈ পাহৰি যাব নেকি? আজীৱন বন্ধুত্ব ৰখাৰ প্ৰতিশ্ৰুতি দিয়া মৰমৰ অনন্যাই এনেদৰে জানো সিহঁতক পাহৰিব পাৰিব? ডাক্তৰজনে যেতিয়া অনন্যাক লগ কৰিবৰ বাবে অনুমতি দিছিল, তেতিয়া প্ৰথমতে স্মিতা আৰু গাৰ্গী গৈছিল। সিহঁতে তাইক ভাল পাইছানে বুলি সোধাত তাই একোৱেই কোৱা নাছিল। তেতিয়া সিহঁতে খুব কান্দিছিল। কিন্তু অনন্যাই সিহঁতক অচিনাকিৰ দৰে চাই আছিল। একোৱেই মতা নাছিল তাই। মাক-দেউতাক শ্বিলং গৈ পোৱাৰ পিছত কেইদিনমান থাকি তাইক ঘৰলৈ লৈ গৈছিল। মাকে কান্দি আউলি-বাউলি হোৱাত তাই মাকক কিয় কান্দিছে বুলি প্ৰশ্নহে কৰিছিল। মাক আৰু সিহঁতে তাইক বহুত বুজোৱাৰ পাছতো অনন্যাৰ এটাই মাত্ৰ উত্তৰ যে তাই কাকো চিনি নাপায় আনকি নিজকো। একমাত্ৰ সন্তানৰ এনে অৱস্থা দেখি মাক-দেউতাকৰ মূৰত আকাশী সৰগ ভাগি পৰিছিল। স্মিতা আৰু গাৰ্গীয়েও কান্দিব পৰা নাছিল। সিহঁতৰ যেন কান্দিবৰ বাবে চকুপানী হেৰাই গৈছিল। তাৰ পিছত সিহঁতে ডাক্তৰৰ পৰামৰ্শ লৈছিল। স্মিতাই ডাক্তৰজনক অনন্যাৰ স্মৃতিশক্তি কোনোদিনেই ঘূৰি নাহিব নেকি বুলি সোধাত ডাক্তৰজনে সিহঁতক কৈছিল, "সেই বিষয়ে মই একো ক'ব নোৱাৰো। প্ৰকৃততে তাই মূৰত বেছিকৈ আঘাত পোৱাৰ বাবেহে এনে অৱস্থা হৈছে। এনে কেচত কেতিয়াবা পেচেণ্টে চিৰদিনৰ বাবে স্মৃতিশক্তি হেৰুৱাই পেলায় কিন্তু কেতিয়াবা স্মৃতিশক্তি ঘূৰি আহে। অৱশ্যে তাৰ বাবে যথেষ্ট সময়ৰ প্ৰয়োজন হয়। বাৰু তোমালোকে কোৱাচোন অনন্যাৰ প্ৰধান দুৰ্বলতাবোৰ কি?" ডাক্তৰে সুধিছিল।

স্মিতাই ডাক্তৰজনক কৈছিল, "আমিতো সকলো সময়তে তাইৰ লগতেই থাকোঁ। আমি তাইৰ সকলো কথাই জানো। সেই ফালৰ পৰা আপোনাক ক'ব পাৰো যে তাইৰ প্ৰধান দুৰ্বলতা বন্ধুত্ব। তদুপৰি তাই গানৰ প্ৰতিও দুৰ্বল। অনন্যাই বন্ধু-বান্ধবীৰ বাবে যিকোনো কাম কৰিবলৈ সাজু আছিল।" কিন্তু এতিয়া কি যে হ'ল।

"তেন্তে তোমালোকে এই দুয়োটা কথাৰ ওপৰত বেছি জোৰ দিয়া। তাই আগতে তোমালোকক কোৱা কথাবোৰ তোমালোকে তাইক কোৱা। তোমালোকৰ লগত ফুৰিবলৈ যোৱা ঠাইবোৰলৈ তাইক পুনৰ লৈ যোৱা। প্ৰায় সকলো সময়তে তাইৰ লগত থাকিবা। তাই ভালপোৱা গানবোৰ তাইক গাই শুনাবা। তেতিয়া তোমালোক নিশ্চয় এদিন সফল হ'বা। এয়ে মোৰ আশা।" ডাক্তৰজনৰ কথাত সিহঁতে নতুন আশাৰ কিৰণ দেখিছিল। ডাক্তৰক অশেষ ধন্যবাদ দি সিহঁতে বিদায় লৈছিল।

তাৰ পিছৰে পৰা স্মিতা আৰু গাৰ্গী সকলো সময়তে তাইৰ লগতে থাকিবলৈ লৈছিল। সকলোৱে তাইক ভাল





কৰিবৰ বাবে বহুত চেষ্টা কৰিছিল। একমাত্ৰ ছোৱালীজনীক ভাল কৰিবৰ বাবে বিভিন্ন ঠাইৰ ডাক্তৰৰ পৰামৰ্শ লৈছিল যদিও মাক-দেউতাকে একো ফল পোৱা নাছিল।

'অ' স্মিতা, স্মিতা ক'ত আছ? অনন্যাৰ ওচৰলৈ নাযাৱ নেকি?

ইমান দেৰি ভাবত বিভোৰ হৈ থকা স্মিতাই গাৰ্গীৰ কথাতহে সম্বিৎ ঘূৰাই পালে।

'অনন্যাৰ কথা ভাবিছিলি নহয় জানো?" গাৰ্গীৰ কথাত স্মিতায়ে 'ও' বুলি শলাগিলে। গাৰ্গীয়ে ক'লে, 'এই তিনিটা মাহ তিনিটা বছৰ যেন লাগিছে। ভাবিয়েই একো পাৰ পোৱা নাই। মই এটা চিন্তা কৰিছোঁ, কাইলৈ অনন্যাৰ জন্মদিন নহয়, যদি মোৰ প্লেন মতে কাম হয় তেন্তে হয়তো আমি আমাৰ মৰমৰ অনন্যাক নিশ্চয় ঘূৰাই পাম। তাৰ পিছত গাৰ্গীয়ে স্মিতাক নিজৰ প্লেনৰ কথা ক'লে আৰু দুয়োজনী অনন্যাৰ ঘৰলৈ বুলি ওলাই গ'ল।

দুখৰ মাজতো ঘৰখনত উগুল-থুগুল পৰিৱেশ, দেউতাকে অনন্যাৰ জন্মদিন ডাঙৰকৈ পাতিছে যদিও অনন্যাৰ মনত কোনো ভাবানুভূতি নাই। স্মিতা আৰু গাৰ্গীয়ে সিহঁতৰ প্লেনটোৰ কথা অনন্যাৰ মাক-দেউতাকক কোৱাত তেওঁলোক ততালিকে সন্মত হ'ল।

পিছদিনা স্মিতা আৰু গাৰ্গীয়ে কান্দি কান্দি অনন্যাক ক'লেহি যে সিহঁতি এই ঠাই এৰি যাবগৈ। সিহঁতে অনন্যাক আগবঢ়াই দিবলৈ ক'লে। অলপ দূৰ যোৱাৰ পিছত সিহঁতে ক'লে যে ৰাস্তাটোৰ সিপাৰে সিহঁতৰ মাক-দেউতাক বৈ আছে। সিহঁত যাবগৈ বুলি জানি অনন্যাৰ দুখ লাগিছিল যদিও তাই সিহঁতক বিদায় দিছিল। কিন্তু ৰাস্তাটো পাৰ হওঁতেই প্লেন মতে সিহঁতক এখন গাড়ীয়ে খুন্দিয়ালে আৰু সিহঁতে বাগৰি পৰাৰ ভাও ধৰিলে। সিহঁতৰ এক্সিডেণ্ট হোৱা দেখি অনন্যাই এটা বিকট চিঞৰ মাৰি মাটিত বাগৰি পৰিল আৰু সকলোৱে তাইক হস্পিতেললৈ লৈ গ'ল।

ডাক্তৰে চেকআপ কৰি ওলাই আহি জনালে যে অনন্যাৰ পুনৰ স্মৃতিশক্তি ঘূৰি আহিছে আৰু তাই স্মিতা আৰু গাৰ্গীক বিচাৰিছে। দেউতাকে ডাক্তৰজনক ধন্যবাদ জনালত তেওঁ ক'লে যে ধন্যাবাদৰ পাত্ৰ তেওঁ নহয়, স্মিতা আৰু গাৰ্গীহে। সিহঁতৰ বাবেহে অনন্যাই পুনৰ স্মৃতিশক্তি ঘূৰাই পালে। স্মিতা আৰু গাৰ্গীয়ে দৌৰি গৈ অনন্যাক সাৱটি ধৰিলে আৰু ক'লে, "অনন্যা, আজি তোৰ জন্মদিন নহয়, ব'ল আকৌ ঘৰলৈ যাওঁ। ঘৰত সকলো আমাৰ বাবে ৰৈ আছে।" অনন্যাই কান্দি কান্দি সিহঁতক সাৱটি ধৰিলে।

ঘৰ পায়েই গাৰ্গীয়ে ক'বলৈ আৰম্ভ কৰিলে আগতে অনন্যাই সদায় কোৱা কথাষাৰ আৰু তাইৰ লগতে স্মিতা আৰু অনন্যায়ো চিঞৰি উঠিল —

"Rose is a flower that lives for an hour
But friendship is a tower that lives forever."

লগে লগে লগৰবোৰেও সমস্বৰে চিঞৰি উঠিল —

"From East to West
Trimurti is the best."

★★★★★★





# আত্মবিশ্বাস

— লক্ষীপ্ৰিয়া হাজৰিকা
পঞ্চম যান্মাসিক
অসমীয়া বিভাগ

হঠাৎ এদিন প্ৰিয়াই ঘৰ চাফা কৰি থাকোঁতে মাক-দেউতাকৰ লগত স্কুললৈ যোৱা কণমানি ল'ৰা-ছোৱালীবোৰক দেখা পালে। লগে লগে প্ৰিয়াৰ সেই অভিশপ্ত দিনটোৰ কথা মনত পৰি দুচকুৰে দুধাৰি অশ্ৰু নিগৰি আহিল। মনত পৰিল যিটো দিনত প্ৰিয়াক এক অনাথ শিশুৰ কবলত পেলাই সমাজত সভ্য মানুহৰ দৰে বসবাস কৰি থকা কলংকিত দুৰ্নীতিপৰায়ণ পশুজীৱি মানুহে মাত্ৰ কেইটামান টকাৰ লালসাত তাইৰ দৰে নিস্প্ৰাণ শিশুৰ জীৱন ক্ষন্তেকতে থানবান কৰি ধূলিসাৎ কৰি দিছিল। তেতিয়া প্ৰিয়া আছিল নৱম শ্ৰেণীৰ ছাত্ৰী। মাক-দেউতাকৰ সীমাহীন মৰমৰ দলিচাত প্ৰিয়াই জীৱনৰ আলোক প্ৰাপ্তিৰ আশাত সপোনৰ সোণোৱালী বাটত অগ্ৰসৰ হ'বলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈছিল। প্ৰিয়াৰ মাক আৰু দেউতাক দুয়ো চৰকাৰী চাকৰিয়াল আছিল। গতিকে প্ৰিয়াই বৰ বিশেষ অভাৱ অনুভৱ কৰিব লগা হোৱা নাছিল। ৰাতিপুৱাই সোনকালে প্ৰিয়া, মাক আৰু দেউতাকে নিজৰ নিজৰ কৰ্তব্যত দিনটো অতিবাহিত কৰি ৰাতি তেওঁলোকে সুখ-শান্তিৰে এসাঁজ ভাত পেট পূৰাই খাবলৈ সকলোৱেই অতি আগ্ৰহেৰে অপেক্ষা কৰিছিল। এইদৰে তেওঁলোকে এক বুজাব নোৱাৰা সুখৰ এনাজৰীৰে পৰিপূৰ্ণ এক গতানুগতিক জীৱন অতিবাহিত কৰিছিল। কিন্তু অজানিতেই প্ৰিয়াহঁতৰ ঘৰখনলৈ যেন কাল অমানিশা নামি আহিল। এজাক কাল ধুমুহাই নিমিষতে সকলোৰে আশা ধূলিসাৎ কৰি ইটোৰ পাৰ সিটো চিৰদিনৰ বাবে আঁতৰাই পেলালে। সেইদিনা সোমবাৰ। প্ৰিয়াই খৰধৰকৈ স্কুললৈ বুলি

ৰাতিপুৱাই ঢাপলি মেলিলে। সেইদিনা প্ৰিয়াৰ মাক-দেউতাকে দিনটো ঘৰতে থকাৰ কথা ভাবি নিজ নিজ দায়িত্বৰ পৰা এদিন বিৰতি ল'লে। গতিকে মাক-দেউতাকে দিনটো নিজৰ নিজৰ ঘৰুৱা কাম-বনতে ব্যস্ত থাকিল। কিন্তু আবেলিৰ সময়ত ঘৰৰ দৰ্জাত টোকৰ মৰাৰ শব্দ দুয়োৰে কাণত বাজিল। দুয়ো খৰধৰকৈ নিজৰ কাম এৰি দৰ্জা খুলি ক'লা কাপোৰেৰে মুখ আবৃত কৰা পাঁচজন বন্দুকধাৰী ব্যক্তি দেখি প্ৰিয়াৰ মাক-দেউতাক হতভম্ব হৈ ৰ'ল। তেওঁলোক এক অবুজ শিহৰণিত সৰ্বশৰীৰ কঁপি গ'ল যদিও প্ৰিয়াৰ মাকে হতাশ নহৈ মনত কিছু সাহস গোটাই প্ৰশ্ন কৰিলে। "কাক বিচাৰিছে.......?" কিন্তু সেই অচিনাক্ত ব্যক্তিকেইজনে তেওঁলোকৰ প্ৰশ্নৰ কোনো উত্তৰ নিদিলে। কোনো প্ৰত্যুত্তৰ নাপাই প্ৰিয়াৰ মাক আৰু দেউতাক হতাশা আৰু ম্ৰিয়মাণ হৈ পৰিল। তেতিয়া সেই ব্যক্তিকেইজনে ঘৰৰ ভিতৰলৈ সোমাই আহিল আৰু প্ৰিয়াৰ মাক-দেউতাকক কিছু ধন দাবী কৰিলে। কিন্তু প্ৰিয়াৰ মাক-দেউতাকে সেই দাবী মানি ল'ব বিচৰা নাছিল। কিছু সময় তেওঁলোকৰ মাজত বাক্‌যুদ্ধ চলি থাকিল। অন্তিম মুহূৰ্ত্তলৈকে প্ৰিয়াৰ মাক-দেউতাকে নিজৰ কথাত অটল থাকি তেওঁলোকৰ কষ্ট আৰু সামৰ্থ্যৰ ধন বিনা কাৰণত কাৰো হাতত অপব্যৱহাৰ নকৰোঁ বুলি কৰা প্ৰত্যুত্তৰে যেন সেই দয়া, মমতাহীন, স্বাৰ্থপৰ ব্যক্তিকেইজনৰ ক্ষন্তেক অপেক্ষা কৰাৰো সময় নাছিল, লগে লগে তেওঁলোকে বন্দুকৰ গুলী এৰিলে আৰু সেই গুলীয়ে প্ৰিয়াৰ জীৱনৰ সকলো সপোনৰ অন্ত পেলাই তেওঁলোকৰ বুকু ভেদি গ'ল। সেই সময়তে প্ৰিয়াই স্কুলৰ পৰা আহি 'মা' 'মা' বুলি গেটৰ পৰা চিঞৰ মাৰি ঘৰত সোমাই মাক-দেউতাকৰ তেজেৰে লুতুৰি-পুতুৰি মৃতদেহকেইটা দেখি প্ৰিয়া মূৰ্চ্ছা গৈ মাটিত ঢলি পৰিল। সেই সুযোগতে অচিনাক্ত ব্যক্তিকেইটাই প্ৰিয়াক দাঙি লৈ গাড়ীত ভৰাই নি এখন অচিনাকি ঠাইৰ এহাল দম্পতীক বন কৰা ছোৱালী হিচাপে বিক্ৰী কৰিলে। প্ৰিয়াই সম্বিত ঘূৰাই পাই যেতিয়া সকলো পৰিৱেশ অচিনাকি দেখিলে তেতিয়া হতাশা, ভয় আৰু শংকাৰে চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। কিন্তু তাইৰ এনে কৰুণ, হৃদয়বিদাৰক দৃশ্যক সমবেদনা জনোৱাৰ পৰিবৰ্তে তাই শুনিবলৈ পাইছিল কিছুমান অশ্লীল আৰু দু-ব্যৱহাৰ। এনে পৰিস্থিতিত প্ৰিয়াই কিন্তু নিজকে হেৰুৱাব বিচৰা নাছিল। মাথোঁ নিজৰ ওপৰত বিশ্বাস ৰাখি পৰিস্থিতিৰ লগত যুঁজিব পৰাকৈ। মাক-দেউতাকৰ মৰম, সপোন জীয়াই ৰাখিবলৈ। অন্যায়ৰ বিৰুদ্ধে যুঁজিবলৈ নিজকে সাজু কৰিবলৈ শক্তি গোটাইছিল। কিন্তু প্ৰিয়াৰ হাতত হাত ধৰিবলৈ কোনো নাছিল। কেৱল আছিল বন কৰা ছোৱালী হিচাপে পাব লগা ব্যৱহাৰ আৰু অন্যায়। কিন্তু প্ৰিয়াই নিজৰ ওপৰত বিশ্বাস হেৰুৱা নাছিল মনত পৰিস্থিতিৰ লগত যুঁজিব পৰাকৈ সাহস গোটাইছিল। লাহে লাহে প্ৰিয়াৰ সেই অচিনাকি পৰিৱেশ চিনাকি হৈ পৰিছিল। এজনী সহজ-সৰল বন কৰা ছোৱালী হিচাপে তাই সকলোৰে কথা কোনো প্ৰতিবাদ নকৰাকৈ গ্ৰহণ কৰিছিল। কিন্তু আশা আছিল কেৱল মুক্তিৰ। এনেতে এদিন প্ৰিয়াই ওচৰৰে এজন সন্তানহীন আৰক্ষী বিষয়াক লগ পালে। প্ৰিয়াই জীৱনৰ সকলো কথা খৰচি মাৰি আৰক্ষী বিষয়াজনক ক'লে আৰু বিষয়াজনে প্ৰিয়াৰ জীৱন যন্ত্ৰণা অনুভৱ কৰিব পাৰি তাইৰ সেই পৰিস্থিতিৰ পৰা মুক্তি কৰি মুকলি আকাশৰ তলত নিজস্ব স্বাধীনভাৱে নিজৰ সন্তান দৰে প্ৰতিপালন কৰি পঢ়া-শুনা কৰিবলৈ সুবিধা দিলে। প্ৰিয়ায়ো সকলো দুখ ভৰিৰে গচকি নিজৰ কৰ্তব্য কৰি গৈছিল। দিনকদিনে প্ৰিয়াই যেন উন্নতিৰ সুউচ্চ শিখৰত উপনীত হৈ এদিন সেই প্ৰিয়াই হৈ পৰিল আই.পি.এছ অফিচাৰ। প্ৰিয়াই নিজৰ কৰ্তব্যৰ চকীত যিদিনা বহিছিল সেইদিনাই প্ৰিয়াই তাইৰ প্ৰতি অন্যায় কৰা সেই নৰপিশাচক শাস্তি আৰু অন্যায়ৰ বিৰুদ্ধে যুঁজি তাইৰ দৰে হাজাৰজনী প্ৰিয়াক উদ্ধাৰ কৰিবলৈ নিজকে সাজু কৰিছিল। তেতিয়াই প্ৰিয়াই বুজি উঠিছিল যে এই যুদ্ধৰ মূল সুঁতিয়েই হ'ল তাই নিজৰ ওপৰত থকা আত্মবিশ্বাস।

★★★★★★

# true love

– *Priyam Borgohain*
B.A 3rd Semester
English Department

Once a crane was in love with a beautiful white Rose. The white rose was too in love with him. When the crane Proposed her to marry, the white Rose said, she had a dream to be red and she will marry him only after she turns red. The Crane did not say anything though he knew that its impossible for her to turn red. He simply smiled at her saying how much he loves her and she falls too deep in love With him. She always prays to God pleading him to turn her red soon so that she can marry her beloved.

One day, a sparrow sow the white rose and he falls in love with her at the very first sight. He always used to admire her from the for sky. One day he managed to express his feelings to her. The white Rose honestly told him everything about her love for her beloved crane and she also told him her dream to be red, that she always prays to God to make her red so that she can marry the Crane. The sparrow did not say anything but stared at her for a long time with his loving eyes and flew away.

The next day, with the rising sun the white Rose saw herself turning red. She screamed out of happiness and as she looked up the sky to offer her thanks to God, she saw the sparrow tearing himself and letting his blood spread on her making her red. when She asked him why he did that, he simply smiled and said that he loves her and he wants to see her happy always. He died on her arms and from that day onwards the white Rose turned to be red with the blood of the Sparrow. When the crane saw her red, he happily asked her when to marry, but she refuses to marry the Crane and spent her whole life staring at the sky with the blind hope of seeing the Sparrow again.



The red Rose. Thereafter became, the symbol of true love for everyone, forever...

# IN QUEST OF HAPPINESS........

– *Reeti Boruah*
Dept of English
5th Semester

Mr. Ranjit Ranjan Mohan has been sitting like a stature gazing at the sparrows in his courtyard and questioning himself what happiness is. He find a contrast with these little sparrows who are busy in their tough deeds of feeding themselves yet they are always seems to engage in merry making. For a moment he was elated by the chirpings of the birds but when he started to think over his life he became in a blaze due to the wound of his heart.

It has been for nearly two months that Mr. Mohan has under went a mental trauma. Inspite of his intense desire from his childhood days to become one of the richest man and though fortune smiled on him yet he feels himself among the all poorest man of the society. His two well-established sons along with his beautiful wife could not provide him even the least desired happiness in his life. His richness might satisfy his family's all needs and otherworldly desires but he was not satisfied at the bond that they share with each other. His economic upliftment do not have any satisfaction whereas there is always fighting over small things, quarrel between the two brothers for patriarchal property. Overall, his conjugal life became his cause of unhappiness.

Gradually, he grew up the feeling of being a stranger at his own house. His daily routine has turned him into a mechanical being. That time he spends with his colleagues is perhaps his jovial moments throughout the whole day. When he enters into the home he feels a veil of unhappiness. He found it to be very hard to cope up from the artificial money-relation that veiled among his family members. Mental rolace gradually disappeared from his life and though he tried to adjust everyday but of no avail.

Now, Mr. Mohan one of the most eminent businessman has to lead his life in an old-age home only in quest of happiness and decided to refrain himself from any contacts with his family members. By handing over and dividing all his property between his two sons and his wife, he has now nothing but a little bit of happiness amidst the group of old men. Whatever he didn't feel in his own home the old-age home has provided it ti him yet sometimes he couldn't abstain himself from thinking about his heartless, inhumane and debouched family members and this thought often haunted him even in his dreams.



Mr. Mohan has decided to look beyond the imperfactions of his life and compel himself to feel as one of the happiest men along with the other people residing there and most of them having the same family condition. Now, he tries to live quite happily without a large amount of money and the happiness he derived from the unknown people made him realise that it is not always relation by blood but it is by heart that may help a unhappy person like him to live a life.

# হেৰুৱা সুবাস বিচাৰি

— এমিলী ফুকন
স্নাতক পঞ্চম ষাণ্মাসিক
ইংৰাজী বিভাগ



অকস্মাতে শীত নামি আহিছে চহৰখনলৈ। চাৰিদিন ধৰি ডাৱৰীয়া হৈ আছে বতৰটো। মাজে মাজে নামি অহা দুই এজাক বৰষুণে শীতৰ প্ৰকোপ বঢ়াই তুলিছে। বতৰটোৰ বাবেই অনিৰ্বাণ আজি ক'লৈকো ওলাই নগ'ল। নিয়ৰে সেমেকাই তোলা খিৰিকীখনৰ গ্লাছেৰে সি বাহিৰলৈ চাই পঠিয়ালে ঠিক তাৰ জীৱনটোৰ দৰে। এনেকুৱা দিনবোৰত নিজৰ কোঠাত বহি ভৱিষ্যতৰ সোণালী সপোন দেখাৰ চখ আছিল তাৰ। কেতিয়াবা এনেবোৰ দিনত সুকন্যাক বাইকত বহুৱাই বহুদূৰলৈ যোৱাৰ কথা ভাবিছিল সি। সেই সুকন্যাই নিশ্চিতভাৱে এতিয়া গিৰিয়েকৰ সৈতে আনন্দেৰে দিন কটাইছে। সপোনেৰে ভৰি থকা বুকু এখন কেনেকৈ যে হঠাতে শূন্য হৈ যায়? অযুত স্বপ্নৰে সজা জীৱনৰ সৌধ কেতিয়া যে আবতৰীয়া ধুমুহাই ভাঙি থৈ যায়। সুকন্যাৰ সৈতে সি এখন ৰামধেনুৰ দৰেই বৰ্ণিল কৰি তুলিব খুজিছিল তাৰ জীৱন সৌধৰ প্ৰতিটো অংশ। কিন্তু এতিয়া? সি নিস্ব, একো নাই তাৰ হাতত, এটা বৃহৎ শূন্যৰ বাহিৰে। জীৱনৰ প্ৰতি যেন কোনো মায়া-মমতা নাই তাৰ। যাৰ প্ৰেমেৰে সি সজাব খুজিছিল জীৱন। সেই সুকন্যা চিৰদিনৰ বাবে আঁতৰি গ'ল তাৰ জীৱনৰ পৰা। সুকন্যা তাৰ বাবে এতিয়া কেৱল এক স্মৃতি, কোনোদিনে নুশুকোৱা এটুকুৰা ঘাঁ।

যোৱা তিনিটা বছৰত আচৰিতভাৱে সলনি হৈছে সি। একোকে কৰিবলৈ ইচ্ছা নোহোৱা হৈ গৈছে তাৰ। সম্পূৰ্ণৰূপে মানসিক উদ্যম হেৰুৱাই পেলাইছে সি। এসময়ত চিৰিয়াছ ল'ৰা বুলি নাম থকা অনিৰ্বাণক দেখিলে এতিয়া তাৰ চিনাকী প্ৰায়বোৰেই বেঁকা হাঁহি মাৰে। আগতে তামোল এখনো নোখোৱা ল'ৰাটোৱে এতিয়া মদ, চিগাৰেটৰ ধোঁৱাৰ মাজত তাৰ জীৱনৰ অৰ্থ বিচাৰি ফুৰে। কিন্তু জীৱনৰ এই নামহীন যন্ত্ৰণাৰ পৰা সি কিদৰে আঁতৰি আছে?

নাটক চোৱাত বৰ চখ আছিল তাৰ। সেই নাটকেই এদিন তাৰ জীৱনলৈ কঢ়িয়াই আনিছিল প্ৰেম। এবাৰ এখন নাটক চাবলৈ গৈ নাটকৰ নায়িকাগৰাকীক ভাল

লাগি গৈছিল তাৰ। মৰম লগা নায়িকাগৰাকীৰ সৈতে সি বহু কষ্টেৰে চিনাকী হৈছিল। সেয়াই আছিল সুকন্যাৰ লগত তাৰ প্ৰথম চিনাকী। লাহে লাহে সেই চিনাকী বন্ধুত্ব আৰু অৱশেষত প্ৰেমত পৰিণত হৈছিল। এনেদৰেই পাৰ হৈছিল ভাললগা সময়বোৰ। কিন্তু এদিন সেই সুকন্যাই তাৰ অকুণ্ঠ ভালপোৱাক নেওচি গুচি গৈছিল আই.পি.এচ বিষয়াৰ সৈতে বিয়া হৈ। মঞ্চত অভিনয় কৰি কৰি বাস্তৱ জীৱনতো এগৰাকী সফল অভিনেত্ৰীৰূপে ধৰা দিছিল তাই অনিৰ্বাণৰ আগত। নিজৰ ওপৰত ধিক্কাৰ জন্মিছিল তাৰ এটা চাকৰি নথকাৰ বাবে তাইক ভৱিষ্যতে নিৰাপত্তা দিবলৈ। সি কেইবাটাও ইণ্টাৰভিউ দিছিল কিন্তু শকত অংকৰ ধন দিব নোৱাৰাৰ বাবে সি হেৰুৱাবলগীয়া হৈছিল পাবলগীয়া চাকৰি। সি কাকো তাৰ বাবে দোষ দিব নোখোজে। তাৰ ভাগ্যই তাক সদায় প্ৰতাৰণা কৰি আহিছে।



কেৱল হেৰুৱাবলৈকে যেন সি পৃথিৱীলৈ আহিল। মাজে মাজে জীৱনটোৰ প্ৰতি তীব্ৰ বিতৃষ্ণা জন্মে তাৰ। এদিন বজাৰলৈ ওলাই যাঁওতেই হোৱা বোমা বিস্ফোৰণত সি সৰুতে মাক-দেউতাকক হেৰুৱাইছিল। তাক মোমায়েকে ডাঙৰ-দীঘল কৰিছিল। কিন্তু সি এম.এ. পাছ কৰাৰ পাছতেই অকস্মাতে মোমায়েকে বিদায় লৈছিল। মৰ্মাহত অনিৰ্বাণক প্ৰবোধ দিবলৈ ওচৰত আছিল সুকন্যা। এতিয়া সকলো মুহূৰ্ততে তাৰ কাষত আছে বন্ধু আদিত্য। তাৰ মনটো সুস্থিৰ হঁওক বুলিয়েই আদিত্যই তাক ওচৰৰে প্ৰাইভেট কলেজ এখনত সুমুৱাই দিছিল। সেইখিনি সময় লাহে লাহে অলপ ভাললগা হৈছে তাৰ। কলেজৰ ক্লাচকেইটা সি ভালদৰে কৰে যাতে তাৰ ব্যক্তিগত জীৱন যন্ত্ৰণাৰ বাবে ল'ৰা-ছোৱালীবোৰৰ ক্ষতি নহয়।

এদিন আচম্বিতে ঘটি গৈছিল ঘটনাটো। বাইকৰ পিছত আদিত্যক বহুৱাই অনিৰ্বাণ আহি আছিল। অকস্মাতে ৰিক্সা একনত সি সুকন্যাক দেখা পাইছিল। চকুৰে জলক-তবক দেখিছিল। বাইকৰ কন্ট্ৰল হেৰাই গৈছিল তাৰ। আদিত্যৰ চিঞৰত প্ৰকৃতিস্থ হঁওতেই তাৰ বাইকে নিয়ন্ত্ৰণ হেৰুৱাই এজনী ছোৱালীক খুন্দা মাৰিছিল। ভাগ্যক্ৰমে সিহঁত দুটাই বিশেষ একো আঘাত পোৱা নাছিল। কিন্তু ছোৱালীজনীৰ দেহ তেজেৰে ৰাঙলী হৈছিল। সংজ্ঞা হেৰুৱাইছিল তাই। সিহঁতে ছোৱালীজনীক হস্পিতালত ভৰ্তি কৰিছিল। অচিনাকী ছোৱালী জনীৰ ঘৰলৈ খবৰ দিবলৈও তাই সংজ্ঞাহীন হৈ আছে। পাছদিনা তাই সংজ্ঞা ঘূৰাই পাইছিল। তাৰ ছোৱালীজনীৰ অৱস্থাটো দেখি অনুশোচনা হৈছিল। কথাবোৰ ভাবি থাকোতেই তাৰ টোপনি আহিছিল। তাইৰ মাতত সাৰ পাই গৈছিল সি। তাক দেখি তাই আচৰিত দৃষ্টিৰে চাই আছিল।

ঃ ক'ত আছো মই? আৰু আপুনি?—অস্ফুট মাতেৰে ছোৱালীজনীয়ে সুধিছিল।

ঃ আপুনি হস্পিতালত। কালি আপোনাৰ এক্সিডেন্ট হৈছিল। আজিহে জ্ঞান ঘূৰাই পাইছে। আপুনি শুই থাকক। ডাক্তৰে কথা পাতিবলৈ মানা কৰিছে— অনিৰ্বাণৰ কথা শুনি ছোৱালীজনীয়ে চাই পুনৰ শুই পৰিল।

অনিৰ্বাণে তেতিয়াহে ভালদৰে চালে ছোৱালীজনীলৈ। এখনি মৰমলগা সুন্দৰ মুখ। শেতা পৰি গৈছে তাইৰ মুখখন। একমাত্ৰ তাৰ ভুলৰ বাবেই যন্ত্ৰণা ভুগিব লগীয়া হৈছে ছোৱালীজনীয়ে নিজৰ ওপৰতেই খং উঠিল তাৰ।

ঃ পানী, পানী খাও এগিলাছ— অকস্মাতে ছোৱালীজনীৰ মাত শুনি সি উঠি আহিল। আগতকৈ বহুত সুস্থ হোৱা যেন লাগিল তাইক। সি তাইক সুধিলে,

ঃ ক'ত ঘৰ আপোনাৰ? ঘৰলৈ খবৰ পঠাব লাগিছিল। ঘৰত ছাগৈ সকলোৱে চিন্তা কৰি আছে।

ঃ মোৰ কথা ভাবিব নালাগে। কিন্তু আপুনি? ক'লে ছোৱালীজনীয়ে

ঃ মই অনিৰ্বাণ গগৈ। কালি ময়ে বাইকেৰে খুন্দিয়ালো। আই এম

এক্সট্ৰিমলী ছ'ৰি। আপোনাক অকলশৰে এৰিব নোৱাৰিহে মই আপোনাৰ কাষত আছো। কিন্তু আপোনাৰ ঘৰ?

ঃ ঘৰলৈ খবৰ দিবলৈ প্ৰয়োজন নাই। অকলশৰে ভাৰাঘৰত থাকো মই। তাই সম্পূৰ্ণ সুস্থ হোৱাত ৰিলিজ পালে। সি তাইক নাম্বাৰটো খুজিলে।

ঃ আপুনি বাৰু কি খবৰ লব? আপুনিচোন মোৰ নামটোকে নাজানে— কথাটো কওঁতে তাই অকণমান হাঁহি দিলে।

ঃ অহ ছ'ৰি। মই পাহৰিছিলোৱেই। নিজৰ অসাৱধানতাৰ বাবে সি লজ্জিত হ'ল।

ঃ অনামিকা ফুকন মোৰ নাম। ঠিক আছে খবৰ ল'ব মাজে মাজে।

মূৰ দুপিয়াই তাইৰ কথাখিনি শলাগি ওলাই গ'ল সি। লাহে লাহে তাৰ সম্পৰ্ক অনামিকাৰ সৈতে সহজ হ'ল। সি তাইক তাইৰ বিষয়ে সুধি সুধি ব্যতিব্যস্ত কৰি তুলিছিল। তাৰ উৎপাতত তাই ক'বলৈ বাধ্য হ'ল। সৰুতে মাক-দেইতাকক হেৰুৱাই খুড়াকৰ সৈতে আছিল। কিন্তু খুড়ীয়েকৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি এদিন ঘৰৰ পৰা পলাই আহিল। আশ্ৰয় লৈছিলহি এগৰাকী অধ্যাপিকাৰ ঘৰত। তেওঁ তাইক এখন স্কুলত সুমুৱাই দিছিল। এতিয়া তাই অকলশৰে ভাৰাঘৰত থাকে। স্তম্ভিত হৈ পৰিছিল সি তাইৰ জীৱন কাহিনী শুনি। সি তাইক কি বুলি সান্ত্বনা দিব ভাবি নাপালে।

ঃ তোমাৰ নামটোৰ বাহিৰে একোতো নাজানো তোমাৰ বিষয়ে? অনামিকাই ক'লে

ঃ কিনো জানিবা মোৰ বিষয়ে? ময়ো তোমাৰ দৰে অকলশৰীয়া। সকলোবোৰ কথা সি অনামিকাক ক'লে।

ঃ চোৱা অনিৰ্বাণ। এই এক্সিডেন্টৰ দৰে হাজাৰটা এক্সিডেন্ট হ'লেও মই বেয়া নাপাওঁ। অন্তত তাৰ পৰাই কিছুমান তোমাৰ দৰে সচাঁ অন্তৰৰ মানুহ লগ পায়। কেইদিনমানৰ চিনাকী হ'লেও মোৰ তোমাক বহুদিনৰ আপোন যেন লাগিছে। সি অবাক হৈ চাই থাকিল তাইৰ মুখলৈ। তাই ইতিমধ্যেই তাৰ হৃদয়ত স্থান দখল কৰিছে।

তীব্ৰ গতিৰে পাৰ হৈ গৈছিল সময়বোৰ। আদিত্যও বিয়া পাতি সংসাৰৰ ব্যস্ততাত সোমাই পৰিল। সকলোৱে আচৰিত আগৰ অনিৰ্বাণ আৰু অনামিকাক লগ পোৱাৰ পিছৰ অনিৰ্বাণ দুটা সম্পূৰ্ণ বেলেগ মানুহ। অনামিকাৰ দৰে সিও জীৱনটো নতুনকৈ পাহি মেলাত আপ্ৰাণ চেষ্টা চলাইছে।

এদিন কলেজৰ পৰা আহি থাকোতে হঠাৎ সি তাইক দেখা পালে। দুয়োটা এখন পাৰ্কত বহিল। সি তাৰ জীৱনত তাইৰ উপস্থিতি যে কামনা কৰে তাক ব্যক্ত কৰিলে। তাইও সন্মতি প্ৰদান কৰিলে। সি যেন তাৰ জীৱনৰ হেৰুৱা সুবাস বিচাৰি পালে তেনে অনুভৱ কৰিলে।

★★★★★★



# "MY LAST QUESTION"

– *Karishma Mahanta Dutta*
B.A. 1st Semester
English Deptt

I was one of the favourite souls of the Almighty. One day Lord told me that I would be gifted a new angel, the most caring one, called "Mother". He said, "If you are with your mother, you need not worry for anything. She will protect you more than anyone else can do, she will teach you to become a nicer soul. She will show you the most beautiful creation of mine - " The world" and will bless you with the most potent weapon in the universe - "The Love". But I shall miss you....". saying so, the Lord bade me goodbye and dropped me into my mother's womb. I was sent to the great land of India where brave and successful women like Lakshmi Bai, Indira Gandhi, Savitribai Phule, Lata Mangeskar... were born.

In the very beautiful spot of my mother's body "The Womb', I started living. I started feeling the power of love. Every now and then my mother started caressing me - the most wonderful feeling, same we feel as when God touches us. Every one in the family was happy and were ready to welcome their "Prince" - as they named me as soon as I came to my mother's body. My father was a very sweet person. He always came near my mother's stomach and tried to feel my existence and talked to me. My grand ma was so happy that she used to tell everyone, "our prince is coming to the family after twenty-five years".

Every now and then my mother visiting the hospital. For the doctor I was neither a prince nor a darling but a foetus. I didn't like the place but when I heard someone saying that doctor's are next to God, I started liking them. Everything was going well. I liked my name " Prince". One day my father along with my grandma took me to a small, crowded nursing home. After sometime I would feel strange waves hitting me. I did not feel pain. After sometime the doctor told, "It's a baby girl".

My mother still loved me. She changed my name to "princess". I liked that name also. Since that day no one spoke to me. There was tension in the house. The quality of the food given to my mother was also degrading. She used to get tired, I know she was feeding me on her blood. Once she consumed a liquid - I guessed some medicine for me - my father brought from city. She didnot like the taste but she took it just for me. I remembered long back that my mother was unable to take a medicine of the same taste. "You must take it.... it is for your 'Princess' ", said father. I really loved my father for how much he cared for me. After consuming the liquid my mother felt tremendous pain in her abdomen. It was sqeezing her life out. The warm and comfortable liquid started boiling. I remember that it was my sixth month in the womb. I tried to bear the pain as I wanted to see the face of my angel - "My Mother". But within moments Igot torn into pieces. I was no more. I just wanted to question just one question- "What was my mistake?"



# অৰ্ধাংগিনী



—প্ৰতীক্ষা ফুকন
পঞ্চম যান্মাসিক
ভূগোল বিভাগ

আজি ৰাতিপুৱাৰে পৰা ব্ৰজেন বৰুৱাৰ আনন্দৰ সীমা নাই। পৰিবাৰ জেউতি বৰুৱাক ইটো সিটো কামৰ দিহা দিয়াৰ পৰা আৰম্ভ কৰি কাম কৰা ল'ৰা ৰমেনক কিবাকিবি সৰুসুৰা বস্তু আনিবৰ বাবে ইতিমধ্যে কেইবাবাৰো বজাৰলৈ পঠাইছে। আচলতে যোৱা এসপ্তাহে সেই বিশেষ খবৰটোৱে বৰুৱাক ইমানেই সুখী কৰি ৰাখিছে যে আমনি পালেও জেউতি বৰুৱা আৰু ৰমেন কোনেও তেওঁক একো কথাতে বাধা দিয়া নাই। বহুদিনৰ মূৰত যেন ঘৰখনে প্ৰাণ পাই উঠিছে। আৰু ইয়াৰ একমাত্ৰ কাৰণ হ'ল ব্ৰজেন বৰুৱাই পোৱা সেই বিশেষ খবৰটো।

চাহ দুকাপ হাতত লৈ জেউতি আহি তেওঁৰ কাষত বহিলহি। চাহ খোৱাৰ মাজতে আঁৰ চকুৰে তেওঁ গিৰিয়েকলৈ চালে। সদায় খোৱাৰ দৰে আজিও ব্ৰজেন বৰুৱাই একান্ত মনেৰে চাহ খোৱাত লাগিল। ব্ৰজেন বৰুৱাৰ বহু বেছি বয়স নহলেও তেওঁক বহুত বয়সীয়াল যেন লাগিল তেওঁৰ। দুই-এষাৰ কথা পাতি জেউতি বৰুৱা ভিতৰলৈ গুচি আহিল। ব্ৰজেন বৰুৱাক সুখী দেখি জেউতিৰো মনটো ভাল লাগিল। কিন্তু মুহূৰ্ত্তৰ ভিতৰতে এক অনামী আৱেগে মনৰ ভিতৰখন তোলপাৰ লগালে জেউতি বৰুৱাৰ। কিন্তু তেওঁৰ এই আৱেগ-অনুভূতি, মনৰ ভিতৰত জমা হৈ থকা অজস্ৰ ক্ষোভ উজাৰি তেওঁ কেতিয়াও কাকো একোকে ক'ব নোৱাৰে, এই কথা স্বয়ং জেউতিয়ে জানে। চল্লিশ বছৰীয়া সাংসাৰিক জীৱনত বৰুৱাৰ বিষয়ে নাজানিবলগীয়া একো কথা বাকী নাই, বৰুৱাই নিজক যিমান বুজি পায়, বৰুৱানীয়ে চাগে তেওঁক তাতকৈ বেছিকৈহে বুজি পায়। সৰু সৰু কথাতে সুখী হোৱা মানুহ ব্ৰজেন বৰুৱা, নিজে নাখাই আনক খুৱা মানুহ। সকলোৰে লগত মিলি থাকি ভালপোৱা মানুহ তেওঁ। বৰুৱাৰ সুখী সুখী লগা মুখখন দেখি বৰুৱানীৰো ভাল লাগিল। বৰুৱাৰ সেই বিশেষ খবৰটোৱে বৰুৱাক কিমান সুখী কৰিছে, সেয়া জেউতিয়ে ব্ৰজেন বৰুৱাৰ মুখলৈ চাইয়ে গম পালে। সেই বিশেষ খবৰটো হ'ল বৰুৱাৰ একমাত্ৰ পুত্ৰ সিদ্ধাৰ্থ কৰ্মসূত্ৰে বিদেশত থাকে, এসপ্তাহ আগেয়ে সি ঘৰলৈ আহিব



জেউতিৰ মনত পৰে ইচ্ছা সিদ্ধাৰ্থৰ আহিব লগা সন্তানৰ কথা শুনি তেওঁৰ মুখত এক প্ৰশান্তিৰ ছবি দেখিছিল জেউতিয়ে, নাতিনীয়েকক প্ৰথমবাৰৰ বাবে কোলাত লৈ তেওঁৱে নাম দিছিল জিৰী, জিৰীমা, সেই সময়ত তেওঁ যি অনুভৱ কৰিছিল সেয়া নকলেও বুজিছিল জেউতিয়ে।

বুলি খবৰ পঠাইছে, লগত বোৱাৰীয়েক ইচ্ছা আৰু নাতিনীয়েক জিৰী আহিব, কণমানি জিৰী ককাকৰ আলাসৰ লাডু। জিৰীহঁত আহিব বুলিয়ে ব্ৰজেন বৰুৱাৰ উৎসাহৰ অন্ত নাই। পুত্ৰ-বোৱাৰীৰ কাৰণে বিধে বিধে পিঠা-পনা খোৱা-বোৱাকে ধৰি ক'ত কি আয়োজন নিজে নোৱাৰিলেও ৰমেনৰ হতুৱাই বস্তু গোটাইছে। আৰু জিৰীৰ কাৰণেটো ভালৰ ভালটো বিচাৰি বিচাৰি আনিছে। কিমান হেঁপাহ তেওঁৰ নাতিনীয়েকলৈ, একমাত্ৰ বৰুৱানীয়ে বুজে এইষাৰ কথা। মুহূৰ্ত্তৰ ভিতৰতে পুনৰ মনটো গধুৰ হৈ গ'ল জেউতি বৰুৱাৰ তাকেইটো পুত্ৰ-বোৱাৰীয়ে যদি বুজি পালেহেঁতেন ব্ৰজেন বৰুৱাৰ নাতিনীয়েকলৈ থকা মৰম-চেনেহবোৰ। খং উঠে জেউতিৰ সিদ্ধাৰ্থলৈ, এইবাৰ সম্পূৰ্ণ ২ বছৰৰ বিৰতিৰ মূৰত আহিবলৈ লৈছে সিদ্ধাৰ্থহঁত। ইয়াৰ আগৰ বাৰ আহোঁতে বোৱাৰীয়েক ইচ্ছাক কাণ চোৱাইছিল অসমলৈ একেবাৰে গুচি অহাৰ কথা। ইচ্ছা আজিৰ যুগৰ শিক্ষিতা ছোৱালী, তাই তেতিয়া সিদ্ধাৰ্থৰ চাকৰিৰ দায়িত্ব-সফলতা, তাৰ পদবীৰ গুৰুত্বৰ কথা কয়। তাৰ দৰমহাৰ খতিয়ান দাঙি ধৰে, জিৰীৰ ভৱিষ্যতৰ কথা কয়। ইচ্ছাক বুজি পায় জেউতি বৰুৱাই। একো ক'ব নোৱাৰা হৈ যায় তেওঁ। পুত্ৰক কাষত নোপোৱাৰ দুখে তেওঁকো দহি নিয়ে কিন্তু নিশ্চুপ হৈ ৰয় তেওঁ, ব্ৰজেন বৰুৱাৰ মুখলৈ চাই নিৰৱে সকলো সহ্য কৰে তেওঁ, ব্ৰজেন বৰুৱাৰ আগত সেয়ে পৰাপক্ষত একোৱে নকয় তেওঁ।

জেউতিয়ে জানে ব্ৰজেন বৰুৱাইও আশা কৰে, তেওঁৰ সমবয়সীয়া কাকতি, শৰ্মাহঁতৰ দৰে তেওঁলোকৰ ঘৰখনো পূৰ্ণ হৈ থাকক। কণমানি জিৰীৰ কথাৰে মুখৰিত হৈ ৰওঁক প্ৰতিটো পুৱা-গধূলি।

জেউতিৰ মনত পৰে সিদ্ধাৰ্থ সৰু হৈ থাকোঁতে, বাৰীত বিধে বিধে ফলমূল ৰুইছিল তেওঁ, উঠি অহা ল'ৰা-ছোৱালীয়ে বতৰৰ ফলকেইটা খাবলৈ পাব সেইটো হেঁপাহতে বহুতো ফলৰ পুলি আনিছিল। শিক্ষকতা কৰা ব্ৰজেন বৰুৱাই স্কুলখন আৰু আজৰি সময়ত বাৰীখনৰ মাজত ব্যস্ত হৈ থাকি ভাল পাইছিল। আৰু এতিয়া সেইজন মানুহ আগফালৰ সৰু বাৰাণ্ডাখনত থকা বেতৰ চকীখনৰ ওপৰত বহি বাতৰি কাগজ পঢ়ে, অৱসৰ লোৱা কিছু বছৰ হ'ল তেওঁৰ, সেয়ে একো ব্যস্ততাও নাই। জেউতিয়ে যি দিব তাকেই একো বাক্য নকৰাকৈ গ্ৰহণ কৰিব আৰু একো নহ'লে আগফালৰ বাটেৰে যোৱা মানুহ চাব। জেউতিয়ে বুজে তেওঁক, তেওঁৰ ভিতৰৰ মানুহজনক, মুখ ফুটাই একো নকলেও জেউতিয়ে জানে, ব্ৰজেন বৰুৱা জেউতিৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল, তেখেতে কেতিয়াও নকয় জেউতিক, কিন্তু জেউতি নহ'লে পুৱাৰ চাহ কাপো নাখায় তেওঁ, জেউতি অবিহনে যে তেওঁৰ পৃথিৱীখন আধৰুৱা, আন্ধাৰ সকলো বুজে। জেউতিয়ে সেয়ে তেওঁক এৰি থৈ থকাকৈ কলৈকো নাযায় জেউতি বৰুৱা।

জেউতিৰ মনত পৰে ইচ্ছা সিদ্ধাৰ্থৰ আহিব লগা সন্তানৰ কথা শুনি তেওঁৰ মুখত এক প্ৰশান্তিৰ ছবি দেখিছিল জেউতিয়ে, নাতিনীয়েকক প্ৰথমবাৰৰ বাবে কোলাত লৈ তেওঁৱে নাম দিছিল জিৰী, জিৰীমা, সেই সময়ত তেওঁ যি অনুভৱ কৰিছিল সেয়া নক'লেও বুজিছিল জেউতিয়ে।

কিন্তু এতিয়া সেইবোৰ মাথোঁ অতীত, অতীতৰ এক পৃষ্ঠা। এতিয়া বহুদিনৰ মূৰতহে ব্ৰজেন বৰুৱাৰ মুখত হাঁহি দেখা পায় জেউতিয়ে সিদ্ধাৰ্থ সৰু হৈ থাকোঁতে লগোৱা ফলমূলৰ গছসমূহ পিছলৈ যেন মাথোঁ ব্ৰজেন বৰুৱাৰ স্নেহৰ স্বাক্ষৰ বহন কৰি থিয় দি আছিল। ৰমেনক কৈ কেতিয়াবা জেউতিয়ে গোটাই আনি থ'লেও খাওঁতা কোনো নাছিল। গছৰ ফল কেতিয়াবা চুবুৰীয়াই নিছিল নহ'লে গছতে পকি সৰি গৈছিল।

আগেয়ে সকলোৰে মাজত সোমাই থকা সকলোকে মৰম কৰা ব্ৰজেন বৰুৱা এতিয়া যেন নিসংগ। বাৰাণ্ডাত বহি আলিবাটৰ মানুহ চাই থকা ব্ৰজেন বৰুৱা যেন এজন অন্য যুগৰ মানুহ, যেন এক প্ৰস্তৰ মূৰ্তি। জেউতিয়েও চেষ্টা নকৰা নহয়, ঘৰখনৰ এই নিমাওমাও পৰিৱেশৰ সলনি কৰিবলৈ। কিন্তু একো পৰিৱৰ্তন নঘটে। ব্ৰজেন বৰুৱা আগৰ দৰেই বৈ থাকে, যেন এক শিলাখণ্ড। সকলো চিন্তা-ভাবনা যেন হেৰাই গ'ল তেওঁৰ। একেখন ঘৰত থাকিও যেন এক দূৰত্বত অৱস্থান কৰে তেওঁ। আপ্ৰাণ চেষ্টা কৰে জেউতিয়ে ব্ৰজেন বৰুৱাক আগৰ দৰে চাবলৈ। পত্নী হিচাপে, সকলো দায়িত্ব আৰু কৰ্তব্য নিষ্ঠা সহকাৰে পালন কৰে তেওঁ, তথাপি ব্ৰজেন বৰুৱা নিমাত। ঘৰখনত বিৰাজ কৰে মাথোঁ শূণ্যতা। আৰু সেইজন বৰুৱাই

Scanned with OKEN Scanner

আজি এসপ্তাহে পুত্ৰ-বোৱাৰী-নাতিনী অহাৰ আনন্দত জেউতি আৰু ৰমেনক ব্যস্ত কৰি ৰাখিছে। ঘৰখনলৈ যেন প্ৰাণ ঘূৰি আহিছে, সেয়ে আমনি পালেও ৰমেনে একো কোৱা নাই , কষ্ট পালেও জেউতিয়ে পাৰে মানে সকলো ব্ৰজেন বৰুৱাৰ মতে কৰিছে, নিজৰ ককাঁলৰ বিষ আওকাণ কৰি হ'লেও তাকুৰী ঘূৰাদি ঘূৰিছে জেউতি কাৰণ যিদিনা ব্ৰজেন বৰুৱাই জেউতিক সমাজৰ আগত অগ্নিক সাক্ষী কৰি পত্নীৰ মৰ্যাদা দিছিল, সেই নিশা জেউতিয়ে তেখেতৰ ভৰি চুই সেৱা কৰিব লওঁতে তেওঁ কৈছিল, "মই তোমাৰ স্বামী, দেৱতা নহয় আৰু তুমি মোৰ পত্নী, মোৰ অৰ্ধাংগিনী।" সেই দিন ধৰি জেউতিয়ে নিজকে ব্ৰজেন বৰুৱাৰ আধা অংশ হিচাপে মানি আহিছে, স্বামী-শহুৰ-শাহু কাকো কোনো কথাতে কেতিয়াও অসন্তোষ হ'বলৈ সুবিধা নিদিলে জেউতিয়ে।ব্ৰজেন বৰুৱাৰ লগত সম্পৰ্কিত সকলোকে নিজৰ কৰি ল'লে খুব সোনকালেই। কাৰণ জেউতি ব্ৰজেন বৰুৱাৰ পত্নী, তেখেতৰ সুখ-দুখৰ সংগী। সেয়ে তেখেতৰ মৌনতা সহ্য নহয় জেউতিৰ, তেখেতৰ অন্তৰৰ বেদনাক আঁতৰ কৰিবলৈ সেয়ে যিকোনো কাম কৰিবলৈ সদা প্ৰস্তুত জেউতি বৰুৱা। জেউতিয়ে জানে, এয়া সিদ্ধাৰ্থৰ দোষ নহয়, ইচ্ছাৰো নহয়, এয়া দোষ সময়ৰ, বৰ্তমানৰ পৃথিৱীত সকলো ব্যস্ত, সকলো আগবাঢ়ি গৈছে আৰু তাৰ মাজতে লগত থাকিও পাছ পৰি ৰৈছে, ব্ৰজেন বৰুৱাৰ দৰে মানুহবোৰ। তেওঁ ঠিক কৰিলে এইবাৰ সিদ্ধাৰ্থ বা ইচ্ছা কাকো তেওঁ অসমলৈ একেবাৰে অহাৰ কথা নকয়।ব্ৰজেন বৰুৱাৰ নিৰৱতা আৰু তেওঁ সহিব নোৱাৰে, এইবাৰৰ পৰা তেওঁ অলপো চেষ্টাৰ ত্ৰুটী নকৰে, ব্ৰজেন বৰুৱাক সুখী কৰিবলৈ। কাৰণ জেউতি ব্ৰজেন বৰুৱাৰ পত্নী, তেওঁৰ আধা অংশ, তেওঁৰ অৰ্ধাংগিনী।

★★★★★★





# প্লট

—সবিতা শইকীয়া
পঞ্চম ষান্মাসিক
ইংৰাজী বিভাগ

পুৱাৰ সময়খিনি সদায়ে থৰধৰ হয় লোপামুদ্ৰাৰ। চেষ্টা ক'ৰিও সোনকালে উঠাৰ অভ্যাস এটা গঢ়ি তুলিব পৰা নাই। ৫ বজাত দিয়া এলাৰ্ম অফ্ ক'ৰি সদায় ৮ বজালৈকে শুই থাকে তাই। হোষ্টেলটো কলেজৰ ওচৰতে হোৱাৰ বাবে আটাইতকৈ বেছি সুবিধা যেন তাইৰে হৈছে। দেৰিকৈ উঠাৰ বাবে বাথৰূমত চিট তাই কোনোদিনেই নাপায়। পুৱাৰে পৰা বাল্টি-মগেৰে সৈতে ছোৱালীবিলাকৰ লাইন লাগি থাকে। আজিও লোপামুদ্ৰাৰ ব্যতিক্ৰম নহ'ল। ৮ বাজি ১৫ মিনিট যাওঁতে বিছনাৰ পৰা ধৰ্মহাই নামি ব্ৰাছ, চাবোন, টাৱেল আদি লৈ তাই বাথৰূমলৈ দৌৰ মাৰিলে। ৯.১৫ ৰ ক্লাছৰ দোহাই দি কোনোমতে জুনিয়ৰ এজনীৰপৰা চিটটো ল'লে। গা ধুই থকা অৱস্থাতে হোষ্টেলত পুৱাৰ ভাতৰ বাবে দিয়া বেলটো টংকৈ বাজি উঠিল। তাই থৰধৰ ক'ৰিবলৈ চেষ্টা ক'ৰিলে। এই দেৰিকৈ উঠা স্বভাৱটোৰ বাবেই পুৱাৰ ভাত সাজ তাই প্ৰায়ে লগৰকেইজনীৰ লগত খাবলৈ নাপায়। আজিও একেই হ'ল। গা ধুই ভাতকেইটা নাকে-মুখে গুজি ডাইনিং হ'লৰপৰা ৰূমলৈ আহে মানে ইতিমধ্যে ন বাজি দহ মিনিট গ'ল। বাহিৰত তাইৰ মেজৰমেটকেইজনীৰ নেৰানেপেৰা চিঞৰ আৰম্ভ হ'ল। ইউনিফৰ্মযোৰ কোনোমতে গাত সোমোৱাই, চুলিখিনি আঁচুৰি, পাতলকৈ লিপষ্টিক অলপমান লগাই মানে তাহাঁতৰ সপ্তমবাৰমানৰ বাবে চিঞৰা চিঞৰটো কাণত পৰিলহি। বেগটো আৰু ঘড়ীটো হাতত লৈ দোপাট্টাখনত পিন মাৰি মাৰি তাই থৰথেদাকৈ ওলাই গ'ল। দোপাট্টাত পিন মৰা আৰু ঘড়ী পিন্ধা কামটো ৰূমত ক'ৰাৰ সৌভাগ্য তাইৰ কোনোদিনেই নহ'ল।

হোষ্টেলৰ গেট পাৰ হৈ তাইৰ মনটো মুকলি লাগি গ'ল। পুৱাৰ উদ্যমতাৰে মনটো ভৰি পৰিল। বতৰটো কিছু ডাৱৰীয়া। চিপ্‌চিপ্‌কৈ বৰষুণৰ টোপালবোৰ পৰি আছে। বৰষুণ ভাল লাগে তাইৰ ... বহুত বেছি। আকাশৰ কক্ষৰপৰা বগা বগা টোপালবোৰ যেন সৰি পৰে ধৰিত্ৰীৰ লগত প্ৰেমালিংগন কৰিবলৈ। বৰষুণৰ মাজত তাই বহুদিন বিচ্ছেদ হৈ থকা প্ৰেমিক আৰু প্ৰেমিকাৰ উন্মাদনাপূৰ্ণ মধুৰ আলিংগন দেখিবলৈ পায়। এৰা..... কিমান দূৰৰ পৰা যে সৰি আহে টোপালবোৰ, একমাত্ৰ যেন ধৰিত্ৰীৰ বুকু চুবলৈ। ধ্যেৎ..... ! কল্পনাৰ ৰাজ্যৰপৰা উটি-ভাঁহি যেন ক'ৰবাত পৰিলগৈ তাই। বৰষুণজাকে বিশ্বাসঘাটকতা কৰি দিলে। ৰাস্তাৰ কাষৰ নলাৰপৰা অহা মস্ত গেলা গোন্ধ এটাই তাইৰ ৰোমাণ্টিক অনুভৱখিনিক যেন ভেঙুচালি কৰি উঠিল।

"ওক..., দোপাট্টাখনৰ আগটোৰে তাই নাক-মুখ হেঁচি ধৰিলে। ক্ষন্তেক আগলৈকে বৰষুণৰ প্ৰতি থকা মায়া কৰ্পূৰৰ দৰে উৰি গ'ল। লগৰকেইজনীয়েও মুখত সোপা দি মিউনিচিপালিটি নে ইন্দ্ৰ দেৱতাকে বকিলে তাই ধৰিব নোৱাৰিলে।

আছে। আজিও আছে ল'ৰাটো। দহবছৰমান বয়সৰ এটা সৰু ল'ৰা। কেইবাদিনৰপৰা তাই লক্ষ্য কৰিছে ল'ৰাটোক। কলেজৰ কাষতে ওপৰত টিৰ্পাল আৰু তলত বাঁহৰ চাং দি বহা সৰু বজাৰখনৰ ঠাইতে ৰাতি থাকে সিহঁত। দোকানীবোৰে খেদি দিয়ে বাবে দিনত থাকিব নাপায়। কিন্তু লোপাহঁত কলেজলৈ



যোৱাৰ সময়লৈকে দোকানীবোৰ নাহে বাবে সিহঁত তাতেই থাকে। তাৰ দৰে আৰু কেইবাটাও অঘৰী ল'ৰা আৰু দুজনীমান মাইকী মানুহ থাকে। আনবোৰ ল'ৰাই কিবা বস্তু লৈ খোৱা-কামোৰা কৰি থাকে। কিন্তু এই ল'ৰাটো..... সি যেন সকলোৰেপৰা পৃথক কোনোবাখিনিত। জীৰ্ণ-শীৰ্ণ তাৰ অকণমানি গাটো, কোটৰত সোমোৱা চকুকেইটাত এক বিষণ্ণতা আৰু যেন কিবা এক অনামী আগ্ৰহ জিলিকি থাকে। কি এই আগ্ৰহ....? যি আকুলতাৰে সি চাই থাকে কলেজখনলৈ, ব্যস্ততাৰে অহা-যোৱা কৰা ছোৱালীবোৰলৈ, শিক্ষকসকললৈ? ক্লাছৰ মাজতো প্ৰশ্নটো দুলি থাকে লোপাৰ মনত।

গতানুগতিকভাৱেই পাৰ হৈ গৈছে জীৱন। কলেজৰ আলোচনী বিভাগৰ সম্পাদিকা তথা তাইৰ ভাল বান্ধৱী লিকুৱে তাইক বাৰে বাৰে কৈ আছে কলেজৰ আলোচনীখনলৈ গল্প এটা দিবৰ বাবে। তাই ভাবিছে যদিও মনঃপুত প্লট এটা পোৱা নাই। সাম্প্ৰতিক সমাজখন ইমানেই বিশৃংখল আৰু সমস্যা জৰ্জৰিত যে বিচাৰিলেই প্ৰত্যেকটো দিশতে গল্প, উপন্যাসৰ বাবে একোটা প্লট পাব পাৰি। গতিকে তাইৰো অধিক মাছত বগলী কণা হোৱাৰ দৰে হৈছে।

কলেজলৈ আহোঁতে তাই মন কৰিলে যে দুদিনমানৰ পৰা ল'ৰাটো সেই ঠাইত নাই। চাৎকৈ তাইৰ মনত খেলাই গ'ল যে এই ল'ৰাটোক লৈওটো এটা প্লট হৈ যাব পাৰে। তাৰ চকুৰ বিষণ্ণতাত কিজানি লুকাই আছে এটা সুন্দৰ প্লট। পলম নকৰি তাই কাষৰে গুমটিখনৰপৰা চিপ্‌চ কিনাৰ চলেৰে আগুৱাই গ'ল। দোকানীজনক পইচা দি চল চাই তাই ওচৰতে বহি থকা অঘৰী মানুহজনীক ল'ৰাটোৰ কথা সুধিলে। মানুহজনীয়ে ক্ষন্তেক তভক মাৰি ৰৈ তাইলৈ চাই ৰুক্ষ মাতেৰে ক'লে –

"কোন ল'ৰাৰ কথা সুধিছ? ইয়াত বহুত জহৰা থাকে। কাক লাগে?"

মানুহজনীৰ মাতৰ ৰুক্ষতাত তাই অবাক হ'ল। 'জহৰা' মানে কি তাই নুবুজিলে। কোনোদিনেই কাৰোৰেপৰা টান শব্দ এটা নুশুনাকৈ মা-পাপাকৰ মৰমৰ আশ্ৰয়ত ডাঙৰ হোৱা ছোৱালী লোপামুদ্ৰা। মানুহজনীৰ ৰুক্ষতাত তাই উপলব্ধি কৰিলে দৰিদ্ৰতাই মানুহক 'মানুহ' হোৱাৰপৰা বঞ্চিত কৰে। মনৰ ভাৱবোৰ জোকাৰি তাই পুনৰ সুধিলে –

'সেই যে সৰু ল'ৰাটো। কলেজৰ ফালে যে বৰকৈ চাই থাকে।"

'অ' সেইটো' – মানুহজনীয়ে উত্তৰ দিলে, "বানপানীত ঘৰ-মাটি হেৰুৱাই মাকৰ লগত আহিছিল সি। অহাৰ দুদিনৰ

Scanned with OKEN Scanner

পিছতে মাকজনী মৰি থাকিল, কলেৰা হৈছিল। ইপিনে পেটত বাচ্ছা এটা আছিল, ক'ত বাচিব। ইয়াক আমাৰ ডিঙিত ওলোমাই থৈ গ'ল। দুদিনৰ পৰা জ্বৰ। সৌটো তাতে পৰি আছে।”

মানুহজনীয়ে দেখুৱাই দিয়াৰ ফালেই তাই চালে।

হয়, আছে। মানুহজনীয়ে তেতিয়াও অনৰ্গলভাৱে বকিয়ে আছিল –

“চাল্লা.....হাৰামীক মাগিবলৈ পঠিয়াও নাযায়। কলেজলৈ চাই থাকে, পঢ়িবলৈ মন বেটাৰ। চাল্লা, লোকৰ পেলনীয়া খাই পঢ়াৰ কথা কয়।”

মানুহজনীৰ কথাবোৰ তাইৰ কাণত নোসোমোৱা হৈ আছিল।

এখোজ দুখোজকৈ তাই ল'ৰাটোৰ ফালে আগবাঢ়ি গ'ল। লেতেৰা, ফটা-চিটা কম্বল এখন লৈ ল'ৰাটো পৰি আছে। কাষত মাখি কিছুমান উৰি আছে। ওচৰ পাই তাই চুও-নুচুওকৈ ল'ৰাটোৰ কপালখনত হাত দি চালে। আস্ হাতখন যেন পুৰি যাব। ল'ৰাটোৱে লাহেকৈ চকু দুটা মেলি চালে। তাৰ যেন খুব কষ্ট হৈছে। শুকান ওঁঠ দুটা অলপকৈ কঁপি উঠিল। ক্ষীণকৈ যেন হাঁহি এটা বিৰিঙি উঠিছে। কিন্তু সেয়া হাঁহি নে কান্দোন লোপাই ভালকৈ ধৰিব নোৱাৰিলে। ল'ৰাটোৱে তাইক দেখি যেন অলপো আচৰিত নহ'ল। হয়তো তাৰ নিচিনাকৈ তাইও তাৰ চিনাকি হৈ পৰিছে। ল'ৰাটোৱে সেহাঁই সেহাঁই কিবা এটা কৈছে। তাই অলপ হাওলি শুনিবলৈ যত্ন কৰিলে।

ম-মই স্কুল যাম। ডা-ডাঙৰ মানুহ হ'ম। কিতাপ আ-আছে আপোনাৰ?

তাই স্তম্ভিত হৈ ৰ'ল। ভাষাবোৰ যেন ক'ৰবাত হেৰাই গ'ল। কি ক'ব খুজিছে এই জীৰ্ণ-শীৰ্ণ ৰোগীয়া ল'ৰাটোৱে। তাইৰ মমতা দেখি সি পইচা বিচৰা নাই। খোৱা বস্তুও বিচৰা নাই। সি এখন কিতাপ বিচাৰিছে। এৰা.......এখন কিতাপ। তাইৰ ভৰিৰপৰা মূৰলৈ সমস্ত শৰীৰটো যেন কঁপি উঠিল। সি পুনৰ সেহাঁই সেহাঁই কলে –

“অকল এ-এবাৰ চুই যাম। দি-দিব কিতাপ?”

কি কৰো কি নকৰোকৈ তাই বেগটোৰ চেইনডাল খুলিলে। হাতত উঠি আহিল ছেক্সপীয়েৰৰ 'কিং লিয়েৰ'খন। ক্লাছত পঢ়াই আছে এইকেইদিন। সৰু ল'ৰাটোৰ মন আৰু মগজুৱে চুকি পোৱাতকৈ বহু দূৰৰ এখন কিতাপ। কিন্তু এয়া কি .....। ল'ৰাটোৱে কিতাপখন আকুলতাৰে হাত পাতি ল'লে। কিতাপখন তাৰ অকণমানি বুকুখনত জোৰকৈ হেঁচি ধৰিলে। তাৰ পিছত খুব মৰমেৰে সি কিতাপখনত হাত বুলাবলৈ ধৰিলে। অলপ টানকৈ ধৰিলেই যেন ভাগি যাব পৃষ্ঠাবোৰ।

বাংময় হৈ থিয় দি থাকিল লোপামুদ্ৰা। মনৰ অজানিতে দুচকুৰে বৈ আহিল দুটোপাল তপত লোতক। যিটো দৃশ্য তাই এতিয়া দেখি আছে সেয়া তাই বৰ্ণনা কৰিবলৈ অপাৰগ। কিবা এক অজান উপলব্ধিত গাৰ নোমবোৰ শিয়ঁৰি উঠিল তাইৰ। ক্লাছত মেমে বাৰে বাৰে কোৱাৰ পিছতো আজিলৈকে তাই কিতাপখন পঢ়ি শেষ কৰিব নোৱাৰিলে। কিন্তু এই ল'ৰাটোৰ, যাৰ খাবলৈ পিন্ধিবলৈ একো নাই তাৰ কিতাপৰ প্ৰতি থকা আগ্ৰহ আৰু আকুলতাই তাইৰ ভিতৰৰ মানুহজনীক জোকাৰি গ'ল। ল'ৰাটোৱে কিতাপখন ঘূৰাই দিছে। যন্ত্ৰবদ্ধভাৱে তাই হাত পাতি ল'লে। লাহে লাহে তাই কলেজৰ ফাললৈ খোজ পেলালে।

এৰা........পাই গ'ল এটা প্লট। কিন্তু ঘটনাটো কেৱল এটা প্লট হিচাপে ল'বলৈ যেন তাইৰ বুকুখন বিষাই উঠিল। এয়া যে এক জীয়া সত্য, বঞ্চনা নকৰা এক নিষ্ঠুৰ সত্য। তাইৰ দেশখনৰ, তাইৰ ৰাজ্যখনৰ সদা অৱহেলিত দিশটোৰ এক জ্বলন্ত প্ৰতিনিধি। কি কৰিছে সকলো থকা মানুহখিনিয়ে এই জীৱনৰ একো অৱলম্বন নথকা মানুহখিনিৰ বাবে? অন্তত মানৱীয়তাৰ খাতিৰত হ'লেহে? প্ৰত্যেক মাহতে দেউতাকে তাইলৈ পইচা পঠিয়ায়। যিমান দৰকাৰ সিমান কিতাপ ল'বলৈ। তাই লয় কিন্তু সিমান আগ্ৰহেৰে তাৰ ব্যৱহাৰ কৰেনে যি আকুলতাৰে ল'ৰাটোৱে তাইৰ কিতাপখন চুই চাইছিল? তাৰ সেই আঙুলিকেইটা, জীয়াই থাকিবলৈ বিদ্ৰোহ কৰা তাৰ বাঁহৰ কামি যেন হাতখন। দামী বাইক, ফোন নিদিলে আজিৰ ল'ৰা কলেজলৈ নাযায়। পঢ়াৰ নামত এখন উচ্চ মাৰ্কশ্বিটৰ পিছত দৌৰি ফুৰে সিহঁতবোৰ। পঢ়াৰ প্ৰতি দুৰ্বাৰ আগ্ৰহ থকা সেই ল'ৰাটো আৰু কেৱল মাৰ্কচ্‌ৰ পিছত দৌৰা সিহঁতবোৰৰ বাবে কিমান পৃথক হ'ব পাৰে শিক্ষাৰ সংজ্ঞা! হয়তো বহুত বেছি।

এৰা, পাই গ'ল তাই এটা পাৰফেক্ট প্লট। এই প্লট কেৱল তাইৰ গল্পটোৰ বাবেই নহয়, এই সমাজখনৰ বাবেও। য'ত কৃত্ৰিমতাৰে ঢাকি ৰাখিব বিচৰা হয় নিষ্ঠুৰ সত্যবোৰক। এনেকুৱা আৰু হাজাৰটা প্লট ওলাব এইখন সমাজত। এই হাজাৰটা প্লটে হাজাৰজন মানুহৰ মন চুলেওতো হ'ব। নুচুবনে? কলিতে মৰহি যাব খোজা সমাজৰ বাবে প্ৰকৃতাৰ্থত প্ৰয়োজনীয় এই জীৱনবোৰৰ বাবে তেওঁলোকে নলবনে একো পদক্ষেপ???

# এটা গল্পৰ প্লট বিচাৰি

— মিনাক্ষী গগৈ
স্নাতক তৃতীয় ষান্মাসিক
ইংৰাজী বিভাগ

নীয়ৰৰ মনটো আজি কিবা অচিন সাগৰত বুৰ গৈ আছিল। তাই সিহঁতৰ কলেজৰ আলোচনীত দিবলৈ এটা গল্প লিখিম ভাবিছিল। তাই ঘৰৰ বাৰাণ্ডাতে বহি কি লিখিব চিন্তা কৰি আছিল। অলপ সময় একো মনলৈ অহা নাছিল, কি লিখিব তাই। তেনেতে তাইৰ মনত পৰিল সিহঁতৰ গাঁৱৰ নিৰলা পেহীৰ কথা। নিৰলা পেহী গাঁৱৰ অতি নম্ৰ, ভদ্ৰ মহিলা আছিল। সকলোৰে লগত সহজতে মুকলিমুৰীয়াকৈ কথা পাতিব পাৰিছিল, হাঁহি-ধেমালী কৰিব পাৰিছিল। কিন্তু পেহীৰ জীৱনটো দুখেৰে পৰিপূৰ্ণ আছিল। সাংসাৰিক জীৱনৰ পাতনি মেলা পাঁচ বছৰমানৰ পাছতেই তেওঁৰ গিৰিয়েকৰ অকাল মৃত্যু ঘটে। তেতিয়া নিৰলা পেহী বহুত ভাগি পৰিছিল। খাবলৈ, শুবলৈ পাহৰি গৈছিল। কিন্তু তেওঁ তেনেকৈ থাকিলে তেওঁৰ ঘৰখন নচলে। তাৰোপৰি দুটি সন্তানৰ মাতৃ আছিল নিৰলা পেহী, সেইবাবে আৰে-তাৰে ঘৰত কাম কৰি হ'লেও তেওঁ ল'ৰা-ছোৱালী দুটাক দুবেলা-দুমুঠি খোৱাই ডাঙৰ-দীঘল কৰিছিল। আনকি দুইটাকে দুশ্ৰেণী পঢ়াইছিলোঁ।



পোন্ধৰ বছৰ পাছৰ কথা। ল'ৰাটোৱে মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈছিল আৰু তেতিয়াৰ দিনত সেয়াই যথেষ্ট আছিল। ঘৰখনত সেইদিনা আনন্দৰ জোৱাৰ উঠিছিল। নিৰলা পেহীৰ কষ্টই সেইদিনা সাৰ্থকতা লাভ কৰিছিল। ঘৰখন সেইদিনা মানুহে ভৰপূৰ হৈ গৈছিল ৰিজাল্টৰ খবৰ ল'বলৈ। ঘৰৰ আৰ্থিক অৱস্থা ভাল নহয় বাবে নিৰলা পেহীৰ ল'ৰা পোনাকণে উচ্চ শিক্ষানুষ্ঠানত নামভৰ্তি কৰিব নোৱাৰিছিল। মাকৰ দুখ দূৰ কৰিবলৈ কেইদিনমানৰ পাছতে সি কোম্পানী এটাত কাম কৰিব গৈছিল। সি তাত থাকি ল'ব লগা হৈছিল আৰু ঘৰৰ খা-খবৰ ল'ব নোৱাৰিছিল। ঘৰত মাক আৰু ভনীয়েক ওৰে ৰাতি তাৰ চিন্তাত সাৰ পাইয়ে কটাইছিল। নিৰলা পেহীয়ে কেতিয়াবা ৰাতি শোৱাৰ পৰা উঠি 'পোনাকণ' বুলি চিএঞৰি উঠিছিল। তেওঁৰ এনেদৰে চিএঞৰাটো নিত্য নৈমিত্তিক ঘটনাত পৰিণত হৈছিল। পেহীৰ ছোৱালীজনীৰ নাম আছিল 'পাহি' মাকে মৰমতে 'সোণজনী' বুলি মাতিছিল। মাকৰ এই চিএঞৰ-বাখৰবোৰত পাহিয়ে বাৰুকৈয়ে ভয় খাইছিল। কেতিয়াবা গাড়ী এখন ৰখোৱা শব্দ শুনিলে মাকে কৈ উঠে "সোণজনী, দাদা আহিছে

চাগে, চাচোন চা।" কেতিয়াবা মাকে বাৰাণ্ডাতে বহি পদূলিটোলৈ চাই পুতেক আহিব ভাবি বাট চাই থাকে। মাকৰ এনে কাণ্ডবোৰ দেখি পাহিয়ে ৰুমৰ ভিতৰতে মাকে নেদেখাকৈ কান্দি থাকে।

এদিন দুপৰ নিশা হঠাৎ এখন গাড়ীৰ ব্ৰেক মৰা শব্দ শুনা গৈছিল মাকে পোনাকণ আহিছে বুলি দৌৰ মাৰি যোৱা দেখি পাহিও লগত গৈছিল। গৈ দেখে এটা নিথৰ দেহা পদুলিমুখত কোনোবা দুবৃত্তই পেলাই থৈ গৈছে। মুখখন চাই দেখে সঁচাকৈয়ে সেয়া নিৰলা পেহীৰ সন্তান 'পোনাকণ'। মাক আৰু ভনীয়েকে চিঞৰি চিঞৰি কান্দিবলৈ ধৰিছিল। তেওঁলোকৰ কান্দোন শুনি ওচৰ-চুবুৰীয়া কিছু লোক আহি তেওঁলোকৰ পদূলিমুখত পাইছিলহি। পোনাকণৰ মৃতদেহ দেখি গাঁৱৰ বহুলোকৰ চকুপানী ওলাইছিল। সকলোৱে আশা কৰিছিল পোনাকণে ভাল কিবা চাকৰি কৰিব আৰু মাক আৰু ভনীয়েকক সুখত ৰাখিব। কিন্তু বিধিৰ লিখন কোনে সলনি কৰিব পাৰে। ওচৰ-চুবুৰীয়া সকলোৱে নিৰলা পেহীক সান্ত্বনা দিছিল। পুৰুষসকলে পোনাকণৰ মৃতদেহটো শ্মশানলৈ নিয়াৰ ব্যৱস্থা কৰিছিল। কিন্তু মাকে শ'টোক সাৱটি ধৰি আছিল আৰু কোনোপধ্যেই এৰি দিয়া নাছিল। ওচৰৰ মহিলাকেইগৰাকীমানে যেনেতেনে ধৰি ভিতৰলৈ লৈ গৈছিল। নিৰলা পেহীয়ে জ্ঞান শক্তি হেৰুৱাই পেলাইছিল। অলপ সময়ৰ পাছত যেতিয়া জ্ঞান শক্তি ঘূৰাই পাইছিল তেতিয়া কাষত জীয়েক আৰু নিৰলা পেহীৰ ভায়েক ৰৈ আছিল। তেতিয়া নিৰলা পেহীয়ে সকলোৰে লগত ভালদৰেই মাত-কথা পাতি আছিল। ক্ৰমান্বয়ে যেতিয়া নিশা নামি আহিছিল তেতিয়া ঘৰত নিৰলা পেহী, তেওঁৰ ভায়েক আৰু পাহি (সোণজনী) আছিল। তিনিও এটা কোঁঠাত একেলগে বহি আছিল। হঠাৎ নিৰলা পেহীয়ে বহাৰ পৰা উঠি পোনাকণৰ শ'টো পেলাই থৈ যোৱা ঠাইলৈ গৈ হিয়া উজাৰি কান্দিব ধৰিছিল। অলপ সময়ৰ পাছত ভায়েক আৰু জীয়েকে তেওঁক নিজৰ শোৱা কোঁঠালৈ লৈ গৈ শুৱাই দিছিল। তেওঁৰ টোপনি অহা যেন দেখিলত পাহিকো মামাকে শুবলৈ কৈছিল। তায়ো নিজৰ শোৱা কোঁঠালৈ গৈ উচুপি আছিল। মনে মনে তাইয়ো ককায়েকৰ অনুপস্থিতি অনুভৱ কৰি কান্দি উঠে কিন্তু মাকৰ আগত নেদেখুৱাই তাইৰ দুখ।

পাছদিনা ৰাতিপুৱা পোনাকণৰ আত্মাৰ সদ্গতিৰ কাৰণে ভকত মাতি নাম লোৱা হৈছিল। দিনটো ঠিকমতেই পাৰ হৈছিল। ক্ৰমান্বয়ে যেতিয়া ৰাতি নামি আহিছিল ঘৰৰ সকলো শুই গৈছিল। অলপ সময়ৰ পাছতেই নিৰলা পেহীয়ে হাতত দা এখন লৈ চিঞৰি চিঞৰি ঘৰৰ পৰা ওলাই কৈছিল, "কোন পাষণ্ডই মোৰ পোনাকণক মোৰ পৰা কাঢ়ি নিলি! তহঁতক, তহঁতক মই মাৰি পেলাম। নিৰলা পেহীৰ চিঞৰ-বাখৰ শুনি ভায়েক আৰু জীয়েকে শোৱাৰ পৰা উঠি ৰাস্তালৈ গৈ মাকক ঘৰলৈ লৈ গৈছিল। এসপ্তাহমান নিৰলা পেহীৰ ভায়েকে-বায়েক আৰু ভাগিনীয়েকক ৰাখিছিলহি। কিন্তু তেওঁৰো এখন ঘৰ আছে, সংসাৰ আছে সেইবাবে তেওঁ বায়েক আৰু ভাগিনিয়েকক তেওঁৰ ঘৰলৈকে লৈ যাব খুজিছিল। কিন্তু নিৰলা পেহী মান্তি নহৈছিল। নিৰলা পেহীৰ মুখৰ পৰা এযাৰ বাক্যই শুনা গৈছিল, "মই নাযাওঁ, পোনাকণ আহিব।" নিৰলা পেহীৰ ভায়েক মহা চিন্তাত পৰিছিল। ভাগিনীয়েকজনীক এনে এটা পৰিৱেশত এৰি থৈ যাবৰ তেওঁৰ সাহস নহ'ল। আৰু ওচৰ-চুবুৰীয়া বহু লোকে পাহিক মামাকৰ লগত তেওঁৰ ঘৰলৈ লৈ যাব কৈছিল। পাহিৰ মাকক এৰি যাব অলপো মন নাছিল কিন্তু মামাক আৰু ওচৰ-চুবুৰীয়াৰ বুজনিত তাই মামাকৰ লগত তেখেতৰ ঘৰলৈ গৈছিল।

এদিন পাহিয়ে মামাকৰ ঘৰৰ পৰা অকলে অলপ ওলাই আহিছিল। মামাকৰ ঘৰ চহৰতে। গাড়ীৰ সমাগম অধিক। সেইদিনা তাই মাক আৰু দাদাকৰ কথা মনত পেলাই এখন অচিন ঠাইত খোজকাঢ়ি আহি আছিল। তাই শুনা নাপাইছিল গাড়ীৰ শব্দ। তেনেতে এখন গাড়ীয়ে আহি তাইক পাছফালৰ পৰা খুন্দা মাৰি থৈ গৈছিল আৰু তাইৰ লগেলগে মৃত্যু হৈছিল। মামাকে তাইৰ এক্সিডেণ্টৰ খবৰ পাই পোনে পোনেই তাইক হস্পিতেললৈ লৈ গৈছিল। কিন্তু তেতিয়া বহুত পলম হৈছিল আৰু তাইৰ মৃত্যু হৈছিল। হস্পিতেলৰ পৰা মামাকে পাহিৰ মৃতদেহটো বায়েকৰ ঘৰলৈ লৈ গৈছিল। পাহিৰ মৃতদেহ দেখি মাকে প্ৰথমে কন্দা নাছিল। মাকে কৈছিল, "সোণজনী মই তোমাৰ লগত মামাৰ ঘৰলৈ নোযোৱা বাবে তুমি বেয়া পাই আছা ন'। তেতিয়াও তাই মাত নমতাত মাকে সোণজনী, সোণজনী বুলি গা জোকাৰি কান্দিবলৈ ধৰিছিল।

উস্, ভগৱানৰ কি যে লীলা। যাক সুখ দিয়ে তাক অকল সুখ আৰু যাক দুখ দিয়ে তাৰ দুখৰ সীমা নাই। এই নিৰলা পেহীজনীলৈ বেয়াই লাগে দেই। সাংসাৰিক জীৱনৰ পাতনি মেলা পাঁচ বছৰ পাছতেই গিৰীয়েকক হেৰুওৱাৰ দুখ, তাৰ পাছত অসীম কষ্টেৰে ডাঙৰ-দীঘল কৰা দুটিকৈ সন্তানক হেৰুওৱাৰ দুখ। কাক লৈ জীয়াই থাকিব তেওঁ?

হঠাৎ মাকৰ মাতত নীয়ৰে নিজৰ জ্ঞান শক্তি ঘূৰাই পাইছিল। মাকে সুধিছিল, কি চিন্তাত নিমগ্ন হৈ আছিল। তাই মাকক সাৱটি ধৰি ক'লে, মা আমাৰ কলেজৰ আলোচনীত দিবলৈ এটা গল্প লিখিম ভাবিছিলোঁ, তাকে কি লিখো ভাবি আছিলোঁ। অকস্মাত নিৰলা পেহীৰ দুখদায়ক জীৱনটো চকুৰ আগত ভাঁহি আহিছিল মা। মাকে ক'লে তুমিচোন নিৰলা পেহীৰ কাহিনীটোকে গল্পৰ আকাৰত প্ৰকাশ কৰিব পাৰা। নীয়ৰে ক'লে, উমম্ মা, তাকে ভাবিছোঁ, নীৰলা পেহীৰ জীৱনৰ ঘটনাবোৰক লৈয়ে গল্পটো লিখিম।

# তুমি আহিবা আকৌ এবাৰ ............

—কৱিতা গোহাঁই
পঞ্চম যান্মাসিক
অসমীয়া বিভাগ

বন্ধ হৃদয়ৰ দুৱাৰ মুকলি কৰি সোমাই গৈছিল তেওঁ মোৰ হৃদয়ৰ বন্ধ কোঠাত। বুকুত অবুজ শিহৰণ যৌৱনৰ প্ৰথম জাক প্ৰেমৰ ধুমুহাই স্পৰ্শিত কৰিছিল। দুয়োয়ে দুয়োক কথা দি ঘৰৰ অনুমতিত অৱশেষত উপনীত হৈছিলো সেই বিশেষ দিনটোত তেওঁৰ আৰু মোৰ শুভবিবাহ। সেইদিনাই হোমৰ জুই সাক্ষী কৰি বিশেষজনৰ নামত কপালত আঁকি লৈছিলো ৰঙা সেন্দুৰৰ ফোঁট। প্ৰত্যেকজনী ছোৱালীৰ দৰে মোৰো বুকু কঁপি উঠিছিল বিয়াঘৰৰ আয়তীৰ বিয়ানাম আৰু উৰুলিত। ভকতৰ হৰি ধ্বনিত বুকুৰ ধপ্‌ধপনি যেন আনেও শুনিছে তেনে অনুভৱ হৈছিল। ভালপোৱা জনক পোৱাৰ আনন্দ তাৰ মাজত মা-দেউতাক আৰু ঘৰখনক এৰি যোৱাৰ বিষাদত হুক্‌হুকাই কান্দি পেলাইছিলোঁ। আপোনজনে বিদায় দিছিল। আপোনজনক আদৰি ল'বলৈ। মায়ে দিয়া সংসাৰৰ জ্ঞানখিনিক শিৰত লৈ পাতনি মেলিছিলো মোৰ যুগ্ম জীৱনৰ আৰু মই নাৰীত্ব অনুভৱক এৰি স্পৰ্শ কৰিছিলো অনুভৱৰ সেই সুখবোৰক।



লাহে লাহে সময়বোৰে খোজ লৈছিল নিজৰ দিশত আৰু তেওঁ আতঁৰি গৈছিল কৰ্মসূত্ৰে মোৰ পৰা বহু দূৰলৈ। সদায় এটা আশা, নতুন এটা সপোন বুকুত বান্ধি মই বাট চাই ৰৈছিলো তেওঁ অহালৈ আৰু সেইদিনটো আহি পালে। তেখেত আহিব আনন্দৰ সীমা

নাই মোৰ মনত। মই ঘৰ-দুৱাৰ চাফা কৰাত ব্যস্ত হঠাতে এটা ফোন ক'ল আহিল। ঘৰ আহি থকা পথত এটা দুৰ্ঘটনা হৈছে। মোৰ বুকু কঁপি উঠিল তথাপিও মোক জনালে বৰ বিশেষ চিন্তা কৰিব নালাগে কিন্তু ঘৰ পোৱাত অলপ পলম হ'ব। তথাপিও মনত খু-দুৱনি লাগি থাকিল। আন কালতকৈ অলপ ধুনীয়াকৈ সাজ-পোছাক পিন্ধি চুলি আচুৰি ফোঁট লৈ ঠিক সময়ত থিয় দিলো বাৰাণ্ডাত। অলপ সময়ৰ পাছত এখন বগা গাড়ী আহি থকা মোৰ চকুত পৰিল। গাড়ীখন দেখি মোৰ বুকুখন অনাকাংক্ষিত আৱেগত কঁপিব ধৰিল। আচহুৱা গাড়ীখন আহি আমাৰ চোতাল পালেহি আৰু মই দৌৰি গৈ গাড়ীৰ খিৰিকিখনেৰে জুমি চালো ভিতৰলৈ। এজন সুঠাম দেহৰ যুৱক। তেওঁ বহি থকা নাই শুই আছে। তেখেতৰ দেহৰ ওপৰত এখন বগা চাদৰ আছে। তেওঁক নমাই আনি চোতালৰ মাজত শুৱাই দিলে। মই বুজি উঠিলো সকলো। কিন্তু একো শব্দ উচ্চাৰিত নহ'ল মোৰ দুই ওঁঠেৰে। মাথোঁ মই মোৰ বুকুখন খামুচি ধৰি বহি পৰিলো মাটিত। মানুহ আহি ভৰি পৰিল। সকলো দেখোন ব্যস্ত হৈ পৰিল। কেইগৰাকীমান মহিলাই মোৰ ৰঙীন সাজযোৰ খুলি বগা সাজ পিন্ধাইছে। তেওঁৰ চৰণেৰে মচি পেলোৱা হৈছে মোৰ কপালৰ ৰঙা সেন্দুৰৰ ৰং। আৰু হঠাতে মই আকোঁৱালি ল'ব লগা হৈছিল মোৰ অকলশৰীয়া জীৱনটোক।

........আঁতৰি গৈছিল মোৰ জীৱনৰ পৰা তেওঁ লগৰী হিচাপে দি গৈছিল মাথোঁ বগা সাজযোৰ আৰু উকা কপালখন।

উকা কপাল আৰু বগা সাজযোৰৰ বেদনা বুকুত লৈ ভাগৰি পৰিছোঁ মই এতিয়া। নিজান নিশাটি উদং বিচনাখন আৰু মোৰ ভাগৰুৱা বুকুখন লৈ চাটিফুটি মৰিছো কাৰণ নাই কাৰো সহাঁৰি কাষত আছে মাথোঁ স্মৃতি।

বুকুত আশা চকুত হাজাৰ সপোনলৈ এতিয়া বাট চাওঁ তেওঁ অহালৈ। তেওঁ অহা বাটলৈ চাই থাকো একেদৰে কিজানি আহিব তেওঁ। কেতিয়াবা অনুভৱ হয় মই মাথোঁ এটা বেয়া সপোন দেখি আছো আৰু হঠাৎ সাৰ পাই সন্মুখত দেখা পাম তেওঁৰ হাঁহি ভৰা মুখনি। কেতিয়াবা চিঞৰি মাতিব মন যায় তেওঁক, তেওঁৰ বুকুখনিত জিৰণি ল'ব মন যায়। মন যায় অভিমান কৰিব, মন যায় তেওঁৰ ওঁঠৰ স্পৰ্শ পাবলৈ, মন যায় সপোন ৰচিবলৈ।

কিন্তু মই জানো নাহে আৰু তেওঁ কেতিয়াও, নাহে তথাপি বুকুৰ আৱেগেৰে কওঁ "তুমি আহিবা আকৌ এবাৰ ........

তোমাৰ বাবে মোৰ অনুভৱী কবিতা
কিদৰে বুজাম কিমান বিচাৰিছে
হৃদয়ে আজি তোমাক
হৃদয়খনো ভাগৰুৱা হৈ
শুই পৰিছে তোমাক বিচাৰি
কাৰণ তুমি অবিহনে যে
মই আজি আধৰুৱা
অনাকাংক্ষিত ভাৱে আজি আমি
আঁতৰত
সুধিব মন গৈছে তোমাক কি কৰিছা ?
কেনে আছা তুমি
তোমাৰ অবিহনে কুশলে
পাৰ কৰিব পৰা নাই সময়বোৰ
সোঁৱৰিছো তোমাৰ স্মৃতিবোৰ
তোমাৰ স্মৃতিবোৰে
আজি মাথোঁ দুচকু উপচাই
তোলে .....................

★★★★★★





# সৰা ফুলৰ পাপৰি

— সুস্মিতা বৰগোহাঁই
ৰাজনীতি বিজ্ঞান বিভাগ
পঞ্চম ষান্মাসিক

কলিজাৰ উত্তপ্ত ৰক্তৰে ফাকু সানি
মোৰ সৰ্বস্ব নিজৰ কৰি
বেদনাসিক্ত ঢৌত এৰি
মৌনতাৰ আৱৰণ টানি
ক'ত আছা গৈ তুমি??
মোৰ সৈতে মাথো আজি
নিসংগ অনুভৱৰ হেন্দোলনি
মই যেন এই সৃষ্টিৰ নিসংগ যাত্ৰী.....

স্মৃতিবোৰ এক মধুৰ কল্পনা; কিন্তু ই যিমানেই মধুৰ নহওঁক কিয় ইয়াৰ মাজতেই লুকাই থাকে বিৰহ বেদনা!!! সঁচাকৈ বেদনাবোৰ বৰ যন্ত্ৰণাময়....এতিয়া এই যন্ত্ৰণাবোৰেই অদিতিৰ চিৰসংগী। কিন্তু এই যন্ত্ৰণাই অদিতিৰ এটুপি চকুলো নিগৰাব পৰা নাই...তাই হাঁহিছে!!!

অদিতি বৰ সহজ - সৰল ছোৱালী; তেনেই আজলি দেখাতো ইমান ধুনীয়া!! তাইৰ কুন্দত কটা যেন মুখ দেখি কতই তাইৰ প্ৰেমত হাবুডুবু খাইছে; কলেজৰ কত লৰাই তাইক আপোন কৰাৰ দিনে - ৰাতিয়ে সপোন দেখিছে; তাৰ লেখ-জোখ নাই। কিন্তু বিশাল সম্পত্তিৰ গৰাকী বলিন বৰুৱাৰ একমাত্ৰ কন্যা অদিতি বৰুৱা প্ৰেম, ভালপোৱা এইবোৰৰ প্ৰতি একেবাৰে উদাসীন... তাইৰ আচৰণ দেখিও এনে লাগে যেন প্ৰত্যেকটো লৰাৰ প্ৰতি তাইৰ এলাৰ্জিহে আছে...

"এই; তোমাৰ ৰুমাল" অদিতিয়ে চাওঁ নাচাওঁকৈ পাছফালে চালে "তোমাৰ নহয় জানো? এইখন...." অদিতিহঁতৰ কলেজৰ সাংস্কৃতিক বিভাগৰ সম্পাদক দিব্যমে তাইৰ ৰুমাল খন জোকাৰি জোকাৰি কলে... 'হয়" বুলি কৈ অদিতিয়ে দিব্যমৰ হাতৰ পৰা ৰুমালখন একপ্ৰকাৰে টানি লৈ বিজুলী বেগেৰে লাইব্ৰেৰী লৈ গুচি গ'ল। ..."কি হ'ল অই তোৰ, বৰকৈ চালি যে কি হাঃ Feeling Something Something ন;" বুলি কৈ ৰিয়ানে জোকাৰি দিওঁতেহে তাৰ চেতনা আহিল। "সেই নাই...এনেয়ে" দিব্যমে ৰিয়ান, বিপ্লৱৰ আগত নিজৰ দুৰ্বলতা ঢাকিবলৈ নিৰ্দোষীতাৰ প্ৰমাণত কলে... "ক্লাছ আৰম্ভ হ'লেই বয়"...ক্লাছত তাৰ অলপো মন নবহিল..দৰ্জা খিৰিকি ফাকেৰে তাৰ দুচকুয়ে সেই দিনা তাইকে বিচাৰি ফুৰিলে...কাণো স্থিৰ কৰি থ'লে কিজানিবা তাইৰ

পায়েলৰ "ৰুণজুণ ৰুণজুণ শব্দ শুনে...

পাছদিনাৰ পৰা দিব্যমে নিজৰ ৰুটিন চোৱাৰ পৰিবৰ্তে আৰম্ভ কৰি দিলে অদিতিৰ ৰুটিন চাবলৈ...সেয়েহে কেতিয়াবা যদি সি গেটৰ সন্মুখত, কেতিয়াবা কেন্টিনত...আনকি গাৰ্লচ কমন ৰুমলৈ যোৱা কৰিডৰটোও বাদ নিদিয়া হ'ল...এনেকৈ আৰম্ভ হ'ল সিহঁতৰ সম্পৰ্ক ... কেতিয়াবা যদি "Good Morning" কেতিয়াবা আকৌ hi!! তাৰ কাণ্ড দেখি অদিতিৰ মনো ইদিন-সিদিন কৰি জুইৰ কাষত থলে গলা ঘীঁৰ দৰে গলিবলৈ আৰম্ভ কৰিলে...অদিতিয়েও একো নজনাকৈ, নুবুজাকৈ দিব্যমৰ প্ৰেমত পৰি গ'ল... আৰম্ভ হ'ল দিব্যম - অদিতিৰ প্ৰেমৰ গাঁথা....

এদিন-দুদিন কৰি সময় বাগৰি গ'ল ....সময়ৰ গতিত বাঢ়ি গ'ল সিহঁতৰ মাজৰ প্ৰেম ভালপোৱাবোৰ...সময়ে দি গ'ল সিহঁতৰ সম্পৰ্কৰ দৃঢ়তা...ইতিমধ্যে দিব্যমেও বি.এ পাছ কৰি সৰুকৈ এখন দোকান খুলিলে...।

শুনিছো সপোনৰো হেনো পাখি থাকে...সাগৰৰ বোলে পাৰ নাথাকে...অদিতি - দিব্যমৰো আছে ডেউকা মেলি আকাশ চুমাৰ এবুকু সপোন দিব্যমৰ দোকান খন এদিন ডাঙৰ হ'লচেলৰ দোকান কৰিব,, দুয়োটাই সিহঁতৰ সৰ্ম্পকৰ কথা ঘৰত ক'ব। সিহঁতৰ সম্পৰ্ক লৈ দিব্যম অদিতিৰ ঘৰলৈ যাব, অদিতিক আঙঠি পিন্ধাব, তামোল-পাণ পেলাব আৰু এদিন চিৰদিনৰ বাবে দিব্যমে অদিতিক নিজৰ কৰি সিহঁতৰ ঘৰৰ পৰা নিজৰ ঘৰলৈ লৈ যাব। কিন্তু এইবোৰ কথা গম পোৱাৰ পিছতে দুয়োখন ঘৰতে সিহঁতৰ কল্পনাৰো অগোচৰ এক পৰিস্থিতিৰ সৃষ্টি হয়.... সিহঁতি বাধ্য হ'ল ঃ- দুয়োটাৰে সোণোৱালী সপোনবোৰ পূৰ কৰিবৰ বাবে সংগোপনে পৃথিবীৰ পৰা বহু দূৰৰ...সিহঁতৰ কল্পনাৰ কাৰেঙৰ ঘৰলৈ উৰা মাৰিবলৈ...

কিন্তু সপোন যে সদায় সপোনহে...ই বাস্তৱ হব নোৱাৰে...আৰু বাস্তৱ ঃ- বাস্তৱ বৰ কঠিন; এই বাস্তৱৰ লগত যুঁজ কৰি জয়ী হোৱাটো অতি কঠিনেই নহয়; প্ৰায় অসম্ভৱো..আৰু অতি মৰম - ভালপোৱা বোৰক বোলে ভগবানেও সহ্য কৰিব নোৱাৰে, হিংসা কৰে.. হয়তো দিব্যম আৰু অদিতিৰ ভালপোৱাকো ভগবানে হিংসা কৰিলে.. সিহঁতে সিহঁতৰ সপোনৰ ঘৰ সাজিবলৈ বুলি যিখন কলিকতা অভিমুখী ৰেলত গৈ আছিল; সেইখন সিহঁতৰ লক্ষ্য পাবলৈ অলপ দূৰ থাকোতে অৰ্থাৎ পলাশী পাওঁতেই দিব্যম এবাৰ জোৰেৰে কঁপি উঠিল আৰু দিব্যমৰ সেই কঁপনিতেই যেন অদিতিৰ সৰ্বস্ব শেষ হৈ গ'ল...

অদিতিয়ে সমগ্ৰ জীৱন সংগ্ৰামত সুখে-দুখে, আপদে-বিপদে যি দিব্যমৰ হাতত ধৰি পাৰ হ'ম বুলি ভাবিছিল, মাক-দেউতাকৰ অবাধ্য হৈ তাৰ লগত পলাই আহিছিল..সিয়ে আছিল অদিতিৰ জীৱন স্বৰূপ। কিন্তু অদিতিয়ে দিব্যমৰ গাত ধৰি তেতিয়া মাথো কান্দিছে; পাগলৰ দৰে চিঞৰি অকল কান্দিছে..."দিব্যম তোমাৰ কি হৈছে দিব্যম, তুমি এনেকুৱা কিয় কৰিছা, মোলৈ চোৱা না Please এনেকুৱা নকৰিবা না, মোৰ বহুত ভয় লাগিছে, মোলৈ চোৱা চোন...মই তোমাৰ সকলো কথা শুনিম Promise... মাতা চোন মোক.. কি হ'ল তোমাৰ..." তাই কান্দি কান্দি ভাগৰি পৰিছিল..পাগলীৰ দৰে আউলি-বাউলি হৈ চিঞৰিছিল..ৰেলৰ সকলো যাত্ৰীয়ে এই দৃশ্য মাথো চাই ৰ'ল..হঠাতে কি হ'ল কি কৰিব, কোনেও একোকে ভাবিয়ে নাপালে..যিটো দিব্যমে তাই অলপ অভিমান কৰিলেই যিকোনো কাম কৰিবলৈ ৰাজি হৈছিল; তাইৰ এটোপালও চকুলো সহ্য কৰাৰো সাহস নাছিল— তাইৰ আজি কান্দোনত ভাঙি পৰা আউলি-বাউলি দেখিও, তাৰ বুকুত পৰি ৰোৱা অচেতন শৰীৰটো দেখিও সি আজি নীৰৱ!!! তাইক এনে অৱস্থাত দেখিও তাৰ হৃদয়ে এবাৰলৈও হাঁহাকাৰ কৰি উঠা নাই....আচৰিত!!!



সপোনৰ বালিঘৰ ভাঙি-চিঙি, সাতোৰঙী ৰামধেনু চোৱাৰ সপোন পাহৰি দিব্যম এতিয়া বিলীন হৈ গ'ল সুদূৰ দিগন্তৰ কোনোবা অসীম সীমাত..এতিয়া

তাৰ অন্তৰৰ হাহাঁকাৰ সোঁ-শৰীৰে প্ৰকাশ কৰিব সি আৰু কেতিয়াও নোৱাৰে...সেয়েহে হয়তো তাইক এনে অৱস্থাত দেখিও তাৰ হিয়া উথলি নুঠিল, সি নীৰৱ হৈয়ে ৰ'ল..আৰু দিব্যমৰ প্ৰেমত মতলীয়া অদিতিয়ে তাই মূৰ গুজি থকা বুকুখনৰ, তাই প্ৰতিটো পলতে অনুভৱ কৰি থকা দিব্যমৰ হৃদয়ৰ "স্পন্দন কেতিয়া ৰুদ্ধ হৈ গ'ল; তাই গমেই নাপালে. এটা বেমাৰে হঠাতে দিব্যমক অদিতিৰ পৰা কাঢ়ি লৈ গ'ল। দিব্যমৰ ধেল খাই যোৱা চকু দেখি মাত্ৰ কান্দিলে..কান্দি কান্দি অচেতন হৈ পৰিল..অৱশ্যে মানুহৰ ত ৎপৰতাত কিছু সময়ৰ পাছতেই তাইৰ চেতনা আহিল.লগে লগে দিব্যমৰ নশ্বৰ দেহটোকে নিজৰ বুকুৰ মাজত জোৰেৰে সাবতি ধৰিলে অদিতি নিৰুপায়..কি কৰিব তাই...শেষত নিজৰ ডিঙিত পিন্ধি থকা চেইন ডালকে দি এখন এম্বুলেঞ্চ ভাৰা কৰি দিব্যমৰ সেই মৃত দেহটোকে আলফুলে বুকুত বান্ধি পুনৰ অসম পালেহি..তাই ইয়াত সম্পুৰ্ণ ৰীতি - নীতিৰে দিব্যমৰ পত্নীৰূপে তাৰ নশ্বৰ দেহটোৰ অন্তিম সৎকাৰ কৰিলে...

চিতাৰ জলন্ত শিখাই অৱশ্যে তাই সাৱতি থকা দিব্যমৰ দেহটোহে তাইৰ পৰা কাঢ়ি নিলে, কাঢ়ি নিব নোৱাৰিলে অতীতৰ স্মৃতিবোৰ, চিঙিব নোৱাৰিলে সিহঁতৰ প্ৰণয় মালা.অদিতিৰ সপোনত আহি সি কয় মই কান্দিলেও তুমি হাঁহিবা, তোমাৰ সুখতেই মই সুখী হম..আৰু যদি তুমি হাঁহি ফুৰ্তি কৰি থাকা তেতিয়াই মই জানিম তুমি মোক ক্ষমা কৰিছা..তোমাক জীৱনৰ আধাবাটত এৰি থৈ অহাৰ বাবে মোক প্ৰতাৰক বুলি ভবা নাই...সময়ৰ গতিতো তাই দিব্যমক পাহৰা নাই.এতিয়াও তাই দিব্যমৰ ভাৱনাতেই বিভোৰ..তাই জীয়াই আছে তাৰ বাবেই, অদিতি আজিও দিব্যমৰ নামতেই... চাই ৰয় কলিয়া মেঘৰ আবুৰ ফালি ওলাই অহা জোনটোলৈ..তাই হেনো তাতেই দিব্যমক দেখা পায়। জোনটোলৈ চাই কেতিয়াবা হাঁহে, কেতিয়াবা কান্দে, আৰু কেতিয়াবা; এন্ধাৰৰ সুযোগ লৈ গোপনে মৰমো যাচে....

★★★★★★



# নষ্টচন্দ্ৰিকা



— প্ৰিন্সি গগৈ
ইংৰাজী বিভাগ
তৃতীয় ষান্মাসিক

ক্ৰমাৎ.... বাঢ়ি আহিছে মোৰ মাজত এখন পৃথিৱী। যিমানে মোৰ উদৰ স্ফীত হৈ আহিছে সিমানেই প্ৰকট হৈ পৰিছে এই নতুন পৃথিৱী। কিন্তু এই সম্ভৱা পৃথিৱীখন সম্পূৰ্ণ হোৱাৰ আগতেই চোন মোৰ পৃথিৱীৰ পৰা বহুবোৰ গ্ৰহ হেৰাই গৈছে। আকাশত অকলশৰীয়া জোনচটাৰ দৰে জীৱনৰ ৰঙা নদীত কাঠ এচটা হৈ উটি ফুৰিছো।

তেওঁ সপোন দেখাইছিল.....একেলগে থকাৰ একেলগে মৰাৰ আৰু বহুতো। এই পৃথিৱীৰ সপোনটোও এদিন জোনাক ৰাতি তেৱেঁই দেখাইছিল। মোৰ এতিয়াও মনত আছে। সেউজীয়া ঘাঁহনিত শুই বুকুৰ ওপৰত বুকু, ওঠৰ ওপৰত ওঁঠ...ইহ, লাজ লাগে নকওঁ তোমাক। কিছুমান কথা যে কব নোৱাৰি জানা। মাত্ৰ দুচকু মুদি ৰোমন্থন কৰিব পাৰি।

কিন্তু হঠাতে কি হ'ল নাজানো সেউজীয়া ঘাঁহনিত আউসী নামিল। আউসীৰ দিনা তেওঁ হেৰাল। ক'ত হেৰাল নাজানো। মোৰ পেটত অৰ্ধবৃত্তাকাৰ পৃথিৱীখনৰ দায়িত্ব দি তেওঁ গুচি গ'ল। গুচি গ'ল নে পলাই গ'ল নাজানো। মই একোৱেই নাজানো।

তেওঁ গুচি যোৱাৰে পৰা মই অকলশৰীয়া হৈ পৰিলো। গালখন চুলে শুকান চকুপানীৰ দাগ পোৱা হলো। চকুৰে কেতিয়াবা কেৱল ধুৱঁলী কুঁৱলী, কেতিয়াবা পানী দেখা হ'লো। তেওঁ দি থৈ যোৱা পৃথিৱীখন বাঢ়িছে। পৃথিৱীখন চঞ্চল, মোৰ দৰেই। কাৰণ পৃথিৱীখন যে মোৰ তেজতেই সাঁতুৰি আছে। অনুভৱ হয় পৃথিৱীখন।

মোৰ চকুযোৰ পানীৰে ভ্ৰূণ হৈ বাগৰি আহিলে তৃষাই মোহাৰি দিয়ে, কয় তই অকলশৰীয়া নহয় অ মই আছো নহয়। তোৰ দৰে এখন পৃথিৱীক জোনাকৰ স্নিগ্ধতা দিবলৈ মই অকলশৰীয়াকৈ হলেও জোনৰ দৰে জ্বলি থাকিম। কয়, তাই বহু কথাই কয় তেওঁৰ দৰে। তেওঁ কোৱাৰ দৰে তায়ো কয় মোৰ পেটতে মই অজৰাই দিয়া ঠাই কাষতে মোৰ উশাহতে জী থকা অকণমানি পৃথিৱীখন এদিন সম্পূৰ্ণ হব। তেতিয়া হেনো মোৰ পেটতো এতিয়াৰ দৰে অৰ্ধবৃত্ত হৈ নাথাকে। পৃথিৱীখন ওলাই আহিলে হেনো আগৰদৰে চেপেটা মাৰিব। পেটত হেনো পুহ মাহৰ নৰানিৰ দৰে আঁক বাঁক থৈ যাব। পৃথিৱীখন যেতিয়া সম্পূৰ্ণ হব তেতিয়া পৃথিৱীয়ে মোৰ উশাহ আৰু নলয় মোৰ তেজত আৰু নাসাতোঁৰে। সেই পৃথিৱীয়ে সম্পূৰ্ণ হোৱাৰ পাছতেই বহুবোৰ নিজৰ কৰি লব; পৃথিৱীৰ অকণ-অকণ উশাহবোৰ, কণমাণি বুকুৰ স্পন্দনবোৰ সকলো। সেই পৃথিৱীৰ প্ৰাণ হেনো মাতৃত্বৰ দান। পৃথিৱীখন মোৰ বুকুত শুব, মোৰ ছাঁত জিৰাব আৰু মোৰ দোঁ খাই পৰা বুকুত অমৃত চুহিব।



মোৰ ছাঁত থাকি পৃথিৱীখন ডাঙৰ হব। মোৰ সূৰ্যাস্তৰ বেলিকালৈ পৃথিৱীখনে মোক ওলোটাই ছাঁ দিব পৰা হ'ব। পৃথিৱীখন সেউজ হৈ পৰিব কিন্তু, পৃথিৱীখনক যে কব নোৱাৰিম তেওঁৰ কথা...। কাৰণ পৃথিৱীৰ দায়িত্ব মোৰ বুকুত বান্ধি থৈ তেওঁতো সৌ আউসীৰ এন্ধাৰত কৰবালৈ গুচি গ'ল। মোৰ পৰা বহু দূৰলৈ..। মোক; মোৰ পেটৰ পৃথিৱীখনক অকলশৰীয়া কৰি.....।

*এটি দীঘল ৰেলৰ উকিৰে আৰম্ভ হৈছিল মোৰ পুনৰ এক অবিৰাম যাত্ৰা ........ বহু সপোন বহু আশাবোৰ খেদি খেদি .... মানুহে ঠাহ খাই থকা ডবাটোৰ খিৰিকীৰে চাই পঠালো। সেউজীয়া গছ-বনবোৰ পিছুৱাই থৈ অহাৰ দৰে মযো পিছুৱাই থৈ আহিছিলো বহু অতীত ইতিহাসৰ বুকুত।*

# অৰুণোদয়

**অন্বেষা ৰাজকুমাৰী**
ষষ্ঠ ষান্মাসিক
ইংৰাজী বিভাগ

ডবাটোৰ ভিতৰখন এবাৰ চকু ফুৰালো। বিভিন্ন ৰকমৰ মানুহে ঠাহ খাই পৰিছে। কোনোবাই শুইছে, কোনোবাই খাইছে, কোনোবাই অৰ্নগল নিজৰ জ্ঞানৰ অভিজ্ঞতাৰে বৰ্ণনা কৰি আহিছে দীঘলীয়া বাৰ্তালাপ। কোনো কাৰো স'তে বৰ বিশেষ চিনাকী নাই। ক্ষন্তেকীয়া সময়তে সকলোৰে সকলোৰে লগত মিলি পৰিছে। মাথো মইহে সকলো চাই আহিছো বহু সময়ৰ পৰাই। পিছে মনৰ স'তে মিলা মানুহহে পোৱা নাই। দু-আষাৰমান কথা পাতিবলৈ। পিছে মন কৰিলো মোৰ দৰে আৰু এটা পৰিয়াল। দেখাত নৱবিবাহিত যেন লাগিল। পুৰুষ-মহিলা দুয়োগৰাকীয়ে কমকৈ কথা কয়। লক্ষ্য কৰিলো পুৰুষজনে প্ৰায়ে মহিলা গৰাকীক ইটো সিটো বস্তুৰে আব্দাৰ কৰিছে। ফুচফুচাই কিবা দুটামান পাতিছে কিন্তু অলপ সংকোচকৈ। মই আলেঙে আলেঙে তেওঁলোকক লক্ষ্য কৰি থাকিলো বহু সময়। মনত ইতিমধ্যে বহু প্ৰশ্নই জুমুৰি ধৰিছিল। কোনো ৰকমে হেঁচা মাৰি ধৰি থাকিলো প্ৰশ্নবোৰ। মানুহগৰাকীৰ শিৰত দগমগকৈ জিলিকি আছিল নতুন সেন্দুৰৰ এডাল দীঘল সৰলৰেখা। গুণা সাজে তেওঁক জিলিকাই তুলিছিল। তথাপি বয়সৰ চাপসমূহে বাৰুকৈয়ে বুজাই দিছিল যে তেওঁ আৰু স্বামীৰ মাজত যথেষ্ট বয়সৰ পাৰ্থক্য। স্বাভাৱিকতে আন দহজনৰ দৰে মইও মনতে পুঁহি পেলাইছিলো বহু নজনা প্ৰশ্ন। এজন চফল ডেকাই এগৰাকী আদবয়সীয়া ৪০ বছৰীয়া মহিলাক বিয়া কৰোৱাতোৰেই মোক যথেষ্ট অসন্তুষ্টিত পেলাইছিল। ভাবি পোৱা নাছিলো এয়া এক অবৈধ প্ৰেমৰ পৰিণতি নে আন কিবা। ঋণাত্মক ধাৰণাত ইতিমধ্যে মনটোও অলপ ঘৃণাৰে ভৰিছিল।

তাৰ পাছত মানুহগৰাকীয়ে মোৰ হাজাৰ প্ৰশ্নৰ অন্ত পেলাই তেওঁৰ জীৱনটো পাই গৈছিল। "মোৰ প্ৰথম বিবাহ এজন দালালৰ লগত হৈছিল। হাজাৰজনীৰ দৰে মইও বহু সপোন ৰচিছিলো, নতুনকৈ বৈবাহিক জীৱনৰ। পিছে বহু পাছত গম পাইছিলো যে মই মোৰ বিয়াৰদিনাই দেহ ব্যৱসায়ীৰ হাতত বিক্ৰী হৈছিলো। তাৰ পাছত গাৰ পৰা মাহ-হালধিৰ গোন্ধ নাযাওঁতেই উপহাৰ হিচাপে পাইছিলো বহু শাৰীৰিক-মানসিক অত্যাচাৰ।" এইবুলি কৈয়ে তেওঁ শৰীৰত বিভিন্ন আঘাতবোৰৰ চিন দেখাইছিল। এসোতা দীঘল উশাহ লৈয়ে তেওঁ পুনৰ আৰম্ভ কৰিছিল। 'ই মানে মোৰ স্বামী, ই মোৰ চাগে ভাইটিৰ বয়সৰ হ'ব। তথাপি ই মোক মোৰ জীৱন পুনৰ ঘূৰাই দিছে। পুনৰবাৰ বিক্ৰী হোৱাৰ পৰা উদ্ধাৰ কৰিছে। প্ৰথমাৱস্থাত তাৰ ঘৰত মোক আশ্ৰয় দিয়াৰ বাবে বহু মানুহে অশ্লীল মন্তব্যৰে আমাৰ কাণ ঘোলা কৰি দিছিল। সেয়ে এই সমাজৰ অকথ্য নিৰ্যাতনৰ পৰা ৰক্ষা কৰিবলৈকে, কেৱল মোৰ বাবে সি মোৰ লগত বৈবাহিক সম্পৰ্ক স্থাপন কৰিছে। এতিয়াহে মই জীৱনটোক ভালদৰে উপভোগ কৰিছো ...... জীৱনটোক ওচৰৰ পৰা দেখিছো। নাৰীৰ মৰ্যাদা পাইছো।" অ'ত সময় থৰ লাগি তেওঁৰ কথা শুনি মোৰ নিজৰ ওপৰত ধিক্কাৰ জন্মিল। ধিক্কাৰ জন্মিল কলুষিত সমাজখনৰ ওপৰত। শেষত তেওঁ কোৱা এষাৰ কথা হৃদয়ৰ ইপাৰ-সিপাৰ হৈ গ'ল।

"তাৰ আৰু মোৰ মাজত বয়সৰ পাৰ্থক্য থাকিলেও সকলো সম্পৰ্ক বাদ দি মাথো এটা সম্পৰ্ক আছে। সেয়া হ'ল শ্ৰদ্ধাৰ সম্পৰ্ক। গতিকে মোৰ মতে, যিবোৰ সম্পৰ্কত শ্ৰদ্ধা আছে সেইবোৰ সম্পৰ্ক কেতিয়াও অৰ্থহীন হ'ব নোৱাৰে।"

আদবয়সীয়া মানুহগৰাকীৰ কথাবোৰে মোৰ মন-মগজুত তোলপাৰ লগালে। দীঘলকৈ হুমুনিয়াহ এটা কাঢ়ি খিৰিকীৰে মই মাথো চাই ৰ'লোঁ। এৰি থৈ অহা অতীতলৈ। বাহিৰত তেতিয়া পোহৰ।

# শোষণৰ অন্য এক সামগ্ৰী ঃ নাৰী

মল্লিকা গগৈ
স্নাতক ষষ্ঠ ষান্মাসিক
প্ৰাণী বিজ্ঞান বিভাগ

"এনেকৈয়ে ভাগেনে সপোন
"ছিগেনে বান্ধোন
কোনে ক'ব মোক আজি
গোপনে কাষলে আহি
কোনে ক'ব বাৰু ..........।"

— মনজ্যোস্না মহন্তই গাই থকা গীতটো হঠাতে বন্ধ হৈ গ'ল।



"অহ্! কাৰেন্টটো গুচি গ'ল।" — ৰেখাই টেপ ৰেকৰ্ডটো অফ্ কৰি থৈ তাইৰ কোঠাটোৰ খিৰিকীখনৰ ওচৰতে ৰ'লহি। অলপ আঁতৰত চৰাই এজনীয়ে এডাল-দুডালকৈ খেৰ-কুটা বুটলি বাঁহ বনোৱাত ব্যস্ত। হয়তো তাইৰ কণী পাৰিবলৈ হৈছে। শেতা হাঁহি এটা মাৰি ৰেখা ওচৰৰ চকী এখনতেই বহিল। এনেই এবাৰ হাতখন ফুৰাই চালে তাই, তাই আৰু ৰক্তিমৰ প্ৰেমৰ নতুন ৰূপ লৈ শুই থকা আহিবলগীয়া সন্তানটোৰ স্থিতি, ৰেখাৰ স্ফীত উদৰৰ ওপৰত। মনত পৰিল তাইৰ সুঁতি সলোৱা নদীৰ দৰে সলনি হোৱা তাইৰ জীৱনটোৰ পৰিঘটনাবোৰ।

প্ৰায় দুবছৰৰ আগেয়ে তাইৰ ৰক্তিমৰ সৈতে বিয়া হৈছিল। বহুদিনৰ সুখৰ সময়বোৰ মনত পেলালে তাই আকৌ এবাৰ। হয়তো নিষ্ঠুৰ সময়বোৰেৰো সুখবোৰ সহ্য নহয়। এদিন সিহঁত দুয়োটা বজাৰ কৰি আহোঁতে হঠাৎ ট্ৰাক এখনৰ খুন্দাত ৰক্তিমৰ মৃত্যু হ'ল। তাইয়ো প্ৰায় এমাহ সময় চিকিৎসালয়ত থাকিব লগা হ'ল। তেতিয়াৰে পৰাই আগৰ ৰাংঢালী ৰেখাজনী ভাবুক হৈ পৰিল, হাঁহিবোৰৰ ঠাইত দুখৰ কলীয়া ডাৱৰে জীয়ালেহি।

দুখৰ এপৃষ্ঠা নাযাওঁতেই আৰম্ভ হ'ল শাহুৱেকৰ অত্যাচাৰ। ডাইনী, পিশাচী নামেৰে গালি পৰা হ'ল তাইক। ৰক্তিমৰ মূৰটো বোলে তাইয়েই খালে। তাৰ মৃত্যুৰ বাবে তাইকে জগৰীয়া কৰিলে। নিজৰ প্ৰাণসম বুলি ভবা ৰক্তিমৰ কথা তেনেকৈ কোৱাৰ বাবে তাই বহুত বেছি দুখিত হৈছিল। ৰেখা পৰিণত হৈছিল মৰি মৰি জীয়াই থকাৰ অন্য এজনী জড় ৰেখা হৈ।

মনত পৰিল ৰেখাৰ। ৰক্তিমৰ অফিচত চাকৰি বিচাৰি যাওঁতে অফিচৰ বছে তাইৰ শৰীৰলৈ চোৱা লোলুপ দৃষ্টিটো। থুৱাই

দিব মন গৈছিল তাইৰ। পিতৃসম ব্যক্তিজনৰ তেনে অসৎ চৰিত্ৰ। আস্ আজিৰ সভ্যতা। কিয় বাৰে বাৰে আজি নাৰী শোষিত? নিজকে সুধিলে তাই।

তাই পাহৰি যোৱা নাই। বহুজনে ৰং নাম্বাৰৰ চলেৰে তাইক কোৱা অশ্লীল কথাবোৰ। সন্ধিয়া তিনিআলিটোত ৰৈ থকা ডেকাজাকে তাই বজাৰ কৰিবলৈ যোৱাৰ সময়ত তাইৰ স্ফীত পেটটোলৈ চাই পতা অসংলগ্ন কথাবোৰ, অশালীন উকিবোৰ।

প্ৰশ্ন কৰিবৰ মন যায় তাইৰ কিয় নিমাত আজি সকলোবোৰ? কিয় কোনেও একো নকয় এইবোৰ অপ্ৰাসংগিক ঘৃণনীয় কাণ্ড দেখিলে?

প্ৰায় এমাহৰ আগতে তাই এয়া গুচি আহিলে নিজৰ মাকৰ ঘৰলৈ, চিৰদিনৰ কাৰণেই। কান্দি কান্দি ভাগৰি গৈছিল তাই। এতিয়া তাই সলনি হৈছে। নিজকে পৰিৱৰ্ত্তন কৰিছে "নাৰীলৈ। তাই নানা নাৰী শক্তি জাগ্ৰত কৰা মিটিং আদিত বক্তব্য দিয়ে, মহিলা সমাজ খুলি ব্যস্ত হৈ পৰিছে। তাই প্ৰমাণ কৰি দিব খোজে যে আজিৰ নাৰী পুৰুষৰ তলত নহয়, নাৰী কেৱল ভোগ অথবা শোষণৰ সামগ্ৰীয়ে নহয়। নাৰী শক্তি এক প্ৰচণ্ড শক্তি, পুৰুষৰ সমানেই শক্তিশালী এই নাৰী, কৰ্মৰেও আৰু মনেৰেও।

"মাজনী, ভাত খোৱাহি আহা। — মাকৰ মাতত তন্ময়তা ভাঙিল তাইৰ।

চকীখনৰ পৰা উঠি আহিল তাই দুখৰ পোচাকযোৰ খুলি থৈ, মুখত এমোকোৰা হাঁহি লৈ আৰু বাস্তৱিকতাৰ বিৰুদ্ধে যুঁজাৰ নতুন সংকল্প লৈ।

হঠাতে কিবা এটা মনত পৰাৰ দৰে গৈ তাইৰ ডায়েৰীখনত লিখি থৈ আহিল।

জোনাক স্পন্দিত কৰা এই পৃথিৱীত  
আহিব পাৰে কেতিয়াবা  
বিদায়ৰ সেমেকা বসন্ত,  
সেইবুলি জানো আমি জীয়াই নাথাকিম  
সাহসী হোৱাৰ সপোন বুকুত বান্ধি।  
সমতাধিকাৰৰ অধিকাৰৰ অধিকাৰ মুঠিত ধৰি ।।

ডায়েৰীখন জপাই থৈ তাই ওলাই আহিল। মুখেৰে কৈ উঠিল ঃ "শোষণৰ অন্য এক সামগ্ৰী নাৰী হ'ব নোৱাৰে, সঁচা অৰ্থত জাগৰণৰ অন্য এক উপাদান এই নাৰী।"

★★★★★★



## কাব্য কানন

# প্ৰতিজন বিষাদগ্ৰস্ত মানুহ অসহায়

— সুস্মিতা বৰগোহাঁই
ৰাজনীতি বিজ্ঞান বিভাগ
পঞ্চম ষান্মাসিক

প্ৰতিজন বিষাদগ্ৰস্ত মানুহৰ
বুকুৰ ভিতৰত থাকে
অনামী আদিম দুখ
স্মৃতিৰে উজ্জ্বল অনেক
প্ৰাচীন প্ৰহৰ
প্ৰতিজন বিষাদগ্ৰস্ত মানুহৰ
বুকুত বাজি থাকে
বিসৰ্জনৰ কৰুণ সঙ্গীত
স্মৃতিভ্ৰষ্ট অন্ধকাৰত
ওপঙি থাকে অসহায় ভালপোৱা
প্ৰতিজন বিষাদগ্ৰস্ত মানুহে
হেলাৰঙে গুচি যাব পাৰে
অজান দেশলৈ অজানিতে
যন্ত্ৰণাৰে সুবাসিত কৰি থৈ
উপত্যকাৰ আকাশ বতাহ
প্ৰতিজন বিষাদগ্ৰস্ত মানুহৰ
হৃদয়ত থাকে
এজন অসহায় ঈশ্বৰ।

# জীৱনৰ হেঙুলী কিৰণ

— পৰিস্মিতা মিলি
স্নাতক প্ৰথম ষান্মাসিক
অসমীয়া বিভাগ

পুৱাৰ হেঙুলী কিৰণে
সিঁচি দিয়ে মোক
নতুন আশা
এক নতুন আশাৰ বীজ,
য'ত আছে মোৰ
আলফুলীয়া এটা
সপোন.......
প্ৰতিটো পুৱাই
আনন্দ দিয়ে,
প্ৰতিটো পুৱাই
জগাই তোলে
মনৰ অনুভূতিক।
মোৰ সপোন
উচ্চ শিখৰলৈ
আগুৱাই যায় আকাশ চুবলৈ
এদিন এনেকৈয়ে
মোৰ সপোন দিঠক হ'ব,
পুনৰ আদৰি ল'ম
হেঙুলী কিৰণক
আৰু ক'ম........
এয়া মোৰ জীৱনৰ
হেঙুলী কিৰণ
আনন্দৰ আৰু আশাৰ
শেষ যাত্ৰা।

Scanned with OKEN Scanner



# আহ্বান

— সুমন গগৈ
স্নাতক প্ৰথম ষান্মাসিক
অসমীয়া বিভাগ



আকৌ আহ্বান কৰিছো তোমাক
মোৰ চিনাকী নদীৰ পাৰলৈ
আহা যদি আহিবা ........
বেলি মাৰ গলে
জোনৰ জোনাকী সতে
ঝাওবনৰ কাষে কাষে
নদীৰ পাৰৰ বালিচৰত
মই অপেক্ষা কৰিম।
তুমিটো জানাই
পূৰ্ণিমা ৰাতি জোনাক সৰে
কুলু কুলু কৈ বৈ যোৱা
নদীৰ বুকুত.........
নদীৰ পাৰৰ এজাৰ জোপাৰ তলৰ পৰা
ভাহি অহা কৰুণ বাঁহীৰ সুৰটি
আমাৰ মিলনৰ সাক্ষী হব।
এইবাৰ খৰাং আহি
নদীৰ কাষৰ সেউজীয়াবোৰ
কাঢ়ি লৈ গ'ল
লহপহকৈ বাঢ়ি অহা সোণাৰু জোপা
শুকান হৈ পৰিল।
নাজানো,
শুকান পাতলীয়া গছজোপা
নিঠৰুৱা হৈ
কাৰ প্ৰেমত জীয়াই থাকিব?
কি সংজ্ঞাৰে জীৱন সজাব?
তাৰে উত্তৰ বিচাৰি
তোমাক কৰিছোঁ আহ্বান
মোৰ চিনাকী নদীৰ পাৰলৈ
এটি উত্তৰ দিবলৈ.......।

# "শিক্ষক"

— জয়শ্ৰী ফুকন
পঞ্চম ষান্মাসিক

কোন তুমি পূজাৰী
জ্ঞান মন্দিৰৰ
অজ্ঞতাৰ আন্ধাৰ গুচাই
ধৰালৈ নমালা জ্ঞানৰ পোহৰ।

শিক্ষা, ক্ষমা আদি
কৰ্তব্যৰ গুণেৰে মহিয়ান
তুমিয়েই শ্ৰেষ্ঠ মহান "শিক্ষক"।

যদি সূৰ্যৰ পোহৰে গোটেই
জগত পোহৰ কৰে
তোমাৰ জ্ঞানেও সূৰ্যৰ দৰে
কৰিব জগত পোহৰ।

তুমি পথ পোহৰাই দিয়া,
সমাজৰ ভৱিষ্যত উজ্বল
কৰিব পৰা একোজন নাগৰিকক
গঢ় দিয়া।

তুমিয়েই শিক্ষা সমাজৰ
মেৰুদণ্ড,
এডাল মমবাতি
যি ডাল মম নিজেই
জ্বলি আনক পোহৰ বিলাই
উজ্বলাই পেলাই,
যাৰ আদৰ্শত, যাৰ জ্ঞানত
আন্ধাৰৰ পৰা পোহৰৰ
বাট দেখিছো,
সেই পোহৰৰ প্ৰতীকেই
হৈছে মোৰ সন্মানীয়,
নমস্য আৰু পূজনীয়
মহান "শিক্ষক"

# গতি

— বিথীকা দত্ত
ভূগোল বিভাগ
পঞ্চম ষান্মাসিক

শব্দৰ পাছত দৌৰা
আমি মানুহ
শব্দ এক কল্লোলিত নদী
শব্দ এক স্ৰোতশ্ৰীনি নদী
পাৰ ভাঙি বৈ যোৱা
এই নদীৰ পাছত আমি
অক্লান্ত পথিক
নদীয়ে কথা কয়,
নদীয়ে গীত গায়,
নদীয়ে গঢ়ি তোলে
সভ্যতাৰ সুউচ্চ স্তম্ভ।
নদীয়ে নাজানে
কোন নাৰী, কোন পুৰুষ?
নদীয়ে মাথো বৈ যায় কল্লোলিত
সুৰে সন্মুখলৈ.............
আহবান দি যায় সকলোকে
ব'লা, মাথো আগুৱাই ব'লা,
হাতে হাত ধৰি,
যুগে যুগে গঢ়ি
মানৱৰ সুশৃংখল সভ্যতাৰ গতি।

Scanned with OKEN Scanner

# THE POWER OF WORDS



– ***Raushni Begum***
Dept of English
3rd Semester

The power of a word is not to small
It can be like a hill on a mole.
It can cause strife and war
Or drive your closest friend too far.

A kind word is like sunshine
That brightens up your heart and mind
Keeps one happy through the day
Cheering someone along the way.

Cruel words can break a home
Chase your partner or make him roam.
Can make a young one hate his school.
And lead him to become a fool.

Honest words like rock would stand.
The test of time and prove their braced
A lie may gain silver or gold
But, the reward of truth is doublefold.
Loving words are like a flower
That gives you fragrance every hour.
Let's use more words of that kind
Spreading their fragrnarce to
All mankind

Scanned with OKEN Scanner

# শৈশৱ

—পিংকী বসুমতাৰী
স্নাতক তৃতীয় যান্মাসিক
অসমীয়া বিভাগ

শৈশৱ,
এজাক বৰষুণ
অমিয়া সুৰৰ এটি
মিঠা সপোন।

শৈশৱ,
আজিচোন তই মোৰ
কাষত নাই,
গুচি গ'লি সেই ক'লা ডাৱৰৰ
ফাঁকে-ফাঁকে বিলীন হৈ
নদীৰ সেই সোঁতে - সোঁতে
উটি গুচি গ'লি তই,
তোৰ আকুলতাত আজি মই
জিৰাব খোজো এখন্তেক,
শৈশৱ, এজাক অন্তৰ কঁপোৱা
ফাগুনৰ বতাহজাকি তই।





# অতীত

—তৃষ্ণা আৰন্ধৰা
স্নাতক পঞ্চম যান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

মনত বিৰিণাৰ জুই জ্বলিছে
অসাৰ হৈ পৰিছে মন
বাৰে বাৰে বুজাইছোঁ নিজক
সেয়া অতীত আছিল
সেই অমানিশা অতীতক পাহৰি
আগবাঢ়ি আশাৰ সপোন ৰচিব লাগিব
দুখ দিয়া অতীতক মনত ৰখা জানো ভাল,
জানো! অতীতক সুঁৱৰিব লাগে
অতীতে বৰ্তমানক সুন্দৰ ৰূপ দিয়ে
কিন্তু; এনে অতীতক সুঁৱৰা জানো ভাল
যি জীৱন বাটত অগ্ৰসৰ হবলৈকে নিদিয়ে।



# মানুহ

— অভিস্পা বৰগোঁহাই
পঞ্চম ষান্মাসিক
বুৰঞ্জী বিভাগ

শুনি ভাল লগা জীৱশ্ৰেষ্ঠ মানুহৰ
অদ্ভূত কাহিনী
শান্তিৰ পৃথিৱী খন গঢ়াৰ এটি
মাথো প্ৰয়াস কৰা,
সেই মানুহৰ নৃশংসতাৰ আঁৰৰ কাহিনী।
মই লগ পোৱা সেই পখীটিয়ে
কৈছিল সিহঁত বোলে কাজিৰঙালৈ নাহে
তাত দস্যু, দানৱ ওলাইছে,
মুখা পিন্ধা মানুহ ওলাইছে,
সিহতে গড় কেইটাক শাস্তি দি মাৰিছে
ভয়ত আতুৰ হৈ পৰা সেই পখীজনীৰ
মোৰ ওচৰত করুণ বিননী।
মই তাইৰ ওচৰত নিশ্চুপ।
সৌ সিদিনা লগ পোৱা কুকুৰজনীক সুধিছিলোঁ
নিউজ চেনেলত তই এটা নৱজাতকক
মুখত কামুৰি নিয়া দেখিছিলোঁ
দুখ নেলাগিলনে তোৰ?
তাই খঙেৰে ক'লে
যিদিনা ডাষ্টবিনত সন্তানটি পাইছিলো
সি তেতিয়া জীৱিত
ঠাণ্ডাত তাৰ উশাহো চুটি হৈ আহিছিল,
ওৰে ৰাতি মই তাক বুকুৰ ওম দি আছিলো
মাথো তাক জীৱন দিয়াৰ বাসনাত
পুৱতি নিশা তাক কোলাত লৈ
সেই নিষ্ঠুৰ মাকক, বিচাৰি গৈছিলো
তাইক সুধিলো হেঁতেন —
তোমাৰ মৰ্য্যাদা ক'ত?
মানুহে যদি এনেবোৰ কৰে
পৃথিৱীত মানুহ কম আমাৰ দৰে
জীৱয়েই শ্ৰেষ্ঠ হিচাপে ঈশ্বৰক
জন্ম দিবলৈ ক'লোহেঁতেন।
তাইৰ (কুকুৰজনী) উত্তৰত মই নিশ্চুপ!
কি সঁচাই আমি শ্ৰেষ্ঠ নে?
নে মুখাপিন্ধা মানুহৰ ভাওজোৰা
এটা নগ্ন হৃদয়,
য'ত নাই প্ৰেম, দয়া, মমতা
আৰু এখন কোমল হৃদয়।
এইয়াই নেকি জীৱশ্ৰেষ্ঠ মানুহ???

# আদৰ্শই মোক আমনি কৰে

—ৰিচা হাতীমূৰীয়া
পঞ্চম ষান্মাসিক
ভূগোল বিভাগ



প্ৰিয়তমা, তুমিতো সদায় জানিব বিচাৰা
মোৰ চাৰ্ট আৰু পেন্টত কিয় লগোৱা হৈছে
ৰঙা-নীলা কাপোৰৰ টুকুৰা...
বুজিবলৈ যত্ন কৰিবা
মই নহয় আল্ট্ৰা মডাৰ্নৰ নমুনা।
এই যে দেখিছা ঘৰৰ চালৰ অজস্ৰ ফুটা
পানী আৰু পোহৰ অবাধ অহা - যোৱা
পানী আৰু পোহৰে নাচে,
গৰাকীয়ে নীৰৱে উচুপে
এইয়াই আমাৰ উৰুখা পঁজা।
আমাক কৃপণ বুলি ভাবিছা
অতিবাহিত কৰা দেখি বহুতো
লঘোনীয়া ৰাতি,
কিন্তু তুমি নাজানা আমাৰ যে নাই
আঘোণীয়া মাটি।
তুমি চাগে ভাবা বেয়া পাই
তোমাৰ লগত নাযাওঁ কেফে কিম্বা ৰেষ্টুৰেন্ট
তুমি যে নুবুজা প্ৰতি কিলো চাউলৰ দাম
এতিয়া যোল্ল টকা।
মোৰ নীৰৱতাৰ কাৰণ তুমি সোধা
ইয়াৰ কাৰণ কি জানা?
মই যে জীৱন্ত আদৰ্শৰ সাধু কথা।

এইয়া মাৰ আদেশ
ঘঁহিলে আঁতৰি নাযায় পেটৰ ক্ষুধা।
সৰুতে পিতাইয়ে পিন্ধালে
আদৰ্শৰ মুগাবৰণীয়া চোলা
সেইবাবে মোৰ গা
একো নাইকিয়াৰ লেবেল মৰা।
পৰিৱৰ্তিত আই আৰু পিতাইৰ দেহা
যেন কৌশলী যাদুকৰৰ অস্থি সজ্জা....
মোক উপহাস কৰি কয়
এই অকৰা ল'ৰা
আদৰ্শৰ গান চিঞৰি চিঞৰি গা
মাৰৰ বাপেৰৰ তেজাল মঙহ
দগৰি দগৰি খা
দগৰি দগৰি খা ......।

# অবাস্তৱ......

—চয়নিকা বুঢ়াগোঁহাই
স্নাতক ষষ্ঠ ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

ৰাতি ৰাতি সেমেকা পোহৰৰ হাত বুলনিত
চিকমিকাই উঠা
হান দিয়া কাঁচি খনৰ দৰে তাৰ....
বুকুত পোত খাই থকা মণি মুকুতা
গোপন কোঠালিৰ খিৰিকি খুলি সি
তিতি থাকে মনৰ জোনাকত...।
তাৰ কথা ভাবি যিবোৰ কথা তাক
কোৱা হ'ল সেই কথা আজিও
সজীৱ হৈ আছে,
সি থৈ যোৱা প্ৰতিটো কোঠাত.....

কোঠাৰ বেৰ, খিৰিকিৰ পৰ্দাত
পৰ্দাখনক আমনি কৰা বতাহ জাকত,
ৰাতিৰ গভীৰতা নেওচি
সি উভতি আহে,

কেতিয়াবা বৰষুণৰ বতৰত সৰু সৰু
আঙুলিত ধৰি ৰঙীন হৈ আহে,
তাৰ চকুৰ পতা।
বুকুৰ মাজত গুজি থোৱা সপোনে!
তা লৈ হাত মেলে...
ঘাটলৈ চাপি আহে হেপাহৰ নাঁও
তাৰ হাতত ৰিক্ত নাওখনে,
থৈ যায় এটা সপোন...!



# জীৱনৰ নিৰাশা

—নিতিশা কলিতা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ
কলা শাখা

পশ্চিমৰ বেলিটি
দিচাঙত বুৰ মাৰোঁতেই
হঠাতে অচিন বেমাৰটোৱে
মোৰ বুকুতে বিন্ধিলেহি।
দাও - দাওকৈ জ্বলি থকা
আশাৰ জুইকুৰা
সন্ধিয়াৰ আন্ধাৰত
দপ্‌কৈ নুমাই
জোনাকী পৰুৱাটোৰ সমান হ'ল।
মনত অগাদেৰা কৰিলেহি
সাতবছৰৰ আগৰ সপোনবোৰে।

# CHILD LABOUR

– *Gayatry Borgohain*
B.A 1st sem



In the midst of, roaring and rattling of the city,
There lives the aristocratic dwellers with lack of any pity
Days of them start with the alarm of distress
And end with the comfort of mattress.
Their beliefs rest in suppression of poverty striken
Deals with them with an annoying tone of accent
Would they be able to know?
The anxiety of the dirty tear stained-faces
And their sorrow.
Looking here and there in the corners of the street
In the hope of finding someting to eat.
They seek through the rubbish bins
With old blistered raw hands.
Forced to labour in the scorching heat,
But never deny and feel defeated
Childhood and expectations are crushed into thousand pieces
But still hope for the fulfillment of dreams,
Which they have gathered in their eyes

Scanned with OKEN Scanner

# HYMN TO THE SOUL

– ***Prastuti Borah***
Dept of English
5th Semester

You are the best gift for me
Given by God,
You are the new born leaf
Grown from life tree.
Words are limited
That fail to express
My feelings for you
As you are beyond the words.

I can't say in words
That who you are for me
I can only say that
I am nothing without you;
You are the soul of mine.
I neither want heaven
Nor the heavenly God,
For me heaven blessed
With your feet,
Your one little hug give me
The blessing of the paradise.
I don't want the bed of roses
I want to finish the last episode
Of my life in your lap.
I am indebted for being
An unseperable part of mine
You are all for me
I have nothing to give you
But all my prayers
to you



# সেউজীয়া দোপাট্টাৰ আঁৰৰ ছোৱালীজাক

—বুলিমণি কলিতা
প্ৰথম ষান্মাসিক
উদ্ভিদ বিজ্ঞান বিভাগ

সেউজীয়া দোপাট্টাৰ আঁৰৰ ছোৱালীজাক
তোমালোকৰ হাঁহিৰ খলকনিত কঁপি উঠে
নগৰৰ মাজমজিয়াত......।

Lakme, Baby Lips ৰ পৰশত
উজ্জ্বলি উঠা দুটি ওঁঠৰ আঁৰৰ
বেঁকা বেঁকি হাঁহিবোৰে কাঢ়ি নিব পাৰে
কোনোবা অচিনাকিজনৰ হৃদয়ৰ কোঠা।

বৰপুখুৰীৰ পাৰলৈ সেউজীয়া
দোপাট্টাবোৰ
উৰুৱাই
বেছিকৈ নাযাবাচোন,
বতাহত উৰি ফুৰা তোমাৰ শাসনহীন
চুলিকোচাৰ
প্ৰেমত পৰিব পাৰে অনেকজন......।



সেউজীয়া ভালপোৱা ছোৱালীজাক
কাৰোবাৰ বাবে হৈ পৰিব পৰা
একো একোটা বিৰামহীন কবিতা......
কাৰোবাৰ কলমৰ ভাষাত প্ৰাণ পাই উঠিব
পাৰে
তোমালোকৰ কাজলসনা দুচকুৰ সেউজীয়া
সপোনবোৰে........।

কমপ্লেক্সত জুম বান্ধি
থিয় দি নাথাকিবাচোন,
ওচৰেদি পাৰ হৈ যোৱা
কোনোবা অচিনাকিজনৰ চকু থৰ হ'ব পাৰে
তোমালোকৰ ওপৰত......।

চিপচিপীয়া বৰষুণ জাকত
সেউজীয়া দোপাট্টাবোৰেৰে ওৰণি লৈ
দৌৰি নাযাবাচোন কনফাৰেন্স হলৰ
ফালে........।

সেউজীয়া ভালপোৱা ছোৱালীবোৰ
ক্লাছ অফ থকাৰ সময়ত
তোমালোকৰ আড্ডাত
জীপাল হৈ পৰে কেণ্টিনৰ মজিয়া.......
কিমান যে কথা তোমালোকৰ.....?

তোমালোকে নজনাকৈয়ে তোমালোক হৈ
পৰিব পাৰা
কাৰোবাৰ বাবে এজাক বৰষুণ......
যি জীপাল কৰি তোলে
অচিনাকিজনৰ হৃদয়ৰ কোনোবা কোন.......।

সেউজীয়া দোপাট্টাৰ ছোৱালীবোৰ
এনেকৈয়ে দুলি থাকা তোমালোক
সেউজীয়াৰ মাজত......
জীয়াই থকা দুচকুৰ জীয়া সপোনবোৰৰ
মাজত.......।।

# জীয়াই থাকিবলৈ দিয়ক আমাক

—ৰাখী বৰদলৈ
স্নাতক তৃতীয় ষান্মাসিক
বুৰঞ্জী বিভাগ

আমাক জীয়াব দিয়ক।
অনুগ্ৰহ কৰি সপোনবোৰ নাভাঙিব,
হেঁপাহ আছে হাঁহি থকাৰ
সপোন আছে জী থকাৰ

শাসন কৰাৰ চলেৰে
কিয় শোষণ কৰিছে?
হাঁহিৰ প্ৰতিশ্ৰুতিৰে
কিয় দিছে চকুলো?

ডাঙৰ মানুহ হোৱাৰ প্ৰৱল হেঁপাহ আমাৰ
আমাক থাকিব দিয়ক
ভৱিষ্যত দেশৰ নাগৰিক জানো আমিয়েই
নহয়

আমিয়েই জানো ভৱিষ্যতৰ সম্পদ নহয়?

আমাৰ সেউজীয়াবোৰক নীলা
হ'বলৈ নিদিব.....
অ, আ, ক, খ
আদিপাঠ পঢ়াৰ সময়ত কি পালো আমি?
দিশহাৰা মানুহবোৰৰ উচুপনি???

কি ভুল আমাৰ?



মানুহ হোৱাৰ??
নে আপোনালোকক নিৰ্বাচিত কৰাৰ?
ভাষণৰ ফুলজাৰীত থকা প্ৰতিশ্ৰুতিবোৰ
ক'ত হেৰাল?
ক'ত হেৰাল আজি সেই অতীত?

সেউজীয়া ঘ্ৰাণ চুমি জীয়াই থাকিব দিয়ক.....

প্ৰকৃত মানুহ হৈ ওলাই আহিব দিয়ক......
অনুৰোধ মাথোঁ
আমি ভৱিষ্যত দেশৰ.....
যদি আমিয়েই কোঙা হওঁ
ক'ত থাকিব আইৰ সন্মান??
ক'ত ৰ'ব অসমীয়াৰ মান?

# অনুভৱৰ বৰ্ণীয়াইদি

পৃথিবীৰ প্ৰতিজন মানুহেই সপোন দেখে। শৈশৱৰ পৰা বৃদ্ধাৱস্থালৈকে প্ৰতিজন মানুহে ক্ষন্তেকৰ বাবে হলেও হেৰুৱাই দিয়ে নিজকে সপোনৰ কোলাত। যেন পাহৰি পেলাব জীৱনৰ উদাসীনতাক, উন্মাদনাক। সপোনৰ অবিহনে আমাৰ জীৱনৰ কোনোবা এটা পৰ্যায়ো যেন সম্পূৰ্ণ নহয়। লাগিলে সেই সপোনবোৰ বাস্তৱ হওঁক বা নহওঁক।



## "এজাক সপোন আৰু অলপ অনুভৱ"

—নিকুমণী বড়া
স্নাতক প্ৰথম ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

"সপোনৰ বাটেদি হৈ
মই চিঙি আনো
আকাশৰ তৰা
সপোনৰ বাটেদি হৈ মই ভ্ৰমি ফুৰো
গোলাপৰ বাগিছা....।
যেন সপোনতে উটি ভাঁহি বিচাৰি ফুৰো
অহৰহ
মোৰ পাখি লগা আশাবোৰৰ ঠিকনা....।

পৃথিৱীৰ প্ৰতিজন মানুহেই সপোন দেখে। শৈশৱৰ পৰা বৃদ্ধাৱস্থালৈকে প্ৰতিজন মানুহে ক্ষন্তেকৰ বাবে হ'লেও হেৰুৱাই দিয়ে নিজকে সপোনৰ কোলাত। যেন পাহৰি পেলাব জীৱনৰ উদাসীনতাক, উন্মাদনাক। সপোনৰ অবিহনে আমাৰ জীৱনৰ কোনোবা এটা পৰ্যায়ো যেন সম্পূৰ্ণ নহয়। লাগিলে সেই সপোনবোৰ বাস্তৱ হওঁক বা নহওঁক। তথাপিও ই আমাৰ অনুভৱৰ পৃথিৱীখনত সদায়ে বিচৰণ কৰে....।

"মোৰ জীৱনত তুমি
জোন হৈ জ্বলিবা...

মোৰ সপোনৰ বুকুত তুমি
ৰাজকুমাৰ হৈ আহিবা...
জানো,
মই ভুল কৰা নাই ভালপাই তোমাক
তুমিতো নাজানা
তোমাৰ ভালপোৱাই যে
কেনেকৈ সজাই তোলে
মোৰ তিক্ত জীৱনৰ
বিশৃংখল চৌপাশ.....।”

হয়তো সপোনৰ কোলাতেই কোনোবা প্ৰেমিকাই প্ৰেমিকক ৰাজকুমাৰ হৈ আহিবলৈ অনুৰোধ কৰিছে। যেন কুমাৰৰ নিঃস্বাৰ্থ ভালপোৱাই সজাই তুলিব খন্তেকৰ বাবে হ'লেও এটা বেহিচাপী বিশৃংখল জীৱন....। গতিকে বাস্তৱত সম্ভৱ নোহোৱা প্ৰতিটো আশা সপোনৰ কোলাত ৰং দি অনুভৱ কৰোঁ। বাস্তৱ জীৱনৰ লগৰী অসহ্য বুকুৰ বিষটোৰ স'তে কটোৱা ৰাতিৰ উন্মাদনাক আন্ধাৰৰ বুকুত এৰি পাহৰি পেলাওঁ নিজকে আৰু দুচকুৰ অভিমানৰ আৱৰণ গুচাই সাবতি ধৰো মনৰ আপোনজনক। সপোনৰ কল্পনা শক্তিয়ে পাহৰাই পেলায় বাস্তৱৰ যান্ত্ৰিকতাৰ হা-হুমুনিয়াহ অথবা আউল লগা জীৱনৰ পোৱা-নোপোৱাবোৰৰ হিচাপ।

“সপোনতে তোমাক বিচাৰি পাঁও
সপোনতে তোমাক চুই চাঁও
সপোনত তুমি আহা এজাক বৰষুণ হৈ
আৰু
মই তিতি জুৰুলি - জুপুৰি হওঁ
সেই নিশব্দ অনুভৱৰ পৃথিৱীত....।”

মইও অনুৰোধ কৰো তোমাক, তুমিও সপোন হৈ দোলা দিবা মোৰ দুচকুত...। যদিও বাস্তৱত তুমি মোৰ পৰা বহু দূৰৈত কিন্তু সপোনৰ কোলাত যেন কাষতে বিচাৰি পাঁও। বুৰ যাওঁ তোমাৰ চকুযুৰিৰ মাজত। তোমাৰ মিঠা হাঁহিৰ তালে তালে বাৰে বাৰে ঢৌ খেলি যায় বুকুৰ মাজত মৰমবোৰে। সপোনত বাস্তৱ সমাজৰ এই অভেদ্য দেৱাল নাথাকিব আমাৰ মাজত। সমাজৰ বিধি-পথালিবোৰ আওকাণ কৰি আমি এক হ'ম সপোনত। যদিও কেতিয়াবা বাস্তৱৰ কঠোৰতাত আমাৰ সপোনবোৰ তাচঘৰৰ দৰে ভাঙি পৰে তথাপিও বুকুৰ কোনোবা এটা কোঁঠাত আকৌ নিমজ্জিত হ'ব খোজে আন এক আলসুৱা সপোন।

গতিকে পৃথিৱীৰ প্ৰতিটো কামতেই অথবা প্ৰতিটো হেঁপাহতেই হওঁক যি সপোন সন্নিবিষ্ট হৈ থাকে তাক বাস্তৱ ৰূপ দিব পৰাতো বহুত ইতিবাচক দিশ। আৰু সেয়াই হ'ব “জীৱনৰ আটাইতকৈ ডাঙৰ সাৰ্থক।”

“সপোনৰ ভালপোৱা প্ৰেমৰ বৰষুণত
যিদিনা তিতিছিলো তোমাৰ সতে....
বুকুত মৰমৰ টোপোলাটিক খামুচি
ভালপোৱাই নিগাজিকৈ ঠাই ল'লে....
বিচাৰি পালো মোৰ জীৱনৰ অৰ্থ
জীৱনৰ এক নতুন দিগন্ত....।”

★★★★★★



# এমুঠি অনুভৱেৰে

— গীতাঞ্জলী কলিতা
পঞ্চম ষান্মাসিক
বুৰঞ্জী বিভাগ

হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণৰ পাছত মনত এটাই সপোন আছিল শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ত পঢ়া। আপেক্ষাৰ অন্তত এদিন সেই দিনটো আহিছিল। প্ৰথম দিনা কলেজত ভৰি দিয়েই মনত পৰিছিল নলীনিবালাদেৱীৰ সেই কবিতাটো বিশাল আকাশত অচিনাকি চৰাই জাকৰ দৰেই আহিও চিনাকি বিদ্যালয়খন এৰি অচিনাকি কিছুমান সুখৰ সৈতে একত্ৰিত হৈছিলোহি এক সুন্দৰ জীৱন গঢ়াৰ সপোন লৈ।

সময়বোৰ পাখিলগা কাঁড়ৰ দৰে। কেনেকৈনো পাৰ হৈ যায় ধৰিবই নোৱাৰি। কিন্তু পাৰ হৈ গ'ল বুলিয়ে জানো পাহৰিব পাৰিম সেই মধুৰ স্মৃতিবোৰ। H.S. 1st Year ত প্ৰথম দিনা আহি ক্লাছত দেৰিকৈ সোমোৱাৰ অভিজ্ঞতা আজিও মোৰ মানস পটত সজীৱ হৈ আছে। প্ৰথম অৱস্থাত এটা ক্লাছ কৰা পাছত আন এটা ক্লাছৰ বাবে ৰৈ থকাতো বৰ আমনিদায়ক আছিল কিন্তু লাহে লাহে সেই সকলোবোৰ পৰিস্থিতিৰ লগত খাপ খাই পৰিছিলো। কেনেকৈনো চকুৰ পচাৰতে সেই দুটা বছৰ পাৰ হৈ গৈছিল গমেই পোৱা নাছিলো। লাহে লাহে দিন বাগৰি গৈছিল আৰু আহি পৰিছিল বিচ্ছেদৰ সময়। সহিবলে টান হলেও আমি সন্মুখীন হৈছিলো সেই দিনটোৰ যিটো দিনত আমি এৰিব লগা হৈছিল দুটা বছৰে পঢ়া মৰমৰ কলেজখন।

এৰিব পৰা নাছিলো এই মৰমৰ কলেজ খনক। পুনৰ বাৰ স্নাতক মহলাত বুৰঞ্জী বিষয়টোক সন্মানীয় বিষয় হিচাপে বাছি লৈছিলো। ঐতিহ্য মণ্ডিত শিৱদলৰ কাষত আৰু বৰ পুখুৰী পাৰত সগৌৰৱে জিলিকি থকা শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ ছাত্ৰী হিচাপে মই গৌৰৱ অনুভৱ কৰো। প্ৰথমতে Semester system ৰ ওপৰত মোৰ বিশেষ জ্ঞান নাছিল যদিও Depertment ৰ ছাৰ, মেম সকলোৱে ভালদৰে বুজাই দিছিল। তেওঁলোকৰ পৰামৰ্শ মানিয়েই আগুৱাই গৈছিলো প্ৰতিটো Semester, এনেদৰেই আগবাঢ়ি গৈছিল দিনবোৰ। যিমানেই Semester, আগবাঢ়িছিল সিমানেই আমাৰ পঢ়াৰ বোজাও গধুৰ হৈ পৰিছিল। পঢ়াৰ মাজতে ধেমালি কৰিবলৈও এৰা নাছিলো। মই লগ পোৱা প্ৰতিজনী বান্ধৱীয়ে মোৰ প্ৰিয় আছিল। তাহাঁতৰ এনে কিছুমান গুণ আছিল, যিবোৰে মোক সহজে আকৰ্ষিত কৰিছিল। অতি কম সময়ৰ ভিতৰত আমি ইজনীয়ে সিজনীৰ মনৰ ভাৱ বোৰ বুজি পোৱা হৈছিলো। বহুত ভাল লাগিছিল কলেজত থকা সময়খিনি। আৰু যিদিনা কলেজ বন্ধ হয় সেই দিনটো নাযায় নুপুৰাই যেন লাগিছিল, ক্লাছ নথকাৰ সময়ত কেন্টিনও বহি চাহৰ আড্ডা মৰা কথাটো প্ৰতিজনী ছোৱালীৰ মুখে মুখে আছিল।

সময়বোৰ যে ইমান নিষ্ঠুৰ কাৰোবাবেই নৰয়। বৰ্ত্তমান মই 5th Semester ৰ ছাত্ৰী। দিনবোৰ যিমানেই বাঢ়িব ধৰিছে পৰীক্ষাৰ বাবেও সিমানে প্ৰস্তুতি বাঢ়িছে। কোনেও কাকো প্ৰকাশ নকৰিলেও বুজি পাও, সকলোৰে মনত মাথো এটাই চিন্তা আমি বাৰু পুনৰ লগ পামনে? পুনৰ ঘূৰাই পামনে? আমাৰ মাজত থকা সেই নিস্বাৰ্থ ধেমালিবোৰক। মই কিন্তু বহুত miss কৰিম সকলোকে।

সহিবলে টান হ'লেও এইয়াই আমাৰ জীৱনৰ চিৰ সত্য। এটা সোণালী ভৱিষ্যতৰ সন্ধানত আকৌ আগবাঢ়ি যাব লাগিব এটা নতুন ৰাস্তাত। আকৌ আৰম্ভ হ'ব এটা নতুন জীৱনৰ। জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ, মনোমোহা সময়ছোৱাত ভৰি দি অনুভৱ কৰিছো এইবাৰ যেন সচাঁকৈ ডাঙৰ হলো। এই সময়ছোৱাই হৈছে ভৱিষ্যতৰ সপোন দেখাৰ সময়। এই খন মহাবিদ্যালয়ত আমাৰ সময় তেনেই তাকৰীয়া। আৰু কেইটামান মাহহে আমি এইখন মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিম। সময়ৰ সোঁতত এদিন এই মহাবিদ্যালয় খনো আমাৰ অতীত হব। কিন্তু আমাৰ শিক্ষা জীৱনত এই মহাবিদ্যালয়খন সদায় স্মৰণীয় হৈ ৰব।

# শৰতৰ এটি মিঠা অনুভৱ

— পিকুমণি বৰুৱা
পঞ্চম ষান্মাসিক
ৰসায়ন বিজ্ঞান বিভাগ

'শাৰদী কোমল জোনাক মায়ায়ে
মন উতলা কৰে।'

ৰূপ আৰু সুবাসৰ প্ৰাচুৰ্য্যেৰে মনোৰম শুকুলা ঋতু শৰৎ। সৌন্দৰ্যৰ অপাৰ সম্ভাৰেৰে ভৰপূৰ ঋতু শৰৎ। শৰৎ এক মায়াময় স্নিগ্ধ শীতল অনুভূতি। ঋতুৰ ৰাণী শৰৎ। ৰ'দ - বৰষুণ, বোকা - পানীৰ কদৰ্যময় দিনবোৰৰ পাছতে ভুমুকি মাৰে স্বপ্নময় শৰতে। গ্ৰীষ্মৰ প্ৰখৰ তাপত দগ্ধ প্ৰকৃতিৰ নিষ্প্ৰাণ পৰিৱেশ বৰ্ষাৰ মৌচুয়ে যে সজীৱ কৰি তোলে আৰু তাৰ পাছতে শৰতে তাত মধুৰ মোহনীয়তা আনি দিয়ে। বিহগী কবি ৰঘুনাথ চৌধাৰীৰ মতে, শৰৎ হৈছে 'শ্যাম তৃণেৰে ভৰা ধুনীয়া পথাৰ সুন্দৰী শাৰদবালা।' আকৌ, গীতিকবি পাৰ্বতী প্ৰসাদ বৰুৱাৰ মতে, শৰৎ হেনো 'শাৰদীয় সন্ধিয়াৰ জোনাকী মেল।' শৰৎ ঋতু কবিসকলৰ কল্পনাৰ ধন।

'শৰৎ আহিল, সেউজীয়া দলিচাত কোমল ৰ'দালি আলফুলে শেৱালি সৰিল।' শৰতৰ শেৱালি জোপাই প্ৰাণ পাই উঠে আৰু প্ৰতি পুৱা দূৰৰিৰ সেউজীয়া দলিচাত সৰগৰ ফুল বাচে। শেৱালি সৌন্দৰ্যৰ, নিৰৱ প্ৰেমৰ গোপন পূজাৰী। এনে সময়তে সৰগৰ মুকুতা যেন নিয়ৰকণায়েও গোটেই পৃথিৱীখন আৱৰি ধৰে আৰু পৃথিৱীৰ প্ৰতিটো সেউজীয়া ধুই নিকা কৰে। আবেলি বেলিকা হৃদয় ৰিব ৰিব শীতল মলয়া ব'বলৈ আৰম্ভ কৰে। তাৰ লহৰে লহৰে নদীৰ পাৰে পাৰে কহুঁৱাৰ ফুলবোৰে হালি-জালি নাচিব ধৰে। শৰতৰ পূৰ্ণ চন্দ্ৰমাৰ ৰূপালী জ্যোৎস্নাই ধৰাৰ বুকুত দীপাৱলী পাতে। মুক্ত আকাশত উজ্জ্বল জ্যোতিষ্কই তিৰবিৰাই উঠে। 'মমতাৰ চিঠিত'— কবি হেম বৰুৱাইও শৰতৰ এটি শুভ্ৰ টুকুৰা এনেদৰে প্ৰকাশ কৰিছে— " সিদিনা আছিল কাতিৰ কুঁৱলীসনা এটা কোমল পুৱা। পদূলিত তলসৰা শেৱালিবোৰ উপচি আছিল। আৰু সন্ধিয়া, মই তোমালোকৰ ঘৰলৈ ন-কৈ আহিবৰ দিনা আকাশৰ মেঘৰ মোহনাত হালধীয়া জোনটো নাওখন হৈ আমাক যে ৰিঙিয়াই মাতিছিল তৰাৰ দেশলৈ।"



মুঠতে পৰিষ্কাৰ - পৰিচ্ছন্ন, সুনিৰ্মল, স্বপ্নময়, ৰূপময়, প্ৰাণ-প্ৰাচুৰ্যময়, অপূৰ্ব সৌন্দৰ্যৰ সমাহাৰেৰে ভৰপূৰ ঋতুৰ ৰাণী শৰৎ। শৰৎ প্ৰাকৃতিক পৰিৱেশত যিদৰে মনোৰমা, সামাজিক ক্ষেত্ৰটো এইদৰে উৎসৱমুখৰ। প্ৰকৃতিৰ এই ৰূপৰ মাজতেই আহে শাৰদীয় পূজা, য'ত উলাহ - আনন্দ আৰু ব্যস্ততাৰে ষষ্ঠীৰ পৰা দশমীৰ বিসৰ্জনলৈকে আকাশে বতাহে সমস্বৰে উচ্চাৰিত হয় -

' যা দেৱী সৰ্বভূতেষু শক্তিৰূপেন সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ ।।"

# এক অভিনৱ শব্দ 'মা'



—অংকুৰিতা মহন্ত
স্নাতক তৃতীয় ষাম্মাসিক
অসমীয়া বিভাগ

জীৱন নামৰ নদীৰ মাজত জীৱনৰ অশ্ৰুতপ্ত ঘূৰ্ণীবতাহক নেওচি সকলো সংঘাত পাৰ কৰি মোক বসুমতী ধৰিত্ৰীৰ মাজত জন্ম দিছিলা তুমি। মই ধৰিত্ৰীৰ পৰশ পাই কান্দোনৰ ৰোল তুলিছিলোঁ। সোণাৰু গছেও মোক দেখি হালধীয়া হাঁহি মাৰিছিল। তোমাৰ পৰশ পাই মই হৈ গৈছিলো ধন্য। মোৰ কান্দোনৰ ৰোল শুনি প্ৰকৃতিয়েও যেন হাঁহিছিল, কান্দিছিল, মোক দেখি অভিমান কৰিছিল। তলত প্ৰকৃতিৰ ধৰণী ওপৰত অগাধ শূণ্যতা। মই এইবোৰ দেখি বৰ ভয় খাইছিলো। মই জীৱনৰ প্ৰথম চকু মেলোতে অজান পৃথিৱী এখন দেখি ভয় খাইছিলোঁ। তুমিয়ে যে মোক তোমাৰ বুকুৰ মাজত ভৰাই মৰম কৰিছিলা। মোৰ ভয় নামৰ জটিল হৈ পৰা শব্দটো ভাগিছিল। এইয়াই আছিল সন্তানৰ প্ৰতি থকা মাতৃৰ অগাধ স্নেহ আৰু জানা তুমি যে মোক প্ৰথম বসুমতী মাতৃৰ কোলাত ভৰি দিবলৈ শিকাইছিলা। হাতত ধৰি থুনুক থানাককৈ খোজ কাঢ়িব শিকাইছিলা, পৰি গ'লে তুমিয়ে ধৰি চম্ভালি দিছিলা। এনেকুৱাই আছিল মোৰ অতি চেনেহৰ মা। মা শব্দটো কি অনুভৱ লিখি কৈ বুজাব নোৱাৰি কেৱল অনুভৱ কৰিব পাৰি। স্নেহ, মা, মৰম আদি শব্দবোৰ ক'ব নোৱাৰি, বুজাবও নোৱাৰি, জুখিবও নোৱাৰি, কেৱল অনুভৱ কৰিব পাৰি। অন্ধকাৰৰ শুকুলা ডাৱৰৰ পৰা পোহৰৰ বাট দেখুওৱা মা। যুদ্ধময় জীৱনত সফলতাৰ উচ্চ জখলা আৰোহনত সহায় মা। কেতিয়াবা সৰস্বতী, কেতিয়াবা দূৰ্গা, কেতিয়াবা লক্ষী ৰূপ ধাৰণ কৰা মা। 'মা' হৃদয়ত শান্তি দিয়া এটা শব্দ। হৃদয়ৰ নিভৃত কোণত স্থায়ীভাৱে লুকাই থকা শব্দ। হৃদয়খন থান-বান হৈ থকা জোৰা দিয়া শব্দই মা। এই শব্দটো শান্তিময়ী প্ৰতীক। তুমিয়ে সপোনবোৰ দেখিব শিকাইছিলা। সপোনৰ মায়াজালৰ বন্দী হ'ব দেখুৱাইছিলা। ডাৱৰৰ কুঁৱলীৰ মাজত অজান হৈ অহা বতাহজাকৰ মজিত জ্ঞানৰ উচ্চ জখলাত থিয় হৈ আকাশ চুব শিকাইছিলা। জীৱন নামৰ বিশাল সমুদ্ৰত ঘড়ী কাঁটাৰ যেনেকৈ টিক্ টিক্ শব্দ কৰি সময় পাৰ হৈ গৈ আছে তাৰ লগতে আমিও বন্দী হৈ সময় অতিক্ৰম কৰি গৈ আছোঁ অজান সুপ্ত স্থানলৈ। যিমানেই সময় বাগৰি গৈছে সিমানেই আমি মায়ানগৰৰ পিনে ঢাল খাই গৈ আছোঁ। কিন্তু এই সময়ে মোৰ পৰা তোমাক লৈ যায় বুলি বৰ ভয় হয়। হৃদয়ঙ্গম কৰি সাৱটি থাকিম চিৰজীৱনলৈ।

"গহীন পুৱতি নিশা, নিতাল জগত
ক'তো নাই জোনাকৰ চিন
নিমাত বিশ্বৰ বাঁহী, নিজম চেতনা সুৰ-ভুলা জীৱনৰ বীণ।
হৃদয়ৰ নিভৃত কোণত আছে তোমাৰ ছবি
মৃত্যুৰ আগমূহুৰ্তলৈকে তোমাক চাই জীৱনৰ
অন্তিম বেলি চাই বসুমতীৰ কোলাত জিৰাম চিৰজীৱনলৈ।"
তুমি মোৰ উষাৰ পবিত্ৰ জ্যোতি
আতুৰ নয়নৰ তুমি মোৰ শীতল মলয়া বা
তাপিত দেহৰ তুমি মোৰ নিৰ্মল প্ৰণবায়ু জীৱন-পোষণ
তুমি মোৰ সুৱদি অমৃত ৰস পৰাণ-তোষণ
তুমি মোৰ লক্ষ্য স্থল, সুখৰ বোঁৱতী নৈ ক্ষন্তেক
জিৰাওঁ হিয়া তোমাৰ পাৰত বৈ।

# নাৰীৰ কৰুণাময় জীৱন

— ৰবিতা ভূমিজ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ
কলা শাখা

মনত পৰিছে আজি মোৰ, অতীতৰ সেই স্মৃতি দিনবোৰত মা, আইতা হঁতে যে ক'ত আনন্দৰে পাৰ কৰিছিল ছোৱালী জীৱনৰ প্ৰতিটো পল মই সেই স্মৃতিৰ দিনবোৰ দেখা নাই। কিন্তু ই অতীতৰ পৰা প্ৰচলিত মহৎ বাণী সমূহৰ দৰে। আমি সেই দিনবোৰ কেৱল কল্পনাহে কৰিব পাৰো কিন্তু তেনে জীৱন অতিবাহিত কৰিব নোৱাৰো। নাৰীয়ে হৈছে এজনী মাতৃ, যি শব্দই সকলোৰে মন আনন্দিত কৰি তুলে, যি শব্দৰ পাৰা - পাৰ নাই। তেনে এটা শব্দৰ গৰাকী হৈও নাৰী আজি কৰাল গ্ৰাসত পতিত হোৱা যেন অনুভৱ হয়। কিয় নাৰী আজিৰ যুগতো পুৰুষ জাতিৰ তলতীয়া? সঁচাকৈ নাৰী ইমান দুৰ্বল নেকি? ইমান অৱহেলিত নেকি? এনে এটা সময় আহিব নেকি য'ত নাৰীৰ নিৰাপত্তা বোলা বস্তুটোৱেই নিঃশেষ হৈ যাব। এই নিৰাপত্তা বিহীন সমাজখনত যেন কেৱল নাৰীয়েই পুৰুষ সকলৰ বাবে একমাত্ৰ শত্ৰু হৈ ৰব। আমি আমাৰ কৈশোৰতম জীৱনৰ ইমান সুন্দৰ দিনবোৰ পাৰ কৰিবলৈ কত চিন্তা ভাৱনাৰ সন্মুখীন হ'ব লগা হয়। অলপ ওলাই যাওঁ বুলি ভাবিলেও ভয় হয় কোনোবাই আমাক লক্ষ্য কৰিছে নেকি? চাই হাঁহিছে নেকি? এনে কিয় হয় বাৰু আমাৰ এই মধুময় জীৱনত। তাৰমাজতে কিছুমান উদণ্ড লৰাই কিৰিলি পাৰি জোকাবলৈ চেষ্টা কৰে। কিয় হয় বাৰু আমাৰ জীৱনৰ এনে দুৰৱস্থা।

কেতিয়াবা ভাবো, কিন্তু কথা বোৰ ভাবিলেই যেন মনটো কৰবাত স্থৱিৰ হৈ ৰৈ যায়। ঘৰৰ পৰা ওলাই আহিছো শিক্ষাৰ পোহৰ বিচাৰি, কিন্তু বৰ্তমানৰ মুখা পিন্ধা সমাজখনে যেন আমাৰ ছোৱালী বোৰৰ কত মধুময় সপোন চকুৰ পলকতে কাঢ়ি লৈ গৈছে। (ধন্য তোমাৰ এই মানৱতা)। সচাঁকৈ এই দৃশ্যবোৰ খুবেই মৰ্মান্তিক যেন হৈ পৰিল। আমাৰ সমাজৰ প্ৰচলিত এক ঘৃণণীয় ধৰ্ষণ কাণ্ডই গোটেই সমাজখনকে লজ্জিত কৰিছে। 'ধন্য তোমাৰ দয়া আৰু এই নিষ্ঠুৰ মানৱতা"। স্বৰ্গীয় ভুপেন হাজৰিকা দেৱৰ—

মানুহে মানুহৰ বাবে
যদিহে অকণো নাভাবে-



গীতৰ কলিটি যেন অৰ্থবিহীন হৈ পৰিল। হেৰাই গ'ল সকলো মানৱতা, আন্তৰিকতা এই যান্ত্ৰিকতাময় পৃথিৱীত আমিবোৰ হৈ পৰিলো একো একোটা যন্ত্ৰ য'ত সংজ্ঞা বিচৰাটো এক দুৰুহ কাম।

তথাপিও ওলাই আহিছো ঘৰৰ পৰা মা, দেউতাৰ কাষৰ পৰা আশাৰে ভৰা জীৱনত অলপ ৰঙীণ পোহৰ বিচাৰি। য'ত আমি আমাৰ জীৱন যাত্ৰাৰ পথত অলপ আগুৱাই ভৱিষ্যত প্ৰজন্মৰ কথা চিন্তা কৰি মানৱতাক যেন পুনৰ উভতাই আনিব পাৰো।

ধন্য শিৱসাগৰ ছোৱালী কলেজ
তোমাৰ জ্ঞান, গৌৰৱ আৰু গৰিমাক
উজ্জলাই তুলিবলৈ আমি বোৰ আহিছো
তোমাৰ কোলাতেই যেন আমাৰ অন্ধকাৰ ময় জীৱন
উজ্জীৱিত হৈ পৰে।
অসমী আই
তোমাৰ কোলাতে এই পূণ্যৰ ধূলি
চিৰকাললৈ থাকি যায়।

# যান্ত্ৰিকতাৰ গৰাহত আমিবোৰ

—গীতামণি বড়া
স্নাতক তৃতীয় ষান্মাসিক
শিক্ষা বিভাগ

টিং টিং শব্দবোৰত হেঁপাহবোৰ উথলি উঠে। তাঁতৰ পাতত বহি এবাৰলৈ হয়তো মূৰ তুলি চোৱা যায়, অথবা ঢাপলি মেলা যায় নঙলামুখলৈ, কিজানি নীলাখামৰ ভাঁজতে আহিছে মৰমৰ বোঁৱতি নৈখন উথলি, অজানিতে যেন বুকুৰ কোনোবা কোণত ঢৌবোৰে উখল মাখল লগাই, হয়তো পদুলি মুখৰ নঙলালৈ চকু ফুৰাই বাট চোৱা যায়, ডাকোৱাজন আহিব, মৰমৰ বতৰা লৈ আবেগত উথলি উঠা মনটোক বুজনি দি থমকি ৰ'ব যেতিয়া চাইকেলৰ শব্দ আৰু নঙলামুখত বৈ ক'ব আপোনাৰ চিঠি, তেতিয়া যেন ফাগুনৰ পচোৱাজাকে আঘোনতো জোৱাৰ তুলি আহে হৃদয়ৰ কোনোবা কোণত। নীলা খামৰ বুকুৰ পৃষ্ঠা লুটিয়াই মৰমৰ শব্দ কেইটাৰ উচ্চাৰণ ফুটি উঠে, তেতিয়া যেন সোণাৰুৱে পাহি মেলি উঠে। এখন চিঠি আহিব যত দুটামান শব্দৰ বুকুত গুজি পঠাব মৰম, বিশ্বাস প্ৰতিশ্ৰুতি আদিৰে সাঁচতিয়া কথাবোৰ কিমান মৰম আত্মীয়তাৰে ভৰি থাকে এই মুহূৰ্তবোৰ, কাৰোবাৰ এটা বতৰা আহিব, কোনোবাই কিছু মৰমসনা প্ৰতিশ্ৰুতি দি যাব; বাৰে বাৰে প্ৰেয়সীৰ দুচকুয়ে চাই ৰ'ব নঙলামুখলৈ তথাপিও সময় নামৰ সুঁতিটোৱে বাগৰ সলায়, দুপাখিত তুলি লৈ আহে পৰিবৰ্তন নামৰ মানৱ সভ্যতা। যি সভ্যতাক আগুৰি মানৱ জীৱন আগুৱাই যায়।

একবিংশ শতিকাৰ নতুন পুৰুষ আমি বুলি হয়তো জয়গান গাই, সমাদৰ কৰে নতুন সভ্যতা। পৰিবৰ্তনৰ বতাহজাকক ধিয়াই আমি হয়তো সভ্যতাৰ দিশে আগুৱাই যাবই লাগিব। তথাপিও কিছু সময়ত যেন কিছু কথাই মনটোত ঢৌ তুলি যায়। ভাবি চাবলৈ মন যায় পৰিৱৰ্তনৰ ঢৌবোৰ বাৰুকৈয়ে দ্ৰুত হৈ যোৱা নাইনে?



বৰ্তমান হোৱাটচআপ, ফেচবুকৰ দিনত সকলো এনড্ৰইদৰ পিছত দৌৰিছে। সপোন দেখিছে ডিজিটেল হোৱাৰ। য'ত সম্পৰ্কবোৰ যেন সীমাবদ্ধ হাই-হেল্লোৰ গৰাহত। এক যান্ত্ৰিক সম্পৰ্ক য'ত নীলা খামৰ ভাজত অহা প্ৰতিটোপাল বগা কাগজৰ বুকুত লিখা নীলা চিয়াঁহীৰ মূল্য, প্ৰতিটো বিশ্বাস, প্ৰতিশ্ৰুতি আৰু আহিব আহিব বুলি নঙলামুখলৈ বাট চোৱা প্ৰত্যেকটো মুহূৰ্তই শূন্য।

উথলি উঠা আশা, সপোনবোৰ স্তব্ধ হৈ ৰয়। বুজনি দিবলৈ বাধ্য হওঁ নিজকে এয়াই যেন মানৱ সভ্যতা, পৰিৱৰ্তনে ধুৱাই অনা যান্ত্ৰিকতা। সপোনৰ পিছতো যেন আন এক পৰিচৰ্যা, যাৰ নাম যান্ত্ৰিকতা। যি হয়তো বৰ্তমানে চাৰিওকাষ আৱৰি ৰাখে আমাক, আমাৰ মাজৰ সম্পৰ্কবোৰক, যি সীমাবদ্ধ যান্ত্ৰিকভাৱে গঢ়ি উঠা যান্ত্ৰিক যন্ত্ৰৰ মাজত, য'ত পৰিৱৰ্তিত বৰ্তমানৰ মানৱ সভ্যতা।

# সুখ দুখৰ মাজেৰে জীৱন

— সুপ্ৰিয়া গগৈ
তৃতীয় যান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

আমি সদায় নিজে নিজৰ জীৱনটোক ভাল পাবলৈ শিকিব লাগে। তেতিয়াহে জীৱনটোত দুখ পালেও সকলো দুখ পাহৰি নিজৰ জীৱন বাটত আগবাঢ়ি যাব পাৰি। হয়তো কিছুমান মানুহে বেছি দুখ পায় আৰু কিছুমান মানুহে কমকৈ দুখ পায়। কিন্তু দুখ সকলো মানুহৰে জীৱনত থাকেই সুখ দুখৰ অবিহনে জীৱন এটা গঢ় লৈ উঠাটো সম্ভৱ নহয়।

জীৱনটো গীতৰ সুমধুৰ সুৰৰ দৰে। জীৱনক সফল কৰি তুলিবলৈ আদৰ্শৰ তীব্ৰ প্ৰেৰণা অনুভৱ কৰা হয়। সপোনত পোৱা জীৱনৰ স'তে বাস্তৱ জীৱনৰ মিল নাই। কিন্তু সপোনৰ জীৱনক বাস্তৱত পাবলৈ লাগে একাগ্ৰতা, আস্থা, বিশ্বাস আৰু ধৈৰ্য্য।



জীৱনৰ অৰ্থ বুজিবলৈ যত্ন পৰ হ'ব লাগিব। অকল ধন, ঐশ্বৰ্য্যৰ প্ৰাচুৰ্য্য থাকিলেই জীৱন ধন্য নহয়। জীৱনটোক মহীয়ান কৰি তুলিবলৈ জীৱনৰ লক্ষ্য হ'ব লাগিব দয়া, মমতা, পৰোপকাৰী মনোভাৱ, সৌন্দৰ্য্যপ্ৰীতি আৰু আত্মসংযম আদি নৈতিক গুণবোৰৰ বিকাশ সাধন কৰি সম্পূৰ্ণ মানুহ হ'বলৈ চেষ্টা কৰা। মানুহৰ জীৱনত সুখ দুখ থাকিবই সেই সুখ দুখৰ মাজেৰেই মানুহ জীৱন যুজঁত আগবাঢ়ি যাব লাগিব। তেতিয়াহে সকলোৰে নিজৰ লক্ষ্যত উপনীত হ'ব পাৰিব আৰু জীৱনটো সুন্দৰভাৱে গঢ় লৈ উঠিব।

এনেদৰেই পাৰ হৈ যায় সময়বোৰৰ সুখ দুখৰ লগত যেন এক সম্বন্ধ গঢ় লৈ উঠে। মানুহৰ জীৱন এইবোৰক লৈয়ে গঢ় লৈ উঠে। সেয়ে জীৱনৰ বাটটো একা-বেকাঁ আৰু কাঁইটীয়া বুলি কোৱা হয়।

# নীলা খামৰ চিঠি

## পৰিচয়বিহীন এখন চিঠি তোমাৰ বাবে



—লুণা বৰুৱা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ
কলা শাখা

মৰমৰ ........

তোমালৈ বুলি পৰিচয়বিহীন এখন চিঠি। যাৰ অস্তিত্ব তোমাৰ মাজত হয়তো কোনোদিনে নাথাকিব। প্ৰথমে এবুকু হিয়াভৰা মৰম তোমাৰ বাবে। আবেলিৰ বেলিটোৰ দৰে যেন তুমি জিলিকি থাকা।

তোমাৰ বাৰু মনত আছেনে.... ??? তোমাক প্ৰথম লগ পোৱা সেইদিনটোৰ কথা। আছেনে বাৰু তোমাৰ মনত তুমি যে মোলৈ মৰা মিঠা হাঁহিটিৰ কথা। তোমাৰ সেই মিঠা হাঁহিটো মই এতিয়াও পাহৰা নাই জানা। কেনেকৈ পাহৰো কোৱা, তোমাৰ সেই মৰম লগা হাঁহিটোৰ পৰাই মোৰ বুকুত তুমি প্ৰেমৰ বৰষুণজাক সিঁচি দিছিলা।

বৰষুণ .......... এজাক মৰম সনা প্ৰেমৰ বৰষুণ। তুমি দি থৈ যোৱা সেই বৰষুণজাকত মই এতিয়াও তিতি আছো জানা। তুমি এৰি থৈ গ'লেও মই এই বৰষুণজাক এৰিব পৰা নাই। কাৰণ এইজাক তুমি দি থৈ যোৱা প্ৰেমৰ বৰষুণ। তুমি চাগে এতিয়া আন কাৰোবাৰ সৈতে বৰষুণত তিতিছা। হাতত হাত ধৰি তাইৰ লগত চাগে তিতিছা, হাঁহিছা। কিন্তু মই ...... এতিয়া তোমাৰ স্মৃতিবোৰ লগত লৈ তিতিছো অকলশৰে ............ নাই মই অকলশৰীয়া নহয়। মোৰ সৈতে তোমাৰ স্মৃতি আছে। তুমি দি থৈ যোৱা বৰষুণজাক আছে। কিন্তু তুমি মোৰ কাষত নাই .........। তুমি চাগে লাহে লাহে মোক পাহৰি গৈছা ন? পাহৰিবাই, তাই চাগে তোমাক মোৰ অভাৱ অনুভৱ কৰিবলৈ নিদিয়ে। তোমাৰ বাবে আজি মই জ্বলি জ্বলি শেষ হোৱা এডাল মমবাতি আৰু মোৰ বাবে তুমি এতিয়াও জ্বলি থকা এডাল মমবাতি, যাৰ পোহৰে মোৰ হৃদয়ত আলোড়ন সৃষ্টি কৰিছিল। তোমাৰ বাৰু মনত আছেনে তোমাৰ সৈতে কটোৱা আবেলিটোৰ কথা। এটা নিৰিবিলি সন্ধ্যা আগমণৰ আবেলি সেইদিনা তোমাক অকলশৰীয়াকৈ লগ পোৱা প্ৰথম আৰু শেষ আবেলি নহয়নে.......?

তোমাৰ বাবে প্ৰেম হয়তো এজাক পছোৱা বতাহ, কিন্তু মোৰ বাবে সেই পছোৱা বতাহত লাগি থকা চেঁচা এটা অনুভৱ। যিটো তুমিয়েই মোক দিছিলা। আজি মই সুখী। তুমি কাষত নাথাকিলেও মই সুখী। ভাবিছিলো তোমাৰ অবিহনে মোৰ জীৱন আধৰুৱা হৈ ৰ'ব। কিন্তু মই আধৰুৱা নহয়। তোমাৰ মৰম, ভালপোৱা এইবোৰ লৈ মই সুখী। নালাগে তুমি মোক মনত পেলাব। নালাগে তুমি মোক আহি মৰম যাঁচিব। কাৰণ তুমি এতিয়া মোৰ হৈ থকা নাই। তুমি আনৰ হ'লা। তোমাৰ হৃদয়ত মোৰ মৰমবোৰ পাহি মেলা ফুলৰ দৰে সজীৱ হৈ আছে। মই জানো তুমি এই চিঠিখন কেতিয়াও পঢ়িব নোৱাৰিবা। হয়তো পঢ়িব নিবিচাৰিবা। নালাগে তুমি মোৰ যন্ত্ৰণা ভৰা চিঠিখন পঢ়িব। মাথো ভগৱানক প্ৰাৰ্থনা জনাম তুমি য'তেই থাকা সুখত থাকা, কুশলে থাকা।

ইতি

তোমাৰ ............

# এখন চিঠি, সপোন আৰু বাস্তৱৰ মিশ্ৰণেৰে .........



— জোনালী হাজৰীকা
স্নাতক তৃতীয় বৰ্ষ যান্মাসিক
গণিত বিভাগ

মৰমৰ,

জোনাক, কেনে আছা বাৰু মোৰ মৰম .......? হয়তো তোমাৰ ভাল, ময়ো বৰ্তমান কুশলে।

এতিয়া দুপৰ নিশা, সময়টো নাজানো কিমান, হোষ্টেলৰ এই নিজানতাত লাহে লাহে ঘূৰি থকা পাংখাখন আৰু মোৰ বুকুৰ উঠা-নমাত হোৱা শব্দৰ বাহিৰে একোৱে যে শুনা নাই। ক্ষীণ পোহৰৰ বাল্বটো বন্ধ কৰি উজ্জ্বলতা কৰিব পৰা বাল্বটো জ্বলোৱাৰ ইচ্ছাও হোৱা নাই.....। ঘপহকৰে সাৰ পাই জানিব পাৰিছো শোৱাৰ আগত অহা বৰষুণজাক এতিয়াও আছে, মাথো তাৰ বেগ সলনি হৈ শব্দবোৰো সামান্য হৈ পৰিল। বৰষুণ আৰু ঠাণ্ডা বতাহজাকে শীতল কৰি থৈ যোৱা মনটোৱে বহুত আনন্দত শুই পৰাৰ বাবে হয়তো দেখা পালো তোমাক। মোৰ সপোনৰ দেশত দৰাৰ সাজত তুমি, সেয়ে তোমাক জনোৱাৰ ইচ্ছাৰে আধা টোপনিৰ পৰা উঠি হাতত কলম লৈ বহিছো। ক্ষীণ পোহৰৰ বাল্বটো এতিয়াও জ্বলি আছে .............।

"কেউফালে উৰুলিৰ শব্দ ...... হাঁহি আনন্দৰ সৈতে এটা হুলস্থূলীয়া পৰিৱেশ। এযোৰ ধুনীয়া কইনাৰ সাজত ৰভাৰতলত বহুৱাইছেহি মোক। হাতৰ সৰু গাঁঠিৰ সামান্য ওপৰলৈকে জেতুকা-মেহেন্দীৰ ৰং, দুহাতত ৰঙীন খাৰুৰ শব্দ, অলংকাৰেৰে সৈতে সজাই তোলা মইজনীৰ হাঁহিত তুমি যেন প্ৰাণ পাইছা। সুখৰ প্ৰতিটো মুহূৰ্ত্ত চকুৰ আগত দেখি ময়ো কইনাৰ সাজত লাজৰ হাঁহিৰে সৈতে তোমালৈ বুলি চাওঁতে দেখিছো, তুমি যেন মোৰ মনৰ মাজৰ ৰাজকুমাৰ সদৃশ মোৰ মৰম তুমি জোনাক ......।" তুমি হাঁহিছা ......., ময়ো হাঁহিছো। মই বহুত সুখী, তুমি বহুত বহুত বেছি সুখী।"

জোনাক, বগা পাতৰ সাজযোৰৰ পৰিৱৰ্তে মই পিন্ধিছো ৰঙা ৰঙৰ মোৰ ভাল লগা কইনাৰ সাজযোৰ। সাজযোৰৰ মাজত জিলিকি থকা হীৰা সদৃশ বাখৰবোৰে হয়তো তোমাক মোৰ প্ৰতি বেছি আকৰ্ষিত কৰিছিল। বাৰে বাৰে চায়ো তোমাৰ হেঁপাহ পলোৱা নাছিল। জানা ...... তাত নাছিল কোনো পুৰোহিতৰ মন্ত্ৰ, আছিল "ভাগৱতী নামধৰ্মৰ" নাম আৰু আছিল তোমাৰ, আমাৰ সকলো আপোনবোৰ। সপোনৰ সুখৰ কোলাহলৰ মাজত তোমাৰ হাঁহি আৰু মোৰ হাঁহিবোৰ ভাঁহি গৈছিল। আটাইতকৈ ডাঙৰ কথা কি জানা? "তাত এনে কোনো নাছিল যিয়ে তোমাৰ ধৰ্ম

বা জাতক লৈ কথা ক'ব। নাছিল কোনো তোমাক তাচ্ছিল্য কৰিবলৈ।" মাথো তাত সকলো সুখী কাৰণ আমিও যে সুখী।

তোমাৰ বাওঁকাষে মোৰ আসন। তুমি মোৰ কাযত দৰাৰ সাজত।

মোৰ কপালৰ চুলিৰ ভাঁজত যেতিয়া সেন্দুৰ বুলাইছিলা, তোমাৰ হাতৰ ৰঙচুৰা হৈ পৰা আঙুলিয়েও যেন বহুত দিনৰ আশা পূৰণৰ সন্তুষ্টিত হাঁহিছিল। যেতিয়া তোমাৰ সোঁহাত মোৰ হৃদয়ত ৰাখি শপত লৈছিলা মোৰ উশাহবোৰ বহুত দ্ৰুতগতিত উঠা-নমা কৰিছিল। তোমাৰ সৈতে দিয়া সাত খোজ যেন জীৱনৰ সাতটা জন্মৰ লগৰীৰ সৈতে যুগ্ম জীৱনৰ শপত আছিল। তোমাৰ মোৰ মিলনৰ প্ৰতিটো মুহূৰ্ত্তত মনৰ সন্তুষ্টিৰে হাঁহিছিল সকলোৱে। জাতি-ধৰ্মৰ বিপৰীতে সকলোৱে সঁহাৰি জনাইছিল কেৱল ভালপোৱাক বুজিছিল মোৰ প্ৰতি থকা তোমাৰ ভালপোৱাবোৰ ........ সকলোৱে সঁহাৰিৰ অন্তত সম্পূৰ্ণ হৈছিল আমাৰ বিয়া, কাৰণ তাত যে নাছিল কোনো জাতি, ধৰ্মৰ খবৰ লওঁতা।

হঠাৎ গাজি উঠা মেঘৰ শব্দত সাৰ পাই বুজিলো এয়া যে সদায়ে এটা সপোনৰ ভিতৰৰ সুখ ..........। কিয় বাৰু মোৰ দুহাতত জেতুকাৰ ৰংবোৰ স্থায়ী হ'বলৈ দিব নোৱাৰে ..........? কিয় বাৰু তুমি কপালত আঁকি দিয়া সেন্দুৰকণ দিঠকত হ'বগৈ নোৱাৰে?

"মই কান্দিছো..........তোমাক পোৱাৰ সুখত নে মোৰ সপোনবোৰ সপোন হৈ থকাৰ দুখত, এতিয়াও নুবুজো। সেমেকা চকুৰ শীতলতাক এচামৰ ভয়ত নে কিহৰ তাড়নাত লুকুৱাব লাগে সেয়াও বুজি নাপালো.......।"

সপোনৰ কাৰেঙত দিঠকৰ ভাৱনা,
ভাৱনাবোৰ ভাৱনাৰ পাহাৰবোৰতে লুকাব ধৰিছে ........।
চিন্তাৰ শেষত টোপনিবোৰো ক'ৰবাত আঁতৰি গৈছে ......
তুমি সকলো বুজা মই জানো,
যিবোৰক বুজনিৰে বুজাব নোৱাৰো
তাৰ ভাৱনাতটো মোৰ চকুৰ চকুপানীবোৰ
বাগৰিব দিব নোৱাৰো।

শেষত তোমালৈ হিয়াভৰা মৰমেৰে সৈতে ..........।

প্ৰান্তত,

মৌনী ............



# ঠিকনাবিহীন এখন চিঠি



— নিকুমণি দিহিঙ্গীয়া
পঞ্চম যান্মাসিক
ইংৰাজী বিভাগ

মৰমৰ,

আৱেগ, কেনে আছা বুলি সুধিবলৈও থমকি ৰৈছে হৃদয়। যি কলমেদি মই মোৰ হৃদয়ৰ খবৰবোৰ উকা কাগজত আঁকি তোমালৈ পঠাওঁ, সেই কলমেইচোন আজি মোৰ বিৰোধিতা কৰিছে। সোণাৰুৰ সেই হালধীয়া হাঁহিও দেখোন নাই। দীঘলী পুখুৰীৰ পাৰৰ পাৰ্কত বহি তুমি যে মোৰ বাবে কবিতা ৰচিছিলা ......

"তুমি ফুল হৈ ফুলিবা,
মই দূৰৰ পৰা তোমাক
ৰ' লাগি চাম।
তুমি নৈৰ পাৰৰ বননিত
হালধীয়া কবিতা ৰচিবা,
মই পখিলা হৈ কবিতাৰ
সুৱাস ল'ম ...... ।"

তোমাৰ মৰমবোৰ আজিও সযতনে ৰাখি থৈছোঁ। তুমি দিয়া কবিতাবোৰ এতিয়া মোৰ দৈনন্দিন লগৰী। আমি যে গণেশগুৰিৰ গণেশ মন্দিৰত আমাৰ মংগলৰ বাবে চাকি দিছিলো। উভতিবৰ সময়ত বাৰে বাৰে ভিৰ হৈ অহা টেক্সী গাড়ীবোৰ হাত বাউল দি ৰখাবৰ বাবে বিফল প্ৰচেষ্টা চলাই বাৰে বাৰে হাঁহিত ফাটি পৰিছিলো। পাছত আকৌ টেক্সী পোৱাৰ পাছতো ঘৰলৈকে খোজকাঢ়ি আহিলো। তোমাৰ বাৰু এইবোৰ কথা মনত পৰেনে? সেইদিনা ওৰে ৰাতি মোৰ জ্বৰ উঠিছিল আৰু পাছদিনা পুৱতি নিশাতেই তুমি মোক লগ পাবৰ বাবে মোৰ ঘৰৰ গেটৰ বাহিৰত অপেক্ষা কৰিছিলা। আমি যে বালাজী মন্দিৰৰ চৌহদৰ বননিত বহি অনেক কথা পাতিছিলো। বিষয় ঃ "হৃদয়ৰ পৰা হৃদয়লৈ"। হঠাতে অহা বৰষুণজাকক অলপো কেৰেপ নকৰি দুয়ো পাতি গৈছিলো অনেক কথা আৰু RJ পাহিক লগ পাবৰ বাবে আমি যে সম্পূৰ্ণ ছয় ঘণ্টা অপেক্ষা কৰিছিলো। RED FM Radio Station ৰ সন্মুখত। সেইবোৰ সপোন-সপোন যেন লগা কথাবোৰে মোক আজিও বৰকৈ আমনি কৰে। মই জানো, মই তোমাক এইবোৰ কথা কোৱাৰ কোনো অৰ্থ নাই। কি কৰিবা? দুখে, শিল হৈ বুকুত চপৰা বান্ধিছে। গলিব নোৱাৰি বুকুতে ইনাই-বিনাই কান্দিছে। কালিৰ পৰা দেউতাৰ অসুখ। পুৰণা বেমাৰটোৱে বৰকৈ আমনি কৰিছে। মাৰো বুকুৰ বিষ, বিচনাতে কেঁকাই-কেঁকাই শুই আছে। খুড়ী, বৰমাহঁত অনবৰতে তেওঁলোকৰ লগতে লাগি আছে। মোৰ ওচৰতহে কোনো নাই। ভণ্টীও অলপ আগতে মোক অকলে থৈ ৰুমৰ পৰা ওলাই গৈছে।

আৱেগ, তোমাৰ বাৰু মনত আছেনে? আমি যে এবাৰ কামাখ্যা মন্দিৰত চাকি জ্বলাবলৈ গৈছিলো। তেতিয়া যে পূজাৰীজনে আমাৰ দুয়োৰে মূৰত হাত থৈ আৰ্শীবাদ কৰিছিল "তোমালোক সদায় সুখী হৈ থাকিবা" বুলি। সঁচায়ে মই সুখী, আমি সুখী ....আছিলো। এতিয়াও সুখী হ'লোহেঁতেন, যদি মোৰ বিয়াৰ দিনা তোমাৰ দৰা সাজত থকা নিথৰ দেহ দেখা নাপালোহেঁতেন। তুমি আগতে প্ৰায়ে কৈছিলা ন', "বিয়াৰ দিনা কইনাৰ সাজত তোমাক সঁচায়ে ধুনীয়া লাগিব।" হয় আৱেগ, মোক কালি কইনাৰ সাজত বৰ ধুনীয়াজনী লাগিছিল। একেবাৰে তুমি কোৱাৰ দৰে জোনবাইৰ নিচিনা। মোৰ শোৱনিকোঠাত মোৰ মেহেন্দীবুলীয়া হাত দুখন চাই তুমি অহাৰ অপেক্ষাত  ৰৈ থাকোঁতেই খবৰ আহিল তোমাৰ মৃত্যুৰ কথা। ঘৰৰ সকলোৰে আশা আছিল, ডাঙৰ মাজনীৰ বিয়া। কিন্তু কি কৰিবা আৱেগ? বিধিয়ে দিলেও বিধাতাই নিদিয়ে। ভেটাপাৰাত তোমাৰ এক্সিডেণ্টটো নোহোৱা হ'লে! কোনো এজনৰে একো নহ'ল, মাথোঁ তুমিহে গুচি গ'লা ...... আজীৱন একেলগে থকাৰ প্ৰতিশ্ৰুতি ভাঙি, মোক এৰি থৈ। মোৰ দুচকুৰ পানীবোৰ চকুতে শুকাই গ'ল অ' আৱেগ। মোৰ জীৱনত এতিয়া ঘোৰ অমানিশা, কিন্তু তোমাৰ প্ৰেৰণাতেই জীয়াই থাকিম মই। শ্ৰদ্ধাঞ্জলি কাননৰ আমাৰ সেই ভাল লগা ঠাইডোখৰত বহোঁতে তুমি যে মোৰ দুচকুলৈ চাই প্ৰায়ে কৈছিলা,

"হাঁহি এটি পিন্ধি লোৱা, অনেক হাঁহি বিয়পিব।"

সঁচা আৱেগ, তুমি কোৱাৰ দৰে মই সদায় হাঁহিছিলো, সকলো সময়তে আৰু সেইবাবে সকলো সুখত আছিল। তুমি শিকোৱা হাঁহি মই কেতিয়াও ম্লান পৰিবলৈ নিদিওঁ। তুমি মোৰ মাজত আছিলা, আছা আৰু সদায়েই থাকিবা আৰু তুমি বুলাই দিয়া ওঁঠৰ হাঁহি লৈয়েই মই আজীৱন সুখত থাকিম। ভালপাওঁ তোমাক হৃদয়ৰ সঁচা মৰমেৰে ........ চিঠিখন ডাকত দিয়া নহ'ব। তোমালৈ বুলি চিঠিখন ডাকত দিবলৈ সঠিক ঠিকনাৰো যে অভাৱ। আকৌ মৰম।

ইতি
তোমাৰ
থুপ্‌লি (তুমি মৰমতে দিয়া নাম)





# তোমাক পাইয়ো হেৰুৱালো

— পৰী তামুলী
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ
কলা শাখা

মৰমৰ,

আজি তোমালৈ বৰকৈ মনত পৰিছে জানা। ২০১৫ চনৰ জুন মাহৰ কোনোবা এটা দিনত তোমাৰ লগত মই বন্ধুত্বৰ হাত আগবঢ়াইছিলো নহয়নে?? হয়তো আজি তোমাৰ সেইবোৰ কথা মনত নাই। তেতিয়া আমি কিমান যে সুখী আছিলো বন্ধুত্বৰ এনাজৰীডাল লৈ। সকলোৰে চকুত পৰিছিল নহয়নে? তুমি দিয়া সেই আপত্তিবোধক চিঠিবোৰ আজিও গোপন ঠাইত লুকুৱাই ৰাখিছো। সেই চিঠিবোৰ আজি কেৱল তোমাৰ স্মৃতি .......।

তুমি জানানে তোমাক দেখা পালে আজিও মোৰ মুখত তুমি নেদেখাকৈ এটি হাঁহি অনবৰতে বিৰিঙি থাকে। আমাৰ বন্ধুত্বৰ এনাজৰীডাল যেন চকু চাট মাৰ ধৰা তীব্ৰ পোহৰৰ অংশমালীত হেৰাই থাকিল। সকলোটো ঠিকেই আছিল কিন্তু মোৰ হৃদয়খনক এচমকা কলা ডাৱৰে ক্ষণিকতে অন্ধকাৰময় কৰি পেলালে। একো ক'ব পৰা নাছিলা, মাথো আৱেগে অন্তৰ খুন্দিয়াই চকুৰ পৰা এটোপ দুটোপ কৰি কেৱল চকুপানী নিগৰি পৰিছিল। ভাবিছিলো আমাৰ বন্ধুত্ব ইমান দুৰ্বল নেকি? মোৰ ওপৰত তোমাৰ অলপো বিশ্বাস নাছিল? আমাৰ দুবছৰৰ গভীৰ বন্ধুত্ব যেন এটি পুৰণি অতীত অধ্যায় হিচাপে থাকি গ'ল। মাত্ৰ এটা মিছা অপবাদত তুমি মোক পাহৰি গ'লা। আমাৰ দুবছৰৰ বন্ধুত্ব যেন নিমিষতে শেষ হৈ গ'ল। মাত্ৰ এমাহৰ ভিতৰতে মোতকৈ অন্য এজনে তোমাৰ হৃদয় স্পৰ্শ কৰিব পাৰিলে। পাহৰি গ'লা আমাৰ বন্ধুত্বৰ এনাজৰীডাল। কেতিয়াও নাভাবিবা মই তোমাৰ সুখময় জীৱনত বাধাৰ প্ৰাচীৰ ৰূপে থিয় হ'ম বুলি।

একেখন কলেজতে, একেটা শ্ৰেণীকোঠাতে পঢ়ো যদিও আমি যেন কেতিয়াও আগতে লগ নোপোৱা অচিন বাটৰ লগৰী। কোনো আগজাননী নিদিয়াকৈ অহা সেই ধুমুহাজাকে আমাক অচিনাকী কৰি পেলালে নহয়নে......? কাণ তাল মাৰি ধৰা গুৰুম গুৰুম গাজনিয়ে তোমাক আজিও কিবা এটা ক'ব বিচাৰে কিন্তু বিজুলীয়ে লক্ষ্মণ ৰেখা টানি হৃদয়ৰ কথাবোৰ বাহিৰ নকৰিবলৈ সঁকিয়াই দিছে। এই চিঠিখনৰ জৰিয়তে তোমাক ক'ব বিচাৰিছো ভালদৰে থাকিবা আৰু পঢ়িবা। ভগৱানে যাতে সদায় তোমাৰ মুখত হাঁহি জিলিকাই ৰাখে। এইবাৰ তোমাৰ শুভ দিনটোত মই অংশীদাৰ হ'ব নোৱাৰিম তথাপি তোমালৈ শুভেচ্ছা থাকিল।

শেষত তুমি আৰু তোমাৰ মৰমৰ লগৰীজন যেন সদায় সুখত থাকা তাৰে কামনাৰে আজিলৈ সামৰো।

ইতি



তোমাৰ ..........
পৰী তামুলী
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ কলা শাখা

# প্ৰবাসী বন্ধুলৈ চিঠি



— জেৰিণা দেউৰী
তৃতীয় ষাণ্মাসিক
অৰ্থবিজ্ঞান বিভাগ

মৰমৰ দেবু,

বলিয়া বাবা নমঃ। তোমাৰ খবৰ কেনেকুৱা? আশা কৰো তুমি সুখত আছা, কুশলে আছা। মোৰ বৰ ভাল নহয়। সৰুসুৰা বেমাৰে লগ দিছে। সিদিনা ফটোৰ এলবামটো চাওঁতে তোমাৰ ফটোখন দেখিলো। তেতিয়াৰে পৰা চিঠি লিখিম লিখিম বুলি আহৰিয়েই পোৱা নাছিলো। আজিহে অলপ সময় পাইছো তোমালৈ মোৰ মনৰ খবৰবোৰ উকা কাগজত আঁকিবলৈ।

মনলৈ উভতি আহে ল'ৰালি। সৰুকালৰ কথাবোৰে মোক কেতিয়াবা বৰকৈ আমনি কৰে। আগতে আমি কম উৎপতীয়া আছিলোনে? সদায় কাৰোবাৰ নহয় কাৰোবাৰ আমাৰ ওপৰত আপত্তি থাকিবই। আগতে যে তুমি ঘৰৰ ভাল ভাল বস্তুবোৰ চুৰ কৰি আনি মোক দিয়া আৰু এবাৰ বৰদেউতাই প্ৰণামী বাৰৈ মেলাৰ পৰা খাৰু কিনি আনোতে তুমি মোলৈ বুলি চুৰ কৰি আনোতে ধৰা পৰিছিলা। সেইদিনা আমাৰ মায়ে ঔ টেঙা আৰু ঢেঁকীয়া শাক দি ৰন্ধা পুঁঠি মাছৰ আঞ্জাখন কমটি সোৱাদ হৈছিলনে? সিদিনা মাহঁতৰ ঘৰলৈ যাওঁতে নদীত কেইটামান ল'ৰা-ছোৱালীয়ে সাতোঁৰা দেখি মনলৈ পুৰণি দিনৰ স্মৃতিবোৰ উভতি আহিল। সৰুতে দুলু, বুলু, চুনু, তুমি আৰু মই যে এবাৰ নদীত সাতুঁৰিবলৈ লুকাই-চুৰকৈ গৈছিলো। মই সাতুঁৰিব নাজানিছিলো কিন্তু তোমালোকৰ খাতিৰত গৰাৰ ওপৰৰ পৰা নদীত জঁপিয়াইছিলো। দুৰ্ভাগ্যবশতঃ নদীৰ সোঁতে মোক উটুৱাই নিওঁতে তোমালোকে মোক বিচাৰি নাপাই কান্দিছিলা বুলি মোক সৰু খুড়াই কৈছিল। সেইদিনা সৰু খুড়া নথকা হ'লে কি হ'লহেঁতেন ভাবিলে আজিও মোৰ বুকু কঁপি উঠে।

দেবু, আমি যে নাওঁ খেলা, বৰশী বোৱা, মাছ ধৰা আদি কামবোৰ প্ৰায়ে মাহঁতে গম নোপোৱাকৈয়ে কৰিছিলো। তুমি বিদেশলৈ যোৱা আজি পাঁচ বছৰেই হ'ল। সঁচাকৈয়ে এই পাঁচ বছৰত যথেষ্টখিনি পৰিৱৰ্তন হৈ গ'ল। আগৰ কথাবোৰ কেতিয়াবা বৰকৈ মনত পৰে। আমাৰ বন্ধুত্ব সঁচায়ে বৰ টনকিয়াল আছিল। অৱশ্যে দূৰত্বইহে অলপ বিঘিনি মাতিছে। তুমি মাযুং-ফাযুং (বৰমা-বৰদেউতা)হঁতৰ খবৰ নোলোৱা বুলি গম পাই অলপ দুখ পালো। মোৰ খবৰ বাৰু নললেও নাই, মাযুং-ফাযুঙৰ খবৰ ৰাখিবা। তেওঁলোকে যথেষ্ট কষ্ট কৰি তোমাক বিদেশলৈ পঠাইছে। মাজে-সময়ে ফোন কৰি থাকিবা।

দেবু, মই তোমাৰ দৰে মুক্ত বিহংগ হ'ব নোৱাৰিলো। তুমি মনে বিচৰাৰ দৰে সুখী আছা। কিন্তু মই নোৱাৰিলো। মনে বিচৰা চাকৰিটো শাহুৰ ইচ্ছাতেই নাকচ কৰিলোঁ। স্বামী আৰু শাহু আইৰ অনুমতি অবিহনে এখোজো আগবাঢ়িব নোৱাৰো। সম্পত্তিয়ে জানো পেট ভৰে দেবু? যদি মনে বিচৰা ধৰণে একোৱেই কৰিব নোৱাৰো! বাদ দিয়া এইবোৰ। তুমি কুশলে থাকিবা। আজি ৰাতিপুৱাৰে পৰা মনটো উগুল-থুগুল লাগি আছিল। অতীতে বৰকৈ আমনি কৰি থকাৰ বাবে চিঠিখন লিখিলোঁ। চিঠিখন ডাকত দিয়া নহ'ব। ঘৰৰ বাহিৰলৈ ওলাই যোৱাৰ অনুমতি নাই। বিশেষ একো নাই।

ইতি
তোমাৰ মৰমৰ
মিৰাচি

Scanned with OKEN Scanner

## অভিজ্ঞতাৰ একলম

# প্ৰকৃতিৰ বুকুত এভুমুকি



— দৰদী গোহাঁই
পঞ্চম যান্মাসিক, অসমীয়া বিভাগ

প্ৰত্যেক জীৱনলৈ আধুনিক সভ্যতাৰ লগে লগে ব্যস্ততা বাঢ়ি আহিছে। ৰাস্তাৰ অন্ধকাৰৰ সুযোগ লৈ জ্বলি উঠা ৰঙা, বগা লাইটৰ দোকানবোৰ আৰু তাৰ মাজত ব্যস্ত আমিবোৰ......। প্ৰত্যেকে কৰ্মৰ পিছত দৌৰতে পাহৰি গৈছোঁ প্ৰকৃতিৰ সেই সৌন্দৰ্য লীলাখিনি। প্ৰকৃতিৰ বুকুত জিৰাবলৈ, উপভোগ কৰিবলৈ আমাৰ সময়বোৰ কমি আহিছে। যি সময়ত আজৰি লওঁ, সেই সময়ত আকৌ ম'বাইল, T.V., কম্পিউটাৰ আদিতেই অথবা আলোচনীতেই ব্যস্ত হৈ পৰোঁ। প্ৰকৃতিৰ বুকুত সোমাবলৈ প্ৰবল ইচ্ছা থকাৰ স্বত্ত্বেও আজৰি নাপাও।

ব্যস্ততাৰ মাজতেই পাৰ হোৱা এটা দিনত অৰ্থাৎ দ্বাদশ শ্ৰেণীত পঢ়ি থাকোঁতে মিণু বাইদেউৰ পৰা এটা সুযোগ আহিল। বাইদেৱে নাহৰকটীয়াত থকা মেৰাপানীৰ মেৰবিললৈ যোৱাৰ কথা ক'লে। আমি প্ৰায়বোৰ বান্ধবীয়েই আৰু ছাৰ-বাইদেউসকল ইংৰাজী ৫-১১-২০১৪ তাৰিখে ৰাতিপুৱা প্ৰায় ৭ মান বজাত মেৰবিললৈ যাত্ৰা কৰিলোঁ। শিৱদৌল আৰু বৰপুখুৰী পাৰৰ চেঁচা বতাহজাকে নিবিড় শুভকামনা যাঁচিলে। আমাৰ প্ৰত্যেকৰে উৎফুল্লিত মনবোৰ গৈ গৈ সময়ত মেৰবিল পালোঁগৈ। দুয়োকাষৰ সেউজ বননিৰ দীঘল বাটেৰে গৈ গৈ সেই ঠাই পালোঁ। য'ৰপৰা মেৰবিলৰ সমস্ত সৌন্দৰ্যখিনি উপভোগ কৰিব পাৰি। আমাক তাৰ সমিতিৰ সন্মানীয় মাণিক গগৈদেৱে আগবঢ়াই নিলেহি। গৈ পোৱাৰ খন্তেক পিছতেই চাহ দিলে। তাৰ পিছত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ তৃতীয় মৃত্যুবাৰ্ষিক উপলক্ষে এগছি বন্তি জ্বলাই, সকলোৱে মিলি 'মানুহে মানুহৰ বাবে ....' জনপ্ৰিয় সংগীতটি গাই তেখেতক সেৱা জনালোঁ। তাৰ পিছত গগৈদেৱে মেৰবিলৰ উৎপত্তিৰ সম্পৰ্কে কিছু আভাস দিলে। তেখেতৰ বক্তব্যই উপস্থিত সকলোকে মন জয় কৰাৰ লগতে হৃদয় চুই গ'ল। আমি প্ৰত্যেকেই সেউজ প্ৰকৃতিৰ বুকুত সোমাই পৰিলোঁ আৰু আমাক প্ৰকৃতিয়ে আকৰ্ষণ কৰিব ধৰিলে। 'চৌদিশে কেৱল সেউজীয়া, সেউজীয়া ....' প্ৰকৃতিত থাকি শিৱসাগৰ চহৰৰ সেই উশাহ বন্ধ হোৱা ব্যস্ত গাড়ী মটৰবোৰলৈ মনত নপৰিল। বিলখনৰ মাজত উপঙি থকা বাঁহকেইজোপাই মন চঞ্চলা কৰিলে। ঠাইডোখৰত জিৰাবলৈ থকা চাংঘৰটো, তাত থকা নানান সংৰক্ষিত ফটোবোৰ চাই খুবেই ভাল লাগিল। গগৈদেৱে আমাক হাতীৰ খোজ, বাঘৰ খোজ আদি দেখুৱাবলৈ প্ৰকৃতিৰ মাজলৈ অৰ্থাৎ ভিতৰলৈ লৈ গ'ল। দিনটোৰ আধাখিনি সময় অতি আনন্দ উল্লাহে পাৰ কৰিলোঁ। ইয়াৰ উপৰিও সমিতিখনৰ কিছু মহিলাই আমাৰ বাবে ভাতৰ দিহা কৰিছিল। এখন গাঁও, যিখন গাঁৱত পোৱা যায় নিভাঁজ মৰম-চেনেহ, আদৰ-সাদৰৰ আমেজ। গ্ৰাম্য সমাজৰ এৰাব নোৱৰা কলপাতত আমাক ভাত খাবলৈ দিছিল। ভাতৰ পাতত বিবিধ আঞ্জা যেনে — কচুপাতত দিয়া, সৰু মাছৰ পিটিকা, ঢেকীয়া ভাঁজি, মাংস, ঔটেঙাৰ দাইল, ৰঙালাওৰ ভাজি আদি আছিল। লগপোৱা প্ৰতিগৰাকী লোকৰেই মনবোৰ অতি সহজ-সৰল আছিল। তেওঁলোকে অতি সাদৰেৰে আমাক শুশ্ৰূষা কৰিছিল।

মেৰবিললৈ সাধাৰণ পৰ্যটকৰ লগতে বিদেশৰপৰাও পৰ্যটকসকল আহে। মেৰবিলখন বসুমতীৰ জীয়ৰী, প্ৰকৃতিৰ বুকুত থিয় দি ৰাখিবৰ বাবে মেৰাপানীবাসীয়ে চেষ্টা চলাইছে লগতে সংগঠন, বিষয়া, পৰ্যটক সকলেও কৰ্তৃপক্ষসকলক অৰিহণা যোগাই আহিছে। মেৰবিলৰ অপৰূপ সৌন্দৰ্যৰ বৰ্ণনা সদায় মানসপটত মোৰ উজ্জ্বলি থাকিব। আকৌ মেৰবিলক সাক্ষাৎ কৰাৰ প্ৰতিশ্ৰুতি দি আমি আবেলি উভতনি যাত্ৰা কৰিলোঁ।

# অভিজ্ঞতাৰ একলম

— পল্লৱী শইকীয়া
তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ

অভিজ্ঞতাৰ বকীয়াইদি নামি যাওঁ আমি। সোঁৱৰণীৰ গৰ্ভৰ পৰা বুটলি আনোঁ অভিজ্ঞতা। জীপাল কৰোঁ স্মৃতিৰে। মোৰ জীৱনৰ এক সুন্দৰ অভিজ্ঞতা —“কাঞ্চন সূৰ্য দাৰ্জিলিং বাগান ট্ৰেকিং কেম্প, দাৰ্জিলিং, ২০১৫।” তেতিয়া মই হায়াৰ ছেকেণ্ডাৰী দ্বিতীয় বৰ্ষৰ ছাত্ৰী। সন্মুখত পৰীক্ষা, তথাপি মনত উগুল-থুগুল। সৰুৰে পৰা নজনাক জনাৰ, নেদেখাক দেখাৰ হাবিয়াস সকলোৰে থাকে। ময়ো তাৰ ব্যতিক্ৰম নহয়। সম্পূৰ্ণ দহদিনীয়া সেই ট্ৰেকিং কেম্পত হোৱা মোৰ অভিজ্ঞতা সদায় জীপাল হৈ থাকিব। ডিচেম্বৰ মাহৰ ঠাণ্ডাকো নেওচি আৰম্ভ হৈছিল আমাৰ যাত্ৰা — শিমলুগুৰিৰ পৰা ৱেষ্ট বেংগললৈ। অচিনাকী ঠাই, অচিনাকী বন্ধু-বান্ধৱীৰ মাজত আৰম্ভ হৈছিল এক নতুন সম্পৰ্ক। আমি বেচ কেম্প গৈ পাওঁতে খন্তেক পলম হোৱাৰ বাবে থাকিবৰ কাৰণে ৰুম পোৱা নাছিলোঁ। তথাপি পাছত সেই সকলোবোৰ সহজে সমাধান হৈ গৈছিল। তৃতীয় দিনাৰ পৰা আৰম্ভ হোৱা আমাৰ ট্ৰেকিং কেম্প বৰ ৰোমাঞ্চকৰ আছিল। পাহাৰীয়া ৰাস্তা, প্ৰকৃতিৰ অপূৰ্ব সৃষ্টিৰ মাজত আমাৰ কষ্টবোৰ অনুভৱেই হোৱা নাছিল। আমাৰ টীমত অসম, অৰুণাচল, কেৰেলা, গুজৰাটৰ কেডেটো আছিল। সকলোৰে নিজা নিজা শৈলী। খোজকাঢ়ি যোৱা সময়ত আমি বিহুগীত গায়েই বেছি সময় পাৰ কৰিলোঁ। ঠিক তেনেদৰে বেলেগ বেলেগ ভাষা কোৱা ছোৱালীবোৰেও নিজৰ নিজৰ গান গাই পৰিৱেশটো মনোমোহা কৰি তুলিছিল। আমাৰ ট্ৰেকিঙত গাইড কৰিছিল অসমৰ হৈ লেফটেনেণ্ট আৰাফা বেগমে। ঠিক তেনেদৰে মহাৰাষ্ট্ৰ আৰু গুজৰাট, কেৰেলাৰ এ.এন.অ. (ANO) আমাৰ গাইড হিচাপে আছিল। প্ৰচণ্ড ঠাণ্ডাকো নেওচি প্ৰতিটো কেম্পেই আমি উপভোগ কৰিলোঁ। দুধিয়া, গয়াবাৰী, বুংকলুঙৰ প্ৰাকৃতিক সৌন্দৰ্যৰ কথা সহজ অৰ্থত কলমেৰে লিখি শেষ কৰিব নোৱাৰি। চিকিমৰ প্ৰত্যেক মানুহৰ ঘৰতেই থকা সন্মুখৰ ফুলনি বাগিছা আৰু বাৰীৰ কমলা গছবোৰে সোণত সুৱগা চৰায় আৰু পাহাৰৰ ওপৰৰ পৰা বৈ অহা জুৰি, চাহবাগান আৰু চেৰিফুলৰ গছবোৰৰ সৌন্দৰ্য অতুলনীয়। আমাৰ শেষৰ কেম্প হৈছিল দাৰ্জিলিঙৰ বুংকলুঙত। সম্পূৰ্ণ চাৰিদিনৰ শেষত আমি আহি হাতীঘিচাস্থিত বেচ কেম্প পাইছিলোঁহি। ট্ৰেকিং কৰা সময়ত আমি দেখুওৱা সাংস্কৃতিক অনুষ্ঠানবোৰ বেচ কেম্পত হোৱা সাংস্কৃতিক অনুষ্ঠানত দেখুওৱাৰ সুবিধা পাইছিলোঁ। সম্পূৰ্ণ ৪৮০০ ফুট অতিক্ৰম কৰি, এটা পাহাৰৰ পৰা আন এটা পাহাৰলৈ পাৰ হওঁতে আমাৰ যদিও কষ্ট হৈছিল, চিকিম, দাৰ্জিলিঙৰ নানন্দিক অভূতপূৰ্ব সৌন্দৰ্যই আমাক কিন্তু কাহানিও সেয়া অনুভৱ হ'বলৈ দিয়া নাছিল। 'কাঞ্চন সূৰ্য দাৰ্জিলিং বাগান ট্ৰেকিং কেম্প' মোৰ জীৱনৰ এটা পাহৰিব নোৱাৰা অভিজ্ঞতা হৈ সদায় জিলিকি থাকিব।



## নাট্য শিল্প

# জ্যোতি প্ৰসাদ আগৰৱালাৰ নাটক ঃ 'কাৰেঙৰ লিগিৰী'ৰ কিছু অৱলোকন

— শ্ৰুতি ফুকন
পঞ্চম ষান্মাসিক
সাধাৰণ পাঠ্যক্ৰম



ৰাজনৈতিক সামাজিক সাংস্কৃতিক কৰ্ম - জীৱনৰ ব্যস্ততা আৰু শিল্প - সংস্কৃতিৰ সাধনাৰে নিজকে সমগ্ৰ অসমবাসীৰ মাজত অমৰ কৰি যোৱা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম হৈছিল ১৯০৩ চনত তামোলবাৰী চাহ - বাগিছাত। তেখেত আছিল বিপ্লৱী মনীষাৰ প্ৰতীক। প্ৰগতিশীল ব্যক্তি মাত্ৰেই বিপ্লৱী, যিহেতু, বিপ্লৱৰ যোগেদিহে সমাজ আগবাঢ়ে; সেই বিপ্লৱ হিংসাত্মক বা অহিংসাত্মক, সৰৱ বা নীৰৱ বিপ্লৱ, যিকোনো এবিধেই হ'ব পাৰে। জ্যোতি প্ৰসাদ আগৰৱালাই বিপ্লৱৰ এই গঠনমুখী আৰু প্ৰগতিশীল ভুমিকাত গভীৰভাৱে বিশ্বাস কৰিছিল আৰু সেইকাৰণেই আজীৱন বিপ্লৱৰ পথ অনুসৰণ কৰিছিল আৰু গাইছিল— 'তোৰ আন্ধাৰক নাশিবলৈ , তোৰ বুকুতেই বিপ্লৱী হৈ জাগিম।"

অসমৰ সাংস্কৃতিক আৰু ৰাজনৈতিক জীৱনত জ্যোতিপ্ৰসাদে যি মহান বিপ্লৱী শিল্পীৰ ভূমিকা গ্ৰহণ কৰি গৈছে, তাৰ তুলনা দিবলৈ দ্বিতীয় এজন ব্যক্তি হয়তো বিচাৰি পোৱা টান হ'ব। জ্যোতিপ্ৰসাদৰ প্ৰতিভা আছিল বৰ্ণাঢ্য আৰু উন্মেষশালিনী। তেওঁ আনে গচকি বন মাৰি যোৱা পথেদি সুন্দৰৰ সন্ধানত আগবাঢ়ি নগৈছিল; স্বকীয়ভাৱে সকলো বস্তু চাবলৈ আৰু ৰূপ দিবলৈ তেওঁৰ প্ৰতিভা নিয়োজিত কৰিছিল। সংগীত, নাটক, অভিনয় জগত, চিনেমা, কবিতা, শিশু সাহিত্য আৰু কলা বিচাৰ সকলোবোৰে দিশতে জ্যোতিপ্ৰসাদে সৃজনীমূলক প্ৰতিভা আৰু স্বকীয় দৃষ্টি আৰু সৌন্দৰ্য ধাৰণাৰ স্পষ্ট স্বাক্ষৰ ৰাখি গৈছে। জ্যোতিপ্ৰসাদ আছিল হাড়ে হিমজুৰে এজন শিল্পী। অৱশ্যে গজদন্ত মিনাৰত বহি থকা, জনতাৰ পৰা বিচ্ছিন্ন শিল্পী তেওঁ নাছিল।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্বাভাৱিক পৰিস্ফুৰণ ঘটিছে নাট্যৰচনাত। ল'ৰালি কালৰ পৰাই বাণ ষ্টেজৰ লগত সম্বন্ধ থকা জ্যোতিপ্ৰসাদ এগৰাকী ভাল অভিনেতাও আছিল। শৈশৱ কালৰে পৰাই তেওঁ ৰঙ্গমঞ্চৰ লগত ঘনিষ্ঠ সম্পৰ্ক লাভ কৰিবলৈ সক্ষম হৈছিল। তেখেতৰ নাটকত কাব্যধৰ্ম আৰু নাট্যধৰ্ম পৰস্পৰৰ পৰিপূৰক হৈছে। 'নাটকত কোনটো ধৰ্মই প্ৰাধান্য লাভ কৰিছে, সেইফালে দৃষ্টি পেলালে প্ৰধানকৈ তেওঁৰ নাটক কেইখন দুটা শ্ৰেণীত ভাগ কৰিব পাৰি— কাব্যধৰ্মী আৰু নাট্যধৰ্মী। 'নিমাতী কইনা' আৰু 'সোণপখিলী' কাব্যধৰ্মী নাট, বাকীকেইখনক নাট্যধৰ্মী বুলি ক'ব পাৰি। 'শোণিত-কুৱঁৰী'ত কাব্যধৰ্মই এক বিশেষ স্থান অধিকাৰ কৰিছে যদিও নাট্যধৰ্মক অৰ্থাৎ নাটকীয় ক্ৰিয়াশীলতাক হেঁচা মাৰি ওপৰলৈ উঠা নাই।

আগৰৱালা দেৱৰ 'নিমাতী কইনা' হৈছে কলালক্ষ্মীৰ প্ৰতীক। তেখেতে কলালক্ষ্মী আৰু শান্তিক সমাৰ্থকৰূপে ব্যৱহাৰ কৰিছে। 'নিমাতী কন্যা' নামৰ বেজবৰুৱাৰ দ্বাৰা ৰচিত বেলাড জাতীয় কবিতাটিৰ ওপৰত 'নিমাতী কইনা' প্ৰতিষ্ঠিত হ'লেও বিষয়বস্তুৰ পৰিকল্পনা, ৰূপায়ন, সৌন্দৰ্য আৰু কাব্যিক আৱেদনৰ ক্ষেত্ৰত যথেষ্ট উৎকৰ্ষ আছে বুলি নিঃ সন্দেহে ক'ব পাৰি। 'সোণপখিলী' কাব্য নাটিকা খন অসম্পূৰ্ণ। নাটিকাখন শিশুৱে অভিনয় কৰিব পৰা কৰি ৰচনা কৰিছে যদিও এইখন ৰূপকধৰ্মী ৰচনা।

জ্যোতিপ্ৰসাদৰ নাট্যধৰ্মী নাটককেইখনৰ ভিতৰত প্ৰথম তিনিখনত অৰ্থাৎ, 'শোণিত কুঁৱৰী; 'কাৰেঙৰ লিগিৰী, আৰু 'ৰূপালীম'ত কাহিনীৰ ৰূপায়ণ ৰোমান্তিক ধৰ্মী, ফলত ইয়াত কল্পনাৰ আধিক্য লক্ষ্য কৰা হয়। পাছৰ দুখন নাটক অৰ্থাৎ 'খনিকৰ' আৰু 'লভিতা'ত কল্পনাৰ দাৰিদ্ৰ্য নাই যদিও কবিসুলভ কাব্যিকতা আৰু আৱেগময়তাক বিশেষ স্থান দিয়া নাই। 'লভিতা'ক বাদ দি বাকীকেইখন নাটকৰ প্ৰধান পুৰুষ চৰিত্ৰকেইটা সকলো ক্ষেত্ৰত নহ'লেও কিছু বিষয়ত সমধৰ্মী। অনিৰুদ্ধ, সুন্দৰ কোঁৱৰ, মণিমুগ্ধ আৰু নবীন সৌন্দৰ্য পিয়াসী, কলাপ্ৰিয়, কিছুদূৰ মইমতীয়া কিন্তু কল্পনাপ্ৰিয় যুৱক। নিজৰ অভিমত বা অভিলাষাৰ্থে তেওঁলোকে আনৰ মতামত ভালপোৱা, বেয়াপোৱা বা সুখ-দুখকলৈ বহু ক্ষেত্ৰত অপেক্ষা নকৰে। ইয়াৰ পৰা ধাৰণা কৰিব পাৰি যে, প্ৰধান পুৰুষ চৰিত্ৰকেইটাৰ পৰিকল্পনাত জ্যোতিপ্ৰসাদে স্বকীয় ব্যক্তিত্বক কিছু পৰিমাণে সম্প্ৰসাৰিত কৰিছিল। পুৰুষ চৰিত্ৰৰ বিপৰীতে নাৰী চৰিত্ৰকেইটাত অধিক বৈচিত্ৰ লক্ষ্য কৰা যায়। চিত্ৰলেখা, কাঞ্চন কুঁৱৰী, শেৱালি, ইতিভেন, ৰূপালীম, লভিতা, নৱনলিনী- প্ৰত্যেকটি নাৰীচৰিত্ৰই স্বকীয় প্ৰভাৱ দ্বাৰা উজ্বল। শেৱালি ত্যাগ আৰু প্ৰেম, চিত্ৰলেখা সখীত্ব আৰু সুকুমাৰ কলা, কাঞ্চনকুঁৱৰী আভিজাত্যপ্ৰসূ গাম্ভীৰ্য আৰু বুদ্ধিদীপ্ততা, ইতিভেন তেজস্বিতা, ৰূপালীম সৰলতা আৰু প্ৰেমদৃঢ়তা আৰু লভিতা দেশপ্ৰেম আৰু পৰিস্থিতিৰ লগত নিজকে খাপ খুৱাই ল'ব পৰা গুণাৱলীৰ দ্বাৰা উজ্জ্বল। 'শোণিত কুঁৱৰী', 'কাৰেঙৰ লিগিৰী', আৰু 'ৰূপালীম'ত প্ৰত্যেকতে একাধিক স্ত্ৰীচৰিত্ৰক বিপৰীত গুণ বা চাৰিত্ৰিক বৈশিষ্ট্যৰ সমাৱেশ ঘটাই বৈচিত্ৰ আৰু স্বকীয়তা দান কৰিছে। উষা-চিত্ৰলেখা, কাঞ্চনকুমাৰী, শেৱালি, ইতিভেন-ৰূপালীম এই তিনিযোৰা স্ত্ৰী-চৰিত্ৰ পৰস্পৰ বিপৰীত ধৰ্মী। 'লভিতা'ত নামভূমিকাৰ চৰিত্ৰৰ বাহিৰে অন্য চৰিত্ৰ নাই। সেইদৰে 'খনিকৰ'তো প্ৰধান ভূমিকাত কোনো স্ত্ৰী-চৰিত্ৰ নাই। নৱনলিনী মাত্ৰ এটা দৃশ্যত ওলাইছে, তেওঁ আধুনিক স্ত্ৰী-স্বাধীনতাকামী যুক্ত নাৰীৰ প্ৰতিধ্বনি।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকৰ ভিতৰত এক অন্যতম নাটক হৈছে 'কাৰেঙৰ লিগিৰী'। 'কাৰেঙৰ লিগিৰী' হৈছে এখন বিপ্লৱী চৰিত্ৰৰে পূৰ্ণ নাটক। ইয়াত বিপ্লৱ ধনাত্মক দিশত প্ৰয়োগ কৰা হৈছে। 'কাৰেঙৰ লিগিৰী' নাটকৰ প্ৰধান চৰিত্ৰকেইটা হৈছে সুন্দৰ কোঁৱৰ, শেৱালি , কাঞ্চনকুমাৰী, ৰাজমাও, অনঙ্গৰাম, সুদৰ্শন। ইয়াৰ উপৰিও বহুকেইটা লঘু চৰিত্ৰ এই নাটকত আছে। এই নাটকৰ আটাইতকৈ আকৰ্ষণীয় চৰিত্ৰকেইটা হ'ল— সুন্দৰকোঁৱৰ, শেৱালি আৰু কাঞ্চনকুমাৰী। দৰাচলতে এই নাটৰ সৰহভাগ চৰিত্ৰই নিজ বৈশিষ্ট্যৰে নাটত আত্মপ্ৰতিষ্ঠা লাভ কৰিছে। যদিও ওপৰত উল্লেখ কৰা তিনিটা চৰিত্ৰ নাট্যকাৰৰ অনবদ্য সৃষ্টি। সুন্দৰকোঁৱৰ নাট্যকাৰৰ অনবদ্য সৃষ্টি। নাট্যকাৰৰ উক্তি মতে, সুন্দৰকোঁৱৰ হৈছে বিপ্লৱী মনীষাৰ প্ৰতীক। তেওঁ অধ্যয়নশীল, সৌন্দৰ্যপ্ৰিয়, গতিশীল, যুক্তিবাদত বিশ্বাসী, সামাজিক স্থিতাৱস্থা আৰু প্ৰতিক্ৰিয়াশীলতাৰ বিৰোধী। কিন্তু এই সকলোবোৰ গুণৰ অধিকাৰী হৈও তেওঁ সামন্তযুগীয় ৰাজপুৰুষৰ 'মোৰ ইচ্ছাই আইন' এই স্বেচ্ছাচাৰী মনোভাৱৰ দ্বাৰা কলঙ্কগ্ৰস্ত। চন্দ্ৰত কলংকৰ দৰে সুন্দৰকোঁৱৰৰ এই মনোভাৱেই দুখৰহ





পৰিণতিৰ কাৰণে দায়ী। অন্তৰ্দ্বন্দই সুন্দৰকোঁৱৰক চাৰিত্ৰিক গাঢ়তা দান কৰিছে। সামাজিক ঐতিহ্যৰ লগত সংঘাত প্ৰদৰ্শন কৰাৰ লগতে লিগিৰীৰ প্ৰেমক প্ৰথমে তুচ্ছতাচ্ছিল্য কৰি ক্ৰমে অন্তৰ্দ্বন্দৰ মাজেদি সেই প্ৰেমক আদৰি লোৱাৰ যি মানসিক বিবৰ্তনৰ ধাৰা ৰূপায়ণ কৰিছে সেয়ে নাটকখনক আৰু সুন্দৰকোঁৱৰক বৰণীয় কৰি তুলিছে। সেইদৰে 'শেৰালি' এজনী সাধাৰণ ৰূপহী লিগিৰী নহয়, যি লিগিৰীয়ে সাধাৰণতে ৰাজকোঁৱৰৰ যৌন-আবেদনত সহজে সহাঁৰি দিয়ে। শেৰালি সেইফালৰ পৰা এজনী অসামান্য লিগিৰী যাৰ প্ৰেমৰ তুলনাত ৰাজমহিষীৰ পদো তুচ্ছ, প্ৰণয়পাত্ৰৰ মংগলাৰ্থে যি জীৱন আহুতি দিবলৈ কুণ্ঠাবোধ কৰা নাই। কাঞ্চন কুঁৱৰী এক আসামান্য গাভৰু, সামাজিক ৰীতি মানি লৈয়ো বুদ্ধিদীপ্ততা আৰু দৃঢ় মনোবলৰ দ্বাৰা এই গৱাকী তেজস্বিনী নাৰীয়ে ৰাজদণ্ডাদেশো উপেক্ষা কৰি কোঁৱৰক হীনপ্ৰভ কৰি গ'ল। এইদৰে দেখা যায়, 'কাৰেঙৰ লিগিৰী'ৰ প্ৰধান চৰিত্ৰকেইটা অন্তৰ্দ্বন্দ, দৃঢ়তা, আসামান্য আত্মিক বলেৰে দৰ্শকৰ অন্তৰত গাঢ় চাপ ৰাখি যায়। প্ৰগতিশীলতা আৰু ৰক্ষণশীলতাৰ সংঘৰ্ষ , ব্যক্তি ইচ্ছা অভিলাষৰ মূল্য, নৈসৰ্গিক বিৰাট প্ৰকৃতিৰ অনিৰ্বাচনীয় প্ৰভাৱ আদি বিভিন্ন ভাৱ-ধাৰণাই নাটখন মনোগ্ৰাহী কৰি তুলিছে।

জ্যোতিপ্ৰসাদৰ অভূতপূৰ্বশৈলীৰ নাটকসমূহে বৰ্তমানেও আমাৰ অসমীয়া নাটকৰ ঐতিহ্য বহন কৰি আছে। লগতে এই বহুমূলীয়া নাটক সমূহক অসমীয়া সাংস্কৃতিক জগতৰ এক আপুৰুগীয়া সম্পদ হিচাপে জীয়াই ৰাখিবলৈ প্ৰত্যেকজন অসমীয়াই চেষ্টা কৰিব লাগিব।

*উৎস ঃ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাৱলী*

★★★★★★





# অপৰাজিতা



ৰচনা আৰু প্ৰযোজনা ঃ শ্ৰীমতী নিকুমণি দিহিঙ্গীয়া

(বিকাৰগ্ৰস্ত)

| | | |
|---|---|---|
| অপৰাজিতা | ঃ | মানসিকভাৱে চিন্তাগ্ৰস্ত এগৰাকী মহিলা (বয়স ২৫-২৯) |
| বিপ্লৱ | ঃ | অপৰাজিতাৰ স্বামী (মৃত) (বয়স ৩৫-৪০) |
| পোহৰ | ঃ | অপৰাজিতা আৰু বিপ্লৱৰ সন্তান (মৃত হৈও জীৱিত) (বয়স যিকোনো, সম্ভৱত ৬-৭ বছৰ) |
| নিৰ্মলা | ঃ | অপৰাজিতাৰ মাতৃ (বয়স ৫০ বছৰ) |
| জ্যোস্নালী | ঃ | গাঁৱৰ মহিলা ১ (বয়স ৩০-৩৫ বছৰ) |
| মাণিকী | ঃ | গাৱৰ মহিলা ২ (বয়স ৩৫-৪০ বছৰ) |
| বুধিন | ঃ | অপৰাজিতাৰ পিতৃ (বয়স ৬০ বছৰ) |

(গাঁৱৰ এখন ঘৰ। মঞ্চত এখন চকী। চকীত কাপোৰৰ পুতলা। চকীৰ কাষতে মজিয়াত অপৰাজিতা বহি নিচুকণি গীত গাব।)

**অপৰাজিতা** ঃ 'আমাৰে মইনা শুব এ, বাৰীতে বগৰী ৰুব এ,
বাৰীৰে বগৰী পকি সৰি যাব,
মইনাই বুটলি খাব...মইনাই বুটলি খা....ব (কান্দি-কান্দি, মইনাই বুটলি খা...ব'। অ' মইনা নুশুব কিয় ? মই ৰাতিপুৱাৰ পৰা তোক শুৱাবলৈ চেষ্টা কৰি ভাগৰি পৰিছোঁ, তইনো নুশুৱ কিয় অ ? তোৰ বাৰু দুখুনী মাইজনীলৈ অলপো বেয়া নালাগেনে ? অ' মইনা...(আকৌ গাব) অ.. মা.ৰে..মইনা...শুব...এ....(তেনেতে বুধিনৰ প্ৰৱেশ)

**বুধিন** ঃ (বাহিৰৰ পৰাই কৈ আহিব) এই গাঁৱৰ মানুহবোৰৰ আৰু একো কাম নাই। মাথো অনৰ্থক কথা কিছুমান কৈ - কৈ মানুহৰ মগজবোৰ নষ্ট কৰাৰ বাদে একো নাই। হেৰৌ, তহঁতবোৰৰ কাৰণে সমাজৰ উন্নতি হোৱা নাই। মোৰ বিৰুদ্ধে বিপ্লৱ কৰে ? হুহ্ বিপ্লৱ (তাচ্ছিল্যৰ সুৰত)। বিপ্লৱেই মোৰ জীৱনলৈ অমানিশা আনিলে। (ভিতৰলৈ উদ্দেশ্যি) নিৰ্মলা, নিৰ্মলা। ক'ত আছা ? (অপৰাজিতাই দেউতাকৰ খং দেখি ভয়তে পুতলাটো জোৰেৰে সাৱটি দেউতাকলৈ চাই থাকে নিৰ্মলা ওলাই অহাত পলম হয়।) নিৰ্মলা, ঘৰৰ ভিতৰতে থাকি তুমিও তোমাৰ কাণ দুখন ক'লা চামনিৰে বন্ধ কৰিলা ? নিৰ্মলা। (তেনেতে নিৰ্মলা উধাতু খাই সোমাই আহে)

**নিৰ্মলা** ঃ ইমানকৈ কিয় চিঞৰ-বাখৰ কৰিছে আপুনি ? মই গোসাঁই ঘৰৰ পৰা ল'ৰা - ধপৰাকৈ আহিছোঁ।

**বুধিন** : কিয় নকৰিম মই চিঞৰ-বাখৰ। মোৰ মূৰত অসুৰ সোমাইছে।

**নিৰ্মলা** : আপোনাৰ কি হৈছে নকয় কিয়? (গাত ধৰি)

**বুধিন** : (হঠাতে বুকুত হাত এখন দি সুৰত) সিহঁতে..সিহঁতে মোৰ অপৰাৰ কথা বেয়াকৈ কয়। (হঠাতে অপৰাজিতাৰ ওচৰলৈ যায়) আই অ' সিহঁতে তোৰ কথা বেয়াকৈ কয়। তই বোলে ডাইনী, তই বোলে যখিনী, তই বোলে শাখিনী। আই অ' মোৰ বুকুৰ সোণ (হঠাতে বুধিনৰ মূৰ ঘূৰায়, তথাপি নিজক নিয়ন্ত্ৰণ কৰে।)

**নিৰ্মলা** : হেৰি কি হৈছে আপোনাৰ? আপুনি কিয় ইমান চিন্তা কৰিছে? আপুনি বহকচোন। (বুধিনক চকীত বহুৱায়) (নিৰ্মলা ভিতৰলৈ যায়)

**অপৰাজিতা** : পিতাই, তই কান্দিছ? তই কিয় কান্দিছ পিতাই? মইনাক শুৱাব নোৱাৰি মইহে কান্দিছোঁ। তইনো আক' কান্দিছ কিয়? তোক মানুহবোৰে মোৰ কথা বেয়াকৈ কৈছে ন'? তই মন মাৰি নাথাকিবি পিতাই। মানুহবোৰক ওপৰৰ পৰা ভগৱানে চাই আছে নহয় পিতাই।

**বুধিন** : তই কি বুজিবি আইজনী? এই বুকুত জ্বলি থকা বনজুইকুৰা কেতিয়াও নুনুমায় (অলপ শান্ত হয়, নিৰ্মলাই পানী দিয়ে)

**অপৰাজিতা** : (সৰু ছোৱালীৰ দৰে খিলখিলাই হাঁহে) পিতাই, বনজুই বনতহে জ্বলে, বুকুত নজ্বলে নহয়। তই চিন্তা নকৰিবি পিতাই এদিন বিপ্লৱ আহিব, বিপ্লৱে এই সমাজখনৰ পৰা আমাক লৈ যাব বহুত দূৰলৈ...চকুৰে নমনা দূৰলৈ।

**বুধিন** : আইজনী অ' তই মিছাতেই কিয় সপোন দেখ? মিছাতেই কিয় নিজক কষ্ট দিয়? বিপ্লৱ নাহে, কেতিয়াও নাহে।

**নিৰ্মলা** : অপৰা, তইনো কি কথাবোৰ বলকি আছ? পিতায়েৰৰ গাটো এনেই ভাল নাই। হেৰি বলক, ভিতৰলৈ বলক। (বুধিনক ভিতৰলৈ লৈ যায়। অপৰাজিতাই মাক-দেউতাক যোৱাৰ ফালে ৰ' লাগি চাই ৰয়।)

**অপৰাজিতা** : বিপ্লৱ নাহে? ক'তা, সি দেখোন মোক সদায়েই কয়। সি আহিব, বিপ্লৱ আহিব। সি আহিব কাৰণেইতো মই সদায় এই ৰঙীণ সাজযোৰ পিন্ধি শিৰত আঁকি লওঁ তাৰ নামৰ সেন্দুৰকণ? আৰু এই মাইনাই দেখোন সদায় দেউতাকৰ লগত কথা পাতে। সি দেখোন সদায় মোৰ ওচৰলৈ আহিম বুলি কয়। নাই, নাই সি আহিব। মোৰ বিশ্বাস সি আহিব।

(তেনেতে নিৰ্মলাৰ প্ৰৱেশ)

**নিৰ্মলা** : আইজনী।

**অপৰাজিতা** : অ' আই। (অন্যফালে চাই থাকি)

**নিৰ্মলা** : আইজনী অ' (কন্দাৰ সুৰত)

**অপৰাজিতা** : অ' আই।

**নিৰ্মলা** : আইজনী অ' (কন্দাৰ সুৰত)

**অপৰাজিতা** : (নিৰ্মলাৰ ফালে ঘুৰি) আই, তই কান্দিছ?

**নিৰ্মলা** : সপোনবোৰ ভাগি চুৰমাৰ হৈ গ'ল।

**অপৰাজিতা** : কাৰ সপোন আই? তোৰ সপোন দেখোন মই। ক'তা মই দেখোন ভালদৰেই আছোঁ। তেন্তে তই কান্দিছ কিয়?

**নিৰ্মলা** : তই নুবুজিবি আইজনী।

**অপৰাজিতা** : মই বুজো আই। তই কান্দিছ পিতায়ে কান্দাৰ কাৰণে, পিতায়ে কান্দিছে সমাজৰ কাৰণে। কিন্তু মই? মই কাৰ কাৰণে কান্দিম আই। ক'তা আই। মোৰ দেখোন দুখ লগা নাই। চাচোন, মই কেনেকৈ হাঁহিছোঁ, তয়ো

হাঁহি থাকচোন আই।

নিৰ্মলা : আইজনী তই সঁচায়ে নুবুজ। (তেনেতে বাহিৰত গাঁৱৰ দুগৰাকী মহিলাক দেখি নিৰ্মলাই নিজকে সংযম কৰে আৰু অপৰাজিতাক ভিতৰলৈ যাবলৈ কয়)

নিৰ্মলা : আইজনী, তই ভিতৰলৈ যাচোন।

অপৰাজিতা : কিয় আই? তই মোক বেয়া পাইছ?

নিৰ্মলা : এয়া প্ৰশ্ন সোধাৰ সময় নহয় অ' আইজনী। তই মাত্ৰ ভিতৰলৈ যা।

অপৰাজিতা : ঠিক আছে। তই কৈছ যেতিয়া মই ভিতৰলৈ যাওঁ। (অপৰাজিতাই তাইৰ মইনাক লৈ ভিতৰলৈ যায়। তেনেতে জ্যোস্নালী আৰু মাণিকীৰ প্ৰৱেশ)

জ্যোস্নালী : বোলো নিৰ্মলা বাইদেউৰ ভালনে?

নিৰ্মলা : অ' জোস্নালী আহা আহা বহা।

জ্যোস্নালী : এস্ নবহোঁ আৰু দিয়ক।

মাণিকী : আমি পিছে ইয়াত বহিবলৈ অহা নাই। হেৰি নহয়, আপোনাৰ গাটো ভাল নহয় হ'ব পায়?

নিৰ্মলা : নাই। গা বেয়া নহয়। এনেয়েহে ৰাতিপুৱাৰ পৰা মনটোহে কিবা লাগি আছে।

জ্যোস্নালী : মন বেয়া লাগিবলৈ আকৌ কি হ'ল? আপোনাক দেখি কিন্তু কিবা বেমাৰী মানুহৰ নিচিনাহে লাগিছে।

মাণিকী : অ' তুমি ঠিকেই কৈছা। ইমান সুস্থ-সবল মানুহজনী কেনেকৈ দুদিনমানতে খীণাই গ'ল চোৱাচোন জ্যোস্নালী।

নিৰ্মলা : আচলতে তেনেকুৱা একো নহয়। এতিয়া আঘোণৰ ভৰপক। পথাৰলৈ সদায় যোৱাৰ কাৰণেহে খীণাইছোঁ।

মাণিকী : ইস্ আমিবোৰ যেনিবা পথাৰলৈ নাই যোৱাহে। ক'তা, আমাৰে দেখোন স্বাস্থ্য নদন - বদন হৈ আছে।

নিৰ্মলা : মাণিকী বাইদেউৱে থিক কথাই কৈছে। পথাৰলৈ গ'লেনো কোনোবা মানুহ খীণায়নে? আপোনাক দেখি মোৰ কিবা বেমাৰ হোৱা নিচিনাই লাগিছে।

মাণিকী : তুমি থিকেই কৈছা জ্যোস্নালী। বেমাৰে নহ'বনো কেলৈ? বংশৰ কলগ্ৰহটো ঘৰতেই আছে দেখোন।

নিৰ্মলা : কি কথা কৈছা এইবোৰ?

মাণিকী : ইস্, একো নজনাৰ ভাও জুৰিছে কিয়? সকলোবোৰ জানিও নজনাৰ ভাও জুৰা মানুহক মোৰ অলপো ভাল নালাগে। সব ভেকো ভাওনা।

জ্যোস্নালী : গাঁৱৰ সৰুপোণাৰ ল'ৰাটো পৰহি আপোনালোকৰ ঘৰৰ এইফালেদি পাৰ হৈ যাওঁতে আপোনালোকৰ সেই শাখিনিজনীক দেখিছিল আৰু কালিৰ পৰাই তাৰ ভীষণ জ্বৰ। বেজ লগায়ো উপশম পোৱা নাই।

মাণিকী : কণপিতৌৰ ছোৱালীজনীয়ে স্কুললৈ যাওঁতে সেই ভুতুনী জনীক দেখিছিল আৰু তাৰ পাছৰ পৰাই তাইৰ পেটৰ বিষ। ইয়াত আৰু বুজিবলৈ কি আছে?

জ্যোস্নালী : ডাইনী বুইছে, ডাইনী। নহ'লেনো ইমান ঘপহ্‌কৰে সিহঁতৰ বেমাৰ হ'বনে। লগতে গাঁৱৰ বহুতৰ বেমাৰ কাৰণটো ঘৰৰ ভিতৰত সোমাই আছে বুজিছে বাইদেউ? (তেনেতে বুধিন সোমাই আহে।)

বুধিন : সৰুপোণাৰ ল'ৰাটোৰ জ্বৰ হোৱাৰ কাৰণ নথকা নহয় বোৱাৰী।

নিৰ্মলা : হেৰি আপুনিনো কিয় উঠি আহিলে? আপুনি ভিতৰলৈ যাওঁকচোন।

বুধিন : ৰ'বা নিৰ্মলা তুমি মাত নামাতিবা। শুনা বোৱাৰী, সৰুপোণাৰ ল'ৰাটোৱে সেইদিনা ৰ'দে-ৰ'দে ঘূৰি ফুৰাৰ বাবেই গৰম সোমাই জ্বৰ উঠিছে আৰু কণপিতৌৰ ছোৱালীজনীৰো নিশ্চয় কিবা নাখাব লগীয়া খাদ্য খোৱাৰ বাবে পেটৰ বিষ হৈছে।

নিৰ্মলা : এখেতে থিকেই কৈছে অ' বোৱাৰী।

জ্যোস্নালী : দেখিলে মাণিকী বাইদেউ। মাক - বাপেকে কথাটো গাপ খুৱাইছে। মুঠৰ ওপৰত অপৰাজিতা ডাইনী হয় মানে হয়েই।

মাণিকী : নহ'লেনো বিয়াৰ এবছৰৰ পাছতেই মানুহটো মৰেনে? তাতে পেটতে কেঁচুৱাও ঢুকালে। বোলে কাকনো বুলিবা ককা, সবৰে ডাঢ়ি-চুলি পকা।

বুধিন : (খঙত) বোৱাৰী। শালীনতা বজাই কথা ক'লে ভাল হ'ব। তুমিও এখন ঘৰৰ বোৱাৰী। এগৰাকী বোৱাৰী মানুহৰ গাম্ভীৰ্য্যতাখিনিক সন্মান কৰিবলৈ শিকা।

মাণিকী : মোক কথা কৈ লাভ নাই। সঁচা কথা শুনিবলৈ আচহুৱা লাগেই। ক'লেনো কি হ'ব আপোনালোকক। আপোনালোক বুলিহে সেইজনীক ঘৰত ৰাখিছে। মই হোৱা হ'লে কাহানিবাই তেনেকুৱা মানুহক ঘৰৰ পৰা খেদিলোহেঁতেন।

জ্যোস্নালী : আপোনালোকে আমাৰ মুখ বন্ধ কৰিব নোৱাৰে। আমি গাঁৱৰ ৰাইজ গোটাম। মেল পাতিম। বিচাৰ হ'বই লাগিব

মাণিকী : অ' হ'বই লাগিব।

বুধিন : অমানৱীয়তাৰ মুখা পিন্ধা ভ্ৰষ্টাচাৰীৰ দল। আজি আধুনিকতাৰ যুগতো তোমালোকৰ দৰে সংকীৰ্ণ মনৰ মানুহৰ বাবেই সমাজখনৰ অৱনতি ঘটিছে। জাতিৰ পিতাৰ দেশত থিয় দিও আমি আগবাঢ়ি যাব পৰা নাই। মাত্ৰ তোমালোকৰ নিচিনা সংকীৰ্ণ মনৰ, সংকীৰ্ণ চিন্তাৰ মানুহৰ বাবে। তোমালোক মানৱী নহয়, পশু। তোমালোক নেজবিহীন পশু। তোমালোকে ঘাঁহ খোৱাৰ যোগ্য। মোৰ আবেগ আৰু খং উঠলি মুৰলৈ অহাৰ আগতে তোমালোক ওলাই যোৱা মোৰ ঘৰৰ পৰা ওলাই যোৱা (খঙত)।

মাণিকী : হ'ব হ'ব। বাক্যৰ চাতুৰি খেলিব নালাগে। এনেও অমংগলীয়া মানুহৰ ঘৰত আৰু অলপ সময় থাকি অমংগল চপাই নলওঁ। ব'লাহে জ্যোস্নালী।

জ্যোস্নালী : ব'লক, ব'লক। এনেয়ে সময়বোৰ নষ্ট কৰিলোঁ। (বুধিন লাহে লাহে শান্ত হয়।)

বুধিন : নিৰ্মলা, মোৰ বজাৰৰ মোনাখন দিয়াচোন। অথনি সেইফালে ওলাই যাওঁতে চকলা দেখিছিলোঁ, আইজনীয়ে খাই ভাল পায় নহয়।

নিৰ্মলা : এনেকুৱা অৱস্থাত আপুনি

বুধিন : একো প্ৰশ্ন নুসুধিবা। (নিৰ্মলাই চাদৰৰ আঁচলৰে চকুলো টুকি-টুকি ভিতৰলৈ যায়। অপৰাজিতা সোমাই আহে।)

অপৰাজিতা : পিতাই

বুধিন : (সম্বিৎ ঘূৰাই) আইজনী। আহ, তই চকলা টেঙা খাই ভাল পাৱ নহয়। মই বজাৰলৈ যাওঁ তোৰ কাৰণে চকলা টেঙা আনিবলৈ। (তেনেতে হাতত এটি মোনা লৈ নিৰ্মলা সোমাই আহে)

নিৰ্মলা : এইটো লওঁক। সোনকালে আহিব।

অপৰাজিতা : সোনকালে আহিবি পিতাই।

বুধিন : মই সোনকালেই আহিম। (বুধিনৰ প্ৰস্থান)

নিৰ্মলা : (বুধিন যোৱাৰ ফালে চাই) চিন্তাই জুৰুলা কৰি পেলালে মানুহজনক। বৰঘৰৰ খুঁটা এবাৰ লৰা মানে তাৰ কোনো সমিধান বিচাৰি পাবলৈ বৰ কঠিন।

অপৰাজিতা : তই থিকেই কৈছ অ' আই। বৰঘৰৰ খুঁটা এবাৰ লৰিলে তাক পোন কৰিবলৈ বৰ কষ্ট। (মাইনাক

নিচুকায়) অ'....নাকান্দে, নাকান্দে। কিয় কান্দিছা? মইনা শুব,শুব মোৰ পোহৰজনী এতিয়া শুব। আমাৰে মইনা শুব এ....। (নির্মলা অপৰাজিতালৈ অলপ সময় চাই থাকি চাদৰেৰে চকুলো মচি - মচি ভিতৰলৈ যাব।) (তেনেতে পোহৰ আৰু বিপ্লৱ সোমাব)

পোহৰ ঃ মা।

অপৰাজিতা ঃ (পুতলাটোলৈ চাই) অ পোহৰ। মোৰ মৰমৰ মইনাজনী

পোহৰ ঃ মা, এইফালে চোৱাচোন। মই আহিছোঁ মা। মই আৰু দেউতা আহিছোঁ। চোৱা মা।

অপৰাজিতা ঃ (মূৰ তুলি চাই অবাক হয়) সঁচাই পোহৰ, তুমি আহিছা? আৰু বিপ্লৱ তুমিও?

পোহৰ ঃ অ মা। মোক তুমি ইমানকৈ কিয় নিচুকাইছা? মইতো কন্দা নাই।

অপৰাজিতা ঃ অ পোহৰ, তুমি কন্দা নাই। তুমি নাকান্দিবা কেতিয়াও।

বিপ্লৱ ঃ অপৰাজিতা, তুমি কেনে আছা?

অপৰাজিতা ঃ মই? মোক সুধিছা? মোক সুধিছা তুমি মই কেনে আছোঁ বুলি? মই বৰ সুখত আছোঁ অ' বিপ্লৱ। তুমি ইমান মৰমত ৰাখিছা, সুখী নহৈ পাৰোঁনে?

বিপ্লৱ ঃ অপৰাজিতা, বাহিৰত বহুত আন্ধাৰ। তুমি আন্ধাৰ নাশিব লাগিব অপৰাজিতা।

অপৰাজিতা ঃ আন্ধাৰ? কিহৰ আন্ধাৰ বিপ্লৱ?

বিপ্লৱ ঃ সমাজৰ কু-সংস্কাৰৰ আন্ধাৰ তুমি জিনিব লাগিব।

অপৰাজিতা ঃ মই জানো পাৰিম? চৌপাশে দেখোন কদৰ্যময় পৰিৱেশ।

বিপ্লৱ ঃ তুমি পাৰিবা। তুমি বতাহত হালি নপৰা গছ হ'ব লাগিব। তুমি হাৰি যাব নোৱাৰা কেতিয়াও।

অপৰাজিতা ঃ মই পাৰিম? কেনেকৈ?

বিপ্লৱ ঃ তুমি অপৰাজিতা। মই, পোহৰ, মা-দেউতা সকলো তোমাৰ লগত আছোঁ। মাথোঁ তুমি ভাগৰি নপৰিবা। তুমি ৰণুৱা ঘোঁৰা হ'ব লাগিব। তুমি বীৰুবালা হ'ব লাগিব। তুমি পাৰিবা; তুমি কেতিয়াও পৰাজিত হ'ব নোৱাৰা।

পোহৰ, বিপ্লৱ ঃ তুমি পাৰিবা। তুমি পাৰিবা। তুমি অপৰাজিতা। (পোহৰ আৰু বিপ্লৱৰ প্ৰস্থান)

অপৰাজিতা ঃ মই পাৰিম। মই পাৰিব লাগিব মই বীৰুবালা হ'ব লাগিব অ বিপ্লৱ মই অপৰাজিতা মোৰ উশাহবোৰ সপোন হ'ব, সপোনবোৰ বৰষুণ হ'ব। বৰষুণবোৰ নামি আহিব জিৰ জিৰকৈ। বৰষুণবোৰ ডাৱৰ হ'ব, আকৌ বৰষুণ...পশ্চিমৰ আকাশত সৌৱা পোহৰ। (অপৰাজিতা ফ্ৰীজ হৈ যাব)

(বেকগ্ৰাউণ্ডত 'আমাৰে মইনা শুব এ' বাজিব।)

সমাপ্ত

Scanned with OKEN Scanner

## পুৰস্কাৰপ্ৰাপ্ত শিতান ঃ প্ৰবন্ধ

(২০১৬ বৰ্ষৰ ২ অক্টোবৰ, গান্ধী জয়ন্তী উপলক্ষে অনুষ্ঠিত কৰা প্ৰবন্ধ প্ৰতিযোগিতাত পুৰস্কাৰপ্ৰাপ্ত)

# বৰ্তমান সময়ত গান্ধীবাদৰ প্ৰয়োগ আৰু প্ৰাসংগিকতা



—অন্বেষা ৰাজকুমাৰী
স্নাতক পঞ্চম যান্মাষিক
ইংৰাজী বিভাগ

'মোৰ জীৱনেই মোৰ বাণী' এয়ে আছিল মহাত্মা গান্ধীৰ জীৱনৰ শ্ৰেষ্ঠ বাণী। নিজৰ জাতিৰ হকে, দেশৰ হকে তেওঁ নিজৰ জীৱনক উছৰ্গা কৰিছিল। দেশৰ প্ৰতি থকা অদম্য প্ৰেম, দেশৰ হকে নিঃস্বাৰ্থ সেৱা আগবঢ়োৱাৰ স্বত্বেও সু-সভ্য সাম্ৰাজ্যবাদী মুনিসকলে তেওঁক 'নঙঠা ফকীৰ' বুলি আখ্যা দিছিল। অথচ তেওঁ নিৰস্ত্ৰ, অহিংস আন্দোলনৰ আগত এই মুনিসকলে হাৰ মানি তেওঁক কৈ গৈছিল বিশ্বৰ ভিতৰৰ এজন প্ৰভাৱশালী ৰাজনীতিবিদ বুলি। কিন্তু ৰাজনীতিৰ ক্ষেত্ৰখনত তেওঁৰ প্ৰত্যক্ষ অৱদান থকা বুলি ক'ব নোৱাৰি। সেয়েহে তেওঁৰ অৱদানসমূহক চালি জাৰি চাই তেওঁক এজন সমাজ সংস্কাৰক বুলিহে ক'ব পাৰি।

১৮৬৯ চনৰ ২ অক্টোবৰত মহামানৱ মহাত্মা গান্ধীৰ জন্ম হৈছিল গুজৰাটৰ পোৰবন্দৰ নামে ঠাইত। গুজৰাটতে স্কুলীয়া শিক্ষা সাং কৰি তেওঁ ইংলেণ্ডলৈ উকালতি পঢ়িবৰ বাবে যাত্ৰা কৰে। ইংলেণ্ডৰ পৰা আহি তেওঁ পুনৰ দক্ষিণ আফ্ৰিকালৈ যাত্ৰা কৰে ওকালতিৰ বাবে। দক্ষিণ আফ্ৰিকাৰ কালছোৱাতেই তেওঁৰ জীৱনৰ বাট সলনি হৈ পৰে। দক্ষিণ আফ্ৰিকাত থকাৰ কালছোৱাতেই তেওঁ শ্বেতাংগ সকলৰ বৰ্ণ বৈষম্যৰ বিৰুদ্ধে ক'লা ছালৰ লোকসকলে কৰা আন্দোলনত অংশ গ্ৰহণ কৰিছিল। য'ত তেওঁ সফলতা লাভ কৰিবলৈ সক্ষম হৈছিল। যাৰ পাছৰ সময়ছোৱাতেই ভাৰতলৈ আহি তেওঁ স্বাধীনতা আন্দোলনত প্ৰত্যক্ষভাৱে যোগদান কৰিছিল। অৱশেষত ইংৰাজসকলক এই দেশ মুক্ত কৰি স্বাধীন ভাৰত এখন প্ৰদান কৰি যাবলৈ বাধ্য কৰাইছিল।

মহাত্মা গান্ধীৰ জীৱনৰ ওপৰত বিভিন্ন লোকৰ প্ৰভাৱ পৰিছিল আদৰ্শ আৰু মতবাদে পাছত স্বাধীনতা আন্দোলনৰ সময়ত উপকৃত কৰিছিল। পোন প্ৰথমে গান্ধীয়ে তেওঁৰ মাতৃ কস্তুৰীবাঈৰ পৰা বহু আদৰ্শ লাভ কৰিছিল। তাৰোপৰি দাৰ্শনিক থ'ৰৰ, লাও চিৰ মতবাদসমূহে তেওঁক বাৰুকৈয়ে প্ৰভাৱান্বিত কৰিছিল। ৰাস্কিনৰ 'Unto this last' নামৰ গ্ৰন্থখনে তেওঁৰ জীৱনৰ সুঁতি সলনি কৰিছিল বুলি তেওঁৰ আত্মজীৱনীসমূহৰ পৰা সহজে অনুমেয়। তদুপৰি আধ্যাত্মিক দিশৰ পৰা হিন্দু ধৰ্মগ্ৰন্থ, বৌদ্ধ ধৰ্মগ্ৰন্থ সমূহেও তেওঁৰ মতবাদ সমূহৰ সহায়ক আছিল।

'গান্ধীবাদ' বুলি মহাত্মা গান্ধীয়ে কোনো মতবাদকে স্পষ্টকৈ উল্লেখ কৰা নাই যদিও ৰাজনীতি বিজ্ঞানী সমাজবিজ্ঞানীসকলে তেখেতে আগবঢ়োৱা মতবাদ সমূহকে গান্ধীবাদ বুলি চিহ্নিত কৰিছে। গতিকে ৰাজনীতি তথা সামাজিক ক্ষেত্ৰখনত তেওঁৰ

মতবাদে যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছে লগতে তেওঁৰ মতবাদসমূহ প্ৰয়োগিক ক্ষেত্ৰতো যথেষ্ট গুৰুত্ব লাভ কৰিছে।

**ৰাজনীতিৰ ক্ষেত্ৰলৈ তেওঁৰ অৱদান ঃ**

**অহিংসা নীতি ঃ** স্বাধীনতা আন্দোলনত গান্ধীৰ মূল বিষয়বস্তু আছিল 'অহিংসা নীতি'। অহিংসা নীতি বুলি ক'লে কোনো কথা, চিন্তা ধাৰা, অস্ত্ৰৰে কোনো লোককে আঘাত নকৰাটো। গতিকে গান্ধীয়ে প্ৰতিটো খোজতে অহিংসা নীতিৰে আগবাঢ়ি ইংৰাজৰ হাতৰ পৰা ভাৰতখন মুক্তিৰ প্ৰচেষ্টাৰে আগবাঢ়িছিল। অসহযোগ আন্দোলনকে কেন্দ্ৰ কৰি তেওঁ ঔপনিৱেশিক শাসনৰ অন্ত পেলোৱাৰ চেষ্টা কৰিছিল।

**সত্যাগ্ৰহ ঃ** মহাত্মা গান্ধীৰ অন্যতম আন্দোলন সত্যাগ্ৰহ। সত্যাগ্ৰহৰ অৰ্থ আছিল সত্যৰ প্ৰতি আগ্ৰহ। তেওঁৰ বিচাৰিছিল যে দেশত চলি থকা অনুশাসনৰ, শোষন, উৎপীড়ন, অন্ধবিশ্বাস, দমন, অত্যাচাৰ আঁতৰাই সকলো যাতে সত্যৰ দিশে আগবাঢ়ক। এই সত্যাগ্ৰহক মূল লক্ষ্য হিচাপে লৈ দক্ষিণ আফ্ৰিকাৰ ক'লা ছালৰ নিগ্ৰো আৰু ভাৰতীয়সকলৰ বিৰুদ্ধে বৰ্ণ-বৈষম্য আন্দোলনৰ সৃষ্টি কৰি তেওঁলোকক সমতা প্ৰদান কৰিছিল।

**সৰ্বোদয় ঃ** সৰ্বোদয়ৰ মূল লক্ষ্য আছিল সৰ্ব উদয় অৰ্থাৎ সকলো লোকে উচ্চ-নীচ ভাৱ আঁতৰাই সমাজত সমতা প্ৰদান কৰা। তেওঁ সমাজত প্ৰচলিত যি উচ্চ-নীচ, উচ্চশ্ৰেণী, নিম্ন শ্ৰেণী ভাৱধাৰা আঁতৰাই সকলোতে সমানে আগবাঢ়ি যোৱাত গুৰুত্ব প্ৰদান কৰিছিল।

**স্বৰাজ ঃ** স্বৰাজ আন্দোলনে সকলো পুৰুষ-মহিলা উভয়কে সমানে আগবাঢ়ি স্ব-নিয়োজন ব্যৱস্থাত গুৰুত্ব প্ৰদান কৰিছিল। তেওঁ কুটীৰ শিল্পক কেন্দ্ৰ কৰি স্ব-নিয়োজনৰ যোগেদি সকলোৱে নিয়োজিত হ'লেহে এখন দেশৰ উন্নতি হ'ব সেই কথা বিশ্বাস কৰিছিল।

গতিকে এই মতবাদে ভাৰতীয় ৰাজনৈতিক পটভূমিত এক গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰিছিল বুলি ক'ব পাৰি।

গান্ধীবাদৰ ক্ষেত্ৰতো বহুতো সমালোচকৰে বিভিন্ন ধৰণে বিভিন্ন মতবাদ আগবঢ়াই আহিছে। তেওঁ আগবঢ়োৱা স্ব-নিয়োজন, গ্ৰাম স্বৰাজ, আন্তৰ্জাতিকতাবাদ, পুলিচ ব্যৱস্থা, ৰাষ্ট্ৰ, ৰাষ্ট্ৰ ব্যৱস্থাৰ, গাওঁ পঞ্চায়ত, ন্যায় ব্যৱস্থাৰ প্ৰতি যি মতবাদ আগবঢ়াই সেয়াই সঁচায়েই লক্ষণীয়। গতিকে গান্ধীবাদৰ ধাৰণা বৰ্তমান সময়ত ৰাজনীতি তথা সামাজিক প্ৰেক্ষাপটত সঁচাকৈয়ে লক্ষণীয় তথা ইয়াৰ প্ৰাসংগিকতা কোনোপধ্যে নুই কৰিব নোৱাৰি।

পোনপ্ৰথমে ক'ব পাৰি যে গান্ধীয়ে ন্যায় ব্যৱস্থাৰ প্ৰতি যি ধাৰণা আগবঢ়াইছিল তাক বৰ্তমান সময়ত প্ৰাসংগিক বুলি ক'ব পাৰি। বৰ্তমান সময়ত ন্যায়িক ব্যৱস্থা যথেষ্ট ব্যয়বহুল। সেয়ে তেওঁৰ মতে ন্যায়িক ব্যৱস্থা সহজ লভ্য তথা ন্যায়িক হ'ব লাগে। লগতে আদালত, ন্যায়িক কাৰ্যালয়ৰ কামকাজ সঠিক হ'ব লাগে যাতে সকলোৰে বাবে ন্যায় কাম্য হয়।

গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰতি গুৰুত্বপূৰ্ণ মত পোষণ কৰিছিল। গণতন্ত্ৰ এখন সত্য আৰু অহিংসৰ আধাৰত প্ৰতিস্থিত। গতিকে তেওঁ কেন্দ্ৰীয় ব্যৱস্থাতকৈ বিকেন্দ্ৰীকৰণ ব্যৱস্থাত অধিক গুৰুত্ব আৰোপ কৰিছিল। গাওঁ পঞ্চায়তক অধিক শক্তিশালী কৰি তুলি বিভিন্ন বিচাৰ বিবেচনাৰ প্ৰতি দায়িত্বশীল হোৱাৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰিছিল।

ঠিক সেইদৰে কুটীৰ শিল্পৰ ক্ষেত্ৰতো গুৰুত্ব কৰাটো তেওঁ বিচাৰিছিল। তেওঁ ভাৰতীয় জনসাধাৰণকে কুটীৰ শিল্পক অধিক গুৰুত্ব দি পুৰুষ মহিলা উভয়ে আগবাঢ়ি স্ব-নিৰ্ভৰশীল হোৱাত গুৰুত্ব দিছিল। গতিকে এই ক্ষেত্ৰত বৰ্তমান সময়ত যথেষ্ট গুৰুত্ব আছে বুলি ক'ব পাৰি। ঠিক সেইদৰে হিংসাৰে জৰ্জৰিত বৰ্তমানৰ ভাৰতত সৰ্বোদয়, সত্যাগ্ৰহৰ দৰে নীতিৰ গুৰুত্ব আছে বুলি ক'ব পাৰি।

গান্ধীৰ মতে 'গান্ধীবাদ বুলি কোনো বাদ নাই।' কিন্তু তেওঁৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক ক্ষেত্ৰখনৰ প্ৰতি দৃষ্টিভংগী আছিল বেলেগ। তেওঁ অহিংস নীতিৰে সত্যৰ পথেৰে সকলোকে উন্নতিৰ পথত আগুৱাই নিব পাৰিম বুলি মনত দৃঢ় বিশ্বাস আছিল। সেয়ে তেওঁৰ নীতিসমূহ দেশৰ চুকে কোণে বিয়পি পৰিছিল। পিছে সকলো নীতিয়ে বৰ্তমান সময়ৰ লগত প্ৰাসংগিক হৈ পৰিব বুলি ক'ব নোৱাৰি। তেওঁৰ কিছুমান নীতিও অস্বীকাৰ কৰিবলগীয়া। কিন্তু প্ৰায় নীতি বৰ্তমান সময়ত সফল ৰূপত প্ৰয়োগিক হ'লে দেশৰ উন্নতি উচ্চ শিখৰৰ দিশে গতি কৰিব। গতিকে বিভিন্ন সমালোচকৰ বিভিন্ন মতবাদ আগবঢ়ালেও গান্ধীবাদৰ ধাৰণাৰ বৰ্তমান সময়ত প্ৰাসংগিকতা আছে আৰু ভবিষ্যতেও থাকিব সেয়া এক চিৰসত্য।

Scanned with OKEN Scanner

# পুৰস্কাৰপ্ৰাপ্ত শিতান ঃ চিঠি

(২০১৬-১৭ বৰ্ষৰ যুৱ মহোৎসৱৰ 'হৃদয়ৰ পৰা হৃদয়লৈ' বিষয়ক পত্ৰ লিখন প্ৰতিযোগিতাত পুৰস্কাৰপ্ৰাপ্ত)

## হৃদয়ৰ পৰা হৃদয়লৈ

— গীতাশ্ৰী ওজা
স্নাতক ষষ্ঠ যান্মাসিক

প্ৰতি

মোৰ সেউজীয়া আত্মা,

মই যেতিয়া আকাশৰ পৰা নামি আহিছিলোঁ, ভাবিছিলোঁ মই মাটিৰ কোমলতাৰ মাজলৈ গৈ আছো। কিন্তু আহি পালোঁ যুদ্ধ, হত্যা, হিংসা আৰু ব্যক্তিকেন্দ্ৰীক প্ৰতিযোগিতাৰ উৎসৱ....। মই ভবা সেউজ কোমলতা আৰু মাটিৰ আকুলতাবোৰ ক'ত ....? হিমবাহৰ তেজৰ নৈয়ে চকু চাট মাৰি ধৰিছে। হিমালয়ৰ তীৰত আছে নেকি সেউজ কোমলতা .... তোমাৰ ওঁঠৰ বাগিচাত ফুলা গোলাপৰ পাহিবোৰ দিবানে লৈ যাম মৰুভূমিৰ বালিলৈ......। এঘেৰীয়া ইতিহাসৰ পম খেদি খেদি গুচি যাওঁ ব'লা নাগাচাকিত উলাহৰ মেলা পাতিম। মাংসপিপাসুবোৰে চোৰা কিদৰে চাই আছে.... মই মোক হেৰুৱাই পেলাইছো জানা....। আহাচোন কামনাসিক্ত চকুবোৰ আজুৰি সিঁচি দিওঁগৈ গংগাৰ মোহনাত। গোপন চহৰৰ নষ্ট নাৰীক লৈ যাওঁ ব'লা, মেচ'পটেমিয়াৰ পাৰত ৰাজপ্ৰসাদ সাজিম। লালসাগ্ৰস্ত ভোকাতুৰ দালালক দি যাওঁ গৰল...... মোৰ সেউজীয়া আত্মা তুমি আহাঁ......তুমি আহাঁ........ পাযানৰ হৃদয়ৰ পৰা নষ্ট নাৰী হৃদয়লৈ সাজো উত্তৰণৰ সাঁকো.....। মই ৰৈ আছোঁ...... মই ৰৈ থাকিম......।

প্ৰান্তত
মৰুপ্ৰায় এপাহি ফুল (তোমাৰ)
গাঁও - এৰাবাৰী পাছফালে
ঠিকনা - মিছিং ইউ এভিনিউ

# পুৰস্কাৰপ্ৰাপ্ত শিতান ঃ কবিতা

(২০১৬-১৭ বৰ্ষৰ যুৱ মহোৎসৱৰ 'বিষয় ঃ ধূসৰিত মানৱতা আৰু কল্লোলিত হৃদয়' বিষয়ক কবিতা প্ৰতিযোগিতাত পুৰস্কাৰপ্ৰাপ্ত)

## ভগ্ন ছবিৰ ক্ৰন্দন

— ৰাণীমা বৰপাত্ৰগোহাঁই
ষষ্ঠ ষান্মাসিক,
ৰাজনীতি বিজ্ঞান বিভাগ

হৃদয়ৰ মাজত উচুপি উঠিছিল
ধূলিময় মানৱতাৰ
ভগ্ন ছবিখন....

শুকান সৰাপাতৰ ক্ৰন্দন
বুকুত সাবটি চিঞৰি উঠিছিল,
ধৰফৰণিৰ মাজত ক্ৰমশঃ
বাঢ়িছিল শেষ হৈ অহা মানৱতাৰ
শেষ ছবিখন

ছবিখন ধূলিময় হৈ পৰিছিল
শেষ হৈ অহা মানৱতাৰ বুকুত

ক্ৰন্দনবোৰ বাঢ়ি আহিছিল
ধুমুহাৰ দৰে
তীব্ৰ বেগেৰে.....





# সভাপতিৰ প্ৰতিবেদন

সোণালী ইতিহাস ৰচিত শিৱসাগৰ ছোৱালী কলেজৰ প্ৰতিষ্ঠাকালীন পুৰোধা ব্যক্তিসকলক প্ৰথমতে স্মৰণ কৰি শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। আপোনালোকৰ অহৰহ শ্ৰমদানৰ ফলস্বৰূপেই আমি আজি সকলোৱে শিৰ উচ্চ কৰি গৰ্বৰে ক'ব পাৰিছোঁ আমি "শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী।" বৰ্তমান সন্মানীয় অধ্যক্ষা মহোদয়া আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলৰ লগতে কলেজৰ কৰ্মচাৰীবৃন্দক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ। উজনি অসমৰ উচ্চ নাৰী শিক্ষাৰ এখন আগশাৰীৰ প্ৰতিষ্ঠান "শিৱসাগৰ ছোৱালী কলেজ।" এইখন প্ৰতিষ্ঠানত মোৰ জীৱনৰ এক মধুৰ অভিজ্ঞতাৰ লগতে ইতিহাস হৈ ৰ'ব ছাত্ৰী একতা সভাৰ ২০১৬-১৭ বৰ্ষৰ দ্বিতীয় গৰাকী ছাত্ৰী সভাপতি হিচাপে। ছাত্ৰী একতা সভাৰ সাধাৰণ নিবাচৰ্নত জয়ী হৈ কলেজলৈ সেৱা আগবঢ়াবলৈ পাই নিজে গৌৰৱান্বিত লগতে আনন্দিত অনুভৱ কৰিছিলোঁ। কিন্তু কেইটামান কথাই মোক চিন্তা কৰিবলৈ বাধ্য কৰাইছিল সেইকেইটা হৈছে– "মই কলেজৰ ছাত্ৰীসকলক ভালদৰে নেতৃত্ব দিব পাৰিমনে, কলেজৰ মান-সন্মান অটুট ৰাখি কি দৰে, কেনেকুৱা কাম কৰি কলেজলৈ গৌৰৱ কঢ়িয়াই আনিব পাৰিম"– এনেধৰণৰ বহুতো প্ৰশ্নৰ উদয় হৈছিল। মই নিজৰ মাজতে সেই প্ৰশ্নসমূহৰ উত্তৰ বিচাৰি গভীৰভাৱে চিন্তিত হৈ পৰিছিলোঁ। কেতিয়াবা নিজে নিজক শান্তনা দি কওঁ– "সভাপতি পদত নিজকে প্ৰতিষ্ঠা কৰিলোঁ যেতিয়া, সকলো কাম, সকলো দায়িত্ব পালন কৰিবই লাগিব। কলেজৰ ছাত্ৰীসকলৰ বাবে যিকোনো সময়ত, যি সমস্যাই নাহে কিয় তাৰ সমাধানৰ বাবে সদায় সমস্যাৰ সন্মুখত থিয় হ'বই লাগিব। যিহেতু, কলেজৰ ছাত্ৰী সকলৰ বিশ্বাস আছিল সেয়েহে নিৰ্বাচনত তেওঁলোকৰ বহুমূলীয়া ভোট দি জয়ী কৰাইছিল।

২০১৬-১৭ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সভাপতি পদত প্ৰতিদ্বন্দ্বিতা কৰাৰ মোৰ কোনো আশা নাছিল। মোৰ সহপাঠী- সাগৰীকা বৰগোহাঁই, শিল্পীকা বৰা, ঋষিকা বৰা, কাকুমণি চাংমাই, মঞ্জুৰি শইকীয়া আৰু কেইবাগৰাকী সহপাঠীৰ অনুৰোধত মই মনোনয়ন পত্ৰ দাখিল কৰিছিলোঁ আৰু জয়ী লাভ কৰিছিলোঁ। আকৌ সুযোগ পাইছিলোঁ সভাপতি পদত থাকি কলেজৰ হৈ কাম কৰাৰ। ১৮ গৰাকী সম্পাদিকাৰ এখন সভাৰ সভাপতি হিচাপে কাম কৰোঁতে বহুতো সময়ত মই কেইজনমান শিক্ষাগুৰুৰ কাষ চাপিছিলো- ড° ৰণ্টু গোহাঁই ছাৰ, শ্ৰীযুত প্ৰবীণ শৰ্মা ছাৰ, ড° বিমল দত্ত ছাৰ, শ্ৰীযুত মহান ৰঞ্জন দত্ত ছাৰকে প্ৰমূখ্য কৰি সকলোৱে পৰা দিহা-পৰামৰ্শ বিচাৰিছিলোঁ আৰু তেওঁলোকে সকলোৱে আমাৰ কামবোৰ নিয়াৰিকৈ কৰাত সহায়-সহযোগিতা আগবঢ়োৱাৰ ববে তেওঁলোকৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা লগতে ধন্যবাদ প্ৰদান কৰিলোঁ।

সভাপতি পদত থাকি মই কলেজৰ স্বাৰ্থে কিমানখিনি কাম কৰিলোঁ বা কৰিব পাৰিলোঁ সেইটো কলেজ কতৃপক্ষৰ বা কলেজ পৰিয়ালৰ বিচাৰ্য্য বিষয়। মই নিষ্ঠা, সততা, একাগ্ৰতাৰে কলেজলৈ সেৱা আগবঢ়াইছিলোঁ। কিছুমান ক্ষেত্ৰত সফল আৰু কিছুমানত বিফলতাৰ সন্মুখীন হৈছিলোঁ। সেই সফলতাৰ আঁৰত লুকাই আছে ছাত্ৰী একতা সভাৰ সম্পাদিকা সকল। ছাত্ৰী একতা সভাৰ সদস্যা সকলে মোৰ চকুত বহুতো কষ্ট, নিষ্ঠা আৰু সততাৰে নিজৰ নিজৰ বিভাগীয় শিতানত একাগ্ৰতাৰে কাম কৰি কলেজৰ সেৱা আগবঢ়াইছে। শেষত মই ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা পৰিস্মিতা দাস, সহঃ সাধাৰণ সম্পাদিকা অভিস্পা বৰগোহাঁইক প্ৰমুখ্যে সকলো সম্পাদিকাই মোক ছাত্ৰী একতা সভাখন পৰিচালনা কৰি যোৱাত যি সহায়-সহযোগিতা আগবঢ়ালে, তাৰ বাবে সকলো সম্পাদিকাক মোৰ তৰফৰ পৰা প্ৰতিবেদনৰ জৰিয়তে কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ। অনাগত দিন সমূহত সম্পাদিকা হিচাপে নাথাকিলেও এগৰাকী কলেজৰ ছাত্ৰী হিচাপে কলেজৰ সৰ্বাংগীণ উন্নতিৰ বাবে সেৱা আগবঢ়াই যাবলৈ প্ৰতিশ্ৰুতি আগবঢ়ালোঁ।

শেষত, মানুহ মাত্ৰেই ভুল হয়। সেয়েহে অজানিতে হোৱা ভুল-ক্ৰটিৰ বাবে মই দুখিত। মোৰ ভুল-ক্ৰটিৰ বাবে সকলোৱে ক্ষমা কৰে যেন।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"

**শ্ৰীমতী সুজাতা গগৈ**

সভাপতি, ছাত্ৰী একতা সভা ২০১৬-১৭ বৰ্ষ



# সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

"শিক্ষাৰ সাধনাৰ বন্তি জ্বলাওঁ
নিজেও উজ্জ্বলি উঠো, দেশকো উজ্জ্বলাওঁ
গৰিমাৰে মহিমাৰে জিলিকি আছে
সোণৰ কলচী কাষতে
শিৱসাগৰ ছোৱালী কলেজ
প্ৰণামো তোমাক ..........."

*ড° কৰবী ডেকা হাজৰিকা*

১৯৬৪ চনতে বহু বৰেণ্য ব্যক্তিৰ আপ্ৰাণ প্ৰচেষ্টা, মূৰৰ ঘাম মাটিত পেলাই কৰা শ্ৰমৰ প্ৰতীক স্বৰূপে প্ৰতিষ্ঠা লাভ কৰিছিল শিৱসাগৰ ছোৱালী কলেজে। ঐতিহ্যমণ্ডিত বৰপুখুৰীৰ পাৰত, শিৱসাগৰ জিলাৰ কেন্দ্ৰত অৱস্থিত এই শিক্ষানুষ্ঠানটি শিৱসাগৰ জিলাৰ ভিতৰতে নাৰী শিক্ষাৰ এক অগ্ৰণী অনুষ্ঠান। যিসকল মণিষী তথা নমস্য ব্যক্তিৰ আপ্ৰাণ প্ৰচেষ্টাত, নাৰী শিক্ষাৰ অগ্ৰণী প্ৰতিষ্ঠান তথা আৰ্হিমূলক কলেজ হিচাপে প্ৰতিষ্ঠা লাভ কৰিলে, সেইসকল নমস্য ব্যক্তিলৈ এই আপাহতে জনাইছোঁ সশ্ৰদ্ধ প্ৰণিপাত।

সহস্ৰ আশা আৰু কল্পনাৰে লক্ষ্য প্ৰাপ্তিৰ এক পথ হিচাপে বাচি লৈ খোজ পেলাইছিলোঁ 'শিৱসাগৰ ছোৱালী কলেজ'ৰ মজিয়াত। ভাবিছিলো মোৰ আশা, কল্পনা সকলোবোৰ সজীৱ কৰি লক্ষ্য প্ৰাপ্তি পথ মসৃণ কৰি তুলিব। কিন্তু ভৱাতকৈ বেলেগ ধৰণে মোৰ গতি সলনি কৰি, মোক সামাজিক কৰি গঢ়ি তোলাৰ লগতে সম্পূৰ্ণৰূপে নিজৰ সৈতে নিজক পৰিচয় কৰাই দিলে। সেইবাবে মোক দিয়া আশীৰ্বাদখিনিৰ পৰিৱৰ্তে শিৱসাগৰ ছোৱালী কলেজক কিবা এটা দি যোৱাৰ মানসেৰে ২০১৫-১৭ বৰ্ষৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচনত নামি পৰিলো। এখন কলেজত ছাত্ৰী হিচাপে দায়িত্ব পালন কৰাটোৱেই এক প্ৰত্যাহ্বান, তেনে এক প্ৰেক্ষাপটত সাধাৰণ সম্পাদিকাৰ দায়িত্ব পালনৰ বাবে সাজু হোৱাটোও মোৰ বাবে এক প্ৰত্যাহ্বান আছিল। তথাপিও আমাৰ বিভাগীয় শিক্ষাগুৰুসকল, মোৰ সতীৰ্থ, জ্যেষ্ঠা বাইদেউ আৰু সেই সময়ৰ ছাত্ৰী একতা সভাৰ বিভাগীয় সম্পাদিকাসকলৰ পৰামৰ্শ আৰু সহায়-সহযোগিতাত মই সাধাৰণ সম্পাদিকা হিচাপে নিজকে প্ৰস্তুত কৰাত কৃতকাৰ্য হৈছিলো। সৰুৰেপৰাই নেতৃত্বৰ আশা বা নেতৃত্বৰ গুণ মোৰ গাত নাছিল, তথাপিও কলেজৰ প্ৰতি থকা দায়িত্ববোধ আৰু কাম কৰাৰ হাবিয়াসৰ বাবে মোক সম্পাদিকা পদটিলৈ নিৰ্বাচন কৰাত মই অত্যন্ত সুখী হৈছিলোঁ। সেইহেতু এই সুযোগতে মই শিৱসাগৰ ছোৱালী কলেজৰ প্ৰতিগৰাকী শিক্ষাগুৰু, মোৰ জ্যেষ্ঠ, কনিষ্ঠ, সতীৰ্থ সকলোলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

২০১৬-১৭ বৰ্ষৰ ছাত্ৰী একতা সভাৰ নেতৃত্ব লৈ তথা ইয়াৰ এক অংগ হিচাপে দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ পাছত আমি সকলোৱে এক হৈ কলেজৰ কাম নিষ্ঠাৰে কৰি যাম বুলি লোৱা শপত বাক্যৰ প্ৰয়োগৰ কামত আগবাঢ়িলোঁ। মহাবিদ্যালয়ৰ নিয়ম শৃংখলা অটুত ৰাখি ইয়াৰ গৰিমা আৰু মৰ্যদা ম্লান হ'ব নিদিয়াকৈ মহাবিদ্যালয়ক সঠিক আৰু শুদ্ধ পথত পৰিচালনা কৰাত সফল হ'ব পাৰিম নে নাই তাক লৈ আমাৰ প্ৰতিগৰাকী সম্পাদিকাৰ মনত শংকাৰ সূত্ৰপাত হৈছিল। কিন্তু শিক্ষাগুৰু সকলৰ পৰামৰ্শ আৰু মহাবিদ্যালয় কাৰ্যালয়ৰ কৰ্মচাৰীবৃন্দ আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ সহযোগিতাত আমাৰ এই শংকা কিছু পৰিমাণে কম হৈছিল আৰু আমি একেলগে আগবাঢ়ি যাবলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈছিলোঁ।

আমাৰ মহাবিদ্যালয়ত মানৱ সম্পদ সৃষ্টি কৰাত প্ৰতিটো দিশেই অৰিহণা যোগাই আহিছে। সাহিত্য, সাংস্কৃতিক, ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক প্ৰতিটো দিশৰে সৈতে শিক্ষাৰ্থীক পৰিচয় কৰাবলৈ পাৰ্যমানে যত্নপৰ হৈছে আৰু

তেনে সুবিধাও প্ৰদান কৰি আহিছে। আমাৰ একতা সভাখনে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতে আমি অনুষ্ঠিত কৰিছিলোঁ আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° হেমন্ত কুমাৰ ছাৰৰ বিদায় সম্বৰ্দ্ধনা সভা। উক্ত সভাখন কাৰ্যকৰী হোৱাৰ পাছত আমাক আমাৰ শিক্ষাগুৰুসকলে যথেষ্ট অনুপ্ৰেৰণা যোগাইছিল। সেই সভাখনত আমাৰ একতা সভাৰ প্ৰতিগৰাকী সম্পাদিকাৰ বলিষ্ঠ কৰ্মক সকলোৱে প্ৰশংসা কৰাৰ লগতে আগবাঢ়ি যাবলৈ সাহস ও আশীৰ্বাদ দিছিল। সেয়াই আৰম্ভণি, তাৰ পাছৰে পৰা আমি আমাৰ কাৰ্যকালত বহু কেইজন শিক্ষাগুৰু আৰু মহাবিদ্যালয়ৰ বিষয়া কৰ্মচাৰীৰ বিদায় সম্ভাষণ জনাইছিলোঁ। তাৰ পাছতে আমি অনুষ্ঠিত কৰিছিলোঁ আমাৰ কাৰ্যকালৰ আটাইতকৈ তত্ত্বগধূৰ কাৰ্যসূচীৰে পৰিপূৰ্ণ মহাবিদ্যালয় কলেজ সপ্তাহ। ইং ৪-১-২০১৭ তাৰিখৰ পৰা ১২-১-২০১৭ তাৰিখলৈ ভিন্ন কাৰ্যসূচীৰে কলেজ সপ্তাহ অনুষ্ঠিত কৰিছিলোঁ। কলেজ সপ্তাহ অন্ত পৰাৰ পাছতে আমাৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ অনুষ্ঠান আছিল টিয়কৰ চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃ যুব মহোৎসৱ। য'ত আমাৰ কলেজৰ ২৪ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। ছোৱালী কলেজৰ হুঁচৰি আৰু মুকাভিনয়ে সকলোৰে মনত এটি সাঁচ বহুৱাবলৈ সক্ষম হৈছিল। লগতে ভিন্ন প্ৰতিযোগিতাত আমাৰ শিক্ষাৰ্থীসকলে যথেষ্ট পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছিল। বিশেষকৈ আমাৰ ছাত্ৰীৰ মুকাভিনয় দেখি উঠি হাত চাপৰি আৰু কিৰিলি পৰা দৰ্শক দেখি আমাৰ স'তে যোৱা দুগৰাকী তত্ত্বাৱধায়কৰ আনন্দাশ্ৰু নিগৰি আহিছিল। তাৰ উপৰিও আন্তঃ যুৱ মহোৎসৱত বিশেষ বিষয়ৰ বিষয়বস্তুৰে সাজি উলিওৱা শোভাযাত্ৰাই প্ৰতিজন লোককে মোহিত কৰিছিল। সেই অনুষ্ঠানৰ পুৰস্কাৰ বিতৰণী সভাত কৰা হাঁহি স্ফূৰ্তি আৰু হাঁহি হাঁহি চকুৰ লোতক নিগৰাৰ অভিজ্ঞতাই আজিও বাৰে বাৰে সেই পৃথিৱীখনলৈ মোক লৈ যায়।

তাৰ ঠিক দুদিনৰ পিছতেই ১ ফেব্ৰুৱাৰী তাৰিখে আমি অনুষ্ঠিত কৰিছিলোঁ মহাবিদ্যালয়ৰ আটাইতকৈ ডাঙৰ উৎসৱ সৰস্বতী পূজা। পুৱাৰ পৰা পূজা-অৰ্চনা। দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয় সৰস্বতী পূজা। অতিথি আপ্যায়ন আৰু দিনটোৰ ব্যস্ততাই মোক কলেজৰ হৈ কাম কৰাৰ সুকীয়া মাদকতা প্ৰদান কৰিছিল।

মহাবিদ্যালয় ছাত্ৰীসকলে বাহ্যিকভাবেও বহু প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি কলেজৰ মৰ্যদা বৃদ্ধি কৰিছিল ভিন্ন দল সংগঠনে অনুষ্ঠিত কৰা শোভাযাত্ৰা, তৰ্ক, কুইজ, চিত্ৰাংকণ, গীত, নৃত্য, অভিনয় আদি প্ৰতিযোগিতাত আমাৰ কলেজৰ শিক্ষাৰ্থীয়ে যথেষ্ট পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছিল। যাৰ বাবে শিৱসাগৰ ছোৱালী কলেজ তথা নাৰী শক্তি শ্ৰেষ্ঠ শক্তি বুলি বেলেগকৈ প্ৰমাণ কৰিব লগা নহৈছিল।

৮ জুলাই মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসটি আমি যথেষ্ট আধ্যাত্মিকভাৱে নাম প্ৰসংগৰে উদ্‌যাপন কৰিছিলো। সেই দিনটোতে পুৱাৰ পতাকা উত্তোলনেৰে আৰম্ভ কৰি কলেজৰ উন্নতিৰ বাবে ভিন্ন পন্থা হাতত লোৱা হৈছিল। ৫ জুন বিশ্ব পৰিৱেশ দিৱসো আমি পৃথক কাৰ্যসূচীৰে পালন কৰিছিলো। কলেজৰ শিক্ষাগুৰুসকলৰ সৈতে লগ লাগি শিৱসাগৰৰ ভিতৰতে এখন ভিতৰুৱা গাঁৱত গৈ গাঁৱৰ ৰাইজক পৰিৱেশ সম্পৰ্কে সজাগ হৈ কাম কৰাৰ নিৰ্দেশ কৰিছিল আমাৰ উপাধ্যক্ষা মহোদয়াই। তাৰ উপৰিও কণমানি শিশুহঁতৰ মাজত বাৰেৰহণীয় প্ৰতিযোগিতাৰ আয়োজন কৰিছিলো, এনেকৈ পৃথকভাৱে আমি পৰিৱেশ দিৱস উদ্‌যাপন কৰিছিলোঁ।

আমাৰ মহাবিদ্যালয়ত ভিন্ন বৰেণ্য, তপস্বী, আদশৱান ব্যক্তিসকলৰ অনুকৰণ আৰু তেওঁলোকৰ জীৱন দৰ্শন সম্পৰ্কে শিক্ষাৰ্থীসকলক আভাস দিবৰ বাবে ভিন্ন দিৱসসমূহ সামূহিকভাৱে উদ্‌যাপন কৰিছিলোঁ। নাৰী দিৱস উপলক্ষে আমি শিৱসাগৰ জিলাস্থিত বেতবাৰীত মহিলা সবলীকৰণৰ অৰ্থে সজাগতা সভাৰ আয়োজন কৰিছিলোঁ। ইয়াৰ উপৰিও গান্ধী জয়ন্তী, শিক্ষক দিৱস আদি ভিন্ন প্ৰতিযোগিতাৰ মাজেৰে উদ্‌যাপন কৰিছিলোঁ। "World Photography Day" চিত্ৰগ্ৰহণ প্ৰতিযোগিতা মাজেৰে উদ্‌যাপিত কৰিছিলোঁ।

মহাবিদ্যালয় ছাত্ৰীসকলক কেৱল শিক্ষাৰ দিশতে নহয়, সামাজিক আৰু নৈতিক শিক্ষাৰ মাজেদি গুণগত দিশৰ বিকাশৰ বাবেও চেষ্টা কৰিছিল। সেই চেষ্টাক আৰু অধিক সক্ৰিয় কৰাৰ মানসেৰে ২০১৬-১৭ বৰ্ষৰ ছাত্ৰী একতা সভাই বানত আক্ৰান্ত লোকসকলৰ বাবে সাহাৰ্য দিবলৈ এটি গোট গঠন কৰি শিৱসাগৰ চহৰত প্ৰখৰ ৰ'দকো নেওচি সাহাৰ্য বিচাৰি ফুৰিছিল। তাৰ পাছতে আমি অগ্ৰজসকলৰ বিদায় সম্বৰ্দ্ধনাৰ আয়োজন কৰিছিলোঁ।

আমাৰ কাৰ্যকালৰ শেষটো কাৰ্য আছিল নৱাগতা ছাত্ৰীসকলক আদৰণি। এই নৱাগতা আদৰণি সভাত অতিথি হিচাপে আছিলে ড° সৌমাৰজ্যোতি মহন্ত ছাৰ। তেওঁৰ উপস্থিতিত মহাবিদ্যালয়ৰ উপাধ্যক্ষা মহোদয়াৰ সভাপতিত্বত সভাখন

কাৰ্যকৰী কৰা হৈছিল। উক্ত সভাত আমি আমাৰ কলেজৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈ যোৱা ছাত্ৰীসকলক সম্বৰ্দ্ধনা জনাইছিলোঁ লগতে কলেজলৈ ভিন্ন দিশত পাৰদৰ্শিতা প্ৰদৰ্শন কৰি সন্মান কঢ়িয়াই অনা ছাত্ৰীসকলকো সম্বৰ্দ্ধনা জনোৱা হৈছিল। লগতে আমি প্ৰস্তুত কৰি উলিয়াইছিলোঁ কলেজৰ প্ৰতিষ্ঠা কালৰে পৰা বৰ্তমানলৈকে কাম কৰি যোৱা প্ৰতিটো বৰ্ষৰ ছাত্ৰী একতা সভাৰ তথ্যৰে সমৃদ্ধ এখন 'বুলেটিন'। এই বুলেটিন খন উন্মোচন কৰা হৈছিল এই নৱাগতা আদৰণি সভাৰ দিনটোতে। বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠানেৰে নৱাগতা আদৰণি সভাৰ অন্ত পৰিছিল।

**কৃতজ্ঞতা জ্ঞাপন**

সৰ্বপ্ৰথমে ধন্যবাদ জ্ঞাপন কৰিছোঁ অধ্যক্ষা মহোদয়া ড° লীলা মহন্ত বৰচেতিয়া বাইদেউ, মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষাগুৰু, কাৰ্যালয়ৰ কৰ্মচাৰী, চতুৰ্থ বৰ্গৰ কৰ্মচাৰীবৃন্দক। মোৰ কাৰ্যকালত আপোনালোকে দিয়া দিহা-পৰামৰ্শ আৰু সহযোগিতাই মোক বহু পৰিমাণে সফল হোৱাত সহায় কৰিলে। তাৰ বাবে আপোনালোকলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বিশেষ কৃতজ্ঞতা জনাইছোঁ মোৰ বিভাগ (শিক্ষা বিভাগ)ৰ প্ৰতিগৰাকী শিক্ষাগুৰুক, যাৰ অবিহনে মই নিজকো চিনি নাপালোহেঁতেন। অশেষ ধন্যবাদ জনাইছোঁ মোৰ অগ্ৰজ, অনুজ আৰু সহপাঠী সকলক, যাৰ সহযোগিতা মই কোনোদিনেই পাহৰিব নোৱাৰোঁ। ইয়াৰ উপৰিও আন আন শুভাকাংক্ষী সকলকো কৃতজ্ঞতা জনালোঁ, যিসকলে কলেজৰ হিতাৰ্থে কাম কৰাত আমাক সহায় কৰিলে। যদি অজানিতে কাৰোবাৰ নাম উল্লেখত থাকিও গৈছে তেওঁলোকৰ ওচৰত মই ক্ষমাৰ প্ৰাৰ্থী। আপোনালোকলৈ মোৰ কৃতজ্ঞতা যাঁচিলো। আপোনালোকৰ সৈতেহে ২০১৬-১৭ বৰ্ষৰ ছাত্ৰী একতা সভাই নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিব পাৰিলে। শিৱসাগৰ ছোৱালী কলেজৰ ইতিহাসত এক অধ্যায় হিচাপে নিজকে সন্নিবিষ্ট কৰিবলৈ যাওঁতে যদি কাৰোবাৰ ওচৰত কিবা আঘাত লগাইছিলো তেন্তে আমি ক্ষমাৰ প্ৰাৰ্থী।

সদৌ শেষত সকলোলৈকে ভক্তি ভৰা সেৱা জনাই শিৱসাগৰ ছোৱালী কলেজৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ কলমৰ মুখনি মাৰিলোঁ।

জয়তু ছাত্ৰী একতা সভা
জয়তু শিৱসাগৰ ছোৱালী কলেজ

**পৰিস্মিতা দাস**
সাধাৰণ সম্পাদিকা

# সহকাৰী সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

শিৱসাগৰ ছোৱালী কলেজৰ ২০১৬-১৭ বৰ্ষৰ সহকাৰী সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন লিখাৰ প্ৰাক্ মুহূৰ্ততে যিসকল মহান মণিষীৰ আপ্ৰাণ প্ৰচেষ্টাত স্ত্ৰী-শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান 'শিৱসাগৰ ছোৱালী কলেজে' যি স্থান পাইছে, যাৰ ছাঁৰ পৰশত আলোকিত হৈ উঠিছে শিক্ষাৰ এনাজৰীডাল, সেই বৰেণ্য ব্যক্তিসকললৈ আমাৰ সশ্ৰদ্ধা প্ৰণাম নিবেদিছোঁ। এই মহাবিদ্যালয়ৰ প্ৰাক্তন আৰু বৰ্তমানৰ শ্ৰদ্ধাৰ অধ্যক্ষ সকলকে প্ৰমুখ্য কৰি শিক্ষাগুৰু বৃন্দ, কৰ্মচাৰী বৃন্দ, অনুজ তথা সতীৰ্থ বৃন্দলৈ মোৰ শ্ৰদ্ধা আৰু আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে যিসকল ছাত্ৰীয়ে মোক ২০১৬-১৭ বৰ্ষত হৈ যোৱা নিৰ্বাচনত সহায় - সহযোগিতা আগবঢ়ালে, সেইসকল ছাত্ৰীলৈ ও জ্ঞাপন কৰিছোঁ সশ্ৰদ্ধা কৃতজ্ঞতা।

প্ৰকৃততে, মহাবিদ্যালয়খনিত শিক্ষাগ্ৰহণ কৰাৰ ঠিক পিছৰেপৰা মহাবিদ্যালয়খনৰ প্ৰতি আন্তৰিকাপূৰ্ণ ভাৱ গঢ়ি উঠিছিল। কলেজখনৰ হকে কিবা এটা কৰাৰ মোৰ হেপাঁহ জন্মিছিল। অগ্ৰজ সকলৰ সৈতে কেতিয়াবা কথা বাৰ্তাও পাতিছিলো, নজনা কথা জানিবলৈ পাইছিলো। আনকি সৰু ডাঙৰ যিকোনো এখন সভাতে সাধাৰণ ছাত্ৰী হিচাপে উপস্থিত থাকিবলৈ মই ইচ্ছুক হৈ পৰিছিলো। যেতিয়া সম্পাদিকা অগ্ৰজসকলক সভা এখন বা কলেজৰ লগত জড়িত যিকোনো কাৰ্য সম্পাদন কৰা দেখোঁ, তেতিয়া নিজকে তেওঁলোকৰ কলেজৰ প্ৰতি থকা দায়বদ্ধতা, শ্ৰদ্ধা, প্ৰচেষ্টাক লৈ অনুপ্ৰেৰণা লাভ কৰিছিলোঁ। কিন্তু সাধাৰণ নিবাৰ্চনত সম্পাদিকা হোৱাৰ মোৰ উদ্দেশ্য নাছিল। আকস্মিকভাৱে ২০১৬-১৭ বৰ্ষৰ সাধাৰণ নিবাচৰ্নত মোৰ শুভাকাংক্ষী তথা অগ্ৰজসকল দ্বীপশিখা বা, প্ৰেৰণা বা, পুণ্যলতা বা, কংকনা বা আদিকে ধৰি মোৰ বিভাগীয় বান্ধৱী, অনুজ সকলৰ প্ৰস্তাৱত আৰু বিভাগীয় অধ্যাপক অধ্যাপিকাৰ পৰামৰ্শ লৈ সহকাৰী সাধাৰণ সম্পাদিকাৰ পদটিত প্ৰতিদ্বন্দ্বিতা আগবঢ়াই জয়ী হৈ 'শিৱসাগৰ ছোৱালী কলেজ'ৰ হকে আৰু অধিক কাম কৰিবলৈ সুযোগ পালো।

ছেপ্তেম্বৰ ১৪ তাৰিখে ২০১৬-২০১৭ বৰ্ষৰ নৱ নিৰ্বাচিত ছাত্ৰী একতা সভাৰ আনুষ্ঠানিকভাৱে শপত গ্ৰহণ হয়। শপত গ্ৰহণ কৰাৰ পাছতেই আমাৰ সম্পাদিকা সদস্যাসকলৰ প্ৰথম কাম আহি পৰিছিল শ্ৰদ্ধাৰ প্ৰাক্তন অধ্যক্ষ ড° হেমন্ত কুমাৰ ফুকন ছাৰৰ বিদায় সম্বৰ্ধনা সভাখন পৰিচালন কৰাৰ। ভয় এটা সোমাইছিল সকলোৰে কিয়নো সম্পাদিকাসকলৰ বাবে নতুন প্ৰথম এইয়া অভিজ্ঞতা আছিল। সাধাৰণ সম্পাদিকাৰ সাৰুৱা ভাষণ আৰু প্ৰত্যেকগৰাকী সম্পাদিকাৰ প্ৰচেষ্টাত সভাখনি সফল কৰি তোলাত আনন্দিত হৈছিলো আৰু আমাৰ প্ৰথম প্ৰচেষ্টাক শিক্ষাগুৰু সকলেও প্ৰশংসা কৰাৰ বাবে আমি বহুতখিনি সাহসো পাইছিলো। তাৰপিছতে আমাৰ কাৰ্যকালৰ গুৰুত্বপূৰ্ণ কাৰ্যসূচী "কলেজ সপ্তাহ" ইং ০৪-০১-২০১৭ ৰ পৰা ১২-০১-২০১৭ তাৰিখলৈ হৈছিল। স্মৰণীয় ঘটনা যে কলেজৰ সাংস্কৃতিক সন্ধিয়াৰ "নীল আকাশৰ গীতৰ শৰাই"ৰ দিনা নিকুমণি (আলোচনী বিভাগৰ সম্পাদিকা) আৰু মই খুউব কান্দিছিলো, ইজনীয়ে সিজনীক চায়। আচলতে সেইদিনা অনুষ্ঠানটোৰ বাবে প্ৰশাসনৰ ওচৰৰ পৰা অনুজ্ঞাপত্ৰ ল'ব লাগে, আমি কথাটো গমেই পোৱা নাছিলো। ইফালে ৫.০০ বজাত নীল আকাশ আহিবই কি কৰো নকৰোঁকে অধ্যাপক শিৱ প্ৰসাদ মিলি ছাৰৰ ওচৰলৈ গ'লো, তেওঁৰ পৰামৰ্শ মতে আমি লৰালৰিকৈ পুলিচ থানাৰ মুখ্য কাৰ্য্যালয়ত আবেদন পত্ৰ খন দিবলৈ গ'লো। আমি ভাবিছিলো যদি আমাক Permission নিদিয়ে, তেন্তে আজি আমি বহুত লাজ পাম। কিন্তু ঈশ্বৰৰ কৃপাত সেই লাজৰ পৰা ৰক্ষা পৰিলোঁ। কলেজ সপ্তাহৰ কাৰ্যসূচীবোৰ সুকলমে পাৰ হৈ যোৱাৰ পাছতে আমাৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ অনুষ্ঠান আছিল টীয়কৰ চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ। তালৈ যাবলৈ ও আমাৰ প্ৰয়োজনীয় তথ্য পাতিবোৰ লৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ অহা যোৱা কৰি সুজাতা বা (সভাপতি) আৰু মই বহুখিনি কষ্ট কৰিছিলোঁ। মুঠতে ২৪ জনী ছাত্ৰীয়ে প্ৰতিযোগিতা আগবঢ়াইছিল। প্ৰতিযোগিতাবোৰত বিশেষকৈ আমাৰ কলেজৰ হুঁচৰি দলটি আৰু মুকাভিনয় দলটিয়ে সকলোৰে মনত সাঁচ বহুৱাবলৈ সক্ষম হৈছিল।

Scanned with OKEN Scanner

তাৰোপৰি আমাৰ শোভাযাত্ৰাটোৱে এক আকৰ্ষণীয় মূহুৰ্ত আনিছিল। টীয়ক মহাবিদ্যালয়ত থকা সেই হাঁহি - ফূৰ্তিবোৰে অংশগ্ৰহণ কৰা সেই মুহূৰ্ত বোৰে আমাক সদায়ে আৱেগিক কৰি তুলিব।

তাৰ পাছতে মহাবিদ্যালয়ৰ ডাঙৰ উৎসৱ সৰস্বতী পূজাত চয়নিকা, প্ৰিয়ংকাই বহুখিনি কাৰ্যত আমাক সহায় কৰি দিলে। পুৱাৰ পূজা অৰ্চনাত থাকি আৰতি কৰি সচাঁকৈয়ে পৱিত্ৰতা তথা আই সৰস্বতীৰ আৰ্শীবাদ লৈ পাছত অতিথি আপ্যায়ন আৰু দিনটোৰ ব্যস্ততাৰ শেষত কলেজৰ হকে কাম কৰাৰ এক অন্য অভিজ্ঞতা লাভ কৰিলোঁ।

মহাবিদ্যালয়ৰ হৈ বিভিন্ন বাহ্যিক প্ৰতিযোগিতাবোৰত ছাত্ৰী হিচাপে অংশগ্ৰহণ কৰি প্ৰাইজ আনিবলৈ পাই সুখী হৈ পৰিছিলো আৰু সচাঁকৈয়ে ভাল লাগে "শিৱসাগৰ ছোৱালী কলেজ" হৈ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি। তাৰোপৰি কলেজৰ প্ৰতিষ্ঠা দিৱসত নাম প্ৰসংগ অনুষ্ঠানত থাকি পৰিস্মিতা আৰু মই আবেগিক হৈ পৰিছিলো আৰু আমাক আৰু অধিক কলেজৰ উন্নতিৰ হকে কাম কৰাৰ ইচ্ছা জন্মিছিল। ঠিক তেনেদৰে বিভিন্ন কাৰ্যসূচী ও আমি হাতত লৈছিলোঁ। ৫ জুনত আমি কলেজৰ হৈ শিৱসাগৰৰ সমীপৰ গাঁও অঞ্চললৈ গৈ বৃক্ষৰোপণ কাৰ্য, ৰাইজক পৰিৱেশ সজাগতা আৰু সামাজিক কিছুমান সমস্যা দূৰীকৰণৰ প্ৰচেষ্টা সঁচাই প্ৰশংসনীয়।

আমাৰ মহাবিদ্যালয়ৰ জ্যেষ্ঠা শিক্ষাগুৰু অধ্যাপিকা মুকুতা বাইদেউৰ বিদায় সম্বৰ্ধনা অনুষ্ঠান, বিভিন্ন প্ৰতিযোগিতাবোৰ, অগ্ৰজসকলৰ বিদায় অনুষ্ঠান আদিবোৰ সুচাৰুৰূপে অনুষ্ঠিত হোৱাত তথা পৰিচালনা হোৱাত সাধ্যানুসৰি সহায় সহযোগিতা আগবঢ়াইছেলোঁ।

আমাৰ কাৰ্যকালৰ শেষৰ অনুষ্ঠানটো আছিল নবাগতা আদৰণি অনুষ্ঠান। উক্ত অনুষ্ঠানটোৰ লগত সংগতি ৰাখি, কলেজৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰী সকলক সম্বৰ্ধনা, বুলেটিন উন্মোচনৰ লগতে সাংস্কৃতিক অনুষ্ঠানেৰে আদৰণি সভাখনি অন্ত পৰিছিল।

**কৃতজ্ঞতা জ্ঞাপন ঃ-**

মোৰ এবছৰীয়া কাৰ্যকালত প্ৰথমে অধ্যক্ষা মহোদয়া ড° লীলা মহন্ত বৰচেতিয়া বাইদেউ, মহাবিদ্যালয়ৰ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দক তেওঁলোকৰ পৰামৰ্শ আৰু আৰ্শীবাদৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ বিভাগীয় শিক্ষাগুৰুসকলৰ পৰামৰ্শ আৰু আৰ্শীবাদ সদায় শিৰণত কৰি এনেকৈয়ে আগবাঢ়িব বিচাৰোঁ। মোৰ অগ্ৰজ, অনুজ সতীৰ্থ সকলৰ সহযোগিতা তথা মৰমৰ কেতিয়া ও পাহৰিব নোৱাৰো। তেওঁলোকলৈ ও মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। বিশেষকৈ ছাত্ৰী একতা সভা ২০১৬-১৭ বৰ্ষৰ সকলো সম্পাদিকালৈ মোৰ মৰম আৰু আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ভৱিষ্যতে এই শিৱসাগৰ ছোৱালী কলেজৰ সৌঁৰৱণিত এক অধ্যায় হিচাপে নিজকে সন্নিৱিষ্ট কৰিবলৈ পাই গৌৰৱিত অনুভৱ কৰিম। এই অধ্যায়ত সন্নিৱিষ্ট কৰোঁতে যদি অজানিতে ভুল কৰিছিলো, সেই সকলোখিনি ক্ষমা কৰি আৰ্শীবাদৰ প্ৰাৰ্থী হ'ব বিচাৰোঁ।

সদৌ শেষত শিৱসাগৰ ছোৱালী কলেজৰ সৰ্বাংগীন উন্নতি আৰু উজ্জ্বল ভবিষ্যতৰ কামনাৰে মোৰ এবছৰীয়া কাৰ্যকালৰ প্ৰতিবেদন সামৰিছোঁ।

ধন্যবাদেৰে

**অভিপ্সা বৰগোহাঁই**

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"

"জয়তু ছাত্ৰী একতা সভা"

# সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন

জয়জয়তে স্বদেশ স্বজাতিৰ হকে যি সকল ব্যক্তিয়ে নিজৰ জীৱনৰ আহুতি দিলে তথা মহাবিদ্যালয়ৰ উন্নতিৰ হকে নিঃস্বাৰ্থ ত্যাগ আগবঢ়াই মৃত্যুক আকোঁৱালি ললে সেই মহানুভৱ ব্যক্তিসকলক সশ্ৰদ্ধ প্ৰণাম আগবঢ়াইছোঁ আৰু শ্ৰদ্ধাৰে সোঁৱৰিছোঁ। তেওঁলোকৰ বিদ্ৰোহী আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ।

শিৱসাগৰ ছোৱালী কলেজৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ক প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকললৈ সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ। লগতে বিশেষ ভাবে মোৰ সাংস্কৃতিক বিভাগৰ তত্বাৱধানত থকা মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু ড° ৰণ্টু গোঁহাই ছাৰ আৰু উৎপলা গোঁহাই চমুৱা বাইদেউক ধন্যবাদ জ্ঞাপন কৰিছো। ২০১৬-১৭ বৰ্ষৰ শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ সাংস্কৃতিক সম্পাদিকা হিচাপে নিৰ্বাচিত হৈ কলেজ খনলৈ সেৱা আগবঢ়াবলৈ সুযোগ দিয়া মোৰ সমূহ শুভাকাংশীলৈ ধন্যবাদ জনাইছোঁ। বিগত বৰ্ষটিত ছাত্ৰী একতা সভাত সাংস্কৃতিক বিভাগৰ সম্পাদিকা হিচাপে অন্যান্য সম্পাদিকা সকলক সহায় সহযোগ আগবঢ়াইছিলো লগতে যিমানখিনি মোৰ কৰ্তব্য তাক সুচাৰু ৰূপত পালন কৰিবলৈ চেষ্টা কৰিছিলোঁ।

২০১৬-১৭ বৰ্ষতোত 'শিৱসাগৰ ছোৱালী কলেজ'ৰ ছাত্ৰী একতা সভাই বহুতো অনুষ্ঠান উদ্‌যাপন কৰিছিলোঁ আৰু শিক্ষাগুৰু সকলেও আমাক এই কাৰ্যত যথেষ্ট সহায় সহযোগিতা আৰু পৰামৰ্শ আগবঢ়াইছিল। আৰু ইয়াৰ পৰাই আমি অনুপ্ৰাণিত হৈছিলো কোনো এটা অনুষ্ঠান পাতিবলৈ আগবাঢ়ি যাবলৈ। সেই বাবে মই আৰু মোৰ বিভাগৰ সম্পাদিকা লাকিমণি বড়াই আগৰ পৰা প্ৰস্তুতি চলাইছিলোঁ। বিশেষকৈ আমাৰ কলেজৰ আকৰ্ষণীয় অনুষ্ঠান কলেজ সপ্তাহেই আমাৰ কাৰ্যকালৰ অতি গধুৰ দায়িত্ব ভাৰ বহন কৰা কাৰ্যসূচী আছিল। কলেজ সপ্তাহত সাংস্কৃতিক বিভাগত বহুতো প্ৰতিযোগিতা অনুস্থিত কৰিছিলো। তাৰ ভিতৰত আকৰ্ষণীয় প্ৰতিযোগিতা সমূহ - নৃত্য প্ৰতিযোগিতা, একক অভিনয়, ভেশচন, শোভাযাত্ৰা ইত্যাদি। শিৱসাগৰ ছোৱালী কলেজৰ প্ৰত্যেক গৰাকী ছাত্ৰীয়ে অতি আগ্ৰহেৰে বাটচাই থাকে। সৌন্দৰ্যৰ অনুষ্ঠান Miss SGC DIVA লৈ এই অনুষ্ঠানৰ প্ৰশিক্ষক হিচাবে আমি যোৰহাট জিলাৰ এগৰাকী অভিজ্ঞ ব্যক্তি প্ৰাণজিৎ চেতিয়া চাৰক আমন্ত্ৰণ কৰিছিলোঁ। তেঁও এই অনুষ্ঠানটিৰ আৰম্ভণিৰ পৰা শেষলৈকে আমাৰ লগত থাকি সকলো সময়ত সহায় কৰি গৈছিল। এই অনুষ্ঠানখনি পাতোতে মোৰ বিভাগত অনেক খিনি ভুল-ক্ৰুটি হৈ যাব পাৰে তাৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা বিচাৰিছোঁ আৰু আগন্তক দিনত 'শিৱসাগৰ ছোৱালী কলেজ' জ্যোতিষ্মান হৈ উঠক তাৰে কামনা কৰিলো আৰু এই আলোকেই পোহৰাই তোলক নকৈ ফুলি উঠা সমাজ। লগতে আগন্তুক মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাই যাতে মহাবিদ্যালয়খন আগুৱাই নিয়ে তাকে আশা ৰাখিলো। শিৱসাগৰ ছোৱালী কলেজৰ সাংস্কৃতিক বিভাগৰ সম্পাদিকা হিচাপে আন এটি আকৰ্ষণীয় অনুষ্ঠান সৰস্বতী পূজা অনুস্থিত কৰাতো মোৰ বিভাগৰ এটি গুৰুত্বপূৰ্ণ কাৰ্য্য আছিল। এই ক্ষেত্ৰত ছাত্ৰী একতা সভাৰ প্ৰতি গৰাকী ছাত্ৰীৰ লগতে বিশেষ ভাবে ছাত্ৰী জিৰণি কোঠা সম্পাদিকা চয়নিকা বুঢ়াগোঁহাই আৰু সমাজ সেৱা বিভাগৰ সম্পাদিকা প্ৰিয়ংকা বৰুৱা লগতে কলেজৰ চতুৰ্থ বিভাগৰ কৰ্মচাৰী সকলক মোৰ ফালৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছো। তেওঁলোকে মোক সকলো সময়তে সহায়ৰ হাত আগবঢ়াই আহিছে তাৰ বাবে মই চিৰ কৃতজ্ঞ।

সদৌ শেষত জ্ঞানৰ মন্দিৰ শিৱসাগৰ ছোৱালী কলেজ আলোকিত হওঁক। এক নৱজ্যোতিৰে সিঁচি দিয়ক ৰ'দৰ আগচোতালত সপোনৰ বীজ, জ্ঞানৰ বীজ। তাৰে কামনা কৰি অজানিতে হৈ যোৱা ভুল ক্ৰুটিৰ মাৰ্জনা বিচাৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিছোঁ।

জয়তু শিৱসাগৰ ছোৱালী কলেজ

Scanned with OKEN Scanner

একক অভিনয়
১) প্ৰথম স্থান - জেচমিন বৰুৱা
২) দ্বিতীয় স্থান - শিল্পী বৰুৱা
৩) বিচাৰকৰ বটাঁ - প্ৰিয়ংকা বৰগোঁহাই

ভেশচন
১) প্ৰথম স্থান - ৰাখি দেৱী
২) দ্বিতীয় স্থান - বিবি ভাৰতি

নাটক
১) প্ৰথম শ্ৰেষ্ঠ দল - যতে বাঘৰ ভয় তাতে ৰাতি হয়।
২) শ্ৰেষ্ঠ অভিনেতা (পুৰুষ চৰিত্ৰ) - বনাশ্ৰী গগৈ (মন্ত্ৰী)
৩) শ্ৰেষ্ঠ অভিনেতা (নাৰী চৰিত্ৰ) - জেচমিন বৰুৱা (ৰাণী)
৪) শ্ৰেষ্ঠ অভিনেতা ২ য় (নাৰী চৰিত্ৰ) - পুষ্পাঞ্জলী গগৈ (ভিক্ষাৰী)
৫) বিচাৰকৰ বটাঁ - গিতাশ্ৰী উজা (ভক্ষাৰী)
৬) শ্ৰেষ্ঠ পাণ্ডুলিপি - যতে বাঘৰ ভয় তাতে ৰাতি হয়।
৭) শ্ৰেষ্ঠ পৰিচালক - নিকুমণি দিহিঙ্গীয়া (যতে বাঘৰ ভয় তাতে ৰাতি হয়)

বাতৰি পৰিৱেশন
১) প্ৰথম স্থান - বিদিশা গগৈ
২) দ্বিতীয় স্থান - পাৰিজাত কোঁৱৰ

সত্ৰীয়া নৃত্য
১) সংগীতা বৰুৱা
২) ৰাজশ্ৰী নাথ

**Results of Creative Dance**
১) প্ৰথম স্থান - এলভিন আলি
২) দ্বিতীয় স্থান - ৰাজশ্ৰী নাথ
৩) তৃতীয় স্থান - সংগীতা বৰুৱা

**Consolation**
১) প্ৰথম স্থান - Sheeha Agarwal
২) দ্বিতীয় স্থান - Ankita Saikia

**Result of Folk Dance**
১) প্ৰথম স্থান - ৰাজশ্ৰী নাথ
২) দ্বিতীয় স্থান - প্ৰিতিৰেখা গগৈ
৩) তৃতীয় স্থান - লিপিচমিতা গগৈ

এছ.জি.চি. দিভা
১) প্ৰথম স্থান - অংগশ্ৰী নেওঁগ
২) দ্বিতীয় স্থান - প্ৰিয়াংকা বৰুৱা
৩) তৃতীয় স্থান - বাবলী ফুকন

সাংস্কৃতিক শোভাযাত্ৰা
১) প্ৰথম স্থান - ভূগোল বিভাগ
২) দ্বিতীয় স্থান - বুৰঞ্জী বিভাগ
৩) তৃতীয় স্থান - ৰাজনীতি বিজ্ঞান বিভাগ

**কাশ্মিৰী বৰুৱা**
(সাংস্কৃতিক বিভাগৰ সম্পাদিকা)

Scanned with OKEN Scanner

# সহকাৰী সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন

জয়জয়তে প্ৰতিবেদনখনৰ আৰম্ভণিতে শ্ৰদ্ধা জনাইছোঁ সেইসকল ব্যক্তিক, যিসকল মহান ব্যক্তিৰ আপ্ৰাণ চেষ্টাত সমাজৰ কল্যাণৰ বাবে ঐতিহ্যমণ্ডিত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়খনি গঢ়ি উঠিলে তেওঁলোকৰ মহান চিন্তাত আজি মহাবিদ্যালয়খনে বছৰ ধৰি বছৰ অতিক্ৰম কৰিবলৈ সক্ষম হৈছে।

ঐতিহ্যমণ্ডিত ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি শিক্ষাগুৰু বৃন্দ, কৰ্মচাৰী বৃন্দ, অগ্ৰজ অনুজ তথা সতীৰ্থ বৃন্দলৈ মোৰ শ্ৰদ্ধা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। যিসকল ছাত্ৰীয়ে মোক ২০১৬-১৭ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাংস্কৃতিক বিভাগৰ সহকাৰী সম্পাদিকা হিচাপে নিৰ্বাচিত কৰিছিল, তেওঁলোকলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

২০১৬-১৭ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতেই মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল বান্ধৱীসকল আৰু মোৰ বা - ভন্টী সকলৰ পৰা বহুতো গুৰুত্বপূৰ্ণ পৰামৰ্শ লাভ কৰিছিলোঁ। আৰু মোৰ এবছৰীয়া কাৰ্যকালত সাংস্কৃতিক বিভাগৰ সম্পাদিকা হিচাপে যি দায়িত্ব পালন কৰিলো সেইয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। ২০১৬-১৭ বৰ্ষৰ নিৰ্বাচন খনত জয়যুক্ত হোৱাৰ পাছত আমাৰ ছাত্ৰী একতা সভাই পাতিবলৈ পাইছিলো মহাবিদ্যালয়খনৰ প্ৰথমখন সভা, মহাবিদ্যালয়ৰ অধ্যক্ষ হেমন্ত ফুকন ছাৰৰ বিদায় সম্বৰ্ধনা অনুষ্ঠানৰ সভাখন সুকলমে হৈ গৈছিল। তাৰ পাছৰ পদক্ষেপ আছিল আমাৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ এই ক্ৰীড়া সপ্তাহত সাংস্কৃতিক বিভাগৰ বহুতো প্ৰতিযোগিতা অনুষ্ঠিত হয়। যেনে বিয়ানাম, দিহানাম, আধুনিক নৃত্য, বিহুনৃত্য, নাটক, মুকাভিনয়, একক অভিনয়, প্ৰতিযোগিতা আদি। এই প্ৰতিযোগিতাসমূহত বহুতো আগৰণুৱা ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল আৰু জয় লাভো কৰিছিল। ক্ৰীড়া সপ্তাহৰ শেষৰ দিনটোৰ সাংস্কৃতিক সন্ধিয়াৰ মুখ্য আকৰ্ষণ হিচাপে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী 'নীলআকাশ' ডাঙৰীয়াক আমি নিমন্ত্ৰণ কৰিছিলোঁ। আৰু ইয়াৰ লগত মহাবিদ্যালয়খনিত Miss S.G.C Diva - 2017 প্ৰতিযোগিতা খন অনুষ্ঠিত কৰা হৈছিল। Miss S.G.C Diva - 2017 প্ৰতিযোগিতাত বিশেষভাৱে সহায় কৰা প্ৰাণজিত চেতিয়া ছাৰৰ (প্ৰশিক্ষক) লগতে সকলোকে ধন্যবাদ জ্ঞাপন কৰিছোঁ। এই বাৰ্ষিক সপ্তাহৰ সাংস্কৃতিক বিভাগৰ সকলো কাৰ্যসূচী পৰিচালনা কৰাত আমাক সহপাঠী আৰু শিক্ষাগুৰু সকলে অশেষ সহায় আগবঢ়াইছিল। সকলোলৈ আমাৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছোঁ। ইয়াৰ পিছৰ পদক্ষেপ আছিল 'সৰস্বতী পূজা'। সৰস্বতী পূজাত মোৰ ওপৰৰ সাংস্কৃতিক সম্পাদিকা কাশ্মিৰী বা Inter College Youth Festival ত আংশগ্ৰহণ কৰিবলৈ যোৱাৰ বাবে সমূহ দায়িত্ব মোক দি থৈ গৈছিল। সেইখিনি কাম কৰোঁতে যিসকল শিক্ষাগুৰু তথা সহপাঠী আৰু চয়নিকা বায়ে যি সহায় সহযোগ আগবঢ়ালে মই চিৰকৃতজ্ঞ হৈ ৰ'ম তেওঁলোকৰ ওচৰত।

ইয়াৰ পিছত আমাৰ কাৰ্যকালৰ শেষ অনুষ্ঠান মহাবিদ্যালয়ৰ নবাগত আদৰণি সভা অনুষ্ঠিত কৰিছিলোঁ। নতুন নতুন ছাত্ৰীসকলক আদৰি এক বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচী হাতত লৈ খুবেই আনন্দ পাইছিলোঁ আৰু কেইবাগৰাকীও

অতিথিক নিমন্ত্ৰণ কৰিছিলোঁ।

মোৰ এই কাৰ্যকালত মোক উৎসাহিত কৰা, অনুপ্ৰেৰণা যোগোৱা ছাত্ৰী একতা সভাৰ সভাপতি সুজাতা বা, উপসভাপতি প্ৰিয়াংক্ষী বা, সাধাৰণ সম্পাদিকা পৰিষ্মিতা বা আৰু সাংস্কৃতিক সম্পাদিকা কাশ্মিৰী বাৰ লগতে অন্যান্য বিভাগৰ সকলো সম্পাদিকাক মোৰ শুভকামনা জনাইছোঁ।

এগৰাকী সহকাৰী সাংস্কৃতিক সম্পাদিকা হিচাপে এবছৰ কাল ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনিত কাৰ্যনিৰ্বাহ কৰিবলৈ পাই মই অত্যন্ত সুখী হৈছিলোঁ। বহুতো কাম কৰিছিলোঁ আৰু যিখিনি নোৱাৰিলো তাৰ বাবে সকলোৰে আগত ক্ষমা বিচাৰিছোঁ। সৰ্দৌশেষত, মই ঐতিহ্যমণ্ডিত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সাংস্কৃতিক বিভাগৰ সহকাৰী সম্পাদিকা হিচাপে যি দায়িত্ব পালন কৰিলোঁ সেয়া আপোনালোকে বিচাৰ কৰিব। কেতিয়াবা কিজানি অজানিতে কাৰোবাক বহুত বেয়াকৈ কৈছিলো আৰু অনিচ্ছাকৃতভাৱে হোৱা ভুল-ত্ৰুটিৰ বাবে কলেজৰ অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ, বা - ভন্টি, বান্ধৱী আৰু ছাত্ৰী একতা সভাৰ সমূহ সম্পাদিকাৰ ওচৰত ক্ষমা বিছাৰিছোঁ। শিৱসাগৰ ছোৱালী কলেজৰ ভৱিষ্যত উজ্জ্বল আৰু দীৰ্ঘায়ু কামনা কৰি মোৰ সহকাৰী সাংস্কৃতিক সম্পাদিকাৰ এই ক্ষুদ্ৰ প্ৰতিবেদনখনি সামৰণি মাৰিলোঁ।

**লাকিমণি বড়া**
সহকাৰী সাংস্কৃতিক সম্পাদিকা

Scanned with OKEN Scanner

# ছাত্ৰী জিৰণি চ'ৰা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ ২০১৬-১৭ বৰ্ষৰ সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল চিৰ নমস্য ব্যক্তিক শ্ৰদ্ধাৰে সোঁৱৰিছোঁ, যাৰ আপ্ৰাণ প্ৰচেষ্টা আৰু ত্যাগৰ ফলত নাৰী শিক্ষাৰ অগ্ৰণী স্থান হিচাপে আমাৰ মহাবিদ্যালয়খনে প্ৰাণ পাই বৰ্তমানৰ পৰ্যায় পাইছেহি।

'শিৱসাগৰ ছোৱালী কলেজ' নাৰী শিক্ষাৰ বাটকটীয়া স্বৰূপ। মহাবিদ্যালয়খনিক প্ৰাণোচ্ছল কৰি ৰখাত অৱদান আগবঢ়োৱা মাননীয় অধ্যক্ষা মহোদয়া প্ৰমুখ্যে শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, সমূহ কৰ্মচাৰীবৃন্দ, অগ্ৰজ, অনুজ আৰু মোৰ সহপাঠীসকললৈ আন্তৰিক শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ। এই জ্ঞান মন্দিৰত অংশীদাৰ হোৱাৰ সুযোগ লাভ কৰি নিজকে সৌভাগ্যৱতী বুলি ধাৰণা কৰিছোঁ।

শিৱসাগৰ ছোৱালী কলেজৰ ৫১তম সাধাৰণ নিৰ্বাচনত মোৰ প্ৰস্তাৱক তিলোত্তমা বৰগোহাঁই আৰু সমৰ্থক নিকুমণি দিহিঙ্গীয়াৰ উৎসাহতে ৯ ছেপ্তেম্বৰৰ নিৰ্বাচনত মই 'ছাত্ৰী জিৰণি চ'ৰা বিভাগ'ৰ সম্পাদিকা পদটিত এগৰাকী প্ৰতিদ্বন্দী চুমি দাসক পৰাজিত কৰি জয়লাভ কৰিছিলোঁ। নিৰ্বাচনত নিকুৰ লগত কথা পাতি 'ছাত্ৰী একতা সভা'ৰ কাৰ্যত যিকোনো পদত অধিস্থিত হৈ কাম কৰাৰ উৎসাহ আৰু হেঁপাহতে অংশগ্ৰহণ আগবঢ়ালোঁ।

ছাত্ৰী একতা সভাৰ সম্পাদিকাৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত মোৰ কাৰ্য সুচাৰুৰূপে পালন কৰি যাবলৈ চেষ্টা কৰিছিলোঁ। ছাত্ৰী জিৰণী কোঠাৰ চাফ-চিকুণ তথা পৰিপাতিত গুৰুত্ব দিছিলোঁ। এই কাৰ্যত টুনি আৰু হালিমা বায়ে যথেষ্ট সহায় আগবঢ়ালে। আমাৰ কাৰ্যকালত বিশেষ কোনো উন্নয়ন আগবঢ়াব নোৱাৰিলোঁ, মাত্ৰ ছাত্ৰী জিৰণি কোঠাত ৪খন আৰামী চকী নিৰ্মাণ কৰাবলৈ সক্ষম হ'লো।

মোৰ ছাত্ৰী জিৰণি কোঠাৰ বিশেষ নিজা কাৰ্য নথকাত মই সকলো সম্পাদিকাক তেওঁলোকৰ কাৰ্য সুচাৰুৰূপে চলাই নিয়াত সহায় আগবঢ়ালোঁ। আমি ক্ৰীড়া সপ্তাহত নিজৰ দায়িত্বৰ উপৰিও আন বিভাগ সমূহকো কাৰ্যসূচী নিয়াৰিকৈ চলাই নিয়াত সহায় আগবঢ়াইছিলোঁ। ক্ৰীড়া সপ্তাহত সকলো ক্ষেত্ৰতে মোৰ বিভাগীয় কাৰ্য নিয়াৰিকৈ চলাই নিয়াত গায়ত্ৰী মহন বাইদেউ, নিৰেদিতা বৰুৱা বাইদেউ, প্ৰণৱ ভৰালী ছাৰ, কনচেং দা, অভিজিৎ ছাৰ, সমৰজিৎ চৌধুৰী ছাৰ, বিদ্যুৎ বৰুৱা ছাৰ, চিত্ৰলেখা বাইদেউ, প্ৰাঞ্জল ৰাজখোৱা ছাৰ, ড° বিমল দত্ত ছাৰৰ ওচৰত মই চিৰ কৃতজ্ঞ। গোটেই বছৰটো বিভিন্ন পৰামৰ্শ প্ৰদান কৰি মোক উপকৃত কৰা শিৱপ্ৰসাদ মিলি ছাৰ, ড° ৰণ্টু গোহাঁই ছাৰ, ড° কিশোৰ কুমাৰ দেউৰী ছাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ইয়াৰ লগতে কৰ্মচাৰী সকল, প্ৰমুখ্যে মোক সহায় আগবঢ়োৱা সকলোৰে ওচৰত মই কৃতজ্ঞ।

আমাৰ ছাত্ৰী একতা সভাৰ অধিকাংশ বিষয়ববীয়া আন্তঃমহাবিদ্যালয় ক্ৰীড়া মহোৎসৱলৈ যোৱাত 'সৰস্বতী পূজা'ৰ দায়িত্ব প্ৰধানতঃ প্ৰিয়ংকা আৰু মোৰ ওপৰতে পৰিছিল। পূজা সুন্দৰকৈ উদ্‌যাপন কৰিবলৈ সহায় আগবঢ়োৱা অন্যান্য বিভাগৰ সহকাৰী সম্পাদিকা সকললৈ ধন্যবাদ আগবঢ়ালোঁ। সকলোৰে পূৰ্ণহতীয়া প্ৰচেষ্টা লাভ নকৰা হ'লে আমি নগন্য কেইগৰাকীৰ দ্বাৰা এয়া সম্ভৱ নাছিল।

ক্ৰীড়া সপ্তাহত ছাত্ৰী জিৰণি চ'ৰাৰ খেলসমূহত ছাত্ৰীৰ উপস্থিতি অতিকৈ নগন্য। ২০১৬-১৭বৰ্ষৰ ছাত্ৰী জিৰণি চ'ৰাৰ অন্তৰ্গত প্ৰতিযোগিতাৰ ফলাফল ঃ

১। ৰংগুলী প্ৰতিযোগিতা

দ্বৈত ঃ প্ৰথম ঃ ফাৰহানা আৰফিন বেগম
সংগীতা চেতিয়া

তছলিমা বেগম
ৰিবি কোঁচ
দ্বিতীয় ঃ অন্তৰা শৰ্মা
জয়া ৰজক
তৃষ্ণা বনিয়া
অনুসূয়া বৰুৱা
তৃতীয় ঃ ইন্দ্ৰানী কোঁৱৰ
ভিটালী গগৈ
অনন্যা গগৈ
জুৰি বৰগোহাঁই

২। মেহেন্দী প্ৰতিযোগিতা ঃ
প্ৰথম ঃ প্ৰিয়াঙ্কী মহন
দ্বিতীয় ঃ চেহনাজ হাচান চৌধুৰী
তৃতীয় ঃ মেঘা চাহা

৩। ইনষ্টলেচন প্ৰতিযোগিতা ঃ
প্ৰথম ঃ শিল্পী হাজৰিকা
দ্বিতীয় ঃ ৰাখী দেৱী

৪। বেডমিণ্টন প্ৰতিযোগিতা ঃ
দ্বৈত চেম্পিয়ন ঃ উপাসনা ডেনিয়েল
প্ৰণীতা বৰুৱা
ৰাৰ্ণাচ আপ ঃ প্ৰতিক্ষা কুমাৰী
বৈশালী দাস
একক চেম্পিয়ন ঃ প্ৰতিক্ষা কুমাৰী
ৰাণাৰ্চ আপ ঃ উপাসনা ডেনিয়েল

৫। কেৰম প্ৰতিযোগিতা ঃ
দ্বৈত চেম্পিয়ন ঃ পল্লৱী শইকীয়া
হিমাশ্ৰী ভূঞা
ৰাৰ্ণাচ আপ ঃ ৰূপশিখা শৰ্মা
হৃষিকেশৰী দিহিঙ্গীয়া
এককচেম্পিয়ন ঃ ৰূপশিখা শৰ্মা
ৰাৰ্ণাচ আপ ঃ আচিফা বেগম

৬। দবা প্ৰতিযোগিতা ঃ
চেম্পিয়ন ঃ পল্লৱী শইকীয়া
ৰাৰ্ণাচ আপ ঃ শিল্পীশিখা চাংমাই

৭। চাইনিজ চেকাৰ প্ৰতিযোগিতা ঃ
চেম্পিয়ন ঃ মেঘা চাহা
ৰাৰ্ণাচ আপ ঃ শিল্পীশিখা চাংমাই

মোৰ এই এবছৰীয়া কাৰ্যকালত লাভ কৰিলোঁ বহু অভিজ্ঞতা আৰু কৰ্মদক্ষতা। ছাৰ-বাইদেউসকলে দেখুৱাই দিয়া ভুল-শুদ্ধৰ পৰা আমি নজনা কথা আৰু বৈ যোৱা আসোঁৱাহ জানিব পাৰিলোঁ। সেয়েহে এই সময় জীৱনৰ প্ৰতি ক্ষণত স্মৰণীয় হৈ ৰ'ব। একতা সভাৰ বিষয়ববীয়া সকলৰ সৈতে পাৰ কৰা প্ৰতিটো মুহূৰ্ত স্মৃতিৰ মণিকূটত ৰৈ যাব।

কাৰ্যকালত বহু কাৰ্য কৰিবলৈ আৱেদন জনাইছিলোঁ। সেয়া আমাৰ কাৰ্যকালত সম্ভৱ হৈ নুঠিল। আশা কৰিব পাৰোঁ পিছৰ নতুন একতা সভাৰ দ্বাৰা সেয়া ফলপ্ৰসু হ'ব। শেষত বৈ যোৱা ভুল আৰু ছাত্ৰী জিৰণি কোঠাৰ একো বিশেষ উন্নয়ন সাধন কৰিব নোৱাৰাৰ বাবে ছাত্ৰীসকলৰ ওচৰত মই ক্ষমাপ্ৰাৰ্থী। মাথো আশা ৰাখিব পাৰোঁ যে অনাগত দিনত সেই সপোন বাস্তৱত ৰূপায়িত হোৱাৰ।

শেষত 'শিৱসাগৰ ছোৱালী কলেজ' চিৰ যৌৱনা হৈ থাকক আৰু জিলিকি ৰওঁক নিজস্ব গৰিমাৰে, তাৰেই কামনাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিছোঁ। মহাবিদ্যালয়খন আগবাঢ়ি যোৱাৰ আশাৰে —

'জয়তু শিৱসাগৰ ছোৱালী কলেজ'
'জয়তু ছাত্ৰী একতা সভা'
'জয় আই অসম'।

— চয়নিকা বুঢ়াগোহাঁই
ছাত্ৰী জিৰণি চ'ৰা সম্পাদিকা
২০১৬-১৭ বৰ্ষ

# আলোচনী সম্পাদিকাৰ প্ৰতিবেদন

"আমি আহি আছোঁ
জীৱন্ত সোঁতত সাঁতুৰি,
জানো, মই যাত্ৰাৰ শেষ নাই।"

জীৱনৰ অন্তহীন যাত্ৰাৰ এটি ষ্টপেজত জিৰাই 'শিৱসাগৰ ছোৱালী কলেজ'ত ভৰি দিছিলোঁহি ২০১৩ বৰ্ষত - উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ কলা শাখাৰ ছাত্ৰী হিচাপে। সেই তেতিয়াৰ পৰা এই কলেজ মোৰ আপোন। উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰাই কলেজৰ 'আলোচনী সম্পাদিকা' হোৱাটো মোৰ সপোন আছিল আৰু অৱশেষত 'শিৱসাগৰ ছোৱালী কলেজে' মোৰ সপোন বাস্তৱায়িত কৰাত সহায় কৰিলে।

২০১৬ বৰ্ষৰ ছেপ্টেম্বৰ মাহ। নিৰ্ব্বাচনীৰ বতৰ। মনত বহুত আশা আৰু বুকুত সাহস লৈ অৱশেষত অধ্যক্ষা মহোদয়াৰ ওচৰৰ পৰা নমিনেশ্যন পেপাৰ আনিছিলোঁ। সৌভাগ্যবশত ঃ আলোচনী সম্পাদিকা পদটিত মই বিনা প্ৰতিদ্বন্দিতাৰে জয়যুক্ত হৈছিলোঁ। মনত বহুত সপোনৰ তোল পাৰ, কেনেকৈ আৰম্ভ কৰিম নতুন পৰিচয়ৰে এক নতুন যাত্ৰা। 'আলোচনী সম্পাদিকা' হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰে পৰাই অতি নিষ্ঠা আৰু সততাৰে নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হৈছিলোঁ। আলোচনী সম্পাদিকা হিচাপে মোৰ প্ৰধান প্ৰত্যাহ্বানটো আছিল নিৰ্ধাৰিত সময়ত আলোচনীখন প্ৰকাশ কৰা। ১২ ছেপ্টেম্বৰ, ২০১৭ তাৰিখে শপত গ্ৰহণ অনুষ্ঠানৰ পাছৰ পৰাই মই প্ৰত্যেকটো কাম সহঃ সম্পাদিকাসকলৰ সহযোগত কৰি গৈছিলোঁ। লগতে বিভিন্ন কাৰ্যসূচী হাতত লৈছিলোঁ।

**গান্ধী জয়ন্তী উদ্‌যাপন ঃ** ২ অক্টোবৰ, ২০১৬ তাৰিখে কলেজৰ ছাত্ৰীসকলৰ মাজত এখন চিত্ৰাংকন আৰু ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। কলেজৰ বহুতো ছাত্ৰীয়ে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা কথাটোৱে মোক উৎসাহ যোগাইছিল।

**যুৱ মহোৎসৱ উদ্‌যাপন ঃ** যোৱা ৪ জানুৱাৰী, ২০১৭ তাৰিখৰ পৰা কলেজত যুৱ মহোৎসৱ আৰম্ভ হৈছিল। প্ৰত্যেক গৰাকী বিভাগীয় সম্পাদিকাই নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ লগতে আন-আন সম্পাদিকাসকলৰ লগতো সহযোগ কৰিছিল। যুৱ মহোৎসৱত মই বিভিন্ন প্ৰতিযোগিতা সমূহ- ঠাইতে লিখা ৰচনা, কবিতা, গল্প, চিঠি, লিমাৰিক, অসমীয়া আৰু ইংৰাজী লেক্সিকন, চিত্ৰাংকন আৰু জমা দিয়া ৰচনা, গল্প, কবিতা (অসমীয়া আৰু ইংৰাজী), লিমাৰিক, অসমীয়া আৰু ইংৰাজী কবিতা আবৃত্তিৰ লগতে চিত্ৰকলা আৰু ফটোগ্ৰাফীৰ প্ৰদৰ্শনী অনুষ্ঠিত কৰিছিলোঁ। ইয়াৰোপৰি প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ।

**আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ ঃ** টীয়কৰ 'চন্দ্ৰকমল বেজবৰুৱা' মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত কলেজৰ ছাত্ৰীসকলে চিত্ৰাংকন, পোষ্টাৰ মেকিং, কলাজ, ইনষ্টলেচন, ক্লে মডেলিং, ফটোগ্ৰাফী, কবিতা-আবৃত্তি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল।

**বিশ্ব ফটোগ্ৰাফী দিৱস উদ্‌যাপন ঃ** 'বিশ্ব ফটোগ্ৰাফী দিৱস'ৰ লগত সংগতি ৰাখি যোৱা ১৯ আগষ্ট, ২০১৭ তাৰিখে এখন ফটোগ্ৰাফী প্ৰতিযোগিতা অনুষ্ঠি কৰা হৈছিল। উক্ত অনুষ্ঠানটোত ছাত্ৰীসকলৰ লগতে শিক্ষকসকলেও অংশগ্ৰহণ

কৰিছিল।

**কৃতজ্ঞতা স্বীকাৰ ঃ** আলোচনী সম্পাদিকাৰ দায়িত্ব গ্ৰহণ কৰা সময়ৰে পৰা প্ৰতিমুহূৰ্ততে মোক উৎসাহ যোগোৱা মোৰ মা'লৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

আলোচনী বিভাগৰ উপদেষ্টা - ড° ৰীতা বৰকটকী বাইদেউ আৰু ড° কৃতাঞ্জলি কোঁৱৰ বাইদেউৰ যেতিয়াই কাষ চাপিছিলোঁ, তেতিয়াই মোক বিভিন্ন দিহা-পৰামৰ্শ দি অনুপ্ৰাণিত কৰিছিল। ইয়াৰোপৰি কলেজৰ শ্ৰদ্ধাৰ অধ্যক্ষা মহোদয়া, উপাধ্যক্ষা মহোদয়া, ফণীন মাউত ছাৰ, ড° নাজৰিণ আহমেদ বাইদেউ, ৰঞ্জিত ৰঞ্জন তামুলী ছাৰ, ড° কিশোৰ কুমাৰ দেউৰী ছাৰ, শিৱপ্ৰসাদ মিলি ছাৰ, প্ৰবীণ শৰ্মা ছাৰ, ড° ৰন্টু গোহাঁই ছাৰ, বুদ্ধিন মিশ্ৰ ছাৰ, আব্দুল হামিদ ছাৰ, ৰাজশ্ৰী দত্ত বাইদেউৰ লগতে সকলো শিক্ষক-শিক্ষয়িত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বিভিন্ন সময়ত সহায়-সহযোগিতা আগবঢ়োৱা কলেজৰ কৰ্মচাৰীবৃন্দৰ লগতে সুজাতা বা, প্ৰিয়ংকা, মৃন্ময়ী, পল্লৱী, চয়নিকা, কাশ্মিৰী, অভিস্পা, পৰিস্মিতা, লাকী, বিদিশা, হাবিবা, সংযুক্তা, অংকিতা, প্ৰিয়ম, নিতিশা, ৰাখী, ৰীতি, সুস্মিতা, জীতা, লক্ষীপ্ৰিয়ালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ধন্যবাদ -

ছাত্ৰী একতা সভাৰ প্ৰতিজন সদস্য

জয়তু ছাত্ৰী একতা সভা

জয়তু শিৱসাগৰ ছোৱালী কলেজ

-**নিকুমণি দিহিঙ্গীয়া**

সম্পাদিকা,আলোচনী বিভাগ

**আন্তঃকলেজ যুৱ মহোৎসৱ ২০১৭ বৰ্ষৰ আলোচনী বিভাগে অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতাৰ ফলাফলসমূহ ঃ**

১। থলীতে লিখা গল্প ঃ

প্ৰথম ঃ বিবেচিত নহ'ল
দ্বিতীয় ঃ মল্লিকা গগৈ, প্ৰাণীবিজ্ঞান বিভাগ
তৃতীয় ঃ অন্বেষা ৰাজকুমাৰী, ইংৰাজী বিভাগ, গীতামণি বড়া, শিক্ষা বিভাগ
উদ্‌গণিমূলক বঁটা ঃ জুৰি বৰগোহাঁই, ৰাজনীতি বিজ্ঞান

২। মৌলিক কবিতা ঃ

প্ৰথম ঃ বিবেচিত নহ'ল
দ্বিতীয় ঃ ৰাণীমা বৰপাত্ৰগোহাঁই, ৰাজনীতি বিজ্ঞান বিভাগ, নিকিতা বৰা, ভূগোল বিভাগ (যুটীয়াভাৱে)
তৃতীয় ঃ শোভা চাওঁতাল, অৰ্থনীতি বিভাগ, গীতাশ্ৰী ওজা, ভূগোল বিভাগ (যুটীয়াভাৱে)

৩। থলীতে লিখা চিঠি ঃ

প্ৰথম ঃ জাহ্নৱী কোঁৱৰ, প্ৰাণী বিজ্ঞান বিভাগ
দ্বিতীয় ঃ শিল্পী শিখা গগৈ
তৃতীয় ঃ অন্বেষা ৰাজকুমাৰী, ইংৰাজী বিভাগ, শিল্পী হাতীবৰুৱা, গাৰ্হস্থ্য বিজ্ঞান বিভাগ (যুটীয়াভাৱে)

৪। থলীতে লিখা ৰচনা ঃ

প্ৰথম ঃ গীতাশ্ৰী ওজা, ভূগোল বিভাগ
দ্বিতীয় ঃ সুনীতা বৰগোহাঁই, উদ্ভিদ বিজ্ঞান বিভাগ

Scanned with OKEN Scanner

তৃতীয় ঃ মল্লিকা গগৈ, প্ৰাণীবিজ্ঞান বিভাগ

৫। ইংৰাজী লেক্সিকন ঃ
প্ৰথম ঃ বিবি ভাৰতী ভৰলুৱা, প্ৰাণী বিজ্ঞান বিভাগ
দ্বিতীয় ঃ দিক্ষিতা ফুকন, প্ৰাণী বিজ্ঞান বিভাগ
তৃতীয় ঃ মল্লিকা গগৈ, প্ৰাণী বিজ্ঞান বিভাগ

৬। অসমীয়া লেক্সিকন ঃ
প্ৰথম ঃ বিবি ভাৰতী ভৰলুৱা, প্ৰাণী বিজ্ঞান বিভাগ
দ্বিতীয় ঃ সুনীতা বৰগোহাঁই, উদ্ভিদ বিজ্ঞান বিভাগ
তৃতীয় ঃ নিকিতা বৰা, ভূগোল বিভাগ, পাৰিজাত কোঁৱৰ, ৰাজনীতি বিজ্ঞান বিভাগ (যুটীয়াভাৱে)

৭। প্ৰাচীৰ পত্ৰিকা ঃ
প্ৰথম ঃ 'সঞ্চাৰিণী দীপশিখা', ৰংপুৰ ছাত্ৰী নিবাস
দ্বিতীয় ঃ 'DIEERDKUNDE', ভূগোল বিভাগ
তৃতীয় ঃ 'স্ৰোতস্বিনী', ৰাজনীতি বিজ্ঞান বিভাগ, 'চুপহি', অসমীয়া বিভাগ

৮। অসমীয়া কবিতা আবৃত্তি ঃ
প্ৰথম ঃ দেৱশ্ৰী দীক্ষা শাণ্ডিল্য, ৰাজনীতি বিজ্ঞান বিভাগ
দ্বিতীয় ঃ জ্যোতিকা গ্লেইন
তৃতীয় ঃ তৃষ্ণা কুৰ্মী, ভূগোল বিভাগ

৯। ইংৰাজী কবিতা আবৃত্তি ঃ
প্ৰথম ঃ ভাগ্যশ্ৰী নেওগ, শিক্ষা বিভাগ
দ্বিতীয় ঃ পাৰিজাত কোঁৱৰ, ৰাজনীতি বিজ্ঞান বিভাগ

১০। জমা দিয়া ৰচনা ঃ
প্ৰথম ঃ অন্বেষা ৰাজকুমাৰী, ইংৰাজী বিভাগ
দ্বিতীয় ঃ জুৰি বৰগোহাঁই, ৰাজনীতি বিজ্ঞান বিভাগ
তৃতীয় ঃ হিমাশ্ৰী নেওগ, অসমীয়া বিভাগ

১১। জমা দিয়া গল্প ঃ
প্ৰথম ঃ মল্লিকা গগৈ, প্ৰাণী বিজ্ঞান বিভাগ
দ্বিতীয় ঃ পাৰিজাত কোঁৱৰ, ৰাজনীতি বিজ্ঞান বিভাগ
তৃতীয় ঃ গীতাশ্ৰী ওজা, ভূগোল বিভাগ

১২। জমা দিয়া কবিতা ঃ
প্ৰথম ঃ গীতাশ্ৰী ওজা, ভূগোল বিভাগ
দ্বিতীয় ঃ নিকিতা বৰা, ভূগোল বিভাগ
তৃতীয় ঃ জুৰি বৰগোহাঁই, ৰাজনীতি বিজ্ঞান বিভাগ

১৩। জমা দিয়া লিমাৰিক ঃ
উদ্‌গনিমূলক বঁটা ঃ গীতাশ্ৰী ওজা, ভূগোল বিভাগ

১৪। জমা দিয়া ইংৰাজী কবিতা ঃ
উদ্‌গনিমূলক বঁটা ঃ প্ৰিয়া গুপ্তা, ভূগোল বিভাগ

১৫। ফটোগ্ৰাফী ঃ
প্ৰথম ঃ সংঘমিত্ৰা কোঁৱৰ, ৰাজনীতি বিজ্ঞান বিভাগ
দ্বিতীয় ঃ প্ৰতীক্ষা ফুকন, ভূগোল বিভাগ
তৃতীয় ঃ জয়শ্ৰী হাজৰিকা, ভূগোল বিভাগ

১৬। চিত্ৰাংকন প্ৰতিযোগিতা ঃ
প্ৰথম ঃ জেছমিন বৰুৱা, শিক্ষা বিভাগ
দ্বিতীয় ঃ ভাগ্যশ্ৰী নেওগ, শিক্ষা বিভাগ
তৃতীয় ঃ সংগীতা বৰুৱা, ৰসায়ন বিজ্ঞান বিভাগ

শ্ৰেষ্ঠ সাহিত্যিক ঃ গীতাশ্ৰী ওজা, ভূগোল বিভাগ

Scanned with OKEN Scanner

# সংগীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

"আমি কোমল পুৱাৰ ৰ'দালি
আমি এজাক সপোন সোণালী
পোহৰৰ দিশে উৰা মাৰি যোৱা
যেন এজাক পখীৰ কাকলি....."

শিৱসাগৰ ছোৱালী কলেজৰ ২০১৬-১৭ বৰ্ষৰ সংগীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন লিখাৰ প্ৰাকমুহূৰ্তত যি সকল মহান ব্যক্তিৰ আপ্ৰাণ প্ৰচেষ্টাত স্ত্ৰী শিক্ষাৰ বাটকটীয়া স্বৰূপ 'শিৱসাগৰ ছোৱালী কলেজে' প্ৰাণ পাই উঠিছিল সেইসকল মহান ব্যক্তিলৈ সশ্ৰদ্ধ প্ৰণাম নিবেদিছোঁ।

২০১৬-২০১৭ বৰ্ষত শিৱসাগৰ ছোৱালী কলেজৰ ৫১ তম্ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনীত সংগীত বিভাগৰ সম্পাদিকা পদটিত প্ৰাৰ্থিত্ব আগবঢ়াইছিলোঁ। কিন্তু মোৰ কোনো প্ৰতিদ্বন্দী নথকাত প্ৰতিদ্বন্দ্বিতা অবিহনেই মই জয়লাভ কৰিছিলো।

মই মোৰ কাৰ্যকালত সংগীত বিভাগৰ সম্পাদিকা হিচাপে ছাত্ৰী সকলক যিমান সুযোগ সুবিধাৰ প্ৰয়োজন হৈছিল সিমানখিনি দিবলৈ চেষ্টা কৰিছিলোঁ। কলেজৰ উপৰিও বাহিৰৰ যিকোনো গীতৰ অনুষ্ঠানত প্ৰতিযোগিতাত আমাৰ কলেজৰ ছাত্ৰীক অংশগ্ৰহণ কৰিবলৈ দিয়া হৈছিল।

চাওঁতে চাওঁতে কলেজৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উৎসৱ "বাৰ্ষিক যুৱ মহোৎসৱ"ৰ কাৰ্যসূচী হাতত লোৱা হৈছিল। মোৰ কাৰ্যকালত অনুষ্ঠিত কৰা সংগীত প্ৰতিযোগিতা সমূহ এনেধৰণৰ– বৰগীত, লোকগীত, গজল, খেয়াল, পাৰ্বতী সংগীত, ৰাভা সংগীত, জ্যোতি সংগীত, ভূপেন্দ্ৰ সংগীত, আধুনিক গীত, জয়ন্ত সংগীত ইত্যাদি। কলেজৰ "যুৱ মহোৎসৱত বাছনি প্ৰক্ৰিয়াৰে বাছি উলিওৱা সংগীত বিভাগৰ ছাত্ৰী সকলক আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত অংশগ্ৰহণ কৰিবলৈ সুযোগ দিয়া হৈছিল। তাত প্ৰত্যেকবাৰৰ দৰে এইবাৰো আমাৰ ছাত্ৰীয়ে সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল।

মোৰ কাৰ্যকালত প্ৰতিটো কামতে দিহা পৰামৰ্শ দি সকলো প্ৰকাৰে সহায় কৰা সকলোলৈকে আন্তৰিক ধন্যবাদ আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছো।

আমাৰ কাৰ্যকালত যদি ক'ৰবাত ভুল হৈ গৈছে তেন্তে প্ৰতিবেদনৰ যোগেদিয়েই ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।

অৱশেষত মহাবিদ্যালয়খনিৰ ভৱিষ্যত উন্নতি আৰু দীৰ্ঘায়ু তথা উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদনখনি সামৰণি মাৰিলোঁ।

'জয়তু শিৱসাগৰ ছোৱালী কলেজ'
জয়তু ছাত্ৰী একতা সভা'

**ৰাজলক্ষী ভূঞা**
সংগীত বিভাগৰ সম্পাদিকা

Scanned with OKEN Scanner

শিৱসাগৰ ছোৱালী কলেজৰ ২০১৬-২০১৭ বৰ্ষৰ বাৰ্ষিক কলেজ সপ্তাহৰ সংগীত বিভাগৰ ফলাফল—

১। বৰগীত ঃ
প্ৰথম - নেহা গগৈ
দ্বিতীয় - ৰাজলক্ষী ভূঞা
তৃতীয় - বাগ্মিতা বৰগোহাঁই

২। খেয়াল ঃ
প্ৰথম - বাগ্মিতা বৰগোঁহাই
দ্বিতীয় - নেহা গগৈ
তৃতীয় - বিবেচিত নহ'ল

৩। গজল ঃ
প্ৰথম - নেহা গগৈ
দ্বিতীয় - বাগ্মিতা বৰগোঁহাই
তৃতীয় - ৰশ্মিৰেখা গগৈ

৪। লোকগীত ঃ
প্ৰথম - নেহা গগৈ
দ্বিতীয় - বাগ্মিতা বৰগোঁহাই
তৃতীয় - ৰশ্মিৰেখা গগৈ

৫। পাৰ্বতী প্ৰসাদ সংগীত ঃ
প্ৰথম - নেহা গগৈ
দ্বিতীয় - বাগ্মিতা বৰগোঁহাই
তৃতীয় - ৰাজলক্ষী ভূঞা

৬। জয়ন্ত সংগীত ঃ
প্ৰথম - নেহা গগৈ
দ্বিতীয় - বাগ্মিতা বৰগোঁহাই
তৃতীয় - ৰাজলক্ষী ভূঞা

৭। ভূপেন্দ্ৰ সংগীত ঃ
প্ৰথম - নেহা গগৈ
দ্বিতীয় - বাগ্মিতা বৰগোঁহাই
তৃতীয় - ৰশ্মিৰেখা গগৈ

৮। আধুনিক গীত
প্ৰথম - নেহা গগৈ
দ্বিতীয় - বাগ্মিতা বৰগোঁহাই
তৃতীয় - ৰশ্মিৰেখা গগৈ

৯। জ্যোতি সংগীত ঃ
প্ৰথম - ৰাজলক্ষী ভূঞা
দ্বিতীয় - নেহা গগৈ
তৃতীয় - ৰশ্মিৰেখা গগৈ

৬। ৰাভা সংগীত ঃ
প্ৰথম - নেহা গগৈ
দ্বিতীয় - বাগ্মিতা বৰগোঁহাই
তৃতীয় - ৰাজলক্ষী ভূঞা

শ্ৰেষ্ঠ গায়িকা ঃ নেহা গগৈ

# ক্ৰীড়া বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

জয়জয়তে 'শিৱসাগৰ ছোৱালী কলেজ'ৰ অধ্যক্ষা মহোদয়াকে প্ৰমুখ্য কৰি মোৰ শিক্ষাগুৰুসকললৈ শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। কলেজৰ কৰ্মচাৰীবৃন্দ, মোৰ বান্ধৱী আৰু কলেজৰ সমূহ ছাত্ৰীলৈ অশেষ ধন্যবাদ আৰু শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

২০১৪ বৰ্ষত আন-আন ছাত্ৰীৰ দৰে ময়ো 'শিৱসাগৰ ছোৱালী কলেজ'ৰ উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ কলা শাখাত নামভৰ্ত্তি কৰিলোঁ। উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিকৰ পৰীক্ষাত উৰ্ত্তীণ হোৱাৰ পাছত মই এইখন মহাবিদ্যালয়ৰে স্নাতক মহলাৰ অসমীয়া বিভাগত নামভৰ্ত্তি কৰি নিজৰ অধ্যয়নৰ লগতে কলেজৰ ভিন-ভিন কামত অংশগ্ৰহণ কৰিছিলোঁ। কলেজৰ হকে কাম কৰাৰ হাবিয়াস মনত পুহি ২০১৬-২০১৭ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনীত ক্ৰীড়া বিভাগৰ সম্পাদিকা পদত নিজা প্ৰতিদন্দ্বিতা আগবঢ়াই বিনা প্ৰতিদন্দ্বিতাত জয়যুক্ত হ'লোঁ।

যিসকল পুৰুধা ব্যক্তিয়ে নিজৰ অশেষ কষ্ট, ত্যাগ, শ্ৰম আৰু সাধনাৰে 'শিৱসাগৰ ছোৱালী কলেজ' প্ৰতিষ্ঠা কৰিলে, যিসকল ব্যক্তিৰ বাবে আজি আমি এই মহাবিদ্যালয়ত পঢ়াৰ সুবিধা লাভ কৰিলোঁ, সেইসকল মহাপুৰুষক মই আজি এই ক্ষণতে শ্ৰদ্ধাৰে সুৱৰিছোঁ। ছাত্ৰী একতা সভাৰ সদস্যা হোৱাৰ পৰৱৰ্ত্তী সময়ছোৱাত মোৰ কাৰ্যভাৰ সুচাৰুৰূপে চলাই নিয়াৰ ক্ষেত্ৰত সহায় আগবঢ়োৱা অধ্যক্ষা মহোদয়া, উপাধ্যক্ষা মহোদয়া, মোৰ বিভাগীয় উপদেষ্টা তথা শিক্ষাগুৰু শ্ৰীযুত শিৱপ্ৰসাদ মিলি ছাৰ, শ্ৰীযুত জাকিৰ হুছেইন ছাৰ, বিমল দত্ত ছাৰৰ লগতে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীবৃন্দ, মোৰ বান্ধৱী, মহাবিদ্যালয়ৰ ছাত্ৰীসকল আৰু ছাত্ৰী একতা সভাৰ সমূহ সদস্যালৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ক্ৰীড়া বিভাগৰ সম্পাদিকাৰূপে জয়যুক্ত হোৱাৰ কেইদিনমান পাছতেই ছাত্ৰী একতা সভাৰ সমূহ সদস্যাৰ সহযোগত আমি প্ৰাক্তন অধ্যক্ষ ড° হেমন্ত কুমাৰ ফুকন ছাৰৰ বিদায় সম্বৰ্দ্ধনা সভা অনুষ্ঠিত কৰিছিলোঁ। পৰৱৰ্ত্তী কাৰ্য হিচাপে ডিচেম্বৰ মাহত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ হৈ এটা দলে এথলেটিকছত অংশগ্ৰহণ কৰিছিলোঁ, য'ত আমি নিজৰ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছিলোঁ। এইখিনিতে মই অধ্যাপিকা শ্ৰীযুতা জ্যোৎস্নালী চেতিয়া বাইদেউ আৰু কাৰ্যালয়ৰ কৰ্মচাৰী মনোৰঞ্জন য়েইন দাদাক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক যুৱ মহোৎসৱ আৰম্ভ হৈছিল ৪ জানুৱাৰী, ২০১৭ চন বুধবাৰৰ পৰা। প্ৰথম দিনৰ কাৰ্যসূচীৰূপে ব'ৰ্ডিং খেলপথাৰত এথলেটিকছৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ। তাৰ পৰৱৰ্ত্তী দিনটোত ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ সহযোগত কলেজৰ ইনড'ৰ ষ্টেডিয়ামত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ। মোৰ কাৰ্যকালত ছাত্ৰী একতা সভাৰ অন্যান্য সদস্যাসকলৰ কাম-কাজতো নিঃস্বাৰ্থভাৱে সহায় আগবঢ়াইছিলোঁ। ২১ জুন, ২০১৭ চন, বুধবাৰে কলেজত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ আয়োজন কৰিছিলোঁ। ১৩ আগষ্ট, দেওবাৰে জিলা প্ৰশাসনৰ উদ্যোগত দৰবাৰ খেলপথাৰত অনুষ্ঠিত হোৱা এথলেটিকচ প্ৰতিযোগিতাত এটি দলে অংশগ্ৰহণ কৰাৰ লগতে ১৪ আগষ্ট, সোমবাৰে স্বাধীনতা দিৱসৰ লগত ভিত্তি কৰি জিলা প্ৰশাসনে অনুষ্ঠিত কৰা মাৰাথন প্ৰতিযোগিতাত কলেজৰ হৈ এটি দলে অংশগ্ৰহণ কৰিছিলোঁ।

ক্ষমা বিচাৰিঃ ১৯৬৪ চনত প্ৰতিষ্ঠা হোৱা 'শিৱসাগৰ ছোৱালী কলেজ' আজি অসমৰ ভিতৰত নাৰী শিক্ষাৰ ক্ষেত্ৰত এক অন্যতম শিক্ষানুষ্ঠান। এই কলেজৰ ছাত্ৰী একতা সভাৰ সদস্যাৰূপে মোৰ এবছৰীয়া কাৰ্যকালত কাৰ্যভাৰ চলাই নিওঁতে

কলেজৰ স্বাৰ্থত যদি কাৰোবাৰ মনত আঘাত লগাকৈ কৈছোঁ, নতুবা কাৰোবাৰ মনত আঘাত লগা কাম কৰিছোঁ, তাৰবাবে আপোনালোকৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

শেষত; শিৱসাগৰ ছোৱালী কলেজৰ উন্নতি কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু শিৱসাগৰ ছোৱালী কলেজ
জয়তু ছাত্ৰী একতা সভা
২০১৬-২০১৭ বৰ্ষ

**শ্ৰীমতী পল্লৱী শইকীয়া**
ক্ৰীড়া বিভাগৰ সম্পাদিকা

২০১৬-২০১৭ বৰ্ষৰ যুৱ মহোৎসৱৰ ক্ৰীড়া প্ৰতিযোগিতাৰ ফলাফল সমূহ ঃ-

১। ১০০ মিটাৰ দৌৰ ঃ প্ৰথম - হিমাশ্ৰী ভূঞা
দ্বিতীয় - ৰুবী হাতীমূৰীয়া
তৃতীয় - পল্লৱী শইকীয়া

২। ২০০ মিটাৰ দৌৰ ঃ প্ৰথম - হিমাশ্ৰী ভূঞা
দ্বিতীয় - পল্লৱী শইকীয়া
তৃতীয় - ৰূপশিখা শৰ্মা

৩। ৪০০ মিটাৰ দৌৰ ঃ প্ৰথম - হিমাশ্ৰী ভূঞা
দ্বিতীয় - পল্লৱী শইকীয়া
তৃতীয় - ৰঞ্জিতা চাহু

৪। হাইজাম্প ঃ প্ৰথম - হিমাশ্ৰী ভূঞা
দ্বিতীয় - পল্লৱী শইকীয়া
তৃতীয় - ৰুবী হাতীমূৰীয়া

৫। লং জাম্প ঃ প্ৰথম - হিমাশ্ৰী ভূঞা
দ্বিতীয় - শিল্পী হাতীবৰুৱা
তৃতীয় - ৰুবী হাতীমূৰীয়া

৬। জেভেলিন থ্ৰ' ঃ প্ৰথম - পল্লৱী শইকীয়া
দ্বিতীয় - হিমাশ্ৰী ভূঞা
তৃতীয় - ৰুবী হাতীমূৰীয়া

৭। ডিচকাচ থ্ৰ' ঃ প্ৰথম - হিমাশ্ৰী ভূঞা
দ্বিতীয় - পল্লৱী শইকীয়া
তৃতীয় - ডিম্পী সোণোৱাল
ৰুবী হাতীমূৰীয়া

৮। শ্বট্ পুট্ ঃ প্ৰথম - হিমাশ্ৰী ভূঞা
দ্বিতীয় - পল্লৱী শইকীয়া
তৃতীয় - মৌচুমী বৰগোহাঁই

৯। ৰছী টনা প্ৰতিযোগিতা ঃ বিজয়ী - বনশ্ৰী গগৈৰ দল
ৰাণাৰ্চ আপ ঃ ৰুবী হাতীমূৰীয়াৰ দল

**বৰ্ষশ্ৰেষ্ঠ খেলুৱৈ ঃ** হিমাশ্ৰী ভূঞা

# তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

"পোহৰ বিচাৰি যাওঁ
পোহৰ বিচাৰি যাওঁ
আন্ধাৰৰ কাল যৱনিকা ভেদি
সিপাৰে কি আছে চাওঁ"।

আন্ধাৰৰ কাল ভেদি পোহৰক অতিক্ৰমি জ্ঞানৰ বাট দেখুওৱা ঐতিহ্যমণ্ডিত তথা বুৰঞ্জী প্ৰসিদ্ধ শিৱসাগৰ নগৰৰ মাজ মজিয়াত সোণৰ কলচীৰ কাষত অৱস্থিত শিৱসাগৰ ছোৱালী কলেজ। প্ৰতিবেদনৰ আৰম্ভণিতে ২০১৬-১৭ বৰ্ষৰ তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদিকা হিচাপে বছেৰেকীয়া প্ৰতিবেদন লিখাৰ প্ৰাক্‌মুহূৰ্তত যিসকল মহান ব্যক্তিৰ প্ৰচেষ্টাত এই জ্ঞানৰ মন্দিৰটিয়ে প্ৰতিষ্ঠা লাভ কৰিছিল সেইসকল মহান মনিষীলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ। মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ বাবে সকলো সময়তে দিহা-পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়া, উপাধ্যক্ষা মহোদয়াৰ লগতে শিক্ষাগুৰুসকল, কৰ্মচাৰীসকল, বান্ধৱীসকল, অনুজ ভগ্নীবৃন্দা আৰু ২০১৬-১৭ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সমূহ সম্পাদিকাকে মোৰ শ্ৰদ্ধা আৰু সাদৰ সম্ভাষণ জনাইছোঁ।

"পোহৰৰ দিশে উৰা মাৰি যোৱা যেন এজাক পক্ষীৰ কাকলি, আমি এজাক সপোন সোণালী" - উক্ত বাক্যশাৰী শিৰপাতি আন আন ছাত্ৰীৰ দৰেই ময়ো ২০১৫ চনৰ জুলাই মাহৰ ২৫ তাৰিখে পদাৰ্পণ কৰিছিলোঁ 'শিৱসাগৰ ছোৱালী কলেজৰ পবিত্ৰ বাকৰিত। ৫০ টা বৰ্ষ অতিক্ৰমি বিগত বৰ্ষবোৰৰ দৰেই শিৱসাগৰ ছোৱালী কলেজত ২০১৬-১৭ বৰ্ষৰ ছাত্ৰী একতাৰ সভাৰ ৫১ তম সাধাৰণ নিৰ্বাচন ৯-৯-২০১৬ তাৰিখে অনুষ্ঠিত হয়। এই নিৰ্বাচনত মোৰ প্ৰস্তাৱক আৰু সমৰ্থক ক্ৰমে বৰ্ণালী গগৈ আৰু হিমাশ্ৰী নেওগৰ লগতে মহাবিদ্যালয়ৰ অনুজ ভগ্নীবৃন্দাৰ লগতে অগ্ৰজ ভগ্নীবৃন্দা ময়ূৰীদেৱী আৰু অনুসূয়া বৰুৱা বাৰ উৎসাহ আৰু মৰমৰ ফলত মহাবিদ্যালয়ৰ তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদিকা পদটিত বিপুল ভোটত জয়লাভ কৰি এহালিছামান সপোন বুকুত বান্ধি তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদিকা হিচাপে শপত গ্ৰহণ কৰি কাৰ্যভাৰ হাতত লৈছিলো।

**মোৰ কাৰ্য্যাৱলীৰ চমু খতিয়ান ঃ** নৱ নিৰ্বাচিত ছাত্ৰী একতা সভাৰ শপত গ্ৰহণৰ পাছতেই প্ৰথম কাৰ্যসূচীৰূপে হাতত লৈছিলোঁ মহাবিদ্যালয়ৰ প্ৰাক্তন অধক্ষ্য মহোদয় ড° হেমন্ত কুমাৰ ফুকন ছাৰৰ বিদায় সম্বৰ্দ্ধনা অনুষ্ঠান।

১৭-০৯-২০১৬ তাৰিখে আছু ৰ জন্মদিন উপলক্ষ্যে সদৌ অসম ভিত্তিত অনুষ্ঠিত হয় সাংস্কৃতিক শোভাযাত্ৰা প্ৰতিযোগিতা আৰু আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা। উক্ত শোভাযাত্ৰা প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ এটি ৫০ জনীয়া দলে দ্বিতীয় শ্ৰেষ্ঠ সন্মান লাভ কৰাৰ লগতে সদৌ অসম ভিত্তিত আন্তঃ মহাবিদ্যালয়ৰ তৰ্ক প্ৰতিযোগিতাতো দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰে। মৃন্ময়ী দুৱৰাই। লগতে সদৌ অসম ভিত্তিত অনুষ্ঠিত সংগীত প্ৰতিযোগিতাতো তৃতীয় স্থান লাভ কৰি নেহামনি গগৈয়ে মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।

২-১০-২০১৬ তাৰিখে ২ অক্টোবৰ গান্ধী জয়ন্তীৰ লগতে সংগতি ৰাখি ৰচনা আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল আমাৰ মহাবিদ্যালয়ৰ প্ৰাংগণত।

সকলোৰে অতি হেঁপাহেৰে বাট চাই থকা মহাবিদ্যালয়ৰ বাৰ্ষিক যুৱ মহোৎসৱ ৪-০১-২০১৭ তাৰিখৰ পৰা আৰম্ভ হয়। আমাৰ মহাবিদ্যালয়ত মোৰ কাৰ্যকালত অনুষ্ঠিত কৰা তৰ্ক আৰু আলোচনাচক্ৰ বিভাগৰ প্ৰতিযোগিতাসমূহ এনেধৰণৰ — বক্তৃতা প্ৰতিযোগিতা, আকস্মিক বক্তৃতা আৰু তৰ্ক প্ৰতিযোগিতা কিন্তু প্ৰতিযোগীৰ অভাৱৰ বাবে মোৰ কাৰ্যকালত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰিব পৰা নহ'ল। তাৰ বাবে সকলোৰে ওচৰত মই ক্ষমাপ্ৰাৰ্থী।

ইয়াৰ পিছতে অনুষ্ঠিত হোৱা আটাইতকৈ গুৰুত্বপূৰ্ণ অনুষ্ঠান চন্দ্ৰকমল বেজবৰুৱা কলেজত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় যুৱ

Scanned with OKEN Scanner

মহোৎসৱ। বিগত বৰ্ষৰ দৰেই এইবাৰো আমাৰ মহাবিদ্যালয়ে বহুকেইটা পুৰস্কাৰ বুটলিবলৈ সক্ষম হয়। আশাকৰো আহিবলগীয়া দিনবোৰতো পুনৰ আমাৰ মহাবিদ্যালয়ে পূৰ্বৰ গৰিমা অটুট ৰখাৰ লগতে যাতে কলচীৰ দৰেই জিলিকাই ৰাখিবলৈ সক্ষম হয় তাকে আশা কৰিলোঁ।

উক্ত অনুষ্ঠানৰ সামৰণিৰ পিছদিনাই অৰ্থাৎ ১-০২-২০১৭ তাৰিখে আমাৰ মহাবিদ্যালয়ৰ আটাইতকৈ ডাঙৰ উৎসৱ সৰস্বতী পূজা অতি উলহ-মালহেৰে পালন কৰা হয়। ডিব্ৰুগড় মহাবিদ্যালয়ৰ যুৱ মহোৎসৱত অংশগ্ৰহণ কৰিবলৈ আমাৰ বহুবোৰ সম্পাদিকা যোৱাৰ বাবে সৰস্বতী পূজা অনুষ্ঠানত সম্পূৰ্ণৰূপে সময় দিব পৰা নাছিলো যদিওবা আমাৰ একতা সভাৰ ছয়নিকা, প্ৰিয়ংকা, লাকীমণি, বিদিশাৰ লগতে কলেজৰ কৰ্মচাৰীবৃন্দৰ প্ৰচেষ্টাত অনুষ্ঠানটি সৰ্বাংগসুন্দৰ হৈ উঠিছিল তাৰ বাবে তেওঁলোকলৈ এই আপাহতে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

৮-২-২০১৭ তাৰিখে জয়া স্মৃতি বিজাৰিত জেৰেঙা পথাৰত অনুষ্ঠিত হয় ৰংপুৰ সাহিত্য সভাৰ শতবৰ্ষীয় অনুষ্ঠান। উক্ত অনুষ্ঠানত আমাৰ মহাবিদ্যালয়ৰ ১০০ জনীয়া ছাত্ৰীৰ এটি দলে কোৰাছ পৰিৱেশন কৰে। শোভাযাত্ৰাত এটি ২৫ জনীয়া ছাত্ৰীৰ দলে জ্যোতি, বিষ্ণু ৰাভাৰ সমন্বয়ক প্ৰতিফলিত কৰি এটি শোভাযাত্ৰাত অংশগ্ৰহণ কৰাৰ লগতে ১০ জনীয়া এটি দলে News Live আৰু DY 365 মৃণাল তালুকদাৰৰ সৈতে এটি যুক্তি যুদ্ধ অনুষ্ঠানতো অংশগ্ৰহণ কৰে।

২৫-০৮-২০১৭ তাৰিখে নৱাগত সকলৰ আদৰণি সভা অনুষ্ঠিত কৰা হৈছিল। উক্ত সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত আছিল শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধক্ষ্য মহোদয় সৌমাৰ জ্যোতি মহন্ত ছাৰ।

মহাবিদ্যালয়ৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰীসকলক বিদায় তথা শুভেচ্ছা প্ৰদান কৰিবৰ বাবে এখনি বিদায় সভা অনুষ্ঠিত কৰা হৈছিল।

মোৰ এই কাৰ্যকালত মোৰ জ্ঞাতে আৰু অজ্ঞাতে হৈ যোৱা ভুল-ত্ৰুটিবোৰৰ বাবে সকলোৰে ওচৰত মই ক্ষমা প্ৰাৰ্থী।

ৰংপুৰৰ বাকৰিত জন্ম হোৱা নাৰী শিক্ষাৰ অন্যতম কেন্দ্ৰস্থলী 'শিৱসাগৰ ছোৱালী কলেজ' সোণৰ কলচীৰ কাষত সোণ হৈ জিলিকি ৰওঁক অনাদি কাললৈ।

সদৌ শেষত শিৱসাগৰ ছোৱালী কলেজৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ
জয়তু ছাত্ৰী একতা সভা।"

ধন্যবাদেৰে

মৃন্ময়ী দুৱৰা
তৰ্ক আৰু আলোচনাচক্ৰ
বিভাগৰ সম্পাদিকা
২০১৬-২০১৭ বৰ্ষ।

শিৱসাগৰ ছোৱালী কলেজৰ ২০১৬-২০১৭ বৰ্ষৰ বাৰ্ষিক কলেজ সপ্তাহৰ তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ ফলাফলৰ তালিকা –

বক্তৃতা ঃ
প্ৰথম ঃ পৰিস্মিতা দাস
দ্বিতীয় ঃ পাল্কী মহন্ত / শিল্পী হাতীবৰুৱা
তৃতীয় ঃ পূজা গগৈ

তৰ্ক ঃ
প্ৰথম ঃ মৃন্ময়ী দুৱৰা
দ্বিতীয় ঃ পূজা গগৈ
তৃতীয় ঃ হিমাশ্ৰী নেওগ

আকস্মিক বক্তৃতা ঃ
প্ৰথম ঃ গীতাশ্ৰী ওজা
দ্বিতীয় ঃ শোভা চাওতাল
তৃতীয় ঃ নাদিয়া হুচেইন

উদ্‌গনিমূলক ঃ
শিল্পী হাতীবৰুৱা
জুৰি বৰগোহাঁই

শ্ৰেষ্ঠ তাৰ্কিক ঃ
মৃন্ময়ী দুৱৰা

# ছাত্ৰী একতা সভাৰ সদস্যাসকল



সুজাতা গগৈ
সভাপতি




পৰিস্মিতা দাস
সাধাৰণ সম্পাদিকা



অভিস্পা বৰগোহাঁই
সহকাৰী সাধাৰণ সম্পাদিকা



নিকুমণি দিহিঙ্গীয়া
আলোচনী সম্পাদিকা



কাশ্মীৰী বৰুৱা
সাংস্কৃতিক সম্পাদিকা



লাকীমণি বড়া
সহকাৰী সাংস্কৃতিক সম্পাদিকা



পল্লৱী শইকীয়া
ক্ৰীড়া সম্পাদিকা



ৰাজলক্ষ্মী ভূঞা
সংগীত সম্পাদিকা



বিদিশা গগৈ
সহকাৰী সংগীত সম্পাদিকা



মৃন্ময়ী দুৱৰা
তৰ্ক আৰু আলোচনা সম্পাদিকা



চয়নিকা বুঢ়াগোহাঁই
ছাত্ৰী জিৰণি কোঠা সম্পাদিকা



প্ৰিয়ংকা বৰুৱা
সমাজসেৱা সম্পাদিকা



বিদিশা দাস
শ্ৰেণী প্ৰতিনিধি, উঃ মাঃ
প্ৰথম বৰ্ষ আৰু দ্বিতীয় বৰ্ষ



শোভা চাওঁতাল
শ্ৰেণী প্ৰতিনিধি
প্ৰথম ষাণ্মাসিক



হাবিবা খান্নম
শ্ৰেণী প্ৰতিনিধি
তৃতীয় ষাণ্মাসিক



ময়ূৰী দেৱী
শ্ৰেণী প্ৰতিনিধি
পঞ্চম ষাণ্মাসিক

Scanned with OKEN Scanner

# মহাবিদ্যালয়ৰ গৌৰৱ

## ২০১৬-১৭ বৰ্ষ বাৰ্ষিক যুৱ মহোৎসৱৰ বিভিন্ন শিতানত শ্ৰেষ্ঠ প্ৰতিযোগীৰ খিতাপ পোৱা ছাত্ৰীসকল



গীতাশ্ৰী ওজা
শ্ৰেষ্ঠ সাহিত্যক



মৃন্ময়ী দুৱৰা
শ্ৰেষ্ঠ তাৰ্কিক



নেহা গগৈ
শ্ৰেষ্ঠ গায়িকা



হিমাশ্ৰী ভূঞা
শ্ৰেষ্ঠ ক্ৰীড়াবিদ



জেচমিন বৰুৱা
শ্ৰেষ্ঠ অভিনেত্ৰী
(নাৰীৰ ভাৱত)



বনশ্ৰী গগৈ
শ্ৰেষ্ঠ অভিনেত্ৰী
(পুৰুষৰ ভাৱত)



সংঘমিত্ৰা কোঁৱৰ
শ্ৰেষ্ঠ ফটোগ্ৰাফাৰ



টাইকোৱাণ্ডৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ
ৰেফাৰী হিচাপে স্বীকৃতিপ্ৰাপ্ত
কলেজৰ ছাত্ৰী সুজাতা গগৈ

## ২০১৭ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ চূড়ান্ত পৰীক্ষাত প্ৰথম দহটা স্থানৰ ভিতৰত স্থান লাভ কৰা ছাত্ৰীসকল



মুন্নী গুপ্তা
প্ৰথম স্থান
অসমীয়া বিভাগ



দীপামণি ওজা
নৱম স্থান
অৰ্থনীতি বিজ্ঞান বিভাগ



পৰিস্মিতা দত্ত
দশম স্থান
অৰ্থনীতি বিজ্ঞান বিভাগ



নবাব তবচ্ছুম য়াছমিন
চতুৰ্থ স্থান
ইংৰাজী বিভাগ



বিনীতা কুমাৰী সিং
ষষ্ঠ স্থান
গাৰ্হস্থ্য বিজ্ঞান বিভাগ



ইন্দ্ৰানী বৰুৱা
দশম স্থান
গাৰ্হস্থ্য বিজ্ঞান বিভাগ



ৰাজশ্ৰী গগৈ
নৱম স্থান
ভূগোল বিভাগ



প্ৰেৰণা গগৈ
দশম স্থান
উদ্ভিদ বিজ্ঞান বিভাগ



খুচবু কৌৰ
ষষ্ঠ স্থান
প্ৰাণী বিজ্ঞান বিভাগ

Scanned with OKEN Scanner

## ২০১৬-১৭ বৰ্ষৰ মহাবিদ্যালয়ৰ বাৰ্ষিক যুৱ মহোৎসৱ আৰু আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ কেইটামান স্নেপশ্বট




















# GLIMPSES OF SOME INPORTANT MOMENTS OF SGS FAMILY DURING 2016-17



Felicitation of the Achiver in cultural field --Rajashree Nath, Dept. of Zoology, 3rd Semester,who has won the coveted 'Latashil Bihu Rani Competition' ,2017




Farewell of Mukuta Das Borkotoky, Associate Professor,Dept. of History



Republic Day Parade Winners (2)



Felicitation of the Best Library User, Puspa Kanu Sahu



SGC family donating a television set to the physically challanged inmates of the orphanage 'Koumudalaya'



Self Defence Training Camp

Scanned with OKEN Scanner

## স্মৃতিৰ জোলোঙাৰ পৰা —

## ২০১৬-১৭ বৰ্ষত শিৱসাগৰ ছোৱালী কলেজ পৰিয়ালে হাতত লোৱা উল্লেখযোগ্য কাৰ্যসূচীসমূহ























## ছাত্ৰীসকলৰ কেমেৰাত বন্দী আলোকচিত্ৰৰ সমাহাৰ













মুদ্ৰণ ঃ প্ৰিণ্টটেক্, জীৱন ফুকন নগৰ, ডিব্ৰুগড়, ভ্ৰাম্যভাষ ঃ ৯৮৬৪৭৯৬৪২৪

Scanned with OKEN Scanner